# পুথিভঁৰালৰ সামাজিক ভূমিকা

## (SOCIAL FUNCTIONS OF LIBRARIES)

মূল ইংৰাজী

বি, লেনথিয়াৰ

অনুবাদ

চক্ৰেশ্বৰ ভট্টাচাৰ্য

সম্পাদনা

চন্দ্ৰপ্ৰসাদ শইকীয়া

অসম প্ৰকাশন পৰিষদ

গুৱাহাটী—৩

PUTHIBHARALAR SAMAJIK BHUMIKA: Assamese translation of Mr. B. Landheer's 'SOCIAL FUNCTION OF LIBRARIES' by Chakreswar Bhattacharya. Edited and published by C. P. Saikia, Secretary, Publication Board, Assam, Gauhati-3. First published—January, 1970.
Price Rs. 7.00

প্ৰথম প্ৰকাশ
জানুৱাৰী, ১৯৭০

প্ৰকাশক
চন্দ্ৰপ্ৰসাদ শইকীয়া
সচিব
অসম প্ৰকাশন পৰিষদ

মূল্য সাত টকা

মুদ্ৰক
ট্ৰিবিউন প্ৰেছ
গুৱাহাটী -৩

# সূচীপত্ৰ


| অধ্যায় | বিষয় | পৃষ্ঠা |
|---|---|---|
| প্ৰথম | পুথিভঁৰালৰ সামাজিক ভূমিকা কি ? | ১ |
| দ্বিতীয় | কোনে পঢ়ে আৰু কিয় পঢ়ে ? | ১৬ |
| তৃতীয় | ভক্তিমূলক পাঠ | ৩৮ |
| চতুৰ্থ | সংস্কৃতিমূলক গ্ৰন্থপাঠ | ৬১ |
| পঞ্চম | সাফল্যমূলক আৰু পৰিপূৰক গ্ৰন্থপাঠ | ৮৭ |
| ষষ্ঠ | গ্ৰন্থপাঠৰ ভূমিকাৰ লগত পুথিভঁৰালৰ সম্পৰ্ক | ১১৩ |
| সপ্তম | লেখা আৰু লেখকৰ ভূমিকা | ১৪০ |
| অষ্টম | পুথিভঁৰালৰ কাম | ১৬৪ |
| নৱম | ভিন্ ভিন্ সাংস্কৃতিক স্তৰত পুথিভঁৰাল | ১৯১ |
| দশম | সমসাময়িক সাংস্কৃতিক ব্যৱস্থাত পুথি আৰু পুথিভঁৰালৰ ভূমিকা | ২১৪ |
| একাদশ | কম অগ্ৰসৰ অঞ্চলত পুথিভঁৰালৰ ভূমিকা | ২৩৯ |
| দ্বাদশ | সামাজিক সংস্থা হিচাপে পুথিভঁৰাল | ২৫৯ |
| ত্ৰয়োদশ | গ্ৰন্থপাঠ আৰু ব্যক্তিত্বৰ বিকাশ | ২৭৪ |
| চতুৰ্দশ | গ্ৰন্থ ৰচনা, গ্ৰন্থপাঠ আৰু গ্ৰন্থাগাৰৰ সাম্ভাব্য ভূমিকা | ২৯৮ |

# ভূমিকা

বিশ্ববিশ্রুত দাৰ্শনিক আৰু লিখক চিৰিল এডুইন মিট্‌চিনচন জোডে তেওঁৰ Spreading of Knowledge নামৰ প্ৰবন্ধ এটিত লিখিছে : "Books are the chief carrier of civilisation ; because of them ideas live and spread." বিশ্বৰ ইতিহাসত একো একোটা জাতিৰ সভ্যতাৰ চানেকি গ্ৰন্থই বহন কৰি আনে। প্ৰগতিৰ পথত আগবাঢ়ি যোৱা জাতি একোটাৰ ধ্যান-ধাৰণা আৰু চিন্তা-ভাৱনাই উচ্চ স্তৰলৈ গতি কৰে আৰু সেই অনুপাতে এক সংখ্যক চিন্তাশীল গৱেষক তথা বুদ্ধিজীৱী লিখকে গ্ৰন্থ ৰচনাৰ যোগেদি সমগ্ৰ জাতিটোৰ মানসিক উৎকৰ্ষৰ চানেকি কৰি ৰাখে। কিতাপ বা গ্ৰন্থ অবিহনে অতীতৰ কোনো বস্তুৰে যুগমীয়াকৈ চিন ৰখাটো অসম্ভৱ হ'লহেঁতেন।

সভ্যতাৰ পৰিবাহক গ্ৰন্থৰ সংৰক্ষণ কৰিবলৈও আকৌ অন্য এক অনুষ্ঠানৰ আৱশ্যক হ'ল। সেয়া হ'ল গ্ৰন্থাগাৰ বা পুথিভঁৰাল। বিভিন্ন লিখকৰ গ্ৰন্থসমূহক চিৰকাললৈ সংৰক্ষণ কৰি ব্যক্তি তথা জাতি একোটাৰ উপকাৰ সাধন কৰিবলৈ পুথিভঁৰালৰ আৱশ্যক হ'ল। পুথিভঁৰাল অবিহনে এই কাম কোনোপধ্যে সম্ভৱ নহ'লহেঁতেন। প্ৰতিটো যুগৰে বিভিন্ন জাতিৰ ক্ষণজন্মা মহৎ লিখকসকলৰ জ্ঞান সংৰক্ষণ কৰি সৰ্বকালৰ জনগণক সেই জ্ঞানৰ আস্বাদ লবলৈ, বৰ্তমানৰ দাপোণত অতীতৰ প্ৰতিফলন কৰিবলৈ আৰু তদনুসৰি আলোচনা-গৱেষণাৰ পথ মুকলি কৰিবলৈ পুথিভঁৰালে যিদৰে মহৎ উপকাৰ সাধন কৰিছে আন কোনো জাতীয় অনুষ্ঠানে তেনেদৰে কৰিব পৰা নাই বুলি কলেও বঢ়াই কোৱা নহ'ব। এনে দৃষ্টিকোণৰপৰা লক্ষ্য কৰিলে দেখা যায় যে পুথিভঁৰাল অনুষ্ঠানৰ সামাজিক ভূমিকা বৰ তাৎপৰ্যপূৰ্ণ।

পুথিভঁৰালৰ এনেবোৰ তাৎপৰ্যৰ বিষয়ে বিশদভাৱে আলোচনা কৰি ৰি, লেনুৰিয়াৰে "Social Functions of Libraries" নামৰ বিখ্যাত গ্ৰন্থখনি ৰচনা কৰে। বিশ্বজোৰা খ্যাতিসম্পন্ন এই মূল ইংৰাজী গ্ৰন্থখনৰ দ্বাৰা

পৃথিৱীৰ ইংৰাজী ভাষা-ভাষী পঢ়ুৱৈ সমাজ তথা পুথিভঁৰালৰ বিষয়বীয়াসকলে পুথিভঁৰাল সম্পৰ্কে ইতিমধ্যে বহুতো ঐতিহাসিক তথ্যৰ সন্ধান পাইছে। অসম প্ৰকাশন পৰিষদৰ তৰফৰপৰা এই মহান গ্ৰন্থখনিৰ অসমীয়া অনুবাদ এটি অসমীয়া পাঠকলৈ আগবঢ়োৱা হ'ল। চৈধ্যটা অধ্যায়ত সমাপ্ত হোৱা মূল গ্ৰন্থখনৰ সহজ, সৰল আৰু সাৱলীল অসমীয়া অনুবাদে অসমীয়া ৰাইজকো পুথিভঁৰাল সম্পৰ্কে প্ৰভূত জ্ঞানৰ পথ মুকলি কৰিব বুলি আশা কৰা হৈছে।

গ্ৰন্থখনিৰ অসমীয়া অনুবাদ কৰিছে অসমৰ বুদ্ধিজীৱী মহলৰ সুপৰিচিত চন্দ্ৰেশ্বৰ ভট্টাচাৰ্যদেৱে। বৰ পৰিতাপৰ কথা এয়ে যে মৃত্যুৰ আগতে তেওঁ এই গ্ৰন্থখনৰ প্ৰকাশ দেখি যাবলৈ নেপালে। কিতাপখন ছপাশাললৈ পঠোৱাৰ লগে লগেই যোৱা এপ্ৰিলৰ ঊনত্ৰিশ তাৰিখে তেওঁৰ মৃত্যু ঘটে। সহৃদয় পাঠক সমাজে এই প্ৰয়াত স্বৰ্গীয় ভট্টাচাৰ্যৰ অননুকৰণীয় অনুবাদৰ স্বাদ গ্ৰহণ কৰিব পাৰিব। তেওঁৰ অকাল মৃত্যুত আমি গভীৰ শোক প্ৰকাশ কৰিছো। এই অনুবাদ-কাৰ্যৰ যোগেদি তেওঁৰ স্মৃতি অক্ষয় হৈ থাকিব।

মূল ইংৰাজী গ্ৰন্থৰ প্ৰকাশক, নিউইয়ৰ্কৰ Scarecrew Press এ বিনা ৰয়েলটিৰে গ্ৰন্থখনৰ অনুবাদ অধিকাৰ আমাক দিয়া বাবে সেই অনুষ্ঠানৰ প্ৰতি আমাৰ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

এক জানুৱাৰী, ১৯৭০
গুৱাহাটী—৩

চন্দ্ৰপ্ৰসাদ শইকীয়া
সচিব
অসম প্ৰকাশন পৰিষদ

প্ৰথম অধ্যায়

# পুথিভঁৰালৰ সামাজিক ভূমিকা কি?

বুৰঞ্জীৰ প্ৰতিটো যুগৰে নিজৰ একোটাকৈ স্বকীয়া মনোধৰ্ম থাকে আৰু এনে মনোধৰ্মই কেতবোৰ ভাৱধাৰাৰ ওপৰত আনবোৰৰ তুলনাত অধিক গুৰুত্ব আৰোপ কৰাৰ লক্ষণ দেখিবলৈ পোৱা যায়। এইদৰে অনুসৰণ কৰা দৰ্শন বা আদৰ্শবাদৰ ভেটিত সাংস্কৃতিক যুগবোৰৰ নাম দিব পৰা যায়। কিন্তু গুৰিতেই এই কথাও মনত ৰখা উচিত হ'ব যে এনে প্ৰধান ভাৱধাৰাবোৰেই সেই সেই নিৰ্দিষ্ট যুগৰ সমগ্ৰ সংস্কৃতিক প্ৰতিবিম্বিত নকৰে; নাইবা প্ৰায়ে এনেও দেখিবলৈ পোৱা যায় যে একো একোটা নিৰ্দিষ্ট কালত কেবাটাও সংস্কৃতিয়ে আৰু তাৰ ফলত কেবাটাও দৰ্শনে ফেৰিয়াফেৰি কৰে আৰু তাৰ পৰিণাম স্বৰূপে এটা নিৰ্দিষ্ট সংস্কৃতিৰ ভিতৰতে এটা নিৰ্দিষ্ট ভাৱধাৰাৰ গুৰুত্বৰ ক্ষেত্ৰত তাৰতম্য ঘটে; বিভিন্ন সাংস্কৃতিক আহিবোৰতো এই অৱস্থা আৰু অধিক পৰিমাণে পৰিলক্ষিত হয়।

অতীজত পছিমীয়া সভ্যতাই নিজৰ সংস্কৃতিকে "সৰ্বোৎকৃষ্ট" বুলি ধাৰণা কৰিছিল, কিন্তু এতিয়া আমি ভালেমান সাংস্কৃতিক আহিৰ আপেক্ষিক মূল্য বোধ কৰিবলৈ শিকিছোঁহক। গতিকে এটা সংস্কৃতিৰ ওপৰত সৰ্বাধিক প্ৰভাৱ বিস্তাৰ কৰা এনে এটা নিৰ্দিষ্ট ভাৱধাৰাৰ প্ৰকৃত মূল্য নিৰ্ণয় কৰাটো আগৰ তুলনাত ভালেখিনি কঠিন হৈ পৰিছে।

এইদৰে সকলো প্ৰকাৰৰ মানৱীয় বিষয়ৰ মাজত থকা ওতপ্ৰোত সম্পৰ্ক সম্বন্ধে আমি অধিক সচেতন হৈ পৰিছোঁহক, আৰু

সেইহেতুকেই হবলা "সামাজিক" শব্দটোৰ ওপৰত ইমান গুৰুত্ব দিয়া হৈছে।

"ছচিয়েল" (সামাজিক) শব্দটো ওলাইছে লেটিন "ছছিয়াছ্" শব্দৰপৰা, ইয়াৰ অৰ্থ হ'ল সঙ্গী, মিত্ৰ, বন্ধু, অনুগামী আদি। বৰ্তমানে ইয়াক নানা অৰ্থত ব্যৱহাৰ কৰা হয়, কিন্তু সেই আটাই-বোৰতে "সংঘভুক্তি" বা দলত থাকি "ভূমিকা গ্ৰহণ"ৰ অৰ্থকে সুচোৱা হয়।

উনবিংশ শতিকাৰ শেষভাগ আৰু বিংশ শতিকাত আমাৰ ভাৱধাৰাৰ ওপৰত এই শব্দটোৱে বৰকৈ প্ৰভাৱ বিস্তাৰ কৰে। এই সময়ত সামাজিক নীতি, সামাজিক অৰ্থনীতি, সামাজিক কাম, সামাজিক বিধি-ৰচনা, সামাজিক মনস্তত্ত্ব, সমাজতত্ত্ব, সামাজিক বীমা, সামাজিক মনঃসমীক্ষণ আদি নিচেই ঘৰুৱা শব্দ হৈ পৰিছিল আৰু অষ্টাদশ শতিকাত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰা "সামাজিক চুক্তি" আদি শব্দাৱলীতকৈ এইবোৰ শব্দ অধিক জনাজাত হৈ উঠে।

এনে একোটা শব্দৰ মূল্য আৰু প্ৰচলন ইমান বৃদ্ধি পোৱাৰ মূলতে কিবা মনস্তাত্ত্বিক কাৰণ বা উদ্দেশ্য নেথাকি নোৱাৰে। এই সময়ছোৱাত পছিমীয়া সভ্যতাত মানুহৰ মন ব্যক্তিবাদৰপৰা সমষ্টি-গত ভাৱধাৰালৈ ঢাল খায়; গতিকে শব্দৰ ক্ষেত্ৰতো এই ভাৱধাৰাই এনে পৰিৱৰ্তন সাধন কৰাৰ কাৰণ বুলি ধৰি লোৱাটো আটাইতকৈ যুক্তিসঙ্গত হ'ব বুলি ধাৰণা হয়।

এই পৰিৱৰ্তন ইমান বিচিত্ৰ আছিল আৰু ইয়াৰ প্ৰভাৱ ইমান দকৈ আৰু ইমান দূৰলৈ শিপাইছিল যে আমাৰ বৰ্তমান উদ্দেশ্যত তাৰে কেইটামান ফালহে আলোচনা কৰিব পৰা যাব।

সপ্তদশ আৰু অষ্টাদশ শতিকাত যুক্তিবাদেই আছিল পাশ্চাত্য সমাজৰ আটাইতকৈ প্ৰভাৱশালী দৰ্শন আৰু যুক্তিসম্পন্ন ব্যক্তিয়েই সকলো বিষয়ৰ বিচাৰক বুলি যুক্তিবাদে বিবেচনা কৰিছিল।

লগতে এই বুলিও ধৰা হৈছিল যে এটা যুক্তিক্ৰমৰ আধাৰত বিশ্বব্ৰহ্মাণ্ড চলে আৰু মানুহে নিজৰ যুক্তিৰ ক্ষমতাৰে এইবোৰ প্ৰক্ৰিয়া

সম্বন্ধে জ্ঞান আহৰণ কৰি ল'ব পাৰে। সূক্ষ্ম ফলিত বিজ্ঞানবোৰৰ অভাৱনীয় সাফল্যই এই ভাৱধাৰাৰ বাবে বৰকৈ প্ৰেৰণা যোগাইছিল আৰু সামাজিক নিয়মানুৱৰ্ত্তিতাৰ প্ৰভাৱ বৃদ্ধি পাই অহাৰ লগে লগে মানুহে আধ্যাত্মিক সংজ্ঞাবোৰ পৰিহাৰ কৰি সূক্ষ্ম বিজ্ঞানবোৰৰ অনুকৰণ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছিল। এই নতুন যুগত পোন প্ৰথমে এই পৰিৱৰ্ত্তনবোৰে প্ৰভাৱ বিস্তাৰ কৰে অৰ্থশাস্ত্ৰ বা অৰ্থনীতিত আৰু এই শাস্ত্ৰৰ আলোচনাৰ মূল কেন্দ্ৰ হয় যুক্তিসম্পন্ন ব্যক্তি।

ইয়াৰ সমুন্নতিৰ (classical) কালছোৱাত এনে এটা দৰ্শন গঢ়ি উঠিল যি সমসাময়িক যুগৰ মানুহৰ মন আকৰ্ষণ কৰিব পাৰিলে। তাৰ কাৰণ হ'ল এই দৰ্শনৰ ভেটি আছিল মানুহৰ ভাল লগা ভাৱধাৰাবোৰ আৰু সেইবোৰকে বৰ্দ্ধমান আৰ্থিক ব্যৱস্থা গঢ়ি উঠাত আকৰ্ষণীয় আৰু দেখাত যুক্তিপূৰ্ণ ধৰণেৰে প্ৰয়োগ কৰা হ'ল।

এইদৰে একেলগে সাঙোৰ খাই থকা যুক্তিবাদ আৰু ব্যক্তিবাদৰ শিপা বৰ দলৈ বিয়পি পৰিল; এইমতে পৰিৱৰ্ত্তন আৰু পৰিবৰ্দ্ধনৰ বাবে কিছুদূৰ ব্যক্তি স্বাতন্ত্ৰ্যৰ প্ৰয়োজন, কিয়নো পৰিৱৰ্ত্তনশীল জীৱন নতুন নতুন সমস্যাৰ সম্মুখীন হ'বলগীয়া হয় যাক অতীত অভিজ্ঞতাৰ সমন্বয়ৰূপৰ উদ্ভৱ হোৱা বৰ্তমানৰ ব্যৱস্থাৰ লগত খাপ খুৱাই ল'ব নোৱাৰি। পৰিৱৰ্ত্তন আৰু পৰিবৰ্দ্ধন হ'ল সামাজিক বিকাশৰ স্বাভাৱিক পৰিণতি; কিন্তু সমাজৰ কিয় বিকাশ হয়—সি হ'ল এটা বিচাৰসাপেক্ষ কথা। ধৰ্ম আৰু দৰ্শনে এই প্ৰশ্নৰ কিবা এটা সমিধান হয়তো দিব পাৰে, কিন্তু বিজ্ঞানে হ'লে নোৱাৰে। আনহাতে বিজ্ঞানে এই বিকাশৰ লক্ষণসমূহ আৰু সেইবোৰৰ মাজত থকা পাৰস্পৰিক সম্পৰ্ক সম্বন্ধে কিন্তু অনুশীলন কৰে।

শেহান্তৰত ভাবি চাবলৈ গ'লে জীৱন আৰু ইয়াৰ দৰ্শনসমূহৰ কিছুদূৰ প্ৰয়োজন উদ্ভৱ হয়। যেতিয়া প্ৰকৃততে বিকাশৰ লক্ষণবোৰ দেখা দিয়ে, তেতিয়া ব্যক্তিয়ে প্ৰায়ে বিশ্বাস কৰে যে তেওঁৰ ভাৱধাৰাবোৰৰ কাৰণেই এই পৰিৱৰ্ত্তনবোৰ হৈছে; কিন্তু বাস্তৱতে তেওঁৰ ভাৱধাৰা অধিক পৰিমাণে এই পৰিৱৰ্ত্তনৰ প্ৰকাশহে হ'ব পাৰে।

সি যিয়েই নহওক, এই পৰিৱৰ্তনবোৰ লক্ষ্য কৰা আৰু মূল্যাঙ্কণতকৈ এইবোৰৰ বিশ্লেষণ কৰাই হ'ল সমাজ-বিজ্ঞানৰ কৰ্তব্য।

এইদৰে স্পষ্টভাৱে দেখা যায় যে মানৱ সমাজত বিকাশৰ প্ৰক্ৰিয়া সকলো ক্ষেত্ৰতে সমানে দেখা নিদিয়ে, কিন্তু এই বিকাশৰ গতি প্ৰবলভাৱে চলাৰ পিচত এনে এটা সময়ৰ উদ্ভৱ হয় যেতিয়া সেইবোৰৰ সমন্বয় আৰু সংহতি সাধনৰ প্ৰয়োজন হয়।

যুক্তিবাদ আৰু ব্যক্তিবাদে অপূৰ্ব ধৰণে মানুহৰ শক্তি আৰু উদ্যম মুক্ত কৰি দিছিল সঁচা, কিন্তু তাৰ ফলত হ'লে আশা কৰা মতে এখন আটায়ে মিলিজুলি থাকিব পৰা সমাজৰ সৃষ্টি নহ'ল। লাহে লাহে স্পষ্ট হৈ উঠিল যে আগেয়ে ধৰি লোৱাৰ নিচিনাকৈ মানুহ এটা যুক্তিপূৰ্ণ যন্ত্ৰবিশেষ নহয়। এনে ধাৰণাৰ ফলত উদ্ভৱ হোৱা "অৰ্থনৈতিক মানৱ"ৰ আদৰ্শই বোধহয় আটাইতকৈ অধিক প্ৰভাৱ বিস্তাৰ কৰিছিল; কিন্তু দেখা গ'ল যে এই "অৰ্থনৈতিক মানৱ" তেনেই অকলশৰীয়া প্ৰাণী—হয়তো সি অতি চহকী, নহ'লে অতিশয় ডাল-দৰিদ্ৰ, অতি বলী বা অতি দুৰ্বল, অতিশয় উদ্যমী নাইবা তেনেই সোপাটিলা, হয়তো আইনৰ মেৰপাকত অতি সুবিজ্ঞ, নহ'লে সমাজত নিজৰ অধিকাৰ আদি সম্পৰ্কে সম্পূৰ্ণ উদাসীন, ইত্যাদি। সি মানৱসুলভ গুণবাজি হেৰুৱাই পেলালে, আটাইতকৈ ডাঙৰ কথা—সি আৰু আন আন মানুহৰ মাজত নিজকে মানুহ বুলি অনুভৱ কৰিব নোৱাৰা হ'ল।

এনে সন্ধিক্ষণতে "সামাজিক মানৱ"ৰ আদৰ্শই ভূমুকি মাৰে; নৱন্যাস (ৰোমাণ্টিক ভাৱধাৰা), কল্পনাবিলাসী সমাজতন্ত্ৰবাদ (ইউট'পিয়ান ছচিয়েলিজম), খৃষ্টান সংস্কাৰ আন্দোলন, ন্যায় আৰু অৰ্থনীতিৰ ঐতিহাসিক মতবাদ, সমাজবিজ্ঞান, সমাজত্ৰাণ আৰু শান্তিবাদ আদি আন্দোলনে এই ভাৱধাৰাক নতুন নতুন প্ৰেৰণা যোগায়। এইবোৰ ভাৱধাৰা দেখা দিলে আটাইতকৈ মুখ্য প্ৰয়োজন এটা পূৰণ কৰিবলৈ অৰ্থাৎ ব্যক্তিবাদৰ অতিচাৰ সঙ্কুচিত কৰিবলৈ, নিজৰ সমাজত লগৰীয়া আন আন মানুহৰ সম্পৰ্কত মানুহৰ ভূমিকা উপলব্ধি কৰিবলৈ। মানুহ আকৌ নিজৰ ভ্ৰাতৃৰ অৱ-ৰক্ষক হ'বলৈ ধৰিলে, কিয়নো তাৰ মনৰ গঠন বিন্যাসে বুজাই দিলে যে

অকলশৰীয়া হৈ সুখ পাব নোৱাৰি, নাইবা সাফল্য, উন্নতি বা ধনৰ দ্বাৰাও ইয়াক জুখিব নোৱাৰি। কিন্তু আনৰ মঙ্গলৰ প্ৰতি কিছু ধ্যান দিলেহে সুখৰ অনুভূতি অধিক পৰিমাণে বিকশি উঠে।

এই পৰিপ্ৰেক্ষিতৰপৰা আমি মানৱ চৰিত্ৰৰ বৰ্ণাঢ্য জটিলতা লক্ষ্য কৰি বিচুতি খাবলগীয়া হয়, মানুহে নিজৰ আটাইতকৈ ডাঙৰ প্ৰয়োজন পূৰণৰ বাবে নিজেই আৱশ্যকীয় উপায় আৱিষ্কাৰ কৰি লোৱা দেখা যায়। অৱশ্যে আমি বিভিন্ন যুগৰ মনোধৰ্ম সম্বন্ধে হ'লে মূল্যাঙ্কন কৰিব নোৱাৰোহঁক।

এই নতুন আন্দোলনৰ ফলতে "সামাজিক" শব্দটোৱে আগ ভাগ পায়, পছিমীয়া ভাৱধাৰা আৰু পাশ্চাত্য সমাজৰ সমস্যাৱলীত আমি এই আন্দোলনৰ প্ৰভাৱ লক্ষ্য কৰিব পাৰোহঁক। আনকি এৰিষ্টটলেও কৈছিল যে মানুহ হ'ল ৰাজনৈতিক প্ৰাণী (political animal) তেওঁৰ মনতো "পলিচ" (polis) অৰ্থাৎ সমাজ বা সম্প্ৰদায়ে অধিক গুৰুত্ব লাভ কৰিছিল। কিন্তু যুক্তিবাদ আৰু ব্যক্তিবাদৰ অতিচাৰ চলাৰ পিচত এই প্ৰাচীন সত্যৰ মূল্য নতুনকৈ উপলব্ধি কৰা হয়।

অধিক ব্যক্তিধৰ্মী আৰু অধিক সমষ্টিধৰ্মী কালৰ পৰিৱৰ্তন বোধহয় এটা সাধাৰণ ঐতিহাসিক প্ৰক্ৰিয়া। কিন্তু কেতবোৰ সীমাৰ ভিতৰতহে এই মন্তব্য কৰিব লাগিব, কিয়নো এই প্ৰভেদ প্ৰকাৰতকৈ বেছি মাত্ৰাতহে।

আনকি যিবোৰ কালত সামাজিক কথা নাইবা সংহতিৰ ওপৰত গুৰুত্ব দিয়া হয়, তেতিয়াও সামাজিক দলবোৰে বিস্তাৰৰ আৰু নিজৰ বৈশিষ্ট্য ৰক্ষা কৰি চলাৰ প্ৰবল মনোভাৱ দেখুৱায়; ইচ্ছাকৃত ব্যৱস্থাৰ সলনি এটা স্বাভাৱিক ভাৰসাম্য স্থাপনৰ দ্বাৰাহে এই বিভিন্ন দলবোৰৰ মাজত সম্পৰ্ক নিয়ন্ত্ৰিত হয়। পাৰ্থক্য ইমানেই যে অধিক মিলনধৰ্মী কালছোৱাত সামাজিক মূল্যাঙ্কন পদ্ধতিত সহযোগিতাৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়, আনহাতে অপেক্ষাকৃত কম মিলনধৰ্মী কালত প্ৰতিদ্বন্দ্বিতা, ক্ষমতা, আইনগত মৰ্যাদা, ব্যক্তিগত অধিকাৰ আদিৰ ওপৰত অধিক মূল্য আৰোপ কৰা হয়।

শেহান্তৰত উভয় ক্ষেত্ৰতে পৰস্পৰ বিৰোধী শক্তিৰ মাজত হোৱা আপোচেই হয়তো সমাজ নিয়ন্ত্ৰণৰ মূল কাৰণ, কিন্তু এনে প্ৰক্ৰিয়া সম্বন্ধে পাৰস্পৰিক দৃষ্টি-ভঙ্গীৰ পাৰ্থক্য আছে।

মিলনধৰ্মী যুগত নিজৰ সমষ্টিগত সম্পৰ্কৰ ফালৰপৰা কোনো এটা বিষয় বা প্ৰক্ৰিয়াৰ মূল্য বুজিবলৈ আৰু এই সমূহীয়া সম্পৰ্কত ইয়াৰ ভূমিকা নিৰ্ণয় কৰিবলৈ চেষ্টা কৰা হয়। গতিকে "সামাজিক" শব্দৰ ওপৰত ইমান গুৰুত্ব দিয়া এটা যুগত "ভূমিকা" (function) অথবা "কৃত্য" (functional) শব্দৰ প্ৰতিও প্ৰবল আগ্ৰহ দেখুৱাটো একো আচৰিত কথা নহয়; কিয়নো এই কথাই অকল পাৰস্পৰিক সম্পৰ্কৰ বিষয়ে যে প্ৰকাশ কৰিবলৈ বিচাৰে এনে নহয়, ভিন ভিন অংশৰ মাজত কেনে ধৰণৰ বিশেষ সম্বন্ধ আছে তাকো নিৰ্ণয় কৰি দিবলৈ চেষ্টা কৰে।

"সামাজিক ভূমিকা" কথাফাকি ইমান চিনাকি হৈ পৰিছে যে ইয়াৰ প্ৰয়োগৰ দ্বাৰা দলগত মনোভাৱৰ উল্লেখযোগ্য পৰিৱৰ্তনৰ কথা যে সূচোৱা হয় সেই কথা আৰু আমাৰ মনত উদয় নহয়। তথাপি প্ৰয়োগ কৰিলে আমি অন্ততঃ এইখিনি অনুভৱ কৰোঁহক যে এটা দলবিশেষৰ ভূমিকাৰ আভাস দিবলৈ বিচৰা হৈছে। কিন্তু এই কথা-ফাকি প্ৰয়োগ কৰোতে কোনটো বিশেষ দললৈ লক্ষ্য ৰখা হৈছে সেই কথা আমি প্ৰায়েই মুকলিভাৱে উল্লেখ নকৰোঁহক। কোনো এটা শিল্পৰ সামাজিক ভূমিকাৰ কথা ক'লে আমি অকল সেই শিল্পৰ অৰ্থনৈতিক তাৎপৰ্যতে আৱদ্ধ নাথাকি যে অপেক্ষাকৃত বৃহত্তৰ তাৎপৰ্য সম্বন্ধে ইঙ্গিত কৰোঁহক সেইটো স্পষ্ট কথা। কিন্তু এনে ক্ষেত্ৰত আমি প্ৰত্যক্ষভাৱে সংশ্লিষ্ট দলবিশেষ, নাইবা কোনোবা ৰাষ্ট্ৰ বা অঞ্চল অথবা সমগ্ৰ মানৱ জাতিৰ সম্পৰ্কত এনে ভূমিকাৰ কথা ইঙ্গিত কৰোঁনে নকৰোঁ সেই কথা প্ৰায়ে ভাবি উলিয়াব লগীয়া হয়। কিন্তু লগতে এই কথাও ক'ব লাগিব যে আমাৰ সমসাময়িক অধিকভাগ লোকে সাৰ্ব-জনীন দৃষ্টি-ভঙ্গীৰ সলনি জাতীয় দৃষ্টি-ভঙ্গীৰপৰা চিন্তা কৰে; তথাপি জাতীয় আদৰ্শবাদত প্ৰায়ে সাৰ্বজনীনতাৰ আভাস পোৱা যায়।

সমাজবিজ্ঞানৰ গুণ হ'ল এয়ে যে ই সাধাৰণ সংজ্ঞাবোৰ অধিক বাস্তৱ আৰু স্পষ্টভাৱে প্ৰয়োগ কৰিবলৈ চেষ্টা কৰে; গতিকে "সামাজিক ভূমিকা"ৰ কথা ক'বলৈ হ'লে কোনটো দলবিশেষৰ এই ভূমিকা নিৰ্ণয় কৰিবলৈ ওলাইছোঁহক সেই কথা স্পষ্টভাৱে উল্লেখ কৰিব লাগিব। এইদৰে পুথিভঁৰালৰ সামাজিক ভূমিকা বৰ্ণাবলৈ হ'লে প্ৰথমতে ইয়াৰ লগত সংশ্লিষ্ট সমস্যা আৰু দৃষ্টিকোণবোৰ সুনিৰ্দিষ্ট কৰি ল'ব লাগিব।

দাৰ্শনিক ধৰণে ক'বলৈ গ'লে বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিটো বস্তুৰে আনটোৰ লগত সম্পৰ্ক আছে। গতিকে কিছুদূৰ সীমা ধাৰ্য নকৰি নোৱাৰি। আটাইতকৈ ডাঙৰ সীমাবদ্ধতাটো আমাৰ অনিচ্ছাকৃত—অৰ্থাৎ আমাৰ জ্ঞানৰ সীমাবদ্ধতা।

প্ৰথমতে আমাৰ সমাজৰ প্ৰতিটো কথাকে উৎপাদক, গ্ৰাহক আৰু সাধাৰণ ৰাইজৰ দৃষ্টিকোণৰপৰা বিবেচনা কৰিব পৰা যায়। এই ক্ষেত্ৰত লেখক আৰু প্ৰকাশকসকল হ'ল উৎপাদক, পুথিভঁৰালী-সকল বিতৰণকাৰীৰ নিচিনা, পাঠকসকল হ'ল গ্ৰাহক আৰু ইয়াৰ বাহিৰৰ সকল হ'ল সাধাৰণ ৰাইজ; কিয়নো প্ৰথম তিনিটা শ্ৰেণীৰ সমন্বয়ী কাৰ্যতৎপৰতাই এই বাহিৰৰ লোকসকলৰ ওপৰত পৰোক্ষভাৱে প্ৰভাৱ বিস্তাৰ কৰে। লেখক, প্ৰকাশক, পুথিভঁৰালী আৰু পাঠকৰ মাজৰ সম্পৰ্কই হ'ল আটাইতকৈ আৱশ্যকীয় কথা।

ইয়াৰ ফলত ভালেমান সমস্যাই দেখা দিয়ে। কণীৰপৰা পোৱালি হ'লনে, পোৱালিৰপৰা কণী হ'ল সেই প্ৰশ্ন তোলাৰ যুক্তি-যুক্ততা সম্বন্ধে সংশয় হয়, কিয়নো আজিকালি সাধাৰণতে স্বীকাৰ কৰা হয় যে অভাৱেই আৱিষ্কাৰৰ মূল। গতিকে প্ৰথমতে পুথি পঢ়াৰ প্ৰয়োজন কিয় অনুভৱ কৰা হয় সেই কথা পৰীক্ষা কৰি চোৱাটো যুক্তি সঙ্গত হ'ব, কিয়নো লেখক, প্ৰকাশক, পুথিভঁৰালী আৰু পাঠকৰ বাবে এই প্ৰয়োজনেই মুখ্যতম হেতু। বোধহয় যোগাযোগৰ এটা বিশেষ ৰূপ হিচাপে গ্ৰন্থপাঠৰ বিশ্লেষণ কৰাটো উচিত হ'ব; এই প্ৰয়োজনৰ বাবেও পূৰ্ববৰ্তী কেতবোৰ পৰ্যায় থাকে।

এইদৰে পুথিভঁৰালৰ সামাজিক ভূমিকা বিশ্লেষণ কৰিবলৈ হ'লে মানুহৰ প্ৰয়োজন-সূচী সম্বন্ধে বিবেচনা কৰিব লাগিব ; কিন্তু এই প্ৰয়োজন-সূচী নিৰপেক্ষ আৰু সন্তোষজনকভাৱে বিচাৰ কৰিব পাৰি নে নোৱাৰি সেই সম্বন্ধে সন্দেহ হয় ।

দ্বিতীয়তে পুথিভঁৰালৰ ভূমিকা কিছু পৰিমাণে নিৰপেক্ষভাৱে নিৰ্ণয় কৰাৰ উপৰি বিভিন্ন সংস্কৃতি আৰু ভিন ভিন সাংস্কৃতিক স্তৰত কি আদৰ্শভঙ্গীৰপৰা ইয়াক গ্ৰহণ কৰা হয় সেই সম্বন্ধেও বিবেচনা কৰি চাব লাগিব । আন কথাত ক'বলৈ গ'লে বিভিন্ন সাংস্কৃতিক স্তৰত এই ভূমিকাৰেই যে পৰিৱৰ্তন হয় এনে নহয়, ইয়াৰ উপলব্ধিৰ ক্ষেত্ৰতো পৰিৱৰ্তন ঘটে ।

এটা আশ্বাসৰ কথা হ'ল এয়ে যে লিপিবদ্ধ ৰচনা সম্বন্ধে বিভিন্ন সংস্কৃতিৰ ৰস-জ্ঞান বিভিন্ন হ'লেও এনে কোনো সংস্কৃতিৰ বিকাশ হোৱা নাই যি ইয়াক নোহোৱাকৈ চলিব পাৰে বুলি দাবী কৰিব পাৰিছে। আনহাতে আটাইবোৰ লিপিবদ্ধ ৰচনাকে সংৰক্ষণ কৰিব লাগে বুলি দাবী কৰা সংস্কৃতিও নাই বুলিয়ে ক'ব পাৰি । গতিকে শূন্যৰপৰা সাধাৰণ ৰচনাৰ সলনি নিম্নখাপৰপৰা উচ্চখাপৰ ৰচনাৰ মূল্যাঙ্কন কৰিব লগীয়া হয় । কিন্তু আমাৰ এই তুলাপাতৰ যুগে হয়তো এনে এখন কল্পনা ৰাজ্যৰ সৃষ্টি কৰিব য'ত লিপিবদ্ধ ৰচনাৰ অস্তিত্ব বৃথা নহ'ব ।

স্পষ্ট কথা যে আমাৰ সমাজৰ নানা প্ৰকাৰৰ সংস্থাবোৰৰ দৃষ্টিকোণৰপৰা পুথিভঁৰালৰ ভূমিকা সম্বন্ধে বিবেচনা কৰিব পৰা যায় । ধৰ্মগত বা নৈতিক দৃষ্টি-ভঙ্গীৰপৰা পুথিভঁৰালৰ ভূমিকা বিচাৰ কৰিব পাৰি, নাইবা আইনৰ ফালৰপৰা অৰ্থনৈতিক সংস্থা হিচাপে অথবা সামাজিক সংস্থা হিচাপে পুথিভঁৰালৰ দায়িত্বৰ লেখ ল'ব পাৰি ; আন-হাতে আকৌ সাধাৰণ, ৰাজহুৱা আৰু বিশেষ পুথিভঁৰালবোৰৰ পটভূমিতো এইবোৰ দিশৰ কথা দোহাৰিব পৰা যায় ।

তথাপি আমাৰ বক্তব্য সৰল আৰু শৃঙ্খলাবদ্ধ কৰিবলৈ তলত দিয়া ধৰণে এই সমস্যাৰ বিচাৰ কৰিলে বিশেষ লাভ হ'ব যেন অনুমান হয় ।

আমি প্ৰথমতে নিজকে সুধিম, মানুহে পৰস্পৰৰ মাজত যোগাযোগ স্থাপন কৰে কিয়, দ্বিতীয়তে গ্ৰন্থৰচনা আৰু পাঠ যোগাযোগৰ এটা বিশেষ সূত্ৰ স্বৰূপে দেখা দিলে কিয় আৰু তৃতীয়তে লিপিবদ্ধ ৰচনাসমূহ সংগ্ৰহৰ প্ৰয়োজন বোধ কৰা হ'ল কিয় ? ইয়াৰ পিচত এই কাৰ্যৰ বাবে মঞ্চত অৱতীৰ্ণ হোৱা সামাজিক অভিনেতাসকলৰ মাজত থকা পাৰস্পৰিক সম্পৰ্কৰ বিষয়েও পৰীক্ষা কৰি চাব লাগিব, কিয়নো তেওঁলোক আটায়ে মিলিহে সাধাৰণ সমাজত এই দলবিশেষৰ প্ৰভাৱৰ গুৰুত্ব নিৰ্দ্ধাৰণ কৰে। লগতে মাত্ৰাৰ আধাৰত পৰীক্ষা চলোৱাটোও যে উচিত হ'ব সিও দেখ-দেখ কথা; উদাহৰণ স্বৰূপে এটা নিৰ্দিষ্ট সামাজিক দলত কিমানে পঢ়িব পাৰে আৰু কিমানে যথাৰ্থতে পঢ়ে সেই কথাৰ লেখ লোৱাটো আটাইতকৈ প্ৰয়োজনীয়। তাৰ পিচত এই প্ৰশ্নই দেখা দিয়ে যে প্ৰাপ্য সামগ্ৰীৰ কি কি মানুহে পঢ়ে আৰু এইদৰে বাছনি কৰাৰ মূলতে কাৰণ কি। তদুপৰি গ্ৰন্থপাঠে পাঠকৰ মনৰ ওপৰত কিদৰে প্ৰভাৱ পেলায় সেই কথা পৰীক্ষা কৰি নাচালে পুথিভঁৰাল আৰু গ্ৰন্থপাঠৰ সামাজিক ভূমিকা সম্বন্ধে বিবেচনা কৰাটো অসম্ভৱ। তদুপৰি পুথিভঁৰাললৈ যোৱা সকলো মানুহেই যে পাঠক তাকো স্বতঃসিদ্ধ বুলি ধৰি ল'ব নোৱাৰি। ইয়াৰ বাহিৰে ভিন ভিন আদৰ্শবাদৰ ফালৰপৰা এইবোৰ কথা কিদৰে লক্ষ্য কৰা হয় আৰু খ্যাতনামা চিন্তা নায়ক, দাৰ্শনিক বা আন আন চতুৰ লোকসকলে এই সম্বন্ধে কি মন্তব্য কৰিছে সেইবোৰৰো লেখ ল'ব লাগিব।

পুথিভঁৰালৰ নানা ভূমিকাৰপৰা এটা বাছি ল'ব লাগিব। আধুনিক সমাজে নিজৰ অধিকখিনি শক্তি প্ৰয়োগ কৰে অৰ্থনৈতিক কাৰ্যকলাপত, গতিকে স্পষ্ট কথা যে অৰ্থনৈতিক সংস্থা হিচাপে পুথিভঁৰালৰ ভূমিকা কি সেই সম্বন্ধে বিবেচনা কৰি চাব লাগিব। ইয়াকে কৰোতে এই সংস্থাৰ অৰ্থনৈতিক প্ৰক্ৰিয়াবোৰ পৰীক্ষা কৰিলেই নহ'ব, লগতে নিজৰ সাংস্কৃতিক আৰু বৌদ্ধিক কাৰ্যতৎপৰতাৰ দ্বাৰা ই অৰ্থনৈতিক ব্যৱস্থাৰ ওপৰত কেনে ধৰণৰ প্ৰভাৱ বিস্তাৰ কৰে সেই সম্বন্ধেও বিচাৰ কৰিব লাগিব।

পুথিভঁৰালৰ ভূমিকা সম্বন্ধে আটাইতকৈ প্ৰশস্ত পৰিপ্ৰেক্ষিতৰ-পৰা বিবেচনা কৰিবলৈ বিচৰা হৈছে। তাকে কৰোতে ভিন ভিন সাংস্কৃতিক ব্যৱস্থাত পুথিভঁৰালৰ ভূমিকা আদি সমস্যাৰ উত্তৰ হয়। সত্তহতে অতিশয় অগ্ৰসৰ আৰু অপেক্ষাকৃত কম অগ্ৰসৰ অঞ্চলবোৰৰ মাজত থকা পাৰ্থক্য সম্বন্ধে বিবেচনা কৰিলে লাভদায়ক হ'ব, কিয়নো ভালেমান দেশে এতিয়া পৰিৱৰ্তনৰ মাজেৰে অতিক্ৰম কৰিব ধৰিছে আৰু এনেবোৰ ক্ষেত্ৰত পুথিভঁৰালৰ ওপৰত এটা বিশেষ দায়িত্ব আৰোপ কৰা হৈছে।

এইদৰে স্বাভাৱিকতে এই প্ৰশ্নৰ উদয় হয় যে জ্ঞান আৰু লিপিৱদ্ধ ৰচনাৰ মাজত সম্পৰ্ক কি আৰু ফলত এইটোও লক্ষ্য কৰা যাব পাৰে যে সচৰাচৰতে কৰা ধাৰণাৰ তুলনাত এই সম্পৰ্ক অপেক্ষাকৃতভাৱে জটিল আৰু তৰ্কসাপেক্ষ। দলবিশেষৰ মূল্যাঙ্কন ব্যৱস্থা আৰু এই দলে লেখনীৰে সৃষ্টি কৰা ৰচনাৰ মাজত সূক্ষ্ম ক্ৰিয়া-প্ৰতিক্ৰিয়া থাকে আৰু এইদৰে সম্পৰ্ক ৰক্ষা কৰোতে সাংস্কৃতিক ক্ষেত্ৰত দেখা দিয়া পৰি-ৱৰ্তনৰ আভাসবোৰ সামৰি লব লগীয়া হয়। এনে পৰিৱৰ্তনৰ কাম সততে চলি আছে কিন্তু সেইবোৰৰ মূল্যাঙ্কন কৰাটো অতিশয় দুৰূহ কাম। তদুপৰি দলবোৰৰ মাজত চলা অন্তৰ্দ্বন্দ্বও লিখিত ৰচনাত প্ৰতিফলিত হয় আৰু ইয়াক কালৰ বাতাবৰণ জোখাৰ আহিলা স্বৰূপে ব্যৱহাৰ কৰিব পৰা যায়, যদিও এনে দৃষ্টি-ভঙ্গী এতিয়াও নিচেও চালুকীয়া অৱস্থাতে আছে।

সাধাৰণ বিশ্বসংসাৰখনৰ নিচিনাকৈ পুথিভঁৰালৰ ক্ষেত্ৰতো চকুৰে দেখাতকৈ একোটা বস্তুৰ ভালেখিনি পৃথক আৰু আমি বিচৰামতে "পুথিভঁৰালৰ সামাজিক ভূমিকা" নিৰ্ণয় কৰাটো কিছু দূৰ অস্ত্ৰোপচাৰ কাৰ্যৰ নিচিনা হৈ পৰে, আৰু মানৱ চৈতন্যৰ উজ্জ্বলতৰ ফালটোৱে মাথোন পুথিত প্ৰতিবিম্বিত হয় বুলি থকা সাধাৰণ ধাৰণা কেতিয়াবা কেতিয়াবা দূৰলৈ আঁতৰি যায়।

লিপিবদ্ধ ৰচনা অভিব্যঞ্জক সঁচা, কিন্তু ই কি উক্তি কৰে সততে সেই হেতুকে নহয়, ই কি সূচায় সেই বাবেহে। ই সমাজখনৰে সমগ্ৰ গাঁথনি দেখুৱাই দিয়ে যদিও ইয়াৰ কাম, ইয়াৰ স্ৰষ্টা সমাজৰ সাংস্কৃতিক মূল্যা-

ষ্কন ব্যৱস্থাৰ অধীনত পৰিচালিত হয় । লিপিবদ্ধ ৰচনাত এখন সমাজৰ মূল্যবোধ বিকশিত আৰু প্ৰকাশিতই যে হয় এনে নহয়, এই মূল্যবোধক সন্দেহ আৰু অস্বীকাৰো কৰা হয় । সকলো প্ৰকাৰৰ মানৱীয় অনুভূতি লেখাৰ মাজত প্ৰকাশ পায়, অকল সাহিত্যতে নহয়—নীৰস চৰকাৰী প্ৰতিবেদন আৰু বিজ্ঞানৰ গ্ৰন্থসমূহতো ।

পুথিভঁৰালৰ কাম চালনীৰ নিচিনা হ'ব পাৰে, কিন্তু ই এনে এখন চালনী যাৰ বিন্ধাবোৰ সমান নহয় আৰু এইবোৰেই আকৌ সেই সমাজখনৰ গাঁথনিৰ আভাস দিয়ে । এই গাঁথনি একেবাৰে নিমজ আৰু যুক্তিসম্মত বস্তু এটা নহয় ; ইয়াৰ উদ্ভৱ হয় সামাজিক বিকাশৰপৰা আৰু এই বিকাশে তৰ্কশাস্ত্ৰ আৰু যুক্তিবাদৰ অপেক্ষাকৃত সহজ সংজ্ঞা-বোৰ ভাল পোৱা লোকসকলৰ আগত নিজৰ অসমতা আৰু পাৰিপাট্যৰ অভাৱ উদঙাই দিয়ে ।

কিন্তু জীৱনক মানি ল'বলৈ হ'লে আমি ইয়াক পৰিপূৰ্ণভাৱে আৰু এটা চূড়ান্ত ৰহস্য হিচাপে গ্ৰহণ কৰিব লাগিব । আমাৰ বাবে জীৱন এনে এটা ৰহস্য য'ত আমি এটা অনিশ্চিত আৰু দ্বিধাপূৰ্ণ ভূমিকা গ্ৰহণ কৰোঁহক আৰু তাৰ বাবে জ্ঞান আৰু শক্তি আহৰণ কৰি পাথেয় সংগ্ৰহৰ চেষ্টা কৰোঁ । কিন্তু বাস্তৱতে আমি কাম-ছায়াৰ মাজেৰে খোজ দিওঁ আৰু তেনেই ওচৰৰ আৰু অতিশয় প্ৰয়োজনীয় বস্তুখিনিহে দেখিবলৈ পাওঁ । ভৱিষ্যতৰ যাত্ৰা নিৰাপদ কৰিবলৈ আমি অতীতৰ অভিজ্ঞতাবোৰ সংগ্ৰহ কৰি লওঁহক, কিন্তু ভৱিষ্যতে সদায় নতুন নতুন সমস্যাৰ সৃষ্টি কৰে যাৰ সন্মুখীন হোৱাত অতীতৰ অভিজ্ঞতাই যৎসামান্যহে সহায় কৰিব পাৰে ।

এনেদৰে নিৰাশাৰ কথা প্ৰকাশ কৰাৰ পিচত আমাৰ বৰ্তমানৰ এই অনুশীলনত পুথিভঁৰালৰ ভৱিষ্যতৰ ভূমিকা সম্বন্ধে কেতবোৰ মন্তব্য কৰাটো আচৰিত যেন লাগিব পাৰে ; কিন্তু সচৰাচৰতে কৰা ধাৰণাৰ নিচিনাকৈ জ্ঞান আমাৰ বাবে সুদৃঢ় প্ৰস্তৰৰ আধাৰৰ নিচিনা নহ'লেও কেতবোৰ কথা নিৰাপদে গ্ৰহণ কৰিব পৰা যায় । এই কথাবোৰ সহজ ; যদিও এইবোৰ সহজ কাৰণেই তাৰপৰা ভালেখিনি শিকিব

পৰা যায়।

সংস্কৃতিৰ বিকাশৰপৰা দেখা যায় যে সেই সংস্কৃতিৰ লোকৰ সংখ্যা আৰু তেওঁলোকৰ মাজত চলা যোগাযোগৰ মাত্ৰাৰ মাজত এটা ওতপ্ৰোত ধৰণৰ সম্পৰ্ক থাকে। ফৰাচী সমাজতত্ত্ববিদ ড্যুৰখিমে (Durkheim) ইয়াৰে নাম দিছে এটা দলৰ সাংখ্যিক আৰু সামাজিক ঘনত্ব।

এই ক্ৰমবিকাশৰ এটা নিৰ্দিষ্ট স্তৰত লিপিবদ্ধ ৰচনাৰ সৃষ্টি হয় আৰু পুথিভঁৰালো গঢ়ি উঠে সেই একে পদ্ধতিতে। যদিহে দলবিশেষৰ ঘনত্ব বৃদ্ধি পায় আৰু ইয়াৰ সাংস্কৃতিক প্ৰগতি সাধন হয়—যাক নিৰূপণ কৰা যায় ইয়াৰ বস্তুগত আৰু অ-বস্তুগত পদ্ধতিৰে সামগ্ৰী উৎপাদনৰপৰা, তেন্তে এই দলৰ ভৱিষ্যতলৈ কি কি প্ৰয়োজন হ'ব তাক কিছু-দূৰ নিৰ্ভৰযোগ্যভাৱে ধাৰ্য কৰি দিব পৰা যায়। পুৰণা প্ৰয়োজনৰ লগত নতুন নতুন প্ৰয়োজন আহি পৰে; তথাপিও এটা মৌলিক প্ৰয়োজন-সূচী অব্যাহত থাকে, সেইটো হ'ল মানৱ চৰিত্ৰৰ সহজাত অঙ্গ। এইদৰে মাত্ৰা বৃদ্ধিৰ সমস্যাটো অতিশয় গুৰুত্বপূৰ্ণ হৈ পৰে আৰু ইয়াৰ ফলত স্বাভাৱিকতে সাংস্কৃতিক জটিলতা বৃদ্ধি পায়। অতীতৰ অভিজ্ঞ-তাৰ ভেটিত এই সমস্যাৰ নিৰ্ণয় কৰিব পাৰি।

বিশ্বসমাজৰ ক্ৰমবিকাশৰ সম্ভাব্য মাত্ৰা কি হ'ব সেই সম্বন্ধে আমি অন্ততঃ অগ্ৰাভাস দিব পাৰোঁহক; এই বিশ্বসমাজৰ পটভূমিত পুথিভঁৰালক স্থাপন কৰি লৈ আমি ইয়াৰ ভৱিষ্যত ভূমিকা আৰু কৃত্য সম্বন্ধে কেতবোৰ মন্তব্য কৰিব পাৰোঁহক। লগতে আমি এইটোও জানোঁহক যে এই বিশ্ব সমাজ কাৰ্যক্ষম হ'বলৈ হ'লে আমি মাত্ৰাধিক সামাজিক ব্যৱধানবোৰ আঁতৰাবলৈ লক্ষ্য ৰাখিব লাগিব; জাতীয় সমাজবোৰৰ অধিক ক্ষেত্ৰতে আমি ইয়াৰে ব্যৱস্থা কৰিছোঁহক। এই জাতীয় সমাজবোৰৰ ক্ষেত্ৰত পুথিভঁৰাল যে সামাজিক যোগাযোগৰ মাত্ৰা বৃদ্ধিৰ প্ৰকাশক এনে নহয়, এনে মাত্ৰা বৃদ্ধিৰ এটা প্ৰধান হেতুও।

গতিকে সাধাৰণ বিশ্ব সমাজত ইয়াৰ ব্যতিক্ৰম ঘটিব বুলি ভবাৰ একো কাৰণ নাই। আমাৰ পৰস্পৰৰ মাজত আদান-প্ৰদান, বুজা-বুজিৰ

ক্ষমতা কিমান বৃদ্ধি পায় তাৰ ওপৰতে আমাৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে। যদিও ইয়াৰ মূল প্ৰেৰণা সহজাত তথাপি ইয়াক শক্তিশালী কৰিবলৈ জ্ঞানৰ প্ৰয়োজন হয়।

এইদৰে পুথিভঁৰালৰ আন্তৰ্জাতিক ভূমিকা বিশেষ গুৰুত্বপূৰ্ণ, পৃথিৱীৰ যিবোৰ অঞ্চলত পুথিভঁৰালৰ একান্ত প্ৰয়োজন আছে তাত ইয়াক গঢ়ি তুলিব লাগিব।

এই ক্ষেত্ৰত তথ্য-পাতিতকৈ আন একোৱেই বেছি স্পষ্টভাৱে জনাব নোৱাৰে। যদিহে আমি নিৰক্ষৰৰ গড় সংখ্যা, প্ৰকাশিত পুথি আৰু পুথিভঁৰালৰ সংখ্যা, প্ৰাপ্য লিখিত ৰচনা, ৰচনাৰ শ্ৰেণী, নিয়ন্ত্ৰণ আৰু বাধা-নিষেধ আদিৰ ধৰণ- প্ৰভৃতি সম্বন্ধে লক্ষ্য ৰবোঁহক তেন্তে বিশ্ব সমাজখন কিমান দূৰ আগুৱাব লগা আছে সেই সম্বন্ধে এখনি ছবি দেখিবলৈ পামহঁক।

লগতে এই কথা স্বীকাৰ কৰি লোৱাটোও আৱশ্যক হ'ব যে বিশ্ব সমাজৰ গাঁথনি এটা থাকিব লাগিব আৰু ই সকলো ক্ষেত্ৰতে একে সমান হ'ব নোৱাৰে। বাস্তৱৰপৰা তেনেই আঁতৰত থকা আৰু সাধন কৰিব নোৱাৰা আদৰ্শ অনুসৰণ কৰাতকৈ সন্তৰপৰ লক্ষ্য এটা অনুসৰণ কৰাটো অধিক বিজ্ঞোচিত। তদুপৰি জটিল যন্ত্ৰবিদ্যাই শ্ৰম বিভাজনও জটিলতাৰ সৃষ্টি কৰে; শ্ৰম বিভাজন জটিল হ'লে সহজ ধৰণৰ সমাজৰ সলনি জটিল ধৰণৰ সমাজৰ সৃষ্টি হয়। এইদৰে ব্যৱধান ৰখাটো প্ৰয়োজনীয় সঁচা, কিন্তু তাতোকৈ প্ৰয়োজনীয় হ'ল এই ব্যৱধান এনেদৰে সংকুচিত কৰি ৰখা যাতে মাত্ৰাধিক পাৰস্পৰিক সংঘৰ্ষ পৰিহাৰ কৰিব পৰা যায়। ইয়াকে কৰিবলৈ হ'লে আধুনিক মানুহে ৰাজহুৱা প্ৰশাসন, ৰাজনীতি, অৰ্থনীতি, সমাজতত্ত্ব, মনস্তত্ত্ব, চিকিৎসা, খাদ্যতত্ত্ব, যন্ত্ৰবিদ্যা, পদাৰ্থ বিজ্ঞান, ৰসায়ন শাস্ত্ৰ, প্ৰাণীতত্ত্ব আদিৰ ক্ষেত্ৰত যি জ্ঞান আহৰণ কৰি লৈছে সেইবোৰৰ মূল মূল কথাখিনি যথাসম্ভৱ মানুহৰ মাজত প্ৰচাৰ কৰিব লাগিব। চমুকৈ ক'বলৈ গ'লে এটা সামাজিক দল স্বাভাৱিক স্তৰত চলিবলৈ হ'লে এটা সৰ্বনিম্ন মাত্ৰাৰ জ্ঞান লাভৰ আৱশ্যক, ই হ'ল তেনেই সামান্য লক্ষ্য, কিন্তু

আমি এই সৰ্বনিম্ন লক্ষ্যৰ পৰাও ভালেখিনি তলত আছোঁহক।

এই প্ৰসঙ্গত আমি এনেবোৰ সমস্যাৰ লগত সংশ্লিষ্ট আন্তৰ্জাতিক সংস্থা আৰু বৰমূৰীয়া শক্তিবৰ্গৰ কাৰ্যতৎপৰতা আদি সম্বন্ধেও স্বাভাৱিকতে অনুশীলন কৰিব লাগিব।

লগতে এইটোও লক্ষ্য কৰা যাব পাৰে যে সামাজিক সংস্থাবোৰে নিজৰ কাৰ্যৰ পৰিধি বঢ়াবলৈ প্ৰয়াস কৰে। পুথিভঁৰালীসকলে হয়তো বিশ্বাস কৰিব পাৰে যে পুথিভঁৰাল বৃহত্তৰ আৰু উন্নততৰভাৱে গঢ়ি উঠাই হ'ল উজ্জ্বল ভৱিষ্যতৰ প্ৰায় নামান্তৰ,—কচাই, ৰুটিৱালা বা মমবাতি উৎপাদনকাৰীসকলৰ ব্যৱসায়ৰ গুৰুত্ব কমি গ'লেও একো কথা নাই। আন আন বৃত্তিধাৰী দলবোৰেও অনুৰূপ বিশ্বাস পোষণ কৰাটো একো নতুন কথা নহয়। এইবোৰক বিকাশৰ সুস্থ অভিব্যক্তি হিচাপে গ্ৰহণ কৰা উচিত ; এনে সুস্থ অভিব্যক্তি আন আন দলৰ বিকাশৰ অনুৰূপ আকাঙ্ক্ষাৰ দ্বাৰা ৰুদ্ধ হয়।

পুথিভঁৰালক এটা জীৱন্ত সংস্থা বুলি গণ্য কৰাটো সততে উজু কথা নহয়। "পুথিভঁৰাল" শব্দটো কিছু দূৰ নীৰসো যেন লাগে আৰু ই কল্পনাক স্পৰ্শ কৰিব নোৱাৰে। তদুপৰি ই মানুহৰ মনত কিছুদূৰ আউল লগাই দিয়া যেনো দেখা যায়, কিয়নো পুথিভঁৰালৰ কথা মনলৈ আহিলে হাজাৰ হাজাৰ কিতাপৰ কথা মনত পৰে, তাৰে কেতবোৰ হয়তো ধূলি-মাকটি লাগি কোনেও এদিনো নিবিচৰাকৈ চুকতে পৰি আছে আৰু তাৰ ৰখীয়াসকল হ'ল কিতাপ সংগ্ৰহৰ কাৰণে এনে আক্ৰোহী যাৰ কথা ভাবিলেও বাহিৰা মানুহৰ নাইবা প্ৰকৃততে কিতাপ বিচাৰি সাহ কৰি পুথিভঁৰালৰ ভিতৰলৈ যোৱা মানুহৰো ভয় লাগে।

আগতে এনে পুথিভঁৰাল আছিল আৰু এতিয়া ভালেমান পুথিভঁৰালত এনে ধৰণৰ কেতবোৰ কথা চলি আছে। কিন্তু এতিয়া পুথিভঁৰাল এটা জীৱন্ত সংস্থা হৈ উঠিব ধৰিছে আৰু ভৱিষ্যতলৈ ইয়েই ইয়াৰ ভূমিকা অধিক পৰিমাণে ধাৰ্য কৰি দিব। যদিহে এই ভূমিকাৰ সংজ্ঞা ধাৰ্য কৰি ল'ব পৰা যায় আৰু তাক অধিক লোকে স্বীকাৰ কৰি

লয় তেন্তে পুথিভঁৰাল সমাজৰ এটা আৱশ্যকীয় অঙ্গ হৈ উঠিব আৰু ই সম্পূৰ্ণ প্ৰাণৱন্ত আৰু ব্যক্তিৰ প্ৰযোজন পূৰণ কৰিব পৰা সংস্থা হৈ গঢ়ি উঠিব ।

## দ্বিতীয় অধ্যায়

# কোনে পঢ়ে আৰু কিয় পঢ়ে ?

পৰিসংখ্যাৰ ভেটিত "কোনে পঢ়ে"— এই প্ৰশ্নৰ উত্তৰ দিব পৰা যায়, কিন্তু এই কথা মনত ৰাখিব লাগিব যে এইদৰে উত্তৰ দিলে আমি মাথোন সাধাৰণতে "পঢ়া" বুলি অভিহিত এটা কাম সম্বন্ধেহে অনুসন্ধান চলোৱা হ'ব ।

কিন্তু আমি যদি এইদৰে প্ৰশ্ন কৰো যে "পঢ়া বা অধ্যয়ন"ৰ অৰ্থ কি ?— তেন্তে আমি এটা অধিক জটিল সমস্যাৰ সন্মুখীন হ'ব লাগিব । ধৰক, কোনোবা এজনে ছপোৱা কিবা এখনৰ ওপৰেদি চকু ফুৰাই গৈছে আৰু তাৰে মাথোন দুই এটা শব্দহে বুজিব পাৰিছে ; তেতিয়াও আমি তেওঁৰ সেই কামক "পঢ়া" বুলি ক'ব পাৰোঁনে ? পাঠকৰ মন আৰু পাঠ্য-সামগ্ৰীৰ মাজত কেনে সম্পৰ্ক থকা বুলি অনুমান কৰিব লাগিব ? এই সম্পৰ্ক থকাৰ কথা প্ৰায় আটায়ে বিনাবাক্যে স্বীকাৰ কৰে, কিন্তু বাস্তৱতে ই বৰ জটিল ।

ধৰা যাওক, ক-ই কেতবোৰ ভাব ভাষাত ৰূপ দি ছপাই উলিয়ায় আৰু তাক খ, গ, ঘ আদিৰ আগত দাঙি ধৰে । এনে অৱস্থাত সাধাৰণতে "পঢ়া" বুলি অভিহিত কাম সম্পন্ন হ'বলৈ হ'লে ক-ই নিজৰ ভাব আনক জনোৱাৰ প্ৰয়োজন অনুভৱ কৰিব লাগিব আৰু খ, গ, ঘ, আদিয়েও সেই ভাব গ্ৰহণৰ প্ৰয়োজন বোধ কৰিব লাগিব ।

নিজৰ ভাব আনৰ আগত প্ৰকাশৰ প্ৰয়োজন কিছুদূৰ ব্যক্তিৰ নিজা প্ৰযোজন সূচীৰ অঙ্গীভূত হ'ব লাগিব । ই অপেক্ষাকৃত প্ৰত্যক্ষ ভাবাবেগমূলক প্ৰয়োজন হ'ব পাৰে নাইবা বিলম্বিত প্ৰয়োজন হ'ব

পাৰে ; ভাৱাবেগমূলক প্ৰয়োজন হ'ল মুখামুখিকৈ কথা-বতৰা হোৱা বা কথাৰ মাধ্যমেৰে সংযোগ স্থাপন কৰা, আন হাতে যি আনক শিকাই বা ধন ঘটিবলৈ বা সমাজত নিজৰ প্ৰতিষ্ঠা বঢ়াবলৈ যি পাঠ্য-পুথি লিখে তেনে মানুহৰ এই যোগাযোগৰ প্ৰয়োজন হ'ল বিলম্বিত ধৰণৰ। প্ৰথম বিধৰ প্ৰয়োজন ইতৰ প্ৰাণী জগতত দেখিবলৈ পোৱা যায়। দ্বিতীয় বিধৰ প্ৰয়োজন অপেক্ষাকৃত জটিল ধৰণৰ মানৱ সমাজত অধিক মাত্ৰাত পৰিলক্ষিত হয়। যি দুটা বিষয়কে "বিলম্বিত বা আনুষঙ্গিক প্ৰয়োজন" বুলি ধৰিব পাৰি সেই শিকোৱাৰ প্ৰয়োজন আৰু সেইদৰে জনাৰ প্ৰযোজন ইতৰ প্ৰাণী জগততো আছে। "প্ৰাথমিক" আৰু "আনুষঙ্গিক" প্ৰয়োজনক পৃথক কৰাটো কঠিন, কিয়নো দেখাত তেনেই উপকৰা ধৰণৰ প্ৰয়োজনো একোটা সামাজিক দলৰ প্ৰয়োজন-স্তৰৰ পৰাই উৎপন্ন হয়। অকল পৰ্য্যবেক্ষক বা সমাজ সংস্কাৰকসকলেহে "উপকৰা" প্ৰয়োজনক তদ্ৰূপ বুলি বিবেচনা কৰিব পাৰে, কিন্তু যি সকলে প্ৰকৃততে এই প্ৰয়োজন অনুভৱ কৰে তেওঁলোকৰ বাবে সি কেতিয়াও উপকৰা হব নোৱাৰে।

সুদীৰ্ঘ কাল ধৰিহে কোনো ব্যক্তি সমষ্টিৰ প্ৰয়োজন সূচীৰ আধাৰত প্ৰয়োজনবোৰৰ আপেক্ষিক গুৰুত্ব সম্বন্ধে বিবেচনা কৰিব পৰা যায়। যদিহে এইবোৰক সহজাত কৰ্ম্মপ্ৰেৰণা বুলি বিবেচনা কৰা হয় তেন্তে সেই প্ৰেৰণাৰ একমাত্ৰ প্ৰাবল্যৰ দ্বাৰাহে সেইবোৰৰ গুৰুত্ব নিৰ্নীত হয়।

এইদৰে, ব্যক্তিবিশেষৰ ক্ষেত্ৰত ভাৱ প্ৰকাশৰ প্ৰয়োজন নিৰ্ভৰ কৰে-তাৰ বাবে অনুভূত প্ৰেৰণাৰ ওপৰত সেইকথা ভাৱ গ্ৰহণৰ ক্ষেত্ৰতো অনুৰূপে প্ৰযোজ্য। উভয় প্ৰক্ৰিয়াতে জৈৱ শক্তিৰ ব্যয় আৰু হস্তান্তৰ ঘটে আৰু শুনোতা বা পঢ়োতাৰ তুলনাত বক্তা বা লেখকৰ জৈৱ শক্তিৰ অধিক ব্যয় হয় বুলিও এটা সাধাৰণ সিদ্ধান্তত উপনীত হব নোৱাৰি। স্থল বিশেষতহে হয়তো এই কথা নিৰ্ণয় কৰিব পৰা যায়। লগতে এই কথাও উনুকিয়াই দিয়া যুগুত হব যে দুই বা ততোধিক ব্যক্তিৰ মাজত 'আদান-প্ৰদান ঘটাৰ লগত সম্পৰ্ক-স্তৰৰ সমস্যা নিহিত

থাকে আৰু সিয়ে প্ৰতি স্তৰৰ ব্যক্তিৰ শক্তি-ব্যয়ৰ ওপৰত কিছুদূৰ প্ৰভাৱ বিস্তাৰ কৰে।

ধৰক কোনোবা এজন লেখকে আৰবী ভাষাৰ এখন সহজ পাঠ্য পুথি লিখিলে। তাকে যেতিয়া সেই ভাষাৰ এজন ন-শিকাৰুৱে পঢ়ে তেতিয়া পাঠকজনৰ তুলনাত লেখকৰ শক্তি ব্যয়ৰ মাত্ৰা কম হব পাৰে। তদুপৰি সংশ্লিষ্ট ব্যক্তি দুজনৰ সম্পৰ্কৰ ওপৰতো শক্তি-ব্যয়ৰ মাত্ৰা নিৰ্ভৰ কৰে। শিক্ষক আৰু ছাত্ৰ, এজন বন্ধু আৰু আন এজন বন্ধু, এজন সমাজৰ তল খাপৰ আৰু আনজন ওখ খাপৰ, এজন মইবৰ আৰু আনজন তেনেই নিৰ্জ্জু ইত্যাদি লোকৰ মাজত হোৱা ভাৱৰ আদান প্ৰদানত শক্তি ব্যয়ৰ মাত্ৰাৰ তাৰতম্য ঘটে, কিয়নো এইবোৰ ক্ষেত্ৰত সামাজিক সম্পৰ্কই কৰ্ম্ম প্ৰেৰণাৰ মাত্ৰাত ব্যৱধান ঘটায়, আৰু তাৰ ফলত শক্তি প্ৰয়োগৰ ক্ষেত্ৰত হীনডেৰী ঘটে।

ফলত "ভাৱদাতা—গ্ৰহীতা"ৰ সম্পৰ্কটো তেনেই সহজ বুলি বিবেচনা কৰিব নোৱাৰি। তদুপৰি এটা নিৰ্দ্দিষ্ট সমাজ-ব্যৱস্থাৰ পটভূমিৰ বাহিৰে আন ক্ষেত্ৰত ইয়াক নিৰ্ণয় কৰাটো প্ৰায় অসম্ভৱ। তথাপি সমস্যাটো উপলব্ধি কৰাৰ প্ৰাথমিক ব্যৱস্থা হিচাপে ইয়াক তেনেই সৰল ধৰণে বিবেচনা কৰিব পৰা যায় যেন লাগে। এই দৃষ্টিকোণৰ পৰা স্পষ্ট ভাৱে লক্ষ্য কৰা যায় যে প্ৰয়োজন-সূচীৰ বিভিন্ন বিন্দু বা স্তৰৰ পৰা যোগাযোগ ঘটিব পাৰে। ভয়, ভোক, খং বা আনন্দ কিবা এটা আবেগৰ ফলত যোগাযোগৰ প্ৰেৰণা আহিব পাৰে; নাইবা ইয়াতকৈ অপেক্ষাকৃত বুদ্ধিগত প্ৰক্ৰিয়াৰ ফলতো এনে প্ৰেৰণাৰ উদ্ভৱ হব পাৰে, যেনে এটা ডাঙৰ শিল বগৰাই দিবলৈ আন এজনৰ সহায় লাগিব বুলি অনুভৱ কৰিলে তেনে মানুহৰ লগত যেনে তেনে কিবা যোগাযোগ কৰিবই লাগিব। আধিপত্য স্থাপন বা অধীনতা হ্ৰাস কৰাৰ বাবে সম্পৰ্ক দৃঢ়তৰ, অভিব্যক্ত বা দুৰ্ব্বল কৰাৰ উদ্দেশ্যে কৰা যোগাযোগ সেই তুলনাত অতিশয় জটিল ধৰণৰ। মানৱ সমাজ ব্যৱস্থাত অতীততো আছিল এইবোৰেই অতি গুৰুত্বপূৰ্ণ কথা আৰু এতিয়াও সেইবোৰৰ গুৰুত্ব একেদৰেই আছে।

তেনেই সহজ ৰূপত সেইবোৰ বয়স আৰু লিঙ্গভেদৰ স্বাভাৱিক ব্যৱধানৰ ফলত উদ্ভৱ হৈছিল আৰু তাৰ পিছতে এই দলবোৰৰ মাজত কিছুদূৰ শ্ৰম আৰু বিভাজন হোৱাৰ ফলত যোগাযোগৰ ক্ষেত্ৰত কিছু জটিলতাৰ সৃষ্টি হৈছিল।

যোগাযোগ স্থাপনৰ অধিক স্থায়ী ধৰণৰ প্ৰাথমিক প্ৰয়াস হ'ল মন্দিৰ, মূৰ্ত্তি, স্মৃতি স্তম্ভ আদি; চলিত সমাজ ব্যৱস্থা নিগাজী কৰিবলৈ নাইবা কিবা নতুন কথা এটাৰ সোঁৱৰণি যুগমীয়া কৰি ৰখাৰ ইচ্ছাৰ ফলতে এইবোৰ নিৰ্ম্মাণ কৰা হৈছিল তাত সন্দেহ নাই।

আটাইতকৈ প্ৰভাৱশালী ব্যক্তি বা সমষ্টিয়ে নিজকে স্থায়ী কৰিবলৈ বিচাৰে; ই হ'ল সেই সমষ্টিয়ে নিজকে অব্যাহত ৰখাৰ বাবে কৰা মৌলিক ইচ্ছাৰ এটা অভিব্যক্তি বিশেষ। সমষ্টিৰ গঠন বিন্যাসত এই অব্যাহত থকাৰ ইচ্ছা নিহিত থাকে, গতিকে কোনো এটা দলৰ গঠন-বিন্যাস স্থায়ী হবলৈ চেষ্টা কৰাটো তেনেই যুক্তি পূৰ্ণ কথা। অক্ষৰ-জ্ঞান লাভ কৰাৰ পূৰ্ব্ববৰ্ত্তী সমাজ আৰু আদিম সংস্কৃতিবোৰত মৃত্যু সংস্কাৰ আৰু মৃতকৰ স্মৃতি সৌধ আদিক ইমান গুৰুত্ব দিয়াৰ কাৰণ হ'ল এই স্থায়িত্ব লাভৰ আকাংক্ষা।

যোদ্ধা আৰু বিধানদাতা হিচাপে ৰজাই নিজকে নিগাজী ক'ৰবলৈ বিচাৰে; ইয়াৰ একমাত্ৰ কাৰণ ধৰ্ম্মগত নহয়, অৱশ্যে সিও তেওঁৰ নিজ সমাজৰ আংশিক অভিব্যক্তি হব পাৰে। কিন্তু তেওঁৰ এনে ইচ্ছা, হোৱাৰ কাৰণ হ'ল তেওঁ ব্যক্তিগত গুণ বাজীৰ প্ৰভাৱেৰে নিজৰ সমাজৰ দলগত সংহতি সাধন কৰে।

এজন নেতাই যিমানেই নিজৰ দল ডাঙৰ কৰিব পাৰে তিমানেই তেওঁ "ডাঙৰ ৰজা" বুলি গন্য হয়, কিয়নো তেতিয়া আৰু এতিয়াও এটা দলৰ যিমানেই জটিলতা বাঢ়ে তিমানেই ইয়াৰ শক্তি বৃদ্ধি পায়।

আমাৰ সামাজিক আৰু ৰাজনৈতিক বুৰঞ্জীৰ আৱস্তনিৰ পৰা এই কথা স্পষ্টভাৱে দেখা গৈছে যে কেন্দ্ৰীকৰণৰ ফলত সমাজত অধিক জটিলভাৱে শ্ৰমৰ বিভাজন হয় আৰু এই জটিলতা যিমানেই বৃদ্ধি পায় তিমানেই ব্যক্তিৰ নতুন নতুন কথাৰ উদ্ভাৱনৰ ক্ষমতা আৰু সৃজনী শক্তিয়ে প্ৰেৰণা লাভ কৰে। এটা সামাজিক দলৰ বিকাশৰ আৰ্ট

হ'ল ইয়াৰ জটিলতা বৃদ্ধি। যদি এইদৰে বৰ্দ্ধমান দলটো সমাজতত্ত্বৰ সংজ্ঞামতে একেটা মাথোন দল হৈ থাকে তেন্তে সেই দলে অধিক সংখ্যাগত আৰু ফৰাচী সমাজতত্ত্ববিদ ড্যৰখিমৰ ভাষাৰে কবলৈ গ'লে অধিক সামাজিক ঘনত্ব লাভ কৰে আৰু তেতিয়া সেই দলৰ যোগাযোগৰ মাত্ৰা বৃদ্ধি পায়।

এইদৰে সামাজিক ক্ৰম বিকাশৰ ফলত যোগাযোগৰ মাত্ৰা গাণিতিক অনুপাতৰ সলনি অধিক পৰিমাণে জ্যামিতিক অনুপাতত বৃদ্ধি পায়।

গতিকে আমাৰ সামাজিক বিকাশৰ এটা বিশেষ পৰ্য্যায়তহে আমাৰ যোগাযোগৰ ক্ষেত্ৰত জটিলতা দেখা দিয়াৰ কাৰণ বুজিব পৰা যায়। এই বিকাশৰ কাৰ্য্যকৰি সাধন হ'ল যোগাযোগৰ উপায়বোৰ, আৰু উপায়বোৰ নিজে তিমান গুৰুত্বপূৰ্ণ নহয়, কিন্তু যোগাযোগৰ কামত সেইবোৰৰ ভূমিকাহে অধিক গুৰুত্বপূৰ্ণ।

সাক্ষৰতা-পূৰ্ব্ব সমাজতো দুই এঠাইত যোগাযোগৰ মাধ্যম হিচাবে লিপিৰ নিচিনা এক প্ৰকাৰৰ সংকেত উদ্ভাৱন কৰাৰ দৃষ্টান্ত নিঃসন্দেহে পোৱা যায় সঁচা, কিন্তু অপক্ষাকৃত অনগ্ৰসৰ সামাজিক দলত যোগাযোগৰ কাম তিমান জটিল হৈ পৰা নাছিল, গতিকে এনেবোৰ মাধ্যমত অধিক মনোযোগ কেন্দ্ৰীভূত কৰা হোৱা নাছিল।

আমি লিপিক যোগাযোগৰ উপায় হিচাপে ললে ইয়াৰ কাৰ্য্যকৰী ভূমিকা সম্বন্ধে বিবেচনা কৰিলে এই সিদ্ধান্তত উপনীত হব লাগিব যে সমাজৰ গাঁথনি অপেক্ষাকৃত জটিল হৈ উঠাতহে লিপিৰ বিকাশ ঘটে আৰু ইয়াক সমাজৰ নেতৃস্থানীয় শ্ৰেণীয়ে সমূহ সমাজৰ লগত যোগাযোগৰ মাধ্যম স্বৰূপে ব্যৱহাৰ কৰিছিল। পুৰণি বেবিলন আৰু মিচৰৰ লিখাৰ চানেকীবোৰত সমসাময়িক সমাজ--ব্যৱস্থা আৰু আইনগত গোচৰ আদি সম্বন্ধে সমালোচনাৰ দৃষ্টান্ত পোৱা যায়; সেইবোৰ যে কৰ্ত্তৃপক্ষৰ বিৰুদ্ধে আপত্তিৰ উদাহৰণ তাত সন্দেহ নাই। তথাপিও মুঠতে ৰজা, বিধানদাতা, ধৰ্ম্মপ্ৰচাৰক আৰু প্ৰশাসক সকলেই অতি প্ৰাচীন কালত লিপিৰ সহায়েৰে যোগাযোগ স্থাপন কৰিছিল, সমাজৰ আন স্তৰৰ লোকে এনে কৰাৰ দৃষ্টান্ত নিচেই কম আছিল। বোধহয় জ্যোতিৰ্বিদ,

পদাৰ্থবিদ, গণিতজ্ঞ আদিয়ে লিপিৰ সহায়েৰে যোগাযোগ স্থাপন কৰাটো তাৰ পিচত উদ্ভাৱিত হৈছিল।

কিন্তু এটা কথালৈ লক্ষ্য ৰখাটো অতিশয় প্ৰয়োজনীয় ; এই নতুন কাৰিকৰী মাধ্যমবোৰ সাধাৰণতে প্ৰথমতে শাসক শ্ৰেণীৰ নিয়ন্ত্ৰণত থাকে আৰু এই শ্ৰেণীৰ লক্ষ্য সাধনত প্ৰয়োগ কৰা হয়। পিচতহে অতি লাহে-ধীৰে এইবোৰৰ প্ৰচলন সমাজৰ আন আন শ্ৰেণীৰ লোকৰ মাজত দেখিবলৈ পোৱা যায়।

গতিকে লিপিৰ প্ৰাথমিক অৱস্থাত "পাঠক"ৰ প্ৰশ্নটো নুঠে, কিয়নো প্ৰায়ে পিচৰ সমাজৰ সেই একে স্তৰৰ লোকৰ উদ্দেশ্যে লিপিবদ্ধ ৰচনা সমূহ যুগুত কৰা হৈছিল ; অৰ্থাৎ একোটা যুগৰ ৰজা, বিধানদাঁতা, পুৰোহিত আদিয়ে পৰৱৰ্ত্তী যুগৰ নিজ নিজ শ্ৰেণীৰ লোকৰ উদ্দেশ্যে ৰচনাসমূহ লিপিবদ্ধ কৰিছিল। এই এই শ্ৰেণীয়ে আকৌ পূৰ্ব্ববৰ্ত্তী সকলৰ পৰা পোৱা কথাবোৰ মুখে মুখে সমসাময়িক যুগৰ মানুহৰ মাজত প্ৰচাৰ কৰিছিল আৰু ফলত ভালেমান কাল ধৰি "পাঠক" মুখ্যতঃ শ্ৰোতাহে আছিল। ইয়াৰ ফলত শ্ৰোতাৰ সঁহাৰি আছিল আবেগমূলক বা আধ্যাত্মিক, পাঠকৰ সঁহাৰিৰ নিচিনা অধিক সমালোচনামূলক নাছিল। পাঠকে নিজৰ বুদ্ধিৰ অধিক প্ৰয়োগ কৰিব লাগে আৰু তেওঁৰ (পাঠ্য) বাছনিৰ ক্ষেত্ৰতো অধিক সম্ভাৱনা থাকে।

মিছৰ আৰু বেবিলনৰ নিচিনাকৈ গ্ৰীচত লিখাৰ ওপৰত তিমান গুৰুত্ব দিয়া হোৱা নাছিল। বোধহয় লেখকে তেওঁৰ হাতে লিখা পুথি প্ৰথমতে নিজৰ বন্ধু মহলৰ মাজত প্ৰচাৰ কৰিছিল আৰু তাৰ পিচত ইয়াক নকল কৰি লবলৈ দিয়া হৈছিল। সাহিত্য ব্যক্তিগত সম্পত্তি হিচাপে সংৰক্ষণৰ ব্যৱস্থা নথকা হেতুকে উদ্যমী লোক সকলে গুৰুত্ব পূৰ্ণ পুথিবোৰৰ নকল কৰি লৈছিল আৰু পিচত সেইবোৰ বিক্ৰীৰ দিহা কৰিছিল। ইয়াকে গ্ৰন্থ ব্যৱসায়ৰ আৰম্ভনি বুলি কব পৰা যায় আৰু বোধহয় খৃষ্টপূৰ্ব্ব পঞ্চম শতিকাৰ পৰা এই ব্যৱসায়ৰ সূচনা হয়।

আদি সংস্কৃতিত লিপিবদ্ধ সামগ্ৰীৰ সংখ্যা অনুমান কৰাটো প্ৰায় অসম্ভৱ, কিন্তু এইবোৰ যে প্ৰধানকৈ সমাজৰ উচ্চতৰ শ্ৰেণীৰ মাজত

প্ৰচলিত হৈছিল তাক ধৰি লব পাৰি।

অতি প্ৰাচীন পুথিভঁৰালৰ আকাৰ সম্বন্ধে কিছু বিৱৰণ পোৱা যায়, এইবোৰ প্ৰায়ে মন্দিৰ বা ৰাজকাৰেঙৰ লগত সংশ্লিষ্ট আছিল। পৰবৰ্ত্তী ৰোমান যুগৰ আগলৈকে গ্ৰন্থাগাৰ বা পুথিভঁৰাল আৰু তথ্যাগাৰৰ (archive) মাজত একো পাৰ্থক্য নাছিল।

গ্ৰীচত চোফিষ্ট দাৰ্শনিক সকলৰ প্ৰভাৱৰ কাৰণে হাতেলিখা পুথি সংগ্ৰহ কৰি ৰখাটো এটা সন্মানৰ কথা বুলি গণ্য কৰা হৈছিল। প্লেটো আৰু এৰিষ্টটলে নিজৰ নিজৰ দৰ্শন সম্বন্ধে মূল্যবান গ্ৰন্থাগাৰ গঢ়ি তুলিছিল; এৰিষ্টটলৰ ৰচনা সমূহত বিস্তৰ তথ্য পোৱা যায়, তাৰ পৰাই তেওঁৰ পুথিভঁৰাল যথেষ্ট ডাঙৰ আছিল বুলি অনুমান কৰিব পাৰি।

অতি প্ৰাচীন কালত গ্ৰীক সভ্যতা বিস্তাৰ কৰা অঞ্চলত সেই সময়ৰ আটাইতকৈ ডাঙৰ ডাঙৰ পুথি ভঁৰালবোৰ গঢ়ি উঠিছিল আৰু সেই-বোৰত গ্ৰীক সকলে চিন্তা আৰু জ্ঞান ৰাজ্যত লাভ কৰা সাফল্যবোৰৰ উৎকৃষ্ট নিদৰ্শন সমূহ সংগ্ৰহ কৰি ৰখা হৈছিল। টলেমি ফিলাডেলফাচ (২৮০--২৪৭) আছিল আলেক্‌জেণ্ড্ৰিয়াৰ বিখ্যাত মিউজেইঅন (museion) গ্ৰন্থাগাৰৰ স্ৰষ্টা আৰু তাৰ লগত চেৰাপিচ (serapis) মন্দিৰৰ অপেক্ষকৃত সৰু পুথিভঁৰালটো যোগ কৰা হৈছিল। এই পুথি-ভঁৰাল দুটাত মুঠতে প্ৰায় ৪০০,০০০ পুথি আছিল বুলি অনুমান কৰা হৈছে, বোধহয় তাত একেখন পুথিৰ ভালেমান নকলো আছিল আৰু মিছৰীয়, বেবিলনীয়, ফিনিচীয়, হিব্ৰু আৰু আৰামাইক ভাষাৰ পুথিৰ ভাঙনিও ৰখা হৈছিল। ৰোমান লেখক সকলৰ অনুমান মতে বিৰাট অগ্নিকাণ্ডৰ সময়ত আলেক্‌জেণ্ড্ৰিয়াৰ পুথিভঁৰাল বোৰত ৭০০,০০০ পুথি আছিল।

পুৰণি পুথিভঁৰালবোৰ আৰু সেইবোৰৰ সংগ্ৰহ আৰু পৰিচালনা ব্যৱস্থা সম্বন্ধে ভালেমান তথ্য পোৱা গলেও পাঠক সকলৰ বিষয়ে হলে বিশেষ একো তথ্যাদি পোৱা নাযায়। আছুৰবানিপালৰ (assurbanipal) পুথিভঁৰালটো ৰাজহুৱা আছিল বুলি জনা যায়; তাৰ ভালেমান যুগৰ পিচত ৰোমতো এটা ৰাজহুৱা পুথিভঁৰাল থকাৰ উল্লেখ পোৱা যায়।

ইয়াৰ আঁচনি যুগুত কৰিছিল জুলিয়াচ চিজাৰে আৰু তাক বাস্তৱত পৰিণত কৰে এচিনিয়াচ পলোই প্ৰায় খৃষ্টপূৰ্ব্ব ৩৯ শতিকাত। এই পুথিভঁৰাল পতা হৈছিল এট্ৰিয়াম লিবাৰটেটিচত আৰু ইয়াত গ্ৰীক আৰু ৰোমান ভাষাৰ পুথি ৰখা হৈছিল।

পুৰণি পুথিভঁৰালবোৰৰ পাঠক শ্ৰেণীৰ অধিক ভাগ যে পণ্ডিত ৰাজনীতি বিশাৰদ, আইনজ্ঞ, সাহিত্যিক আৰু এনেধৰণৰ আন আন লোক আছিল, তাত সন্দেহ নাই। সাংস্কৃতিক সাধনাই আছিল এই শ্ৰেণীৰ সামাজিক জীৱন যাত্ৰাৰ স্বাভাৱিক অঙ্গ বিশেষ। বেবিলন আৰু মিছৰত বোধহয় ইয়াৰ কিছু ব্যতিক্ৰম ঘটিছিল, কিয়নো এই দুখন দেশত ৰচনা সমূহ অধিক ব্যাপকভাৱে ব্যৱহৃত হৈছিল আৰু হয়তো মাটিৰ বায়ত আৰু অনুৰূপ শ্ৰেণীৰ মানুহেও পুথিৰ ব্যৱহাৰ কৰিছিল।

খৃষ্টপূৰ্ব্ব পঞ্চম শতিকাত এথেন্সৰ লোক সংখ্যা আছিল আনুমানিক ১৫০,০০০ আৰু তাৰে তিনি ভাগৰ এভাগ আছিল ক্ৰীত দাস। গতিকে এই বুলি অনুমান কৰা সম্পূৰ্ণ যুক্তিসন্মত হব যে প্ৰধানকৈ আলোচনা-চক্ৰবোৰত পুথি ডাঙৰ ডাঙৰকৈ পাঠ কৰা হৈছিল আৰু গাইগুটীয়াভাৱে প্ৰত্যক্ষ গ্ৰন্থপাঠৰ মাত্ৰা নিশ্চয় তেনেই সীমাবদ্ধ আছিল। এইসময়ত পৰবৰ্ত্তী কালৰ তুলনাত সাহিত্য আৰু দৰ্শনৰ পুথি আন বিষয়ৰ পুথিতকৈ অধিক লিখা হৈছিল ; ইয়াৰ দ্বাৰা আমাৰ এই অনুমান সমৰ্থিত হয়, কিয়নো এই শ্ৰেণীৰ ৰচনা ৰাজহুৱাভাৱে পাঠ বা আবৃত্তিৰ বাবে বিশেষ উপযোগী।

সমাজত নিজৰ প্ৰতিপত্তি বৃদ্ধিৰ বাবে কৰা অধ্যয়ন অৰ্থাৎ যাক "প্ৰতিষ্ঠামূলক গ্ৰন্থপাঠ" বুলি অভিহিত কৰিব পৰা যায়—তেনে গ্ৰন্থ পাঠৰ মাত্ৰা মুঠ গ্ৰন্থপাঠৰ মাত্ৰাৰ তুলনাত নিশ্চয় তেনেই কম আছিল, কিয়নো অতীজৰ সমাজত গতিশীলতাৰ মাত্ৰা বৰ কম আছিল আৰু গ্ৰন্থপাঠৰ প্ৰয়োজন হোৱা বৃত্তিৰ সংখ্যাও নিচেই তাকৰীয়া আছিল।

আনহাতে কলা আৰু দৰ্শনৰ সৃষ্টিত নিঃসন্দেহে মানুহৰ অধিক আনুভূতিক সহযোগীতা পোৱা হৈছিল আৰু মানুহৰ মনৰ ওপৰত গ্ৰন্থ পাঠৰ প্ৰভাৱো নিশ্চয় অধিক আছিল, কিয়নো তেতিয়াৰ মানুহৰ গ্ৰহন

ক্ষমতা আৰু কল্পনা প্ৰৱনতা অতিশয় প্ৰবল আছিল যেন অনুমান হয়।

অ'স্কাৰ ঠাইৰেগডে "পুথিভঁৰালৰ সাংস্কৃতিক ভূমিকা" শীৰ্ষক তেওঁৰ সুবিখ্যাত গ্ৰন্থখনত পুথিভঁৰালৰ সাংস্কৃতিক দায়িত্ব পালনৰ কথা বিশ্লেষন কৰোতে মেক্স স্কেলেৰে জ্ঞান সম্পৰ্কে কৰা পাৰ্থক্য কেইটাৰ উল্লেখ কৰিছে; এই কেইটা হ'ল মুক্তি, সংস্কৃতি আৰু সাফল্য অৰ্জ্জনৰ বাবে লাভ কৰা জ্ঞান। এই পাৰ্থক্য কেইটা প্ৰয়োজনীয় সঁচা, কিন্তু মাত্ৰা ভেদেহে এই পাৰ্থক্য নিৰূপণ কৰিব পাৰি, প্ৰতিটো সুকীয়া-সুকীয়া বুলি ধৰি লব নোৱাৰি। অপেক্ষাকৃত জটিল সামাজিক দল আৰু স্তৰত সংস্কৃতি আৰু সাফল্য অৰ্জ্জনৰ বাবে জ্ঞান আৰু লাভৰ চেষ্টা কৰা দেখা যায়। আনহাতে বোধহয় অপেক্ষাকৃত প্ৰাচীন সংস্কৃতিবোৰত মুক্তিৰ বাবে গ্ৰন্থ-পাঠৰ ইচ্ছাৰ প্ৰাবল্য পৰিলক্ষিত হয়।

কিন্তু এইটোও লক্ষ্য কৰা যায় যে প্ৰত্যেক সভ্যতাৰে ঋতু পৰিবৰ্ত্তন হয় আৰু বিভিন্ন সময়ত ভিন ভিন প্ৰকাৰৰ জ্ঞানৰ গুৰুত্বৰ তাৰতম্য ঘটে। সভ্যতাৰ আদি যুগত মুক্তি জ্ঞানৰ ওপৰত বৰকৈ গুৰুত্ব দিয়া দেখা যায়, সেইদৰে তেনে সভ্যতাৰ অৱনতিৰ কালতো ইয়াৰ ওপৰত গুৰুত্ব দিয়া হয়। কিন্তু সভ্যতাৰ সমৃদ্ধি আৰু পৰিপুষ্টিৰ যুগত সংস্কৃতি আৰু সাফল্য লাভৰ জ্ঞান অৰ্জ্জনৰ হেঁপাহ প্ৰবলভাৱে দেখা দিয়ে। সাফল্য লাভৰ জ্ঞানৰ লগত কাৰিকৰী বিকাশৰ তেনেই ওচৰ সম্পৰ্ক আছে, সেই হেতুকে আধুনিক সমাজত এই জ্ঞানৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হয়, কিয়নো ইয়াৰ ফলত বৃহৎ সামাজিক দল বোৰৰ তিষ্ঠি থকাৰ শক্তি বৃদ্ধি পায়।

কিন্তু আগৰ যুগবোৰৰ তুলনাত সাফল্য জ্ঞানৰ ক্ষেত্ৰত আধুনিক সমাজ বিৰাট পদক্ষেপেৰে আগবাঢ়ি গৈছে হেতুকেই আধুনিক সমাজ গ্ৰন্থ ৰচনা আৰু পাঠ বিষয়ত উন্নত স্তৰত উপনীত হৈছে বুলি অকল মাত্ৰাৰ ফালৰ পৰাই সমস্যাটোৰ বিবেচনা কৰাটো নিৰ্ভুল নহব। যদিহে মুক্তি--জ্ঞান, সংস্কৃতি--জ্ঞান আৰু সাফল্য--জ্ঞানৰ মাত্ৰা একে সময়তে বৃদ্ধি হ'লহেঁতেন তেন্তে সমাজ "অধিকতৰ উন্নত" স্তৰত উপনীত হোৱা বুলি

কৰ পৰা গ'লহেঁতেন, কিন্তু খৰচি মাৰি পৰীক্ষা নকৰাকৈ এই সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰি।

দলৰ সামাজিক ঘনত্বৰ ফলত সাফল্য-জ্ঞানৰ প্ৰয়োজন হয়, এই ফালৰ পৰা চাবলৈ গলে ই বৃহত্তৰ সামাজিক দল এটাৰ ভিতৰত থকা শক্তিৰ অভিব্যক্তি কিন্তু বৃহত্তৰ দল একোটাৰ স্বাভাৱিকতে সংস্কৃতি আৰু মুক্তি-জ্ঞানৰ মাত্ৰা বৃদ্ধি পায় নে নাপায়—সি এটা জটিল সমস্যা। সংস্কৃতিৰ আদিম স্তৰত মানুহৰ আবেগৰ ক্ষেত্ৰত নিৰাপত্তাৰ অভাৱ থাকে আৰু তাৰ লগতে যে মুক্তি- জ্ঞানৰ সম্পৰ্ক—তাত সন্দেহ নাই, তাৰ পিচত কাৰিকৰী উন্নতি আৰু তাৰ ফলত পৰিবেশ নিজৰ নিয়ন্ত্ৰণলৈ অহা হেতুকে এই নিৰাপত্তাৰ অভাৱৰ মাত্ৰা হ্ৰাস পায় আৰু এই জ্ঞানৰ হেপাহ তেতিয়া অধিক পৰিমানে মানুহৰ অবচেতনা লুকাই থাকে। গতিকে গ্ৰন্থ ৰচনা আৰু পাঠৰ ক্ষেত্ৰত মধ্যযুগত মুক্তি-জ্ঞানে আটাইতকৈ অধিক গুৰুত্ব লাভ কৰিছিল আৰু আধুনিক যুগত ইয়াৰ মাত্ৰা তেনেই কমি গৈছে। ইযাত আচৰিত হব লগীয়া একো নাই।

সংস্কৃতি-জ্ঞানৰ ভূমিকা নিৰ্ণয কৰাটো বৰ টান। বোধহয় অতিশয় ধৰ্ম্ম প্ৰধান যুগ এটাৰ পৰা সাফল্য জ্ঞান লাভৰ বাবে অধিক মাত্ৰাত শক্তি প্ৰযোগ কৰা যুগ এটালৈ পৰিবৰ্ত্তন হোৱাৰ সময় ছোৱাত এই জ্ঞান বিকাশৰ মাত্ৰা আটাইতকৈ বৃদ্ধি পায়। এনে কাল ছোৱাত অতীতৰ উচ্চ আদৰ্শবোৰৰ প্ৰতি আনুগত্য আৰু ভৱিষ্যতৰ অধিক বাস্তৱবাদী মনোভাবৰ মাজত এটা দ্বিধাৰ ভাব দেখা দিয়ে; তাৰ ফলত মানুহ কি আৰু মানবীয় গুণ বাজিৰ কিদৰে বিকাশ সাধন কৰিব পাৰি তাৰ ওপৰতে অধিক চিন্তা আৰু কাৰ্য্য শক্তিৰ ব্যয় কৰা হয়। খৃষ্টপূৰ্ব্ব পঞ্চম শতিকাৰ গ্ৰীচ, ৰোম সাম্ৰাজ্য, ইউৰোপৰ নব অভ্যুদয়ৰ যুগ আৰু নবযুগ (১৫০০--১৮০০) বোধহয় এনে কালৰ উল্লেখযোগ্য দৃষ্টান্ত।

লগতে এই কথা উনুকিয়াই দিয়াত উচিত হব যে এটা প্ৰতি-পত্তিশালী সামাজিক দলে—যেনে এটা নেতৃস্থানীয় জাতিয়ে সদায় প্ৰকাশ্য আৰু সচেতন ভাৱে একোটা সাংস্কৃতিক নক্সা বা আহি দাঙি ধৰাৰ দায়িত্ব বোধ কৰে, কিয়নো আনবোৰ অনুৰূপ দলৰ আগত এই দলে নিজৰ সুকীয়া

অস্তিত্বৰ যুক্তিযুক্ততা প্ৰমাণ কৰি দিবলগীয়া হয়, সময়ৰ ৰুচি অনুসৰি এটা সকল সাংস্কৃতিক-আৰ্হিৰ অস্তিত্বৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰোতে মুক্তি, সংস্কৃতি বা সাফল্য জ্ঞানৰ সংজ্ঞাবোৰৰ সহায় লোৱা হয়, কিন্তু আৰ্হি নিৰ্ণয়ৰ কাম হ'ল সাংস্কৃতিক।

এটা সামাজিক দলে নিজৰ সাংস্কৃতিক আৰ্হি কেতিয়াও নিভাঁজ সাফল্য-জ্ঞানৰ সংজ্ঞাৰে প্ৰকাশ কৰিব নোৱাৰে, কিয়নো তেনে কৰিলে সি মানুহৰ মন বা অন্তৰ স্পৰ্শ কৰিব নোৱাৰিব। এই আৰ্হিয়ে আনৰ অন্তৰত ৰেখা পাত কৰাই হ'ল ইয়াক দাঙি ধৰাৰ উদ্দেশ্য, গতিকে নিজৰ সাংস্কৃতিক মূল্য আকৰ্ষনীয় কৰাৰ বাবে মানবীয় দৰ্শন বা ধৰ্ম্মগত সংজ্ঞাৰ সহায় লোৱা হয়।

ইয়াৰ ফলত এহাতে সামাজিক উপদেশবোৰে নিজৰ ভাৱধাৰা অধিক পৰিমানে সাফল্য-জ্ঞানৰ সংজ্ঞাৰে প্ৰকাশ কৰিলেও আনহাতে প্ৰতিপত্তিশালী দলবোৰে — লাগিলে সেইবোৰ শ্ৰেণীয়ে হওক বা জাতিয়ে হওক — নিজৰ আদৰ্শবোৰ সাংস্কৃতিক সংজ্ঞাৰে প্ৰকাশ কৰাৰ অধিক মনোনিবেশ কৰা দেখা যায়। ইয়াৰ লগত নিজৰ আৰ্থিক মৰ্য্যাদাৰো সম্পৰ্ক থকা হেতুকে এটা প্ৰতিপত্তিশালী সাংস্কৃতিক দলৰ মৰ্য্যদা যিমানেই নিৰাপদ আৰু স্থায়ী হয় তিমানেই এইদলে অধিক জটিল ধৰণৰ সাংস্কৃতিক আৰ্হি সৃষ্টি কৰাত সাফল্য লাভ কৰে। সুদীৰ্ঘ কালধৰি ক্ষমতা ভোগ কৰি অহা জাতিয়ে পিচত "অভ্যুদয় হোৱা" জাতিক অপেক্ষাকৃত কম "সংস্কৃত" বুলি কব পাৰে, কিন্তু সদ্যহতে ক্ষমতা লাভ কৰা হেতুকে পিচৰ বিধ জাতিৰ আদৰ্শ প্ৰচাৰৰ উদ্যম অধিক হব পাৰে। এইটো কিন্তু অধিক পৰিমানে মুক্তি জ্ঞানৰ অংশ, অপেক্ষাকৃত অৰ্ব্বাচীন সামাজিক দল নাইবা সাফল্য-জ্ঞানৰ চৰম সীমা অতিক্ৰম কৰি যোৱা সামাজিক দলবোৰত ইয়াক অধিক প্ৰবলভাৱে দেখিবলৈ পোৱা যায়। ক্ষমতা হানিৰ ফলত দেখা দিয়া উদ্বেগৰ কাৰণে সহজতে মুক্তি-জ্ঞানৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হয়।

এইবোৰৰ পৰা তলত দিয়া ধৰণে সাধাৰণ সিদ্ধান্তত উপনীত হব পৰা যায়

(১) সংস্কৃতিৰ আদিম স্তৰত মুক্তি-জ্ঞানৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়; ইয়াৰ পিচত গুৰুত্ব দিয়া হয় সাংস্কৃতিক জ্ঞানৰ ওপৰত

আৰু তাৰ পিচতহে দিয়া হয় সাফল্য-জ্ঞানৰ ওপৰত। তাৰ কাৰণ হ'ল এতিয়াও এনে দলে যথেষ্ট বাস্তৱ অভিজ্ঞতা লাভ কৰা নাই আৰু তাৰ বাবে প্ৰয়োজনীয় চিন্তাধাৰা এতিয়াও বিকশি উঠা নাই।

(২) মধ্যবৰ্ত্তী সাংস্কৃতিক স্তৰত সাংস্কৃতিক জ্ঞানৰ ওপৰত অধিক মনোযোগ দিয়া হয়।

(৩) পৰৱৰ্ত্তী আৰু পৰিপুষ্ট সাংস্কৃতিক যুগত সাফল্য-জ্ঞানৰ মাত্ৰা বৃদ্ধি পায় আৰু ইয়াক সাংস্কৃতিক-জ্ঞানৰ অংশতকৈ অধিক পৰিমাণে প্ৰয়োজনীয় লক্ষ্য হিচাপে বিবেচনা কৰা হয়। সামাজিক জটিলতা আৰু কামৰ ব্যৱধান বৃদ্ধিৰ ফলত সামাজিক প্ৰগতিৰ কাৰণে সাফল্য-জ্ঞান অৰ্জ্জন কৰাটো প্ৰয়োজনীয় হৈ পৰে আৰু আনফালৰ পৰা চাবলৈ গলে এই প্ৰয়োজনৰ কাৰণে সামাজিক গতিশীলতাৰ মাত্ৰা বৃদ্ধি পায়।

(৪) অৱনতিৰ যুগত সাফল্য আৰু সাংস্কৃতিক জ্ঞানৰ মাত্ৰা কমি যায় আৰু সমস্যাৰ ব্যক্তিগত সমাধানৰ মাধ্যমেৰে মুক্তি-জ্ঞানৰ মাত্ৰা বৃদ্ধি পোৱা দেখিবলৈ পোৱা যায়।

এই তালিকা সাধাৰণ ধৰণৰ, ই তথাপি ইয়াৰ সহায়েৰে লিপিবদ্ধ ৰচনা আৰু গ্ৰন্থ-পাঠৰ ভূমিকা সম্বন্ধে কেতবোৰ কৌতুহলপূৰ্ণ সিদ্ধান্তত উপনীত হব পৰা যায়।

যদি এই কথা মানিলোৱা হয় যে সংস্কৃতিৰ আদি অৱস্থাত, যন্ত্ৰ বিদ্যাৰ জ্ঞান সীমাবদ্ধ থকাৰ সময়ত মানুহে মুক্তি-জ্ঞানৰ বাবে অপেক্ষাকৃত অধিক শক্তি নিয়োগ কৰে, গতিকে এনেবোৰ বিষয় লৈয়ে যে ৰচনা লিখা হব সেইটো দেখা দেখি কথা। এনে কালত সমসাময়িক সংস্কৃতি অব্যাহত ৰখা আৰু প্ৰচাৰৰ ভাৰ লোৱা এটা তেনেই অলপীয়া শ্ৰেণীৰ মাজতে গ্ৰন্থপাঠ সীমাবদ্ধ থাকে। অধিক ভাগ লোক বৰ্ত্তি থকাৰ সমস্যাত ব্যস্ত থাকিব লাগে আৰু তেওঁলোকৰ মাজত যোগাযোগ চলে প্ৰত্যক্ষ ভাৱে, গতিকে পৰোক্ষ আৰু অপেক্ষাকৃত যুক্তিসম্মত যোগাযোগৰ মাধ্যম গঢ়ি উঠাৰ সম্ভাৱনাই দেখা নিদিয়ে। আইন বা চৰকাৰী কামত ( সাংস্কৃতিক জ্ঞান ) নাইবা বিজ্ঞানত ( সাফল্য-

জ্ঞান) ধৰ্ম্মগত ৰচনাই অধিক ঠাই পায়। কলা (উপাখ্যান, সাধু, গাথা আদি) বোধহয় ব্যক্তিগত মুক্তি আৰু সংস্কৃতি-জ্ঞানৰ সংমিশ্ৰন অপেক্ষাকৃত পলমকৈ দেখা দিয়ে; অৱশ্যে ধৰ্ম্মগত ৰচনাবোৰে সেই একে কাম আংশিকভাৱে সম্পাদন কৰে।

মানুহৰ ভাৱধাৰা হিচাপে সংস্কৃতি-জ্ঞানেই নিঃসন্দেহে অতিশয় উন্নত আৰু জটিল ৰূপৰ ৰচনাৰ বাবে প্ৰেৰণা যোগাই আহিছে। ইয়াৰ ফলতে দৰ্শন আৰু সাহিত্যৰ সৃষ্টি হৈছে। ব্যক্তিৰ আবেগ, বুদ্ধি আৰু অধ্যাত্মগত প্ৰয়োজন পূৰণত ই আটাইতকৈ অধিক সহায় কৰে। মানুহে নিজৰ মন সজীৱ কৰাৰ কাৰণে ইয়াত মনোবৃত্তি, চিন্তা-ধাৰা আৰু অনুভূতিৰ ক্ষেত্ৰত ৰামধনুসনা বৈচিত্ৰ্য পাব পাৰে।

সাফল্য-জ্ঞানৰ হলে এই গুণবোৰ নাই, ই অকল মানুহৰ মনৰ যুক্তিগত অংশটোকহে প্ৰভাৱিত কৰে; কোনো প্ৰত্যক্ষ আবেগৰ প্ৰয়োজন পূৰাবলৈ এই উদ্দেশ্য গ্ৰন্থ-পাঠ কৰা নহয়। অৱশ্যে কদাকাচিৎ ইয়াৰ ব্যতিক্ৰম হব পাৰে।

গতিশীল যুগবোৰত সংস্কৃতি-জ্ঞানৰ প্ৰভাৱ অপৰিসীম; এনে যুগত মানুহৰ মনে সকলো ক্ষেত্ৰতে নতুন নতুন কথা বিচাৰে আৰু মানুহ অতিশয় প্ৰাণৱন্ত আৰু কৌতুহলী, আৰু অন্তৰ আবেগৰ প্ৰেৰণাৰে পৰিপূৰ্ণ। এই জ্ঞানে প্ৰভাৱ বিস্তাৰ কৰা যুগ হ'ল চিন্তা নায়ক, দাৰ্শনিক, ৰাজনীতিবিশাৰদ, কবি আৰু সাহিত্যিক সকলৰ যুগ; নিজৰ ভাৱধাৰা আনৰ আগত প্ৰকাশৰ প্ৰত্যক্ষ প্ৰয়োজনৰ বাবে আৰু অৱস্থা বুজি যথা সম্ভৱ অধিক সংখ্যক লোকৰ মন খোৱাকৈ ভাৱধাৰা প্ৰকাশৰ প্ৰেৰণা লৈ তেওঁলোকে নিজৰ ৰচনাবোৰৰ সৃষ্টি কৰে।

এনে যুগৰ উৎকৃষ্ট দৃষ্টান্ত বোধহয় ১৫০০ –১৯০০ চনৰ ইউৰোপৰ কালছোৱা; এই সময়ছোৱাত মানৱীয় কাৰ্য্য তৎপৰতাৰ সমলো ক্ষেত্ৰতে বুদ্ধিগত কৌতুহল পৰিলক্ষিত হয়, আৰু এই সময়ছোৱাত মানুহৰ আবেগ ইমান প্ৰবল আছিল আৰু ইমান প্ৰবল ভাৱে সেইবোৰক নিয়ন্ত্ৰিত কৰা

হৈছিল যে তাৰ ফলত অতিশয় উচ্চ স্তৰৰ কলাধৰ্ম্মী ৰচনাৰ বাবে অনুকূল পৰিবেশৰ সৃষ্টি হৈছিল।

প্ৰায়ে এনে মন্তব্য কৰা হয় যে ১৯০০ চনৰ পৰা, বা সম্ভৱতঃ প্ৰথম বিশ্ব যুদ্ধৰ পিচৰ পৰা সাফল্য - জ্ঞানৰ ওপৰত অতিমাত্ৰা মনোনিৱেশ কৰা হেতুকে সংস্কৃতি-জ্ঞানৰ অৱনতি ঘটিছে আৰু সংস্কৃতি-জ্ঞান লাভৰ মুখ্যতম লক্ষ্যৰ সলনি কলা অধিক পৰিমানে অৱসৰ বিনোদন আৰু তথ্যাদি জনাৰ মাধ্যম হৈ পৰিছে।

দুয়োবিধ জ্ঞানৰ গঠন-বিন্যাসৰ ক্ষেত্ৰত যে কিছু সম্পৰ্ক আছে সেইটো দেখা দেখি কথা ; সাফল্য-জ্ঞানৰ বিকাশ ঘটিবলৈ হলে-তেনে সামাজিক দলে আগতে কেতবোৰ লক্ষ্য স্বীকাৰ কৰি লব লাগিব; এই লক্ষ্যবোৰ ক্ৰমে সাধাৰণ আলোচনাৰ বিষয় হোৱাৰ মাত্ৰা কমি যায়। ইয়াৰ দৃষ্টান্ত হিচাপে নবযুগত (১৫০০—১৮০০) আইন আৰু চৰকাৰৰ লক্ষ্য সম্বন্ধে বিংশ শতিকাৰ তুলনাত সাধাৰণ স্বীকৃতিৰ মাত্ৰা কম আছিল। গতিকে এই সময় ছোৱাত আমি আইন আৰু চৰকাৰৰ দৰ্শন সম্বন্ধে তুলনা কৰি চাই ভালেমান পুথি ৰচিত হোৱা দেখিবলৈ পাওঁহক। বৰ্ত্তমান সময়ত আইন আৰু চৰকাৰৰ খুটিনাটি সম্বন্ধে ভালেমান পুথি ৰচিত হয় ; কিন্তু ইয়াৰ তুলনাত এই ক্ষেত্ৰত ৰচিত মুঠ গ্ৰন্থৰ ফালৰ পৰা বিবেচনা কৰি চালে দাৰ্শনিক ধৰণৰ পুথিৰ সংখ্যা তেনেই কমি গৈছে।

তদুপৰি একোটা যুগৰ সাধাৰণ ৰুচিয়ে পুথিৰ ৰচনা-শৈলীৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰে। যদি এনে যুগৰ মানুহৰ ৰুচি সংস্কৃতি ধৰ্ম্মী তেন্তে ৰচনা শৈলীত সংস্কৃতি-জ্ঞান মূলক গ্ৰন্থবোৰৰ প্ৰভাৱ পৰে। আনহাতে মানুহৰ ৰুচি মুখ্যতঃ সাফল্য-জ্ঞান ধৰ্ম্মী হলে-আনকি সংস্কৃতি জ্ঞান -মূলক ৰচনাতো ইয়াৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। আটাইতকৈ অধিক সফল বিষয়ৰ ৰচনাহে প্ৰকাশক সকলে প্ৰকাশ কৰাৰ মনোভাৱ দেখুৱায়। ইয়াৰ উদাহৰণ স্বৰূপে কব পৰা যায় যে ঊনবিংশ শতিকাৰ তুলনাত বৰ্ত্তমানে কবিতাৰ পুথিৰ প্ৰকাশক পোৱাটো টান কথা।

তৃতীয় কথা হ'ল পাঠকৰ মনোভাৱ; সাধাৰণতে চলা যোগা-যোগৰ মাধ্যমবোৰত পাঠকসকল আটাইতকৈ অধিক অভ্যস্ত হয় আৰু নিজে বিশেষভাবে কষ্ট কৰিব লগীয়া হলে আৰু বিশেষকৈ তেনে কষ্টৰ পৰা সামাজিক প্ৰতিষ্ঠা বৃদ্ধিৰ যদি একো সম্ভাৱনা নাথাকে তেন্তে তেনে অভিনৱ শৈলীৰ গ্ৰন্থ পাঠৰ পৰা বিৰত থাকে ।

এই সমস্যাৰ লগত মাত্ৰাৰ প্ৰশ্নও নিহত আছে। মুক্তি জ্ঞানৰ ক্ষেত্ৰত কৰা গ্ৰন্থ-পাঠক "ভক্তিমূলক পাঠ" বুলি অভিহিত কৰিব পৰা যায়, এনে ভাবে গ্ৰন্থ পাঠ কৰিবলৈ হলে পাঠকৰ সমগ্ৰ ব্যক্তিত্বই তাৰ অংশ গ্ৰহণ কৰিব লাগে—আবেগসমূহ, মন আৰু আত্মা সক্ৰিয় হৈ উঠিব লাগে আৰু এনে প্ৰক্ৰিয়াত প্ৰতিটো শব্দ, প্ৰতিটো বাক্য অতিশয় গুৰুত্বপূৰ্ণ হৈ উঠে। একেখন পুথিকে বাৰে বাৰে পঢ়া হয়। তাৰ তাৎপৰ্য্য সম্বন্ধে অনুধাৱন কৰা হয়, কণ্ঠস্থ কৰা হয়, আৰু নানা কালৰ পৰা তাক মনন কৰা হয়। পুথিখনে একপ্ৰকাৰ লম্ভি ধৰে আৰু ই ব্যক্তি বা দল বিশেষৰ জীৱনৰ অংশ হৈ পৰে। এনে ক্ষেত্ৰত মানুহজনে কেইখন পুথি পঢ়ে তাৰ দ্বাৰা তেওঁৰ ভক্তি নিৰ্ণয় কৰিব নোৱাৰি, তেওঁ পুথিত পুথিৰ মৰ্ম্ম কিদৰে গ্ৰহন কৰে তাৰ দ্বাৰাহে সেইটো নিৰূপিত হয় ।

সংস্কৃতি-জ্ঞানৰ ক্ষেত্ৰত "ভাল"পুথি পঢ়াৰ ওপৰত মন কেন্দ্ৰীভূত কৰা হয় । যদিহে এজন মানুহে দৰ্শন আৰু সাহিত্যৰ আগশাৰীৰ ৰচনা সমূহ অধ্যয়ন কৰে তেন্তে তেনে মানুহক "পণ্ডিত"বা "সংস্কৃতিবান" বোলা হয়। তেওঁৰ পৰা বিষয় সমূহৰ বিস্তাৰিত বা বিশেষ জ্ঞান আশা কৰা নহয়, বৰং সমাজ আৰু প্ৰকৃতিৰ প্ৰক্ৰিয়াবোৰ সম্বন্ধে তেওঁৰ প্ৰশস্ত বৈজ্ঞানিক দৃষ্টিভঙ্গী হলেই পৰ্য্যাপ্ত বুলি বিবেচনা কৰা হয়। পুথিৰ সংগ্ৰহ এটা প্ৰয়োজনীয় কথা আৰু এইবোৰৰ চেহেৰাও এটা গুৰুত্ব পূৰ্ণ কথা।

ভক্তিমূলক আৰু সংস্কৃতিমূলক গ্ৰন্থপাঠৰ মাজত ভালেখিনি সাদৃশ্য আছে কিন্তু পিচৰ বিধৰ কাৰণে অধিক পুথি পঢ়াৰ প্ৰয়োজন হয়; অকল গ্ৰন্থ-পাঠৰ বাবেও হব পাৰে, নহলে নিজৰ ৰুচি আৰু কলা-বিচাৰ ক্ষমতা বিকাশৰ বাবে এনে কৰিব লগীয়া হয়। ইয়াক বাক্যালাপৰ ক্ষমতা বৃদ্ধিৰ উপায় স্বৰূপে বিবেচনা কৰা হয় আৰু সমাজৰ যি শ্ৰেণীৰ মানুহে

এইবোৰ সাংস্কৃতিক প্রক্রিয়াৰ বিশেষ অংশ গ্রহণ কৰিব নোৱাৰে তেনে শ্রেণীৰ মাজত পাঠকৰ এটা ব্যৱধান গঢ়ি তোলাৰ বাবেও ইয়াক কৰা হয়। তদুপৰি ই বাস্তৱতে এটা সার্ব্বজনীন ধৰণৰ কথা ; যিমান দূৰ পৰা যায় মূল ভাষাৰ পুথি অধ্যয়ন কৰা হয়, আন এটা ভাষাৰ জ্ঞান লাভ কৰাৰ অর্থ হ'ল সেই ভাষাৰ সাহিত্য বাজীৰ লগত পৰিচিত হোৱা।

সাফল্য জ্ঞানৰ ক্ষেত্রত গ্রন্থ প ঠ তাৰ তুলনাত অধিক যান্ত্রিক ধৰণৰ প্রক্রিয়া ; এনে পুথিৰ শৈলী আৰু উপস্থাপন গতানুগতিক ধৰণৰ আৰু সি বিশেষ গণ্য কৰিবলগীয়া কথাও নহয়। এনে ধৰণৰ পুথিয়ে লেখকৰ ব্যক্তিত্ব অভিব্যক্ত নকৰে এনে পুথিত বিচার্য বিষয় গতানুগতিক আৰু নৈর্ব্যক্তিক ধৰণে উপস্থাপিত কৰা হয়। মুখ্যতঃ পাঠকে পুথিৰ বিষয়-বস্তু জনাৰ উদ্দেশ্যেহে এইবোৰ অধ্যয়ন কৰে ; এনে গ্রন্থ পাঠত আবেগৰ ফালৰপৰা তেনেই যৎসামান্য সন্তুষ্টি লাভ কৰা হয় বুলি ক'লেও অত্যুক্তি নহব।

প্রায়ে এনে পুথিৰ অংশ বিশেষ পাঠ কৰা হয়, বা ইয়াৰ নকল কৰি লোৱা হয় অথবা তেনে একে ধৰণৰ পুথি সংকলনত ইয়াক ব্যৱহাৰ কৰা হয়। এনে পুথিৰ পৰিধি সীমাবদ্ধ, সেই হেতুকে অলপ অচৰপ সংশোধন কৰি ভিন ভিন ঠাইৰ বা ভিন ভিন সামাজিক দলৰ পাঠকৰ উপযোগীকৈ একে বিধৰ ভালেমান পুথি যুগুত কৰা হয়। সেই একে ক্ষেত্রতে কাম কৰা অভিজ্ঞ লোকে এনেধৰণৰ পুথি সংগ্রহৰ ইচ্ছা কৰে আৰু তেনে লোকে এইবোৰ পুথি নিজৰ কামত ব্যৱহাৰ কৰে। নিজৰ বুদ্ধিগত বা আধ্যাত্মিক আকাংক্ষা পূৰণৰ বাবে পুথি কিনোতা-সকলে বা পুথি গোটোৱা সকলে বা পুথি গোটাই আনন্দ লাভ কৰা সকলে এনে পুথি বাছি নলয়। এনে পুথিৰ পাঠ বা অধ্যয়নত পাঠকৰ মনৰ এটা অংশহে নিযুক্ত হয়। পাঠকৰ আবেগ বা পৰিপূর্ণ ব্যক্তিত্বৰ বিকাশত এনে গ্রন্থ--পাঠৰ বিশেষ প্রভাৱ নাই বুলি ক'ব পাৰি।

এই তৃতীয় শ্রেণীৰ পুথিহে বর্ত্তমান সমাজত অধিক সংখ্যাত যুগুত কৰা হয় আৰু আধুনিক পুথিভঁৰালৰ বাবে এই শ্রেণীৰ পুথি অতিশয় গুৰুত্বপূর্ণ। এই শ্রেণীৰ ৰচনা সংৰক্ষণত পুথিভঁৰালে অতিশয় উল্লেখযোগ্য ভূমিকা গ্রহণ কৰে।

বোধহয় ইয়াৰ লগত চতুৰ্থ শ্ৰেণীৰ ৰচনা সামৰি লোৱা উচিত হ'ব; এয়ে হ'ল "পৰিপূৰক গ্ৰন্থৰ ৰচনা আৰু পাঠ"। প্ৰতিটো সমাজ ব্যৱস্থাতে মনৰ কেতবোৰ গুণৰ বিকাশে সীমা চেৰাই যায় আৰু কেত-বোৰৰ বিকাশৰ প্ৰতি উপেক্ষা কৰা হয়। ফলত মনত হতাশাৰ ভাব দেখা দিয়ে; অতিশয় সংঘৰ্ষৰ মাজেদি সমাজ চলিব লগীয়া হ'লে এই হতাশাৰ মাত্ৰা বৃদ্ধি পাব পাৰে।

সমাজত সামাজিক শ্ৰম বিভাজনৰ মাত্ৰা যিমানেই বৃদ্ধি পায়, ব্যক্তিৰ ক্ষেত্ৰত তিমানেই সংঘৰ্ষৰ পৰিমাণ বাঢ়ি যোৱাৰ লক্ষণ দেখিবলৈ পোৱা যায়। ইয়াৰ কাৰণ হ'ল তেওঁ একেটা কামকে বাৰে বাৰে কৰিব লাগে, তাৰ বাবে আত্মানিয়ন্ত্ৰণ কৰিব লগীয়া হয়; ফলত তেওঁৰ ব্যক্তিত্বৰ নিচেই কম অংশৰহে প্ৰকাশ হয় আৰু সিও হয় বাহিৰৰ পৰা ধাৰ্য কৰি দিয়া ছন্দোত্ৰুমত। সেই হেতুকে ইয়াৰ পৰি-পূৰণৰ বিশেষ প্ৰয়োজন হয়; ব্যায়াম বা শাৰীৰিক অৱসৰৰ দ্বাৰা শৰীৰৰ ক্ষতিপূৰণ কৰা হয়; মনক আঁতৰাই নিয়াৰ বাবে কিতাপ পঢ়ি মনৰ ক্ষতি পূৰণ কৰা হয়। দুঃসাহসৰ গল্প, প্ৰেমৰ গল্প, চোৰাং-চোৱাৰ কাহিনী, ব্যঙ্গ ৰচনা আৰু ব্যঙ্গচিত্ৰ আদিয়ে এই প্ৰয়োজন পূৰণ কৰে। ফলত এনে অসংখ্য পুথিৰ সৃষ্টি হৈছে যাক সাহিত্য আৰু আমোদ-প্ৰমোদৰ মাধ্যমৰ সীমাত থব পৰা যায়।

লগতে এই কথা উল্লেখ কৰা উচিত যে ভালেমান পুথি মধ্যৱৰ্ত্তী শ্ৰেণীৰ ভিতৰত পৰে আৰু ইয়াত দেখুৱা শ্ৰেণী-ভেদ অতি বাস্তৱ ধৰণৰ নহয়, সমস্যা অধিক মুকলিকৈ ব্যাখা কৰাৰ উদ্দেশ্যেহে ইয়াৰ আশ্ৰয় লোৱা হৈছে।

এই চাৰি শ্ৰেণীৰ পুথিৰ ক্ষেত্ৰত পুথিভঁৰালৰ ভূমিকা বিভিন্ন ধৰণৰ। যি সময়ত মুক্তি-জ্ঞানৰ প্ৰভাৱ আটাইতকৈ শক্তিশালী সেই সময়ত সি সংস্কৃতি আৰু সাফল্য জ্ঞানৰ ক্ষেত্ৰতো নিজৰ প্ৰভাৱ প্ৰকাশ কৰে। সামাজিক দলৰ অব্যাহত অস্তিত্বৰ কাৰণে এই আটাইবোৰ শ্ৰেণীৰ ৰচনা সংৰক্ষণৰ প্ৰয়োজন হয়, কিন্তু এই উদ্দেশ্যে লিপিবদ্ধ সামগ্ৰীৰ অপেক্ষাকৃত কম পৰিমাণ সংৰক্ষিত কৰিলেই যথেষ্ট হয়।

ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ পুথিভঁৰালৰ যুগত সংস্কৃতিজ্ঞানৰ প্ৰভাৱ আটাইতকৈ শক্তিশালী আছিল। বিশ্ববিদ্যালয়বোৰে বৈজ্ঞানিক আৰু গৱেষণামূলক পুথিভঁৰালৰ সৃষ্টি কৰে। উনবিংশ শতিকালৈকে এই দুয়োবিধ পুথিভঁৰালৰ আকাৰ সৰু আছিল। এই সময়ত সাফল্য-জ্ঞানৰ আদৰ্শই ক্ষিপ্ৰ গতিৰে পুথিভঁৰালৰ আকাৰ বঢ়ায় আৰু বিশেষ বিশেষ বিষয়ৰ পুথি ভঁৰালবোৰো গঢ়ি উঠে।

আধুনিক পুথিভঁৰালে সাংস্কৃতিক আৰু সাফল্য-জ্ঞানৰ প্ৰয়োজন পূৰণ কৰাৰ উপৰি পৰিপূৰক গ্ৰন্থ-পাঠৰ বাবেও পুথিৰ যোগান ধৰে, শেহৰ বিধক সাধাৰণতে "কথা সাহিত্য" ( fiction ) শীৰ্ষক অৰ্থপূৰ্ণ সংজ্ঞাৰে অভিহিত কৰা হয়।

যিবোৰ সামাজিক প্ৰক্ৰিয়াই গ্ৰন্থৰ ৰচনা আৰু পাঠৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে তাৰে এটা এই অধ্যায়ত উল্লেখ কৰাটো উচিত হ'ব। সেয়ে হ'ল সামাজিক দল এটাত ঘটা পৰিৱৰ্তনৰ মাত্ৰা।

সমাজত কিয় পৰিৱৰ্তন ঘটে সেই সম্বন্ধে একো সুনিৰ্দিষ্ট সিদ্ধান্তত উপনীত হ'ব পৰা হোৱা নাই। ইংৰাজ বুৰঞ্জীবিদ এ. টয়নবীয়ে অতিশয় পাণ্ডিত্যপূৰ্ণ পদ্ধতিৰে দেখুৱাই দিছে যে একোটা সামাজিক দল জীৱন যাত্ৰাৰ আহ্বানত কিদৰে সম্মুখীন হয় তাৰ ওপৰতে সেই দলৰ ভাগ্য নিৰ্ভৰ কৰে। কিন্তু এই প্ৰক্ৰিয়া হোৱাৰ পিচতহে আমি ইয়াক পৰ্যবেক্ষণ কৰিব পাৰোহঁক, আৰু ইয়াৰ হেতু বিচাৰি আমি "জীৱন শক্তি" আদি সাধাৰণ ধৰণৰ সংজ্ঞা লৈয়ে সন্তুষ্ট থাকিব লগীয়া হয়; তাকো আকৌ আগতীয়াকৈ নিৰ্ণয় কৰি ল'ব নোৱাৰি। তদুপৰি একোটা সামাজিক দল জীৱন যুদ্ধত কেনেবোৰ সমস্যাৰ সম্মুখীন হ'ব লগীয়া হয় তাকো আগতে জনাৰ একো উপায় নাই। ফলত সামাজিক পৰিৱৰ্তনৰ সংজ্ঞা ধাৰ্য কৰিবলৈ হ'লে অতীতৰ ঘটনাৱলীৰ বিশ্লেষণ কৰিব লগীয়া হয় আৰু তাৰ আধাৰত কেতবোৰ সিদ্ধান্তত উপনীত হোৱা যায়, কিন্তু সেইবোৰৰ বাস্তৱ সম্ভাৱনা তেনেই সীমাবদ্ধ।

এই প্ৰসঙ্গতে এটা কথা উল্লেখ কৰা উচিত হ'ব যে কোনো এখন সমাজৰ কিবা অঙ্গত পৰিৱৰ্তন হ'লে সি সমগ্ৰ সমাজৰ-গাঁথনিতে

প্ৰভাৱ বিস্তাৰ কৰে। গতিকে এনে প্ৰক্ৰিয়া আছুতীয়াকৈ লোৱাটো সম্ভৱ নহয়।

ব্যাপক সামাজিক পৰিৱৰ্তনৰ যুগত অনবৰত হেঁচা পৰা হেতুকে নতুন নতুন কথাৰ উদ্ভাৱন কৰা হয় আৰু ভালেমান আদৰ্শ আৰু ভাৱধাৰাৰ যুক্তি-যুক্ততা সম্বন্ধে প্ৰশ্ন কৰা হয়; কিন্তু অপেক্ষাকৃত গতিহীন যুগত এইবোৰ স্বতঃসিদ্ধ বুলি গণ্য কৰা হয়। এনে গতিশীল যুগত মানুহৰ জিগীষাৰ পৰিধি প্ৰশস্ত হয় আৰু "ধ্ৰুৱসত্য" ধৰণৰ সাংস্কৃতিক মূল্যবোৰ হ্ৰাস পায়। তাৰ ফলত সংস্কৃতি আৰু সাফল্য-জ্ঞানৰ ক্ষেত্ৰত গ্ৰন্থ সৃষ্টিৰ মাত্ৰা বৃদ্ধি পায় আৰু বিনা প্ৰশ্নে গ্ৰহণ কৰা সাংস্কৃতিক মূল্য সম্পৰ্কীয় ৰচনাৰ মাত্ৰা কমিবলৈ ধৰে। পৰিৱৰ্তনৰ গতি অতি ক্ষিপ্ৰ হৈ পৰিলে সামাজিক দলৰ সংহতি ৰক্ষা বিপন্ন হৈ পৰে, তেতিয়া প্ৰায়ে এটা বিপৰীত প্ৰক্ৰিয়া দেখিবলৈ পোৱা যায় আৰু এনে অৱস্থাত সনাতন আদৰ্শবোৰৰ স্থায়িত্বৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হয়।

বিশেষকৈ কোনো সমাজ সাফল্য-জ্ঞানৰ ক্ষেত্ৰত অতিশয় গতিশীল হ'লে কেতবোৰ চৰম লক্ষ্যৰ ওপৰত সুদৃঢ়ভাৱে গুৰুত্ব দি নিজৰ সংহতিৰ কথা ন দি ঘোষণা কৰিব লগীয়া হ'ব পাৰে। আন কথাত ক'বলৈ গ'লে ভাৱ-ৰাজ্যৰ সকলো ক্ষেত্ৰতে পৰিৱৰ্তনে দেখা দিয়ে, কিন্তু কিবা বিষয়ত পৰিৱৰ্তনৰ মাত্ৰা বৰ বেছি হ'লে আনবোৰ ক্ষেত্ৰত পৰিপূৰক প্ৰভাৱৰ ফলত অধিক স্থিতিস্থাপকতা সাধিত হ'ব পাৰে।

অতিশয় ব্যাপক ধৰণৰ সামাজিক পৰিৱৰ্তনৰ যুগত যিবোৰ কাৰ্য-কলাপৰ ফলাফল ততালিকে দেখা যায়, তেনেবোৰ কামৰ ওপৰত অযথা গুৰুত্ব দিয়া হ'ব পাৰে। এনে সময়ত পৰিৱৰ্তন সাধন কৰাটো সু-সম জীৱন যাত্ৰা ব্যৱস্থা স্থাপনৰ উপায়ৰ সলনি সাফল্যৰ ক্ষেত্ৰত ইয়াক সাধন কৰাটোৱে লক্ষ্যত পৰিণত হয়। তথাপি এই ক্ষেত্ৰতে পৰিপূৰক প্ৰক্ৰিয়া লক্ষ্য কৰা যায়। উদাহৰণ স্বৰূপে বৰ্তমানে ধৰ্মীয় উপন্যাসৰ প্ৰতি মানুহৰ অতিশয় আগ্ৰহ হোৱা কথাকো উল্লেখ কৰিব পৰা যায়।

ওপৰত উল্লেখ কৰি অহা কাৰণবোৰৰপৰা স্পষ্ট হৈ পৰে যে গ্ৰন্থ ৰচনা, পাঠ বা পুথিভঁৰালৰ একমাত্ৰ ভূমিকাৰ কথা কোৱাটো সম্ভৱ নহয়। এইবোৰৰ ভূমিকা বহুমুখী আৰু অতিশয় জটিল ধৰণৰ, তাৰো আকৌ একোটা কোনো যুগত আন কোনো যুগৰ তুলনাত অধিক প্ৰভাৱশালী হ'ব পাৰে ; তদুপৰি প্ৰত্যেক বাস্তৱ সাংস্কৃতিক আৰ্হিত এই ভূমিকাবোৰৰ তাৰতম্য ঘটিব পাৰে। আনহাতে আকৌ ব্যক্তিবিশেষেও এই ভূমিকা পৃথক ধৰণৰ হ'ব পাৰে কিয়নো প্ৰত্যেক ব্যক্তিৰে মনোভাৱৰ একোটা স্বকীয়া বৈশিষ্ট্য থাকে, আনৰ লগত কেতবোৰ সাধাৰণ কথাতহে এই ক্ষেত্ৰত সাদৃশ্য থাকে। তদুপৰি সামাজিক সম্পৰ্কৰ ক্ষেত্ৰত অনবৰত পৰিৱৰ্তন ঘটে, গতিকে এই সম্বন্ধে কৰা সাধাৰণ সিদ্ধান্তৰ মূল্য সীমাবদ্ধ ধৰণৰহে হ'ব আৰু বাস্তৱ দৃষ্টান্তৰ দ্বাৰাহে এনে স্থূল সিদ্ধান্তবোৰক কিছুদূৰ মনোগ্ৰাহী কৰিব পৰা যাব।

বৰ্তমান সময়ত বোধহয় তলত দিয়া ধৰণে সাধাৰণ সিদ্ধান্তত উপনীত হ'ব পৰা যায়ঃ

(১) আদি সংস্কৃতি-যুগত মুক্তি-জ্ঞানৰ অতিশয় বিকাশ হৈছিল। তাৰ ফলত মন্দিৰ আৰু গীৰ্জা বা মঠবোৰত স্থাপন কৰা পুথিভঁৰালৰ অতিশয় প্ৰভাৱ আছিল। এই সংগ্ৰহবোৰ প্ৰায়ে গোপনে ৰখা হৈছিল আৰু পাঠকৰ বাবে ইয়াৰ পুথিবোৰ আছিল প্ৰেৰণা বা ৰহস্যপূৰ্ণ ধৰণৰ। এইবোৰ আছিল শাস্ত্ৰবিশেষ আৰু ভয়ে ভয়ে এইবোৰৰ ওচৰ চপা হৈছিল। সময়ত এইবোৰ আছিল অতীন্দ্ৰিয় ৰহস্যেৰে ভৰা। লিপিবদ্ধ ৰচনাৰ সংখ্যা তাকৰীয়া হোৱা হেতুকে আৰু পুথিভঁৰালীসকলৰ সৰহ ভাগেই বিদ্বান সন্ন্যাসী হোৱা কাৰণে পুথিৰ প্ৰতি মানুহে এনে মনোভাৱ গ্ৰহণ কৰাটো একো আচৰিত কথা নাছিল।

(২) সংস্কৃতি-জ্ঞানৰ প্ৰাধান্যৰ যুগত ৰজা আৰু সামন্তসকলৰ পুথিভঁৰালবোৰ প্ৰভাৱশালী হৈ উঠে ; লগতে বিশ্ববিদ্যালয় আৰু পিচত পৌৰ সভাবোৰৰ পুথিভঁৰালবোৰো জনপ্ৰিয় হয়। মুদ্ৰণৰ আবিষ্কাৰৰ ফলত পুথিৰ সংখ্যা যথেষ্ট বৃদ্ধি পায়, তথাপিও প্ৰকাশিত পুথিৰ প্ৰতি

দেখুৱা সম্মান অটুট থাকে। জ্ঞানক সুখ আৰু পৰিপূৰ্ণতা লাভৰ সঁচাৰ-কাঠি বুলি গণ্য কৰা হৈছিল আৰু এই যুগত অমূৰ্ত্ত কল্পনা আৰু পুথিগত বিদ্যাৰ এনে গুণ থকা বুলি বিবেচনা কৰা হৈছিল।

লাহে লাহে ফলিত বিজ্ঞানৰ প্ৰতি আগ্ৰহ সূচনা হয়; কিন্তু ই প্ৰাধান্য লাভ কৰিব নোৱাৰে। অৱশ্যে লিবনিজৰ নিচিনা চিন্তা-নায়কে ইতিমধ্যে পুথিভঁৰাল যথেষ্ট বাস্তৱজ্ঞানৰ ভাণ্ডাৰ হৈ উঠিব বুলি কল্পনা কৰিছিল। সাহিত্যই অব্যাহতভাৱে নিজৰ আধিপত্য বিস্তাৰ কৰি আছে, আৰু সপ্তদশ আৰু অষ্টাদশ শতিকাত ইয়াৰ প্ৰাধান্য যথেষ্ট বৃদ্ধি পায়। উনবিংশ শতিকালৈকে পুথি পঢ়াটো সংস্কৃতি-বান শ্ৰেণীৰ মাজতে আবদ্ধ থাকে আৰু ইয়াক শ্ৰেণীবিশেষৰ গুণ বুলি যে বিবেচনা কৰা হৈছিল তাতো সন্দেহ নাই আৰু তাৰ ফলত এই শ্ৰেণীৰ লোকে "বিশেষ ধৰণৰ মনোভাব আৰু আচৰণ ভঙ্গী" অনুসৰণ কৰিছিল।

পুথিভঁৰালত ক্ৰমে আন শ্ৰেণীৰ প্ৰৱেশৰ মাত্ৰা বৃদ্ধি পাই আছে; কিন্তু তথাপিও কিছুদূৰ বাধ্যবাধকতা আৰোপৰ ভাব অটুট থাকে আৰু এই কথাটো প্ৰায়ে সংগ্ৰাহকৰ ব্যক্তিগত অভিৰুচিৰ ওপৰত নিৰ্ভৰ কৰিছিল। পুথিভঁৰালীসকল প্ৰায়ে খ্যাতনামা পণ্ডিত বা সাহি-ত্যিক আছিল। ইয়াৰ বাবে জ্ঞানৰ প্ৰয়োজনৰ অঙ্গ হিচাপে পুথি সংগ্ৰহ কৰাটো অতিশয় প্ৰয়োজনীয় বুলি গণ্য কৰা হৈছিল। ১৫৯৫ চনত লীডেনত পোন প্ৰথমে পুথিৰ তালিকা প্ৰকাশ কৰা হয়।

(৩) তাৰ পিচত আৰম্ভ হয় সাফল্য-জ্ঞানৰ আধিপত্যৰ যুগ। এই যুগত ডাঙৰ ডাঙৰ জাতীয় পুথিভঁৰাল আৰু বৈজ্ঞানিক পুথিভঁৰাল গঢ়ি উঠে, লগতে গঢ়ি উঠে বিশেষ বিশেষ গ্ৰন্থাগাৰ আৰু আধুনিক ৰাজহুৱা পুথিভঁৰালবোৰ। এই ৰাজহুৱা পুথিভঁৰালবোৰে পৰিপূৰক গ্ৰন্থ পাঠৰ বাবেও পুথিৰ যোগান ধৰে। এনে যুগত পুথিভঁৰালী এজন কাৰিকৰৰ নিচিনা হয়; পুথিৰ সংগ্ৰহ, তালিকা যুগুত কৰা, শ্ৰেণীবদ্ধ কৰা আৰু গ্ৰন্থ-পঞ্জী যুগুত কৰা বিষয়ত পুথিভঁৰালীৰ বিশেষ জ্ঞানৰ প্ৰয়োজন হয়।

পুথিভঁৰালৰ আকাৰ অভাৱনীয়ভাৱে বাঢ়ি যায়; মধ্যযুগত মঠৰ পুথিভঁৰাল একোটাত পুথিৰ সংখ্যা প্ৰায়ে আঠশৰপৰা এহেজাৰৰ অধিক নাছিল, নৱযুগত পুথিভঁৰালৰ পুথিৰ সংখ্যা হেজাৰ বিজাৰলৈ বৃদ্ধি পায়, কিন্তু আধুনিক যুগতহে পুথিভঁৰালবোৰে অগণন লোকৰ যোগান ধৰিছে। অৱশ্যে ইয়াৰ লগত লোকসংখ্যা বৃদ্ধিৰো সম্পৰ্ক আছে সঁচা, কিন্তু লগতে আৰু যে ভালেমান কাৰণ আছে সেইটো স্পষ্ট।

এই অধ্যায়ত পুথি, পাঠক আৰু পুথিভঁৰালৰ লগত সম্পৰ্ক থকা সামাজিক কাৰণ কেতবোৰ চমুকৈ বৰ্ণনা কৰা হৈছে। ইয়াৰ পিছৰ অধ্যায়বোৰত এইবোৰ বিষয় আৰু বিশদভাৱে আলোচনা কৰা হ'ব, কিন্তু মূল ভাৱধাৰা বোৰকে আকৌ প্ৰযোগ কৰা হ'ব, কিযনো আমাৰ আলোচ্য বিষয় সম্বন্ধে এনে দৃষ্টি-ভঙ্গীয়েই লাভদাযক হ'ব বুলি অনুমান হয়।

---

## তৃতীয় অধ্যায়

# ভক্তিমূলক পাঠ

ভক্তিমূলক গ্ৰন্থপাঠ 'প্ৰেৰণামূলক' ৰচনাৰ ৰূপান্তৰ বুলিব পাৰি। আধ্যাত্মিক বা আবেগৰ প্ৰেৰণা প্ৰকাশ কৰাৰ ফলত এনে শ্ৰেণীৰ গ্ৰন্থৰ ৰচনা কৰা হয়। যিবোৰ যুগত মুক্তি আৰু সংস্কৃতি-জ্ঞান লাভ মানুহৰ মুখ্য লক্ষ্য হিচাপে দেখা দিয়ে তেনেবোৰ যুগতে এই শ্ৰেণীৰ ৰচনাৰ আধিক্য লক্ষ্য কৰা যায়।

লগতে বোধহয় এই কথাও উল্লেখ কৰা উচিত হ'ব যে এই শ্ৰেণীৰ ৰচনাই অকল সচৰাচৰতে "জ্ঞান" বুলি ধৰা কথাকে যে অভি-ভূত কৰে এনে নহয়, ই প্ৰধানকৈ হ'ল আবেগ, বুদ্ধি, কলাত্মক আৰু আধ্যাত্মিক ক্ষেত্ৰত লাভ কৰা অভিজ্ঞতাৰ অভিব্যঞ্জনাস্বৰূপ আৰু যোগাযোগ সাধনৰ প্ৰয়োজনীয় বুলি অনুভূত অভিজ্ঞতাৰ অংশ বিশেষহে এনে ৰচনাত প্ৰকাশ কৰা হয়।

ভাব-দাতা আৰু ভাব-গ্ৰহীতাৰ সম্পৰ্কৰ ফালৰপৰা প্ৰেৰণা-মূলক ৰচনা সম্বন্ধে বিবেচনা কৰিলে স্পষ্টভাৱে দেখা যায় যে লেখক আৰু পাঠকৰ মাজত আপেক্ষিক সম্পৰ্ক স্থাপিত হ'লেও এই ক্ষেত্ৰত লেখক আৰু পাঠকৰ মনৰ ভঙ্গী পৃথক ধৰণৰ।

প্ৰেৰণামূলক যোগাযোগ স্বাভাৱিকতে লিখিত ৰচনাতকৈ অধিক পৰিমাণে মুখে-মুখে হৈছিল—গতিকে এই ধৰণৰ ৰচনা এনে যোগাযোগৰ এটা সামান্য অঙ্গবিশেষহে আছিল। পুৰোহিতসকলৰ স্তুতি, ৰজা আৰু বীৰপুৰুষসকলৰ বিষয়ে ৰচিত গাথা, ৰাষ্ট্ৰ নেতা

আৰু সমৰ নেতাসকলৰ বক্তৃতা সাধু-সন্ন্যাসীসকলৰ হিতোপদেশ আৰু বাণীসমূহ মৌখিকভাৱে চলি আহিছিল; ভালেমান দিনৰ পিচতহে এইবোৰক লিপিবদ্ধ কৰিবলৈ লোৱা হয় আৰু এনে অৱস্থাতো ইয়াৰ আগৰ পৰম্পৰা ৰক্ষা কৰা হৈছিল অৰ্থাৎ এইবোৰৰ দ্বাৰা শ্ৰোতা বা পাঠকৰ বুদ্ধিতকৈ আবেগৰ ওপৰত অধিক প্ৰভাৱ বিস্তাৰ কৰিবলৈ বিচৰা হৈছিল। একোটা কাহিনীত ছন্দৰ লয; বৈজ্ঞানিক বা ৰাজনৈতিক ঘোষণা বা বক্তৃতাৰ নাটকীয় আকৰ্ষণ; সাহিত্যিক ৰচনাৰ শব্দ-মাধুৰ্যৰ যাদুস্পৰ্শ; ধৰ্মীয় ৰচনাসমূহৰ ৰহস্য আৰু অনুশাসন আদি আটাযেৰে লক্ষ্য আছিল শ্ৰোতা বা পাঠকৰ ভাৱাবেগৰ ওপৰত প্ৰভাৱ বিস্তাৰ আৰু এইদৰে নিজৰ নেতাসকলৰ সুমহান অনুভূতিবোৰৰ প্ৰতি গৌৰৱবোধ কৰাই তেওঁৰ অন্তৰত দলগত আনুগত্যৰ ভাব বৃদ্ধি কৰিবলৈ বিচৰা হৈছিল।

আনকি আধুনিক যুগতো ধৰ্মগত আৰু সাহিত্যিক যোগাযোগ ক্ষেত্ৰত প্ৰত্যক্ষভাৱে বক্তাৰ ভাষণ শুনিবলৈ মানুহে প্ৰায়ে ভালপোৱা দেখা যায আৰু ভালেমানলোকে বক্তাৰ ভাষণৰ সলনি পুথি পঢ়িবলৈ ভাল নাপায কিযনো পুথি পঢ়িলে বক্তৃতাৰ যোগেদি চলা ভালেমান আকৰ্ষণ নাথাকে।

প্ৰেৰণামূলক যোগাযোগ স্থাপন কৰিবলৈ হ'লে তাৰ বাবে যোগাযোগকাৰীৰ এটা প্ৰত্যক্ষ আবেগত প্ৰযোজন থাকিব লাগিব। এনে মানুহৰ মনত যিবোৰ ভাবৰ উদয হয়, তাক প্ৰকাশ কৰিবলৈ তেওঁৰ অন্তৰত এটা অনিৰুদ্ধ প্ৰেৰণাৰ সৃষ্টি হ'ব লাগিব আৰু তাৰ ফলত তেওঁৰ পাঠকৰ ভাৱাবেগৰ লগত প্ৰত্যক্ষ সম্পৰ্ক স্থাপিত হ'ব। উভয় পক্ষই এইদৰে ভাৱাবেগত অভিভূত হয, কিন্তু সেইটো ধৰ্মগত নহ'বও পাৰে। দেশাত্মবোধক বা কলাত্মক যোগাযোগতো এনে অৱস্থাৰ সৃষ্টি হ'ব পাৰে, কিন্তু এনে ক্ষেত্ৰত এটা তীব্ৰ অনুৰাগৰ সৃষ্টি হয় যাক সাধাৰণতে ধৰ্মপ্ৰৱণতা বোলা হয়।

আমি যদি কওঁ যে কোনো মানুহ এজনে "ধাৰ্মিক অনুৰাগেৰে" গণিতৰ অধ্যয়ন কৰিছে তেতিয়া তাৰ অৰ্থ হ'ল এই বিষয়ৰ

প্ৰতি তেওঁৰ অনুৰাগ ভাৱাবেগমূলক; কিন্তু সাধাৰণতে এনে বিষয়ৰ অনুশীলনত এনে মনোভাৱ অৱলম্বন কৰা নহয়। এইদৰে এনেধৰণৰ প্ৰকৃষ্ট দৃষ্টান্তৰ ক্ষেত্ৰত লেখকৰ মনোভাৱ হ'ল প্ৰেৰণামূলক আৰু পাঠকৰ হ'ল ভক্তিমূলক। কিন্তু বাস্তৱতে ভালেমান ক্ষেত্ৰত ইয়াৰে মধ্যৱৰ্তী ধৰণৰ দৃষ্টান্ত দেখিবলৈ পোৱা যায়। ধাৰ্মিক গ্ৰন্থৰ ৰচনা সম্পূৰ্ণ যুক্তিপূৰ্ণ ধৰণৰ হ'ব পাৰে, আনহাতে আকৌ তেনেই ভাৱাবেগ নোহোৱাকৈ পঢ়াৰ বাবে ৰচিত সামগ্ৰীৰ প্ৰতি পাঠকৰ মনোভাৱ সম্পূৰ্ণ বিপৰীত ধৰণৰ হ'ব পাৰে। সময়-সূচী বা ভ্ৰমণ, নিৰ্দেশিকাৰ ৰচকে পাঠকৰ ভাৱাবেগ অভিভূত কৰাৰ উদ্দেশ্যে এনে পুথি যুগুত নকৰে কিন্তু এনে মানুহো আছে যি এনে কিতাপ পঢ়িও আবেগত অভিভূত হৈ পৰে। সেই দৰে একোটা নিৰ্দিষ্ট কালৰ প্ৰতিচ্ছবিৰ আভাস লোৱাৰ অভিপ্ৰায়েৰে সাহিত্যৰ সমীক্ষক বা ঐতিহাসিকে সমালোচকৰ দৃষ্টি-ভঙ্গীৰে কৱিতা পাঠ কৰে।

গতিকে ইয়াত যি দৃষ্টি-ভঙ্গীৰ অনুসৰণ কৰা হৈছে তাক নিকপকপীয়া ধৰণৰ বুলি ধৰাটো উচিত নহ'ব। অধিক ভাগ ক্ষেত্ৰত এই ধৰণৰ হ'ব পাৰে আৰু সেইবাবে এনে দৃষ্টি-ভঙ্গীৰ এক পুথিৰ উদ্দেশ্য পূৰণৰ বাবে পৰ্যাপ্ত হব। লগতে আৰু এটা কথা উনুকিয়াই দিয়া উচিত হ'ব যে একোজন মানুহৰ সামাজিক আনুগত্যই পাঠক হিচাপে তেওঁৰ দৃষ্টি-ভঙ্গীৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। কোনো এজন জাৰ্মান জাতীয় বীৰৰ জীৱন-চৰিত্ৰ পঢ়োতে এজন জাৰ্মান পাঠক ভয় আৰু ভক্তিৰে অভিভূত হ'ব পাৰে। কিন্তু সেই একেখন পুথিকে আমেৰিকাৰ মানুহে পঢ়িলে তেওঁৰ দৃষ্টি-ভঙ্গী প্ৰধানকৈ বাহিৰৰ পৰ্যবেক্ষক হিচাপে নিৰপেক্ষ আৰু যুক্তিমূলক হ'ব।

পাঠকৰ ৰুচিৰ ওপৰতো লেখকৰ হাত নাই। কোনোবাই হয়তো এটা বিশেষ সামাজিক দলক উদ্দেশ্য কৰি পুথি ৰচে; কিন্তু সেই পুথি সেইদৰে উপেক্ষা কৰে আৰু হয়তো আন এটা দলেহে তাৰ সমাদৰ কৰে। কেতবোৰ উপন্যাস ৰচোতাৰ ক্ষেত্ৰত এনে হোৱা দেখিবলৈ পোৱা যায়; এওঁলোক নিজৰ দেশৰ বাহিৰতহে প্ৰথমতে জনপ্ৰিয় হ'বলৈ ধৰে, কিন্তু লেখকে জানি-শুনি নিশ্চয় তেনেভাৱে নিজৰ পুথি ৰচনা কৰা নাছিল।

প্ৰসঙ্গক্ৰমে আৰু এটা কথালৈ লক্ষ্য কৰা উচিত হ'ব। কোনো এজন লেখকে হয়তো জ্ঞাতসাৰে কোনো এটা সাংস্কৃতিক আৰ্হি সমৰ্থন কৰে। কিন্তু অজ্ঞাতসাৰে তেওঁৰ মন আৰু অন্তৰে তাৰ বিৰুদ্ধে বিদ্ৰোহ কৰে। এই কথা সম্পূৰ্ণ অপ্ৰত্যাশিতভাৱে পাঠকৰ মনতো সোমাব পাৰে, আন হাতে কোনোবাই ইচ্ছাকৃতভাৱে ৰচনা কৰা 'বিপ্লৱী' উপন্যাস হয়তো পাঠকৰ কাৰণে তেনেই নীৰস আৰু প্ৰাণহীন যেন লাগিব পাৰে। আন কথাত ক'বলৈ গ'লে গ্ৰন্থৰ ৰচনা আৰু পাঠ উভয়ে বাস্তৱত মূল লক্ষ্যৰপৰা আঁতৰি যাব পাৰে কিন্তু উভয়পক্ষৰ মনৰ গূঢ় ৰহস্য বা অৱচেতনৰ পম খেদি গৈ মন্তব্য কৰাটো অতিশয় কাল্পনিক ধৰণৰ কথা হ'ব। আমাৰ আধুনিক সমাজত 'হতোৎসাহ' শব্দটো সহজতে আহি পৰে আৰু যিবোৰ দৃষ্টান্তৰ উল্লেখ কৰা হৈছে সেইবোৰ সহজতে পাঠকৰ চকুত পৰিব। কিন্তু মানুহে কি পঢ়ে আৰু কি লিখে আৰু তাত কেনে ধৰণে ভগ্ন মনোৰথ হয় সেইটো ব্যাখ্যা কৰা তেনে উজু নহয়, গতিকে ইয়াত তেনে সম্ভাৱনাৰ কথা মাথোন উল্লেখ কৰা হ'ব।

তদুপৰি আৰু এটা কথা উনুকিয়াই দিয়া উচিত হ'ব; একোখন গ্ৰন্থৰ গুৰুত্ব সুগমীয়া হবলৈ হ'লে ইয়াৰ বিষয় বস্তুতকৈ ইয়াৰ ৰচনা-শৈলী অধিক গুৰুত্বপূৰ্ণ যেন লাগে। কোনোবা লেখকে জানিবা নিজৰ তীব্ৰ অনুভূতি প্ৰকাশ কৰিবলৈ বিচাৰে, কিন্তু সেইবোৰক নিজৰ ৰচনাত উপযুক্ত ৰূপ দিব নোৱাৰে, তেতিয়া তেওঁ মাথোন তেওঁৰ নিচিনাকৈ অনুৰূপ ভাৱাবেগত অভিভূত পাঠক শ্ৰেণীৰহে মন চুব পাৰিব কিন্তু ৰচনাশৈলী নিখুঁত হ'লে পাঠকে বুদ্ধিগতভাৱে অধিক অনিৰ্বচনীয় আনন্দ লাভ কৰে আৰু এনে পুথিয়ে বিশ্ব সাহিত্যত স্থায়ী আসন লাভ কৰে।

এই দুয়োটা গুণ থাকিলে অৰ্থাৎ তীব্ৰ ভাৱাবেগৰ আকৰ্ষণৰ লগতে ৰচনাশৈলী আকৰ্ষক হ'লে তেনে পুথি আৰু অধিক স্থায়ী ধৰণৰ হয়; মানুহৰ সকলো স্তৰৰ অনুভূতি, ভঙ্গী আৰু আদৰ্শ আদিক স্পৰ্শ কৰিব পৰা গ্ৰন্থবোৰেই বোধহয় আটাইতকৈ অধিক স্থায়িত্ব লাভ কৰিছে। মহান ধৰ্ম-গ্ৰন্থ আৰু বিশ্ব-সাহিত্যৰ বাইকৰনীয়া গ্ৰন্থবোৰ এইবোৰ গুণেৰে সমৃদ্ধ।

আমাৰ প্ৰত্যেকৰে ৰুচি আৰু প্ৰবৃত্তি বেলেগ হ'লেও শিক্ষাব্যৱস্থাৰ প্ৰভাৱত আমি আমাৰ সংস্কৃতিৰ বিৰাট বিৰাট সাফল্যবোৰৰ প্ৰশংসা কৰিবলৈ শিকোহঁক আৰু দুই-এজন বুদ্ধিজীৱীয়ে সচৰাচৰতে স্বীকৃত জাতীয় বীৰসকলক নিষ্প্ৰাণ, অসাৰ আদি বুলি মন্তব্য কৰিও কিছুদূৰে সাফল্য অৰ্জন কৰিব পাৰে । কিন্তু শেহান্তৰত দেখা যায় যে বিৰাট বিৰাট গ্ৰন্থবোৰৰ বিচাৰৰ মানত আমাৰ আটাইৰে কিছুদূৰ স্থায়িত্ব থাকে আৰু অকল পৰম্পৰাৰ বলতে এই পুথিবোৰৰ সমাদৰ যুগ যুগ ধৰি চলি নাথাকে ।

শব্দবোৰৰ গঠন-বিন্যাসতো নিজৰ স্বকীয়া যাদুৰ নিচিনা আকৰ্ষণ থাকে আৰু ইয়াৰ কাৰণ এতিয়ালৈকে উপযুক্তভাৱে ব্যাখ্যা কৰিব পৰা হোৱা নাই । নিয়াৰিকৈ শব্দৰ গাঁথনি আনৰ আগত দাঙি ধৰিলে যি সহজতে আনৰ মন আকৰ্ষণ কৰে, কিয়নো তেওঁলোকেও নিজৰ ভাব প্ৰকাশ কৰিবলৈ বিচাৰি থাকে কিন্তু তাৰ বাবে উপযুক্ত শব্দহে বিচাৰি ল'ব পৰা নাই । কোনো এটা অনুভূতি মুখেৰে বা ৰচনাৰে প্ৰকাশ কৰিব পৰাটোও এটা স্বস্তিৰ কথা ; অনুভূত আবেগৰ তুলনাত প্ৰকাশিত আবেগৰ উত্তেজনা কম ।

জঙ্গম প্ৰাণী হিচাবে মানুহে প্ৰায়ে কথা ক'বলৈ ভাল পায়, তাৰ কাৰণ বোধহয় এনেকৈ কথা কওঁতে তেওঁৰ উত্তেজনাৰ মাত্ৰা শাম কাটে, অৱশ্যে তাৰ তুলনাত শ্ৰোতাজনৰ অন্তৰত সেই উত্তেজনা পুনৰ জাগ্ৰত হোৱাৰ মাত্ৰা কম হ'ব পাৰে ।

মানুহৰ মাজত অনবৰত কথা আৰু ভাৱৰ আদান-প্ৰদান চলি থাকে আৰু এই প্ৰক্ৰিয়াই সততে এটা সমতা লাভ কৰিবলৈ বিচাৰে । সাধাৰণতে লেখকৰ অন্তৰত অধিক উত্তেজনাৰ সৃষ্টি হ'ব পাৰে আৰু সেই হেতুকে তেওঁ তাক প্ৰকাশ কৰিবলৈ বিচাৰে । অৱশ্যে পুথি লিখাত তেওঁ অভ্যস্ত হৈ পৰিলে আৰু এইটো তেওঁৰ ব্যৱসায়ত পৰিণত হ'লে ভাৱাবেগত মাত্ৰা অপেক্ষাকৃত কম হ'ব পাৰে । সমাজৰ শ্ৰম বিভাজন ব্যৱস্থাৰ বোধকৰোঁ ইও এটা আঁসোৱাহ যে প্ৰকাশৰ ইচ্ছাৰ লগতে নিৰ্দিষ্ট প্ৰকাশৰ পদবোৰৰ প্ৰায়ে সঙ্গতি

নাথাকে কিন্তু কিবা এটা স্তৰত দুয়োটাৰ ক'ৰবাত মিলন ঘটিবই লাগিব।

এজন তৰুণ লেখকৰ লিখাৰ বাবে উৎসাহ বা প্ৰেৰণা থকা বুলি ধৰা হয়। কিন্তু জীৱনত ভালেমান লোকৰ নানা প্ৰকাৰৰ ভাৱাবেগৰ সৃষ্টি হয় আৰু কষ্টেৰে সেইবোৰ তুলনীয় অনুভূতিৰে আনৰ আগত প্ৰকাশ কৰিবলৈ চেষ্টা কৰা হয়।

অতিশয় উন্নত সভ্য সমাজত আমি প্ৰকাশ ক্ষমতা বন্ধ কৰি দিওঁহক কিন্তু ইয়াৰ ফলত অতিশয় উন্নত আঙ্গিক-সম্পন্ন বিশেষ ধৰণৰ কথাৰ সৃষ্টি হয়। এই আঙ্গিকে যে কলাৰ প্ৰক্ৰিয়াবোৰক প্ৰতিবিম্বিত কৰে এনে নহয়, সমগ্ৰ সমাজৰ মনোভঙ্গীৰ দ্বাৰা ই প্ৰভাৱিত হয়। কেতিয়াবা কেতিয়াবা জটিল সমাজে আদি যুগৰ কলাৰ মাধ্যমেৰে নিজৰ মানসিক সংঘৰ্ষ শাম কটাবলৈ চেষ্টা কৰে কিন্তু এনে কলাৰ স্বৰূপ সুদীৰ্ঘ আৰু জটিল প্ৰক্ৰিয়াৰ ফলত এনে হৈ পৰে যে তাৰ আগৰ আৰু অপেক্ষাকৃত প্ৰাকৃতিক সমাজৰ স্বতঃস্ফূৰ্ত্ততা নাইকিয়া হয়।

প্ৰত্যেক সমাজে নিজৰ প্ৰয়োজন অনুসৰি প্ৰকাশভঙ্গী স্থিৰ কৰি লয় আৰু এই প্ৰক্ৰিয়া সম্বন্ধে কল্পনা কৰিও বিশেষ লাভ নাই, কিয়নো অকল সমাজৰেই নহয়, ফলত ইয়াৰ প্ৰকাশ-ভঙ্গীবো অনবৰত পৰিৱৰ্ত্তন হৈ থাকে। আজি-কালি লিপিবদ্ধ শব্দৰ অনুসৰণ কৰিছে যান্ত্ৰিক সম্পাদিত মৌখিক যোগাযোগ ব্যৱস্থাই; ইয়াৰ অনুসৰণ কৰিছে আকৌ শ্ৰৱণ আৰু দৃষ্টিৰ সহায়েৰে কৰা যোগাযোগ ব্যৱস্থাই, কোন প্ৰকাশ ব্যৱস্থাই কোনটো প্ৰয়োজন পূৰণ কৰে তাক আমি প্ৰায় নিৰ্ণয় কৰিব নোৱাৰা হৈ পৰিছোঁহঁক কিন্তু আমি এই কথা হ'লে ধৰি ল'ব লাগিব যে প্ৰত্যেকেই কিবা প্ৰয়োজন অৱশ্যে পূৰণ কৰে।

কিন্তু এই প্ৰয়োজন বোৰ নো কি? আমি লিপিৰ মাধ্যমেৰে শ্ৰৱণেন্দ্ৰিয়ৰ যোগেদি বা শ্ৰৱণ আৰু দৃষ্টিৰ সহায়েৰে প্ৰত্যক্ষ যোগাযোগ স্থাপনৰ ব্যৱস্থা ল'ব খেছি পাৰোহঁক। কিন্তু আমাৰ এই বাৰ্চনিৰ সীমা আছে, কিয়নো সমাজত আমাৰ প্ৰতিজনৰ ভূমিকাই আমাৰ ওপৰত কেতবোৰ বাধ্যবাধকতাও আৰোপ কৰে।

বাহিৰৰ বিশ্বখনত কি ঘটিছে তাৰ বাবে আনি উৎকণ্ঠা আৰু আগ্ৰহ প্ৰকাশ কৰোহঁক, আমি "আনৰ" সমান তালত আগবাঢ়ি যাব লাগে, তদুপৰি আমাৰ বিশেষ বিশেষ আগ্ৰহ আৰু "চখ"ৰ কথাও থাকে। এইটো আৰু আন আন প্ৰয়োজন। আমাৰ চেতনাত প্ৰৱেশ কৰে, আনবোৰে হ'লে বিশেষ একো ৰেখাপাত কৰিব নোৱাৰে।

লিখিত শব্দৰ সীমা কেনে ধৰণৰ ? ই আমাৰ কেইটামান অনু-ভূতিহে স্পৰ্শ কৰিব পাৰে, আৰু ই আমাৰ কল্পনা জাগ্ৰত কৰি পৰোক্ষভাৱে ইঙ্গিত দিয়া অৰ্থৰ দ্বাৰাও আমাক প্ৰভাৱিত কৰাটো অপেক্ষাকৃত বিৰল দৃষ্টান্ত। কোনো পৰ্বতীয়া জুৰিৰ বৰ্ণনা পঢ়িলে হয়তো আমি ইয়াৰ কুলু কুলু শব্দ শুনো বুলি বিশ্বাস কৰিব পাৰোহঁক ; কিন্তু এই বিষয়ত শ্ৰৱণ বা শ্ৰৱণ আৰু দৃষ্টিৰ সহায়ৰে প্ৰকাশ কৰা মাধ্যমৰ লগত ই প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰে।

আনহাতে লিখিত শব্দই আমাক পচন্দ আৰু বাছনি কৰাত সুবিধা দিয়ে; আমাৰ ভাল নলগা কথা আমি এৰি যাব পাৰোঁ আৰু গতি আৰু ছন্দও আমি ধাৰ্য কৰি ল'ব পাৰোঁ। এই ফালৰপৰা ই অধিক ব্যক্তিগত আৰু অপেক্ষাকৃত বুদ্ধিগত ধৰণৰ। ইয়াৰ কাৰণে পাঠক যথেষ্ট কাৰ্য-তৎপৰ হ'ব লাগে, শ্ৰোতাৰ তুলনাত পাঠকে নিজৰ মন অধিক নিবিষ্ট কৰিবলগীয়া হয়। পাঠকৰ গ্ৰহণ ক্ষমতা অনুসৰি পাঠ্য খাপ খুৱাই ল'ব পৰা যায় ; নীৰস বা ৰুচি নলগা পুথি ওপৰে ওপৰে পঢ়িও শেষ কৰি দিব পাৰি।

পাঠকৰ আমনি লগাৰ প্ৰয়োজন নহয়। একপক্ষে ক'বলৈ গ'লে তেওঁ শ্ৰোতা বা দৰ্শকৰ তুলনাত অধিক অকলশৰীয়া গতিকে তেওঁৰ মনে অধিক ভাববৈচিত্ৰ্য হৃদয়ঙ্গম কৰিব পাৰে আৰু তেওঁৰ গ্ৰাহিকা শক্তি অধিক জাগ্ৰত থাকে। এটা 'দলৰ লগ লগা' এই প্ৰবৃত্তিয়ে পাঠকক প্ৰৰোচিত কৰিব নোৱাৰে। আনহাতে পাঠক অধিক গাইগুটীয়া হোৱাৰ বাবে কেতবোৰ আহুকালো থাকিব পাৰে। গ্ৰন্থ-পাঠৰ অৰ্থ কিছুদূৰ নীৰলতা। তাৰ সুবিধা অসুবিধা দুয়োটাই আছে।

পুথি পঢ়িবলৈ কোনো ব্যক্তিৰ কি ধৰণৰ ভাৱাবেগ থাকিব লাগে? আবেগ আৰু উত্তেজনাই পঢ়াটো অসম্ভৱ কৰি পেলায়। অশুভ বাতৰি অনা তাঁৰৰ কথা মনত পেলালেই এই কথা স্পষ্ট হৈ পৰিব, পাঠকৰ উত্তেজনাৰ কাৰণে তাঁৰৰ আখৰবোৰ অস্পষ্ট হৈ যায় আৰু তাক পঢ়িব নোৱাৰে।

প্ৰবল প্ৰতিদ্বন্দ্বিতাৰ বশৱৰ্ত্তী হ'লে মানুহৰ সাফল্য-জ্ঞানৰ প্ৰতি ধাউতি বাঢ়িব পাৰে কিন্তু এনে ভাব সংস্কৃতিমূলক গ্ৰন্থ বা ভক্তিমূলকগ্ৰন্থ পাঠৰ বৈৰী স্বৰূপ। পিছত দুয়োবিধ পাঠৰ কাৰণে মানুহৰ ভাৱ আৰু অনুভূতিৰ কিছুদূৰ অবাধ গতিৰ প্ৰয়োজন হয় আৰু তাৰ কাৰণে যথেষ্ট ব্যক্তিত্ব লাগে আৰু "ইমান কম সময়তে" শেষ কৰিব লাগিব-এনে ভাৱ থাকিব নালাগে।

কিন্তু আমাৰ পৃথিৱীৰপৰা ভক্তিমূলক আৰু সংস্কৃতি মূলক গ্ৰন্থ-পাঠ লোপ হোৱাৰ বিপদ দেখা দিয়া বুলি আমি দুখ কৰা উচিত হ'বনে? ইয়াৰ লোপৰ ফলত আমাৰ ক্ষতি হ'লে, তাৰ দ্বাৰা আমাৰ অস্তিত্ব বিপন্ন হ'লে আমি তাৰ দুখ কৰা উচিত হ'ব। এইটোও হ'ব পাৰে যে আধুনিক যুগৰ মানুহ অধিক উত্তেজনাৰ মাজতো জীয়াই থাকিব পাৰে, কিন্তু ইয়াৰ প্ৰমাণ হ'লে পোৱা হোৱা নাই। আনহাতে মনঃসমীক্ষণ আৰু মনস্তত্ত্বই আমাক ইয়াৰ বিপৰীত বুলিহে কয়। এটা প্ৰাণী অবিৰাম উত্তেজনাৰ মাজেৰে চলি থাকিব পাৰে বুলি ধৰি লোৱাটো যুক্তি সম্মত নহব; গতিকে অপেক্ষাকৃত স্বচ্ছন্দ মানসিক অৱস্থাত যিবোৰ প্ৰয়োজন হয়, সেইবোৰ পুনৰ অৱশ্যে দেখা দিয়াটো স্বাভাৱিক কথা।

গ্ৰন্থ পাঠে, বিশেষকৈ অপেক্ষাকৃত প্ৰাচীন ৰূপত প্ৰেৰণা, উদাৰতা আৰু গাম্ভীৰ্য বিচৰা মন একোটাৰ প্ৰয়োজন পূৰণ কৰি আহিছে আৰু আমাৰ স্বভাৱৰো অনুৰূপ প্ৰয়োজন বোৰ স্থায়ীভাৱে উপেক্ষা কৰি চলিব পাৰিম বুলি ভবাৰ একো সঙ্গত কাৰণ নাই।

আমি ভৱিবে খোজ-কাঢ়ি গ'লেও আমাক প্ৰেৰণা লাগে আৰু মটৰ গাড়ীত উঠি গ'লেও তাৰ প্ৰয়োজন হয়। বোধহয়, দ্বিতীয় অৱস্থাত এই প্ৰেৰণাৰ প্ৰয়োজন অধিক হয় কিয়নো এনে যাত্ৰাত প্ৰকৃতিৰ লগত এটা অস্পষ্ট আৰু অৰ্দ্ধজাগ্ৰত সান্নিধ্যৰ চেতনা নাথাকে। তদুপৰি আমাৰ দৃষ্টি

আৰু উপলব্ধিৰ প্ৰয়োজন আৰু তাক সুমহান গ্ৰন্থ বাজিয়েহে দিব পাৰে। সেইবোৰৰ-সলনি পাঠ্য পুথি আৰু বজাৰত 'বৈজ্ঞানিক' মাৰ্কা লৈ চলা পুথিবোৰৰ ওপৰুৱা জ্ঞানে আমাৰ অভাৱ পূৰাব নোৱাৰে।

আমাৰ আবেগৰ গাঁথনিৰ লগত খাপখোৱাৰ অনুপাতেহে আমাৰ জ্ঞানৰ প্ৰয়োজন হয়, আমাব অনুভূতিয়ে আমাক সুখ বা দুখ দিয়ে, জ্ঞানে নহয় —যদিহে আমাব অন্তৰ্নিহিত ভাৱবেগৰ লগত ইয়াৰ সামঞ্জস্য নাথাকে। গতিকে মানৱৰ প্ৰয়োজন অনুসৰি 'যদি আমি এখন বিশ্ব গঢ়ি তুলিবলৈ প্ৰয়াস কৰোঁ তেন্তে আমি ধৰি ল'ব লাগিব যে তেনে বিশ্বত প্ৰেৰণা আৰু সংস্কৃতিমূলক গ্ৰন্থ পাঠৰ দিহা কৰিব লাগিব। লগতে এইটো উপলব্ধি কৰাও উচিত হ'ব যে এনে গ্ৰন্থ-পাঠ তথ্য সংগ্ৰহ বা উত্তেজনা আদিৰ বাবে পুথি পঢ়াৰ তুলনাত সম্পূৰ্ণ সুকীয়া কথা। প্ৰথম বিধৰ বাবে লেখক আৰু পাঠক উভয়ৰে সময় আৰু মনত বিশেষ এটা দৃষ্টি-ভঙ্গী থাকিব লাগিব।

ইয়াৰ উত্তৰত কোনোবাই হয়তো তৎক্ষণাৎ কৈ উঠিব পাৰে যে এনে চাহিদা পূৰণৰ বাবে যথেষ্ট ধৰ্মগ্ৰন্থ বা কাব্য গ্ৰন্থ আছে, কিন্তু প্ৰতিটো যুগৰে ভক্তিৰ স্বৰূপো সুকীয়া ধৰণৰ। সাধু, সন্ন্যাসী আৰু সন্তসকলৰ ভক্তি পুনৰ উভতি আহিব পাৰে সঁচা; কিন্তু সি আৰু আগৰ সেই ৰূপেৰে নাহে, কাৰণ আমাৰ উদ্বেগবোৰ হ'ল ভিন্ন ৰূপৰ। বৰ্তমান মুহূৰ্তত আমাৰ উদ্বেগ সমূহীয়া ধৰণৰ আৰু খেল-ধেমালি, ৰাজনৈতিক সভা-সমিতি, নাচৰ চক্ৰ, দলে দলে ভ্ৰমণ আৰু নতুন নতুন যান্ত্ৰিক উদ্ভাৱনৰ মাদকতা আদিৰ যোগেদি আমি আমাৰ উদ্বেগৰ উপশম ঘটাবলৈ চেষ্টা কৰোহঁক।

আমাৰ সমাজে ব্যক্তি হিচাপে প্ৰভাৱিত হ'বলৈ আমাক সময় নিদিয়ে। কিন্তু মানুহৰ জীৱনে আকৌ নিজৰ অপেক্ষাকৃত স্বাভাৱিক ছন্দ ওভোতাই পালে এই অতিশয় কৰ্মব্যস্ত সময়ত থুপ খোৱা উত্তেজনাবোৰ শাম কাটিব পাৰে আৰু অতীতৰ ভালেমান কথাই আকৌ ঘূৰি আহিব পাৰে। আমাৰ সমাজৰ অস্তিত্ব স্থায়ী হ'বলৈ হ'লে এই উত্তেজনাবোৰৰ শাম কাটিবই লাগিব, কিয়নো অপেক্ষাকৃত ব্যক্তিগত আবেগতকৈ এইদৰে ৰুদ্ধ হৈ থকা

সমূহীয়া উত্তেজনাবোৰবপৰা অধিক বিপদ হ'ব পাৰে। সদ্যহতে হৈ যোৱা ঘটনাৱলীলৈ আঙুলিয়াই দিয়াৰ একো প্ৰয়োজন নাই, সেইবোৰ আটায়ে জনা কথা।

ব্যক্তিবাদ এটা বিলাসীতা নহয়, প্ৰয়োজনহে।

ভক্তিমূলক গ্ৰন্থৰ ৰচনা আৰু পাঠৰ বাবে জীৱনৰ এনে এটা ছন্দৰ প্ৰয়োজন। যি আমাৰ বৰ্তমান যুগৰ জীৱন ছন্দতকৈ সুকীয়া। আমি ইযাৰ দৃষ্টান্ত স্বৰূপে সহজতে মধ্যযুগ, ভাৰত আৰু চীনৰ সভ্যতা আৰু গ্ৰীক আৰু ৰোমান সভ্যতাৰ পৰৱৰ্তী যুগ কেইটামানৰ কথা আঙুলিয়াই দিওঁহঁক।

আমাৰ বৰ্তমান সময়ত তেনেই কম সংখ্যক ধৰ্ম আন্দোলনৰ সৃষ্টি হৈছে আৰু ইয়াৰে এটাই আমাৰ সভ্যতাৰ আটাইতকৈ প্ৰভাৱশালী শক্তি হিচাপে খৃষ্টান দৰ্শন আৰু বিজ্ঞানৰ মাজত সম্পৰ্ক স্থাপন কৰিবলৈ বিচাৰে, এইটো বোধহয় যুগৰ প্ৰভাৱবিশেষ।

আমাৰ ভাবধাৰা প্ৰধানকৈ যুক্তিবাদী সঁচা, কিন্তু মানুহ সম্পূৰ্ণভাৱে যুক্তিৰে চলিব নোৱাৰে, কিয়নো তাৰ মনত মৌলিক গঠন বিন্যাসৰ লগত ই খাপ নাখায় আৰু তাৰ ভালেমান আভাসো পৰিলক্ষিত হৈছে। মানুহৰ অন্তৰত প্ৰবলভাৱে উত্তেজনা আৰু অথন্তৰৰ ভাৱ থুপ খায় আৰু তাক গঠনমূলক কামৰ মাধ্যমেৰে প্ৰকাশ কৰিব পৰা হোৱা নাই। আমাৰ মূল-ধাৰণা হ'ল, আমি যুক্তিবাদ অনুসৰণৰ ফলত উৎকণ্ঠাৰ হাত সাৰিছোহঁক; কিন্তু এই ধাৰণা ভুল। আমি হয়তো প্ৰকৃতিৰ ওপৰত অধিক নিয়ন্ত্ৰণ লাভ কৰিছোঁ, কিন্তু আমাৰ জীৱন এতিয়াও অনিশ্চিত আৰু অস্পষ্ট ভয়েৰে পৰিপূৰ্ণ হৈয়ে আছে। আমি উপেক্ষা কৰিবলৈ চেষ্টা কৰিলেও এই ভীতি-বিহ্বলতা আমাৰ মনত প্ৰৱেশ কৰে।

ভক্তিমূলক গ্ৰন্থ-পাঠৰ প্ৰাধান্য চলা কাল ছোৱাত মানুহৰ এই ভীতি-বিহ্বলতা ইমান প্ৰবল আছিল যে তাক উপেক্ষা কৰাৰ উপায় নাছিল। ফলত ধৰ্ম, ধৰ্মতত্ত্ব, দৰ্শন অতীন্দ্ৰিয়বাদ, যাদু, অন্ধ-সংস্কাৰ আদিৰ মাধ্যমেৰে ই প্ৰকাশ পাইছিল আৰু এইদৰে অন্তৰ্নিহিত সংশয়বোৰ

মানুহৰ চেতনা ৰাজ্যলৈ উলিয়াই অনা হৈছিল। এই প্ৰয়োজন ইমান গুৰুত্বপূৰ্ণ হৈ উঠিছিল যে এটা প্ৰেৰণামূলক বা ধ্যানস্থ জীৱনেই একমাত্ৰ মূল্যবান বুলি বিবেচনা কৰা হৈছিল। বিশ্বৰ ধৰ্ম জগতত মানুহৰ এই দৃষ্টি-ভঙ্গীৰে প্ৰবলতা আছিল।

(১) যি মানুহে ঈশ্বৰবিৰোধী লোকৰ সমাবেশলৈ খোজ নিদিয়ে, পাপীৰ পথত দিয়া নহয় নাইবা নিন্দুকৰ আসনত নবহে সিয়ে ঈশ্বৰৰ কৃপা লাভ কৰে;

(২) কিন্তু তেওঁৰ আনন্দ হ'ল ঈশ্বৰৰ বিধান আৰু এই বিধান সম্বন্ধে তেওঁ দিনে নিশাই ধ্যান কৰে; আৰু

(৩) তেওঁ হ'ব নৈৰ পানীয়ে বোৱা গছৰ নিচিনা, যাৰ ফল বতৰে আনি দিয়ে, যাৰ পাতো শুকাই নাযায়; আৰু যিহকে কৰে তাৰে শ্ৰীবৃদ্ধি হয়। (প্ৰথম স্তোত্ৰ)

নাইবা, তাৰে কেবা শতিকাবো পিচত চিলাৰে কোৱাৰ নিচিনাকৈ—

"সেই সুস্পষ্ট ৰাজ্যত—য'ত পৱিত্ৰ ৰূপ আমাৰ দৃষ্টি গোচৰ হয়, তাত আৰু দুখ-শোকৰ নিজৰা ব'ব নোৱাৰে।"

বুদ্ধিগত দৃষ্টি-ভঙ্গীৰ কালৰপৰা বোধহয় প্লেটোই এই ধ্যানমগ্ন জীৱন যাপনৰ সাৰ্থকতা সম্বন্ধে অতিশয় যুক্তিপূৰ্ণভাৱে মত দাঙি ধৰিছিল। প্লেটোৰ মতে একমাত্ৰ অমূৰ্ত আদৰ্শইহে মানুহক জীৱনত সংহতি আৰু সুখ আনি দিব পাৰে—

"………আৰু তেওঁলোকৰ বয়স ৫০ বছৰ হ'লে, আৰু তেতিয়াও যিসকল জীয়াই থাকে আৰু যি জীৱনৰ প্ৰতিটো কামত আৰু জ্ঞান-বিজ্ঞানৰ প্ৰতিটো শাখাত খ্যাতি অৰ্জন কৰিছে, এতিয়া শেহান্তৰত তেওঁলোকৰ চৰম পৰিপূৰ্ণতা লাভৰ সময় উপস্থিত হৈছে, এতিয়া তেওঁলোকে সকলো বস্তুকে আলোকিত কৰা বিশ্বজনীন আলোকৰ পিনে নিজৰ আত্মাৰ চকু উন্মিলিত কৰিব লাগে আৰু সম্পূৰ্ণ মঙ্গলময়ক অৱলোকন কৰিব লাগে; কিয়নো সেই আদৰ্শ অনুসৰি তেওঁলোকে এতিয়া ৰাষ্ট্ৰ আৰু ব্যক্তিৰ জীৱন নিয়ন্ত্ৰণৰ নিৰ্দেশ দিব লাগিব আৰু নিজৰ নিজৰ জীৱনৰ বাকী ছোৱাত

এইদৰেই অতিবাহিতঙ্ককৰিব লাগিব; তেওঁলোকে দৰ্শনৰ সাধনাকে নিজৰ মুখ্য কাম কৰি ল'ব লাগিব, কিন্তু নিজৰ পাল পৰিলে তেওঁলোকে ৰাজনীতি আৰু ৰাজহুৱা মঙ্গলৰ বাবে শাসন কাৰ্য পৰিচালনাৰ বাবেও কষ্ট স্বীকাৰ কৰিব লাগিব, এনে কৰি তেওঁলোকে কিবা বীৰত্বৰ কাম কৰা বুলি ভাবিব নালাগিব, সাধাৰণ কৰ্তব্য পালন হিচাবেহে তাক বহন কৰিব লাগিব; আৰু যেতিয়া তেওঁলোকে প্ৰতিটো পুৰুষতে নিজৰ নিচিনা লোকৰ সৃষ্টি কৰে আৰু সেই সকলক নিজৰ ঠাইত ৰাষ্ট্ৰৰ শাসন কৰ্তা হিচাপে এৰি থৈ যায় তেতিয়া তেওঁলোক কৃপাপ্ৰাপ্তসকলৰ বসতিস্থলৰ দ্বীপলৈ যাত্ৰা কৰিব আৰু তাত বাস কৰিব আৰু তাৰ নগৰে তেওঁলোকৰ ৰাজহুৱা স্মৃতি সৌধ স্থাপন কৰিব আৰু তেওঁলোকৰ কাৰণে আত্মোৎসৰ্গ কৰিব আৰু যদিহে পীঠিয়ান ভৱিষ্যৎ বক্তাই সম্মতি দিয়ে তেন্তে তেওঁলোকক অৰ্দ্ধ দেৱতা স্বৰূপে সন্মান কৰিব আৰু নহ'লেও যেনে তেনে কৃপাপ্ৰাপ্ত আৰু স্বৰ্গীয় আলোকপ্ৰাপ্ত হিচাপে তেওঁলোকে সন্মান লাভ কৰিবই।"

অতিশয় জ্ঞান-গম্ভীৰ ভাষাৰে গ্যেটেয়ো সেই একে ভাৱকে প্ৰকাশ কৰিছিল:

"জলধি-সৌধৰ ওখত হ'ল ৰখীয়াৰ কাম
ইফালে সিফালে তেওঁ চকু ঘূৰায়
সি যেন তেওঁৰ লীলা বঙ্গৰে আন এটি নাম।
মই ব লাগি চাওঁ দূৰলৈ।
চাই থাকোঁ ওচৰৰ পিনে।
জোনটিলৈ চাওঁ, তিৰবিৰাই থকা তৰাবোৰ চাওঁ
বননি আৰু হৰিণা চাই ভোল যাওঁ,
যিহকে চাওঁ সিয়ে মনোমোহা
মই সুখী আৰু মই দেখা আটাইবোৰকে
সুখী যেন লাগে।"

এনে উদ্ধৃতি হিন্দু আৰু বৌদ্ধ ধৰ্ম গ্ৰন্থবোৰৰপৰা কোৰআন আৰু আন আন ভালেমান দৰ্শন আৰু কবিৰ ৰচনাৰপৰা দিব পৰা যায় কিন্তু

এই অধ্যায়ৰ আলোচ্য বিষয়ৰ কাৰণে ভক্তিমূলক ৰচনাৰ এটা সংগ্ৰহ কৰাটো সম্ভৱপৰ নহয়, অৱশ্যে এনে এটা সংগ্ৰহ হ'লে তাৰপৰা লাভ পোৱা যাব।

কোনো কোনো ক্ষেত্ৰত একোটা ভাব বা আবেগে গভীৰ ৰেখাপাত কৰে; কোনো কোনোত আকৌ প্ৰকৃতিৰ লগত প্ৰত্যক্ষ সংযোগ নাইবা প্ৰকাশ-ভঙ্গীৰ অনাবিলতাই মনৰ কোনোবা সুপ্ত তাঁৰত আঘাত কৰে। কিন্তু "এশ মহৎ ভক্তিমূলক গ্ৰন্থ" সংকলন কৰাৰ বিশেষ অৰ্থ নাই, কিয়নো প্ৰতিজন ব্যক্তিয়ে নিজে স্থিৰ কৰি লোৱা উচিত কোন কোন পুথিয়ে অতি প্ৰত্যক্ষভাৱে তেওঁৰ অধ্যাত্মশক্তিৰ ওপৰত প্ৰভাৱ কৰিব পাৰে।

যদি পৰিপূৰক দৃষ্টি ভঙ্গীৰ ফালৰপৰা গ্ৰন্থপাঠ সম্বন্ধে বিবেচনা কৰা হয়, তেন্তে এই কথাও সঁচা যে প্ৰতিটো যুগৰে পৰিপূৰণৰ সুকীয়া সুকীয়া প্ৰয়োজন থাকে। যি কোনো সৃজনীমূলক কামৰ প্ৰয়োজনীয় কথা হ'ল প্ৰত্যক্ষ পৰ্যবেক্ষণ কিন্তু এই পৰ্যবেক্ষণৰ ক্ষমতা চলিত সাংস্কৃতিক-আৰ্হিৰ দ্বাৰা প্ৰভাৱিত হয়। কিন্তু এনে দৃষ্টান্তও দেখা যায়—বিশেষকৈ গীতি-কাব্যত য'ত কলাকাৰৰ দৃষ্টি-ভঙ্গী নিৰপেক্ষ হয়; আৰু তাৰ ফলত মূল বাস্তৱতা দাঙি ধৰা হয়।

"সন্ত এপনিচ'ৰ সন্ধিয়া। উঃ কি জাৰেই নাছিল! ডেউকাৰ ভিতৰত থাকিও ফেঁচাজনী কঁপি আছিল, ঠেৰেঙা লগা ঘাঁহৰ মাজত শহা-পহুটোৰ কঁপনি উঠিছিল, নোমৰ মাজত কুকুকি সোমাই থাকি চৰাইহঁত নীৰৱ হৈ আছিল।

"ঠেটুৰাত মালাগুটীয়া ভকতৰ আঙুলি ঠৰ হৈ গৈছিল, ইফালে তেওঁৰ নাকেদি ওলোৱা উশাহ পুৰণি ধুনা পাত্ৰৰ ধুনাৰ নিচিনা গোট মাৰি গৈছিল। তেওঁ যেন পৱিত্ৰ কুমাৰী মেৰীৰ ধুনীয়া ছবিখন লৈ মালাৰে প্ৰাৰ্থনা কৰি স্বৰ্গৰ পিনে মৃত্যুহীন যাত্ৰা কৰিছিল।"

কেতবোৰ সামাজিক অৱস্থাৰপৰা উদ্ভৱ হোৱা আবেগ-বিন্যাসৰপৰা বহু ঈশ্বৰবাদী দৃষ্টি-ভঙ্গীক আঁতৰাব নোৱাৰি। দৃষ্টান্ত হিচাপে সমূহপ্ৰৱণ সমাজে ভাৱাবেগৰ নিৰপেক্ষতাক উৎসাহ নিদিয়ে, কিন্তু নিৰাসক্ত দৃষ্টি-ভঙ্গীৰ মূলতে হ'ল ভাৱাবেগৰ নিৰপেক্ষতা। যদি ই সামাজিক সংঘৰ্ষৰ

পৰা ৰক্ষাৰ বাবে পলায়নবাদী মনোভাবৰ সৃষ্টি কৰে, তেন্তে তাৰ ফলত অধিক আবেগপ্ৰৱণতা দেখা দিয়ে আৰু নাটকীয় সংঘাতৰ উদ্ভৱ হয়।

আমাৰ আলোচ্য এই শ্ৰেণীৰ পুথিত সাধৰণতে আবেগপ্ৰৱণতাৰ আধিক্য দেখা যায় আৰু এইবোৰ পুথিয়ে মানুহৰ ভয় আৰু প্ৰবৃত্তিক ইন্ধন যোগায়।

"অনন্ত নৰক যন্ত্ৰনাৰ ভয়ত বিহ্বল হৈ জন বানিয়নে 'ভগৱৎ ভক্তি'ত আত্মনিয়োগ কৰে; ধৰ্মগ্ৰন্থ দোহন কৰি তেওঁৰ অন্তৰত নৰক ভীতিয়ে থিতাপি লয়। তেওঁ বৰ কম পুথি পঢ়িছিল, কিন্তু যি পঢ়িছিল তাৰ প্ৰতিটো শব্দই তীব্ৰ বাগিয়াল বস্তুৰ নিচিনাকৈ তেওঁক অভিভূত কৰিছিল। এডৱাৰ্ড ডাউডেনৰ মতে বাইবেল আছিল তেওঁৰ বাবে জীৱন্ত বিশ্বৰ নিচিনা; পুথিৰ কোনো ফাকি কথা হয়তো তেওঁৰ আগৰ দেৱদূতৰ নিচিনাকৈ হঠাৎ আৱিৰ্ভাব হয় আৰু নাইবা কোনো ফাকিযে দানৱৰ নিচিনাকৈ তেওঁৰ টেটু চেপি ধৰে।"

উদাহৰণ স্বৰূপে ক'বলৈ গ'লে, ভক্তিভাৱেৰে বাইবেল পাঠ কৰিলে ইয়াৰ প্ৰত্যেক শাৰী কথাকে সম্পূৰ্ণভাৱে মনেৰে গ্ৰহণ কৰা হয় আৰু ই মনৰ অঙ্গীভূত হৈ পৰে। কিবা কাম কৰাত ইয়ে উৎসাহ বা বাধা জন্মায় আৰু অনবৰত দেখা দিয়া পৰিস্থিতিবোৰৰ সন্মুখীন হোৱাত এই গ্ৰন্থৰ উক্তিবোৰৰ অৰ্থ সম্বন্ধে পুনৰ বিবেচনা কৰা হয় আৰু সেইবোৰৰ আকৌ মূল্যাঙ্কন কৰা হয়। মনক এটা নিৰ্দিষ্ট গঢ় দিয়াৰ অৰ্থে এনে কৰা হয় সঁচা কিন্তু অন্তৰ্নিহিত আবেগৰ বৰকৈ বিপৰীতে গ'লে ই সন্দেহৰ মূল কেন্দ্ৰ হৈ বৰ কষ্ট দিবও পাৰে।

যি যুগে আৰু মানুহে নিজৰ আবেগবোৰক অবিশ্বাস কৰে আৰু ধ্বংসৰ হাত সাৰিবলৈ সুদৃঢ় মানসিক ব্যৱধান গঢ়ি তোলাৰ প্ৰয়োজন উপলব্ধি কৰে তেনে যুগ আৰু মানুহে অধিক পৰিমাণে ভক্তিমূলক গ্ৰন্থ পাঠ কৰে। মনৰ তীব্ৰ সংঘৰ্ষৰ ফলতে ইয়াৰ সৃষ্টি হয় কিন্তু আমি সাধাৰণতে বস্তু আৰু মন, পদাৰ্থ আৰু পৰমাৰ্থ আদিৰ মাজত সংঘৰ্ষ বুলি অভিহিত কৰোঁহক। বাস্তৱতে মনৰ চেতনাত উভয়ৰে উদ্ভৱ হয় আৰু আমাৰ মনে সহজাত প্ৰবৃত্তি অনুসৰি এটা সমতা স্থাপন কৰিবলৈ চেষ্টা কৰে।

অপৰিপক্কতা, তীব্ৰ ভাৱাবেগ, অযুক্তি আদি আটায়ে মনৰ পৰা সাৱধান বাণী শুনে, কিয়নো জীৱনৰ যি কোনো পৰিস্থিতিৰ সম্মুখীন হোৱাৰ বাবে মনে নিজকে গঢ়ি তুলিবলৈ কৰা প্ৰয়াসৰ এইবোৰ পৰিপন্থী। সুদীৰ্ঘ কাল ধৰি কাম চলোৱাৰ যন্ত্ৰ হিচাবে মনৰ সৃষ্টি, ইয়াৰ ভিতৰত ভালেমান যুগৰ অভিজ্ঞতাও সামৰি লোৱা থাকে আৰু মনৰ নিয়ন্ত্ৰণ নোহোৱা হৈ পৰিলে বা ঐহিক প্ৰবৃত্তিবোৰৰ পূৰণত অতিচাৰ কৰিলে আমাৰ মনৰ মূল গঠন-বিন্যাসৰে বিপৰীতাচৰণ কৰা হয়।

এজন ব্যক্তি বা এটা সাংস্কৃতিক দল যিমানেই অপৰিপক্ক হয় তিমানেই এনে ধৰণৰ সংঘৰ্ষত সম্মুখীন হ'ব লাগে আৰু তিমানেই মানসিক আৰু আধ্যাত্মিক অৱলম্বনৰ প্ৰয়োজন ঘটে। অপেক্ষাকৃত অধিক সময় ধৰি কোনো মানুহে জীৱন সংগ্ৰামত সফলতা লাভ কৰি থাকিলে তেওঁৰ মনৰ গঠন-বিন্যাস অভ্যস্ত হৈ পৰিব পাৰে আৰু সমতা লাভৰ সহজাত প্ৰবৃত্তি অতিক্ৰম কৰি যোৱাৰ বিপদ সম্বন্ধে তেওঁৰ উপলব্ধি নোহোৱা হৈ যাব পাৰে। এবাৰ এই সমতা লাভ কৰিব পাৰিলে, জীৱনৰ পৰিধি তুলনাত সহজ হৈ পৰে আৰু তেতিয়া আৰু মনক নতুনকৈ সতেজ কৰি লোৱাৰ অথবা ইয়াৰ উদ্বেগ কমোৱাৰ আৱশ্যকতা নোহোৱা হৈ পৰে।

ভক্তিমূলক গ্ৰন্থ পাঠ কৰাটো ভাল হয় নে নহয় সেই কথা সাধাৰণভাৱে কোৱা সম্ভৱপৰ নহয়। প্ৰয়োজন বোধ কৰিলে এই কাম ভাল। কিন্তু এটা কথা হ'লে ক'ব পৰা যায়। বিভিন্ন সাংস্কৃতিক আৰ্হি আৰু ভিন ভিন সাংস্কৃতিক যুগত মানুহৰ প্ৰয়োজন-সূচীৰ কেতবোৰ কথা আনবোৰতকৈ গুৰুত্বপূৰ্ণ হ'লেও এই প্ৰয়োজন-সূচী কিছুদূৰ স্থায়ী ধৰণৰ যেন দেখা যায়। আধ্যাত্মিক, বৌদ্ধিক আৰু মৌলিক প্ৰয়োজন সদায় আছেই, আৰু এইবোৰৰ পাৰম্পৰিক সম্পৰ্কৰ ক্ষেত্ৰত মাথোন পৰিৱৰ্তন হয়। ক্ষিপ্ৰ গতিত সামাজিক পৰিৱৰ্তন আৰু যান্ত্ৰিক আৱিষ্কাৰবোৰ হোৱাত বৰ্তমানে আমি আমাৰ অধিক প্ৰত্যক্ষ বাস্তৱ প্ৰয়োজনবোৰৰ ওপৰত অধিক গুৰুত্ব দিছোহঁক, কিন্তু ইয়াৰ ফলত ভৱিষ্যতলৈ আনবোৰ প্ৰয়োজন পূৰণ কৰাটো আৰু অধিক গুৰুত্বপূৰ্ণ হৈ পৰিব।

অনুপাতত তাৰতম্য ঘটিলেও মূল কথাখিনি সদায় থাকে। গতিকে ভক্তিমূলক গ্ৰন্থ-পাঠৰ বাবে জীৱনত স্থায়ী আসন আছে; আৰু কোনো সংস্কৃতি আৰু যুগ বিশেষত ইয়াৰ ভূমিকা নিৰ্ণয় কৰাটো এটা পৰিসংখ্যামূলক সমস্যা বিশেষ। কিন্তু ভক্তিমূলক গ্ৰন্থ-পাঠ সম্বন্ধে পৰিসংখ্যা ফালৰপৰা এটা বিৱৰণ দাঙি ধৰাটো এক প্ৰকাৰে অসম্ভৱ কথা। বিশ্বৰ বিভিন্ন ধৰ্মৰ পৱিত্ৰ গ্ৰন্থবোৰ যে অধিক সংখ্যাত ছপোৱা আৰু প্ৰচাৰ কৰা হয় তাত সন্দেহ নাই। উদাহৰণ স্বৰূপে, ১৯২৮ চনত দি বৃটিশ এণ্ড ফৰেণ বাইবেল ছ'ছাইটীয়ে ৯,৯৩৬,৭১৪ খন বাইবেল প্ৰচাৰ কৰিছিল, লণ্ডন বাইবেল হাউছে কৰিছিল ৩,৭৯০,২৭৫ খন; তাৰে ২,১৭৮,৭২৬ খন প্ৰচাৰ কৰা হৈছিল ইংৰাজী ভাষাত; প্ৰায় ১,৫৯৮,০০০ খন প্ৰচাৰ কৰা হৈছিল ইউৰোপৰ আন আন দেশত; ৪৪২,০০০ খন আফ্ৰিকাত ১,০৭৫,০০০ খন ভাৰত আৰু সিংহলত, ৩,৬৪০,৩০০ খন চীনত, ৯৮৬,০০০ খন জাপান আৰু কোৰিয়াত; ৪৭৩,০০০ খন দক্ষিণ আমেৰিকাত; ১৮০৪ চনৰপৰা ১৯২৮ চনলৈ ৩৮৫ নিযুতৰো অধিক বাইবেল ৬০৮ টা ভাষাত প্ৰচাৰ কৰা হৈছিল। দি আমেৰিকান বাইবেল ছ'ছাইটীয়ে ১০,০৩৪,৭৯৭ খন বাইবেল প্ৰচাৰ কৰিছিল। এই সংস্থাই শাস্ত্ৰখন ১৯৫ টা ভাষালৈ অনুবাদ কৰা কামতো যোগদান কৰিছিল। বেহা-বেপাৰৰ উদ্দেশ্যে ভ্ৰমণ কৰিবলৈ যোৱা বা অলপ সময়ৰ কাৰণে যোৱা ভ্ৰমণকাৰীসকলৰ মাজত বাইবেলৰ আদৰ্শ প্ৰচাৰ কৰা আৰু হোটেলৰ কুঠৰীত বাইবেল যোগোৱা গিডিঅন ছ'ছাইটীয়ে ১৯২৮ চনলৈকে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু কানাডাত ৯৬৫,০০০ খন বাইবেল প্ৰচাৰ কৰিছিল।

ৰাজহুৱা আৰু বিদ্বান পুথিভঁৰালবোৰত ধৰ্ম গ্ৰন্থৰ গড় সংখ্যাৰ ভালেখিনি তাৰতম্য দেখিবলৈ পোৱা যায়। নেডাৰলেণ্ডৰ হেগৰ ৰাজহুৱা পুথিভঁৰালত ইয়াৰ সংখ্যা হ'ল মুঠ পুথিৰ সংখ্যাৰ শতকৰা ৭ ভাগ; আন বোৰৰ ক্ষেত্ৰত এই সংখ্যা অপেক্ষাকৃত অধিক। তদুপৰি ধৰ্ম আৰু আনুষঙ্গিক বিষয় সম্পৰ্কীয় ভালেমান বিশেষ পুথিভঁৰালো আছে। ইয়াৰ উপৰি ধৰ্মভাৱ থকা কিমান সংখ্যক উপন্যাস ৰচনা কৰা হয় তাৰ লেখ লোৱাটো অসম্ভৱ কথা।

'ভক্তিমূলক ৰচনা' শীৰ্ষক কিমান সাহিত্যৰ সৃষ্টি কৰা হয় তাৰ সংখ্যা অনুমান কৰাটো অসম্ভৱ কথা। বিশেষকৈ একেটা মাথোন আদৰ্শ-বাদ অনুসৰণ কৰা দেশবোৰত। 'একেটা মাথোন' সাংস্কৃতিক আহিত সৃষ্টি আটাইবোৰ ৰচনাক "প্ৰেৰণামূলক" বুলি গণ্য কৰাটো সম্ভৱপৰ নহয়, আনকি এই বোৰত তেনে গুণ থকা ধৰি ল'ব লগা হ'লেও।

বিধিগত দৰ্শনৰ ধাৰ্মিক ভেটি থকা কাৰণে মুছলিম আইন সম্পৰ্কীয় পুথি এখনক ধৰ্ম পুথি বুলি ধৰা উচিত হ'বনে? মাৰ্ক্সবাদী ৰচনা "প্ৰেৰণা মূলক" বুলি ধৰিব লাগিবনেকি? কেতবোৰ দেশত ইয়াক তেনেভাৱে লোৱা হ'ব আৰু আনবোৰ দেশত হ'লে ইযাক বিশেষ আৰ্থিক দৰ্শনৰ পুথি হিচাপে গণ্য কৰা হ'ব।

এনেধৰণৰ প্ৰশ্নৰ সন্তোষজনক উত্তৰ পোৱা নাযায় আৰু আনকি পালেও আমি পাঠকৰ ওপৰত এনে ৰচনাই কৰা প্ৰভাৱৰ বিষয়ে বিবেচনা কৰিব লাগিব। একোখন পুথিয়ে লেখক আৰু পাঠকৰ মাজত থকা সম্পৰ্ক প্ৰতিবিম্বিত কৰে আৰু এই পুথিত যিবোৰ বিষয় ভেদ কৰা হৈছে সেইবোৰৰ ভেটিত এই সম্পৰ্ক বিশ্লেষণ কৰি চাব পৰা যায়। কিন্তু মাত্ৰাৰ ফালৰপৰা হ'লে এই সম্পৰ্ক সন্তোষজনকভাৱে বিশ্লেষণ কৰাটো সম্পূৰ্ণ অসম্ভৱ, কিয়নো, প্ৰকাশিত পুথিৰ সংখ্যা, পুথিভঁৰালৰ সংখ্যা, পঢ়ুৱৈক দিয়া পুথিৰ সংখ্যা আদি সাধাৰণ তথ্যবোৰহে আমি পাব পাৰোঁ।

এজন পাঠকে হয়তো কিবা এটা প্ৰবন্ধ যুগুত কৰাৰ বাবেও ধৰ্মগ্ৰন্থ একোখন বিচাৰিব পাৰে, ইয়াক পাঠকৰ ধৰ্মপ্ৰৱণতাৰ চানেকি বুলি ধৰাটো ভুল হ'ব। আমাৰ পক্ষে তেনেই সাধাৰণভাৱে এই বুলি কোৱাটো সম্ভৱ হ'ব পাৰে যে একোটা পুথিভঁৰালত পাব পৰা পুথিবোৰৰ অনু-পাতত ধৰ্ম আৰু আনুষঙ্গিক বিষয় সম্পৰ্কীয় পুথিৰ সংখ্যা যথেষ্ট সৰহ। তদুপৰি কেতবোৰ বিশেষ সাংস্কৃতিক যুগত এই ক্ষেত্ৰত পাঠকৰ মনোভাৱৰ সালসলনিৰ কথাও আমি উল্লেখ কৰিব পাৰোহঁক, যেনে, ইউৰোপত মধ্যযুগত অনুপাতিকভাৱে ধৰ্মগ্ৰন্থ পঢ়োতাৰ সংখ্যা অধিক আছিল, আনহাতে ১৬০০ চনৰপৰা ১৯০০ চনৰ ভিতৰত সাহিত্যিক ৰচনাৰ সংখ্যা বৃদ্ধি পাইছে। তথাপি ধৰ্মগ্ৰন্থ আৰু আনবোৰ গ্ৰন্থৰ অনুপাত

তুলনা কৰিলে দেখিবলৈ পোৱা যাব যে মানুহৰ প্ৰয়োজন-সূচীত ধৰ্ম-গ্ৰন্থৰ পাঠে স্থায়ীভাৱে আসন অধিকাৰ কৰি আছে।

আন এটা তাতকৈ বাস্তৱ ধৰণৰ প্ৰশ্ন হ'ল পুথিভঁৰালবোৰে বিভিন্ন ধৰণৰ গ্ৰন্থ-পাঠৰ লেখ লোৱা উচিত নে অনুচিত। আধুনিক পুথিভঁৰালৰ ফালৰপৰা চাবলৈ গ'লে হস্তলিপি, আপুৰুগীয়া পুথি আৰু বাধানিষেধ থকা ৰচনাবোৰৰ বাহিৰে সকলো পুথিয়েই একে ধৰণৰ, তাক সংগ্ৰহ কৰা হয়, পুথিভঁৰালৰ মোহৰ আদি কৰা আৰু একে ধৰণে পাঠকৰ আগত দাঙি ধৰা হয়, পাঠকৰ মনোভাবৰ লগত এইবোৰৰ একো সম্পৰ্ক নাই; গ্ৰন্থবিশেষৰ খ্যাতি-নাতি গুণ বা ৰাজহুৱা শৃঙ্খলা আৰু নীতিবোধৰ ওপৰত এইখিনি নিৰ্ভৰ কৰে। পাঠকৰ মনস্তত্ত্ব সম্বন্ধে পুথিভঁৰালে বৰ বেছি মনোযোগ নিদিয়ে বুলি ক'ব পাৰি, অৱশ্যে কিতাপ চোৱা কোঠা, পুথি ৰখা থাকবোৰলৈ অবাধে অহা যোৱা, বিশেষ ব্যাখ্যা, বক্তৃতা আৰু কথা ছবি আদিৰ দিহা এই সম্বন্ধেও অলপ চেষ্টা চলোৱাৰ কাম আৰম্ভ হৈছে।

এনে মানুহো আছে যি পুথিভঁৰাল এৰাই চলে, একোটা পুথিভঁৰালত ইমানবোৰ পুথি একেলগে থকাত তেওঁলোকৰ উৎসাহ বৃদ্ধি হওক ছাবি সি মাৰহে যায়। তদুপৰি এনে মানুহো আছে যি কিবা পুথি পঢ়িলেই তাক যেনেতেনে নিজৰ কৰিবলৈ বিচাৰে—হয়তো তেওঁ পুথিখন এবাৰহে পঢ়িব আৰু তাকো বোধহয় আংশিকভাৱে। প্ৰায় এনেও দেখা যায় যে কেবা খণ্ডৰো একোখন পুথিৰ হয়তো মাথোন প্ৰথম খণ্ডহে পঢ়া হয়। তাৰ পিচত লেখকৰ দৃষ্টি-ভঙ্গীৰ অভিনৱত্ব নাইকিয়া হয় আৰু অধৈৰ্য হৈ পাঠকৰ পুথিখনৰ প্ৰতি আগ্ৰহ নোহোৱা হয়।

পুথিভঁৰালত একোখন পুথি যোগাৰ কৰোতে পলম হোৱা হেতুকেও ভালেমান লোকৰ পুথি পঢ়িবলৈ উৎসাহ নাথাকে আৰু এনে অসংখ্য লোক আছে যি নিজে ক'ব নোৱাৰে তেওঁ কি পঢ়িবলৈ ইচ্ছা কৰে; কিন্তু নিজৰ মনৰ ইচ্ছা হ'লে স্থিৰ কৰি ল'বলৈ বিচাৰে। এই বিষয়ত আনৰ উপদেশ কাম দিব পাৰে কিন্তু উপদেশ গ্ৰহণৰ বাবে প্ৰায়ে ইচ্ছা দেখা নাযায়।

ফলত পঢ়িবলৈ বাস্তৱ আগ্ৰহ থকা তেনেই কম সংখ্যক লোকে পুথিভঁৰালৰ সুযোগ লাভ কৰে। ইয়াৰ লগত নিহিত মনস্তাত্বিক সমস্যাবোৰ বোধহয় ইয়াৰ কিছু কাৰণ।

ভক্তিমূলক গ্ৰন্থ পাঠক এটা বিশেষ শ্ৰেণীৰ গ্ৰন্থপাঠ বুলি আৰু ইয়াৰ কাৰণে বিশেষ ধৰণৰ পৰিবেশ আদিৰ প্ৰয়োজন হয় বুলি বিবেচনা কৰাটো সম্ভৱপৰ বা সঙ্গত হ'বনে? কেতবোৰ ধৰ্মীয়দলে পৰিচালনা কৰা পাঠাগাৰ-বোৰ সম্পূৰ্ণভাৱে এনে শ্ৰেণীত সামৰি ল'ব নোৱাৰি, কিযেনো বিশেষ ধৰণৰ অনুপ্ৰেৰণাৰ ভেটিত এনে পাঠাগাৰ ভিন ভিন ধৰণৰ আৰু নিজৰ দৃষ্টি-ভঙ্গী সম্পৰ্কীয় পুথি ৰখা দেখা যায়।

এনে পাঠাগাৰৰো কল্পনা কৰিব পৰা যায় য'ত অসংখ্য পুথি নাৰাখি কম পুথি ৰখা হ'ব। তেতিয়া এই কথাই হয়তো তালৈ যোৱা লোকৰ উপৰত এটা শুভ প্ৰভাৱ বিস্তাৰ কৰিব পাৰে, এনে পাঠাগাৰত তেওঁ বাৰে বাৰে মগজু প্ৰযোগ কৰাৰ কথা ভাবিব নালাগিব, কিন্তু জিৰণি, মনৰ শান্তি আৰু স্বচ্ছন্দভাৱে চিন্তা কৰিবলৈ আহৰি পোৱাৰ এটা আশ্বাস লাভ কৰিব। এনে পাঠাগাৰত তেওঁ (পুথি) বাছি লোৱাৰ বৰ বেছি প্ৰয়োজন নহ'ব; যি কেইখন পুথি থাকে তাৰে এখন ল'লে তাত এনে শব্দ আৰু বাক্য পাব যাক তেওঁ অনুচিন্তন বা কোনো বাস্তৱ উদ্দেশ্যৰ কথা নভবাকৈ নিজৰ প্ৰত্যক্ষ আবেগিক সন্তুষ্টিৰ বাবে পাঠ কৰিব পাৰিব আৰু ইচ্ছা কৰিলে বাৰে বাৰে পাঠ কৰি আনন্দ লাভ কৰিব পাৰিব।

এনে পাঠাগাৰত পাঠকৰ ওপৰত প্ৰভাৱ বিস্তাৰৰ চেষ্টা নাথাকিব। এনে চেষ্টা আনকি বিশ্বৰ আগশাৰীৰ ধৰ্মবোৰেও কৰা দেখা যায়। ইয়াৰ কাৰণ হ'ল, ইয়াত বিশ্বৰ ধৰ্মবোৰৰ গ্ৰন্থসমূহ ওচৰাওচৰিকৈ ৰখা হ'ব আৰু সেইবোৰ বাছি লোৱা বিষয়ত একো পক্ষপাতিতা দেখুৱা নহ'ব। বাইবেল, কোৰ্‌আন, বৌদ্ধ আৰু হিন্দু শাস্ত্ৰবোৰে একেটা বা একে ধৰণৰ কথাকে কয়। পাঠাগাৰলৈ যোৱা লোকে নিজে নিজৰ অভিৰুচিমতে এনে সিদ্ধান্তত উপনীত হ'ব। এনে ধৰণৰ পাঠাগাৰ এক প্ৰকাৰে ক'বলৈ গ'লে অৰ্চনা স্থলৰ নিচিনা হ'ব, কিন্তু ই গাইগুটিয়া আৰু অবাধ অৰ্চনাৰ কেন্দ্ৰ হ'ব; মাথোন পাঠকৰ মনত

কিবা কথাই দকৈ ৰেখাপাত কৰা কথাৰ পৰাহে ই এটা নিৰ্দিষ্ট ধৰণৰ কেন্দ্ৰ স্বৰূপে পৰিগণিত হ'ব পাৰিব ।

আধুনিক মানুহৰ মনৰ ওপৰত নানা প্ৰকাৰৰ প্ৰভাৱ পৰে; অতি বেছি গতি আৰু সংঘৰ্ষৰ ফলত হোৱা ক্লান্তিৰ হাত সাৰিবলৈ আধুনিক যুগৰ মানুহে অনবৰত নতুন উত্তেজনা বিচাৰে। এনে অৱস্থাত মনৰ বাবে কেইবিধমান মুখ্য খোৰাক পালেই যথেষ্ট, কিন্তু তেওঁৰ নো এই বিষয়ত কি প্ৰয়োজন সেইকথা নিজে প্ৰায়ে স্পষ্ট গম নেপায, তাৰ বাবে তেওঁ যিহকে পায়্‌ তাকে পঢ়িলেও একো লাভ নহ'ব। গতিকে ভক্তিমূলক পাঠৰ বাবে অনুকূল পৰিৱেশ সৃষ্টি কৰি দিব পাৰিলে এই কামৰ দ্বাৰা তেওঁৰ মনে এই ক্ষেত্ৰত সঞ্জীৱনী শক্তি লাভ কৰিব পাৰে।

আধুনিক যুগৰ মানুহৰ মনত যিবোৰ সংঘৰ্ষৰ সৃষ্টি হয সেইবোৰ অনুৰূপ পৰ্যাযত উত্তেজনাৰ সৃষ্টি কৰি আঁতৰাব নোৱাৰি; আমি আমাৰ শাৰীৰিক শক্তি বৃদ্ধি বা প্ৰত্যক্ষ আধ্যাত্মিক উত্তেজনাৰ দ্বাৰা মনত সংঘৰ্ষ শাম কটাবলৈ চেষ্টা কৰোহঁক। ইয়াৰ ওপৰত আংশিকভাৱে নিৰ্ভৰ কৰে; উভয়ে মানুহক অবিৰাম বুদ্ধিগত প্ৰয়াসৰ "চকৰী"ৰ হেঁচাৰ পৰা বাহিৰ কৰি নিয়ে আৰু মনৰ কোনোবা বেলেগ অঙ্গত প্ৰৱেশ কৰেগৈ।

গ্ৰন্থ-পাঠক একেটা মাথোন মানসিক কাৰ্যতৎপৰতা বুলি গণ্য কৰিব নোৱাৰি, ইয়াৰ সম্পূৰ্ণ বিভিন্ন ধৰণৰ শ্ৰেণীভেদ আছে। এই দৃষ্টিকোণৰপৰা চাবলৈ গ'লে প্ৰতিখন পুথিকে একে শ্ৰেণীৰ বুলি বিবেচনা কৰাটো বৰ উচিত নহ'ব, গতিকে বিভিন্ন শ্ৰেণীৰ পুথিৰ ভূমিকাৰ ভেটিত পুথিবোৰৰ শ্ৰেণীভেদ কৰাৰ সময় হৈছেনে নাই সেইকথাও ভাবি চোৱা উচিত হ'ব। এনে ধৰণৰ দৃষ্টি-ভঙ্গী আধুনিকো হ'ব আৰু তাৰ দ্বাৰা আমাৰ আগত দেখা দিয়া এটা দুৰুহ সমস্যাৰপৰা হাত সৰাৰ উপায়ো পোৱা যাব।

আমি পুথি ভাল পাওঁ সঁচা কিন্তু সেই বুলি পুথিত বুৰ গৈ থাকিবলৈ নিবিচাৰোঁ নাইবা পুথি আমাৰ বাবে কিবা বাধ্যতামূলক বা এটা ধাণ্ডা হৈ পৰাটোও আমি নিবিচাৰোঁ, কিয়নো তেতিয়া আমি যন্ত্ৰৰ নিচিনাকৈ পুথি

পঢ়িবলৈ বাধ্য হ'ম আৰু তাক তেতিয়া বাস্তৱতে গ্ৰন্থ অধ্যয়ন বুলি কোৱাটো উচিত নহ'ব, কিয়নো এনে যান্ত্ৰিক ধৰণৰ গ্ৰন্থ পাঠৰ দ্বাৰা মানুহৰ মনৰ ওপৰত ক্ষিপ্ৰগতিৰে ভাৱবোৰ ভৰাই দিয়া হয় কিন্তু তাৰ দ্বাৰা ভাব বা বুদ্ধিগত সন্তুষ্টি লাভ কৰিব পৰা নাযায়।

ৰাজহুৱা পুথিভঁৰালত ব্যৱহাৰৰ কষ্টসাধ্যতাৰ আধাৰত পুথিৰ নিৰিখ ধাৰ্য কৰা হয়। গ্ৰন্থপাঠৰ বাবে প্ৰয়োজনীয় লয়ৰ আধাৰত সেইটো সমানে বা তাতকৈ অধিক পৰিমাণে উপযোগী হ'ব পাৰে। এইটো অধিক পৰিমানে বৈজ্ঞানিকো হ'ব; অৱশ্যে উভয় ক্ষেত্ৰতে এনে কৰাটো মুখ্যতঃ আপেক্ষিক ধৰণৰ হ'ব। কিন্তু একোটা একোটা সংস্থাই মানুহৰ ব্যক্তিগত প্ৰতিক্ৰিয়াৰ গড় ধাৰ্য কৰি কাম নচলাই নোৱাৰে, গতিকে ভক্তিমূলক, সাংস্কৃতিক আৰু সাফল্যমূলক গ্ৰন্থপাঠৰ শ্ৰেণীভেদ কৰাটো লাভজনক হ'ব পাৰে।

প্ৰতি ক্ষেত্ৰতে অভিপ্ৰায়, গতি আৰু লয়ৰ তাৰতম্য ঘটে। প্ৰত্যক ক্ষেত্ৰতে নিৰ্দিষ্ট সামাজিক ভূমিকা বিভিন্ন ধৰণৰ হয় আৰু মানসিক স্থিতি-স্থাপকতা সাধনৰ বেলিকাও ব্যৱধান থাকে। সাফল্যমূলক অধ্যয়ন সুস্পষ্ট-ভাৱে কায সাধনমূলক প্ৰক্ৰিয়া আৰু একোজন মানুহৰ সামাজিক প্ৰতিষ্ঠাৰ ওপৰত ইয়াৰ ভাৱগত প্ৰয়োগৰ মাত্ৰা নিৰ্ভৰ কৰে। যদিহে উভয়ৰ মাজত থকা সম্পৰ্ক সন্তোষজনক হয় তেন্তে মানুহজনক সামাজিক প্ৰতিষ্ঠাৰ লগত তেওঁৰ সাফল্যমূলক অধ্যয়নৰ মাত্ৰা খাপ খাচ। যদিহে প্ৰতিষ্ঠা সলনিৰ বাবে এটা তীব্ৰ ইচ্ছাই দেখা দিয়ে তেন্তে পাঠৰ মাত্ৰাও যথা সম্ভৱ নিজৰ গ্ৰাহিকা-শক্তি আৰু অতীত অভিজ্ঞতাৰ অনুপাতত পাৰ্যমানে বঢ়াবলৈ এটা উৎ-সাহৰ সৃষ্টি হ'ব।

ব্যক্তি আৰু তেওঁৰ সামাজিক প্ৰতিষ্ঠাৰ মাজত থকা সম্পৰ্ক অপেক্ষা-কৃত নিৰ্দ্ধাৰিত ধৰণৰ হ'লে সংস্কৃতিমূলক অধ্যয়ন চলে; এনে অধ্যয়ন উন্নত কৰাৰ থল থাকে, "ভিন ভিন দৃষ্টি কোণৰ বিষয় সম্পৰ্কে অনুশীলন কৰিবলৈ" আৰু এটা অধ্যয়নমূলক মনোভঙ্গী আদি গ্ৰহণ কৰিবলৈ প্ৰবৃত্তি জন্মে। কাম আৰু অনুভূতিৰ সন্তুষ্টিৰ মাজত আংশিক কলাত্মক সমন্বয় ঘটিলে এনে ধৰণৰ গ্ৰন্থপাঠ গুৰুত্বপূৰ্ণ হৈ উঠে। উদাহৰণ স্বৰূপে বৰ্তমানে বিশেষ বিশেষ বৃত্তিধাৰীসকলৰ মাজত এনে গ্ৰন্থপাঠ দেখিবলৈ পোৱা যায়।

ভক্তিমূলক গ্ৰন্থপাঠ অধিক ক্ষেত্ৰতে এটা আবেগিক প্ৰয়োজন, মনৰ স্বাস্থ্যৰ কাৰণে ই একান্ত আৱশ্যকীয় আৰু সেই হেতুকে ই অগ্ৰাধিকাৰ পোৱা উচিত। ই মনৰ গঠন বিন্যাসত সহায় কৰে আৰু আন আন প্ৰকাৰৰ গ্ৰন্থ-পাঠৰ বাবে আৰু মনৰ পৰিধি বহলাই দিয়ে । ই "প্ৰতীক"ৰ মাধ্যমেৰে চিন্তা কৰাৰ প্ৰয়োজন পূৰণ কৰে আৰু ই এনে চিন্তা অতিশয় গুৰুত্বপূৰ্ণ, লাগিলে সি ৰূপৰ মাধ্যম বা অমূৰ্ত ভাবধাৰাতে প্ৰকাশ পাওক । অসংখ্য পাছ দুৱাৰেদি ৰূপ আৰু অমূৰ্ত চিন্তাৰ প্ৰয়োজন আমা। জীৱনত পুনৰ প্ৰৱেশ কৰিছে আৰু আমাৰ সমাজৰ স্থায়িত্বৰ বাবে যদি ব্যক্তিৰ মনৰ স্থৈৰ্য প্ৰয়োজনীয় বুলি স্বীকাৰ কৰোহঁক তেন্তে এনে চিন্তনক সমুখৰ দুৱাৰ মুখেৰে সোমাবলৈ দিয়াটো যুগুত হ'ব । এনেবোৰ ক্ষেত্ৰত লিখিত ৰচনাই মানৱ মনৰ গঠন-বিন্যাসত কেনে প্ৰভাৱ পেলায় সেই সম্বন্ধে গ্ৰন্থপাঠ সংক্ৰান্ত সমাজতত্ত্বই বিবেচনা কৰি চোৱা উচিত ।

বৰ্তমান অৱস্থাত এই দৃষ্টি-ভঙ্গী তেনেই চালুকীয়া অৱস্থাতে আছে আৰু ইয়াৰ লক্ষ্য আৰু পদ্ধতি প্ৰাথমিক ধৰনেহে ধাৰ্য কৰি দিব পৰা যায় । কিন্তু এইটো হ'লে দেখা দেখি কথা যে এই কাম অতি বিৰাট ধৰণৰ, কিয়নো এই বিষয়ত আমি সাধাৰণ দৃষ্টি লৈহে চিন্তা কৰাত অভ্যস্ত আৰু তাত এই সমস্যাৰ ব্যাপকতা আৰু দৃষ্টি-ভঙ্গীৰ বৈচিত্ৰ্যৰ কথাই ঠাই নেপায় ।

পুথি পঢ়াটো আমাৰ জীৱন মাত্ৰৰ এটা মুখ্য কাম হৈ পৰিছে, কিন্তু আমাৰ প্ৰয়োজন-সূচী অনুসৰি ইয়াৰ ভূমিকা কি সেই সম্বন্ধে যথেষ্ট বিশ্লেষণ কৰা হোৱা নাই । কোনো এটা প্ৰয়োজনৰ সঁহাৰি হিচাপে পুথি পঢ়া সম্বন্ধে সাধাৰণ ধৰণে বিবেচনা কৰিব নোৱাৰি, কিন্তু এই সঁহাৰিৰ লক্ষণ সম্বন্ধে হ'লে বিবেচনা কৰিব পৰা যায় । আমাৰ প্ৰয়োজন-সূচীনো বাস্তৱতে কি সেই বিষয়তো মতৈক্য নাই, কিন্তু সামাজিক প্ৰক্ৰিয়াবোৰৰ লক্ষ্য কৰি আমাৰ কাৰ্য-তৎপৰতাবোৰৰ ভূমিকা আৰু স্থায়িত্ব সম্বন্ধে আমি সিদ্ধান্ত কৰি ল'ব পাৰোহঁক ।

এনে বিশ্লেষণৰপৰাই আমাৰ প্ৰয়োজন-সূচীৰ "মূল" কথাত উপনীত হ'ব পৰা যায় আৰু এই দৃষ্টি-ভঙ্গীৰ সহায়ত আমি বিভিন্ন যুগ আৰু বিভিন্ন সমাজৰ প্ৰক্ৰিয়াবোৰ অনুশীলন কৰিব পাৰোহঁক ।

মানুহৰ পৰিবৰ্তন ঘটে সঁচা ; কিন্তু মূলতে সি একে ধৰণেই থাকে, আৰু এই স্থায়িত্বৰ জোখ মাৰিবে আমি তাৰ কাৰ্য-কলাপৰ মূল্যাঙ্কন কৰিব পাৰোহঁক ।

গ্ৰন্থপাঠৰ ক্ষেত্ৰতো আমি শ্ৰেণী ভেদ কৰি অহা মূল তিনি বিধৰ ভিন ভিন সময় আৰু যুগত পাৰস্পৰিক সম্পৰ্কৰ হীন-দেৰি ঘটিব পাৰে, কিন্তু এই তিনি বিধ হ'ল মৌলিক কাৰণ, মানুহৰ নিজা প্ৰয়োজন-সূচীৰ লগত এই কেই বিধ খাপ খাই যায় ।

---

## চতুৰ্থ অধ্যায়

# সংস্কৃতিমূলক গ্ৰন্থপাঠ

এই অধ্যায়ৰ শিৰোনামা সম্বন্ধে প্ৰথমতে অলপ ব্যাখ্যা কৰি লোৱা উচিত হ'ব। 'সংস্কৃতি' শব্দটো একোটা সামাজিক দলৰ সম্পূৰ্ণ মনোভঙ্গীৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব পাৰে, নহ'লে গ্ৰন্থ আদিৰ ৰচনা চিত্ৰাঙ্কন, ভাস্কৰ্য, স্থাপত্য আদিৰ প্ৰায়ে "সাংস্কৃতিক কাৰ্য কলাপ" বুলি অভিহিত বিষয়ৰ বেলিকাও এই শব্দ প্ৰয়োগ কৰা যাব পাৰে। নৃতত্ত্ব আৰু সমাজতত্ত্বৰ প্ৰভাৱত এই শব্দৰ প্ৰথম অৰ্থটো যথেষ্ট প্ৰচলিত হৈছে কিন্তু এতিয়াও দ্বিতীয় অৰ্থটোহে সাৰ্বজনীনভাৱে গৃহীত হৈ আছে।

বৰ্তমানৰ বিশ্লেষণত 'সংস্কৃতি' শব্দটো দ্বিতীয় অৰ্থতহে প্ৰয়োগ কৰা হ'ব। "সংস্কৃতিমূলক গ্ৰন্থপাঠ" কথা ফাকিৰ তাৎপৰ্য হ'ল—আবেগিক আৰু বুদ্ধিগত প্ৰয়োজন পূৰণ কৰিবলৈ মুখ্যতঃ ৰসোপলব্ধিৰ উদ্দেশ্যেৰে গ্ৰন্থপাঠ কৰা হয়; এনে গ্ৰন্থপাঠৰ প্ৰভাৱ বৰ বিবাট বা আকস্মিক ধৰণৰ নহয়, বৰং এটা সু-সম মনৰ গঠন বিন্যাসতই অনবৰত প্ৰভাৱ বিয়পায় থাকে। দ্বিতীয়তে সমাজত নিজৰ প্ৰতিষ্ঠা বঢ়োৱাৰ ইচ্ছাৰ প্ৰয়োজন পূৰণ কৰিবলৈ আৰু বিশেষ বিশেষ সামাজিক দলবোৰৰ স্বাৰ্থ সংৰক্ষনৰ বাবে অনবৰত প্ৰয়োজনীয় সামাজিক যোগ্যতা অৰ্জনৰ উদ্দেশ্যেও সংস্কৃতিমূলক গ্ৰন্থপাঠ কৰা হয়।

এইদৰে এনে গ্ৰন্থপাঠ কৰা সমাজ সম্পূৰ্ণভাৱে অচল বা তেনেই গতিশীল ধৰণৰ নহয়, কিন্তু এনে সমাজত যথেষ্ট পৰিমাণৰ পৰিৱৰ্তন হোৱাৰ লক্ষণ থাকে। অৱশ্যে এই পৰিৱৰ্তন সাধন কৰে সমাজৰ কেতবোৰ শ্ৰেণী বা দলে আৰু ইয়াৰ ফলত সমগ্ৰ সমাজৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা বুলি অবিলম্বে ধৰি লোৱা নহয়। আমি যদি কোনো সমাজত "সংস্কৃতিমূলক গ্ৰন্থপাঠ" কৰাৰ চিনাকি পাওঁ তেন্তে আমি ধৰি লওঁ যে এনে সমাজত স্থনি-

শিচতভাৱে এদল সুৰুচিসম্পন্ন বা আজৰি থকা লোক আছে, আৰু এই সমাজত জাতি-ভেদ প্ৰথাৰ প্ৰভাৱ বৰ বেছি নাই, কিয়নো এনে প্ৰথা থকা সমাজ সকলো পৰিৱৰ্তনৰ বিৰোধী আৰু এনে সমাজত বুদ্ধিগত ভঙ্গীতকৈ প্ৰতীকধৰ্মী ভঙ্গীহে অধিক বৃদ্ধি পায়। তথাপি এই অৰ্থত সংস্কৃতিও এক প্ৰকাৰৰ প্ৰতীক বিশেষ আৰু ইয়াৰ অৰ্থ হ'ল এয়ে যে উচ্চতৰ সামাজিক শ্ৰেণীৰ লোক হ'বলৈ হ'লে তেনে লোকৰ মন আৰু বুদ্ধিৰ কেতবোৰ যোগ্যতা থাকিব লাগিব। সংস্কৃত লোক ৰাজহুৱা নেতা নহয়, বিশেষকৈ সন্ধিক্ষণত এনে লোকে কেতিয়াও বাইজৰ নেতৃত্ব নকৰে, কিন্তু এনে লোকে প্ৰায়ে উপদেষ্টা, প্ৰবীণ ৰাজনীতিজ্ঞ, নিৰ্ভৰযোগ্য অসামৰিক বিষয়া, সুবিজ্ঞ পণ্ডিত আৰু সাহিত্যিক, দেশ বিদেশত ভ্ৰমণ কৰা সুশিক্ষিত ব্যৱসায়ী, ব্যাপক অভিজ্ঞতাসম্পন্ন আইনজীৱী বা চিকিৎসক আৰু "সংকীৰ্ণ দৃষ্টি-ভঙ্গীৰ উৰ্দ্ধত থকা" ধৰ্মযাজক আদি হিচাপে সমাজত ঠাই পাব পাৰে।

এই অৰ্থত "সংস্কৃতি"ৰ কথা ভাবিলেই নগৰ অঞ্চলত ভব্য মহল বা গাঁৱত মনোৰম ভূ-সম্পত্তি, সুৰুচিসম্পন্ন চহকী লোক, আৰু স্বীকৃত আৰু বিশ্লেষিত সামাজিক দায়িত্ববোধৰ চিত্ৰ উদয় হয়। ইয়াৰ দ্বাৰা ক্ষিপ্ৰতাবৰ্জিত প্ৰগতি আৰু জীৱন যাত্ৰাৰ লৌকিক কালৰ প্ৰতি ভাল পোৱাটো সূচোৱা হয়, কিন্তু লৌকিকতা প্ৰীতিক সুৰুচি আৰু সুবিবেচনাৰ অভিব্যক্তি বুলি গণ্য কৰা হয়। লগতে ই হ'ল নিজক আৰু নিজৰ দলক "আনৰপৰা" আছুতীয়া কৰাৰ বাবে থকা ইচ্ছাৰ প্ৰকাশ বিশেষ, নীতিৰ ফালৰপৰা ই গণতান্ত্ৰিক হ'ব পাৰে, কিন্তু আচৰণ বা বিজ্ঞতাৰ ফালৰপৰা হ'লে নহয়। সংস্কৃতিৰ এনে অৰ্থত এনেবোৰ যুগলৈ মনত পৰে যেতিয়া সমাজত উচ্চ খাপৰ লোকে নিজৰ মাতৃ-ভাষাৰ সলনি আন এটা ভাষা ব্যৱহাৰ কৰিবলৈ ভাল পায়, যেতিয়া এমুঠি সুখী লোকেহে মাথোন বিদেশ ভ্ৰমণ কৰাৰ সুবিধা পায় আৰু যেতিয়া প্ৰগতিসমূহ ৰাইজৰ বাবে, কিন্তু সমূহ ৰাইজৰ দ্বাৰা নহয়।

এই অৰ্থত সংস্কৃতি হ'ল মুষ্টিমেয় মানুহৰ, বহুজনৰ নহয়। ইয়াৰ লগত এটা পিতৃসুলভ পৃষ্ঠ-পোষকতাৰ মনোভাব জড়িত থাকে, স্বৈৰতন্ত্ৰী আৰু নিষ্ঠুৰ ধৰণৰ একনায়কত্বৰ মনোভাৱ নাথাকে। এনে সমাজত সংস্কৃত লোকসকলে মাথোন নিজৰ স্বাৰ্থ পূৰণ কৰিবলৈ বিচাৰে, কিয়নো

তেওঁলোকৰ বিশ্বাস যে তেওঁলোকৰ সংস্কৃতিয়ে সমগ্ৰ দলৰে উপকাৰ সাধন কৰে। তেওঁলোকৰ ব্যক্তি স্বাতন্ত্ৰ্যও হ'ল আনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাতকৈ নিজৰ মানষিক উৎকৰ্ষতা সাধনৰ মাধ্যম। কিন্তু এনে মনোভঙ্গীৰ ফলত প্ৰায়ে আনৰ ওপৰত প্ৰভাৱ বিস্তাৰৰ অদমনীয় ইচ্ছাৰো উদ্ৰেক হোৱা লক্ষ্য কৰা যায়।

পছিমীয়া সভ্যতাৰ বুৰঞ্জীত নৱ অভ্যুদয় আৰু মানৱীয় অনুভূতিৰ নৱন্যাসৰ যুগত সাধাৰণতে এই ধৰণৰ সাংস্কৃতিক দৃষ্টি-ভঙ্গীৰ উদয় হোৱা বুলি প্ৰায়ে মন্তব্য কৰা হয়। প্ৰাচীন যুগৰপৰা ইয়াৰ বাবে প্ৰেৰণা লাভ কৰা হয়; প্ৰাচীন যুগত ই আছিল মানুহৰ বৌদ্ধিক ক্ষেত্ৰত আবদ্ধ আৰু সমাজ শাস্ত্ৰৰ ফালৰপৰা ক'বলৈ গ'লে দাসত্ব প্ৰথাৰ ভেটিত গঢ়ি উঠা প্ৰাচীন যুগৰ সমাজ আৰু পশ্চিম ইউৰোপৰ নৱ যুগৰ সমাজৰ মাজত বিৰাট ব্যৱধান আছিল আৰু সেই হেতুকে দুয়ো যুগৰ সমাজ সম্পূৰ্ণভাৱে তুলনীয় নহয়।

প্ৰাচীন যুগ আছিল তুলনাত কম গতিশীল আৰু আংশিকভাৱে সেই হেতুকেই বোধহয় এই যুগত সূক্ষ্মবিজ্ঞানৰ প্ৰতি মানুহৰ আগ্ৰহ কম আছিল। এই সূক্ষ্মবিজ্ঞানৰ প্ৰগতিয়ে মধ্য যুগত মানুহৰ সাৰ্বজনীন ভাৱধাৰা থানবান কৰি দিয়াত আটাইতকৈ অধিক প্ৰভাৱ বিস্তাৰ কৰে আৰু নৱ অভ্যুদয়, মানৱীয় অনুভূতি আৰু সংস্কাৰৰ যুগত মানুহৰ সংস্কৃতিৰ প্ৰতি আগ্ৰহ একমাত্ৰ বুদ্ধিগত বুলি ধৰি লোৱাটো তেনেই ভুল হ'ব। এই যুগ কেইটাৰ অপেক্ষাকৃত অধিক সামাজিক প্ৰভাৱ অতিশয় সক্ৰিয় হৈ উঠিছিল আৰু প্ৰাচীন যুগৰ সমাজত এনে দৃষ্টান্ত কোনো সময়তে বিচাৰি পোৱা নাযাব।

নতুন যুগৰ মানুহে প্ৰাচীন যুগৰ স্থবিৰ মনোভঙ্গী আৰু বাস্তৱতাৰ গোপন ৰহস্য জনাৰ অদমনীয় আগ্ৰহৰ মাজত এটা সামঞ্জস্য সাধন কৰিবলৈ বিচাৰিছিল। বাস্তৱ ৰহস্যবোৰক এতিয়া আৰু মানুহৰ বৈৰী বুলি ধাৰণা কৰা নহৈছিল, বৰং কেতবোৰ বিধি অনুসৰি এইবোৰক মানুহে নিজে ৰূপ দি ল'ব পাৰে বুলি বিবেচনা কৰা হৈছিল। ব্যাপকতম

অৰ্থত 'ক'বলৈ গ'লে এই সময়ত মানুহে নিজে এটা অপেক্ষাকৃত উদাৰ পৰিধিত নিজৰ বিকাশ সাধন কৰিবলৈ চেষ্টা কৰিছিল ; ফলত প্ৰকৃতি আৰু নিজৰ সমাজৰ আন মানুহৰ প্ৰতি থকা ধৰণৰ আমূল পৰিৱৰ্তন কৰি লবলগীয়া হৈছিল। ইয়াৰ কাৰণে মানুহে নিজৰ সকলো শক্তি আৰু প্ৰবৃত্তিৰ বিকাশ সাধন কৰি চৰম লক্ষ্য হিচাপে জীৱনৰ ওপৰত আগতকৈ অধিক নিয়ন্ত্ৰণ বিস্তাৰ কৰিবলগীয়া হৈছিল।

এইবোৰৰ ভিতৰত বুদ্ধিৰ বিকাশ সাধনকেই আটাইতকৈ অধিক সম্ভাৱনাপূৰ্ণ বুলি বিবেচনা কৰা হৈছিল। যুক্তিৰ বলেৰে মানুহে প্ৰকৃতিৰ প্ৰক্ৰিয়াবোৰ উপলব্ধি কৰিব পাৰিছিল ; যুক্তিয়ে বিশ্বব্ৰহ্মাণ্ড নিয়ন্ত্ৰণ কৰিছিল আৰু মানুহে নিজৰ বুদ্ধিৰ পৰিপূৰ্ণ বিকাশ সাধন কৰিব পাৰিলে বিশ্বব্ৰহ্মাণ্ডৰ গোপন ৰহস্যবোৰৰ সন্ভেদ উলিয়াব পাৰিছিল। কলাৰ প্ৰতি অপেক্ষাকৃত অধিক প্ৰত্যক্ষ দৃষ্টি-ভঙ্গী গ্ৰহণ কৰিলেও সেই একে লক্ষ্যকে সাধন কৰিব পৰা বুলি ধাৰণা কৰা হৈছিল, আৰু বোধহয় এই দৃষ্টি-ভঙ্গী আছিল অধিক ব্যক্তিগত ধৰণৰ আৰু সমগ্ৰ সামাজিক দলৰ অধিকতৰ জৰুৰী স্বাৰ্থ পূৰণৰ বাবে ইয়াক প্ৰত্যক্ষভাৱে স্থানান্তৰযোগ্য বুলি বিবেচনা কৰা হোৱা নাছিল।

বাস্তৱ দৃষ্টি-ভঙ্গী গ্ৰহণ কৰিলে মানুহ অধিক আত্মস্থ ভাৱাপন্ন হোৱাৰ সলনি অধিক বহিৰ্গামী হয় বুলি কোৱা হয়। এইদৰে মানুহৰ আবেগৰ পৰিধি নানাফালে বিয়পি পৰে, অৱশ্যে এই আবেগৰ গভীৰতা হয়তো হ্ৰাস পায়। মানুহৰ মানসিক প্ৰবৃত্তি বহিৰ্গামী হোৱাৰ ফলত বোধহয় মানসিক সংঘৰ্ষৰ ভাব হ্ৰাস পাইছিল আৰু সেই হেতুকে মানুহৰ অন্তৰত থিতাপি লোৱা উদ্বেগ অধিক গতিহীন ধৰণৰ মনোচিত্ৰত প্ৰতিবিম্বিত হোৱা নাছিল।

এইদৰে ভক্তিমূলক গ্ৰন্থপাঠ হ'ল অধিক পৰিমাণে প্ৰত্যক্ষ আবেগিক অনিশ্চয়তাৰ পৰিণাম, কিন্তু সংস্কৃতিমূলক গ্ৰন্থপাঠৰ বাবে আগৰেপৰা কিছুদূৰ মনৰ গঠন বিন্যাস গঢ়ি উঠাৰ প্ৰয়োজন হয়। ধৰ্মতত্ত্ব, দৰ্শন আইন, বিজ্ঞান, প্ৰাচীন সাহিত্য আদিৰ প্ৰতি নিৰ্দিষ্ট বিধৰ ৰুচি গঢ়ি উঠে। মধ্য যুগৰ তুলনাত এতিয়া মানুহৰ শক্তি কিছুদূৰ প্ৰবাহিত হোৱাৰ সুবিধা ওলায়, অৱশ্যে বাস্তৱতে এই প্ৰক্ৰিয়া মাত্ৰভেদমূলকহে, সম্পূৰ্ণ ধৰণৰ নহয়।

এই পৰিবৰ্তনৰ বাৰ্তাবহ শ্ৰেণী আছিল ডা-ডাঙৰীয়া, বিদ্বান আৰু বণিকসকল। নৱযুগৰ ভাবধাৰা পৰিপূৰ্ণভাৱে বিকশি উঠাৰ লগে লগে শিক্ষিত সম্প্ৰদায়ৰ প্ৰভাৱ, গুৰুত্ব আৰু সংখ্যা বৃদ্ধি পাইছিল। নৱযুগ আছিল চিন্তাতকৈ অধিক কামৰ সময়। এইদৰে কাৰ্যতৎপৰতা অকল যে সাধন আৰু লক্ষ্যৰ মাজত থকা সম্পৰ্ক বা ইয়াৰ কাৰ্যকৰী সমস্যাতে আবদ্ধ আছিল এনে নহয়, সকলো কামৰে খুতি-নাতি পৰীক্ষা কৰাত, বিকাশৰ প্ৰয়োজন, যুদ্ধৰ যুক্তিযুক্ততা, শাসক আৰু শাসিতৰ মাজত থকা সম্পৰ্ক আদি সম্বন্ধেও বিচাৰ কৰা হৈছিল।

এই যুগৰ বাতাবৰণ আছিল নীতিমূলক, কিন্তু নতুন নতুন ঘটনাৱলীয়ে নতুন নতুন ধৰণৰ নৈতিক প্ৰশ্নৰ সৃষ্টি কৰিছিল আৰু এইদৰে মধ্যযুগৰ অপেক্ষাকৃত সুস্পষ্ট নৈতিক ব্যৱস্থাৰ ঠাইত নতুন নীতিৰ প্ৰৱৰ্তন হৈছিল আৰু এইবোৰৰো সুবিধা-অসুবিধাৰো সম্বন্ধে বহলভাৱে অলোচনা আৰু পৰ্যালোচনা কৰা হৈছিল। এই বহুৰূপিতা জীৱনৰ সকলো ক্ষেত্ৰতে বিয়পি পৰিছিল। কোনো আৱিষ্কাৰ বা নতুন তথ্যসন্ধেদৰ বিষয়ে ৰচিত পুথিত প্ৰথমতে ধৰ্ম আৰু দৰ্শনৰ ফালৰপৰা সেইবোৰৰ গুৰুত্ব বিবেচনা কৰিব আৰু বাস্তৱ বৰ্ণনাত সেই সম্পৰ্কীয় সন্দেহৰ ভাববোৰ সন্নিবিষ্ট কৰা হ'ব। আইনৰ বৰ্ণনাত আইনৰ দৰ্শনক অধিক ঠাই দিয়া হ'ব; আনকি সূক্ষ্ম বিজ্ঞানবোৰকো অকল মানৱ জীৱনৰ লগত থকা সম্পৰ্কৰ বাবেই নহয়, এটা নিৰ্দিষ্ট নৈতিক শৃঙ্খলা সম্পন্ন বিশ্বব্ৰহ্মাণ্ডৰ অঙ্গ হিচাপেহে বিবেচনা কৰা হ'ব।

আমাৰ বৰ্তমান যুগৰ তুলনাত নৱযুগ আছিল বিচিত্ৰ ৰহণেৰে বোলোৱা। এই যুগে জানিছিল আশা আৰু নিৰাশা, সুখ আৰু দুখ, সাফল্য আৰু ব্যৰ্থতা, আৰু আটাইতকৈ ডাঙৰ কথা, এই যুগ আছিল জীৱনৰ অফুৰন্ত প্ৰেৰণাৰে ভৰপূৰ। আমাৰ বৰ্তমান যুগৰ তুলনাত এই যুগৰ পৰিধি আছিল অধিক আহল-বহল, অৱশ্যে এই যুগত মধ্যযুগৰ ভক্তি আৰু আবেগৰ গভীৰতা ক্ৰমে কমি গৈছিল। এই যুগৰ মানুহ পৈনত হ'বলৈ লৈছিল, কিন্তু পৈনত হৈ উঠা নাছিল।

সামাজিক বিকাশ এটা সু-সম শ্ৰেণীবদ্ধ প্ৰক্ৰিয়া নহয়, সেইহেতুকে সমাজৰ গঠনবিন্যাস অধিক জটিল ধৰণৰ হোৱা বাবে সমাজৰ

শ্ৰেণীভেদ অধিক স্পষ্ট হৈ উঠিছিল আৰু সামাজিক ব্যৱধানো বৃদ্ধি পাইছিল। মধ্যযুগৰ অপেক্ষাকৃত সৰল সমাজ ব্যৱস্থাৰ তুলনাত এই যুগত এই প্ৰক্ৰিয়া অধিক স্পষ্টভাৱে পৰিলক্ষিত হৈছিল। এইদৰে নৱযুগৰ নৈতিক আৰু ৰাজনৈতিক সমস্যাৰ ওপৰত মানুহে অধিক গুৰুত্ব আৰোপ কৰিছিল, অৱশ্যে এইবোৰক ধৰ্ম আৰু দৰ্শনৰ ফালৰ-পৰাহে বিবেচনা কৰা হৈছিল। আধুনিক যুগৰ তুলনাত এই সম্পৰ্কীয় বিচাৰধাৰা আছিল অধিক ব্যাপক ধৰণৰ; আজিকালি অন্ততঃ বুদ্ধি-গত দৃষ্টিকোণৰপৰা নৈতিক আৰু ৰাজনৈতিক সমস্যাৰ সংখ্যা নৱযুগৰ তুলনাত তেনেই কমি গৈছে।

নৱযুগত বুদ্ধিৰ পৰিধি আগতকৈ বৃদ্ধি পোৱাত অতীতৰ শক্তিবোৰে প্ৰায়ে বিৰোধিতা কৰিছিল, এইবোৰ শক্তিয়ে ধৰ্মতত্ত্বৰ ভূমিকা হ্ৰাস পোৱাত আপত্তি কৰিছিল। মধ্যযুগৰ পুথিভঁৰালত নৱন্যাস আৰু সংস্কাৰ যুগৰ পুথি-ভঁৰালত পৰিণত হোৱাটো স্পষ্টভাৱে লক্ষ্য কৰিব পাৰি। এনে পুথিভঁৰালৰ আকাৰ আৰু বিষয়-বস্তুৰ সংখ্যা আগতকৈ বৃদ্ধি পাইছিল। ছপাকলৰ আৱিষ্কাৰেও ইয়াত বিশেষভাৱে সহায় কৰিছিল। তদুপৰি এতিয়া মঠ বা গীৰ্জাৰ গ্ৰন্থাগাৰৰ ঠাই লৈছিল ডা-ডাঙৰীয়া, পৌৰ প্ৰতিষ্ঠান আৰু বিশ্ববিদ্যালয়ৰ পুথিভঁৰালবোৰে।" লগতে পুথিভঁৰালৰ পাঠক শ্ৰেণীৰো সামাজিক মৰ্যাদাৰ পৰিৱৰ্তন হোৱা লক্ষ্য কৰা হৈছিল। এতিয়া পুথি-ভঁৰালৰ পাঠকশ্ৰেণী অকল ধৰ্মযাজক বা ধৰ্মগুৰু শ্ৰেণীতে আবদ্ধ নাছিল, ডা-ডাঙৰীয়া আৰু ক্ৰমে প্ৰতিপত্তি বাঢ়ি অহা মধ্যবিত্ত শ্ৰেণীৰ পাঠকেও পুথিভঁৰালৰ সুযোগ ল'বলৈ আৰম্ভ কৰিছিল কিন্তু সাধাৰণ শ্ৰেণীৰ ৰাইজ হ'লে প্ৰায়ে আঁতৰি আছিল। অৱশ্যে সুতাৰ বা বাঢ়ৈ শ্ৰেণীৰ দুই-এজনে মাজে সময়ে পুথিভঁৰালৰ সুযোগ নোলোৱাকৈ থকা নাছিল। পাঠক সমাজৰ বিস্তৃতি হোৱাটো ভালদৰে বিচাৰি উলিয়াব পৰা যায় আৰু ইয়াৰ ফলত গ্ৰন্থৰ উৎপাদন বৃদ্ধি পায়, পুথিভঁৰালৰ সংখ্যা আৰু আয়তন বৃদ্ধি পায় আৰু পাঠকৰ সংখ্যাও বাঢ়ি যায়। এই বিষয়ৰ প্ৰায় সঠিক হিচাপ দিয়াটোও সম্ভৱপৰ, কিন্তু সাধাৰণভাৱে ক'বলৈ গ'লে পঞ্চদশ শতিকাত পাঠকৰ সংখ্যা আছিল শতকৰা

মাধোন কেইভাগমান, কিন্তু অষ্টাদশ শতিকাত এই সংখ্যা শতকৰা প্ৰায় ১৫।২০ ভাগলৈ বৃদ্ধি পাইছিল।

প্ৰায় ১৫৫০ শতিকাত এটা প্ৰতিনিধিমূলক পুথিভঁৰালত ১৬৩ খন ধৰ্মগ্ৰন্থ, ৩৩ ভাষাতত্ত্বৰ, ১৯ খন দৰ্শনৰ, ৭ খন বুৰঞ্জীমূলক আৰু ৩ খন আইনৰ পুথি আছিল।

লুথাৰৰ মতে একোটা ভাল পুথিভঁৰালত অন্ততঃ চাৰিটা ভাষাৰ (গ্ৰীক, লেটিন, হিব্ৰু আৰু জাৰ্মান) ধৰ্মশাস্ত্ৰ, পৌত্তলিক আৰু খৃষ্টান কৰিসকলৰ ৰচনা আৰু ব্যাকৰণ অনুশীলনৰ বাবে এনে শ্ৰেণীৰ বক্তা-সকলৰ বক্তৃতামালা, কলা, আইন, চিকিৎসাশাস্ত্ৰ আৰু ইতিহাস (ইতিবৃত্তান্ত আৰু সাধাৰণ বুৰঞ্জী) থাকিব লাগে।

প্ৰায় ১৫৫০ চনৰ আৰু এটা পুথিভঁৰালত (ইয়াত ১,০০০ পুথি আছিল) আইনৰ গ্ৰন্থ, বিশেষকৈ ৰোমান আইনৰ পুথিৰ বৰ্দ্ধিত সংখ্যা, গ্ৰীক আৰু ৰোমৰ প্ৰাচীন সাহিত্য, বুৰঞ্জী, ডাণ্টে, পেট্ৰাৰ্কা, গুইক-চাৰদিনি, মেকিয়াভেলী, ৰচাৰী, ৰিউখ্‌লিন, হাটেন আদিৰ দৰ্শন, সাহিত্য আদিৰ গ্ৰন্থ, ভূগোল, প্ৰকৃতিতত্ত্ব, গণিত, জ্যোতিষ, সঙ্গীত আৰু চিকিৎসাশাস্ত্ৰৰ পুথি আছিল। লগতে ফলিত জ্যোতিষ আৰু জনপ্ৰিয় অলৌকিক বিদ্যাৰো এটা শাখা আছিল।

এইদৰে যুক্তিবাদে ক্ৰমে নিজৰ প্ৰভাৱ বিস্তাৰ কৰি আহিছিল আৰু এই যুক্তিবাদ আছিল সৰ্বজনীন ধৰণৰ; ইয়াৰ ভালেখিনি এতিয়াও ইউৰোপৰ মাধ্যমিক আৰু উচ্চশিক্ষা ব্যৱস্থাত অটুট থকা দেখিবলৈ পোৱা যায়।

প্ৰসঙ্গক্ৰমে তুলনাৰ বাবে ইয়াতে উল্লেখ কৰিব পাৰি যে ষষ্ঠদশ শতিকাৰ এটা প্ৰতিনিধিমূলক মঠৰ গ্ৰন্থাগাৰত মুঠ ৪২ টা শাখাৰ ভিতৰত তলত উল্লেখ কৰা ধৰণে এইবোৰ শখাত ধৰ্মৰ লগত প্ৰত্যক্ষ সম্পৰ্ক নথকা বিষয়ৰ পুথি আছিল:

শাখা ১৭ শ—১২ শ : জুচ কেননিকাম [স্মৃতিশাস্ত্ৰ]
,, ২৬ শ—২৭ শ : হিষ্টৰীয়া চেক্ৰা এট প্ৰক’না [লৌকিক ইতিহাস]
,, ২৮ শ : ইকোনমিকা [অৰ্থশাস্ত্ৰ]

শাখা ৩১ শ : জুচ কেননিকাম স্মৃতিশাস্ত্ৰ]
" ৩৫ শ —৩৬ শ : মেডিচিনা [ চিকিৎসাশাস্ত্ৰ ]
" ৩৮ শ —৪৩ শ : গ্ৰামাটিকা, ৰেটৰিকা, ডাইয়েলেক্টা, পয়েটাচ [ ব্যাকৰণ, ছন্দ, ভাষাতত্ত্ব, কৱিতা ]
" ৪৪ শ : ভকেবুলেৰিয়া [ শব্দতত্ত্ব ]
" ৪৫ শ : কৰ্পাচ জুৰিচ চিভিলিচ, লিগাচ নেশ্যনাম জাৰ্মানিকেৰাম [ দেৱানী আইন, জাৰ্মানীৰ জাতীয় আইন ] ।
" ৪৬ শ : এৰিথমেটিকা, জিঅ'মেট্ৰিকা, এষ্ট্ৰনমিয়া, *মিউজিকা [গণিত, জ্যামিতি, জ্যোতিষ, সঙ্গীতশাস্ত্ৰ]* ।

পিচত নৱযুগত এই পৰিৱৰ্তন আৰু স্পষ্ট হৈ পৰে । ১৭৪০, ১৭৭০ আৰু ১৮০০ চনত জাৰ্মানীত গ্ৰন্থ-উৎপাদনৰ শতকৰা হাৰবপৰা তলত দিয়া ধৰণৰ তথ্য পোৱা যায় ;

| | ১৭৪০ | | ১৭৭০ | | ১৮০০ |
|---|---|---|---|---|---|
| ক ধৰ্ম তত্ত্ব | ৩৮·৫৪ | ক | ২৭·৪৭ | চ | ২১·৪৫ |
| খ আইন | ১২·৮৫ | চ | ১৬·৪৩ | ক | ১৩·৫৫ |
| গ বুৰঞ্জী, ভূগোল | ১১·৩৮ | গ | ৯·৬১৫ | গ | ১০·৫০ |
| ঘ চিকিৎসাশাস্ত্ৰ | ৬·৬২ | ঘ | ৭·৯৫ | ঘ | ৮·১৩৫ |
| ঙ দৰ্শন | ৫·৮৩ | ট | ৬·২০৬ | ঢ | ৮·০৬ |
| চ কলা আৰু বিজ্ঞান | ৫·৮৩ | খ | ৫·৩৩ | ট | ৭·১১ |
| ছ সাধাৰণজ্ঞান | ৫·২৯৮ | ঢ | ৫·২৪ | খ | ৫·০২ |
| জ জনপ্ৰিয় নীতিবচনা | ৩·৩১ | ছ | ৪·৪৬ | দ | ৪·০৯ |
| ট গণিত আৰু প্ৰকৃতি বিজ্ঞান | ৩·৩১ | ধ | ৩·৫৯ | জ | ৩·৯৭ |
| ঠ প্ৰাচীন ভাষাতত্ত্ব | ২·৪৫ | জ | ৩·৪১ | ঙ | ৩·৬৬ |
| ড ৰাজনীতি-বিজ্ঞান | ১·৩৪ | ঠ | ৩·০৬ | ড | ৩·৬২ |
| ঢ কৃষি-বিদ্যা | ১·০৬ | ঙ | ২·৯৭ | ঠ | ৩·০৪ |

| | | ১৭৪০ | | ১৭৭০ | | ১৮০০ |
|---|---|---|---|---|---|---|
| ণ | বাস্তৱ কাৰ্যবিধি | ০'৯৩ | ড | ২'৮০ | ধ | ২'৫৬৭ |
| ত | ভাষাতত্ত্ব | ০'৬৬২ | দ | ১'৭৫ | ণ | ২'০৬ |
| দ | শিক্ষা | ০'৫৩৫ | ণ | ১'৪০ | ছ | ১'৪৪ |
| ধ | জনপ্ৰিয় আলোচনী | ০'২৭ | ত | ১'৪০ | ত | ১'০০ |

আটাইতকৈ লক্ষ্য কৰিবলগীয়া কথা হ'ল ধৰ্মতত্ত্বৰ বিষয়ে লিখা পুথিৰ সংখ্যা হ্ৰাস আৰু সাহিত্যিক ৰচনাৰ সংখ্যা বৃদ্ধি; লগতে চিকিৎসা আৰু সূক্ষ্ম বিজ্ঞানৰ পুথিৰ সংখ্যাও ক্ৰমে বাঢ়ি যোৱা লক্ষ্য কৰা যায়। সামাজিক চেতনা বৃদ্ধি পোৱাই আছিল সাহিত্যৰ প্ৰতি ধাউতি বঢ়াৰ কাৰণ, *কিয়নো উপন্যাসত "আনে" কেনেকৈ জীৱন নিৰ্বাহ কৰে তাৰ চিত্ৰ ফুটাই তোলা হৈছিল।* এইদৰে চাবলৈ গ'লে উপন্যাস আছিল সমাজশাস্ত্ৰৰ অগ্ৰদূত, কিন্তু এই সময়ৰ উপন্যাসত সমাজৰ উচ্চখাপৰ লোকৰ মনত খাপখোৱা ধৰণৰ চিত্ৰহে ফুটাই তোলা হৈছিল। সি যি কি নহওক, ই আছিল "বাস্তৱতাৰ" পিনলৈ আগবঢ়া এটা পদক্ষেপবিশেষ আৰু সূক্ষ্ম বিজ্ঞানবোৰেও আন পদ্ধতিৰে এই বাস্তৱতাৰে অনুশীলন কৰিছিল।

মানুহৰ মন যুক্তিবাদী হোৱাৰ ফলত ৰুচিও বহুমুখী হ'বলৈ বাধ্য হৈছিল। আনহাতে সমাজৰ অপেক্ষাকৃত নিম্নস্তৰৰ লোকসকলক ধৰ্মগ্ৰন্থৰ প্ৰত্যক্ষ আবেগমূলক প্ৰেৰণাই অধিক আকৃষ্ট কৰিবলৈ লৈছিল।

সমাজৰ বিৱৰ্তনত এইটো এটা লক্ষ্যনীয় কথা। সকলো সমাজৰ বুৰঞ্জীতে এই অৱস্থাৰ কিছুদূৰ পুনৰাবৃত্তি হৈ থকা যেন দেখা যায়। পছিমীয়া সভ্যতাত আমি ক্ৰমে মানুহৰ মনোভাৱৰ পৰিৱৰ্তন হোৱা লক্ষ্য কৰিব পাৰোহঁক; সেয়ে হ'ল অমূৰ্ত চিন্তনৰ প্ৰতি আগ্ৰহৰ মাত্ৰা হ্ৰাস আৰু বাস্তৱতাৰ সকলো প্ৰকাশ আৰু ৰূপৰ প্ৰতি ক্ৰমে সচেতনা বৃদ্ধি; অৱশ্যে অমূৰ্ত চিন্তন একেবাৰে নাইকিয়া হৈ যোৱা বুলিও ক'ব নোৱাৰি। এই পৰিৱৰ্তনৰ ফলত অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত হৈ মানসিক চিত্ৰৰ প্ৰকাশ অধিক সুস্পষ্ট ধৰণৰ হোৱাটো স্বাভাৱিক। মানুহ পৰিপক্ক হৈ উঠাৰ লগে লগে নিজৰ মানস ক্ষেত্ৰত অভিজ্ঞতাৰ ভূমিকা গুৰুত্বপূৰ্ণ

হৈ পৰে; আনহাতে সমাজ ব্যৱস্থা অধিক জটিল ধৰণৰ হোৱা হেতুকে মানুহে নিজৰ আচৰণৰ আহিঁ অধিক যুক্তিসঙ্গত কৰি ল'বলৈ বাধ্য হয়।

একোখন সমাজত সেই সমাজ ব্যৱস্থাত থকা ব্যক্তিৰ মৰ্যাদাই তেওঁৰ আচৰণ আদিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। সমাজৰ অপেক্ষাকৃত উচ্চ স্তৰত মানুহৰ পাৰস্পৰিক সম্পৰ্ক স্থাপনৰ প্ৰশ্নই মানৱীয় কাৰ্য-কলাপত অধিক স্থান পায় আৰু এইবাবে কিছুপৰিমানে যুক্তিসঙ্গত জ্ঞানৰ প্ৰয়োজন অধিক গুৰুত্বপূৰ্ণ হৈ পৰে। এইদৰে একোজন ব্যক্তিৰ সামাজিক মৰ্যাদাৰ ওপৰত আংশিকভাৱে তেওঁৰ মানসিক নক্সাৰ প্ৰকাশ নিৰ্ভৰ কৰেঃ মধ্যবিত্ত আৰু উচ্চ মধ্যবিত্ত শ্ৰেণীৰ লোকে মনোভঙ্গী আৰু আচৰণত অধিক যুক্তিৰ পৰিচয় দিয়ে, আনহাতে নিম্নখাপৰ লোকসকলৰ মানসিক গঠনবিন্যাসৰ কাৰণে কল্পনা আৰু বিশ্বাস অধিক গুৰুত্বপূৰ্ণ হয়, কিয়নো এই শ্ৰেণীৰ লোক উচ্চতৰ শ্ৰেণীৰ তুলনাত সামাজিক বিৱৰ্তনৰ দ্বাৰা অনবৰত বা আমূলভাৱে প্ৰভাৱান্বিত হৈ নাথাকে।

এইহেতুকে সামাজিক ক্ৰম বিৱৰ্তনৰ বিভিন্ন স্তৰত গ্ৰন্থপাঠৰ ক্ষেত্ৰতো একে ধৰণৰ আহিঁ আমি লক্ষ্য কৰোহঁক; অৱশ্যে কেতবোৰ ক্ষেত্ৰতহে এই সাদৃশ্য প্ৰয়োগ কৰিব পাৰি, আনবোৰ কথাত হ'লে ই প্ৰযোজ্য হ'ব নোৱাৰে। দৃষ্টান্ত স্বৰূপে সমাজৰ বিভিন্ন স্তৰত সংস্কৃতিৰ সাধাৰণ মান পৃথক ধৰণৰ হয়। তথাপি আমি ইয়াৰ পিচত বিবেচনা কৰা কেতবোৰ প্ৰশ্নলৈ লক্ষ্য ৰাখি এই কথাটো মনত ৰখাটো প্ৰয়োজনীয় যে যি কোনো সমাজতে ভিন ভিন দলৰ মানুহৰ মনোভঙ্গী বিভিন্ন ধৰণৰ, গতিকে এই বিষয়ত সাধাৰণভাৱে এটা চমু ধৰণৰ নীতি অনুসৰণ কৰাৰ সপক্ষে যুক্তি নাই আৰু মানুহৰ মনৰ প্ৰয়োজন স্থায়ী আৰু সমান বুলিও ধৰি ল'ব নোৱাৰি। সামাজিক দৃষ্টি-ভঙ্গীৰপৰা চাবলৈ গ'লে মানুহৰ ৰুচি বিভিন্ন ধৰণৰ।

নৱযুগৰ ৰচনাৱলীৰ এটা সুস্পষ্ট লক্ষ্য আছিল—মানুহৰ বিকাশ সাধন, জ্ঞানদান, মানুহৰ নৈতিক আৰু কলা সম্পৰ্কীয় বিচাৰ ক্ষমতা উন্নীতকৰণ আৰু মানুহৰ মনৰ পৰিধিৰ প্ৰসাৰ সাধন। এই উদ্দেশ্যে এই যুগত পুথিও লিখা হৈছিল। অৱসৰ বিনোদন বা আবেগিক

অভাৱ পূৰণৰ অভিপ্ৰায় লৈ এইবোৰ ৰচিত হোৱা নাছিল। এতিয়াও গ্ৰন্থপাঠৰ বাবে পাঠকৰ অধ্যাৱসায়ৰ প্ৰয়োজন হৈছিল আৰু প্ৰায়ে এই বুলিও সঁকিয়াই দিয়া দেখা যায় যে অধ্যয়ন কৰা গ্ৰন্থৰ কলেৱৰতকৈ সেইবোৰৰ গুণহে অধিক গুৰুত্বপূৰ্ণ। লিপিবদ্ধ ৰচনাই মানুহক উচ্চ স্তৰলৈ উন্নীত কৰি নীতি উপদেশ দি, মাৰ্জিত কৰি তুলিব পাৰে বুলি বিবেচনা কৰা হৈছিল। গতিকে গ্ৰন্থ অনবৰত মনন আৰু অনুশীলনৰ বস্তু বুলি গণ্য কৰা হৈছিল।

লাহে লাহে সাফল্যমূলক জ্ঞানৰ প্ৰতি অধিক গুৰুত্ব আৰোপ কৰিবলৈ লোৱা হয়। ১৭০২ চনত ব্ৰাঞ্চউইক-লুনেবাৰ্গৰ ডিউকে এই বুলি মন্তব্য কৰিছিল যে পুথিভঁৰাল এটা সাধাৰণ তথ্যৰ ভঁৰাল, স্মৃতি-শক্তিৰ সাহায্যকাৰী, ছপোৱা মহাকেজখানা, আটাইতকৈ দক্ষলোকসকলৰ আটাইতকৈ বিচক্ষণ চিন্তাধাৰাৰ প্ৰতিলিপি বিশেষ হ'ব লাগে আৰু ই হ'ব লাগে সকলো কলা আৰু বিজ্ঞানৰ সংগ্ৰহালয়—যাৰ সহায় লৈ আনকি আটাইতকৈ সুদক্ষ ব্যক্তিয়েও নিজৰ অধিকতৰ উন্নতিৰ বাবে সুবিধা পাব পাৰে। এইদৰে পুথিভঁৰালক একপ্ৰকাৰে সাৰ্বজনীন বিশ্বকোষ বিশেষ বুলি বিবেচনা কৰা হৈছিল।

সময়ৰ বিৱৰ্তনৰ লগে লগে জ্ঞানৰ আধিক্যই অধিক প্ৰাধান্য লাভ কৰিবলৈ ল'লে। জ্ঞানৰ আধিক্যৰ ওপৰত গুৰুত্ব দিয়াৰ ফলত মানুহৰ ব্যক্তিত্বৰ সামঞ্জস্যমূলক পূৰ্ণাঙ্গ বিকাশৰ প্ৰশ্নৰ গুৰুত্ব ক্ৰমে কমি যাবলৈ ধৰিলে। নিভাঁজ সংস্কৃতিমূলক অধ্যয়ন হ'ল ব্যক্তিগত কথা, কিয়নো ব্যক্তিৰ পৰিপূৰ্ণ বিকাশৰ প্ৰশ্নটো সমষ্টিৰ স্বাৰ্থৰ বাহিৰৰ কথা, অৱশ্যে দাৰ্শনিক দৃষ্টি-ভঙ্গীৰ ফালৰপৰা দুয়োটাৰ মাজত সামঞ্জস্য থকা বুলি ধৰি লোৱা হয়। ব্যক্তিৰ বিকাশৰপৰা চাবলৈ গ'লে জ্ঞানৰ আধিক্যৰ প্ৰশ্নটো গৌণ। যি জ্ঞানৰ সহায়ত ব্যক্তিয়ে নিজৰ অন্তৰ্নিহিত আটাইবোৰ শক্তিৰ পৰিপূৰ্ণ আৰু সঙ্গতিপূৰ্ণ বিকাশ সাধন কৰি সেইবোৰৰ প্ৰয়োগ কৰিব পাৰে সেইটোহে আটাইতকৈ প্ৰয়োজনীয়।

কিন্তু সমাজৰ গঠনবিন্যাস জটিল হৈ অহাৰ লগে লগে ক্ৰমে অধিক পৰিমাণে সমষ্টিৰ স্বাৰ্থৰ আগত ব্যক্তিৰ স্বাৰ্থ তল পেলোৱাটো

অধিক প্ৰয়োজনীয় হৈ পৰিল। ফলত জ্ঞানৰ গুণতকৈ মাত্ৰাধিক্যৰ প্ৰশ্ন অধিক গুৰুত্ব হৈ পৰিল; আন কথাত ক'বলৈ গ'লে এতিয়া জ্ঞান আৰু অধিক মূৰ্তভাৱে অনুশীলন কৰাটো আৱশ্যকীয় হৈ পৰিল।

পাঠকৰ ফালৰপৰা চাবলৈ গ'লে ৰচনাসংক্ৰান্ত কেতবোৰ মুখ্য মুখ্য প্ৰশ্ন লৈ বিবেচনা কৰি চাব লাগিব। পাঠকৰ বুদ্ধিৰ কাৰণে যে প্ৰত্যক্ষভাৱে খোৰাকিৰ প্ৰয়োজন, তাত সন্দেহ নাই; কিন্তু সাধাৰণ পাঠকৰ ক্ষেত্ৰত এই কথাৰ প্ৰভাৱ বৰ বেছি বুলি ধৰি লোৱাটোও উচিত নহ'ব। তথাপি ৰচনাৰ প্ৰভাৱশালী মহৎ ভাবৰ শব্দৰ গাঁথনি, একোটা একোটা সংজ্ঞাৰ সঙ্গতিপূৰ্ণ উপস্থাপন বা নতুন কথাৰ সূক্ষ্ম আৰু বাস্তৱ বৰ্ণনাৰ দ্বাৰা পাঠকৰ মন আকৃষ্ট হয়।

কিন্তু এইখিনিৰ বাহিৰে জ্ঞানৰ প্ৰয়োজন প্ৰায়ে উদ্দেশ্য সাধন কৰা; আনকি এই ক্ষেত্ৰত প্ৰত্যক্ষভাৱে বুদ্ধিগত বা অনুভূতিগত সন্তুষ্টি লাভ নহ'লেও জ্ঞান লাভৰ হকে চেষ্টা কৰা হয়। বাস্তৱ বা সামাজিক অৱস্থাৰ প্ৰতিকাৰৰ মূল প্ৰেৰণা লৈ জ্ঞানৰ অনুশীলন কৰিলে এনে অৱস্থা পৰিলক্ষিত হয়। এনে অৱস্থাত জ্ঞানলাভৰ সুফল সম্বন্ধে পাঠক অনবৰত সজাগ হৈ থাকে আৰু অধ্যয়ন ভাল নেলাগিলেও তেওঁ তাকে কৰিবলৈ বাধ্য হয়। ইয়াৰ পৰিণাম স্বৰূপে এনে ধৰণৰ জ্ঞান লাভৰ বাবে কৰা অধ্যয়নৰ ফলত পাঠকৰ মনত বা অনুভূতিৰ ক্ষেত্ৰত সমাজতে সংঘৰ্ষৰ বা অসন্তুষ্টিৰ ভাব সৃষ্টি হ'ব পাৰে; আমাৰ শিক্ষাপদ্ধতি অনুসৰি গ্ৰন্থপাঠ কৰিবলগীয়া হোৱা ব্যৱস্থাত স্থায়ী ধৰণে এনে পৰিস্থিতিৰ সৃষ্টি হয়। অৱশ্যে আগৰ তুলনাত বৰ্তমান যুগত ইয়াৰ মাত্ৰা কিছুদূৰ হ্ৰাস পাইছে।

এইক্ষেত্ৰতো আকৌ ক্ৰমে মানুহৰ মনোজগতত এটা সমতা প্ৰতিষ্ঠাৰ লক্ষণ দেখা যায়। বাস্তৱ বা সামাজিক অৱস্থাৰ প্ৰতিকাৰ সাধন হ'লে এই উদ্দেশ্যে জ্ঞানলাভৰ মাত্ৰা হ্ৰাস পায়। এইদৰে চাবলৈ গ'লে জ্ঞানৰ ওপৰত আৰোপ কৰা গুৰুত্ব এটা সামাজিক প্ৰক্ৰিয়া। ই স্থায়ী ধৰণৰ নহয়, মানুহৰ অনুভূতিৰ ভেটিত ইয়াৰ পৰিৱৰ্তন ঘটি থাকে।

শেহান্তৰত সমগ্ৰ মানৱ সমাজেই এটা সমতা স্থাপনৰ বাবে গতি কৰিব। তেতিয়া প্ৰয়োজন আৰু প্ৰত্যক্ষ অনুভূতিমূলক সন্তুষ্টিৰ আধাৰত মানৱ সমাজত জ্ঞানৰ ভূমিকা নিৰ্ণীত হ'ব।

সংস্কৃতিমূলক অধ্যয়নৰ যুগত অনুভূতিৰ সন্তুষ্টিৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়, আনহাতে সাফল্য অৰ্জনৰ বাবে মানুহে অভিযান চলোৱা সময়ত জ্ঞানৰপৰা হ'ব পৰা ফলাফলৰ ওপৰত বিশেষকৈ গুৰুত্ব দিয়া হয়। ইয়াৰ অৰ্থ হ'ল এয়ে যে অপেক্ষাকৃত ব্যক্তিধৰ্মী যুগত সংস্কৃতিমূলক অধ্যয়নৰ প্ৰভাৱ বৃদ্ধি পায় আৰু সমাষ্টিধৰ্মী যুগত সাফল্যমূলক অধ্যয়নৰ প্ৰতি অধিক মন দিয়া হয়। পাশ্চাত্য সভ্যতাত দ্বিতীয় বিধৰ অধ্যয়ন প্ৰথম বিধৰপৰা বিকশিত হয়; আৰু পছিমীয়া সমাজে প্ৰায় এনেদৰে আচৰণ কৰি আহিছে জানিবা ব্যক্তিৰ প্ৰয়োজনসূচী প্ৰত্যক্ষভাৱে পূৰণৰ কাৰণে সাফল্যমূলক অধ্যয়ন ন'হলেই নচলেহে, অৱশ্যে এইটো একেবাৰে সঁচা বুলিও ধৰি ল'ব নোৱাৰি। ব্যক্তি আৰু সামাজিক দলৰ প্ৰয়োজনসূচীৰ লগত স্বতন্ত্ৰতা কিমানখিনি খাপ খায় সেই কথা নিৰ্ণয়ৰ বাবে কিবা জোখ মাৰিৰ দিহা কৰিব পাৰিলেহে এই মন্তব্যৰ যুক্তিযুক্ততা সম্যকভাৱে উপলব্ধি কৰিব পৰা যাব।

গ্ৰন্থপাঠৰপৰা চাবলৈ গ'লে ভক্তিমূলক অধ্যয়নক বাদ দিলে সংস্কৃতিমূলক অধ্যয়নেই তৎমুহূৰ্তত আটাইতকৈ বেছি আনন্দ দিয়ে। এনে অধ্যয়নৰ নিজা একোটা সীমা আছে হেতুকে এই আনন্দ অধিক স্পষ্টভাৱে অনুভূত হয়। নিজৰ মনৰ ইচ্ছামতে গ্ৰন্থপাঠ কৰা লোকৰ ৰুচিও বিকশিত হয় আৰু এনে পাঠকে তেওঁৰ অনুভূতি সন্তুষ্ট কৰিব নোৱাৰা ধৰণৰ পুথি পঢ়াটো ত্যাগ কৰে। এই শ্ৰেণীৰ পাঠকৰ গ্ৰন্থপাঠৰ সীমা ইয়াতকৈ বঢ়াৰ আন একো প্ৰয়োজনীয় হেতু নাথাকে।

নিজৰ মাতৃভাষাৰ বাহিৰে আন আন ভাষা আয়ত্ত কৰাৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। এসময়ত পছিমীয়া দেশবোৰত লেটিন আছিল বিদ্বান সমাজৰ ভাষা, তেতিয়া লেটিন ভাষা জানিলে সমাজত যে অকল সমাদৰ লাভ কৰা হৈছিল এনে নহয়, লেটিন ভাষাৰ বাছকবনীয়া সাহিত্যৰাজি

পাঠ কৰিও আনন্দ উপভোগ কৰিব পৰা গৈছিল। পিচত ফৰাছী ভাষায়ো এনে সমাদৰ লাভ কৰিবলৈ লয় আৰু উনবিংশ শতিকাৰ শেহ ভাগৰপৰা ইংৰাজী ভাষায়ো অনুৰূপ গুৰুত্ব লাভ কৰে। বৰ্তমানে বিশ্বৰ ভিন ভিন অঞ্চলত আন আন ভাষাবোৰেও ক্ৰমে গুৰুত্বপূৰ্ণ আসন অধিকাৰ কৰিবলৈ লৈছে। এই আটাইবোৰ ভাষাৰ সাহিত্য অতিশয় চহকী, গতিকে এনে একোটা ভাষা আয়ত্ত কৰি ল'ব পাৰিলে সেই ভাষাৰ সাহিত্যৰ লগত ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰিব পৰা যায়।

বিদ্যোৎসাহী বা সংস্কৃতিসম্পন্ন লোকৰ আদৰ্শ হ'ল অকল ভাষাৰ জ্ঞান লাভ কৰাৰ বাবে একো একোটা ভাষা আয়ত্ত কৰি লোৱা। সাফল্যমূলক জ্ঞানৰ প্ৰভাৱ অধিক হ'লে ভাষাৰ জ্ঞান লক্ষ্যসাধনত উপায় হৈ উঠে। ইয়াৰ শেষ পৰিণাম স্বৰূপে একো একোটা কৃত্ৰিম ভাষাৰ প্ৰচাৰ কৰিবলৈ লোৱা হয়; কিন্তু সংস্কৃতিৰ বিশুদ্ধ অনুশীলনকাৰী সকলৰ পক্ষে এনে কথা ভয়াবহ, কিয়নো তেওঁলোকে গ্ৰন্থপাঠৰ কাৰ্য্যকৰী সাধনতকৈ ভাষাক সংস্কৃতিৰ বাহক বুলিহে গণ্য কৰে।

ভক্তিমূলক অধ্যয়নৰ বেলিকাও অনুৰূপ সমস্যাৰ উদ্ভৱ হয়: সংস্কৃতি-মূলক অধ্যয়ন মানুহৰ প্ৰয়োজন-সূচীৰ লগত কিমানখিনি খাপ খায়? নাইবা ই অকল অতীতৰ কোনোবা যুগৰ অৱশেষ আৰু বিশেষ ধৰণৰ সমাজ-ব্যৱস্থাত উদ্ভৱ হোৱা বস্তুনেকি?

পৰিসংখ্যাৰ ফালৰপৰা ইয়াৰ সমিধান দিবলৈ হ'লে স্পষ্টভাৱে দেখা যায় যে এই ক্ষেত্ৰতো মাত্ৰাৰ হীন-দেৰি আপেক্ষিক ধৰণৰহে। কাব্য, নাটক, উপন্যাস, প্ৰবন্ধ আদি মহৎ সাহিত্যৰ গ্ৰন্থসমূহ আৰু দাৰ্শনিকসকলৰ বিখ্যাত ৰচনাৱলী এতিয়াও ছপোৱা হয় আৰু সেইবোৰ নিতৌ অধ্য-য়নো কৰা হয়, লগতে এই শ্ৰেণীৰ নতুন নতুন ৰচনাবো সৃষ্টি হৈ আছে। এইবুলিও যুক্তি দেখুৱাব পাৰি যে বৰ্তমানলৈকে নৱযুগৰ সাফল্য চৰম বিন্দুত উপনীত হোৱা নাই। আগৰ যুগৰ কৱি আৰু দাৰ্শনিকসকলৰ অন্তৰ্ধান হৈছে, তেওঁলোকৰ ঠাই অধিকাৰ কৰিছে কেইগৰাকীমান সমসাময়িক কৱি আৰু দাৰ্শনিকে যি নিজৰ নিজৰ পাঠকশ্ৰেণীৰ মাজত অনুৰূপ ভাৱাবেগৰ আলোড়ন তুলিব দিব পাৰে।

অৱসৰৰ অভাৱত অথবা আধুনিক জীৱন যাত্ৰাৰ গতি আৰ্থিক প্ৰয়াসত কেন্দ্ৰীভূত হোৱা হেতুকে এনে অৱস্থাৰ সৃষ্টি হ'ব পাৰে। ইয়াৰ ফলত *আধুনিক জীৱন নাটকীয় সংঘৰ্ষৰপৰা বঞ্চিত হৈছে আৰু আমাৰ নৈতিক দৃষ্টিকোণ আগতকৈ অধিক সহনশীল হোৱা বাবে* আগৰ তুলনাত আমাৰ সন্মুখত দেখা দিয়া সংঘৰ্ষৰ মাত্ৰাও কমি গৈছে। আনহাতে আকৌ আধুনিক জীৱনৰ গতি কৃত্ৰিম আৰু স্পন্দন অস্বাভাৱিক হোৱা হেতুকে নতুন নতুন ধৰণৰ হতাশাৰ সৃষ্টি হৈছে আৰু সেইবোৰ আধুনিক সঙ্গীত, উপন্যাস আৰু কথাছবিত ভালদৰে প্ৰতিফলিত হোৱা দেখিবলৈ পোৱা গৈছে; অৱশ্যে কাব্যদৰ্শন বা চিত্ৰাঙ্কনত হয়তো ইয়াৰ মাত্ৰা তুলনাত কিছু কম হ'ব।

সংস্কৃত ৰুচিৰ লোকেহে পিচত উল্লেখ কৰা কলাবোৰৰ ৰস ল'ব পাৰে, কিন্তু এনে লোকৰ সংখ্যা ক্ষিপ্ৰ গতিৰে কমি গৈছে আৰু আমাৰ সমাজ-ব্যৱস্থাত অপেক্ষাকৃত অধিক মাত্ৰাত ব্যক্তিবাদৰ সৃষ্টি নহ'লে এই শ্ৰেণীৰ লোকৰ সংখ্যা পুনৰ বৃদ্ধি পাব নোৱাৰে; বৰ্তমান যুগত তেনে অৱস্থা উদ্ভৱ হোৱাৰ সম্ভাৱনাও নাই।

উনবিংশ শতিকাৰ আৰম্ভণিতে পছিমীয়া জগতৰ এজন "সংস্কৃতি-সম্পন্ন লোকে" কি কি জনাটো উচিত বুলি বিবেচনা কৰা হৈছিল তাক এইখিনিতে উল্লেখ কৰিব পৰা যায়। এনে এজন লোকে গ্ৰীক আৰু ৰোমান প্ৰাচীন গ্ৰন্থসমূহ আৰু পাশ্চাত্য জগতৰ দৰ্শনসমূহ ভালদৰে জানিব লাগিছিল। তেওঁৰপৰা সূক্ষ্ম বিজ্ঞানসমূহৰ সম্যক জ্ঞান আশা কৰা হৈছিল আৰু ৰাজনীতি বিষয়ত তেওঁৰ সুস্পষ্ট মতামত থকা বুলিও ধৰি লোৱা হৈছিল। তেনে লোকে নিজৰ মাতৃভাষাৰ বাহিৰে অন্ততঃ আন এটা পছিমীয়া ভাষা ভালদৰে জানিব লাগিছিল আৰু সেই ভাষাৰ মুখ্য মুখ্য গ্ৰন্থসমূহ মূল ভাষাতে অধ্যয়ন কৰি তাৰ সাহিত্যৰ লগত পৰিচিত হ'ব লাগিছিল। লগতে কিছুপৰিমানে বিদেশ ভ্ৰমনো প্ৰয়োজনীয় বুলি বিবেচনা কৰা হৈছিল।

এই আটাইবোৰ উপাদানৰ সমন্বয়ৰ ফলত এক ব্যক্তি-দৰ্শন আৰু এটা আচৰণবিধি আৰু মনোভঙ্গীৰ সৃষ্টি হয় বুলি ধাৰণা কৰা হৈছিল; ইয়াৰ ফলত মানুহে কেনে আচৰণ কৰা উচিত সেই সম্বন্ধে

মানুহজনৰ জ্ঞান থকাৰ প্ৰমাণ পোৱা গৈছিল। লগতে কিন্তু তেনে মানুহৰ ব্যক্তি-স্বাতন্ত্ৰ্য গঢ়ি উঠাৰ বাবেও সুবিধা আছিল ।

এইটো দেখাদেখি কথা যে এনে সংস্কৃতি গঢ়ি উঠিবলৈ হ'লে মানুহৰ আৰ্থিক অৱস্থা নিৰাপদ হ'ব লাগিব আৰু এনে অৱস্থা একাধিক বংশ-পৰম্পৰাক্ৰমে তিষ্ঠি থাকিব বুলি এটা ধাৰণাৰ সৃষ্টি হ'ব লাগিব। এনে সংস্কৃতি সামাজিক গতিশীলতাৰ বিৰোধী নহয়, কিন্তু অপেক্ষাকৃত কম জটিল ধৰণৰ প্ৰয়োজনসম্পন্ন সমাজৰ তুলনাত এনে সমাজ গতিশীল হোৱাটো কিছু কঠিন হৈ পৰে। দ্বিতীয়তে, সমাজৰ স্পন্দন এনে ধৰণৰ হ'ব লগিব যাতে ব্যক্তি-স্বাতন্ত্ৰ্যৰ বাবে যথেষ্ট থল থাকে আৰু যাতে এজনে আনজনৰ লগত সম্পৰ্ক স্থাপন কৰোঁতেই বক্তিৰ সকলো শক্তি কেন্দ্ৰীভূত নহয়। তৃতীয়তে, *সামাজিক মৰ্যাদা লাভৰ উপৰিও ইয়াৰ বাবে কিছুদূৰ প্ৰত্যক্ষ প্ৰেৰণাৰ প্ৰয়োজন, আন ভাষাত কবলৈ গ'লে কিছু মেধা আৰু সক্ৰিয় বুদ্ধিৰো প্ৰয়োজন।*

সকলো সমাজতে এই প্ৰতিক্ৰিয়াবোৰৰ কেইটামান পৰিলক্ষিত হয়, কিন্তু কেতবোৰ সমাজত আনবোৰৰ তুলনাত প্ৰথম আৰু দ্বিতীয় বিধ প্ৰক্ৰিয়া অধিক প্ৰভাৱশালী হোৱা দেখিবলৈ পোৱা যায়। এইদৰে এই বুলি কোৱাটো যুক্তিসাপেক্ষ হ'ব যে সংস্কৃতিমূলক অধ্যয়ন সততে দেখিবলৈ পোৱা গ'লেও সংখ্যা আৰু মাত্ৰাত ইয়াৰ সমাজভেদে তাৰতম্য ঘটে।

বৰ্তমানৰ সমাজ সম্বন্ধে তলত দিয়া ধৰণে মন্তব্য কৰিব পৰা যায়ঃ

(ক) সমাজ যিমানেই সমষ্টিধৰ্মী হয় তাত সিমানেই সংস্কৃতিমূলক অধ্যয়নৰ মাত্ৰা হ্ৰাস পাব। অত্যাধিক শৃঙ্খলানুৱৰ্তিতাৰ ক্ষতিপূৰক হিচাপে এনে সমাজত স্বতঃস্ফূৰ্তভাৱে সংস্কৃতিমূলক অধ্যয়ন হ'ব পাৰে। সেইদৰে সৃজনধৰ্মী কাৰ্যতৎপৰতাৰ ক্ষেত্ৰতো সেই একে কথা প্ৰযোজ্য, কিন্তু তুলনাত ইয়াৰ মাত্ৰা কিছু কম।

(খ) কাৰিকৰী উন্নতিৰ ফলত সংস্কৃতিমূলক গ্ৰন্থৰ ৰচনা আৰু অধ্যয়ন হ্ৰাস পায়, কিন্তু আৰম্ভণিৰ কালছোৱা উকলি যোৱাৰ পিচত

"সমন্বিত" লোকসকলৰ মাজত আকৌ ইয়াৰ চাহিদা হয়। বৰ্ত্তমানৰ পছিমীয়া সমাজ ব্যৱস্থাত এতিয়াও আগৰ যুগবোৰৰ শক্তিশালী প্ৰভাৱ বৰ্তমান; এই যুগবোৰত অনুৰূপ সংস্কৃতিৰ প্ৰভাৱেই আছিল আটাইতকৈ অধিক।

(গ) সামাজিক বৈষম্যহ্ৰাসৰ ফলাফল দ্বৈতৰূপীয়া হয়ঃ এনে হ'লে মৰ্যদা বৃদ্ধিৰ আগ্ৰহ হ্ৰাস পায় আৰু ব্যক্তিবাদ বৃদ্ধি পায; তেনে অৱস্থাত উচ্চ শ্ৰেণীৰ মাজত এই ধৰণৰ কাৰ্যতৎপৰতা হ্ৰাস পাব পাৰে। কিন্তু মধ্যৱৰ্ত্তী আৰু নিম্ন শ্ৰেণীৰ মাজত হ'লে বৃদ্ধি পায।

(ঘ) সামাজিক বৈষম্য বৃদ্ধিৰ ফলাফল ইয়াৰ ঠিক বিপৰীতঃ এনে অৱস্থাত মৰ্যাদা বৃদ্ধিৰ আগ্ৰহ তুলনাত বৃদ্ধি পায়, লগতে সাংস্কৃতিক যোগ্যতা বৃদ্ধিতো উৎসাহ দেখা দিয়ে, কিন্তু সমাজৰ নিম্ন স্তৰত হ'লে হতাশৰ প্ৰভাৱ পৰে।

ব্যক্তিৰ শক্তি-গাঁথনিৰূপৰা লক্ষ্য কৰিলে দেখা যায় যে গতিশীল লোকৰ প্ৰয়োজনৰ লগত সংস্কৃতিমূলক অধ্যয়ন খাপ খায়। ইয়াৰ ক্ষেত্ৰত ভক্তিমূলক গ্ৰন্থপাঠৰ নিচিনা সংঘৰ্ষৰ সৃষ্টি নহয়, ফলত তুলনাত এই ক্ষেত্ৰত তাৰতম্যৰ মাত্ৰা বৰ বেছি নহয়। ইয়াৰ ফলত অধিক সংখ্যক পুথি সংগ্ৰহৰ ইচ্ছাই দেখা দিয়ে আৰু পুথিৰ সৌষ্ঠৱ আৰু আপুৰুগীয়া গুণৰ প্ৰতিও লক্ষ্য ৰখাৰ প্ৰৱণতা বৃদ্ধি পায়। সংস্কৃতিমূলক অধ্যয়নৰ ওপৰত অধিক গুৰুত্ব দিয়া যুগবোৰত পুথিবোৰ ধুনীয়াকৈ বন্ধোৱাৰ ওপৰত চকু ৰখা হৈছিল আৰু দুষ্প্ৰাপ্য গ্ৰন্থৰ প্ৰতিও আগ্ৰহ প্ৰকাশ কৰা হৈছিল। কিন্তু তেতিয়াও ছপোৱা সামগ্ৰীৰ প্ৰতি দৃষ্টি-ভঙ্গী অধিক মাত্ৰাত নৈতিক ধৰণৰ আছিল।

ওপৰত দি অহা মন্তব্যবোৰৰ সমৰ্থনকল্পে বেতবোৰ দৃষ্টান্ত দিয়াটো উচিত হ'ব। গ্ৰচিয়াচৰ 'ডি জুৰে বেলি এক পেচিচ' পুথিৰ প্ৰথম ইংৰাজী অনুবাদ লণ্ডনত প্ৰকাশ কৰা হয় ১৬৫৪ চনত; এই পুথিখনেই হ'ল পুথিৰ সৌষ্ঠৱমূলক দৃষ্টি-ভঙ্গীৰ এটা ভাল উদাহৰণ। প্ৰথম পিঠিত গ্ৰচিয়াচৰ "হোৱা কইট" শীৰ্ষকৰ এটা প্ৰতিকৃতি সন্নিৱিষ্ট কৰা

হয় আৰু তাৰ তলত এই ফাকি কথা দিয়া হয় :

> "তেওঁৰ চেহেৰাত বিদ্যাৰ প্ৰমাণ পোৱা নাযায়নে ?
> তেওঁৰ পুথিয়ে তাতোকৈ অধিক সাক্ষ্য দিছে ।"

তাৰ পিচত অনুবাদকে এনেদৰে পুথিখন উচৰ্গা কৰিছে: "ইংলণ্ডৰ ডাঙৰীয়াসকললৈ, তেওঁলোকৰ জ্ঞান আৰু শৌৰ্যৰ প্ৰতি বিহিত সন্মান নিবেদনপূৰ্বক তেওঁলোকৰ দাসানুদাস অনুবাদকৰ তৰফৰপৰা পুথিখন উৎসৰ্গিত হ'ল ।"

পাঠকসকলৰ বাবে অনুবাদকৰ আৰু ভালেখিনি ক'বলগীয়া আছে: "এই পুথিখনে যাতে আটাইৰে সমাদৰ লাভ কৰে সেই উদ্দেশ্যে প্ৰত্যেক শ্ৰেণীৰ পাঠকৰ কাৰণে মোৰ কিছু বক্তব্য আছে । ধৰ্ম-গুৰুসকলে ইয়াত উদাৰতা আৰু বিনয়ৰ চৰম মহিমা লৈ আন সকলো বিধৰ আইনতকৈ ধৰ্মগ্ৰন্থৰ আইন জিলিকি থকা দেখিবলৈ পাব । আমাৰ আইনজ্ঞ ডা-ডাঙৰীয়াসকলে ইয়াত স্বাভাৱিক আৰু জাতিবোৰৰ আটাইতকৈ সাধাৰণ বিধি অধ্যয়ন কৰিব পাৰিব । অসামৰিক লোকেও এই আইনৰ সজ পথৰ পদক্ষেপবোৰৰ কেতবোৰ লক্ষ্য কৰিব পাৰিব । (ৰাজনীতিজ্ঞ আৰু সৈনিকসকলে ইয়াৰ 'যুদ্ধ আৰু শান্তি' শীৰ্ষক স্তম্ভটো চালেই যথেষ্ট হ'ব । ) দাৰ্শনিক, কৱি, বক্তা আৰু ঐতিহাসিকসকলে ইয়াত তেওঁলোকৰ সুপ্ৰশস্ত উদ্যানৰপৰা বাছি অনা আটক ধুনীয়া ফুলবোৰ দেখিবলৈ পাব; এইবোৰ বাছিছে আটাইতকৈ সুদক্ষ লোক এজনে, সকলো সুবিদ্যাতে পাৰঙ্গত অদ্বিতীয় হিউগো গ্ৰচিয়াচে ।"

স্বয়ং গ্ৰচিয়াচে নিজৰ উৎসৰ্গ পৃষ্ঠাত ইয়াতকৈ কম অলঙ্কাৰপূৰ্ণ ভাষা প্ৰয়োগ কৰা নাছিল: "এই পুথিখনে সমুখত ৰাজাধিৰাজ আপোনাৰ ৰাজকীয় নাম বহন কৰিবলৈ সাহ কৰিছে, এই বিশ্বাস নিজৰ বা গ্ৰন্থকাৰৰপৰা উদ্ভৱ হোৱা নাই, ইয়াত সন্নিৱিষ্ট যুক্তিয়ে এনে সাহসৰ প্ৰেৰণা যোগাইছে । কিয়নো ই ৰচিত হৈছে ন্যায়ৰ বাবে । কিমান সঙ্গতিপূৰ্ণভাৱে আপুনি এই গুণৰ অধিকাৰী ; আপোনাৰ নিজৰ যোগ্যতা আৰু মানৱতাৰ সম্মতিক্ৰমে আপোনাৰ নিচিনা সুমহান ৰজাৰ বাবে আটাইতকৈ শোভনীয় উপাধি এটা আপুনি

লাভ কৰিছে। এতিয়া আপোনাক সকলো ঠাইতে লুডোভিক বুলি যিদৰে জনা যায়, ন্যায়পৰায়ণ বুলিও তাতকৈ কম মাত্ৰাত আপুনি জগৎবাসীৰ চিনাকি নহয়। ৰোমান সেনাপতিসকলে নিজৰ উপাধি সম্বন্ধে বৰকৈ ধ্যান দিছিল আৰু এইবোৰ সংগ্ৰহ কৰিছিল ক্ৰীট, নুমিডিয়া, আফ্ৰিকা, এচিয়া আৰু বিজিত জাতিবোৰৰপৰা। আপোনাৰ উপাধি তাতোকৈ কিমান জাকতজিলিকা, যাৰ দ্বাৰা সকলো ঠাইতে আপোনাক ঘোষণা কৰা হৈছে অন্যায়ৰ শত্ৰু বুলি আৰু (কোনো জাতি বা মানুহৰ নহয়) অন্যায়ৰ বিজয়ী বুলি। মিছৰীয় ৰজাসকলৰ একোজনক যদি পিতৃপ্ৰেমী, মাতৃপ্ৰেমী বা ভ্ৰাতৃপ্ৰেমী বুলি অভিহিত কৰা হয় তেন্তে তেওঁলোকে সেইটো বৰ সন্মানৰ কথা বুলি গণ্য কৰিছিলঃ আপোনাৰ সুনামৰ কাৰণে এইবোৰ কিমান সাধাৰণ কথা, আপোনাৰ নামত অকল এইবোৰকে যে সামৰি লোৱা হৈছে এনে নহয়, ন্যায় আৰু সন্মানজনক যি কোনো গুণৰ দ্বাৰাই আপোনাৰ নাম বিভূষিত। আপুনি ন্যায়পৰায়ণ, আপুনি সুমহান আৰু ন্যায়পৰায়ণ ৰজা আপোনাৰ পিতৃৰ আদৰ্শ অনুসৰণ কৰি তেওঁৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰে, সেই আদৰ্শৰ প্ৰেৰণা লৈ সকলো প্ৰকাৰে আপুনি আপোনাৰ ভ্ৰাতৃক শিক্ষা দিয়ে, কিন্তু আন উপায়েৰে নহয় নিজৰ দৃষ্টান্তেৰে; প্ৰায় লুপ্ত হৈ যাব ধৰা আইনবোৰ পুনৰ প্ৰৱৰ্তন কৰিও আপুনি ন্যায় বিচাৰৰ পৰিচয় দিছে আৰু অৱনতিৰ যুগৰ বিৰুদ্ধে আপুনি যথাসাধ্যে প্ৰতিবাদ কৰিও আপোনাৰ ন্যায়পৰায়ণ আসয়েৰে চানেকি দাঙি ধৰিছে..।

কিয়নো, আকাশৰ তাৰকাৰাজিয়ে অকল যে বিশ্বৰ অধিক অঞ্চলতে নিজৰ প্ৰভাৱ বিস্তাৰ কৰে এনে নহয়, সকলো প্ৰাণধাৰী জীৱকে উদ্ভাসিত কৰে; সেইদৰে আপুনি পৃথিৱীৰ ভিতৰতে আটাইতকৈ উপকাৰী তৰা, অকল ৰাজকোঁৱৰসকলক উদ্ভাসিত কৰাত, বা বাইজক শান্ত কৰাতে আপুনি ক্ষান্ত থকা নাই, আপুনি কৰুণা পৰাৱশ হৈ আনকি মোৰ বাবেও নিৰাপদ আৰু সান্ত্বনাৰ উৎস হৈ পৰিছে, অথচ মোৰ নিজৰ দেশত মোৰ প্ৰতি বেয়া ব্যৱহাৰ কৰা হৈছিল। ইয়াৰ লগতে ন্যায়ৰ দাবী পূৰণৰ বাবে আপোনাৰ ৰাজহুৱা কামৰ লগতে

আপোনাৰ ব্যক্তিগত জীৱনৰ নির্দোষ আৰু পৱিত্র স্বৰূপৰ কথাও উল্লেখ কৰা উচিত হ'ব, আপোনাৰ ব্যক্তিগত জীৱন অকল মানুহৰে নহয়, দেৱদূত সকলৰো প্রশংসাৰ যোগ্য। কিয়নো সাধাৰণ বিশ্ব-সমাজৰপৰা আছুতীয়া হৈ থকা নিম্নস্তৰৰ কিমানজন লোকে নিজকে দোষৰ স্পর্শৰপৰা মুক্ত কৰি ৰাখিব পাৰে; কিন্তু আপুনি ভাগ্যৰ বৰপুত্র আৰু চাৰিওপিনে পাপাসক্তিৰ আকর্ষণ সত্বেও নিজকে পৱিত্র কৰি ৰাখিছে। ব্যৱসায়, সমাজ, দৰবাৰ আৰু ইমানবোৰ বিভিন্ন প্রকাৰে পাপত লিপ্ত লোকৰ বাবে আছুতীয়া হৈ থাকিও আপুনি আয়ত্ত কৰা এই মহৎ গুণৰাজি কিমান আদর্শনীয় যাক লাভ কৰিবলৈ আনে সততে চেষ্টা কৰে, কিন্তু লাভ হ'লে কৰিব নোৱাৰে ? এইবাবে ইহ জীৱনতে আপোনাক অকল ন্যায়ৰ অৱতাৰ নহয়, সন্ত বুলিও অভিহিত কৰিব পৰা যায়।"

এই ধৰণৰ ৰচনা আমাৰ যুগৰ ৰচনা শৈলীৰপৰা কেবা প্রকাৰে পৃথক ধৰণৰ। প্রথমতে এনে ৰচনাৰ লয়ৰ গতি তুলনাত মন্থৰ: লেখকৰ হাতত সময়ৰ অভাৱ নাই আৰু তেওঁ পাঠককো ধীৰে-সুস্থিৰে আগবাঢ়ি যাবলৈ দিয়ে। দ্বিতীয়তে, এনে ৰচনাশৈলী অধিক অলঙ্কাৰবহুল, অধিক ব্যক্তিকেন্দ্রী আৰু তুলনাত কম গতানুগতিক ধৰণৰ।

এনে ৰচনাত অধিক আন্তৰিকতা প্রকাশ কৰিব পৰা যায়। লেখকে নিজৰ ভাবৰ তৰঙ্গত আনন্দ লাভ কৰে আৰু তেওঁ পাঠককো নিজৰ প্রেৰণাৰে অভিভূত কৰি তুলিব পাৰিব বুলি বিশ্বাস কৰে। পাঠক সমুখত উপস্থিত থকাৰ নিচিনাকৈয়ে লেখকে পাঠকৰ লগত যুক্তিতর্কৰ অৱতাৰণা কৰে। আধুনিক লেখকসকলৰ পাতনিৰ লগত এই ধৰণৰ মুখবন্ধৰ ব্যৱধান মানিব নোৱাৰা ধৰণৰ; আধুনিক পাতনিত পাঠকক প্রায়ে উপেক্ষা কৰা হয়, নহ'লেও পাঠকৰ উদ্দেশ্যে অন্তঃসাৰশূন্য দুই-চাৰিটা বাক্য সন্নিবিষ্ট কৰিয়ে দায়িত্ব পালন কৰা হয়, যেনিবা পাঠক মানুহ সমাজৰে এজন বুলি গণ্য হোৱাৰ যোগ্যই নহয়।

পুথিখন ৰজাক মানুহ স্বৰূপে সম্বোধন কৰি উছর্গা কৰাতো এই অপেক্ষাকৃত পোনপটিয়া আৰু মানৱসুলভ অনুভূতিপূর্ণ ৰচনাশৈলী

স্পষ্টভাৱে ফুটি ওলায়। পাপত আসক্ত হ'বলৈ বজাৰ সকলো প্ৰকাৰৰ সুবিধা থকা সত্ত্বেও তেওঁ পাপত লিপ্ত নোহোৱা বাবে তেওঁৰ প্ৰশংসা কৰা হয়। এই শৈলী অতিশয় আকৰ্ষণীয়, বৰ্তমানে আমাৰ ৰাষ্ট্ৰ-নেতাসকলৰ এজনে আনজনক এইদৰে প্ৰত্যক্ষ আৰু ভাই ভাই ভাৱেৰে সম্বোধন কৰাৰ কথা কল্পনাও কৰিব নোৱাৰি। আমাৰ নেতাসকলক হয়তো "ককাই" বুলি অভিহিত কৰা হ'ব পাৰে; কিন্তু আমি তেওঁ-লোকলৈ পঠোৱা চিঠি-পত্ৰত এনে ভাবৰ প্ৰেৰণা সঞ্চাৰিত হোৱাৰ দৃষ্টান্ত প্ৰায়ে দেখা নাযায়।

লক্ষ্য কৰিবলগীয়া পাৰ্থক্য হ'ল এয়ে যে এনে ধৰণৰ ৰচনাত লেখকৰ সমগ্ৰ ব্যক্তিত্বৰ অভিব্যক্তি হয়; নিঃসন্দেহে ইয়াক প্ৰকাশ কৰা হয় বিশেষ বাক্য-বিন্যাসৰ মাধ্যমেৰে; কিন্তু অতিশয় প্ৰয়োজনীয় ভাব আৰু আবেগৰ প্ৰকাশৰ উদ্দেশ্যে আনকি বিশেষ ধৰণৰ সংজ্ঞা আৰোপ কৰিও এনে বাক্য-বিন্যাসৰ প্ৰয়োগ কৰা হয়। ইয়াৰ তুলনাত আধুনিক ৰচনাত মনৰ অংশ এটাৰহে প্ৰয়োগ কৰা হয়, মনৰ এই অংশখিনিও হ'ল তেনেই ব্যক্তিকেন্দ্ৰী গুণশূন্য। অৱশ্যে আধুনিক উপন্যাসবোৰ হ'লে ইয়াৰ ব্যতিক্ৰম, ইয়াৰ দ্বাৰাই আন বিধৰ ৰচনাৰ ক্ষতি পূৰণ হয়। কিন্তু আধুনিক যুগত উপন্যাসৰ বাহিৰে আন শ্ৰেণীৰ ৰচনাত লেখকেনো কিয় কাপ হাতত ল'লে সেই কথা সাধাৰণতে স্পষ্ট-ভাৱে বুজিব পাৰা নাযায়। আনহাতে প্ৰাচীন লেখকসকলে মুহূৰ্তৰ বাবেও তেওঁলোকৰ ৰচনাৰ অভিপ্ৰায় সম্বন্ধে আমাৰ মনত ধনিষ্ঠামানো সন্দেহৰ সৃষ্টি হ'বলৈ নিদিয়ে। লেখকে নিজৰ মনন আৰু চিন্তা ধাৰাৰ লগত পাঠকৰ পৰিচয় কৰাই দিবলৈ বিচাৰে আৰু তেওঁৰ মনন শক্তিৰ গুৰুত্বই পাঠকৰ মন আকৰ্ষণ কৰিব পাৰিব বুলি আশা কৰে। এই সম্পৰ্ক এজন মানুহে আন এজন মানুহৰ লগত পতা সম্পৰ্কৰ নিচিনা; এজন প্ৰস্তুতকাৰক উদ্যোগপতিয়ে নিজৰ নিৰ্দিষ্ট মানৰ পণ্যসামগ্ৰী বজাৰত উলিয়াই দি যিমানদূৰ সম্ভৱ অধিক সংখ্যক গ্ৰাহকে তাক পাব বুলি বিশ্বাস কৰাৰ নিচিনা কথাৰ লগত ইয়াৰ মিল নাই। এনে লেখকৰ নিজৰ পাঠক সম্বন্ধে স্পষ্ট ধাৰণা নাথাকে আৰু তেওঁৰ ৰচনাতো

পাঠকৰ বাবে তেওঁৰ আগ্ৰহৰ একো লক্ষণ ফুটি ওলোৱা দেখা নাযায়। অৱশ্যে সাফল্যমূলক গ্ৰন্থপাঠৰ যোগেদি প্ৰত্যক্ষভাৱে আবেগিক সন্তুষ্টি বিচৰা নহয়, কিন্তু কিয় বিচৰা নহয়, সেইটো বিবেচনাৰ যোগ্য।

প্ৰাচীন লেখকসকলৰ ৰচনাৰ লগত লেখকৰ ব্যক্তিত্বৰ অধিক সম্পৰ্ক থকা হেতুকে তেনে ৰচনা পঢ়ি পাঠকৰ সহজতে আমনি নালাগে। এনে ৰচনাৰ ক্ষেত্ৰত পাঠকে গতানুগতিক ধৰণৰ শৈলীৰ লগত নিজকে খাপ খুৱাই ল'বলগীয়া নহয়, এনেদৰে খাপ খুৱাই ল'বলগীয়া হ'লে পাঠকৰ মনত কিছু বিৰোধ আৰু বিৰক্তিৰ উদ্ৰেক হয়। আনহাতে আকৌ প্ৰাচীন গ্ৰন্থবোৰ অধ্যয়ন কৰোতে অধিক সময়ৰ প্ৰয়োজন হয়; এনে ধৰণৰ পুথিৰ পাতবোৰ লুটিয়াই চাই লৈ কেইঘণ্টামানৰ ভিতৰতে 'ইয়াক পঢ়া' বুলি ক'ব নোৱাৰি। যিবোৰ পুথিৰ বিষয়বস্তু অভ্যন্ত পাঠকে নিজৰ মনৰ বিভিন্ন স্তৰত ততালিকে প্ৰৱেশ কৰাব পাৰে তেনেবোৰ পুথিৰ ক্ষেত্ৰতহে এই কথা প্ৰযোজ্য। প্ৰাচীন লেখকসকলৰ ৰচনা অধিক ব্যক্তিকেন্দ্ৰী হোৱা হেতুকে এইবোৰ পুথি ততালিকে অধ্যয়ন কৰি সন্তুষ্টি লাভ কৰিব নোৱাৰি। কিন্তু এনে পুথিৰ এটা সুবিধা হ'ল— পাঠকে লেখকৰ লয়ৰ তালত নিজক অধিক মাত্ৰাত খাপ খুৱাই ল'বলগীয়া হ'য়। কম সময়ৰ ভিতৰতে ভালেমান পুথি খৰখৰকৈ পঢ়ি অঁতাবলগীয়া হ'লে মানসিক সংঘৰ্ষৰ সৃষ্টি হয়, কিয়নো এনে প্ৰক্ৰিয়াই পাঠকৰ আবেগৰ প্ৰয়োজন পূৰাব নোৱাৰে।

পাঠকৰ নৈতিক চৰিত্ৰৰ ওপৰত ৰচনাৰ প্ৰভাৱ কেনে ধৰণৰ হয় সেই সম্বন্ধে নৱ যুগৰ লেখকসকলৰ বিশেষ আগ্ৰহ আছিল। হোমাৰৰ অ'ডিছীৰ অনুবাদত পোপে তাৰে কেইটামান প্ৰামাণ্য দৃষ্টান্ত দিছে:

"এবাৰ নিজকে এৰি দিলে যেতিয়া আৰু সতীত্ববো ওৰ পৰিল, তেওঁ নিজে ইচ্ছা কৰি কামনাৰ বলি হ'ল। আনকি এই পৰপুৰুষগামিনী তিৰোতাজনী এতিয়া মন্দিৰলৈ গ'লেও তেওঁৰ প্ৰাৰ্থনা হ'ল অপবিত্ৰ আৰু সংকল্প অন্তঃসাৰশূণ্য; মূৰ্তি, সাজপাৰ, আ-অলঙ্কাৰ আটাইবোৰতে পাপৰ ৰূপ ফুটি ওলাল, বেদীৰ ধুনাৰ গোন্ধো কলুষিত হৈ পৰিল।"

এই কথাফাকিৰ লগতে পোপে তলত দিয়া টোকাটি সন্নিবিষ্ট কৰি দিছে:

"কৰি আৰু ক্লিটেম্‌নেষ্ট্ৰাৰ কাহিনীত এটা সুন্দৰ নৈতিক দৃষ্টান্ত দেখিবলৈ পোৱা যায়; সৎসঙ্গৰপৰা আমাৰ গুণৰাশি উন্নত কৰিবলৈ আমি কেনে সুবিধা পাওঁ তাক ইয়াত বঢ়িয়াকৈ চিত্ৰিত কৰা হৈছে, ক্লিটেম্‌নেষ্ট্ৰাৰ গুৰু আছিল জ্ঞানী, সেই হেতুকে তেৰোঁ সতী আছিল; গুৰুৰ জ্ঞানেই আছিল তেওঁৰ সতীত্বৰ কাৰণে অভেদ্য ৰক্ষাবেহ। সুদীৰ্ঘ সময়ৰ পিচতহে তেওঁ পাপত লিপ্ত হৈছিল; সতীত্ব আৰু সন্মানবোধে ভালেমান দিন ধৰি সংগ্ৰাম চলাইছিল; কিন্তু পৰপুৰুষৰ লগত ব্যভিচাৰ কৰাৰ পিচতে' তেওঁ নিজৰ গিৰীয়েকক হত্যা কৰাত সহায় কৰিছিল; ইয়াৰপৰা আমি আৰু এটা নৈতিক দৃষ্টান্ত পাওঁহক; সেইটো হ'ল—এটা পাপ কৰিলে আমি আন এটা পাপ কৰিবলৈ বাধ্য হওঁহক আৰু যেতিয়া আমাৰ সন্মান বোধৰ বেৰখন ভাগি-ছিগি যায় তেতিয়া আমি যি কোনো কামনাৰে দাস হৈ পৰোহঁক।"

অৱশ্যে এই ক্ষেত্ৰত বিপৰীত ফালটোও চাব লাগিব; সদ গুণ এটা শ্ৰেণীবিশেষৰ বিশেষ অধিকাৰ হিচাপে দেখা যাব।

"সুস্থিৰভাৱে জাহাজখন চলাই নিবলৈ, ধুমুহা প্ৰবল হৈ উঠিলে আৰু ফেনে-ফোটোকাৰে সাগৰ ওফন্দি পৰিলেও জাহাজৰ গতি থিৰে ৰাখিবলৈ তুই ভৰি মেলি নাবিক ফ্ৰন্টিজ আগবাঢ়ি গ'ল। (ফ্ৰেন্টিজ আছিল আটা-য়েৰে প্ৰশংসাৰ পাত্ৰ)।"

এই সম্বন্ধে পোপে এইদৰে মন্তব্য কৰিছে: "(একে সময়ৰে হোমাৰৰ ফৰাচী টিপ্পনিকাৰ) ডেচিয়াৰে এই বুলি আপত্তি কৰিছে যে নাবিক এজনৰ নিচিনা নগন্য মানুহ এজনৰ বিষয়ে ইমান বাহুল্য বৰ্ণনা দিয়াত কেতবোৰ সমালোচকে হোমাৰক নিন্দাৰ পাত্ৰ বুলি বিবেচনা কৰে। এই প্ৰসঙ্গত এইখিনি ক'লেই যথেষ্ট হ'ব যে সেই যুগত কলাৰ বৰ আদৰ আছিল; আৰু যিসকল লোক এনে কলাৰ অধিকাৰী আছিল তেওঁলোকক বৰ সন্মান কৰা হৈছিল। তদুপৰি আজি-কালিৰ নিচিনা কলাজ্ঞান ইতৰ লোকৰ মাজতে আবদ্ধ নাছিল: সমুদ্ৰযাত্ৰা সম্পৰ্কত ইউলিচিচৰ নিচিনা গণ্য-মান্য লোকেও জাহাজ এখন সাজি উলিয়াইছিল; গতিকে ইয়াত লাজ কৰিব-লগীয়া একো কথা নাই।"

হোমাৰবৰ্ণিত ভোজ এটা সম্পৰ্কেও পোপে তেনে সূক্ষ্ম অনুভূতিপূৰ্ণ মন্তব্য কৰিছে :

“হোমাৰে প্ৰায়ে আমোদ-প্ৰমোদৰ বৰ্ণনা দিয়া হেতুকে তেওঁ টিপ্পনিকাৰসকলৰ আটাইতকৈ হাঁহিয়াতৰ পাত্ৰ হৈ আহিছে; এইবুলিও বায় দিয়া হৈছে যে এনে বৰ্ণনা দিয়াত হোমাৰৰ আনন্দ আছিল অসাধাৰণ, কিয়নো তেওঁ ছেগ পালেই ইয়াব বৰ্ণনা দিয়াব লোভ সামৰিব নোৱাৰে। হোৰেচৰ সেই ফাকি কৰিতাৰ সূত্ৰ ধৰি হোমাৰৰ ভোজনবিলাস সম্বন্ধে সন্দেহ নোহোৱাকৈ থকা নাই:

‘খোৱা বস্তুৰে, বিভিন্ন ৰুচিৰ আহাৰ্যই মানুহৰ জিভাৰ পানী উলিয়ায়’।’

“কিন্তু আমি আৰু অধিক শক্তিশালী প্ৰমাণ নোপোৱাকৈ তেওঁক নিন্দা কৰাটো উচিত নহ’ব; নিজে মদাহী বা খঁকুৱা নহৈও মানুহে ভুৰি ভোজন বা সুস্বাদু সুৰাৰ প্ৰশংসা কৰিব পাৰে।

“চেঁচা আহাৰ্যৰ বৰ্ণনা সম্বন্ধে ডেচিয়াৰে বৰ কষ্টেৰে সপক্ষে যুক্তি দেখুৱাৰ চেষ্টা কৰিছে; তেওঁৰ ভয় হয় জানোচা পাঠকে সেই আহাৰ আগৰ দিনৰ ভোজৰ অৱশেষ বুলি ধৰি লয়; গতিকে তেওঁ আমাক কৈছে যে সেই আহাৰ্যবোৰ হয়তো আমাৰ যুগৰ ‘কল্ড টং’, ‘জাম্বন’ আদিৰ নিচিনা বস্তু আছিল। কিন্তু মোৰ বোধেৰে এনে ভয়ৰ বাবে একো যুক্তি নাই। সেই পুৰণি যুগৰ আচাৰ-ব্যৱহাৰ সম্বন্ধে লক্ষ্য কৰিলে এই কথা স্পষ্ট হৈ পৰিব; যদিহে সেই যুগত চেঁচা মঙহ ভোজত খোৱা ৰীতি আছিল (তেনে মঙহক আন দিনৰ অৱশেষ বুলি ভবাৰ একো প্ৰয়োজন নাই) তেন্তে তেনে আহাৰ্য যোগোৱা বাবে টেলিমেকাচৰ আতিথ্যৰ ওপৰত একো চেকা পৰিব নোৱাৰে।”

নিজৰ বচনাই পাঠকৰ মনৰ ওপৰত কেনে প্ৰভাৱ পেলাব পাৰে তেনে সূক্ষ্ম অনুভূতি আধুনিক লেখক বা অনুবাদকে নাজানে বুলি ক’লেও বঢ়াই কোৱা নহ’ব।

তদুপৰি ইয়াৰ দ্বাৰা অধিক সমন্বয়ৰ আভাস পোৱা যায়," অৰ্থাৎ গ্ৰন্থপাঠৰ পিচত কিছু সময় নিৰৱে মনন কৰা উচিত যাতে তাৰ ফলত পুথিত থকা প্ৰকৃত মূল্যবান কথাখিনি মনে সামৰি ল'ব পাৰে। অৱশ্যে থাইৰেগডে তেওঁৰ 'বাইবেলৰ সাংস্কৃতিক প্ৰক্ৰিয়া' শীৰ্ষক পুথিত ইয়াৰ এটা আমোদজনক দৃষ্টান্ত দিছে:

অষ্টম শতিকাৰ মাজভাগত প্ৰকাশিত জামান অধ্যয়ন নিৰ্দেশিকাত লিখা হৈছে যে পুথিভঁৰাল ওৰে দিন ধৰি মুকলি কৰি ৰাখিব নালাগে, কিয়নো মাজে-সময়ে মুকলি বতাহৰ বৰ প্ৰয়োজন হয়:

"হে প্লেটো, তোমাৰ লগত ঘণ্টাৰ পিচত ঘণ্টা ধৰি অবিৰাম সময় কটালোঁ, তাৰ বাবে মই প্ৰায় লজ্জিত। মুকলি আকাশ মোৰ লক্ষ্য হওক, *বৰং মই নৈৰ পাৰত বা ঘাঁহনি পথাৰত খোজ কাঢ়িম আৰু কেনেকৈ মনোৰম ফুলবোৰ বিকশি উঠে আৰু কাঁড়ায়ে কিদৰে ধেনু টোৰাঁয়* তালৈ লক্ষ্য কৰিম।"

নৱযুগৰ শেহৰ পিনে ব্যক্তিগত দৃষ্টি-ভঙ্গাতকৈ যুক্তিগত দৃষ্টি-ভঙ্গীৰ ওপৰত অধিক গুৰুত্ব দিবলৈ লোৱা হ'ল। তথাপি তেতিয়াও লেখকে পাঠকক নিৰ্দিষ্ট ব্যক্তি হিচাপে গণ্য কৰিছিল:

"স্থায়ী শান্তি।"—(ইমানুয়েল কাণ্ট)

"গিৰ্জাঘৰৰ আঙ্গন-চিত্ৰত ওলন্দাজ অতিথি শালাৰ এই ব্যঙ্গাত্মক ফলিখন সমগ্ৰ মানৱ জাতিক উদ্দেশ্য কৰি আঁৰি থোৱা হৈছিলনে, নাইবা যুদ্ধলিপ্সু ৰাষ্ট্ৰৰ শাসকসকলৰ প্ৰতি বিশেষ লক্ষ্য ৰাখি থোৱা হৈছিল, অথবা ইয়াৰ উদ্দেশ্য একমাত্ৰ চিৰশান্তিৰ মধুৰ সপোনৰ ৰাগীত বলিয়া দাৰ্শনিকসকল আছিল সেই কথা স্থিৰ কৰাটো সম্ভৱপৰ নহয়। সি যিয়েই নহওক, এই ৰচনাত ৰচকে তলত উল্লেখ কৰা চৰ্তত ইয়াক প্ৰকাশ কৰিছে।

"বাস্তৱবাদী ৰাজনীতিজ্ঞই নিজৰ প্ৰতি যিমানেই আত্মসন্তুষ্টিৰ মাত্ৰা অনুভৱ কৰে তিমানেই আদৰ্শবাদীৰ প্ৰতি বিদ্ৰূপৰ দৃষ্টি-ভঙ্গী অৱলম্বন কৰে। তেওঁৰ চকুত আদৰ্শবাদী জ্ঞানীমূৰ্খৰ বাহিৰে আন একো নহয়, তেনে লোকৰ অদ্ভুত ধাৰণাৰ দ্বাৰা ৰাষ্ট্ৰ শাসন ব্যৱস্থা ক্ষুণ্ণ হ'বলৈ দিব নোৱাৰি,

ৰাষ্ট্ৰ শাসনৰ বাবে অভিজ্ঞতালব্ধ নীতিৰ প্ৰয়োজন; আদৰ্শবাদীক নিৰীহ লোক বুলি ধৰি লৈ শাসকসকলে তেনে লোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ নকৰি মত প্ৰকাশৰ অধিকাৰ দিয়ে। ইয়াৰ ক্ষেত্ৰতো এই ব্যৱস্থা প্ৰয়োগ কৰাটো সহজ; ৰাষ্ট্ৰৰ কৰ্ণধাৰ যুক্তিবাদী হৈয়েই নিজৰ মতে চলক, যদিহে কেনেবাকৈ এই ৰচনাত তেওঁ নিজৰ মতৰ বিপৰীতে কিবা ভাৱধাৰা লক্ষ্য কৰে তেন্তে তাৰপৰা ৰাষ্ট্ৰৰ বিপদ হ'ব বুলি যেন ধৰি নলয়, একো উচ্চাকাংক্ষা নোহোৱাকৈ আৰু অবাধে ইয়াত মত প্ৰকাশ কৰা হৈছে আৰু সেই হেতুকে লেখকে ইয়াৰ যি কোনো বিৰুদ্ধ ব্যাখ্যাৰপৰা ৰক্ষা পৰিব বুলিও আশা কৰিছে।"

গ্ৰন্থকাৰ আৰু পাঠকৰ মাজৰ সম্পৰ্ক সম্বন্ধে এনেধৰণৰ দৃষ্টান্ত অবিচ্ছিন্নভাৱে দি যোৱাৰ লোভ সামৰা টান, কিন্তু কেইটামানৰ বাহিৰে অধিক দৃষ্টান্ত দিয়াটো সম্ভৱপৰ নহয়। এই সমগ্ৰ বিষয়টোত ভালেমান আকৰ্ষণীয় সমাজ-তাত্ত্বিক সম্ভাৱনা সন্নিৱিষ্ট আছে আৰু তাৰে কেইটামানহে ক্ৰমত খটুৱা হৈছে। কিন্তু বৰ্তমানৰ অনুশীলনৰ বাবে এই বিষয়ত অধিক বৰ্ণনা দিয়াতো সম্ভৱপৰ নহয়; তেনেই সাধাৰণ ধৰণৰ কেইটামান কথা লৈহে ইয়াত বিবেচনা কৰিব পৰা গৈছে।

———

## পঞ্চম অধ্যায়

# সাফল্যমূলক আৰু পৰিপূৰক গ্ৰন্থপাঠ

আমাৰ "সাহসী নতুন পৃথিৱী"ত সাফল্যমূলক আৰু পৰিপূৰক গ্ৰন্থ-পাঠে আটাইতকৈ অধিক গুৰুত্ব লাভ কৰিছে। আধুনিক সমাজত সাফল্যমূলক গ্ৰন্থপাঠৰ প্ৰয়োজন আৰু গুৰুত্ব ধৰ্মবিশ্বাসৰ নিচিনা হৈ পৰিছে, তথাপি এই সম্বন্ধে ঐতিহাসিক দৃষ্টি-ভঙ্গীৰে ফঁহিয়াই চোৱাটো আকৰ্ষণীয় হ'ব ।

প্ৰাকৃতিক বিজ্ঞানৰ বিকাশ আৰু জীৱন যাত্ৰাৰ মান অধিক উন্নীত-কৰণৰ অৰ্থনীতিৰ ফলতে এনে পৰিস্থিতিৰ উদ্ভৱ হৈছে; আধুনিক জগতত প্ৰায় আটায়ে জীৱন যাত্ৰাৰ মান উন্নীত কৰিবলৈ বিচাৰে। জ্ঞান লাভৰ ওপৰতে এইটো নিৰ্ভৰ কৰে বুলি বিশ্বাস কৰা হয় আৰু সেই উদ্দেশ্য লাভৰ বাবে শিক্ষা, প্ৰশিক্ষণ আদি অতিশয় গুৰুত্বপূৰ্ণ হৈ উঠিছে।

প্ৰগতি আৰু সমৃদ্ধিৰ লক্ষ্য সাধাৰণতে কেতবোৰ ৰাষ্ট্ৰনীতিৰ লগত জড়িত বুলি বিবেচনা কৰা হয়; পাশ্চাত্য সভ্যতাৰ দৰ্শনৰপৰা উদ্ভৱ হোৱা এই নীতিবোৰে ব্যক্তিৰ স্বতন্ত্ৰতা আৰু সমতা ঘোষণা কৰে। এই নীতিসমূহৰ বশৱৰ্তী হৈ সাধাৰণ শিক্ষা আৰু জ্ঞান বিস্তাৰৰ প্ৰয়োজনৰ কথা উপলব্ধি কৰা হয়। যদিও শিক্ষা আৰু জ্ঞান সমান হৈ উঠা নাই, তথাপি এতিয়া জ্ঞান আৰু শিক্ষা আগৰ তুলনাত সমাজৰ অধিক দলৰ মাজত বিয়পি পৰিছে—যি মানুহৰ বুৰঞ্জীত আগতে কোনো দিনে হোৱা নাছিল।

তদুপৰি আমাৰ এইটোও এটা ধৰ্মবিশ্বাসৰ নিচিনা হৈ পৰিছে যে এনে প্ৰক্ৰিয়া অব্যাহত থাকিব লাগিব আৰু যোৱা আশী-নব্বৈ বছৰৰ ভিতৰত পাশ্চাত্য জগতত বিয়পি পৰাৰ নিচিনাকৈ সমগ্ৰ বিশ্বতে শিক্ষা আৰু জ্ঞানে বিস্তাৰ লাভ কৰিব লাগিব।

এই বিষয়ত আডাম স্মিথৰ দৰ্শনৰ আশাবাদ এতিয়াও চলি আছে, অৱশ্যে সামাজিক বিকাশৰ বাস্তৱতাই মানৱ জাতিক কেতবোৰ মৰ্মাঘাতৰ সন্মুখীন নকৰাকৈও থকা নাই। ইয়াৰ মূল দাৰ্শনিক তত্ত্ব আকৰ্ষণীয়ভাৱে সৰল ; যদিহে আমি সমগ্ৰ বিশ্বতে কাৰ্যকৰী আৰু সুস্থভাৱে শ্ৰমবিভাজনৰ দিহা কৰিব পাৰোঁহক তেন্তে আটাইৰে কাৰণে সুখ আৰু সমৃদ্ধিৰ ব্যৱস্থা হ'ব, কিয়নো এই লক্ষ্য সাধনৰ বাবে পৃথিৱীত যথেষ্ট সা সম্বল আৰু কাৰিকৰী জ্ঞান আছে আৰু এই লক্ষ্য সকলো মানুহৰ কাৰণে সমানে আকৰ্ষক। এই লক্ষ্য ইমান সৰল আৰু বিশ্বাসযোগ্য যে এই আদৰ্শ বাস্তৱত পৰিণত কৰাৰ বাবে কি উপায় অৱলম্বন কৰাটো উচিত হ'ব সেই সম্বন্ধেহে মানৱ জাতিৰ মাজত মতৈক্য স্থাপিত হোৱা নাই।

আমাৰ আধুনিক কালৰ বিশ্বসমাজৰ প্ৰকৃত অৱস্থা তেনেই বেলেগ ধৰণৰ। বৰ্তমান বিশ্বত দুখন অধিৰাষ্ট্ৰ আছে আৰু আনবোৰ ৰাষ্ট্ৰৰ বেছি ভাগেই এই অধিৰাষ্ট্ৰ দুখনৰ যি কোনো এখনক কেন্দ্ৰ কৰি দলবদ্ধ হৈছে। কেইখনমান ৰাষ্ট্ৰই নিজৰ স্বাধীনতা ভালেখিনি অক্ষুণ্ণ ৰাখিছে, কিন্তু বিশ্ব সমাজৰ শিপা বৰ্তমান বিশ্বৰ প্ৰায় সকলো চুকে-কোণে বিয়পি পৰিছে।

দুয়োখন অধিৰাষ্ট্ৰই উচ্চ জীৱন যাত্ৰাৰ ওপৰত বিশ্বাস কৰে আৰু উভয়ে আনবোৰ ৰাষ্ট্ৰকো অনুৰূপ অৱস্থা লাভত সহায় কৰিবলৈ চেষ্টা কৰে বা চেষ্টা কৰাৰ আভাস দিয়ে। এই প্ৰক্ৰিয়া চলি থাকিলে দুয়োটা ৰাষ্ট্ৰ-গোষ্ঠীয়ে তুলনামূলক জীৱন যাত্ৰাৰ মান লাভ কৰিব পাৰে ; আনবোৰ ৰাষ্ট্ৰয়ো অকলে বা আঞ্চলিক সংহতিৰ ভেটিত নিজৰ নিজৰ লোক সংখ্যাৰ প্ৰয়োজন পূৰণ কৰিব পৰাকৈ সন্তোষজনক আয় কৰিব পাৰে। এইদৰে

প্ৰথম দৃষ্টিৰপৰা আপোনা-আপুনিয়ে এটা সামঞ্জস্যৰ সৃষ্টি হৈ পিচত লাহে-ধীৰে গৈ স্বাভাৱিক হৈ পৰিব পাৰে বুলি ধাৰণা হয়।

যদিহে বিশ্বসমাজ প্ৰতিযোগিতাৰ আধাৰত চলি থাকে তেন্তে সামাজিক ব্যৱধান হ্ৰাস কৰাটো সম্ভৱপৰ নহয়, কিয়নো কাৰিকৰী অৰ্থ-নীতি আধাৰিত বিকাশ স্বাভাৱিকতে সমন্বয়মূলক।

আমাৰ আলোচ্য বিষয়ৰ ক্ষেত্ৰত এই সম্বন্ধে দুটা সিদ্ধান্তত উপনীত হ'ব পৰা যায়; যদিহে বিশ্বজগত সহযোগিতাৰ সলনি প্ৰতিযোগিতাৰ আধাৰত চলি থাকে তেন্তে বিশ্বৰ ভালেমান অঞ্চলত জীৱন যাত্ৰাৰ মান উন্নীত হ'ব পাৰে। তেতিয়া হ'লে উন্নতিৰ প্ৰেৰণা হ্ৰাস পাব আৰু মৌলিক চাহিদা পূৰণ হ'লেই প্ৰগতি ৰুদ্ধ হৈ যাব পাৰে।

আনহাতে আকৌ সমন্বয় সাধনৰ গতি আগবাঢ়ি গ'লে উদ্বেগৰ মাত্ৰা হ্ৰাস পাব, তাৰ ফলত ক্ষমতা লাভৰ প্ৰেৰণাও হ্ৰাস পাব। তেতিয়া হয়তো সমগ্ৰ বিশ্বসমাজত আপেক্ষিক সমতাৰ ভেটিত ধন-বিত্তৰ বিতৰণৰ ব্যৱস্থা হ'ব। কিন্তু বৰ্তমান সময়ৰ নিচিনাকৈ তেনে অৱস্থাত কাৰিকৰী অৰ্থনৈতিক বিকাশৰ চূড়ান্তত উপনীত হ'ব নোৱাৰিব।

এই কথা আমাৰ আলোচ্য প্ৰসংগত প্ৰয়োগ কৰিলে আমি এনে অনুমানত উপস্থিত হ'ব পাৰোঁইক যে তেনে অৱস্থাত বিশ্বৰ আটাইতকৈ সমুন্নত দেশবোৰৰ সমানেই বিশ্বসমাজত অক্ষৰ-জ্ঞান, পুথিৰ উৎপাদন, গ্ৰন্থপাঠ আৰু পুথিভঁৰাল আদিৰ মাত্ৰা বৃদ্ধি পাব।

এনে আদৰ্শ লৈ একো বিৰোধৰ থল নাই। শুভাকাংক্ষী সকলো মুনিহ-তিৰুতাই এনে হোৱাটোকে বিচাৰে। কিন্তু বাস্তৱত সম্ভাব্য বিকাশৰ সমস্যা তেনেই সুকীয়া আৰু অতীতত বাস্তৱতাবৰ্জিত আদৰ্শৰ ফলত বিশ্বত অশেষ দুখ-দুৰ্গতিৰ সৃষ্টি হৈ আহিছে; এনে আদৰ্শৰ ফলত সুখতকৈ অধিক হতাশাৰহে সৃষ্টি হয়। গতিকে এই ধৰণৰ সম্ভাৱনা বিশ্লেষণ কৰি চাই এই

প্ৰশ্নৰ লগত জড়িত মানসিক আৰু সামাজিক সমস্যাৱলী সম্বন্ধে পৰ্যালোচনা কৰি চাবলৈ চেষ্টা কৰাটো গুৰুত্বপূৰ্ণ কথা হ'ব।

আমাৰ দৃষ্টিকোণৰপৰা চাবলৈ গ'লে এই কথা উল্লেখ কৰাটো বিশেষ প্ৰয়োজনীয় যে সাফল্যমূলক গ্ৰন্থপাঠ প্ৰত্যক্ষ প্ৰয়োজনতকৈ উদ্দেশ্য সাধনৰ মাধ্যম হিচাপেহে অধিক আৱশ্যকীয়। আমি পঢ়াশালিলৈ যাওঁ, বিশ্ববিদ্যালয়ত অধ্যয়ন কৰোঁ, কিতাপ পঢ়ি জ্ঞান আহৰণৰ চেষ্টা কৰোঁ। আমাৰ প্ৰত্যক্ষ অনুভূতিৰ প্ৰয়োজন পূৰণতকৈ আমাৰ সামাজিক মৰ্যাদা উন্নীত কৰিবলৈ বা অটুট ৰাখিবলৈকে অধিক ক্ষেত্ৰত এনেদৰে জ্ঞান আহৰণ কৰোঁহঁক।

মনস্তাত্ত্বিক অধ্যয়নৰপৰা প্ৰমাণ পোৱা গৈছে, পঢ়াশলীয়া ছাত্ৰ-ছাত্ৰীৰ মনত যেতিয়াই ধাৰণা জন্মিছে যে উত্তৰ জীৱনত সমাজত উচ্চ *মৰ্যাদা লাভৰ আশা ক্ষীণ তেতিয়াই তেনে ছাত্ৰ-ছাত্ৰীৰ পঢ়াশালিত সাফল্য* লাভৰ মাত্ৰা কমি গৈছে।

এইদৰে চাবলৈ গ'লে মৰ্যাদা বৃদ্ধিৰ প্ৰেৰণা হ্ৰাস পালেই সাফল্য-মূলক গ্ৰন্থপাঠৰ প্ৰতি ধাউতিও কমি যায়। আনহাতে এই প্ৰেৰণাৰ বশৱৰ্ত্তী হৈ আমি শিক্ষা লাভ কৰোঁহঁক যে আমাৰ সমগ্ৰ সমাজ আগবাঢ়ি গৈ আছে আৰু এই বিশ্বাসেই সমগ্ৰ সভ্যতাৰ বাবে এক প্ৰকাৰে সাধাৰণভাৱে মৰ্যাদা বৃদ্ধিৰ প্ৰেৰণা সৃষ্টি কৰি দিছে।

আধুনিক সমাজত শ্ৰমবিভাজন জটিল হোৱা হেতুকেও মৰ্যাদা বৃদ্ধিৰ প্ৰেৰণাই শক্তি লাভ কৰিছে; শ্ৰমবিভাজন ইমান জটিল হৈ পৰিছে যে আনকি আমাৰ দৈনন্দিন কামৰ মৰ্যাদাবিভাজন গ্ৰহণৰ বাবেও আমাৰ ভালেমান পৰিপূৰক যতন আদিৰ প্ৰয়োজন হয়। অৱশ্যে শ্ৰমবিভাজন প্ৰকৃততে বিশ্ব সমাজত প্ৰযোজ্য হ'লে ইয়াৰ কেতবোৰ সীমা থাকিব। এইদৰে শেহত গৈ মৰ্যাদা বৃদ্ধিৰ প্ৰেৰণা আৰু জ্ঞান অনবৰত বাঢ়ি থাকিব বুলি বিশ্বাস কৰাৰ একো সঙ্গত হেতু নাই।

আগতে উল্লেখ কৰি অহা হৈছে যে লোক সংখ্যা বৃদ্ধি আদি আন আন সমস্যাৰ দ্বাৰা এই প্ৰক্ৰিয়া ব্যাহত নহ'লে বিশ্বসমাজত অপেক্ষাকৃত স্থায়ী ধৰণৰ সমন্বয় সাধিত হ'ব পাৰে, তেতিয়া বোধহয় অধিক সমাজৰ ভেটিত জ্ঞানৰ বিস্তাৰ হ'ব, কিন্তু চৰম বিকাশ হয়তো হ্ৰাস পাব। তদুপৰি জলবায়ু, সামাজিক ব্যৱস্থা, ধৰ্ম, ৰীতি-নীতি আদিয়েও সামাজিক দলৰ প্ৰয়োজন-সূচীৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। ফলত শেহত গৈ প্ৰায়ে অনুমান কৰাতকৈ পৰিৱৰ্তনৰ মাত্ৰা কমো হ'ব পাৰে।

আৰ. ই. বাৰকাৰৰ 'বুকছ্ ফৰ অল' শীৰ্ষক ইউনেস্কোৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থখনিত বৰ্তমানে পুথিৰ প্ৰকাশ, বিতৰণ আৰু পাঠ সম্বন্ধে এটা বৰ ভাল বিৱৰণ দিয়া হৈছে। বাৰকাৰৰ পুথিখন ১৯৫৬ চনত প্ৰকাশ কৰা হয়। এই পুথিৰ ১৮-২০ পিঠিত বিশ্বৰ পুস্তক-উৎপাদন সম্বন্ধে তলত দিয়া তালিকা সন্নিবিষ্ট কৰা হৈছে। এইবোৰক সাৰ্বজনীন দশমিক শ্ৰেণী ভেদ (সা. দ. শ্ৰে.) অনুসৰি দহোটা মুখ্য ভাগত বিভক্ত কৰা হৈছে। এই দহোটা মুখ্য ভাগ হ'ল ঃ—

০ সাধাৰণ ৰচনা
১ দৰ্শন আৰু মনস্তত্ত্ব
২ ধৰ্ম
৩ সমাজ-বিজ্ঞান
৪ ভাষা-তত্ত্ব
৫ নিৰ্ভাজ বিজ্ঞান
৬ প্ৰয়োজনীয় বিধান আৰু ফলিত বিজ্ঞান
৭ ললিত-কলা আৰু অৱসৰ বিনোদন
৮ সাহিত্য
৯ বুৰঞ্জী আৰু ভূগোল

## ৬০ খন দেশত গ্ৰন্থ-উৎপাদন

| গ্ৰন্থ প্ৰকাশকৰা দেশ | বছৰ ১৯ | সংখ্যা মুঠ | প্ৰথম তাঙৰণ | সা. দ. শ্ৰে. অনুসৰি বিষয় ০ | ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| আলবেনিয়া | ৪৯ | ১৩৪ | .... | .. | .. | .. | .. | .. | .. | .. | .. | .. | |
| আৰ্জেন্টিনা | ৫২ | ৪২৫৭ | .... | — | ৩ | — | ৫ | — | — | ৮ | ৬ | ৭৬ | ২ |
| | ৫৩ | ৪৬১০ | .... | ১ | ২ | ৪ | ৮ | — | ১ | ৬ | ৫ | ৫২ | ১০ |
| | ৫৪ | ৩১৮৩ | .... | ১ | ২ | ৩ | ১০ | — | ২ | ৭ | ৬ | ৪৫ | ১৬ |
| অষ্ট্ৰেলিয়া | ৫২ | ৬২৭ | ৫৫৭ | ১ | ২ | ৫ | ২৩ | ৬ | ৫ | ৯ | ১০ | ২৭ | ১২ |
| | ৫৩ | ৫১৬ | ৪২০ | ৩ | — | ৬ | ২১ | ৩ | ৪ | ১৪ | ৭ | ২৪ | ১৮ |
| | ৫৪ | ৫৩৮ | ৪১১ | ২ | ১ | ৪ | ২৬ | ২ | ৫ | ১৪ | ৭ | ২০ | ১৯ |
| অষ্ট্ৰিয়া | ৫২ | ৩৯০৩ | ৩৪৮৬ | ৪ | ২ | ৩ | ১৫ | .. | ৮ | ১৪ | ২৩ | ২২ | ৯ |
| | ৫৩ | ৪৯৩৮ | ৪৫৩৩ | ৫ | ২ | ৩ | ১৪ | .. | ৬ | ১০ | ৩৭ | ১৬ | ৭ |
| | ৫৪ | ২৬৩৫ | ২৭৯৩ | ৩ | ২ | ৪ | ২৪ | ৪ | ৮ | ৯ | ২৪ | ১৩ | ৯ |
| বেলজিয়াম | ৫২ | ... | ৪৬১০ | ৮ | ৩ | ৬ | ১৭ | ৪ | ৬ | ১৫ | ৯ | ২৪ | ৮ |
| | ৫৩ | .... | ৪৫১৯ | ১০ | ২ | ৬ | ১৫ | ৩ | ৬ | ১৮ | ৭ | ২৫ | ৮ |
| | ৫৪ | .... | ৩৬২৮ | ১১ | ২ | ৮ | ১৮ | ৪ | ৪ | ১৩ | ৭ | ২৬ | ৭ |
| ব্ৰাজিল | ৫২ | ৩২০৮ | ... | | ১১ | — | ৩২ | — | ৩ | ৪ | ১ | ২৭ | ২ |
| | ৫৩ | ৩০০০ | ১৪৫০ | ৬ | ৪ | ১৭ | ১৮ | ৬ | ৩ | ৮ | ৩ | ২৩ | ১২ |
| | ৫৪ | ৩৩৯০ | ২১২০ | ৮ | ৪ | ১৩ | ১৪ | ৫ | ৩ | ৫ | ৩ | ৩৪ | ১১ |

| গ্ৰন্থ প্ৰকাশ কৰা দেশ | বছৰ সংখ্যা | | | সা. দ. শ্ৰে. অনুসৰি বিষয় | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | ১৯ | মুঠ | প্ৰথম তাৰঙণ | ০ | ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ |
| বুলগেৰিয়া | ৫১ | ২০৮৭ | .... | ৩ | ১ | ১ | ৪৪ | ২ | ৫ | ২৩ | ৪ | ১৪ | ৩ |
| | ৫২ | ২০৩১ | ... | ২ | ১ | — | ৫১ | ১ | ৩ | ১৯ | ৩ | ১৬ | ৩ |
| | ৫৩ | ৩২৫৯ | .... | ৩ | ১ | — | ৪০ | ১ | ৪ | ৩০ | ৭ | ১২ | ২ |
| কাম্বোডিয়া | ৫৩ | ৩৯২ | .. | ৪৬ | — | ২৫ | — | — | ২ | — | — | ২৫ | — |
| | ৫৪ | ২৪৯ | .... | ৬০ | — | ১৬ | — | ১ | ২ | — | — | ১৮ | ১ |
| কানাডা | ৫২ | ৬৮৪ | ৪১৫ | ২ | ১ | ১১ | ৩২ | ১ | ২ | ৬ | ৪ | ২৭ | ১৪ |
| | ৫৩ | ৮১৬ | ৩৫৪ | ১ | ৩ | ১২ | ৩১ | ১ | ১ | ৬ | ৬ | ২৩ | ১৬ |
| | ৫৪ | ৮৬১ | ৩২১ | ১ | ১ | ১১ | ২৮ | ১ | ২ | ৭ | ৭ | ২৩ | ১৯ |
| সিংহল | ৫১ | ২৬৮ | ১৮৪ | — | ১ | ১৮ | ১৭ | ১ | ১ | ১ | — | ১৬ | ১১ |
| | ৫৩ | ৪৯৮ | ২৯৫ | ২৭ | — | ১৬ | ২৮ | ৪ | ২ | ৫ | ১ | ১২ | ৫ |
| | ৫৪ | ৬৩৭ | ৩৯৪ | ১৯ | — | ১৬ | ৩২ | ১ | ২ | ১ | ১ | ২৩ | ৫ |
| চীন (মহাদেশ) | ৫০ | ৭০৪১ | .... | ... | .. | .. | .. | .. | .. | . | .. | .. | .. |
| ”(ফৰমোছা) | ৫৩ | .... | ৬১৫ | ৩ | ২ | — | ২৫ | ১৪ | ৬ | ৮ | ৭ | ১৪ | ২১ |
| | ৫৪ | .... | ১০৩৯ | ৬ | ২ | ১ | ৩২ | ১১ | ৬ | ৮ | ৫ | ১১ | ১৮ |
| কিউবা | ৫৩ | ৬১৫ | ৪৬০ | ৮২ | ৩ | ২ | — | — | ২ | ১১ | — | — | — |
| | ৫৪ | ৪৯৪ | ৩৩৩ | ৪৪ | ২ | ২ | — | — | — | ২৩ | ৪ | ১৫ | ১০ |
| জেকোশ্লোভেকিয়া | ৫০ | ৪৪২৯ | .... | .. | .. | .. | .. | .. | .. | .. | .. | .. | .. |
| | ৫১ | ৫৪৫৯ | ... | .. | .. | .. | .. | .. | .. | .. | .. | .. | .. |

| গ্ৰন্থ প্ৰকাশ কৰা দেশ | বছৰ সংখ্যা ১৯ | মুঠ | প্ৰথম তাৰঙণ | সা. দ. শ্ৰে. অনুসৰি বিষয় ০ | ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| ডেনমার্ক | ৫১ | ২২৮৫ | ১৭১৩ | ৮ | ২ | ৫ | ১১ | ৬ | ৭ | ১২ | ৪ | ২৭ | ১৮ |
| | ৫২ | ২১৮৬ | ১৭৪৬ | ৭ | ১ | ৫ | ১০ | ৪ | ৫ | ১৫ | ৫ | ৩০ | ১৮ |
| | ৫৩ | ২৩০৯ | ১৭২১ | ৬ | ২ | ৫ | ১০ | ৫ | ৬ | ১৪ | ৫ | ২৮ | ১৯ |
| ইজিপ্ত সাধাৰণতন্ত্ৰ | ৪৯ | ১১৫ | .... | ৩ | ২ | ২ | ১৯ | ১ | ৪ | ১০ | ১০ | ৩৩ | ১৬ |
| | ৫৩ | ৬৫৪ | ৫৬২ | ১ | ৫ | ১১ | ২৯ | ৫ | ৫ | ৭ | ১ | ১৯ | ১৭ |
| | ৫৪ | ৬৯৭ | ৫৯৪ | ২ | ৫ | ১২ | ২৯ | ৪ | ৪ | ৪ | ১ | ২২ | ১৭ |
| ফিনলেণ্ড | ৫২ | ১৭৪৮ | .... | ২ | ২ | ৬ | ২২ | ২ | ৩ | ১৬ | ৫ | ২৯ | ১৩ |
| | ৫৩ | ২১৩৪ | ১৫৯৯ | ৩ | ১ | ৬ | ১৬ | ৩ | ৩ | ১৯ | ৩ | ৩১ | ১৫ |
| | ৫৪ | ২০৪৬ | ১৫৭৬ | ৩ | ১ | ৭ | ১৬ | ২ | ৬ | ১৯ | ৪ | ৩১ | ১: |
| ফ্ৰান্স | ৫২ | ১০৪১০ | .... | ১ | ৬ | ৭ | ১০ | * | ৯ | ১৯ | ৫ | ৩১ | ১২ |
| | ৫৩ | ১০০১৭ | .... | ১ | ৫ | ৭ | ১০ | * | ৯ | ২০ | ৪ | ৩২ | ১২ |
| | ৫৪ | ১০৬৬২ | .... | ১ | ৪ | ৭ | ৮ | * | ৮ | ২২ | ৫ | ৩৪ | ১১ |
| জাৰ্মাণ সাধাৰণতন্ত্ৰ | ৫৩ | ৪৩১০ | .... | ২ | ১ | ৪ | ১৬ | ৪ | ৯ | ৩১ | ৫ | ২১ | ৭ |
| | ৫৪ | ৫৪১০ | .... | ২ | ১ | ৪ | ১৬ | ৩ | ৮ | ২৭ | ৭ | ২৩ | ৯ |
| জাৰ্মাণ ফেডাৰেল ৰিপাব্লিক | ৫২ | ১৩৯১৩ | ১০৫৩৬ | ৪ | ২ | ৮ | ২৫ | ২ | ৫ | ১৫ | ৪ | ২৬ | ৯ |
| | ৫৩ | ১৫৭৩৮ | ১২০৯৬ | ৩ | ২ | ৭ | ২১ | ২ | ৬ | ১৪ | ৫ | ২৭ | ১৩ |
| | ৫৪ | ১৬২৪০ | ১২২৬৪ | ৩ | ২ | ৬ | ২৩ | ২ | ৬ | ১৪ | ৫ | ২৭ | ১২ |
| গ্ৰীচ | ৫৩ | ১৪৭৪ | ১৪৪৮ | ২ | ১ | ৩ | ১ | ১ | ১ | ৩ | ১ | ৮০ | ৭ |

| | বছৰ | সংখ্যা | | সা. দ. শ্ৰে. অনুসৰি বিষয় | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| গ্ৰন্থ প্ৰকাশ কৰা দেশ | ১৯ | মুঠ | প্ৰথম তাৰঙণ | ০ | ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ |
| গ্ৰীচ | ৫৪ | ২৪৭৬ | ২৩৮০ | ২ | ২ | ৪ | ১ | ১ | ২ | ৪ | ২ | ৭২ | ১০ |
| গুৱাটেমেলা | ৫৩ | .... | ৭০ | ১১ | - | ১ | ৭ | ৭ | — | ৭ | ৬ | ৩৬ | ১৪ |
| | ৫৪ | .... | ৩৯ | ২১ | - | ৩ | ৫ | — | ৩ | ৮ | ৫ | ৩১ | ২৩ |
| হাঙ্গেৰী | ৫৩ | ৩০৭১ | .... | ১ | - | ১ | ৪১ | ২ | ৪ | ৩৩ | ৩ | ১৪ | ১ |
| | ৫৪ | ২৭৫০ | .... | ২ | - | - | ৪১ | ১ | ৪ | ২৬ | ৫ | ১৯ | ২ |
| হল্যাণ্ড | ৫৩ | ৭০ | .... | ৩৬ | ৬ | ৭ | ১৩ | ৩ | ৩ | ৪ | ১১ | ৬ | ১১ |
| | ৫৪ | ৫১ | .... | ২৫ | ৬ | ৬ | ১৪ | - | - | ৪ | ১২ | ১০ | ২৩ |
| আইচলেণ্ড | ৫৩ | ২২৫ | .... | ১ | ২ | ৪ | ১৪ | ৪ | ৪ | ৮ | ২ | ৪২ | ১৯ |
| ভাৰত | ৫০ | ১৭৪০০ | ... | .. | . | . | . | . | . | . | . | . | . |
| ইন্দোনেচীয়া | ৫২ | ৭৭৮ | .... | ২ | ২ | ৭ | ৫৭ | ২ | ৩ | ১০ | ৩ | ১৩ | ১ |
| | ৫৩ | ১৮৮৬ | .... | ১ | ২ | ১২ | ৫০ | ১১ | ৪ | ৮ | ২ | ৮ | ২ |
| | ৫৪ | ১১৫২ | ৮৯০ | ১ | ৩ | ১২ | ৩১ | ১২ | ১২ | ৭ | ৬ | ৭ | ৯ |
| ইৰাণ | ৫৪ | ৮৯১ | ... | ২ | ৬ | ৩ | ১৬ | ৩ | ৩ | ৭ | ১ | ৫২ | ৭ |
| ইৰাক | ৫৩ | .... | ২৪৮ | ২৪ | ২ | ১০ | ৯ | - | - | ৫ | - | ৯ | ১৪ |
| | ৫৪ | .... | ১৬৬ | ২০ | ৪ | ১১ | ৭ | ১ | - | ৩ | - | ৩০ | ১৫ |
| আয়াৰলেণ্ড (সাধাৰণতন্ত্ৰ) | ৫২ | ১৪৯ | .... | - | ২ | ২৫ | ১৬ | ১ | ২ | ৩ | ১ | ৩৩ | ১৭ |
| | ৫৩ | ১৭০ | .... | ১ | ৩ | ২৫ | ১১ | ২ | ৩ | ২ | ৪ | ৩৪ | ১৫ |
| | ৫৪ | ১৯৩ | .... | ১ | ৩ | ২৪ | ১১ | ১ | ১ | ৩ | ২ | ৩৮ | ১৬ |

| গ্ৰন্থ প্ৰকাশ কৰা দেশ | বছৰ ১৯ | সংখ্যা মুঠ | সংখ্যা প্ৰথম তাৰঙণ | সা. দ. শ্ৰে. অনুসৰি বিষয় ০ | ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| ইটালী | ৫২ | ৯৬৭৯ | .... | ৩ | ৫ | ৫ | ১১ | ৫ | ৩ | ১১ | ১১ | ২৬ | ৯ |
| | ৫৩ | ৮৯৭২ | ... | ৩ | ৪ | ৪ | ১২ | ৫ | ৪ | ১৩ | ১০ | ২৮ | ৭ |
| | ৫৪ | ৮৫১৪ | .... | ৪ | ৫ | ৫ | ২০ | ৫ | ৩ | ১৫ | ৭ | ২৭ | ৯ |
| ইজৰাইল | ৪৯-৫০ | ৮২২ | .... | ৪ | ৯ | ৬ | ১৩ | ২ | ১ | ১ | ১১ | ৩৫ | ১৮ |
| জাপান | ৫২ | ১৭৩০৬ | ১২৯৫০ | ২ | ৩ | ১ | ১৪ | ৬ | ৭ | ১৬ | ১২ | ২২ | ৬ |
| | ৫৩ | ২০২৯৩ | ১৩৮২১ | ২ | ২ | ৩ | ২০ | ৫ | ৬ | ১৬ | ৯ | ২১ | ৬ |
| | ৫৪ | ১৯৮৩৭ | .... | ১ | ৪ | . | ১১ | ৩ | ৭ | ১১ | ৫ | ২৪ | ৪ |
| লেবানন | ৪৯-৫০ | ৩৯৬ | .... | ৪ | - | ৫ | ৯ | ৯ | ৯ | ৯ | ৪ | ২৪ | ২৭ |
| লুকজেমবাৰ্গ | ৫২ | ৪২০ | .. | ১০ | ১ | ৪ | ১৬ | - | — | ৮ | ২০ | ১০ | ২০ |
| | ৫৩ | ৩৮৯ | .... | ১৩ | ২ | ৪ | ১৬ | - | — | ১১ | ১৯ | ৮ | ১৭ |
| | ৫৪ | ৩২৩ | ... | ১৪ | ২ | ৭ | ২৬ | - | - | ৮ | ১৭ | ১০ | ১৬ |
| মনাকো | ৫২ | ১০৪ | ৮৮ | - | - | - | - | - | - | ৫ | ১১ | ৬৫ | ১৯ |
| | ৫৩ | ১৬৭ | ১৪৫ | - | ১ | ২ | ১ | ১ | - | ১ | ৭ | ৫৯ | ২৮ |
| | ৫৪ | ১৭৬ | ১৬২ | - | ১ | ১ | ১ | - | - | ৭ | ৩ | ৭০ | ১৭ |
| মৰক্কো | ৫২ | ১০০ | ৯৫ | ৩ | - | ১ | ২৫ | ৮ | ১০ | ১২ | ১ | ১৮ | ১৩ |
| | ৫৩ | ১০৯ | ৯৭ | ১৮ | - | ৩ | ১৮ | - | ৫. | ৫ | ৭ | ১৩ | ২৬ |
| | ৫৪ | ১২৫ | ১২৩ | ১৬ | - | ২ | ২৪ | - | ৮ | ২০ | ৬ | ৫ | ২০ |
| নেডাৰলেণ্ড | ৫২ | ৬৭২৮ | ... | ১ | ৩ | ৭ | ৩ | .. | ৫ | ৮ | ৫ | ৪৬ | ৮ |

| গ্ৰন্থ প্ৰকাশ কৰা দেশ | বছৰ | সংখ্যা | | সা. দ. শ্ৰে. অনুসূচি বিষয় | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | ১৯ | মুঠ | প্ৰথম তাঙৰণ | ০ | ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ |
| নেডাৰলেণ্ড | ৫৩ | ৭০৪৫ | ৪৩০১ | ৪ | ৪ | ৬ | ১৭ | * | ৮ | ৮ | ৮ | ৩৮ | ৭ |
| | ৫৪ | ৭০১৯ | ৪০৮২ | ৩ | ৪ | ৭ | ১৫ | * | ৯ | ৮ | ৭ | ৩৯ | ৮ |
| নিউজিলেণ্ড | ৫২ | ৩২৭ | .... | ৩ | - | ৮ | ২৩ | ১ | ৫ | ১৯ | ৭ | ৯ | ২৫ |
| | ৫৩ | ৩৬০ | .... | ২ | ১ | ৬ | ৩০ | ১ | ৯ | ২৪ | ৪ | ৭ | ১৬ |
| নিকাৰগুৱা | ৪৭ | ১২২ | . .. | ৬ | ১০ | ৮ | ১৬ | - | ২ | ৬ | ২ | ২৯ | ২১ |
| নৰৱে | ৫০ | ২৭৬১ | .... | ২ | ১ | ৬ | ২২ | ২ | ৫ | ১৩ | ৫ | ৩১ | ১৩ |
| | ৫১ | ২৭৭৩ | .... | ২ | ১ | ৫ | ২৪ | ২ | ৫ | ১৮ | ৫ | ২৭ | ১১ |
| | ৫২ | ২৭০৪ | .... | ২ | ১ | ৯ | ২৩ | ২ | ৫ | ১৫ | ৫ | ২৮ | ১৫ |
| পানামা | ৫০ | ৩৪ | ৩১ | - | - | - | ৪২ | ৩ | ৩ | ৩ | ৯ | ২০ | ২০ |
| | ৫১ | ১৫ | ১৪ | - | - | - | ৬৪ | - | - | - | - | ২১ | ১৫ |
| | ৫২ | ২১ | ২০ | - | ৫ | - | ৬০ | ৫ | ৫ | - | - | ১০ | ১৫ |
| পেৰু | ৪৯ | ৮৪৯ | .... | ৫ | ১ | ৪ | ৪৩ | | ৮ | ৬ | ১৩ | ৭ | ১৩ |
| | ৫০ | ৭৭২ | ... | ৫ | - | ৩ | ৪৩ | ১ | ২ | ১০ | ৯ | ৭ | ২০ |
| ফিলিপাইন | ৫৩ | .... | ১৯৫ | ৮ | ৩ | ৪ | ৩৭ | ২ | ৭ | ৬ | - | ২২ | ১০ |
| | ৫৪ | .... | ১৫৩ | ৫ | ৩ | ৫ | ২০ | ৫ | ৬ | ১০ | - | ৩৭ | ৭ |
| পোলেণ্ড | ৫২ | ৬৬৩২ | .... | . | . | . | . | . | . | . | . | . | . |
| | ৫৩ | ৬৫৮৪ | ... | . | . | . | . | . | . | . | . | . | . |
| | ৫৪ | ৬৬৫৪ | .... | . | | | | . | . | . | . | . | . |

| গ্ৰন্থ প্ৰকাশ কৰা দেশ | | সংখ্যা | | সা. দ. শ্ৰে. অনুসৰি বিষয় | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | বছৰ ১৯ | মুঠ | প্ৰথম তাঙৰণ | ০ | ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ |
| পৰ্টুগাল | ৫২ | .... | ৪১৫৩ | ৪ | ১ | ৫ | ১৭ | ১ | ৭ | ১৩ | ৫ | ৭ | ১১ |
| | ৫৩ | ... | ৫৩৪৮ | ৪ | ১ | ৩ | ১৪ | ১ | ৬ | ১৮ | ৪ | ৬ | ১১ |
| | ৫৪ | ১৭৮৬ | ১৫০০ | ৩ | ১ | ৫ | ১৫ | ২ | ৯ | ৩১ | ৮ | ১৪ | ১২ |
| ৰুমানিয়া | ৪৫ | ২৭০০ | .... | ৩ | ২ | ৬ | ২৩ | ৫ | ৮ | ১৯ | ৩ | ১৯ | ১২ |
| স্পেইন | ৫২ | ৩৪৪৫ | .. | ৬ | ২ | ৬ | ১১ | ১ | ২ | ১০ | ৭ | ১৫ | ১০ |
| | ৫৩ | ৫৬৬৪ | ৪২৩৫ | - | ২ | ৬ | ৮ | ১ | ৩ | ৭ | ৬ | ৫০ | ০ |
| | ৫৪ | ১৬৭২ | ৪২৪২ | ৭ | ২ | ৬ | ১২ | ১ | ৩ | ৮ | ৬ | ৪৬ | ৯ |
| চুইডেন | ৫২ | ৩২৮৬ | ... | ৩ | ২ | ৫ | ১২ | ৫ | ৬ | ১৪ | ৬ | ৩৬ | ১১ |
| | ৫৩ | ৩৯২১ | ৩১৯২ | ৪ | ২ | ৬ | ১০ | ৩ | ৮ | ১৭ | ৬ | ২৯ | ১৫ |
| | ৫৪ | ৪৪৫৯ | ৩৬৬৬ | ৩ | ১ | ৬ | ৯ | ৩ | ১৫ | ১৫ | ৫ | ২৯ | ১৪ |
| চুইজাৰলেণ্ড | ৫২ | ৩২৪৫ | .... | ১ | ৫ | ৯ | ১৫ | ৩ | ৪ | ১২ | ১৩ | ২৩ | ১৩ |
| | ৫৩ | ৩৫৯১ | .... | ১ | ৫ | ১০ | ১৩ | ৩ | ৩ | ১১ | ১৩ | ২৫ | ১৩ |
| | ৫৪ | ৩৬৭৫ | ... | ১ | ৫ | ৯ | ১৩ | ৩ | ৩ | ১২ | ১২ | ২৬ | ১২ |
| থাইলেণ্ড | ৫৪ | ৪৪৪৪ | .... | ৫৪ | ৫ | ৫ | ৫ | ১ | ৩ | ২ | ১ | ২১ | ৩ |
| | ৫২ | ৩৯৫৩ | .... | ৬৫ | ২ | ৭ | ৩ | ২ | ১ | ২ | ১ | ১৪ | ৩ |
| তুৰ্কী | ৫০ | ২১৫০ | .... | ৮ | ১ | ৩ | ৩৩ | ৩ | ৫ | ১৮ | ৪ | ১৬ | ৯ |
| | ৫ | ১৯৫৮ | .... | ৫ | ১ | ৪ | ২৮ | ৩ | ৬ | ২২ | ৩ | ১৮ | ১১ |
| | ৫২ | ২৪৪৭ | .... | ৬ | ১ | ৩ | ৩৬ | ৩ | ৩ | ২২ | ৩ | ১৭ | ৬ |

| গ্ৰন্থ প্ৰকাশ কৰা দেশ | বছৰ ১৯ | সংখ্যা মুঠ | প্ৰথম তাঙৰণ | সাঁ. দ. শ্ৰে. অনুসৰি বিষয় ০ | ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| টিউনীচিয়া | ৫৩ | .... | ৫৬ | ২৫ | - | ১১ | ৭ | - | ২ | ৯ | ২ | ১৬ | ২১ |
| | ৫৪ | .... | ৯১ | ২৯ | - | ৭ | ৭ | - | ১০ | ৪ | ৪ | ১৯ | ৮ |
| দক্ষিণ আফ্ৰিকা যুক্তৰাষ্ট্ৰ | ৫০ | ১২৪৭ | ...... | ৯ | ২ | ১৩ | ১২ | ৮ | ৭ | ১৬ | ৩ | ২৭ | ১১ |
| | ৫১ | ৮৭৩ | ..... | ১ | ১ | ৭ | ৫ | ১২ | ১০ | ১৪ | ৪ | ৩৪ | ১২ |
| | ৫২ | ৮৩৪ | ...... | ৯ | ১ | ৯ | ২৩ | ৮ | ৬ | ৭ | ৫ | ২৫ | ১৫ |
| চোভিয়েট ইউনিয়ন | ৫২ | ৩৭৫০০ | ...... | ৯ | ১ | ২ | ৩৯ | * | ১০ | ১৩ | ৪ | ২৭ | ৭ |
| গ্ৰেটবৃটেইন | ৫২ | ১৮৭৪১ | ১৩৩৪৩ | ৪ | ২ | ৬ | ১৯ | - | ৫ | ১৫ | ৬ | ৩১ | ১০ |
| | ৫৩ | ১৮২৫৭ | ১২৭৩৪ | ১ | ২ | ৬ | ১৩ | ৩ | ৬ | ১৪ | ৬ | ৩৮ | ১১ |
| | ৫৪ | ১৯১৮৮ | ১৩৩৪২ | - | ২ | ৬ | ১৪ | ৪ | ৬ | ১৩ | ৬ | ৩৮ | ১১ |
| মাৰ্কিন যুক্তৰাষ্ট্ৰ | ৫২ | ১১৮৪০ | ৯৩৯৯ | ৪ | ৩ | ৮ | ১০ | ১ | ৫ | ১৩ | ৫ | ৩৬ | ১৫ |
| | ৫৩ | ২১০৫০ | ৯৭২৪ | ৪ | ৩ | ৮ | ৯ | ১ | ৫ | ১২ | ৫ | ৩৮ | ১৫ |
| | ৫৪ | ১১৯০১ | ৯৬৭০ | ৪ | ৩ | ৮ | ৯ | ১ | ৫ | ১২ | ৬ | ৩৭ | ১৫ |

এই তালিকাৰপৰা দেখা যাব যে মাথোন কেইখনমান দেশতহে বছৰি ১০,০০০ ৰো অধিক ভিন ভিন বিষয়ৰ পুথি প্ৰকাশ কৰা হয়; এই দেশকেইখন হ'ল যথাক্ৰমে ফ্ৰান্স, পশ্চিম জাৰ্মানী, ভাৰত, জাপান, মাৰ্কিন যুক্তৰাষ্ট্ৰ, চোভিয়েট ইউনিয়ন আৰু গ্ৰেটবৃটেইন। চাৰিৰপৰা দহহেজাৰৰ ভিতৰত পুথি প্ৰকাশ হোৱা দেশকেইখন হ'ল বেলজিয়াম, চেকোশ্লোভেকিয়া, ইটালী, নেডাৰলেণ্ড আৰু পোলেণ্ড।

মুঠতে বছৰি প্ৰকাশিত ২৪০,০০১ ভিন্ন ভিন্ন বিষয়ক পুথিৰ চাৰি-ভাগৰ তিনিভাগ দহখন দেশৰপৰা পোৱা যায়। এই দেশকেইখন হ'ল—মাৰ্কিন যুক্তৰাষ্ট্ৰ, গ্ৰেট্ বৃটেইন, নেডাৰলেণ্ড, ফ্ৰান্স, জাৰ্মান ফেডাৰেল ৰিপাব্লিক, ইটালী, চোভিয়েট ইউনিয়ন, চীন (মূল ভূখণ্ড) আৰু ভাৰত। এই দহখন দেশৰপৰা প্ৰকাশিত মুঠ পুথিৰ প্ৰায় তিনিভাগৰ এভাগ পোৱা যায় পশ্চিম ইউৰোপৰপৰা।

উল্লিখিত দেশবোৰত প্ৰকাশিত গ্ৰন্থবোৰৰ প্ৰায় শতকৰা ৬০ ভাগ উপন্যাস আদি সাহিত্য বিষয়ক ৰচনা, কিন্তু চোভিয়েট ইউনিয়নত প্ৰকাশিত ভিন ভিন বিষয়ৰ পুথিবোৰৰ ভিতৰত সমাজ বিজ্ঞানমূলক ৰচনাই আটাইতকৈ অধিক।

এই পুথিত সন্নিৱিষ্ট তৃতীয় তালিকাত প্ৰতি নিযুত লোক সংখ্যাৰ অনুপাতত গ্ৰন্থ উৎপাদনৰ এটা বিৱৰণ পোৱা যায়ঃ (১)

**তৃতীয় তালিকা। প্ৰতি নিযুত লোকৰ অনুপাতত গ্ৰন্থৰ উৎপাদন**

| দেশ | উৎপাদিত মুঠ গ্ৰন্থসংখ্যা (বিভিন্ন বিষয়ক)(২) | লোকসংখ্যা (নিযুতৰ হিচাপত)(৩) | প্ৰতি নিযুত লোকৰ অনুপাতত গ্ৰন্থোৎপাদন |
|---|---|---|---|
| আৰ্জেন্টিনা | ৪২৫৭ | ১৮ | ২৩৭ |
| অষ্ট্ৰিয়া | ৩৯০৩ | ৭ | ৫৫৮ |
| বেলজিয়াম | ৪৬১০ | ৯ | ৫১২ |
| ব্ৰাজিল | ৩২৫৮ | ৫৬ | ৫৭ |
| চীন (মূল) (১৯৫০) | ৭০৪৯ | ৪৬৪ | ১৫ |
| চেকোশ্লোভেকিয়া (১৯৫১) | ৫৪৫৯ | ১২ | ৪৫৫ |
| ফ্ৰান্স | ১০৪১০ | ৪৩ | ২৪২ |
| জাৰ্মান ফেডাৰেল ৰিপাব্লিক | ১৩৯১৩ | ৪৮ | ২৯০ |

| | | | |
|---|---|---|---|
| হাঙ্গেৰী ( ১৯৫৩ ) | ৩০৭১ | ৯ | ৩৪১ |
| ভাৰত ( ১৯৫০ ) | ১৭৪০০ | ৩৬৭ | ৪৭ |
| ইটালী | ৯৬৭৯ | ৪৭ | ২০৬ |
| জাপান | ১৭৩০৬ | ৮৭ | ১৯৯ |
| নেডাৰলেণ্ড | ৬৭২৮ | ১০ | ৬৭৩ |
| পোলেণ্ড | ৬৬৩২ | ২৫ | ২৬৫ |
| পর্টুগাল | ৪১৫৩ | ৯ | ৪৬১ |
| স্পেইন | ৩৪৪৫ | ২৯ | ১১৯ |
| চুইডেন | ৩২৮৬ | ৭ | ৪৬৯ |
| চুইজাৰলেণ্ড | ৩২৪৫ | ৫ | ৬৪৯ |
| থাইলেণ্ড | ৩৯৫৩ | ২০ | ১৯৮ |
| চোভিয়েট ইউনিয়ন | ৩৭৫০০ | ২০০ | ১৮৮ |
| গ্ৰেট বৃটেইন | ১৮৭৪১ | ৫০ | ৩৭৫ |
| মাৰ্কিন যুক্তৰাষ্ট্ৰ | ১১৮৪০ | ১৬০ | ৭৪ |
| যুগোশ্লাভিয়া | ৫১৮৪ | ১৭ | ৩০৫ |

১। ১৯৫২ চনৰ বিৱৰণহে দিয়া হৈছে ; ৩,০০০ ৰ অধিক ভিন ভিন বিষয়ৰ গ্ৰন্থ প্ৰকাশ কৰা দেশকেইখনৰ নামহে মাথোন সামৰি লোৱা হৈছে।

২। দ্বিতীয় তালিকা দ্ৰষ্টব্য।

৩। ৰাষ্ট্ৰসংঘৰ পৰিসংখ্যাৰ বৰ্ষপঞ্জী : ১৯৫৩, নিউইয়ৰ্ক।

এই হিচাপমতে নেডাৰলেণ্ড, চুইজাৰলেণ্ড, অষ্ট্ৰিয়া আৰু বেলজিয়ামৰ নিচিনা সৰু দেশবোৰে আগতে ঠাই পাইছে আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰ, চোভিয়েট ইউনিয়ন, ভাৰত আদি ডাঙৰ দেশত শতকৰা হাৰ সেই তুলনাত তেনেই কম। কিন্তু সম্পূৰ্ণ ছবি এখন দাঙি ধৰিবলৈ হ'লে ভিন ভিন বিষয়ৰ একোখন পুথিৰ কিমান কপী প্ৰকাশ কৰা হয় সেইটো উল্লেখ কৰাটোও প্ৰয়োজন :

**পঞ্চম তালিকা। কেইবোৰ দেশত প্ৰকাশিত গ্ৰন্থৰ কপাৰ সংখ্যা**

| দেশ | বিভিন্ন বিষয়ক গ্ৰন্থৰ সংখ্যা | নিযুতৰ হিচাপত কপীৰ সংখ্যা |
|---|---|---|
| অষ্ট্ৰেলিয়া | ৬২৭ | ৩ |
| বুলগেৰিয়া | ২০৮৭ | ১৮ |
| বেলজিয়াম | ৪৬১০ | ২৬ |
| ব্ৰাজিল | ৩২০৬ | ২৮ |
| কানাডা | ৬৮৪ | ৪ |
| ডেনমাৰ্ক ( ১৯৪৯ ) | ৩১৬৪ | ৮ |
| ফিনলেণ্ড | ১৭৪৮ | ২১ |
| ফ্ৰান্স | ১০৪১০ | ১০০ |
| জাৰ্মান ফেডাৰেল ৰিপাব্লিক | ১৩৯১৩ | ১০৮ |
| নেডাৰলেণ্ড্ | ৬৭২৮ | ৩১ |
| নিউজিলেণ্ড | ৩২৭ | ২ |
| নৰৱে | ২৭০৪ | ১১ |
| পৰ্টুগাল | ৪১৫৩ | ১৭ |
| স্পেইন | ৩৪৪৫ | ১৬ |
| চুইডেন | ৩২৮৬ | ২০ |
| চুইজাৰলেণ্ড | ৩২৪৫ | ১২ |
| চোভিয়েট ইউনিয়ন | ৩৭৫০০ | ৬৫০ |
| গ্ৰেট বৃটেইন | ১৮৭৪১ | ১৮৬ |
| মাৰ্কিন যুক্তৰাষ্ট্ৰ | ১১৮৪০ | ১৬৪ |
| যুগোশ্লাভিয়া ( ১৯৫৩ ) | ৪৪৬৫ | ২১ |

**আধাৰ। ষষ্ঠ তালিকা আৰু ১৯৫২ চনৰ প্ৰকাশিত ৰাষ্ট্ৰীয় পৰিসংখ্যা।**

১। বুখ আৰু বুখহাণ্ডেলত দিয়া মুঠ কপীৰ সংখ্যা ১৩৬.৭ নিযুত (ষষ্ঠ তালিকা, চতুৰ্থ টোকা দ্ৰষ্টব্য)। ১৯৫২ চনৰ আধাৰত বৰ্তমানৰ তালিকামতে ১৯৫১ চনৰ হিচাপ কৰিলে এই সংখ্যা হ'ব ১১২.৮ নিযুত অৰ্থাৎ শতকৰা প্ৰায় ৫ ভাগৰ ব্যৱধান দেখা যাব।

২। পাঁচ বছৰৰ গড় হিচাপ নভী মিৰৰপৰা লোৱা হৈছে।

এই তালিকাৰপৰা দেখা যায় যে বছৰি মূঠতে প্ৰায় ৫ বিলিয়ন গ্ৰন্থৰ কপী অৰ্থাৎ প্ৰতিজন লোকৰ বাবে গড়ে দুখনতকৈ কম কপী প্ৰকাশ কৰা হয়। লগতে এই কথাও মনত ৰখা উচিত হ'ব যে প্ৰকাশিত পুথিবোৰৰ আধা' ভাগ স্কুলীয়া পাঠ্যপুথি, আৰু বাকীবোৰবো ভালেখিনি ৰাজহুৱা আৰু আন আন প্ৰতিষ্ঠানৰ পুথিভঁৰাললৈ নিয়া হয়।

জনমূৰি ব্যৱহৃত পুথি সম্বন্ধে বিশেষ তথ্যাদি পোৱা নাযায়। 'সৰ্বজনৰ গ্ৰন্থ' শীৰ্ষক পুথিখনত ইউৰোপীয় অৰ্থনৈতিক সহযোগ সংস্থাৰ মিল্টন গিলবাৰ্টে প্ৰকাশ কৰা এখন পুথিৰপৰা উদ্ধৃতি দিয়া হৈছে। "গ্ৰেট বৃটেইনত শতকৰা গড়ে ব্যৱহৃত পুথিৰ হিচাপত মাৰ্কিন যুক্তৰাষ্ট্ৰ, ফ্ৰান্স, জাৰ্মান ফেডাৰেল ৰিপাব্লিক আৰু ইটালীত জনমূৰি ব্যৱহৃত পুথি (যুক্তৰাষ্ট্ৰৰ মূল্যমানত): পুথি, বাতৰিকাকত, আলোচনীকাকত: গ্ৰেট বৃটেইন ১০০; যুক্তৰাষ্ট্ৰ ১৪৯; ফ্ৰান্স ৭৬; জাৰ্মান ফেডাৰেল ৰিপাব্লিক ৪৬, ইটালী ১৫।

"এখন ফৰাচী সাময়িক পত্ৰৰ হিচাপ মতে ১৯৪৫ চনৰপৰা ১৯৫৩ চনলৈ উল্লিখিত দেশ কেইখনত পাঠ্যসামগ্ৰীত বছৰি জনমূৰি ব্যয়ৰ মাত্ৰা (ফৰাচী ফ্ৰাঙ্ক মুদ্ৰাৰ নিৰিখত) আছিল এই ধৰণৰ: যুক্তৰাষ্ট্ৰ ২,৫০০; গ্ৰেট বৃটেইন ১,০০০; বেলজিয়াম ২৫০; জাৰ্মাণ ফেডাৰেল ৰিপাব্লিক ৮০; ফ্ৰান্স ৫০; স্পেইন ৪৫; ইটালী ৪০।

লগতে কিন্তু এই কথাও লক্ষ্য কৰা উচিত হ'ব যে উল্লিখিত দেশ-কেইখনত গ্ৰন্থৰ উৎপাদনী ব্যয় আৰু প্ৰকাশিত পাঠ্য-সামগ্ৰীৰ পৰিসংখ্যাৰ সংজ্ঞা আৰু সংগ্ৰহনীতিৰ মাজত যথেষ্ট তাৰতম্য আছে।"

এইবোৰ পৰিসংখ্যা বিষয়ক তালিকাৰপৰা কেওবোৰ প্ৰয়োজনীয় সিদ্ধান্তত উপনীত হ'ব পৰা যায়। দহখন দেশতহে গ্ৰন্থ প্ৰকাশৰ মাত্ৰা অধিক আৰু এই দেশ দহখনৰ লোকসংখ্যা বিশ্বৰ লোকসংখ্যাৰ প্ৰায় আধা। বিভিন্ন ভাষাৰ ভেটিত বিভিন্ন বিষয়ত প্ৰকাশিত গ্ৰন্থৰ নিৰিখ হ'ব এই ধৰণৰ: ইংৰাজী ২১.৮ %; ৰুছ ১৬.৯ %; জাৰ্মান ১৫.৪ %; জাপানী ১১.৭ %; ফৰাচী ৯.৮ %; স্পেনীয় ৭.৫ %; ইটালীয় ৬.৭ %, পৰ্টুগীজ ৫.৪ %। আন কথাত ক'বলৈ গ'লে উক্ত ভাষাবোৰত প্ৰকাশিত বিভিন্ন বিষয়ক গ্ৰন্থৰ

শতকৰা প্ৰায় ৬৬ ভাগ পাশ্চাত্য ভাষাবোৰত প্ৰকাশ কৰা হয় আৰু বিশ্বৰ বিভিন্ন ভাষাত প্ৰকাশিত মুঠ গ্ৰন্থৰ ২৪০,০০০ খনৰ ভিতৰত ১৪৭,৮৫৭ গ্ৰন্থই উল্লিখিত ভাষাকেইটাত প্ৰকাশ কৰা হয়। ১০০,৯০০ৰ কম বিভিন্ন বিষয়ক গ্ৰন্থৰ ব্যৱধানতো পাশ্চাত্য ভাষাৰ শতকৰা গড় উল্লেখযোগ্য।

এই পৰিসংখ্যাৰপৰা "ন-কৈ বিকাশ পাবলৈ ধৰা" দেশবোৰত এই সম্পৰ্কীয় পৰিস্থিতিৰ আভাস পোৱা নাযায়। গ্ৰন্থৰ ৰপ্তানি আৰু আমদানিৰ অধিকখিনি হয় অপেক্ষাকৃতভাৱে অধিক উন্নত দেশবোৰৰ মাজত, আনহাতে তুলনামূলকভাৱে আৰ্থিক ক্ষেত্ৰত কম উন্নত দেশবোৰৰ লগত এনে লেন-দেন বৰ কম হয়, হয়তো এইবোৰ দেশৰেই পুথি-পত্ৰৰ বিশেষ প্ৰয়োজন। বৰ্তমানে বিশ্বৰ গ্ৰন্থ ব্যৱসায় চিৰাচৰিত পৰম্পৰা অনুসৰি চলি আছে।

মুখ্য মুখ্য গ্ৰন্থ-ৰপ্তানিৰ মূল্য এইধৰণৰ (যুক্তৰাষ্ট্ৰৰ ডলাৰৰ নিৰিখত):

| | |
|---|---|
| গ্ৰেট বৃটেইন | ৪০,৬৮৬,০০০ |
| যুক্তৰাষ্ট্ৰ | ৪০,১১৪,০০০ |
| ফ্ৰান্স | ২১,৪৯৫,০০০ |
| নেডাৰলেণ্ড | ১৬,৬০০,০০০ |
| জাৰ্মান ফেডাৰেল ৰিপাব্লিক | ১৫,২১৮,০০০ |
| স্পেইন | ৬,৯২৬,০০০ |
| চুইজাৰলেণ্ড | ৬,৩৬৭,০০০ |
| অষ্ট্ৰিয়া | ৪,৬৮৬,০০০ |

প্ৰকাশিত গ্ৰন্থৰ বিষয়-সূচী সম্বন্ধে এইদৰে মন্তব্য কৰিব পৰা যায়:

তলত দিয়া দেশ কেইখনত প্ৰকাশিত গ্ৰন্থৰ ভিতৰত ধৰ্মবিষয়ক গ্ৰন্থয়েই সংখ্যাত অধিক:

ব্ৰাজিল—১৯৫৩ চনত প্ৰকাশিত বিভিন্ন বিষয়ক মুঠ গ্ৰন্থৰ ১৭%; কাম্বোদিয়া—১৯৫৩ চনত ২৫%; কানাডা ১১%; সিংহল ১৬%; ডমিনিকান ৰিপাব্লিক—১১%; মিছৰ—১২%; ইন্দোনেচিয়া—১২%; ইৰাক—১১%; আয়াৰলেণ্ড—২৪%; চুইজাৰলেণ্ড—১০%; টিউনিচিয়া—১১%; দক্ষিণ আফ্ৰিকা ইউনিয়ন—১৩%; ভিয়েটনাম—১৪%।

সাধাৰণতে গ্ৰন্থ-উৎপাদনত আগভাগ নোলোৱা কেইখনমান দেশত ধৰ্মবিষয়ক গ্ৰন্থৰ উৎপাদন অধিক দেখা যায়। ইছলাম ধৰ্মাৱলম্বী দেশবোৰৰ ঠাই এই বিষয়ত উল্লেখযোগ্য, আনহাতে পাশ্চাত্য দেশবোৰৰ ভিতৰত আয়াৰলেণ্ডত তুলনামূলকভাৱে অধিক ধৰ্ম-গ্ৰন্থ প্ৰকাশ কৰা হয়। ছোভিয়েট ইউনিয়নত শতকৰা ছভাগ ধৰ্মবিষয়ক গ্ৰন্থ প্ৰকাশ কৰা হয় বুলি জনা যায়; আনহাতে যুক্তৰাষ্ট্ৰত ৮%, গ্ৰেটবৃটেইনত ৬% আৰু ফ্ৰান্সত ৭% ভাগ ধৰ্ম সম্পৰ্কীয় ৰচনা প্ৰকাশিত হয়।

উপন্যাস আদি সাহিত্যবিষয়ক গ্ৰন্থ গ্ৰীচত ৮০%; আৰ্জেন্টিনাত ৭৬%; মনাকোত ৭০%, আৰু স্পেইনত ৪৬% ভাগ প্ৰকাশ কৰা হয়। অধিকভাগ পাশ্চাত্য দেশতে এই বিষয়ক গ্ৰন্থ প্ৰকাশৰ শতকৰা হাৰ হ'ল ৩০ৰ পৰা ৪০ৰ ভিতৰত। ছোভিয়েট ইউনিয়নত ইয়াৰ হাৰ তাতকৈ অলপ কম (২৭%)। তাৰ তুলনাত সমাজ-বিজ্ঞানবিষয়ক গ্ৰন্থ অধিক প্ৰকাশ কৰা হয় (৩৯%), আন ভালেমান দেশতো এই বিষয়ৰ গ্ৰন্থ প্ৰকাশত বিশেষ গুৰুত্ব দিয়া হয়। শুদ্ধ বিজ্ঞানৰ প্ৰকাশ সংখ্যা আশাতীতভাৱে তুলনাত কম, আনহাতে ভালেমান দেশতে বুৰঞ্জী আৰু ভূগোল বিষয়ক গ্ৰন্থ অপেক্ষাকৃতভাৱে অধিক মাত্ৰাত প্ৰকাশ কৰা হয়।

ভিন ভিন বিষয়ৰ অধিক গ্ৰন্থ প্ৰকাশ কৰা দেশবোৰৰ ভিতৰত গ্ৰেট-বৃটেইন অন্যতম; এই দেশত প্ৰকাশিত মুঠ গ্ৰন্থৰ প্ৰায় আধা ভাগ সাহিত্য, বুৰঞ্জী আৰু ভূগোল সম্পৰ্কীয়; ফ্ৰান্সতো ইয়াৰ অৱস্থা প্ৰায় তদনুৰূপ (৪৫%)। আনহাতে যুক্তৰাষ্ট্ৰত এনে বিষয়ক গ্ৰন্থ প্ৰকাশৰ হাৰ শতকৰা ৫২ ভাগ।

ইয়াৰপৰা এনে সিদ্ধান্তত উপনীত হ'ব পৰা যায় যে যিবোৰ দেশত পঢ়ুৱৈৰ সমাজৰ ৰুচিৰ লগত খাপখুৱাই গ্ৰন্থৰ উৎপাদন কৰা হয়, তাত পৰিপূৰক আৰু সাংখ্যিকমূলক অধ্যয়নে এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

বছৰি প্ৰকাশ হোৱা বিভিন্ন বিষয়ক গ্ৰন্থ আৰু এইবোৰৰ সংখ্যাৰপৰা গ্ৰন্থপাঠ সম্বন্ধে মতামত প্ৰকাশ কৰাটো কঠিন। এটা কথা হ'লে মন-কৰিবলগীয়া। ইউৰোপৰ অপেক্ষাকৃত সৰু দেশবোৰত বিভিন্ন বিষয়ক গ্ৰন্থ-

পাঠ কৰা হয়, কিয়নো এইবোৰ দেশলৈ আন আন ভাষাৰ অসংখ্য পুথিৰ আমদানি হয়। তাৰ তুলনাত অপেক্ষাকৃতভাৱে ডাঙৰ দেশবোৰত গ্ৰন্থপাঠ একে ধৰণৰ যেন অনুমান হয় আৰু এইবোৰ দেশৰ বাইজে অধিক ভাগ নিজৰ ভাষাৰ পুথিকে পঢ়ে।

যদিহে বহুবি প্ৰকাশ হোৱা গ্ৰন্থৰ আধাখিনিৰ স্কুলীয়া পাঠ্য পুথি হয়, তেন্তে বিশ্বৰ লোক সংখ্যাৰ একোজন লোকৰ বাবে একোখনকৈ সাধাৰণ পাঠ্য-গ্ৰন্থ উৎপাদন কৰা হয়। প্ৰকাশিত মুঠ গ্ৰন্থৰ শতকৰা ৭৫ ভাগ অপেক্ষাকৃতভাৱে সমুন্নত দেশবোৰত উৎপাদন কৰা হয় আৰু ইয়াৰ লগত সাক্ষৰতাৰ সম্পৰ্কও দেখাদেখিকৈ ওলাই পৰে। গতিকে বিশ্বৰ আধাবো ভালেখিনি কম লোককহে পঢ়ুৱৈ বুলি ধৰিব লাগিব আৰু সেইহেতুকে ইয়াৰ শতকৰা ২০ভাগ বা তাতকৈ কম সংখ্যক লোকক পঢ়ুৱৈ বুলি ধৰাটোহে সমীচিন হ'ব।

ইয়াৰ অৰ্থ হ'ল এয়ে যে উনবিংশ শতিকাত পাশ্চাত্য জগতৰ সমাজবিন্যাস যি ধৰণৰ আছিল, এতিয়া সমগ্ৰ বিশ্বতেই সি সম্প্ৰসাৰিত হৈছে। যদিহে সমগ্ৰ বিশ্বৰ জীৱন যাত্ৰাৰ মান উন্নীত কৰাৰ লক্ষ্য আংশিকভাৱেও পূৰণ কৰি পৰা যায়, তেন্তে গ্ৰন্থ উৎপাদন আৰু বিতৰণৰ মাত্ৰা অভূতপূৰ্ব ধৰণে বৃদ্ধি পাব।

যদিহে বিশ্বৰ লোকসংখ্যাৰ আধা ভাগক স্বাক্ষৰ বুলি ধৰি লোৱা হয়, তেন্তে তাৰ অৰ্থ হ'ব এয়ে যে প্ৰায় ১,৩০০,০০০ লোকে বাতৰি কাকত আৰু আলোচনী পঢ়ে আৰু প্ৰায় ৫০০ নিযুত লোকে পুথি পঢ়ে; পিচৰ চাম লোকে গড়ে বছৰি কেবাখনো পুথি পঢ়ে। ইংলণ্ড আৰু ছুইডেন আদি দেশৰ ৰাজহুৱা পুথিভঁৰালসমূহে যোগোৱা তথ্য-পাতিৰ লগতো এই সিদ্ধান্ত খাপ খায়; কিয়নো এই তথ্য-পাতিৰপৰা দেখা যায় যে জনমূৰি ৪/৫খনকৈ পুথি পঢ়িবলৈ নিয়া হয়। আন ভালেমান দেশত এই সংখ্যা তুলনাত কম হ'ব; কিন্তু পুথি কিনি আনি, আনৰপৰা ধাৰলৈ নি বা আন আন প্ৰকাৰে সংগ্ৰহ কৰা হয়।

যদিহে আমি ধৰি লওঁ যে অক্ষৰজ্ঞানসম্পন্ন লোকৰ শতকৰা ৪০ ভাগ গ্ৰন্থৰ পাঠক, তেন্তে আমাৰ তথ্য গ্ৰহণযোগ্য হ'ব বুলি ক'ব পৰা যায়। পঢ়া গ্ৰন্থৰ প্ৰায় আধাখিনি হ'ল পৰিপূৰক আৰু সংস্কৃতিমূলক শ্ৰেণীৰ

আৰু আনহাতে এই আধাখিনি হ'ল স্কুলীয়া পাঠ্যপুথিৰ বাহিৰা পুথি। গতিকে সাফল্যমূলক গ্ৰন্থপাঠৰ বাবে অৰ্থাৎ জ্ঞান, তথ্যাদি আহৰণৰ বাবে প্ৰয়োজনীয় ভালেমান গ্ৰন্থ উৎপাদন কৰিবলগীয়া হয়। আনহাতে আমি যদি ধৰি লওঁ যে সাধাৰণ পাঠকে গ্ৰন্থতকৈ বাতৰিকাকত আৰু সাময়িক পত্ৰিকাহে পঢ়ে তেন্তে আমি এই সিদ্ধান্তত উপনীত হ'ব লাগিব যে বছৰি এনে সাধাৰণ পাঠকে ৬-ৰ পৰা ৩০ নিযুতলৈকে মুদ্ৰিত শব্দ পাঠ কৰিবলগীয়া হয়। এই অনুমান নিখুঁত নহয়, কিয়নো বাতৰি কাকত আৰু আলোচনীৰ আকাৰৰ মাজত যথেষ্ট পাৰ্থক্য থাকে। নিতৌ গড়ে ২০,০০০ শব্দ পাঠ কৰা বুলি অনুমান কৰা হয়, কিন্তু কেইটামান দিন বাদ দিব-লগীয়া হয়, কিয়নো সাধাৰণ পাঠকে বছৰৰ প্ৰতিটো দিনতে কাকত নপঢ়ে আৰু ভালেমান ক্ষেত্ৰত প্ৰতি দিনে বাতৰিকাকত প্ৰকাশ নহ'বও পাৰে।

এইদৰে মানুহৰ মগজুৱে অনবৰত মুদ্ৰিত শব্দৰ সন্মুখীন হ'বলগীয়া হোৱাৰ ফলত দেখা দিয়া প্ৰশ্ন লৈ ব্যাপকভাৱে অনুশীলন চলোৱা হোৱা নাই। সাধাৰণতে এইটো ব্যক্তিৰ বাবে হিতকৰ বুলি ধাৰণা কৰা হয় আৰু তেনেই সাধাৰণভাৱে চাবলৈ গ'লে এই ধাৰণা গ্ৰহণযোগ্য, কিয়নো এই ক্ষেত্ৰত ব্যক্তিবিশেষ গ্ৰন্থপাঠৰ বাবে মানসিক স্তৰৰপৰা উপযুক্ত হ'লেও তেওঁ বাধ্যত পৰি পঢ়িবলগীয়া নহয়। গ্ৰন্থপাঠৰ প্ৰয়োজন আংশিক-ভাৱে সৃষ্টি কৰি লোৱা প্ৰয়োজন আৰু পিচত গৈ ই অভ্যাসত পৰিণত হয়, কিন্তু আমাৰ ভালেমান প্ৰয়োজনেই এনে ধৰণৰ। তথাপি এই সমগ্ৰ প্ৰশ্ন লৈ বিবেচনা কৰি চোৱাটো উচিত হ'ব।

এই পুথিত বিশ্লেষণ কৰি দেখুৱা হৈছে যে বিভিন্ন মানসিক স্তৰ অনুসৰি বিভিন্ন ধৰণৰ গ্ৰন্থৰ পাঠ হ'ব পাৰে আৰু ইয়াৰ ফলত আমি "এক-স্তৰৰ" গ্ৰন্থ পাঠতে অধিক মনোনিৱেশ কৰোঁহক। ফলত আমাৰ পৰি-পূৰক গ্ৰন্থ পাঠত বিকৃত ৰুচিৰ সৃষ্টি হৈছে আৰু সি আমাৰ আবেগক সূক্ষ্ম অনুভূতিৰ ঠাইত বিকৃত অনুভূতিৰ আহাৰ যোগায়।

আনহাতে আকৌ আধ্যাত্মিক গ্ৰন্থপাঠ আৰু মানসিক স্থৈৰ্য সাধনত ইয়াৰ গুৰুত্বৰ ওপৰত কম মূল্য দিয়া যেন দেখা যায়। প্ৰায়ে এনে ধাৰণা কৰা হয় যে সাধাৰণভাৱে নানা প্ৰকাৰৰ গ্ৰন্থপাঠ কৰাৰ দ্বাৰা আমাৰ

মূল প্ৰয়োজন পূৰণ হয়। কিন্তু তেনেই সংকীৰ্ণ মানসিক পৰিধিৰ ভিতৰতে যে বিভিন্ন প্ৰকাৰৰ প্ৰয়োজন সীমিত থাকে আৰু মানৱ মনৰ আন সামগ্ৰিক অংশকে (আৰু বোধহয় সেইটোৱেই অধিক গুৰুত্বপূৰ্ণ অংশ) অকামিলা কৰি ৰখা হয় সেই কথালৈ প্ৰায়ে লক্ষ্য কৰা নহয়।

জ্ঞান বিষয়ক ৰচনাৰ ক্ষেত্ৰতো সাধাৰণতে এনে এটা ধাৰণা কৰা হয় যে আমি আমাৰ ৰচনাত যিমানেই তথ্যপাতি সামৰি ল'ব পাৰোঁ তিমানেই আমাৰ সিদ্ধান্তবোৰ শক্তিশালী ভেটিত প্ৰতিষ্ঠিত হ'ব। এইটো আংশিক-ভাৱেহে সত্য হ'ব পাৰে, কিয়নো বাস্তৱ জগতৰ নানা প্ৰকাৰৰ অভিব্যক্তি সম্বন্ধে অমূৰ্তভাৱে চিন্তা কৰিবলৈ আমাৰ মনৰ ক্ষমতা আছে। আমি যদি মূৰ্তভাৱে বাস্তৱতাৰ চিন্তা কৰিবলৈ চেষ্টা চলাওঁ তেন্তে তাৰ ফলত সহজতে খেলিমেলি আৰু মানসিক ভ্ৰান্তিৰ সৃষ্টি হ'ব পাৰে, কিয়নো অমূৰ্ত কল্পনাইহে আমাক প্ৰয়োজনীয় ব্যৱধান আনি দিয়ে। বাস্তৱ জগতক তেনেই ওচৰৰ-পৰা চালে আমি তাৰ লগত অধিক আবেগপ্ৰৱণ হৈ সাঙোৰ খাই পৰাৰো সম্ভাৱনা থাকে।

ফলত মানুহৰ মনত সমগ্ৰ চিন্তাধাৰা, নৈতিক মূল্যবোধ আৰু ৰসোপলব্ধিৰ বিচাৰধাৰা অবিকশিত হৈ থাকে আৰু তাৰ ঠাইত এটা আন্তৰ্জাতিক খিচিৰি ভাবধাৰা সৃষ্টি হোৱাৰ সম্ভাৱ্য বিপদে দেখা দিয়ে; এনে ভাবধাৰাই ব্যক্তিৰ মানসিক বিকাশৰ বাবে প্ৰয়োজনীয় সমল যোগাব নোৱাৰে। আমি বাস্তৱতাৰ আলোকচিত্ৰ গ্ৰহণ কৰিবলৈ বিচাৰোঁহক, কিন্তু ই যে আগবেপৰা আমাৰ চকুৰ আগত থাঁহি আছে আৰু আমাৰ মানসিক প্ৰযোজন, বাস্তৱ-তথ্য আৰু সংখ্যাৰ সীমা চেৰাই গৈছে সেইকথা আমি পাহৰি যাওঁ।

আমি এই পুথিত কঁহিয়াই দেখুৱাই অহা যুক্তিমতে স্পষ্টভাৱে দেখা যাব যে ভক্তিমূলক আৰু সংস্কৃতিমূলক গ্ৰন্থপাঠ অনগ্ৰসৰ হৈয়ে আছে আৰু সাফল্যমূলক জ্ঞান আহৰণ আৰু পৰিপূৰক গ্ৰন্থপাঠৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

তদুপৰি সংগঠনৰ ওপৰতো অধিক গুৰুত্ব দিয়া হৈছে। ভক্তিমূলক গ্ৰন্থপাঠৰ বাবে সংগঠনৰ প্ৰয়োজন নহয়। ইয়াৰ বাবে কিছু পৰিমাণে

জীৱনৰ লয় আৰু আমাৰ সাফল্যৰ ফলতো জীৱনৰ মৌলিক তত্ত্বীৰ বিশেষ একো পৰিবৰ্তন নহয় বুলি এটা উপলব্ধিৰ আৰম্ভক হয়। সংস্কৃতিমূলক অধ্যয়নৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। সংস্কৃতি অপোনা-আপুনি বিকশি উঠে, চৰকাৰ বা সংস্থাই ইয়াক সৃষ্টি কৰি দিব নোৱাৰে।

আন্তৰ্জাতিক সংস্থাবোৰে সাকল্যমূলক জ্ঞান বিস্তাৰৰ ক্ষেত্ৰত যথেষ্ট কৰিব পাৰে, কিন্তু সাংস্কৃতিক একাত্মবোধ, সংস্কৃতিৰ মূল্যবোধ আদিৰ বাক্যাড়ম্বৰৰ পূৰ্ণ কাৰ্য্য-সূচী হাতত লৈ প্ৰায়ে মানুহৰ প্ৰত্যক্ষ আৰু বাস্তৱ প্ৰয়োজন উপেক্ষা কৰা হয়। তদুপৰি অনবৰত পাচিয়ে পাচিয়ে তথ্য-সংগ্ৰহৰ ওপৰত অতিপাত গুৰুত্ব দিয়া হয় আৰু সেইবোৰ ৰাষ্ট্ৰীয় চৰকাৰ আৰু আন্তৰ্জাতিক চৰকাৰৰ প্ৰতিবেদনত দলে দলে প্ৰকাশ কৰাৰ সমস্ত বাস্তৱ পৰিস্থিতিৰ, তুলনাত তেনেই আওপুৰণি হৈ পৰে। বৰ্তমান সদৌ বিশ্বকে এনে তথ্যবহুল প্ৰতিবেদনৰে ওপচাই পেলোৱা হৈছে। এনে ধৰণৰ প্ৰতিবেদনৰ প্ৰকাশৰ ক্ষেত্ৰত হয়তো আমাৰ বৰ্তমান যুগতে ৰেকৰ্ড কৰা হৈছে, অথচ বৰ কমসংখ্যক মানুহেই এইবোৰ পঢ়ি চায়। নিঃসন্দেহে ইয়াৰ দ্বাৰা শক্তি আৰু ধনৰ অপচয় হৈছে। ইয়াৰ কিবা এটা প্ৰতিকাৰ প্ৰয়োজনীয় হৈ পৰিছে।

বাস্তৱতে কিমানখিনি লিখা হয় আৰু কি পৰিমাণে সেইবোৰ পঢ়া হয় সেইটো মূল প্ৰশ্ন নহয়; কি লিখা হয় আৰু তাক কিদৰে পঢ়া হয় সেই-টোহে প্ৰকৃত প্ৰশ্ন। এই ক্ষেত্ৰত বৰ্তমান সমাজত যি অৱস্থা চলিছে তাক সম্পূৰ্ণভাৱে সন্তোষজনক বুলি ক'ব নোৱাৰি।

আনহাতে ৰচনা বুলি ব্যাপকভাৱে নানা প্ৰকাৰৰ যি সামগ্ৰী আগ-বঢ়োৱা হৈছে তাৰ বিৰুদ্ধে মানুহৰ মনত প্ৰতিবাদ সৃষ্টি হ'বলৈ বাধ্য আৰু আপোনা-আপুনিয়ে তাৰ প্ৰতিকাৰ কৰা হ'বই। বাইজৰ ৰুচি ৰচনা-সংস্কাৰৰ ক্ষেত্ৰত এটা ডাঙৰ প্ৰভাৱ, কিন্তু আনপক্ষে আকৌ বিশ্বত আদেশৰ দ্বাৰা ৰচনা সৃষ্টি কৰাৰ মাত্ৰা বৃদ্ধি পোৱাটোও বিপদৰ কাৰণ হৈ পৰিছে, কিয়নো এনে ক্ষেত্ৰত গ্ৰন্থ উৎপাদন আৰু বাজহুৱা ৰুচিৰ মাজত সামঞ্জস্য সাধনৰ বাবে বিশেষ বল নাথাকে। গ্ৰন্থ প্ৰকাশৰ ব্যয় বৃদ্ধি পোৱাৰ ফলত এই বিপদৰ সম্ভাৱনা গুৰুতৰ হৈ পৰে।

যিবোৰ দেশত ৰচনাৰ ওপৰত আদৰ্শগত নিয়ন্ত্ৰণ ব্যৱস্থা আৰোপ কৰা হয় সেইবোৰ দেশত এনে বিপদৰ সম্ভাৱনাই আৰু অধিক দেখা দিয়ে, অৱশ্য তেনে ক্ষেত্ৰতো এই কথা উপেক্ষা কৰিব নোৱাৰি যে পুথি পাঠ কৰাৰ বাবেহে লিখা হয়। গ্ৰন্থৰ উৎপাদন আৰু মানুহৰ প্ৰয়োজন-সূচীৰ মাজত যে সামঞ্জস্য বিধান কৰিবই লাগিব সেই কথা কেতিয়াও উপেক্ষা কৰিব নোৱাৰি, অৱশ্যে এই প্ৰক্ৰিয়া ক্ষেত্ৰবিশেষে যিমানেই আওপকীয়া, কষ্টসাধ্য আৰু কৃত্ৰিম নহওক লাগিলে। লেখক আৰু পাঠকৰ মাজত যিমানেই প্ৰত্যক্ষ সম্পৰ্ক স্থাপিত হয়, তিমানেই এনে সামঞ্জস্য-সাধন সহজ হৈ পৰে আৰু তিমানেই গতানুগতিক, অনুভূতি-বৰ্জিত আৰু অসাৰ ৰচনাৰ বিপদ কমি যায়। গতানুগতিক অসাৰ ৰচনাৰ ফলত গ্ৰন্থপাঠৰ আগ্ৰহ ধ্বংস কৰা হয়।

বিশেষকৈ বিদ্যালয়বোৰত অবাধে গ্ৰন্থ-নিৰ্বাচনৰ সুবিধা দিলে তেনে গ্ৰন্থই কিদৰে প্ৰভাৱ বিস্তাৰ কৰিব পাৰে সেইটো প্ৰায়ে নিৰ্ণয় কৰি কোৱাটো উচিত হ'ব। আনহাতে পাঠকে সাধাৰণ শৈলীত ৰচিত সহজ গ্ৰন্থ বিচাৰে বুলি কৰা ধাৰণাও ভ্ৰমাত্মক।

কঠিন বা অপ্ৰচলিত শৈলীত ৰচিত কেতবোৰ পুথি অতিশয় জনপ্ৰিয় হৈ আহিছে, বোধহয় অতিশয় আকৰ্ষণীয় মনৰ অভিব্যক্তি হোৱা হেতুকেই এই পুথিবোৰ সফল হৈছে। পাঠকৰ ওপৰত চকু ৰাখি এই পুথিবোৰ ৰচিত হোৱা নাই; বৰং লেখক আৰু পাঠকৰ সম্পৰ্ক বাস্তৱ বিশ্লেষণ বা মূল্যবোধৰ দ্বাৰা নিৰাকৰণ কৰিব নোৱাৰি। এই প্ৰক্ৰিয়াৰ ভালেখিনি অৱচেতনাসম্ভূত, তাত ৰচনাৰ মূলতে উগ্ৰ অনুভূতি মিহলি হৈ থাকে।

একোখন গ্ৰন্থৰ বাস্তৱ শব্দ-বিন্যাসৰ ওপৰত গ্ৰন্থখনৰ স্বৰূপ নিৰ্ভৰ নকৰে। গ্ৰন্থৰ মূল গাঁঠনিৰ ওপৰত ইয়াৰ তাৎপৰ্য ভালেখিনি নিৰ্ভৰ কৰে। যদিহে ৰচনাৰ দ্বাৰা লেখকৰ সচেতন মনৰ যোগসূত্ৰ স্থাপিত হয় তেতিয়া অব্যক্ত হ'লেও গ্ৰন্থপাঠ তাৎপৰ্যপূৰ্ণ হৈ পৰে। তেনেই যুক্তি-পূৰ্ণ ৰচনাই পাঠকক আমনি দিয়ে, কিয়নো পাঠকৰ চৰম প্ৰয়োজন যে আবেগমূলক সেই কথা এনে ৰচনাত উপেক্ষা কৰা হয়। যদিহে গ্ৰন্থপাঠ এটা কৰ্তব্য বুলি ধৰি লোৱা হয় তেন্তে আমি এনে অৱস্থাত উপনীত হ'মহঁক যেতিয়া এই প্ৰশ্ন উঠিব 'পঢ়াৰ প্ৰয়োজন কিয়?' জ্ঞানদানৰ আন আন উপায়ো আছে আৰু বৰ্তমানে তেনেই কম আয়াসতে 'বৈজ্ঞানিক

গ্ৰন্থবোৰে আটাইতকৈ অধিক জ্ঞান দান কৰে বুলি নিঃসন্দেহে ক'ব নোৱাৰি। বাস্তৱতে বিশেষকৈ সমাজ বিজ্ঞানৰ ক্ষেত্ৰত ইয়াৰ বিপৰীত ধাৰণাহে প্ৰায়ে সঁচা হ'ব বুলি ক'ব পাৰি।

কিন্তু অধিক ভাগ ৰচনাই হ'ল সংস্কৃতি আৰু জ্ঞানবিস্তাৰমূলক গ্ৰন্থৰ অদ্ভুত মিশ্ৰণ, ফলত এইবোৰৰ দ্বাৰা দুয়োটা প্ৰয়োজনৰ এটাৰো লগত সামঞ্জস্য সাধন কৰা নহয়।

অৱশ্যে পৰিৱৰ্তনৰ বাবে সাধাৰণভাৱে আগ্ৰহৰ ভাব সৃষ্টি নহ'লে বৰ্তমানৰ গ্ৰন্থবোৰৰ বিৰূপ অলোচনা কৰি বিশেষ লাভ পোৱা নাযাব। যোৱা কেইশতিকামান ধৰি আমি প্ৰায় সম্পূৰ্ণভাৱে জ্ঞান আহৰণত মনোনিবেশ কৰি আহিছোঁ। গতিকে আন আন মানসিক প্ৰয়োজন ভৱিষ্যতলৈ উদ্ভৱ হ'ব বুলি অনুমান কৰাটো যুক্তিসঙ্গত হ'ব।

গ্ৰন্থপাঠ আমাৰ বাবে প্ৰেৰণা, আনন্দ, কৰ্তব্য, উৎপীড়ণ, বাধ্যকতা অথবা এটা ধাণ্ডা হৈ পৰিব পাৰে। পাঠকে যি সমাজত বাস কৰে তাৰ ওপৰতে এনে ধৰণৰ ভাবাৱেগমূলক প্ৰতিক্ৰিয়া নিৰ্ভৰ কৰে। কোনো সমাজত জটিলটা বৃদ্ধি পালে গ্ৰন্থপাঠ অধিক কৰ্তব্যস্বৰূপ হৈ পৰে। যদিহে সমাজে শক্তি আৰু সমৃদ্ধি লাভৰ বাবে চেষ্টা কৰে তেন্তে জ্ঞান অৰ্জন একেবাৰে দেশপ্ৰেমমূলক দায়িত্বত পৰিণত হ'ব পাৰে। অৱশ্যে এই ক্ষেত্ৰতো প্ৰায়ে দেখা যায় যে দেশপ্ৰেমৰ অপেক্ষাকৃত আড়ম্বৰপূৰ্ণ অভিব্যক্তিহে অধিক আকৰ্ষণীয় হয়। তথাপি তৰুণ-তৰুণীসকলক কোৱা হ'ব যে জ্ঞান-আহৰণ এটা পবিত্ৰ কৰ্তব্য আৰু তেওঁলোকেও কৰ্তব্যনিষ্ঠা-ভাৱে দলে দলে বিশ্ববিদ্যালয়ত ভৰ্তি হ'ব। বৰং তেতিয়াও তেওঁলোকৰ এই অনুশোচনা থাকি যাব যে স্বাধীনতা অৰ্জনৰ বাবে চলোৱা প্ৰয়াসৰ তুলনাত প্ৰকৃত স্বাধীনতা-প্ৰাপ্তি আধাগুণো আকৰ্ষণীয় নহয়।

সামাজিক দল বা ব্যক্তি-বিশেষৰ জীৱনীশক্তিৰ লগত সামঞ্জস্য নাইকিয়া হৈ পৰিলে গ্ৰন্থপাঠ এটা পীড়াদায়ক প্ৰক্ৰিয়া হৈ পৰিব পৰে। তেতিয়া ব্যৰ্থতা, হতাশা, বিচ্ছেদ, অবৌদ্ধিকতাবাদ, নৱ-শক্তি আন্দোলন আদিৰ লগত ই সংশ্লিষ্ট হৈ পৰে। দেখা-দেখিকৈয়ে সাফল্যমূলক গ্ৰন্থপাঠৰ ক্ষেত্ৰত এই অৱস্থাৰ সৃষ্টি হয়, অৱশ্যে প্ৰথম মহাসমৰৰ পিচত ইউৰোপৰ কোনোবোৰ মহলত নিঃসন্দেহে সাংস্কৃতিক শান্তিৰ উদ্ভৱ হৈছিল।

গ্ৰন্থপাঠ এটা ধাওঁ বা বাধ্যতামূলক প্ৰক্ৰিয়াত পৰিণত হোৱাটো অধিক নিৰ্ভৰ কৰে গ্ৰন্থপাঠৰ গতি-ছন্দৰ ওপৰত। যদিহে জীৱনৰ গণ্ডিয়ে বাধ্যতামূলক গুণবোৰ পৰিগ্ৰহ কৰে তেন্তে মূল জীৱনবিশ্বাসৰ অঙ্গ হিচাপে আন আন কাৰ্যকলাপতো এইবোৰৰ প্ৰকাশ হ'ব, যেনে জ্ঞান আৰু তথ্য-সংগ্ৰহৰ বাবে গ্ৰন্থপাঠ। আনহাতে পৰিপূৰক গ্ৰন্থপাঠত ইয়াৰ মাত্ৰা কম হ'ব। বাস্তৱতে ক্লান্তি গুচোৱাৰ পৰিপূৰক গ্ৰন্থপাঠৰ আশ্ৰয় লোৱা হ'ব পাৰে, ব্যঙ্গচিত্ৰ, ব্যঙ্গ আলেখ্য, সচিত্ৰ আলোচনীৰ নিচিনা পৰিপূৰক গ্ৰন্থপাঠৰ ক্ষেত্ৰত বিভিন্ন মাত্ৰাৰ গতি হ'লেও চলে হেতুকে এই প্ৰক্ৰিয়া অধিক সম্ভৱপৰ হৈ উঠিব। এইবোৰ বচন বিভিন্ন প্ৰকাৰে পাঠ কৰিব পৰা হেতুকে এইবোৰ সৰবৰহী হৈ উঠাৰ এটা কাৰণ হ'ব পাৰে।

বাধ্যতামূলক গ্ৰন্থপাঠৰ চূড়ান্ত পৰিণাম হ'ল এয়ে যে ই এটা ধাওঁত পৰিণত হয়। অতিশয় গ্ৰাহিকা-শক্তিসম্পন্ন আৰু উদ্দেশ্য সাধনৰ বাবে উগ্ৰভাৱে উৎকণ্ঠিত চেমনীয়াৰ ক্ষেত্ৰত অথবা উন্নতিৰ বাবে উদ্বাউল হৈ পৰা একো একোটা দলৰ বাবে গ্ৰন্থপাঠ মনৰ এটা ধাওঁ হৈ পৰিব পাৰে। বিপ্লৱৰ ঠিক পিচতে চেভিয়েট ইউনিয়নৰ কেতবোৰ মহলত এই অৱস্থা দেখিবলৈ পোৱা গৈছিল।

অৱশ্যে দাৰ্শনিক অথবা ঐতিহাসিকে এনে অৱস্থা লৈ বিশেষ আলোচনা কৰিবলৈ নিবিচাৰে। তেওঁলোকে বিচাৰে অপেক্ষাকৃত সমন্বয়মূলক কাল সম্বন্ধে বিবেচনা কৰিবলৈ। এনে কালছোৱাত মানুহৰ অধিক ভাগ কাৰ্য-কলাপৰ লগত অনুভূতিগত সহজাত যোগসূত্ৰ থাকে আৰু গ্ৰন্থপাঠৰ এইটোৱে মূল কথা হোৱা উচিত, আনকি তাৰ ফলত "বৈজ্ঞানিক" গ্ৰন্থ আৰু চৰকাৰী প্ৰতিবেদন উৎপাদনৰ মাত্ৰা কমি গ'লেও চিন্তাৰ একো কাৰণ নাই। এনে বিপৰ্যয় অতিক্ৰম কৰি মানৱসমাজ তিষ্ঠি থাকিব পাৰিব বুলি ধৰি ল'ব পাৰি।

## ষষ্ঠ অধ্যায়

# গ্ৰন্থপাঠৰ ভূমিকাৰ লগত পুথিভঁৰালৰ সম্পৰ্ক

পুথিভঁৰালৰ ভূমিকা যে অতি জটিল আৰু ইয়াক যি কোনো সহজ দৃষ্টি-ভঙ্গীৰপৰা বিবেচনা কৰিব নোৱাৰি সেই কথা লাহে লাহে স্পষ্ট হৈ উঠিছে। অধ্যয়নৰ সামগ্ৰী সংগ্ৰহৰ মুখ্য ভূমিকাৰ উপৰিও ইয়াৰ আন কেবাটাও ভূমিকা আছে। "মৰ্যাদা"ৰ প্ৰশ্নয়ো পুথিভঁৰাল গঢ়ি তোলাত সহায় কৰে। কিছু পৰিমাণে পুথি আৰু আন আন সা-সামগ্ৰী সংগ্ৰহেই এটা লক্ষ্য হৈ পৰিব পাৰে।

পুথিভঁৰালক প্ৰায়ে জাতিৰ "সমূহীয়া সোঁৰৰণী" বুলি অভিহিত কৰা হয়। ইয়াৰ ফলত পুথিভঁৰালে পৰাপক্ষত সকলো সা-সামগ্ৰীকে সংগ্ৰহ কৰিব লাগে বুলি এটা ধাৰণাৰ সৃষ্টি হৈছে। কিন্তু ব্যক্তিৰ বেলিকা দেখাৰ নিচিনাকৈ জাতিৰ বেলিকাও এই "সমূহীয়া সোঁৰৰণী"ৰ অধিকখিনি অৱচেতনত লুকাই থকাটোহে লক্ষ্য কৰা যায়। আনহাতে বিৰাট বিৰাট ৰাষ্ট্ৰীয় আৰু বিশ্ববিদ্যালয়ৰ পুথিভঁৰালত এনে ভালেমান সামগ্ৰী গোট খাইছে যিবোৰক কদাকাচিৎহে ব্যৱহাৰ কৰা হয় বা কোনোদিনেই ব্যৱহাৰ কৰা নহয়। বৈজ্ঞানিক সংজ্ঞা নিৰ্দ্ধাৰণৰ বাবে যাবতীয় সকলো তথ্যৰে প্ৰয়োজন হয় বুলি এটা ধাৰণা হোৱা হেতুকে পুথিভঁৰালক স্বয়ং সম্পূৰ্ণ কৰিবলৈ বিচৰা হয়। ইয়াত এই ধাৰণা সম্বন্ধে আলোচনা কৰাৰ অৱসৰ নাই, কিন্তু পুথিভঁৰালক পূৰ্ণাঙ্গ হিচাপে গঢ়ি তোলাৰ বাবে এই ধাৰণাই যে প্ৰেৰণা যোগায় সেইটো ইয়াতে উল্লেখ কৰাটো প্ৰয়োজনীয়।

অঙ্কৰ ভেটিত হিচাপ কৰি দেখুৱাব পৰা যায় যে এনেদৰে পূৰ্ণাঙ্গ কৰি তোলাৰ প্ৰৱণতাৰ ফলত বিৰাট বিৰাট পুথিভঁৰালবোৰৰ যোগান চলাবলৈ নোৱাৰা হৈ পৰিব, কিন্তু মজুত গ্ৰন্থাগাৰ, আন বিভাজন (কাৰ্মিকেলৰ

আঁচনি), মাইক্ৰোফিল্ম, মাইক্ৰোকাৰ্ড আদি আধুনিক কৌশল উদ্ভাৱনৰ ফলত পুথিভঁৰালবোৰক কিছুদূৰ পূৰ্ণাঙ্গ কৰি গঢ়ি তোলাটো সম্ভৱপৰ হৈ উঠিছে।

অৱশ্যে পুথিভঁৰালৰ ভূমিকা সম্বন্ধে বিবেচনা কৰোঁতে ডাঙৰ ডাঙৰ পুথিভঁৰালবোৰৰ ওপৰত অধিক গুৰুত্ব দিয়াটো ভুল হ'ব। অধিক ভাগ পুথি-ভঁৰালেই সৰু। "পুথিভঁৰাল"ৰ ধাৰণাৰ লগত সংখ্যাগত ধাৰণাও সন্নিবিষ্ট আছে নে নাই সেই কথাটো বিবেচনা কৰি চোৱাটো কৌতূহল-উদ্দীপক হ'ব। এজন লোকে এইদৰে ক'ব পাৰেনে "মোৰ পুথিভঁৰালত এখন পুথি আছে?" নে এইদৰে ক'লে সংজ্ঞাৰ অপব্যৱহাৰ কৰা হ'ব? অধিক ভাগ লোকেই "পুথিভঁৰাল" বুলিলে "কিছুসংখ্যক পুথি" বুলি যে ধাৰণা কৰে তাত কোনো সন্দেহ নাই। কিন্তু এই সংখ্যা কিমান হ'ব লাগে তাক নিৰ্ণয় কৰাৰ উপায় নাই হেতুকে কিমান সংখ্যক পুথি থাকিলে তাক পুথিভঁৰাল বুলিব পাৰি সেই কথা ঠাৱৰাব পৰাৰ উপায় নাই। কেইখনমান পুথিৰ সংগ্ৰহক কি আখ্যা দিয়া হ'ব? বোধহয় আমি এখন পুথিৰপৰা দহলাখ পুথিলৈকে যি কোনো পুথিৰ সংগ্ৰহকে পুথিভঁৰাল বুলি অভিহিত কৰিব লাগিব, অৱশ্যে সাধাৰণতে ইয়াৰ অৰ্থ হ'ব "ভালেখিনি" পুথি বা আন আন সামগ্ৰীৰ সংগ্ৰহ; শাব্দিক অৰ্থগত সঙ্গতি নাথাকিলেও 'নথিপত্ৰ' বা "সাময়িক গ্ৰন্থাগাৰকো" পুথিভঁৰাল আখ্যা দিয়া হয়। অৱশ্যে এই-বোৰক পুথিভঁৰাল নুবুলি সংগ্ৰহ বোলাহে উচিত।

আন এটা আহুকলীয়া প্ৰশ্ন হ'ল সক্ৰিয় ব্যৱহাৰনে সম্ভাব্য ব্যৱহাৰৰ আধাৰত পুথিভঁৰালৰ অৰ্থ নিৰ্ভৰ কৰে? যদিহে এনে সংগ্ৰহ একো ব্যৱহাৰৰ কাৰণে কৰা নহয়, তেন্তে তাক পুথিভঁৰাল নুবুলি পুথিৰ সংগ্ৰহ (book storage) বোলাহে উচিত হ'ব। পুথিভঁৰালৰ সা-সামগ্ৰী ব্যৱ-হাৰৰ কাৰণে প্ৰাপ্য হোৱাটোও ইয়াৰ সংজ্ঞাৰ লগত সন্নিহিত থাকে। অৱশ্যে ব্যৱহাৰকাৰী পুথিভঁৰাললৈ আহেনে নাহে তেনে প্ৰশ্ন তোলা নহয়। যেতিয়ালৈকে সংজ্ঞাগতভাৱে ব্যৱহাৰ কৰাটো সম্ভৱপৰ হৈ থাকে, তেতিয়ালৈকে বাস্তৱ ব্যৱহাৰ নাইবা কেৱল সম্ভাব্য ব্যৱহাৰৰ প্ৰশ্নটোও

গৌণ। তদুপৰি মাত্ৰা অনুসৰিও এইটো নিৰ্ণয় কৰাটো সম্ভৱপৰ নহয় যেন লাগে। সম্ভাব্য এজন ব্যৱহাৰকাৰী থাকিলেও সংজ্ঞা নিৰ্ণয়ৰ বাবে যথেষ্ট।

কিমান সংখ্যক ব্যৱহাৰকাৰীয়ে একোটা পুথিভঁৰালৰ সা-সুবিধা লাভ কৰিব পাৰে তাৰ আধাৰত ইয়াৰ মূল্যাঙ্কন কৰাটোও ৰীতি হৈ পৰিছে। কোনো পুথিভঁৰালতে প্ৰতিজন লোকে গ্ৰন্থপাঠৰ সুবিধা নাপায়; কিন্তু পুথিভঁৰাল আৰু জ্ঞান বিস্তাৰ কৰি যোৱাৰ লগে লগে সমাজ শাস্ত্ৰবিদসকলে কোৱাৰ নিচিনাকৈ "মণ্ডল বিস্তাৰৰ নীতি" অনুসৰি পুথিভঁৰালৰ সা-সুবিধা লাভ কৰোঁতাৰ সংখ্যাও দেখা-দেখিকৈয়ে বাঢ়ি যাব। বিশ্বসমাজৰ ক্ষেত্ৰতো এই নীতি প্ৰয়োগ কৰিলে তাৰপৰা আমি এনে ধাৰণা কৰি ল'ব পাৰোঁহক যে ক্ৰমান্বয়ে পুথিভঁৰালৰ সা-সুবিধা লাভৰ মাত্ৰা আৰু পাঠকৰ সংখ্যা বৃদ্ধি পাই যাব, কিন্তু লগতে এই কথাও মনত ৰখা উচিত হ'ব যে সাধাৰণ মানুহৰ অধ্যয়নৰ প্ৰতি থকা ধাউতিৰ দ্বাৰাহে শেহত ইয়াৰ সীমা নিৰ্ণীত হ'ব। এই পাঠৰ আগ্ৰহে পুথিভঁৰালৰ মুখ্য ভূমিকা স্থিৰ কৰে। মৰ্যাদা বৃদ্ধি, সংগ্ৰহৰ বাবে সংগ্ৰহ, তথ্যাদিৰ সংগ্ৰহ আদি আন আটাইবোৰ ভূমিকাকে গৌণ বুলি বিবেচনা কৰাটো যুগত হ'ব। পুথি-ভঁৰালে মানুহৰ মাজত গ্ৰন্থপাঠৰ আগ্ৰহ সৃষ্টি কৰাটো উচিত হয়নে নহয়, অথবা পুথিভঁৰাল প্ৰয়োজন হ'লে মানুহে ব্যৱহাৰ কৰাৰ বাবে পতা হয়, গতিকে ই পাঠৰ আগ্ৰহৰ সৃষ্টিত নিষ্ক্ৰিয় হৈয়ে থকা উচিত—এইদৰে প্ৰায়ে ভালেমান দিনৰপৰা যুক্তি-তৰ্ক দেখুৱাই হৈ অহা হৈছে। আজি-কালি বিশেষকৈ ৰাজহুৱা পুথিভঁৰালৰ ক্ষেত্ৰত প্ৰায়ে এইদৰে যুক্তি দেখুৱা হয় যে পাঠকৰ মনত গ্ৰন্থপাঠৰ আগ্ৰহ সৃষ্টি কৰাটো পুথিভঁৰালৰ এটা সমীচীন কৰ্তব্য। সমূহ সমাজৰ নৈতিক আৰু অৰ্থনৈতিক বিকাশৰ গ্ৰন্থপাঠৰ প্ৰয়োজন বুলি ধাৰণা কৰা হয়; গতিকে ইয়াৰ প্ৰতি আগ্ৰহৰ সৃষ্টি কৰাটো সঙ্গত আৰু প্ৰশংসনীয়। গ্ৰন্থপাঠৰ ফলত "ভুল ধাৰণা"ৰ সৃষ্টি হ'ব পাৰে বুলি বৰ বেছি লোকে ধাৰণা কৰা দেখা নাযায়; কিন্তু কেতবোৰ পাঠ্য সামগ্ৰীৰ ক্ষেত্ৰত, বিশেষকৈ "একেটা মাথোন আদৰ্শ অনুসৰণকাৰী" দেশ-সমূহত এই ধাৰণা এতিয়াও চলি থকা দেখা যায়।

[illegible] সমাজত [illegible]
[illegible] এখানকৈ [illegible]
[illegible] আৰু গ্ৰন্থপাঠ হ'ল [illegible]
[illegible] উপায়।

[illegible] সাধাৰণ অভ্যাসত [illegible] উচিত; এই কথা উপলব্ধি হোৱাৰ ফলত গ্ৰন্থপাঠৰ [illegible] এটা কথাতে মনোনিবেশ নকৰি সাধাৰণভাৱে যি কোনো পুথি পঢ়াটো সমৰ্থন কৰা হয়। কোনোবা মানুহে যদি উপন্যাস পঢ়ে, তেন্তে তেওঁ বাতৰি কাকত, আলোচনী আৰু চিন্তাগধুৰ গ্ৰন্থবোৰো অধ্যয়ন কৰিব বুলি ধাৰণা কৰা হয়।

এইটোও নিঃসন্দেহে সত্য কথা যে মানুহৰ অভ্যাসৰ এটা সুকীয়া বৈশিষ্ট্য আছে, আবেগিক সন্তুষ্টি আৰু বাস্তৱ অভীষ্ট সিদ্ধিৰ প্ৰয়োজনলৈ চাই অভ্যাস গঢ়ি উঠে। কিবা গ্ৰন্থপাঠৰ ফলত আবেগৰ ফালৰপৰা বিৰূপ প্ৰতিক্ৰিয়াৰ উদ্ভৱ হ'লে সকলো ধৰণৰ গ্ৰন্থপাঠৰ ক্ষেত্ৰতো তেনে প্ৰতিক্ৰিয়াই বিস্তাৰ লাভ কৰিব পাৰে। গতিকে গ্ৰন্থপাঠৰ প্ৰতি আগ্ৰহৰ সৃষ্টি কৰিবলৈ হ'লে সকলো প্ৰকাৰৰ গ্ৰন্থ পাঠ কৰাত উৎসাহ দিয়াটো বিজ্ঞোচিত হ'ব আৰু পাঠকে ক্ৰমে নিজৰ অভিৰুচি আৰু প্ৰয়োজন অনুসৰি গ্ৰন্থৰ বাছনি কৰি ল'ব পাৰিব বুলি এৰি দিয়াটো দূৰ-দৰ্শিতাৰ কাম হ'ব। এই বিষয়ত দিহা-পৰামৰ্শ দিয়াটো মুখ্যতঃ পাঠ্য সামগ্ৰীৰ শ্ৰেণীভেদ আৰু আহুকালৰ মাত্ৰাতে আবদ্ধ থাকে; অৱশ্যে বিশেষ ধৰণৰ ৰাজনৈতিক বা আদৰ্শবাদৰ প্ৰচাৰৰ অভিপ্ৰায় থাকিলে কথা সুকীয়া হৈ পৰে। এইদৰে কেতেবোৰ পুথিভঁৰালে হয়তো ধৰ্মগ্ৰন্থ পাঠত উৎসাহ দিব; আনবোৰে দিব বিশেষ ৰাজনৈতিক বা সভ্যতাৰ বাৰ্তাবহ গ্ৰন্থপাঠত। গ্ৰন্থপাঠৰ ফলত কেতবোৰ নাগৰিকসুলভ গুণৰ বিকাশ হোৱাৰ ওপৰত আজিকালি বিশেষ গুৰুত্ব দিয়া নহয়; অৱশ্যে বাস্তৱধৰ্মী উপন্যাসৰ ৰসোপলব্ধিৰ ক্ষেত্ৰত হ'লে মাত্ৰাভেদ যথেষ্ট পৰিলক্ষিত হয়।

[illegible] যথাসম্ভৱ সাধাৰণ ৰখাৰ আৰু [illegible] নাইকিয়া হ'ব লাগে বুলি কোৱাৰ সপক্ষে যথেষ্ট যুক্তি [illegible] শ্ৰেণীৰ পাঠকৰ বাবে অধিক নিৰ্বাচনমূলক দৃষ্টি-ভঙ্গী অৱলম্বন [illegible] সঙ্গত হ'ব।

এইবোৰ প্ৰশ্নৰ সমাধান প্ৰতিটো জাতিয়ে নিজে নিজে কৰি ল'ব লাগিব; কাৰ পক্ষে কোনটো নীতি গ্ৰহণ বা বৰ্জন কৰাটো উচিত হ'ব তাক কৈ দিয়াটো সম্ভৱপৰ নহয় যেন লাগে। বাস্তৱ পৰিস্থিতিৰ ওপৰতে এইটো নিৰ্ভৰ কৰে; কিন্তু এই ক্ষেত্ৰত নিঃসন্দেহে যথা সম্ভৱ ব্যক্তি স্বাধীনতাৰ ব্যৱস্থা কৰাই চৰম লক্ষ্য হোৱা উচিত। কিতাপ পঢ়া যি কোনো লোকৰে অন্ততঃ সামান্যতম হ'লেও স্থৈৰ্য থাকে, আৰু গ্ৰন্থপাঠৰ ফলত এই স্থৈৰ্য অধিক শক্তিশালী নহৈ নাইকিয়াহে হৈ পৰিব পাৰে বুলি বিশ্বাস কৰাৰ বিশেষ হেতু নাই। কোনো দিনে কোনো বিপ্লৱী গ্ৰন্থ বিপ্লৱৰ কাৰণ হৈ অহা নাই। এনে গ্ৰন্থই বিপ্লৱৰ গতি কোনোবা দিনে চাল খুৱাই দিব পাৰে, কিন্তু তাকেই বৈপ্লৱিক কাৰ্যৰ একমাত্ৰ কাৰণ বুলি গণ্য কৰিব নোৱাৰি। অৱশ্যে যদিহে কোনো ব্যক্তি বা সামাজিক দল অতিশয় কল্পনা-প্ৰৱণ হয় তেন্তে গ্ৰন্থপাঠৰ ফলত কেতবোৰ সমাজৰ কা-নৰপৰা অবাঞ্ছনীয় প্ৰতিক্ৰিয়া দেখা দিব পাৰে, আৰু তেনে ক্ষেত্ৰত কিছুদূৰ নিয়ন্ত্ৰণ প্ৰয়োজনীয় হৈ পৰে।

সাধাৰণভাৱে ক'বলৈ গ'লে সামাজিক নিয়ন্ত্ৰণ পৰিহাৰৰ বাবে যুক্তি দেখুৱা সকলো প্ৰকাৰৰ প্ৰকাশিত পাঠ্য-সামগ্ৰীৰ ক্ষেত্ৰতে এই কথা প্ৰযোজ্য; কিন্তু গ্ৰন্থপাঠে পৰিপূৰক ব্যৱস্থা স্বৰূপেও কাম কৰে, গতিকে এই ধৰণৰ সাহিত্যয়ো এটা সামাজিক দায়িত্ব পূৰণ কৰে। যদিও এই সিদ্ধান্ত প্ৰমাণ কৰি দিয়াটো কঠিন, তথাপি এনে গ্ৰন্থ-পাঠৰ ফলত পাঠকে অনুকৰণ কৰাতকৈ নিজৰ মনৰ আবেগ পূৰণ কৰাত অধিক সাহায্য লাভ কৰাটোহে দেখিবলৈ পোৱা যায়। অধিক ক্ষেত্ৰত দেশবোৰৰ বাস্তৱ আচৰণৰপৰা স্পষ্টভাৱে দেখিবলৈ পোৱা

যায়। অধিক সমুন্নত দেশবোৰৰ বাস্তৱ আচৰণৰপৰা স্পষ্টভাৱে দেখিবলৈ পোৱা যায় যে এনে ক্ষেত্ৰত ব্যাপক ধৰণৰ নিয়ন্ত্ৰণৰ বাবে জৰুৰী প্ৰয়োজন অনুভৱ কৰা নহয়।

কলাই মনৰ বোজা পাতলাই দিয়াত নিজৰ প্ৰভাৱ বিস্তাৰ কৰে আৰু ইচ্ছাকৃতভাৱে নীতি-শিক্ষা দান কৰিবলৈ বিচৰা কলাৰ প্ৰতি অধিকভাগ পৰিপক্ক সভ্য সমাজৰে ৰুচি দেখা নেযায়। জীৱনতে প্ৰকৃত নৈতিক মূল্যবোধ নিহিত থাকে আৰু যদিহে কলাই এইবোৰ দেখুৱাই দিয়ে তেন্তে এটা গতানুগতিক চিত্ৰ দাঙি ধৰাৰ সলনি সি অধিক কৰ্তব্য সাধন কৰি দিয়ে।

গ্ৰন্থপাঠৰ ক্ষেত্ৰত বাধ্যবাধকতা আৰোপ কৰাটো অবিজ্ঞোচিত যেন লাগিলেও সাৰ্বজনীন "গ্ৰন্থপাঠৰ অধিকাৰ" প্ৰতিষ্ঠা কৰাৰ দাবীও অতিৰঞ্জিত ধৰণৰ কথা; মাজে সময়ে এনে অধিকাৰ প্ৰতিষ্ঠাৰ সপক্ষে যুক্তি দেখুৱা হয়। গ্ৰন্থপাঠৰ স্বাধীনতাৰ মাত্ৰাভেদ আছে আৰু যদিহে এখন দেশে গ্ৰন্থপাঠৰ স্বাধীনতাৰ পৰিধি বিস্তাৰৰ বাবে আন এখন দেশৰ ওপৰত হেঁচা দিবলৈ যায় তেন্তে লক্ষ্য সাধনৰ বিপৰীত পৰিণামহে দেখা দিব পাৰে, বিশেষকৈ যদি এনে দেশ শক্তিশালী হয়। আন্তৰ্জাতিক জনমত এটা কাৰ্যকৰী সাধন হ'ব পাৰে, বিশেষকৈ অপেক্ষাকৃত সৰু সৰু দেশবোৰৰ কাৰণে, কিন্তু প্ৰায়বোৰ ক্ষেত্ৰতে বল প্ৰয়োগ বা তেনে কৰাৰ চেষ্টা চলোৱা বুলি এটা ধাৰণা জন্মোৱাতকৈ নিজে নিজে দৃষ্টান্ত দাঙি ধৰিব পাৰিলে তাৰপৰা অধিক সুফল পোৱা যায়।

বাস্তৱ আৰু প্ৰযোজ্য হ'লেহে অধিকাৰৰ মূল্য থাকে। নহ'লে সি প্ৰচাৰকাৰ্যৰ মাধ্যমবিশেষ হৈয়ে থাকে আৰু তাৰ দ্বাৰা আইনৰ মৰ্যাদা বৃদ্ধি নাপায়, কিয়নো ইয়াৰ ফলত প্ৰকৃত অধিকাৰ আৰু বাঞ্ছনীয় কল্পিত অধিকাৰৰ সানমিহলি কৰি বিশৃঙ্খলাৰ সৃষ্টি কৰা হয় যিহেতু এনে ধৰণৰ কল্পিত অধিকাৰৰ আইনৰ দৃষ্টি-ভঙ্গীত একো মৰ্যাদা নাই। আইন এতিয়াও প্ৰধানকৈ ভিন ভিন ৰাষ্ট্ৰৰ নিজ এক্তিয়াৰত আবদ্ধ থকা কথা।

ক্ৰমে এই কথা অধিক স্পষ্ট হৈ আহিছে যে সমাজক বিভিন্ন সম্পৰ্কেৰে সাঙোৰ খাই থকা গোট হিচাপে বিবেচনা কৰা উচিত হ'ব; অকল বিশ্লেষণৰ বাবেহে তাৰে কেইটামান বিষয় বিচ্ছিন্ন কৰিব পৰা যায়। ব্যক্তি যি সমাজত বাস কৰে তাৰ ওপৰতে তেওঁৰ প্ৰয়োজন সূচী অধিক পৰিমাণে নিৰ্ভৰ কৰে। তেওঁৰ নিৰ্বাচনৰ গণ্ডী সীমাবদ্ধ। পুথিগতভাৱে আমি অৱশ্যে ক'ব পাৰোঁ যে মানুহে পঢ়া বা নপঢ়াৰ কিবা এটা বাছি লব পাৰে। বাস্তৱ ক্ষেত্ৰত কিন্তু তেনে বাছনিৰ সুবিধা পোৱা নাযায়। যদিহে সংশ্লিষ্ট ব্যক্তি অতিশয় সমুন্নত সমাজৰ লোক তেন্তে সেই সমাজত তেওঁৰ "মৰ্যাদা"ই তেওঁৰ প্ৰয়োজন-সূচী নিৰ্ণয় কৰি দিয়ে। তেওঁ কম বা বেছি সংখ্যক পুথি পঢ়িব পাৰে, তেওঁ এবিধ পাঠ্যসামগ্ৰীৰ তুলনাত আন এবিধ পাঠ্য-সামগ্ৰী অধিক পঢ়িব পাৰে, কিন্তু তেওঁ নপঢ়াকৈ থাকিব নোৱাৰে। বিশ্বজগতত কিবোৰ ঘটনা হৈছে সেই সম্বন্ধে তেওঁৰ সাধাৰণ ধাৰণা এটা জন্মিব লাগিব; তেওঁ কেতবোৰ বা-বাতৰি আৰু তথ্য জনাটো প্ৰয়োজন হ'ব। আনকি পৰিপূৰক গ্ৰন্থপাঠো সম্পূৰ্ণৰূপে স্বেচ্ছাপ্ৰণোদিত কাৰ্য নহয়, সংশ্লিষ্ট সমাজৰ লয় বা সামাজিক গতিৰ দ্বাৰা ই আংশিকভাৱে নিৰ্ণীত হয়।

যদিহে গঠনবিন্যাসৰ ফালৰপৰা সামাজিক জীৱন সম্বন্ধে লক্ষ্য কৰা হয় তেন্তে স্পষ্টভাৱে দেখা যায় যে এখন সমাজৰ এটা স্তৰ আন এখন সমাজলৈ স্থানান্তৰিত কৰিব নোৱাৰি। অপেক্ষাকৃতভাৱে অনগ্ৰসৰ দেশবোৰত গ্ৰন্থপাঠৰ মাত্ৰা বৃদ্ধি পাবনে নাপায়, সেই প্ৰশ্নটো এনে সমাজবোৰৰ সামগ্ৰিক পৰিৱৰ্তনৰ পটভূমিতহে বিবেচনা কৰিব পৰা যাব। সেইদৰে আকৌ উন্নত দেশবোৰতো গ্ৰন্থ-পাঠ অব্যাহতভাৱে চলি থাকিব বুলি অনুমান কৰি ল'ব নোৱাৰি।

কোনো সমাজৰ পৰিৱৰ্তনৰ গতিৰ লগতো সেই সমাজৰ গ্ৰন্থপাঠৰ স্বৰূপ ভালেখিনি নিৰ্ভৰ কৰে; যদিহে এই গতি তীব্ৰ হয় তেন্তে তেনে সমাজত জ্ঞান আৰু তথ্যাদিৰ অধিক প্ৰয়োজন হয়; আনহাতে তীব্ৰ পৰিৱৰ্তনৰ ফলত স্বাভাৱিকতে আবেগিক সংঘাতৰ সৃষ্টি হোৱা হেতুকে

পৰিপূৰক গ্ৰন্থপাঠৰ মাত্ৰাও বৃদ্ধি পায়। যদিহে অপেক্ষাকৃত উন্নত সমাজবোৰত এই গতিৰ তীব্ৰতা হ্ৰাস পায় তেন্তে গ্ৰন্থপাঠৰ স্বৰূপবো পৰিৱৰ্তন হ'ব বুলি ধৰি লোৱাটো যুক্তি সাপেক্ষ হ'ব; আনকি গ্ৰন্থ-পাঠৰ মাত্ৰা হ্ৰাস পাব পাৰে বুলি ধৰি ল'লেও বৰ ভুল ন'হব। সাফল্য-মূলক আৰু পৰিপূৰক গ্ৰন্থপাঠৰ ফলতে গ্ৰন্থ-উৎপাদনৰ মাত্ৰা পুথিভঁৰাল-বোৰৰ সংখ্যা আৰু আয়তনৰ মাত্ৰা আটাইতকৈ বৃদ্ধি পাইছে আৰু অপেক্ষাকৃত তেনেই কম সময়ৰ ভিতৰত—যোৱা ৭০ বা ৮০ বছৰৰ ভিতৰত যে সৰ্বাধিক বৃদ্ধি পৰিলক্ষিত হৈছে সেই কথা পাহৰি যোৱাটো উচিত নহব।

পুথি-পত্ৰ সহজলভ্য হ'লেই গ্ৰন্থপাঠৰ প্ৰয়োজন সৃষ্টি নহয়, ইয়াৰ কাৰণ অধিক গভীৰ ধৰণৰ। মুঠতে ক'বলৈ গ'লে নগৰ অঞ্চলৰ মানুহে গাওঁ অঞ্চলৰ মানুহৰ তুলনাত অধিক পুথি-পত্ৰ পঢ়ে, নগৰ অঞ্চলত অধিক মাত্ৰাত কিতাপ-পত্ৰ পোৱা যায় বুলিয়ে এনে হয় বুলি কব নোৱাৰি। গাওঁ অঞ্চলত চাহিদা দেখা দিয়াহেঁতেন তাৰ পূৰণবো দিহা হ'লহেঁতেন, কিন্তু চাহিদাৰ মাত্ৰাই কম, বোধহয় মানসিক সংঘাতৰ মাত্ৰা অপেক্ষাকৃত-ভাৱে কম আৰু প্ৰয়োজন সূচী তুলনাত সহজ হোৱাটোৱে ইয়াৰ অন্যতম কাৰণ হ'ব পাৰে। সেইদৰে অপেক্ষাকৃতভাৱে অনগ্ৰসৰ দেশবোৰত অকল পুথি পঢ়িবলৈ শিকাই গ্ৰন্থপাঠৰ অভ্যাস সৃষ্টি কৰিব নোৱাৰি। এই অভ্যাস উদ্দেশ্য-প্ৰণোদিত আৰু এই উদ্দেশ্য পূৰণৰ ইচ্ছা তুলনাত জটিল সমাজবোৰতে অধিক মাত্ৰাত সৃষ্টি হোৱাটো দেখিবলৈ পোৱা যায়; আগৰ অধ্যায়ত সন্নিবিষ্ট পৰিসংখ্যাৰপৰা এই কথা স্পষ্ট প্ৰমাণ পোৱা যাব।

লগতে এই কথাও মনত ৰখা উচিত হ'ব যে সামাজিক বিকাশৰ প্ৰক্ৰি-য়াত দুটা পৰস্পৰ বিৰোধী কথাৰ উদ্ভৱ হয়; নৈতিক ফালৰপৰা বিকাশৰ লগে লগে আগতকৈ অধিক সাম্য স্থাপনৰ ইচ্ছা দেখা দিয়ে, কাৰ্যকাৰিতাৰ ফালৰপৰা হ'লে এনে বিকাশৰ ফলত শ্ৰম বিভাজন অপেক্ষাকৃত ভাৱে জটিল হৈ পৰে। মানুহৰ কাৰ্যকাৰী ক্ষেত্ৰত সামাজিক বিকাশৰ ফলত সমাজৰ বিভিন্ন মানুহৰ মাজত ব্যৱধানৰ মাত্ৰা বাঢ়ি যায়। আল-

হাতে আকৌ ৰাজনৈতিক আৰু সামাজিক আদি ক্ষেত্ৰত অধিক সমতা স্থাপনৰ বাবে চেষ্টা কৰৌঁহক ।

সমতা স্থাপনৰ প্ৰৱণতাৰ ফলত মানুহৰ মনত এনে এটা ভুল ধাৰণাৰ সৃষ্টি হৈছে যে প্ৰতিজন সাধাৰণ ব্যক্তিৰে অধ্যয়নৰ প্ৰয়োজন সমান। ব্যক্তিৰ সামাজিক মৰ্যাদা আৰু কামৰ লগত অধ্যয়নৰ প্ৰয়োজনৰ ঘনিষ্ঠ সম্পৰ্ক থাকে, গতিকে সাধাৰণভাৱে এই সিদ্ধান্ত আংশিকভাৱেহে সত্য, সিও তথ্য সংগ্ৰহ আৰু পৰিপূৰক গ্ৰন্থপাঠৰ ক্ষেত্ৰত। পৰিপূৰক গ্ৰন্থ-পাঠৰ প্ৰয়োজন যে বৃদ্ধি পাইছে সেই কথাৰ ভালদৰে প্ৰমাণ পোৱা যায় আলোচনীৰ প্ৰচাৰ বৃদ্ধিৰপৰা, কিন্তু ইয়াক বিশেষভাৱে ইতি-সূচক বা নেতিসূচক লক্ষণ বুলি ধৰি ল'ব নোৱাৰি। ইয়াৰ অৰ্থ হ'ল কৃত্ৰিম উপায়েৰে সংঘাতৰ মাত্ৰা কমোৱা, যি মাত্ৰা প্ৰথমতে সমাজৰ জটিলতা আৰু ইয়াৰ পৰিৱৰ্তনৰ তীব্ৰ গতিৰ ফলত উদ্ভৱ হৈছিল।

বাতৰি কাকত আৰু আলোচনী পঢ়ি তেনেই সামান্য জ্ঞানহে লাভ কৰা যায় আৰু তাক অধিক চমু উপায়েৰেও পাব পৰা যায়; আনহাতে ইয়াৰ পাঠৰ ফলত সংঘাতৰ ভাব হ্ৰাস পোৱাত সহায় হয় সঁচা, কিন্তু এইবোৰ পাঠৰ ফলত কলাগত বা বুদ্ধিগত প্ৰেৰণা অতি কমহে পোৱা যায় আৰু দেশাত্মবোধৰ বাহিৰে আধ্যাত্মিক আৰু প্ৰতীকী মূল্যবোধৰ প্ৰতি এনে ৰচনাত বিশেষ মনোযোগ দিয়া নহয় বুলিলেই চলে।

কাৰিকৰী প্ৰগতিৰ ফলত বিশ্বসমাজত গ্ৰন্থপাঠৰ মাত্ৰা বৃদ্ধি পাব বুলি অনুমান কৰাটো সঙ্গত হ'ব সঁচা, কিন্তু সেই বুলি বিশ্বসমাজৰ বিকাশৰ ফলত গ্ৰন্থপাঠৰ প্ৰয়োজন সকলোক্ষেত্ৰতে সমানভাৱে দেখা দিব বুলি ধৰি লোৱাটো যুক্তিপূৰ্ণ নহ'ব। আধুনিক কাৰিকৰী বিকাশ অধিক জটিল হোৱাৰ ফলত শ্ৰম বিভাজনৰ মাত্ৰাও বৃদ্ধি পায়, সেই বুলি সংঘাতৰ মাত্ৰা হ'লে কমি নাযায়। যদিহে অপেক্ষাকৃত অধিক সমন্বয়ী ধৰণৰ বিশ্বসমাজ গঢ়ি উঠে তেন্তে সকলো ঠাইতে কিছু সুৰ

সাধাৰণ আৰু সমানভাৱে গ্ৰন্থপাঠৰ প্ৰয়োজন দেখা দিব বুলি অনুমান কৰাটো একেবাৰে অযুক্তিসঙ্গত নহ'ব। অৱশ্যে এই ক্ষেত্ৰত কাৰিকৰী আৰু অৰ্থনৈতিক বিকাশৰ যুটীয়া প্ৰয়াসৰ ফলত বৃদ্ধিৰ গতি হ্ৰাস পাব পাৰে ; বৰ্তমানে ক্ষমতা লাভৰ বাবে আংশিকভাৱে এনে বিকাশৰ প্ৰয়াস চলিছে।

এই কথা পাহৰি যোৱাটোও উচিত নহ'ব যে অপেক্ষাকৃত অধিক পৰিপূৰক গ্ৰন্থপাঠৰ প্ৰয়োজন থকা ডাঙৰ ডাঙৰ দেশবোৰত বাতৰি কাকত আৰু আলোচনী অধিক মাত্ৰাত পাঠ কৰা হয় আৰু উচ্চ জীৱন যাত্ৰাৰ মানসম্পন্ন অপেক্ষাকৃত সৰু সৰু দেশবোৰত গ্ৰন্থ অধিক মাত্ৰাত পাঠ কৰা হয়। এইবোৰ দেশত ব্যক্তিৰ আবেগিক প্ৰয়োজনৰ লগত গ্ৰন্থপাঠৰ অধিক প্ৰত্যক্ষ সম্পৰ্ক থাকে আৰু এই ক্ষেত্ৰত সমাজৰ জটিলতাৰ প্ৰতিক্ৰিয়া স্বৰূপে গ্ৰন্থপাঠৰ মাত্ৰা অপেক্ষাকৃত কম ধৰণৰ।

ভিন ভিন দেশ বা অঞ্চলত ৰাজহুৱা পুথিভঁৰালৰ বিকাশৰ–পৰা এই সিদ্ধান্ত কেতবোৰৰ যুক্তিযুক্ততা ভালদৰে প্ৰমাণ কৰি দেখুৱাব পৰা যায়। বিশ্ববিদ্যালয় বা বিশেষ ধৰণৰ পুথিভঁৰালবোৰে অধিক পৰিমাণে সাফল্যমূলক গ্ৰন্থপাঠৰ প্ৰয়োজন পূৰণ কৰে, আনহাতে ৰাজহুৱা পুথিভঁৰালত পাঠক আৰু পুথিভঁৰালৰ মাজত চলা সূক্ষ্ম আদান-প্ৰদানৰ প্ৰক্ৰিয়া অধিক স্পষ্টভাৱে ধৰা পৰে। মানুহৰ মাজত গ্ৰন্থপাঠৰ আগ্ৰহ সৃষ্টি আৰু এই প্ৰয়াসত সমাজে আৰোপ কৰা সীমাৰ ফলাফল ৰাজহুৱা পুথিভঁৰালৰ যোগেদিয়ে ভালদৰে জানিব পৰা যায় বুলি আগতে ধৰি লোৱা হৈছিল।

"এইবোৰৰ বাহিৰে ৰাজহুৱা পুথিভঁৰালৰ বাবে একো প্ৰয়োজন বোধ কৰা হোৱা নাছিল। ৰাইজে ৰাজহুৱা পুথিভঁৰাল বিচাৰি দাবী কৰা নাছিল। কৰিবই বা কিয় ? ৰাজহুৱা পুথিভঁৰাল কি বা ইয়াৰ প্ৰয়োজনেই বা কি সেই সম্বন্ধে তেওঁলোকে একোকে জনা নাছিল। এনে পুথিভঁৰাল যে তেওঁলোকক লাগে বা তেওঁলোকে ইয়াক ব্যৱহাৰ কৰিব সেই কথা গমকে পোৱা নাছিল। মুঠতে পুথিৰপৰা যে কিবা

মূল্যবান কথা পাব পাৰি আনকি তাকো তেওঁলোকে নাজানিছিল। ৰাজহুৱা পুথিভঁৰাল স্থাপিত হোৱাৰ পিচতহে অধিকভাগ মানুহে ইয়াৰ মূল্য কিছু বুজিব পাৰিলে। আনহাতে ক'বলৈ গ'লে এই ক্ষেত্ৰত ইয়াৰে স্পষ্ট প্ৰমাণ হ'ল যে যোগানৰ ফলতহে চাহিদাৰ সৃষ্টি হ'ল, চাহিদাৰ ফলত যোগানৰ নহয়। আমি যেন কোনো সময়তে পাহৰি নাযাওঁ যে বৰ্তমানেও বিশ্বৰ প্ৰতিখন দেশৰ কাৰণেই এইটোও সত্য হৈয়ে আছে—লাগিলে সেই দেশ ইণ্ডোনেচিয়া বা ইটালী, পাকিস্থান বা পেৰুৱে হওক।"

ইংলেণ্ডত ১৮৫২ চনৰ ৰাজহুৱা পুথিভঁৰাল আইন প্ৰৱৰ্তনৰ ফলত ৰাজহুৱা পুথিভঁৰাল স্থাপনত যথেষ্ট উৎসাহ দিয়া হয়। ইয়াৰ দ্বাৰা স্থানীয় কৰ্তৃপক্ষক ৰাইজক বিনামূল্যে পুথিভঁৰালৰ সুবিধা যোগোৱাৰ ক্ষমতা দিয়া হয়। আজি-কালি এই বুলি যুক্তি দৰ্শোৱা হয় যে বাধ্যতামূলকভাৱে ৰাজহুৱা পুথিভঁৰালৰ সুবিধা কৰি দিব লাগে আৰু পুথিভঁৰালৰ সুবিধা পাবলৈ ৰাইজৰ অধিকাৰ আছে। লিঅ'নেল মেক্‌কলভিনে আঙুলিয়াই দিছে যে একমাত্ৰ চাৰিখন দেশে নিজ নিজ দেশৰ প্ৰায় সকলো লোকৰ বাবে পুথিভঁৰালৰ সুবিধা কৰি দিব পাৰিছে আৰু ইয়াৰ ব্যৱস্থা কৰা হৈছে স্বেচ্ছা-প্ৰণোদিত-ভাৱে। এই চাৰিখন দেশ হ'ল যথাক্ৰমে গ্ৰেট বৃটেইন, ডেনমাৰ্ক, নৰ'ৱে আৰু চুইডেন। বিনামূল্যে পুথিভঁৰালৰ সুবিধা দিয়াটো নৰ'ৱেত বাধ্যতামূলক কৰা হৈছে; ডেনমাৰ্কতো অনুৰূপ ব্যৱস্থা লোৱাৰ দিহা কৰা হৈছে, কিন্তু এনে বাধ্যতামূলক ব্যৱস্থাৰ দ্বাৰা সৰ্বনিম্ন মানহে প্ৰতিষ্ঠা কৰা হৈছে।

১৮৮৯ চনত ইংলেণ্ডত পুথিভঁৰাল কৰ্তৃপক্ষৰ সংখ্যা ১৫৩ লৈ বৃদ্ধি পায় আৰু এই শতিকাৰ শেহৰ পিনে এই সংখ্যা দুগুণ হয়। সাধাৰণভাৱে শিক্ষা আৰু সামাজিক বিকাশৰ ফলত আৰু টমাচ গ্ৰীনউড, জন পাছম'ৰ এডৱাৰ্ডচ, এনড্ৰু কাৰ্নেগী আদি লোকৰ পৃষ্ঠ-পোষকতাৰ ফলত এইটো সম্ভৱপৰ হয়, তেওঁলোকে ইংলেণ্ড, স্কটলেণ্ড ৱেলচ আৰু আয়াৰলেণ্ডত ৩৮০ টা পুথিভঁৰালক সাহায্য যোগায়।

১৮৭৭ চনত পুথিভঁৰাল সমিতি স্থাপনৰ ফলতো এই ক্ষেত্ৰত যথেষ্ট প্ৰেৰণাৰ সৃষ্টি হয়।

বৰ্তমানে বৃটিশ ৰাজহুৱা পুথিভঁৰাল এটা গতিশীল, আধুনিক আৰু সদৌ দেশ বিয়পি থকা প্ৰতিষ্ঠান। ৫৭৭ টা স্বকীয়া স্বতন্ত্ৰ পুথিভঁৰাল কৰ্তৃপক্ষই ৰাইজক গ্ৰন্থপাঠৰ সুবিধা যোগায়, ১৯৫৪-৫৫ চনত ইয়াৰ বাবে ১২,৪১০,০০০ পাউণ্ড ব্যয় কৰা হৈছিল, এই সময় ছোৱাৰ ভিতৰত ঘৰলৈ নি পঢ়াৰ বাবে অনধিক ৩১,২৪৯ টা পুথিভঁৰাল কেন্দ্ৰৰপৰা ৩৮৬ নিযুত পুথি যোগোৱা হৈছিল ; শ্ৰেণীভেদ মতে এইবোৰ হ'ব এনে ধৰণৰ ; ৫৭৭ টা কেন্দ্ৰীয় পুথিভঁৰাল আৰু কাউণ্টী সদৰ কাৰ্যালয়ৰ পুথিভঁৰাল; ১,১৯১ টা সম্পূৰ্ণ সময়ৰ শাখা যিবোৰ সপ্তাহত অন্ততঃ ত্ৰিশ ঘণ্টা ধৰি মুকলিকৈ ৰখা হয় ; ২৮,৪৩৩টা আংশিক সময়ৰ শাখা, গাঁও আৰু স্কুলৰ পুথিভঁৰাল ; এইবোৰক পুথি পত্ৰ যোগায় ৰাজহুৱা পুথিভঁৰাল কৰ্তৃপক্ষই। তদুপৰি স্থানীয় কৰ্তৃপক্ষই যোগোৱা ৫৯টা হাস্পতালৰ পুথিভঁৰাল ; ৮৯টা ফাটকৰ পুথিভঁৰাল আৰু ১৫৮টা চলন্ত পুথিভঁৰালৰ-পৰাও পাঠকে সুবিধা লাভ কৰে।

১৯৫৩ চনত মুঠতে ৫০, ৬০০,০০০ লোকৰ বাবে ইংলণ্ডৰ পুথিভঁৰাল বোৰত মুঠ ৬১.৫০০.০০০ খন পুথি আছিল। তাৰে ৩০% আছিল উপন্যাস, ১৬· ৬% শিশুপাঠ্য আৰু ৫·৩৪% আলোচনাৰ বাবে প্ৰয়োজনীয় পুথিৰে সৈতে আন আন বাহিৰা পুথি। ১৯৫৪-৫৫ চনত জনমূৰি গ্ৰন্থৰ বাবে ব্যয় আছিল ১৩·৮ পেন্স। ৫৭৬ টা ইংলেণ্ডৰ পুথিভঁৰালৰ অন্ততঃ ২১৫ টা ই জনমূৰি ৪ চিলিঙতকৈ কম ব্যয় কৰিছিল, ২০৫ টাৰো অধিকে ব্যয় কৰিছিল ৩ চিলিঙৰো কম। ৰাষ্ট্ৰীয় ব্যয়ৰ হাত আছিল ৪চি. ৮পেন্স।

এই ক্ষেত্ৰত যুক্তৰাষ্ট্ৰত তথ্য-পতি হ'ল এই ধৰণৰ :

যুক্তৰাষ্ট্ৰত ৰাজহুৱা পুথিভঁৰালৰ সংখ্যা হ'ল ৭,৪৭৭ ( শাখাসম্পন্ন পুথিভঁৰাল ব্যৱস্থাক একেটা পুথিভঁৰাল বুলি ধৰা হৈছে।) ১৯৫০ চনত

তাৰে ৬,০২৮টাই নিজৰ নিজৰ তথ্যাদি যোগায়। সেইমতে এইবোৰত ১৪৩ নিযুত পুথি আছিল, অৰ্থাৎ ১৯৪৫ চনৰ তুলনাত পুথিৰ সংখ্যা ১৪'৬% ভাগলৈ বৃদ্ধি পাইছিল, তাৰে ২৩ নিযুত আছিল শিশু-পাঠ্য। মুঠ পুথিৰ অনুপাত আছিল জনমূৰি ১'২৪ খনকৈ। এই বছৰত পুথিভঁৰালবোৰৰপৰা ৩৮৪ নিযুতবো অধিক পুথি পঢ়িবলৈ নিয়া হৈছিল, অৰ্থাৎ জনমূৰি ৩'৩৭ খনকৈ। এইবোৰৰ কাৰণে মুঠতে প্ৰায় ১১০ নিযুত ডলাৰ ব্যয় কৰা হৈছিল, তাৰে ৮৭'৪% ভাগ পোৱা গৈছিল স্থানীয় ৰাজহুৱা ভঁৰালৰপৰা, ১'৭% ভাগ ৰাষ্ট্ৰীয় ভঁৰালৰপৰা আৰু ৪'৮% ভাগ দান নিধি আৰু আন আন সংস্থাৰপৰা। মুঠ ধনৰ ৫৯'৬% দৰ্মহাত ব্যয় হৈছিল, ১৫.৬% ভাগ ব্যয় কৰা হৈছিল গ্ৰন্থ আৰু আলোচনী কাকত আদিৰ বাবে। জনমূৰি ব্যয়ৰ হাৰ আছিল ০'৯৬ ডলাৰকৈ। এই আটাইবোৰ পুথিভঁৰালৰ ৫৭'৬% ভাগে ৫ ০০০ তকৈ কম লোকৰ যোগান ধৰিছিল আৰু ২৯.৩% ভাগে বছৰি ১০০০ ডলাৰতকৈ কম ব্যয় কৰিছিল।

যুক্তৰাষ্ট্ৰত ইংলেণ্ডৰ তুলনাত পুথিভঁৰালৰ গ্ৰন্থপাঠৰ মাত্ৰা প্ৰায় আধা, কিন্তু এই ক্ষেত্ৰত পৰিসংখ্যাৰ আধাৰত কৰা ধাৰণা ভুল হোৱাৰো সম্ভাৱনা আছে। লগতে এই কথাও মনত ৰাখিব লাগিব যে ইউৰোপত প্ৰকাশিত বাতৰি কাকত আৰু আলোচনীবোৰৰ তুলনাত যুক্তৰাষ্ট্ৰৰ বাতৰিকাকত আৰু আলোচনীবোৰ ভালেখিনি ডাঙৰ। যুক্তৰাষ্ট্ৰত আলোচনী আৰু বাতৰি কাকত পঢ়িলেই আংশিক-ভাৱে পুথি পঢ়াৰ নিচিনা হয়। তদুপৰি যুক্তৰাষ্ট্ৰৰ ৰাজহুৱা পুথিভঁৰালৰ ব্যৱহাৰ দেশৰ শতকৰা প্ৰায় দহভাগ প্ৰাপ্তবয়স্ক লোকৰ মাজতে আৱদ্ধ।

সাবালকলোকসংখ্যাৰ যি সামান্য অংশই ৰাজহুৱা পুথিভঁৰাল ব্যৱহাৰ কৰে তেওঁলোক হ'ল ভু-ভা ৰখা শিক্ষিত সম্প্ৰদায়ৰ লোক। যিসকল লোকে বাতৰিকাকত নপঢ়ে তেওঁলোক পুথিভঁৰাললৈকো নাযায়। তাৰ তুলনাত আলোচনী নপঢ়া খুব কম সংখ্যক লোকহে

পুথিভঁৰাললৈ যায়। সেই বুলি গ্ৰন্থপাঠকৰ সকলোৱে পুথিভঁৰাল ব্যৱহাৰ কৰে বুলিও ক'ব নোৱাৰি, কিন্তু পুথিভঁৰাল ব্যৱহাৰকাৰী সকলৰ দহভাগৰ ন ভাগেই হ'লে গ্ৰন্থৰ পাঠক। পুথিভঁৰালে তেনে শ্ৰেণীৰ যোগান ধৰে যি আন আন উপায়েৰেও তথ্যাদি সংগ্ৰহ কৰিলে-হেঁতেন, আৰু যিসকলে অধিক পৰিমাণে পুথিভঁৰাল ব্যৱহাৰ কৰে তেওঁলোকে সততে তথ্যসংগ্ৰহৰ আন আন সাধনৰ লগতো সম্পৰ্ক ৰক্ষা কৰি চলে।

শ্ৰেণীগতভাৱে পুথিভঁৰাল ব্যৱহাৰীসকল ইয়াৰ সুযোগ নোলোৱা সকলৰ অধিক মাত্ৰাত নিয়মিত শিক্ষাপ্ৰাপ্ত লোক। তদুপৰি এই লোকসকল প্ৰায়ে উচ্চ নিৰিখৰ আয় সম্পন্ন স্তৰৰ, অৱশ্যে এই ক্ষেত্ৰত শিক্ষাৰ দ্বাৰাহে আগ্ৰহ বৃদ্ধিত অধিক সহায় হোৱা যেন অনুমান হয়। পুথিভঁৰাল ব্যৱহাৰ নকৰা নাবালকসকলৰ তুলনাত এই শ্ৰেণীৰ লোক অধিক তৰুণ। প্ৰায়ে বৃত্তিমূলক আৰু কেৰাণী শ্ৰেণীৰ ভিতৰত অনু-পাতত সামঞ্জস্যবিহীনভাৱে পুথিভঁৰাল ব্যৱহাৰ কৰোৱা লক্ষ্য কৰা হয়। পুথিভঁৰালৰ ব্যৱহাৰকাৰীসকল নিঃসন্দেহে সামগ্ৰিকভাৱ লোকসংখ্যাৰ প্ৰতিনিধিমূলক নহয়।

ইয়াৰপৰা এনে মন্তব্য কৰাটো সঙ্গতিপূৰ্ণ যেন লাগে যে গ্ৰন্থপাঠ সাধাৰণ জীৱন-যাত্ৰাৰ এটা অঙ্গবিশেষ আৰু ইয়াক প্ৰেৰণাৰে সৃষ্টি কৰিব নোৱাৰি বা ইয়াক স্বতন্ত্ৰ কাৰ্য বুলি বিবেচনা কৰিব নোৱাৰি। ইয়াৰ অৰ্থ হ'ল এয়ে যে সমাজৰ গঠন-বিন্যাসে ব্যক্তিৰ অভ্যাসৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। যদিহে জীৱন-যাত্ৰাৰ কামে বুদ্ধিৰ ওপৰত বিশেষ দাবী নকৰে আৰু যদিহে তেওঁৰ পৰিপূৰক কাৰ্যতৎপৰতাৰ প্ৰয়োজন আন পিনলৈ ধাবিত হয় তেন্তে তেওঁৰ গ্ৰন্থপাঠৰ প্ৰয়োজন গঢ়ি নুঠাকৈয়ে বৈ যায়।

প্ৰকাশিত গ্ৰন্থৰ তেনেই অলপীয়া সংখ্যক কপীহে পুথিভঁৰাল-বোৰে কিনে, গতিকে তাৰপৰা এনে এটা সিদ্ধান্তত উপনীত হ'ব পাৰি যে পুথিভঁৰালৰ গ্ৰন্থপাঠৰ তুলনাত নিজাকৈ ঘৰুৱাভাৱে গ্ৰন্থপাঠ

কৰাঁটো অধিক বিকশিত। ঘৰুৱাভাৱে পুথি পঢ়োতা আৰু পুথিভঁৰালৰ পাঠক—এই দুই শ্ৰেণীৰ লোক সানমিহলি হৈ থাকে; ক্ৰমে ঘৰুৱাভাৱে গ্ৰন্থপাঠৰ তুলনাত পুথিভঁৰালত গ্ৰন্থপাঠৰ মাত্ৰা বাঢ়ি আহিছে বুলি মন্তব্য কৰাৰ সপক্ষেও বিশেষ প্ৰমাণ পাবলৈ নাই, অৱশ্যে এনে হোৱাটোহে উচিত আছিল। কিন্তু লাহে লাহে গ্ৰন্থৰ মূল্য বাঢ়ি আহিবলৈ লৈছে, গতিকে অদূৰ ভৱিষ্যতত মানুহে পুথিভঁৰালৰপৰাই অধিক মাত্ৰাত পুথি পঢ়িবলৈ নিব বুলি আশা কৰিব পৰা যায়।

স্কেণ্ডিনেভিয়াৰ দেশকেইখনত ৰাজহুৱা পুথিভঁৰাল ব্যৱস্থা বিকাশৰ চৰম পৰ্যায়ত উপনীত হৈছে। সমাজ শাস্ত্ৰৰ ফালৰপৰা এই কথাটো কৌতূহল-উদ্দীপক। কিয়নো ইয়াৰ দ্বাৰা এই কথাৰে প্ৰমাণ পোৱা যায় যে জীৱন-যাত্ৰাৰ মান অপেক্ষাকৃতভাৱে উচ্চ হ'লে আৰু সমাজ ব্যৱস্থা অতিশয় প্ৰতিযোগিতামূলক বা জটিল নহ'লে তাৰ ফলত গ্ৰন্থপাঠত সহায়ক হয়। এইদৰে অপেক্ষাকৃত সৰু দেশবোৰত সকলোলোকেই বিদ্যোৎসাহী হোৱাৰ বাবে নৱযুগত যি আদৰ্শৰ প্ৰচাৰ কৰা হৈছিল তাৰ সত্যতা বাস্তৱত কিছুদূৰ প্ৰতিপন্ন হৈছে; তদুপৰি স্কেণ্ডিনেভিয়াত সাহিত্যিক পৰম্পৰাৰ প্ৰভাৱ অতিশয় প্ৰবল আৰু জীৱন-যাত্ৰাৰ গতিও বৰ তীব্ৰ নহয়।

ডেনমাৰ্কত দূৰত্বৰ ব্যৱধান কম আৰু এই হেতুকে সদৌ দেশত উন্নত ধৰণৰ ৰাজহুৱা পুথিভঁৰাল ব্যৱস্থা গঢ়ি তোলাটো সাধ্য হৈছে। অৱশ্যে চুইডেনত ভালেমান অলপীয়া জনবসতিপূৰ্ণ জিলা থাকিলেও অনুৰূপ সাফল্য অৰ্জন কৰা হৈছে। তদুপৰি স্কেণ্ডিনেভিয়াৰ দেশবোৰত সামাজিক বিধান অতিশয় সমুন্নত হোৱাটোও এটা গুৰুত্বপূৰ্ণ কাৰণ হ'ব পাৰে। ইয়াৰ ফলত এটা নিৰাপত্তাৰ ভাব গঢ়ি উঠিছে আৰু শ্ৰেণী-ভেদৰ মাত্ৰাও কম, বিশেষকৈ নৰ'ৱেত। সাধাৰণতে গণতান্ত্ৰিক পৰিৱেশ বিয়পি পৰাৰ ফলত ব্যক্তিগত ৰুচি আৰু প্ৰৱণতাৰ বিকাশত প্ৰেৰণা পোৱা গৈছে আৰু ইয়াৰ ফলত গ্ৰন্থপাঠৰ প্ৰতি ধাউতি বৃদ্ধি পাইছে।

আগতে কৈ অহাৰ নিচিনাকৈ ব্যক্তিতান্ত্রিক পৰিবেশত গ্রন্থ-পাঠৰ মাত্রা অধিক হোৱা লক্ষ্য কৰা যায় আৰু অৰ্থনৈতিক স্থায়িত্ব আৰু নিৰাপত্তাৰ লগত ৰাজহুৱা পুথিভঁৰালৰ ব্যৱহাৰৰ কিছুদূৰ সম্পর্ক থকাও পৰিলক্ষিত হয়। আৰ্থিক প্রতিদ্বন্দ্বিতা তীব্র ধৰণৰ হ'লে তাৰ ফলত দেখা আবেগিক সংঘাতৰ ফলত গ্রন্থপাঠৰ প্রতি আগ্রহ কমি যাব পাৰে, কিয়নো গ্রন্থপাঠৰ বাবে কিছুদূৰ মানসিক স্থৈৰ্যৰ প্রয়োজন। আনহাতে এইটোও দেখাদেখি কথা যে প্রতিদ্বন্দ্বিতাৰ ভাবত তাৰ মাত্রা তীব্রধৰণৰ নহ'লে গ্রন্থ-পাঠৰ প্রতি আগ্রহৰ মাত্রাও বৃদ্ধি পায়।

চোভিয়েট ইউনিয়নত আন আন দেশৰ তুলনাত পুথিভঁৰাল-বোৰত ৰাজনৈতিক ৰচনাৰ আধিক্য দেখা যায় আৰু প্রায়ে এই বুলি উক্তি কৰা হয় যে মাৰ্ক্সৰ চিন্তাধাৰাৰ দ্বাৰা অনুপ্রাণিত হোৱাই হ'ল গ্রন্থপাঠৰ উদ্দেশ্য। কিন্তু এই বিশেষ অভিপ্রায়েৰে গ্রন্থপাঠ আৰু পুথিভঁৰাল চলাটো কেতবোৰ সীমাৰ মাজতে আবদ্ধ থাকিবলৈ বাধ্য। মাথোন একে শ্রেণীৰ ৰচনা পাঠৰ ফলত কেতবোৰ সমস্যাৰ উদ্ভৱ হয় আৰু নতুন ৰচনা প্রকাশৰ দ্বাৰা সেইবোৰৰ সমিধান দিবলগীয়া হয়। এইদৰে ক'ব পৰা যায় যে যদিহে গ্রন্থপাঠৰ প্রয়োজন বুদ্ধিগত তেন্তে পাঠকক স্বাভাৱিকতে নানা তৰহৰ গ্রন্থৰ আৱশ্যক হ'ব আৰু যদিহে এই প্রয়োজন নির্দিষ্ট বিশ্বাস সংক্রান্ত আবেগিক ধৰণৰ তেন্তে কেইখনমান গ্রন্থ হ'লেই যথেষ্ট হ'ব। যি লোকৰ সিদ্ধান্ত সুদৃঢ় বিশ্বাসৰ ওপৰত প্রতিষ্ঠিত তেনেলোকে নিজৰ বিশ্বাস অধিক সুদৃঢ় কৰি লোৱাৰ বাবে প্রয়োজনীয় কেইখনমান গ্রন্থপাঠৰ বাহিৰে অধিক সংখ্যক গ্রন্থপাঠ কৰিবলৈ ইচ্ছা নকৰে। অৱশ্যে সামগ্রিকভাৱে আমাৰ যুক্তিবাদী সমাজ নিগাজী আৰু সুদৃঢ় বিশ্বাসৰ বিৰুদ্ধে চলে। এখন জটিল সমাজৰ স্বাভাৱিক পৰিণতি হ'ল বৈচিত্র্যৰ প্রয়োজন, আৰু যিকোনো আধুনিক সমাজ এই সাধাৰণ নিয়মৰ তীব্র ধৰণৰ ব্যতিক্রম হ'ব পাৰে বা তেনে অৱস্থা ভালেমান দিনলৈ চলি থাকিব পাৰে বুলি ধৰি' লোৱাটো যুক্তিসঙ্গত নহ'ব। তদুপৰি গ্রন্থপাঠত অসংখ্য বাধা-বিপত্তি সৃষ্টি

কৰাটো যি কোনো চৰকাৰৰ স্বাৰ্থৰ অনুকূলে নহ'ব, কিয়নো অভ্যাস হ'ল আপেক্ষিক সম্পৰ্কমূলক আৰু যি কোনো আপেক্ষিক কাৰিকৰী উন্নয়নৰ বাবে এনে অভ্যাস প্ৰয়োজনীয় ।

একালে জ্ঞান আৰু আনফালে অজ্ঞতা অতিশয় বিপজ্জনক সংযোগ, কিয়নো এনে অৱস্থাৰ ফলত সুপ্ত ধৰণৰ আবেগিক অসন্তুষ্টিৰ সৃষ্টি হয় আৰু তাৰ ফলত হঠাৎ তেনেই অপ্ৰত্যাশিত ধৰণৰ বিস্ফোৰণ হ'ব পাৰে ।

বিশ্বৰ পুথিভঁৰাল সম্পৰ্কীয় পৰিসংখ্যা অধ্যয়ন কৰিলে উৎসাহ অনুভৱ কৰা নাযায় । "মৌলিক তথ্য আৰু সংখ্যা, নিৰক্ষৰতা, শিক্ষা, পুথিভঁৰাল, সংগ্ৰহালয়, পুথি, বাতৰিকাকত, বাতৰিকাকত ছপোৱা কাগজ, চলচ্চিত্ৰ, অনাতাৰ আৰু টেলিভিচন" সম্পৰ্কে ইউনেস্কোই প্ৰকাশ-কৰা (পেৰিচ, ১৯৫৪) গ্ৰন্থত তলত দিয়া তথ্যবোৰ সন্নিবিষ্ট কৰা হৈছে :

| দেশ | পুথিভঁৰাল (প্ৰকাৰ) | লোকসংখ্যা (নিযুত হাৰত) | তথ্যযোগোৱা মতে গ্ৰন্থৰ সংখ্যা |
|---|---|---|---|
| আঙ্গোলা (পৰ্টুগীজ) | চৰকাৰী সংগ্ৰহালয় ৰাজহুৱা বিদ্যালয় | ৪.৮ | ৪০,০০০ |
| মিছৰ | | ২১'৪ | ১,২৩৬,০০০ এই মুঠ সংখ্যাৰ এক নিযুতৰো অধিক ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ৰ, বাকী ১৬৩,০০০ হ'ল ৰাজহুৱা পুথিভঁৰালবোৰৰ । |
| কেনীয়া | | ৫.৭ | ৪১,০০০ |
| লাইবেৰীয়া | | ১.২ | ২,০০০ |
| উত্তৰ ৰোডেচিয়া | | ২. | ৪,০০০ |
| দক্ষিণ আফ্ৰিকা ইউনিয়ন | ৰাজহুৱা (২৪৫) এই দেশত ৩২৪,০০০ | ১২. | ৩,৬০০,০০০ |

| দেশ | পুথিভঁৰাল (প্ৰকাৰ) | লোকসংখ্যা (নিযুত হাৰত) | তথ্যযোগোৰা মতে গ্ৰন্থৰ সংখ্যা |
|---|---|---|---|
| লোকে বছৰি পুথিভঁৰালৰপৰা ৯.৯ নিযুত পুথি পঢ়িবলৈ নিয়া দেখা যায়। ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয় আৰু আন ধৰণৰ পুথিভঁৰালবোৰত আৰু ২ নিযুত গ্ৰন্থ আছিল। | | | |
| কানাডা | | ১৪ | ১৬,০০০,০০০ |
| কিউবা | | ৫.৮ | ৪০০,০০০ |
| গুৱাটেমালা | | ৩. | ৯৮,০০০ |
| মেক্সিকো | | ২৭ | ৩,০০০,০০০ |
| আৰ্জেনটিনা | | ১৮ | ৮,০০০,০০০ |
| কলম্বিয়া | | ১২ | ৮৩৪,০০০ |
| ভেনেজুয়েলা | | ৫.৩ | ১৪১,০০০ |
| ভাৰত | | ৩৬৭ | ১২,৫০০,০০০ |
| ইণ্ডোনেচীয়া | | ৭৮ | ২,০০০,০০০ |
| ইৰাণ | | ২০ | ২১৩,০০০ |
| ইজৰাইল | | ১.৬ | ৩,০০০,০০০ |
| জাপান | | ৮৫.৫ | ২৮,০০০,০০০ |
| লেবানন | | ১.৩ | ৪৩৯,০০০ |
| তুৰস্ক | | ২২ | ২,৮০০,০০০ |
| যুক্তৰাষ্ট্ৰ | | ১৫৭ | ২,৮০০,০০০ |
| ভিয়েটনাম | | ২৫ | ২৫৭,০০০ |
| অষ্ট্ৰিয়া | | ৭ | ১৪,০০০,০০০ |
| বেলজিয়াম | | ৮.৭ | ৯,০০০,০০০ |
| চেকোশ্লোভেকিয়া | | ১৩ | ১৮,০০০,০০০ |
| ডেনমাৰ্ক | | ৪.৩ | ৯,০০০,০০০ |
| ফ্ৰান্স | | ৪২.৬ | ৪০,৩০০,০০০ |
| জাৰ্মানী | | ৪৮.৫ | ৫৫,০০০,০০০ |
| ইটালী | | ৪৭ | ২০,০০০,০০০ |

| দেশ | পুথিভঁৰাল (প্ৰকাৰ) | লোকসংখ্যা (নিযুত হাৰত) | তথ্যযোগোৱা মতে গ্ৰন্থৰ সংখ্যা |
|---|---|---|---|
| নেডাৰলেণ্ড | | ১০.৩ | ১৩,০০০,০০০ |
| পোলেণ্ড | | ২৫ | ২৪,০০০,০০০ |
| পৰ্টুগাল | | ৮.৫ | ৪,০০০,০০০ |
| স্পেইন | | ২৮.৩ | ৮,৫০০,০০০ |
| চুইডেন | | ৭ | ১[illegible],০০০,০০০ |
| গ্ৰেটবৃটেইন | | ৫০.৭ | ৮৫,০০০,০০০ |
| যুগোশ্লোভিয়া | | ১৭. | ১০,০০০,০০০ |
| অষ্ট্ৰেলিয়া | | ৮.৬ | ৫,০০০,০০০ |
| নিউজীলেণ্ড | | ২ | ২,৭০০,০০০ |

এইবোৰ তথ্যৰপৰা সুন্দৰভাৱে গ্ৰন্থপাঠৰ চিত্ৰ পোৱা যায়। ইয়াত চুইডেন আৰু স্কেণ্ডিনেভিয়াৰ আন কেইখন দেশত পুথিভঁৰালৰ বিস্ময়কৰ বিকাশৰ প্ৰমাণ পোৱা যায়, সেইদৰে অষ্ট্ৰিয়া, বেলজিয়াম, চেকোশ্লোভেকিয়া, নেডাৰলেণ্ড, কানাডা, নিউজিলেণ্ড, আদি অপেক্ষাকৃত সৰু দেশবোৰৰ পৰিস্থিতিও তাৎপৰ্যপূৰ্ণ। অপেক্ষাকৃত ডাঙৰ দেশবোৰৰ ভিতৰত যুক্তৰাষ্ট্ৰৰ স্থান প্ৰথম। আনহাতে গ্ৰেটবৃটেইন আৰু আন আন ইউৰোপীয় দেশবোৰৰ স্থানো উল্লেখযোগ্য। ইউনেস্কোৰ পৰিসংখ্যাত চোভিয়েট ইউনিয়ন আৰু চীনৰ (চীন গণৰাজ্যৰ) তথ্যাদি সন্নিবিষ্ট কৰা হোৱা নাই। মিঃ এডৱাৰ্ড ডাড্‌লীৰ এখন অপ্ৰকাশিত ৰচনাৰপৰা মিঃ মেককলভিনে উদ্ধৃতি দিছে। তাত কোৱা হৈছে যে ১৯৪০ চনত ২৫০,০০০ টা বিভিন্ন প্ৰকাৰৰ পুথিভঁৰাল আছিল বুলি অনুমান হয় আৰু এইবোৰত থকা পুথিৰ সংখ্যা আছিল ৫০০ নিযুত, ১৯৫০ চনত পুথিভঁৰালৰ সংখ্যা আছিল ৩০০,০০০ আৰু গ্ৰন্থৰ সংখ্যা আছিল ৬০০ নিযুত। সাক্ষৰতাৰ মাত্ৰা, বিপ্লৱ আৰু যুদ্ধ-বিগ্ৰহ আদিলৈ চালে এই সংখ্যা বৰং অধিক যেন লাগে; কিন্তু এইবোৰ তথ্য চৰকাৰী মহলৰপৰা সংগ্ৰহ কৰা হ'ব পাৰে।

পৃৰিসংখ্যনৰ চিত্ৰ সম্পূৰ্ণ কৰাৰ উদ্দেশ্যে ইউনেস্কোই সংগ্ৰহ কৰা মতে ইয়াত দৈনিক বাতৰি কাকতৰ তথ্য দাঙি ধৰা হ'ল ঃ

| দেশ | বাতৰি কাকতৰ প্ৰচাৰৰ আনুমানিক বিৱৰণ। প্ৰতি হেজাৰ লোকৰ মাজত প্ৰচাৰিত কপীৰ সংখ্যা। |
|---|---|
| **আফ্ৰিকা** | |
| আঙ্গোলা (পৰ্টুগীজ) | ৪ |
| মিছৰ | ২৫ |
| কেনীয়া | ৩ |
| সাইবেৰীয়া | ৭ |
| উত্তৰ ৰোডেচিয়া | - |
| দক্ষিণ আফ্ৰিকা ইউনিয়ন | ৫৭ |
| **উত্তৰ আমেৰিকা** | |
| কানাডা | ২৪৮ |
| কিউবা | ৭২ |
| গুৱাটেমালা | ১৯ |
| মেক্সিকো | ৪৮ |
| যুক্তৰাষ্ট্ৰ | ৩৫৩ |
| **দক্ষিণ আমেৰিকা** | |
| আৰ্জেন্‌টিনা | ১০০ |
| কলম্বিয়া | ৫৭ |
| ভেনেজুয়েলা | ৬৫ |
| **এচিয়া** | |
| ভাৰত | ৮ |
| ইণ্ডোনেচীয়া | ৭ |
| ইৰাণ | ৬ |
| ইজৰাইল | ১৬৭ |

| দেশ | বাতৰি কাকতৰ প্ৰচাৰৰ আনুমানিক বিবৰণ। প্ৰতিহেজাৰ লোকৰ মাজত প্ৰচাৰিত কপীৰ সংখ্যা। |
|---|---|
| জাপান | ৩৫৩ |
| লেবানন | ৭৭ |
| তুৰস্ক | ৩২ |
| ভিয়েটনাম | ৯ |
| **ইউৰোপ** | |
| অষ্ট্ৰিয়া | ২১৪ |
| বেলজিয়াম | ৩৮৩ |
| চেকোশ্লোভেকিয়া | ১৯১ |
| ডেনমাৰ্ক | ৩৮১ |
| ফ্ৰান্স | ২৪০ |
| জাৰ্মান (পছিম) | ২৬৩ |
| ইটালী | ১০৭ |
| নেডাৰলেণ্ড | ২৪৯ |
| নৰ'ৱে | ৩৯৬ |
| পোলণ্ড | ১৬০ |
| পৰ্টুগাল | ৬৪ |
| স্পেইন | ১৯৬ |
| গ্ৰেটবৃটেইন | ৬১৫ |
| যুগোশ্লাভিয়া | ৪১ |
| **ওচেনিয়া** | |
| আষ্ট্ৰেলিয়া | ৪১৬ |
| নিউজীলেণ্ড | ৩৫৮ |

এই প্ৰসঙ্গতে বাতৰি কাকত ছপোৱা নিউজ প্ৰিণ্ট কাগজ ব্যৱহাৰৰ মাত্ৰা সম্বন্ধে বিবেচনা কৰাটোও প্ৰয়োজনীয় হ'ব, কিয়নো তাৰ দ্বাৰা

বাতৰি কাকত আৰু সাময়িক পত্রিকাবোৰৰ (সাদিনীয়া) আকাৰ সম্বন্ধে তুলনামূলকভাৱে কিছুদূৰ আভাস পোৱা যাব।

## নিউজ প্ৰিণ্ট কাগজৰ ব্যৱহাৰ

| দেশ | ১৯৫১ চন বা ঠিক আগবছৰত প্ৰতিজন লোকৰ হাৰত নিউজ প্ৰিণ্ট কাগজৰ (কিলোগ্ৰাম হিচাপত) ব্যৱহাৰৰ নিৰিখ |
|---|---|
| **আফ্ৰিকা** | |
| আঙ্গোলা (পর্টুগীজ) | ০'১ |
| মিছৰ | ০'৯ |
| কেনীয়া | ০ ২ (আনুমানিক) |
| লাইবেৰিয়া | — |
| উত্তৰ ৰোডেচিয়া | ০'২ |
| দক্ষিন আফ্ৰিকা ইউনিয়ন | ৩'২ |
| **উত্তৰ আমেৰিকা** | |
| কানাডা | ২৩'৩ |
| কিউবা | ৫'২ |
| গুৱাটেমালা | ০'৬ |
| মেক্সিকো | ২'১ (আনুমানিক) |
| যুক্তৰাষ্ট্ৰ | ৩৫'১ |
| **দক্ষিণ আমেৰিকা** | |
| আৰ্জেন্‌টিনা | ৬'৫ (আনুমানিক) |
| কলম্বিয়া | ১'২ |
| ভেনেজুয়েলা | ২'৬ |

| দেশ | ১৯৫১ চন বা ঠিক আগৰ বছৰত প্ৰতিজন লোকৰ হাৰত নিউজ প্ৰিণ্ট কাগজৰ (কিলোগ্ৰাম হিচাপত) ব্যৱহাৰৰ নিৰিখ |
|---|---|
| **এচিয়া** | |
| ভাৰত | ০·২ |
| ইণ্ডোনেচীয়া | ০·১ |
| ইৰাণ | ০·২ |
| ইজৰাইল | ২·২ |
| জাপান | ১·৮ (এই সংখ্যাত নিউজ প্ৰিণ্টৰ পৰিবৰ্তে ব্যৱহাৰ কৰা আন প্ৰকাৰৰ কাগজৰ হিচাপ সামৰি লোৱা হোৱা নাই) |
| লেবানন | ০·০৪ |
| তুৰস্ক | ০·৭ |
| ভিয়েটনাম | ০·১ |
| **ইউৰোপ** | |
| অষ্ট্ৰিয়া | ৪·২ |
| বেলজিয়াম আৰু লক্সেমবাৰ্গ | ৮·৮ |
| চেকোশ্লোভেকিয়া | ৩·২ |
| ডেনমাৰ্ক | ১০·৭ |
| ফ্ৰান্স | ৮·০ |
| জাৰ্মানী | ৪·১ |
| ইটালী | ২·২ |
| নেডাৰলেণ্ডজ্ | ৭·৪ |
| নৰ’ৱে | ৮·২ |
| পোলেণ্ড | ২·৩ (আনুমানিক) |

| দেশ | ১৯৫১ চন ঠিক আগৰ বছৰত প্ৰতিজন লোকৰ হাৰত নিউজপ্ৰিণ্ট কাগজৰ (কিলোগ্ৰাম হিচাপত) ব্যৱহাৰৰ নিৰিখ | |
|---|---|---|
| পৰ্টুগাল | ১·৩ | |
| স্পেইন | ০·৭ | (আনুমানিক) |
| গ্ৰেটবৃটেইন | ১১·৯ | |
| যুগোশ্লাভিয়া | ০·৬ | |
| চুইডেন | ১৮·৭ | |
| **ওচেনিয়া** | | |
| অষ্ট্ৰেলিয়া | ১৮·১ | |
| নিউজীলেণ্ড | ১৭·৬ | |

এই পৰিসংখ্যাৰপৰা কেতবোৰ মন কৰিবলগীয়া সিদ্ধান্তত উপনীত হ'ব পৰা যায়ঃ

[illegible]

আৰু আলোচনীৰ উৎপাদন আৰু লগতে পুথিভঁৰালৰ ( ইয়াৰ সংখ্যা আৰু গ্ৰন্থ সংখ্যা ) মাজত সুস্পষ্টভাৱে সম্পৰ্ক আছে ।

২। জীৱন যাত্ৰাৰ উচ্চ মানসম্পন্ন সৰু দেশবোৰত প্ৰতি নিযুত লোকৰ অনুপাতত গ্ৰন্থ উৎপাদনৰ মাত্ৰা আটাইতকৈ অধিক । এই শ্ৰেণীৰ দেশত পুথিভঁৰালৰ সংখ্যা আৰু ইয়াক ব্যৱহাৰ কৰাৰ মাত্ৰাও তুলনাত অধিক ।

৩। বাতৰি কাকতৰ আকাৰৰপৰা চাবলৈ গ'লে যুক্তৰাষ্ট্ৰই প্ৰথম ঠাই পাব, কিন্তু প্ৰতি নিযুত লোকসংখ্যাৰ নিৰিখত গ্ৰন্থ-উৎপাদনৰ ক্ষেত্ৰত এই দেশ কেবাখনো অপেক্ষাকৃত সৰু দেশৰ তুলনাত পিছ পৰি আছে ।

৪। যদিছে এফালে গ্ৰন্থ আৰু বাতৰি কাকতৰ উৎপাদনৰ মাত্ৰা আৰু পুথিভঁৰালৰ সংখ্যা আৰু আকাৰ আদি আৰু আনফালে সামাজিক

আৰু অৰ্থনৈতিক গঠন-বিন্যাসৰ জটিলতাৰ মাজত সম্পৰ্ক থকা বুলি ধৰা হয় তেন্তে য'ত সাধাৰণতে সামাজিক পৰিৱৰ্তনৰ গতি আটাইতকৈ অধিক তাতেই এনেবোৰ কাৰ্যৰ তৎপৰতা আটাইতকৈ অধিক মাত্ৰাত দেখিবলৈ পোৱা যাব।

৫। এই সম্পৰ্কৰ ব্যতিক্ৰম থকা বুলি একো দৃষ্টান্ত থকা যেন ধাৰণা নহয়।

৬। কেতবোৰ দেশত প্ৰতি হেজাৰ লোকৰ বাবে কেবাশও বাতৰি কাকত আছে, আনহাতে আকৌ এই দেশবোৰত বছৰি পুথিভঁৰাল-বোৰৰপৰা জনমূৰি অলপীয়া সংখ্যক পুথিহে নিয়া হয়; এনে ক্ষেত্ৰত এইটো তেনেই স্পষ্ট যে বাতৰি কাকত পাঠেই হ'ল এইবোৰ দেশত গ্ৰন্থপাঠৰ আটাইতকৈ লেখত লবলগীয়া অঙ্গ। বিশ্বত বছৰি জনমূৰি দুখনকৈ গ্ৰন্থ উৎপাদন কৰা হয় আৰু নিৰক্ষৰতাৰ মাত্ৰা হ'ল প্ৰায় ৫০%, গতিকে থূলমূলভাৱে অনুমান কৰিব পাৰি যে পুথিভঁৰালবোৰৰ-পৰা নিয়া গ্ৰন্থৰ তুলনাত গড়ে গ্ৰন্থ-পাঠৰ মাত্ৰা প্ৰায় দুগুণ হ'ব। ইয়াৰপৰা সাব্যস্ত কৰিব পৰা যাব যে সাধাৰণ পাঠকে নিতৌ এখন বা দুখন বাতৰিকাকত, কেইখনমান সাপ্তাহিক আৰু মাহেকীয়া আলোচনী আৰু বছৰি প্ৰায় ৪।৫ খনকৈ পুথি পঢ়ে। যিহেতু পাঠক সমাজৰ শতকৰা অধিকভাগেই বাতৰি কাকত আৰু আলোচনী পঢ়ে, গতিকে গ্ৰন্থৰ পাঠক সমাজে গড় সংখ্যাৰ তুলনাতকৈ অধিক গ্ৰন্থ পঢ়ে, কিয়নো পাঠকসকলৰ তেনেই কম সংখ্যকহে (প্ৰায় ১০-১৫%) গ্ৰন্থৰ পাঠক।

এই চিত্ৰ পূৰ্ণাঙ্গ কৰাৰ বাবে এনে বিভিন্ন ধৰণৰ ৰচনাৰপৰা পাঠকে কিমানখিনি তথ্য সংগ্ৰহ কৰে সেই সম্বন্ধে কিছু জনাটো উচিত হ'ব। জৰ্জ গেলুপে দহ বছৰ ধৰি বাতৰি কাকতৰ পাঠক সম্বন্ধে চলোৱা অধ্যয়নৰপৰা তৎক্ষণাৎ দেখা যায় যে বাতৰি কাকতৰ ২০% ভাগহে "পাঠ" কৰা হয়, নাইবা অধিক ক্ষেত্ৰতে চকু ফুৰোৱা হয়। তদুপৰি "এক বা অধিক নতুন লানিৰ ৰচনা", "এক বা অধিক আলেখ্য" "ব্যঙ্গ চিত্ৰ," "চিত্ৰ চ'ৰা", "শ্ৰেষ্ঠ বিভাগীয় ভঁৰালৰ বিজ্ঞাপন" আদিৰহে পাঠকৰ শতকৰা সংখ্যা আটাইতকৈ অধিক।

বিজ্ঞাপন সংস্থাবোৰে চলোৱা অনুসন্ধানৰপৰা দেখা যায় যে অধিকভাগ লোকে প্ৰথমতে বাতৰি কাকতৰ প্ৰথম পিঠি পঢ়ে, তাৰ পিচত চিত্ৰৰ পিঠিত চকু ফুৰাই লৈ খেল-ধেমালিৰ পিঠিত চকু দিয়ে। তাৰ পিচত নিজৰ বিশেষ ৰাপ থকা আন কিবা বিষয়ৰ পিঠি পঢ়িব পাৰে। মহিলা পাঠকসকলৰ অভ্যাসো প্ৰায় অনুৰূপ, কিন্তু তেওঁলোকে খেল-ধেমালিৰ সলনি সামাজিক আদান-প্ৰদানৰ বিষয়ে বিৱৰণ থকা শাখাত চকু ফুৰায় আৰু তাৰ পিচত মহিলা আৰু খাদ্যৰ বিষয়ে ৰচনা থকা পিঠিবোৰ পঢ়ে।

এনে ধৰণৰ ভালেমান অনুসন্ধান চলোৱা হৈছে, কিন্তু সেইবোৰৰ বিৱৰণ ইয়াত দিব নোৱাৰি। ভালেমান দেশত, বিশেষকৈ ইউৰোপৰ অপেক্ষাকৃত সৰু দেশবোৰত বাতৰি কাকতবোৰে কলা আৰু বিজ্ঞানৰ বিকাশ আৰু ধৰ্মতত্ত্বৰ প্ৰতি ভালেখিনি ধ্যান দিয়ে।

পাঠ্য-সামগ্ৰীৰ কিমানখিনি প্ৰকৃততে পাঠকে গ্ৰহণ কৰে সেই সম্বন্ধে এনে ধৰণৰ অনুসন্ধানৰপৰা একো তথ্যাদি পোৱা নাযায়। বাতৰি কাকত পাঠৰ দ্বাৰা তথ্য সংগ্ৰহৰ পৰিপূৰণ আৰু নিচেই অলপীয়া মাত্ৰাত সাংস্কৃতিক প্ৰেৰণাৰ প্ৰয়োজন পূৰণ হয়। পাঠকৰ আগ্ৰহৰ লগত যিখিনি কথাৰ প্ৰত্যক্ষ সম্পৰ্ক থাকে তাকহে মনত ৰখা হয়। পাঠকৰ আগ্ৰহৰ লগত সামঞ্জস্য থাকিলে ৰাজনৈতিক ব্যক্তি, খ্যাতনামা লোক, দেশ আৰু ঠাইৰ নাম বাৰে বাৰে আওৰোৱা হয়। পাঠকৰ আগ্ৰহৰ লগত খাপ নাখালে বাৰে বাৰে আবৃত্তি কৰিলেও নিগাজীকৈ মনত থাকে বুলি ধাৰণা নহয়।

একোটা সামাজিক দলৰ সাধাৰণ স্বাৰ্থৰ ফালৰপৰা চাবলৈ গ'লে বৌদ্ধিক, নৈতিক, ৰসবোধ আৰু ৰাজনৈতিক মূল্যবোধ সৃষ্টিৰ বাবে গ্ৰন্থপাঠ যে অধিক গুৰুত্বপূৰ্ণ তাত ধনিষ্ঠামানো সন্দেহ নাই। আন সকলো কলাৰ নিচিনা সুফল পাবলৈ হ'লে গ্ৰন্থপাঠৰ ক্ষেত্ৰতো কিছুদূৰ চেষ্টাৰ প্ৰয়োজন হোৱাটো নিতান্ত উচিত আৰু ৰুচিৰ লগত খাপ খুউৱাৰ বাবে যদি বৰ বেছি ৰকমে চেষ্টা চলোৱা হয় তেন্তে তেনে গ্ৰন্থ

আদৰ্শৰপৰা পিছ পৰি থাকে। প্ৰত্যাহ্বানৰ অভাৱ হলে সঁহাৰিৰো অভাৱ হয়।

গতিকে পুথিভঁৰালৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ, কিয়নো গ্ৰন্থপাঠত উৎসাহ দিয়াৰ বাবে ইয়েই একমাত্ৰ সামাজিক সংগঠন। গ্ৰন্থপাঠৰ ওপৰত কি কি কথাই প্ৰভাৱ বিস্তাৰ কৰে সেই সম্বন্ধে এই অধ্যায়ত কেতবোৰ বিশ্লেষণ কৰা হৈছে। ইয়াত সেইবোৰৰ পুনৰাবৃত্তিৰ প্ৰয়োজন নাই, কিয়নো অৱস্থাভেদেহে সেইবোৰ প্ৰযোজ্য। তাৰপৰা অৱশ্যে ইয়াক আশা কৰা হৈছে যে সমাজত পুথিভঁৰালৰ কৰ্তব্য আৰু ভূমিকা সম্বন্ধে আৰু অধিক মানসিক আৰু সামাজিক দৃষ্টি-ভঙ্গীৰপৰা বিশ্লেষণ কৰাৰ প্ৰয়োজন অনুভৱ কৰা যাব। গ্ৰন্থপাঠ সম্বন্ধে আমাৰ চিন্তাধাৰাৰ অধিকখিনি সংকীৰ্ণ হৈয়ে আছে। আটাইতকৈ মৌলিক প্ৰশ্ন হ'ল: মানৱ মনৰ ওপৰত গ্ৰন্থপাঠে কি ধৰণৰ প্ৰভাৱ বিস্তাৰ কৰে? বৰ্তমানে পৰোক্ষভাৱেহে ইয়াক বিবেচনা কৰিব পৰা যায়, কিন্তু এদল বিশেষজ্ঞই এই সম্বন্ধে পুঙ্খানুপুঙ্খভাৱে অনুসন্ধান চলোৱা উচিত।

গ্ৰন্থপাঠৰ ফলত মনৰ উৎকৰ্ষ সাধন হব পাৰে, কিন্তু সাধাৰণভাৱে গ্ৰন্থপাঠৰ ফলত এনে নহয়: একমাত্ৰ বিশেষ ধৰণৰ গ্ৰন্থ অধ্যয়ন কৰিলেহে এইটো সম্ভৱপৰ আৰু তাৰ ওপৰত অধিক মনোযোগ দিয়াটো উচিত হ'ব।

---

## সপ্তম অধ্যায়

# লেখা আৰু লেখকৰ ভূমিকা

লিখাৰ আৱিষ্কাৰক মানুহে কৰা আৱিষ্কাৰবোৰৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি প্ৰায়ে কোৱা হয়। উপযুক্ত যোগাযোগৰ ব্যৱস্থা নাথাকিলে অপেক্ষাকৃত অধিক জটিল ধৰণৰ সমাজ ব্যৱস্থা যে তিষ্ঠি থাকিব নোৱাৰে সেইটো তেনেই ফট্‌ফটীয়া কথা, কিন্তু অধিক জটিল সমাজ-ব্যৱস্থাত মানুহ অধিক সুখী হয়নে নহয় সেইটোহে ততালিকে স্পষ্টভাৱে নিৰ্ণয় কৰিব নোৱাৰি। জঁ। জ্যাক ৰুছোৰ (Jean Jacques Rousseau) দিনৰপৰা কেতবোৰ লেখকে আদিম যুগৰ মানুহৰ জীৱন-যাত্ৰা অধিক স্বচ্ছন্দ বুলি তাৰ প্ৰশংসা কৰি আহিছে, আনহাতে আন সকলে আকৌ সভ্যতাৰ সুফল সম্বন্ধে সমানেই বিশ্বাস কৰি আহিছে। এই দুয়োটা চৰম মতবাদৰ মাজতহে প্ৰকৃত সত্য থাকিব পাৰে বুলি তাত বিশেষ ধ্যান দিয়া নহয়, অৱশ্য মধ্যপথ সততে তুলনাত কম চমকপ্ৰদ।

প্লেটোৱে মানৱ জীৱনক প্ৰয়োজন-জনিত হেতু আৰু আধ্যাত্মিক হেতুৰ ক্ষেত্ৰত বিভক্ত কৰিছিল। প্ৰথম সংজ্ঞাৰ দ্বাৰা তেওঁ মানুহে স্বীকাৰ কৰি ল'বলগীয়া হোৱা প্ৰকৃতিৰ সম্পৰ্কৰ ক্ষেত্ৰত কাৰণ আৰু তাৰ পৰিণামৰ কথাকে সূচাইছিল; আনহাতে আধ্যাত্মিক হেতুবোৰ হ'ল মানুহৰ এনে ধৰণৰ কাৰ্য-কলাপ যাৰ যোগেদি মানুহে নিজৰ অন্তৰ্নিহিত গুণৰাজিৰ অধিক বিকাশ সাধনৰ বাবে প্ৰয়াস কৰিব পাৰে আৰু য'ত মানুহে "প্ৰয়োজনৰ"পৰা মুক্ত হৈ থাকে।

এই বিভাজন ৰচনাৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিব পৰা যায়। আমি ৰচনাক এখন সমাজত যোগাযোগ ব্যৱস্থাৰ অংশবিশেষ হিচাপে গণ্য কৰিব পাৰোঁ। তদুপৰি ৰচনাক মানুহৰ সৃজনধৰ্মী কৰ্ম প্ৰয়াস হিচাপেও গণ্য কৰিব

পৰা যায়, যি প্ৰয়াসৰ যোগেদি ব্যক্তিয়ে নিজকে প্ৰকাশ কৰে। ইয়াত প্ৰয়োজনৰ ক্ষেত্ৰত সামাজিক দল চলাব বাবে আৱশ্যকীয় যোগাযোগ, যেনে আইন, অনুশাসন, শিক্ষামূলক পাঠ্য, বৈজ্ঞানিক-গ্ৰন্থ যিবোৰ সৃজনধৰ্মী হোৱাতকৈ অধিক তথ্যমূলক, অনুৰূপ ধৰণৰ ৰাজনৈতিক যোগসূত্ৰৰ পুস্তিকা আদি, চৰকাৰী প্ৰতিবেদন, বাতৰি কাকত, আলোচনী আদিক সামৰি ল'ব পাৰোঁহক।

সৃজনধৰ্মী ৰচনাত আত্মপ্ৰকাশৰ বাহিৰে আন একো প্ৰত্যক্ষ ধৰণৰ বাস্তৱ উদ্দেশ্য নাথাকে, অৱশ্যে এই ক্ষেত্ৰতো এনে দৰে আশা কৰা হয় যে কৰ আত্ম প্ৰকাশ খ,গ,ঘ,ঙ আদিৰ বাবে মূল্যবান হ'বও পাৰে।

নিঃসন্দেহে এনে ধৰণৰো ভালেমান ৰচনা আছে য'ত দুয়োটা গুণেই থাকে। এইবোৰৰ ভিতৰত থাকে বৰ্ণনামূলক সাংবাদিক ৰচনা, গ্ৰন্থৰ সমালোচনা, ৰসৰচনা, দৰ্শন, সমাজ বা ফলিত বিজ্ঞান সম্বন্ধীয় গ্ৰন্থ আদি। এই ধৰণৰ ৰচনাই সাধাৰণতে আশা কৰাতকৈও অধিক দ-কৈ পাঠকৰ মনত ৰেখাপাত কৰিব পাৰে।

লেখকৰ দৃষ্টি-ভঙ্গীৰ ওপৰতে এইটো ভালেখিনি নিৰ্ভৰ কৰে। গ্ৰন্থ-ৰচনা অৰ্থকৰী দায়িত্ব পালন অথবা প্ৰেৰণাদায়ক বৃত্তি হ'ব পাৰে। আন-হাতে আকৌ লেখক যি সমাজৰ লোক সেই সমাজৰ সাংস্কৃতিক গাঁথ-নিৰ দ্বাৰাও আংশিকভাৱে তেওঁৰ দৃষ্টি-ভঙ্গী নিৰূপিত হ'ব পাৰে।

আমি সহজতে "প্ৰয়োজনৰ ৰচনাত" তীব্ৰ আবেগিক মূল্য নাথাকে বুলি ধৰি ল'ব পাৰোঁ, আনহাতে সৃজনধৰ্মী ৰচনাৰ যোগেদি আমাৰ কিছুদূৰ আবেগিক সন্তুষ্টি সাধন হয় বুলিও বিবেচনা কৰিব পাৰোঁ।

আয়কৰৰ ফৰ্ম এখনৰ আঁচনি যুগুত কৰোতে কৰ পৰামৰ্শ দাতাজন এই কামত আবেগৰ দ্বাৰা প্ৰভাৱিত হ'ব পাৰে বুলি আমি বিবেচনা নকৰো, অৱশ্যে শেহত যি জনে এই ফৰ্মখন পাব তেওঁ তাত আবেগিক সঁহাৰি দিব পাৰে বুলি ধৰি লোৱাটো সম্পূৰ্ণ সম্ভৱপৰ কথা। আন-হাতে কৰি, কথা-সাহিত্যিক, প্ৰবন্ধলেখক, নাট্যকাৰ আৰু দাৰ্শনিকৰ

ৰচনাই সকলো প্ৰকাৰৰ আবেগৰ উদ্ৰেক কৰাৰ লক্ষণ দেখিবলৈ পোৱা যায়। গ্ৰন্থৰ ৰচনাত কিছু পৰিমাণে আবেগে মুক্তি লাভ কৰে।

সৃষ্টিধৰ্মী সাহিত্যিকৰ মৰ্যাদাৰ বাবে আনে তেওঁক হিংসা কৰে : তেনে সাহিত্যিকে যিহকে ইচ্ছা তাকে কৰিব পাৰে বুলি ধাৰণা কৰা হয়। তদুপৰি এই কামৰ বাবে তেওঁ বিশেষ একো মূলধনকে খটুৱাব নালাগে, কিন্তু নিজৰ কামৰপৰা পোৱা লাভ আৰু সুফল বিস্ময়কৰ বুলি কোৱা হয়। তেওঁ সচৰাচৰ আনতকৈ "সুকীয়া" বুলি সমাজত বিশেষ অধিকাৰ লাভ কৰে আৰু এই বিশেষ অধিকাৰৰ ফলত এনে লোকে প্ৰায়ে নিজৰ একোটা বিশেষ ভঙ্গী আৰু অভ্যাস সৃষ্টি কৰি লোৱাও দেখা যায়। কেতিয়াবা কেতিয়াবা আকৌ এনে সৃজনধৰ্মী সাহিত্য-ৰচনা নকৰা মানুহেও খ্যাতনামা সাহিত্যিকসকলৰ ভঙ্গী অনুকৰণ কৰি সমাজৰপৰা বিশেষ মৰ্যাদা আদায় কৰি লয়।

কিন্তু সামাজিক পটভূমিৰপৰা গ্ৰন্থ-ৰচনা সম্বন্ধে বিবেচনা কৰিলে ইয়াৰ বিভিন্ন ধাৰা আৰু প্ৰকাশ অনুসৰণ কৰাটো অধিক কঠিন কাম হৈ পৰে। ৰোমাণ্টিক প্ৰেমৰ নিচিনা বৌদ্ধিক কাৰ্যতৎপৰতাও জটিল সমাজ-ব্যৱস্থাৰ ফলত উদ্ভৱ হয়।

অক্ষৰজ্ঞান লাভ কৰাৰ আগতে সমাজত পুৰোহিত, যাদুকৰ, চাৰণ কৱি বা গাথা কওঁতা আদিৰ কাম মানুহে ভালদৰে জানিছিল, কিন্তু লিখাৰ আৱিষ্কাৰৰ পিচত ইয়াক প্ৰথমতে ধৰ্মীয় আৰু বৈধানিক ঘোষণা আৰু ডাঙৰ ডাঙৰ ৰজাসকলৰ কাৰ্যকলাপ লিপিবদ্ধ কৰাৰ বাবে ব্যৱহাৰ কৰা হৈছিল। প্ৰাচীন মিছৰীয় সাহিত্যত "বীণাবাদকৰ গীত" আদি ৰচনাও আছে; এইবোৰ সাধাৰণতে নীতি-ৰচনা বুলি অভিহিত কৰা হয়। দৰাচলতে এতিয়ালৈকে পোৱা মিছৰৰ প্ৰাচীনতম ৰচনাৱলী এই শ্ৰেণীৰ। এই ৰচনাৰ প্ৰথম গৰাকীজনৰ নাম অনুসৰি ইয়াক 'পেপিৰাচ প্ৰিচ' বোলা হয়। ইয়াত নীতি ৰচনাৰ সংগ্ৰহ কৰা হৈছে আৰু ইয়াকে "পৃথিৱীৰ ভিতৰত প্ৰাচীনতম গ্ৰন্থ" বুলি অভিহিত কৰা হৈছে। "মৃতকৰ গ্ৰন্থ" আৰু

আঘাত-চিকিৎসা সম্পৰ্কীয় পুথিকাখনো খৃষ্ট পূৰ্ব প্ৰায় ৩০ শতিকাৰ, এড্উইন স্মিথ পেপিৰাচে প্ৰকাশ কৰা এই চিকিৎসা সম্পৰ্কীয় পুথিকাখন নিউইয়ৰ্ক ঐতিহাসিক সমিতিত সংৰক্ষিত আছে ।

অৱশ্যে গ্ৰীক আৰু ৰোমান যুগৰ আগতে সৃজনধৰ্মী ৰচনাৰ পৃথক ভূমিকা স্বীকৃত হোৱা নাছিল । মধ্য যুগত ইয়াৰ মাত্ৰা ভালেমান হ্ৰাস পাইছিল, কিন্তু নৱ-অভ্যুদয়ৰ যুগত ইয়াৰ পুনৰ বিকাশ সাধন হৈছিল । তাৰ ভালেমান দিনৰ পিচতহে সাহিত্য-ৰচনা এটা বৃত্তি আৰু অৰ্থকৰী ব্যৱসায় হিচাপে পৰিগণিত হৈছিল । গ্ৰীচ আৰু ৰোমত নৱ-অভ্যুদয়ৰ যুগত সমাজৰ উচ্চতৰ শ্ৰেণীৰ লোক আৰু বৃত্তিধাৰী শ্ৰেণীৰ লোকসকলে প্ৰায়ে সৃজনধৰ্মী সাহিত্যৰ সৃষ্টি কৰিছিল । এইবোৰ যুগত কলাৰ পৃষ্ঠপোষকসকলে মানুহে অনুসৰণ নকৰা এই ধৰণৰ কাৰ্যকলাপক মৰ্যাদা দান কৰাত যথেষ্ট বৰঙণি যোগাইছিল ।

অতীত যুগৰপৰা উপন্যাস বা আনকি ৰহস্য কাহিনীকে আদি কৰি মানুহে জনা প্ৰায় সকলো প্ৰকাৰৰ ৰচনাৰ পৰম্পৰা চলি আহিছে । কিন্তু প্ৰায় সকলো প্ৰকাৰৰ ৰচনাৰ বৈচিত্ৰ্য যোৱা এশ বছৰ মানৰপৰা অধিক মাত্ৰাত বৃদ্ধি পাই আহিছে ।

ৰচনাৰ মাত্ৰা অপূৰ্ব ধৰণে বৃদ্ধি পালেও লেখকৰ সামাজিক মৰ্যাদা এতিয়াও অস্পষ্ট হৈয়ে আছে । টয়নবীয়ে বুদ্ধিজীৱী শ্ৰেণীক এটা বিশেষ সামাজিক শ্ৰেণী বুলি অভিহিত কৰি কৈছে যে এই বিশেষ সামাজিক শ্ৰেণী হ'ল মূল উচ্ছেদ কৰি অনাৰ ফলত স্বৰূপ বঞ্চিত বাধ্যতামূলকভাৱে কামত নিযুক্ত বিদেশী লোকৰ দল । আৰ্থাৰ কোৱেষ্ট্লাৰে লেখক শ্ৰেণীক "সামাজিক শ্ৰেণী-বিন্যাসৰ লগত ভালদৰে সাঙোৰ খাই নথকা" দল বুলি বৰ্ণনা কৰিছে । তদুপৰি প্ৰায়েই দেখা যায় বুদ্ধিজীৱীৰ আদৰ্শ বাস্তৱত পৰিণত হোৱাৰ সম্ভাৱনাপূৰ্ণ বিপ্লৱ উপস্থিত হ'লে তেওঁ নিজে তাৰ প্ৰতি উদাসীন হৈ থাকে, নাইবা তাত বৈপ্লৱিক ভূমিকা গ্ৰহণৰপৰা বিৰত থাকে । সকল কলাকাৰে প্ৰায়ে নিজকে বিশ্বাসঘাতকতা কৰা বুলি অনুভৱ কৰে, অথবা সমাজৰ লগত তেওঁৰ যোগসূত্ৰ বিপদসঙ্কুল বা

দুৰ্বল বুলি তেওঁ বিবেচনা কৰে। যদিহে কলাকুশলে সাফল্য অৰ্জন কৰিব নোৱাৰে তেন্তে তেওঁ ৰাজনৈতিক দলবোৰৰ হাতৰ পুতলা হৈ পৰাৰ বিপদৰ সম্ভাৱনা থাকে, কিয়নো নিজৰ অভীষ্ট সাধনৰ বাবে এই দলবোৰক অলপধতুৰা অসন্তুষ্ট লোকৰ প্ৰয়োজন হয়।

যোৱা পাঁচ বা ছয় দশকৰ ভিতৰত হোৱা ক্ষিপ্ৰ সামাজিক পৰিৱৰ্তন বোৰেও সৃষ্টিধৰ্মী কলাকাৰসকলৰ মনত ভালেখিনি সংশয়ৰ ভাব সৃষ্টি কৰিব পাৰে; এই পৰিৱৰ্তনবোৰৰ ফলত মানুহৰ হাতত সাধনৰ পৰিমাণ অপূৰ্বভাৱে বৃদ্ধি পাইছে, কিন্তু এই সাধনবোৰ কিদৰে ব্যৱহাৰ কৰিলে সুফল পোৱা যাব সেইটো হ'লে অস্পষ্ট হৈ পৰিছে। প্ৰতিটো নতুন আৱিষ্কাৰেই নতুন পুতলা একোটাৰ নিচিনা হৈ পৰিছে, ইয়াৰ প্ৰকৃত মূল্যতকৈ ইয়াৰ অভিনৱত্বহে অধিক আকৰ্ষণীয় হৈ উঠে।

অতীতত সৃষ্টিধৰ্মী কলাকাৰ নিজৰ কলামাধ্যমৰ ক্ষেত্ৰত অপেক্ষাকৃত নিৰাপদ আছিল; কিন্তু বৰ্তমানে তেনে কলাকাৰ নানা ধৰণৰ নতুন নতুন সম্ভাৱনাৰ সন্মুখীন হ'বলগীয়া হয় আৰু তেওঁ এনে নতুন নতুন মাধ্যমবোৰৰপৰা আত্ম-প্ৰকাশৰ বাবে কিবা নহয় কিবা এটা বাছি লব-লগীয়া হয়। তেওঁ অৰ্থনৈতিক বাধ্যবাধকতাৰ লগত আংশিকভাৱে আপোচ কৰি ল'ব; আৰু তেওঁ নিজকে এনে কামত নিযুক্ত কৰিব পাৰে যাৰ ফলত নিভাঁজ সৃজনধৰ্মী কামৰ পিনে গতি কৰা যেন অনুভৱ হ'ব পাৰে। কিন্তু ইফালে তেওঁৰ শ্ৰোতাসকলো সেই ধৰণৰ বিবুধিগড়ৰ সন্মুখীন হ'ব লগীয়া হৈছে: তেওঁলোকে টেলিভিচন বা ৰেডিঅ', গ্ৰন্থ আৰু আলোচনী পাঠ কৰা, বক্তৃতামালাত উপস্থিত থকা, ভ্ৰমণ কৰা আদিৰ ভিতৰত কিবা এটা বাছি ল'ব পাৰে আৰু এনে কিবা এটা আৰম্ভ কৰাৰ লগে লগে আন এটা মাধ্যম গুৰুত্বপূৰ্ণ হৈ দেখা দিয়ে, এনেবোৰ অৱস্থাৰ ফলত সৃজনধৰ্মী ৰচনাৰ বৌদ্ধিক ভাবধাৰা যিকোনো উপায়েৰে মানুহৰ শ্ৰুতিগোচৰ কৰাৰ বাবে থৰকাছুতি হেৰুৱাই কিবা নহয় কিবা মাধ্যমেৰে প্ৰকাশ কৰাৰ এটা প্ৰৱণতা দেখা দিছে, তদুপৰি শ্ৰোতাসকলৰ তীব্ৰ বা অস্বাভাৱিক আবেগত সহাঁৰি নিদিলে নাইবা

[illegible] [illegible] বুলি [illegible] নকৰে উপন্যাসিক [illegible] কৰিবলৈ [illegible], শ্ৰোতা পোৱাটো একো আশ্বাস নেথাকে। আনকি এনে [illegible] প্ৰকাশ কৰিলেও সি প্ৰায়ে কম দিনৰ ভিতৰতে অকামিলা হৈ পৰা দেখা যায়।

কলাকাৰ আৰু তেওঁৰ শ্ৰোতাসকলৰ মাজত দেখা দিয়া এই নতুন উদ্বেগৰ ফলত মানসিক সংঘৰ্ষৰ সৃষ্টি হৈছে, সি হয়তো ব্যক্তিত্ববিহীন নিৰৰ্থক ধ্বনি অথবা অসামঞ্জস্যৰ নিবিড় সান্নিধ্যত প্ৰচ্ছন্ন হৈ আছে। লেখকে হয়তো আমাক নিজৰপৰা ঠেলি দিয়ে নাইবা আমাক তেওঁৰ অন্তৰাত্মাৰ গুহাৰ ভিতৰলৈ লৈ যায় আৰু তাত উপস্থিত হ'লে পাঠকে প্ৰায়ে নিজকে নিৰ্লজ্জ অপৰিচিত লোক হিচাপে অনুভৱ কৰে।

লেখক নিজ সমাজৰ অংশ হ'লেও তেওঁ সমাজৰ দ্বাৰা সুপৰিকল্পিত আৰু উদ্দেশ্য প্ৰণোদিতভাৱে অভিভূত হৈ নপৰে, গতিকে তেওঁ সমাজৰ এটা বিশেষ দল বা চক্ৰৰ সমৰ্থন পাব বুলিও নিৰ্ভৰ কৰিব নোৱাৰে। তেওঁ কিবা নহয় কিবা এজন হব পাৰে: আংশিকভাৱে বাৰ্তাজীৱী, ফটকা বজাৰৰ দালাল, বনুৱা, নিজকে অসীম প্ৰতিভাধৰ বুলি ভবা কিন্তু লঘোনে দিন কটোৱা লোক নাইবা নিজৰ পুথি বিক্ৰীৰ অনুপাতত মৰ্যাদা বৃদ্ধি হোৱা চৰকাৰৰ দ্বাৰা সমৰ্থিত আদৰ্শ স্বৰূপ আদি যি কোনো ধৰণৰ তেওঁলোক হ'ব পাৰে।

এনে হোৱাটো সম্পূৰ্ণ স্বাভাৱিক, কিয়নো ইয়াৰ লগত সৃজনধৰ্মী লেখকৰ সম্পৰ্ক জড়িত আছে। সৃজনধৰ্মী লেখক এনে ধৰণৰ লোক যাৰ মনে গৃহীত 'ঢঙ'ত সমাজৰ নক্সাৰ বিকাশ সাধন নকৰে: তেওঁ হয়তো তেনে নক্সাৰ অতিশয় প্ৰশংসা কৰে, নাইবা সেইবোৰক ঘিণ কৰে, কিন্তু তেওঁ অপেক্ষাকৃত তীব্ৰ জাগ্ৰত অৱস্থাত থাকে। তেওঁৰ কামৰ সময় আৰু জিৱণিৰ সময় নিয়াৰিকৈ ভাগ কৰাৰ ক্ষমতা নাথাকে, তেওঁৰ চাৰিওপিনে সুনিৰ্দিষ্টভাৱে যি গতানুগতিক জীৱন-যাত্ৰাৰ ছন্দ চলে তাৰ লগতো তেওঁ তাল ৰাখি চলিব নোৱাৰে। কিন্তু যি কোনো উপায়েৰেও নহওক লাগিলে তেওঁ আত্ম-প্ৰতিষ্ঠাৰ বাবে চেষ্টা কৰিবই লাগিব, আৰু তেওঁ চলিত ৰীতিৰ ধাৰাত নিজকে লুকাই ৰাখিবলৈ অস্বীকাৰ কৰিব।

লাহে লাহে তেওঁ এটা আপোচ কৰি ল'ব পাৰে আৰু যি সমাজৰ তেওঁ অংশবিশেষ তাত তেওঁ এটা নক্সাৰ প্ৰৱৰ্তন কৰিব পাৰে আৰু তাৰ বাবে সমাজত তেওঁ অধিক নিৰ্দিষ্ট ধৰণৰ আসন লাভ কৰিব পাৰে। তদুপৰি তেওঁ নিজৰ আবেগক এটা নিৰ্দিষ্ট পথেৰে গতি কৰোৱাৰ ব্যৱস্থা কৰিব পাৰে, ফলত তেওঁৰ ৰচনা এটা প্ৰকাৰবিশেষৰ লগত খাপ খোৱা ধৰণৰ হ'ব পাৰে। কিন্তু এনে ধৰণৰ আপোচ কৰিলেও তেওঁ সমাজৰ সূক্ষ্ম আৰু সুদূৰ-প্ৰসাৰী শ্ৰম বিভাজন প্ৰক্ৰিয়াৰ বাহিৰতে থাকিব লাগিব। এনে ধৰণৰ প্ৰক্ৰিয়াবোৰত "সৃষ্টি"ৰ বাবে ঠাই নাথাকে, কিয়নো এইবোৰৰ স্বৰূপেই হ'ল পুনৰাবৃত্তি, অৰ্থাৎ আনে পৰিকল্পনা আৰু ব্যৱস্থা কৰি দিয়া কামকে পুনৰ অনুসৰণ কৰা ; এই কামৰ ভিন ভিন অংশ জুকিয়াই লওঁতে কিছুদূৰ স্বাধীনতা থাকিব পাৰে, কিন্তু এই কাম সামগ্ৰিক গোটৰ এটা অংশবিশেষ, ই এনে এটা বস্তু নহয় যাক কল্পনাৰ সহায়েৰে ইচ্ছামতে গঢ়িব বা ভাঙিব পৰা যায়।

এনে প্ৰৱণতা আমাৰ আটাইৰে মাজত নিহিত থাকে ; কিন্তু যিসকলে নিজৰ কল্পনাৰ স্বতন্ত্ৰ গতি পৰিহাৰ কৰিবলৈ ইচ্ছা নকৰে আৰু বহিৰ্বিশ্বই গম নোপোৱা ধৰণৰ এই কল্পনাক দিবাস্বপ্নত আবদ্ধ ৰখাতে সন্তুষ্ট নহয় তেনে লোকৰ এই প্ৰৱণতা অধিক শক্তিশালী। সৃজনধৰ্মী কলাকাৰে নিজক শৃঙ্খলিত কৰি ৰখা বিশ্বখনৰ তুলনাত তেওঁৰ কল্পনাৰ বিশ্বলোক যে অধিক বিনন্দীয়া সেই কথা দেখুৱাই দিবলৈ অদম্য প্ৰেৰণা অনুভৱ কৰে।

আমাৰ শ্ৰেণীভেদ আৰু নামাকৰণ পদ্ধতি স্বাভাৱিকতে নিখুঁত ধৰণৰ নহয়। "সৃজনধৰ্মী" আখ্যা পোৱা ভালেমান ৰচনাই নক্সা বা অনুকৰণমূলক হ'ব পাৰে ; আনহাতে ঘৰুৱা চিঠি-পত্ৰ, ব্যৱসায়িক পত্ৰ বিনিময়, পাঠ্যপুথি, বিজ্ঞাপন আদিৰ শব্দ বিন্যাসত যথেষ্ট ৰসৰ সঞ্চাৰ হ'ব পাৰে। দৰাচলতে সাহিত্য বুলি সাধাৰণতে গণ্য নকৰা, কিন্তু প্ৰকৃত কলাসম্পন্ন এই ধৰণৰ ৰচনাৰ এটা সংকলন কৰাটো মূল্যবান হব পাৰে। ইয়াত গণিত শাস্ত্ৰৰ উপপাদ্য, আইনৰ মূলপাঠ,

ভ্ৰমণকাৰীৰ পুস্তিকা আদি ভালেমান বিষয়ৰ ৰচনা সামৰি লব পৰা যায় য'ত কোনোবা সৃষ্টিধৰ্মী লোকৰ কল্পনা সুন্দৰ আৰু সুফলভাৱে অভিব্যক্ত হৈছে ।

কিন্তু সাহিত্যিকে এনে এখন সংসাৰৰ বাস্তৱতাৰ লগত নিজকে খাপ খুৱাই ল'ব লাগে য'ত সাহিত্যিক আন যিকোনো লিখোতাৰ তুলনাত পৃথক ব্যক্তি । সাহিত্যিকে "সামাজিক সম্পৰ্কৰ মকৰাজালত" চলিব লাগে । তেওঁ নিজকে তেনেভাৱে বিবেচনা কৰি ল'ব লাগে। তেওঁ এজন পৃষ্ঠপোষক বা প্ৰকাশক বাছি লব লগীয়া হয় আৰু শ্ৰোতামণ্ডলো বিচাৰি উলিয়াব লগীয়া হয় । তদুপৰি তেওঁ কাম-ছায়াত আগবাঢ়ি যাবলৈ ইচ্ছুক হ'ব লাগিব, তেওঁৰ টিপ্পনিকাৰসকলে আকৌ সহজতে এই কাম-ছায়াক অন্ধকাৰত পৰিণত কৰি দিব পাৰে । তেওঁ হয়তো এজন সফল লেখকৰ ছত্ৰছায়াত গঢ়ি উঠিবলৈ চেষ্টা কৰিব পাৰে নাইবা সাহিত্যিক গোষ্ঠী আৰু ৰসামোদীসকলৰ প্ৰমোদ ভোজ বা 'ককটেল পাৰ্টী'ৰ কৰুণাত উজুটিয়াই উজুটিযাই আগবাঢ়িব পাৰে, অথবা হঠাতে এটা প্ৰচণ্ড বিস্ফোৰণ ঘটাই তেওঁ সাফল্য অৰ্জন কৰিবলৈ চেষ্টা চলাব পাৰে ।

তেওঁৰ প্ৰিয় ৰচনাৱলী কেইটামান পুথিভঁৰালৰ মুকলি আলমাৰীত ধূলি-মাকটিৰ চামনি লৈ পৰি থাকিব পাৰে, আনহাতে আকৌ তেওঁৰ নিজৰ ভাল নলগা ৰচনাই তেওঁৰ বাবে সাহিত্যিক সাফল্য অৰ্জন কৰি দিব পাৰে বা এনে ৰচনাই আটাইতকৈ অধিক বিক্ৰী হ'ব পাৰে । তেওঁৰ অহংভাব তীব্ৰভাৱে গঢ়ি উঠিব লাগিব, অৱশ্যে ই নীচাত্মিকা ভাবৰ মাজত লুকাই থাকিলেও কথা নাই । কিন্তু তেওঁ যদি নিজৰ চিন্তাধাৰা আনে গ্ৰহণ কৰাটো বিচাৰে তেন্তে তেওঁ আনতকৈ বৰ হীন বুলি বিবেচনা কৰিলে উদ্দেশ্য সিদ্ধি নহ'ব ।

বাস্তৱতে ইয়াতো ক্ষমতা লাভৰ বাবে কিছুদূৰ প্ৰেৰণা থকাৰ কথা গুই কৰিব নোৱাৰি । গতিকে কলাৰ অভিব্যঞ্জনাৰ বাবে প্ৰতিযোগিতা-মূলক সমাজ থকাটো প্ৰয়োজনীয় । পথাৰৰপৰা ঘৰলৈ উভতি আহোঁতে

যি ল'ৰাটিয়ে অনুভূতি আৰু প্ৰতিভাৰে সুছবি মাৰে বা গীত গায়, তেনে ল'ৰাই সমাজৰ প্ৰাণকেন্দ্ৰৰ ঘাত-প্ৰতিঘাতত প্ৰৱেশৰ বাবে প্ৰেৰণা নাপালে কদাকাচিৎহে কলাকাৰ হিচাপে গঢ়ি উঠিব পাৰে। নহ'লে তেওঁৰ প্ৰতিভা সমাজৰ দাঁতিতে আবদ্ধ হৈ থাকে।

এই প্ৰেৰণাৰ বেলিকাও কিছুদূৰ অসামঞ্জস্যই দেখা দিয়ে: সতৰ্ক মাক-বাপেকে ল'ৰা-ছোৱালীক কেতিয়াও সৃজনধৰ্মী কলাকাৰৰ বৃত্তি গ্ৰহণ কৰি কাঁইটীয়া পথ অনুসৰণ কৰিবলৈ নিদিয়ে, অৱশ্য এই ক্ষেত্ৰত সুনিৰ্দিষ্ট সংৰক্ষিত স্বাৰ্থ থাকিলে অৱস্থা সুকীয়া হ'ব পাৰে। এনে ধৰণৰ সংৰক্ষিত স্বাৰ্থ থকাটো অস্বীকাৰ কৰিব নোৱাৰি; অৱশ্যে ব্যৱসায়, চৰকাৰ আৰু বিভিন্ন বৃত্তি আদিৰ ক্ষেত্ৰত থকা সংৰক্ষিত স্বাৰ্থৰ নিচিনা সৃজনধৰ্মী কলাৰ ক্ষেত্ৰত ই সিমান সুস্পষ্ট নহ'ব পাৰে। স্থায়ী স্বাৰ্থৰ প্ৰতিষ্ঠা কৰা আনবোৰ ক্ষেত্ৰৰ তুলনাত কলাৰ ক্ষেত্ৰত চলা প্ৰতিযোগিতা অধিক পোনপটীয়া আৰু পুৰণি ধৰণৰ। সুদৃঢ় পৰম্পৰাসম্পন্ন সমাজত হস্তশিল্পৰ কৰ্মী, চিত্ৰকৰ, ভাস্কৰ অথবা অভিনেতাৰ বৃত্তিতো অনুৰূপ প্ৰতিযোগিতা চলিব পাৰে, কিন্তু কাৰিকৰী বিদ্যাত সমুন্নত তীব্ৰ গতি-সম্পন্ন সমাজত এনে প্ৰতিযোগিতা চলা লক্ষ্য কৰা নাযায়।

আজিৰ সংসাৰখনক কলাকাৰৰ শত্ৰু যেন লাগিব পাৰে; তথাপি ই কলাকাৰৰ বন্ধুও—অতিশয় কঠোৰ আৰু দাবী অদায় কৰা ধৰণৰ বন্ধু; আৰু লগতে সময়ত খামখেয়ালি আৰু বিশ্বাস কৰিব নোৱাৰা ধৰণৰ। সংসাৰখন এই হেতুকেই বন্ধু যে যদিও কাৰিকৰী বিদ্যাত যথেষ্ট উন্নতি লাভ নকৰা প্ৰাচীন পন্থী সমাজত কলাকাৰৰ মৰ্যাদা অধিক নিৰাপদ আৰু সন্মানজনক হ'ব পাৰে, তেনে সমাজত তেওঁৰ সৃষ্টিবোৰ গতানুগতিক হৈ পৰাৰ বিপদো থাকে। কলাৰ এটা বৈপ্লৱিক গুণ আছে আৰু এই হেতুকেই ইয়াক গ্ৰহণ কৰা বা নকৰাটো আগতেই থিৰ কৰি দিয়া বা নিয়ন্ত্ৰিত কৰাটো সম্ভৱপৰ হ'ব নোৱাৰে।

কলাৰ ক্ৰিয়া অতিশয় বহুমুখী, ফলত ইয়াক কোনো পদ্ধতিৰে নিয়ন্ত্ৰিত কৰিব নোৱাৰি: যদিহে ইয়াৰ বিষয়বস্তুৱে সচেতন ৰুচিত সঁহাৰি দিয়ে

তেন্তে ইয়াৰ পদ্ধতি ব্যক্তিকেন্দ্ৰী হব পাৰে ; যদিহে ইয়াৰ শৈলী গতানুগতিক ধৰণৰ হয় তেন্তে ই অভিনৱ ধৰণৰ বিষয়-বস্তু বাছি ল'ব, কিন্তু ই কোনো সময়তে স্থায়িত্ব বা অচলতা মানি নলয়। জীৱন এটা প্ৰক্ৰিয়া—এটা বিৱৰ্ত্তন আৰু কলাই ইয়াৰ পৰিপূৰ্ণ অনিশ্চয়তাবোৰ প্ৰকাশ কৰে আৰু মানুহৰ মনে দৰ্শন বা আদৰ্শবাদতকৈ কলাক অধিক ভাল পায়। মানুহে অন্তৰেৰে ভাল পোৱা জীৱনৰ অনিশ্চয়তাবোৰ কলাই প্ৰকাশ কৰে, দৰ্শন আৰু আদৰ্শবাদে সুনিশ্চিত লক্ষ্যৰ প্ৰতিশ্ৰুতি দিয়ে, কিন্তু মানুহে সহজ প্ৰবৃত্তিৰে তাক অলীক বুলি গম পায়।

এই বিষয়ে সমাজতত্ত্বৰ ফালৰপৰা কেতবোৰ সাধাৰণ মতত উপনীত হ'ব পৰা যায়ঃ এটা সামাজিক দলে মানুহৰ কল্পনা অথবা প্ৰতীক-ধৰ্মী শক্তিৰ ওপৰত যিমানেই অধিক মূল্য দিয়ে, তিমানেই এনে দলৰ ক্ৰিয়াশীলতাত কলাই অধিক ভাগ লয়। ধৰ্ম আৰু কলাই হাত ধৰাধৰিকৈ আগ বাঢ়ে, কিয়নো উভয়ে মানুহৰ অন্তৰত থিতাপি লোৱা আশঙ্কা আৰু উদ্বেগৰ লগত খাপ খোৱা প্ৰতীকৰ সৃষ্টি কৰে। অপেক্ষাকৃত গতিহীন যুগত ইয়াৰ ফলত কলা ধৰ্মৰ দাস হৈ পৰিব পাৰে, অপেক্ষাকৃত গতিশীল যুগত হ'লে উভয়ে স্বতন্ত্ৰভাৱে আগ বাঢ়ে আৰু যদিহে ধৰ্মীয় সংস্থাই গতানুগতিক ধৰণৰ কলাৰ বাহিৰে আন একোকে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে তেন্তে কলা আৰু ধৰ্মৰ মাজত আনকি প্ৰতিদ্বন্দ্বিতাও চলিব পাৰে।

সমাজে যিমানেই ক্ষমতা লাভৰ বাবে চেষ্টা কৰে তিমানেই কল্পনা-প্ৰৱণতাতকৈ যুক্তিবাদ বিকশাই তোলাৰ ওপৰত গুৰুত্ব দিয়ে, আনকি এনে অৱস্থাত ৰাইজৰ মনত সমাজৰ আদৰ্শ অতিৰঞ্জিত কৰি দাঙি ধৰাৰ কাৰণে কাৰিকৰী আৱিষ্কাৰ আদিৰ বাবে সমাজক কল্পনা-শক্তিৰ প্ৰয়োজন হয়। কিন্তু কল্পনামূলক কাৰ্যক কিছুদূৰ এনে সমাজৰ নিয়ন্ত্ৰিত কাৰ্য-কলাপৰ বাহিৰত ঠাই দিয়া হয়ঃ ইয়াৰ প্ৰয়োজন আছে সঁচা, কিন্তু ই নিৰ্ভৰযোগ্য নহয়, গতিকে সি একালে যিদৰে গ্ৰহণীয়, আনকালে সি গ্ৰহণৰ অযোগ্য। ইয়াৰ প্ৰয়োজন আছে হেতুকেই ই গ্ৰহণীয়, কিন্তু ই যুক্তি-সম্মত কাৰ্যতৎপৰতাৰ নিয়ন্ত্ৰিত সীমা অতিক্ৰম কৰি যায় হেতুকে ই গ্ৰহণৰ অযোগ্য।

এইদৰে সৃষ্টিধৰ্মী লোক সমাজত এক প্ৰকাৰে সাঁথৰৰ নিচিনা হৈ পৰে। সমাজত তেওঁক প্ৰশংসা কৰাৰ লগতে অবিশ্বাসো কৰা হয়, কিয়নো তেওঁ পৰিয়াল, বৃত্তিজীৱী দল, ৰাজনৈতিক দল আদি আটাইতকৈ প্ৰভাৱশালী সামাজিক দলত সহজতে খাপ খাই যাব নোৱাৰে। আনে অপেক্ষাকৃত ডাঙৰ ডাঙৰ দেশবোৰত মিলি যাবলৈ ইচ্ছা কৰে, কিন্তু তেওঁ এনে প্ৰক্ৰিয়া এৰাই যাবলৈহে চেষ্টা কৰে, কিয়নো ইয়াকে কৰিলে তেওঁ তেওঁৰ অতি আপুৰুগীয়া সম্পদৰপৰা বঞ্চিত হ'ব ঃ সেয়ে হ'ল তেওঁৰ ব্যক্তিত্বৰ বিকাশ আৰু সময়ে সময়ে আনকি তেওঁৰ ব্যক্তিত্বৰ অতি-বিকাশ; আনকি যদিও যি কোনো সমাজতে কলা-সৃষ্টিৰ কাম স্বীকাৰ কৰি লোৱা হয় তথাপি কলা-কাৰৰ বাবে সংগঠিত সমাজ সহায়তকৈ অধিক বাধা বুলিহে ধাৰণা হয়।

যদিহে আমি প্ৰত্যেক সমাজৰে গতিহীন আৰু গতিশীল অংশ সম্বন্ধে পৃথকভাৱে বিবেচনা কৰোহঁক তেন্তে স্পষ্টভাৱে দেখা যাব যে সৃজনধৰ্মী কলাকাৰ গতিশীল অংশৰ অন্তৰ্গত, অৱশ্যে তেওঁ সমাজৰ আন আন অংশত দেখা দিয়া পৰিৱৰ্তনৰ বিৰুদ্ধে প্ৰতিবাদ ঘোষণা কৰিলেও তেওঁৰ স্বৰূপৰ ব্যতিক্ৰম নহয়। তেওঁ আবেগ আৰু বুদ্ধিৰ ক্ৰিয়াৰ মাজত ব্যৱধান বিচাৰে আৰু এই কাম অৱশ্যে সুপৰিকল্পিত হ'ব নোৱাৰে আৰু সেই বিষয়ে নিজেও একো গম নাপায়।

প্ৰতিজন ব্যক্তিতে নিহিত থকা আবেগবোৰ সৃজনধৰ্মী লেখকৰ ক্ষেত্ৰত অধিক শক্তিশালী ধৰণে বিকশিত হয় আৰু সেইবোৰ অধিক ব্যৱধান-শক্তিৰ পৰিচয় দিয়ে। এইদৰে তেওঁৰ নিজৰ প্ৰকাশিকা শক্তিৰে আনৰ মাজত সুপ্ত হৈ থকা আবেগবোৰ অভিব্যক্ত কৰে আৰু ইয়ে হয়তো সৃজনীধৰ্মী লোক আৰু তেওঁৰ শ্ৰোতাসকলৰ মাজত আটাইতকৈ প্ৰভাৱশালী যোগ-সূত্ৰ।

গতিশীল সমাজৰ ক্ষেত্ৰত প্ৰায়ে এইদৰে উক্তি কৰা হয় যে সৃজন-ধৰ্মী লেখক বা বৈজ্ঞানিক "সমাজৰ বাহিৰৰ" লোক, আৰু তেনে লোকক সমাজৰ পৰিচালনাত কিছু ভাগ দিয়া উচিত, কিয়নো এনে সৃজনী প্ৰতিভা-সম্পন্ন লোকে প্ৰায়ে নিজে ক'ব নোৱাৰাকৈয়ে সমাজত অভাৱনীয় পৰি-ৱৰ্তন সাধন কৰে বা অপূৰ্ব ধৰণৰ আৱিষ্কাৰ কৰি নতুন যুগৰ সৃষ্টি কৰে।

এনে দৃষ্টি-ভঙ্গীত এই নীতি ক্ষুণ্ণ হ'ব পাৰে ঃ সৃজনধৰ্মী লোক-সমাজৰ ত্ৰুটিবোৰৰ সম্বন্ধে আৰু ইয়াৰ অসহ্য অচলতা সম্বন্ধে অধিক সচেতন হয়, কিয়নো তেওঁ সমাজত নিয়ন্ত্ৰিত প্ৰক্ৰিয়াৰ বাহিৰত থাকে ।

যদিহে সৃজনধৰ্মী লোকৰ কল্পনা শক্তি সমাজৰ আসন্ন আৰু বাস্তৱ লক্ষ্য পূৰণৰ কামত ব্যৱহাৰ কৰা হয় তেন্তে তেওঁৰ তেনে শক্তি ভোটা হৈ যাব । অভিজাত তন্ত্ৰৰ যুগত প্ৰায়ে অভিজাত সম্প্ৰদায়ৰ কিছু লোকে কলা আৰু বিজ্ঞানৰ ক্ষেত্ৰত খ্যাতি অৰ্জন কৰিছিল, কিন্তু তেওঁলোকৰ প্ৰায় ভাগেই আছিল উত্তৰাধিকাৰ সূত্ৰে পোৱা বিশেষ অধিকাৰৰ প্ৰতি উদাসীন । তেওঁলোকৰ নিজ সম্প্ৰদায়ৰ লোকেও তেওঁলোকক "উদ্ভট" বা অবিশ্বাসী বুলি অভিহিত কৰিছিল । সমাজতত্বৰ ফালৰপৰা ক'বলৈ গ'লে কলা আৰু বিজ্ঞান সাধন কৰোঁতা আটাইতকৈ অধিক ভাগ লোক হ'ল মধ্যবিত্ত শ্ৰেণীৰ উচ্চ আৰু নিম্ন উভয় মধ্য বিত্ত শ্ৰেণীৰপৰাই এই লোকসকলক পোৱা যায় । মানুহৰ প্ৰতিভাৰ পৰিপূৰ্ণ বিকাশৰ বাবে কিছু পৰিমানে হেঁচাৰ প্ৰয়োজন হয় যেন দেখা যায়, অৱশ্য এই "সামাজিক বিধিৰ" বিৰুদ্ধে কেতবোৰ কলাকাৰে অতিশয় তীব্ৰভাৱে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি আহিছে । যদিহে ব্যক্তি বা ৰাইজৰ উদ্যোগত সৃজনধৰ্মী লোকক বিশেষ অধিকাৰ ভোগৰ সুবিধা কৰি দিয়া হয় তেন্তে প্ৰায়ে হেঁচাৰ অভাৱত তেওঁৰ প্ৰতিভা ম্লান হোৱা দেখিবলৈ পোৱা যায় । অৱশ্যে ইতিপূৰ্বে তেওঁৰ ব্যক্তিত্ব যথেষ্ট বিকশিত হৈ উঠিলে তেওঁৰ উচ্চাকাংক্ষাই তেওঁক প্ৰেৰণা যোগাই থাকিব পাৰে ।

সেই বুলি ইয়াৰ অৰ্থ এয়ে নহয় যে সৃষ্টি কৰিবলৈ হ'লে মানুহ লঘোনে থাকিব লাগে, কিন্তু বাহিৰৰপৰা দৰ্শক হিচাপে লক্ষ্য কৰাতকৈ সৃজনধৰ্মী লোকে জীৱনৰ ঘাত-প্ৰতিঘাত, দ-বাম ক্ষেত্ৰবোৰ নিজ অভিজ্ঞতাৰে উপলব্ধি কৰা উচিত । অৱশ্যে এটা ব্যতিক্ৰম আছে । অৱনতিৰ সূচনা হোৱাৰ ঠিক আগতে কেতিয়াবা কেতিয়াবা শাসনত অধিষ্ঠিত সামাজিক দলবোৰৰ মাজত তীব্ৰভাৱে সামাজিক চেতনা জাগ্ৰত হোৱা দেখা যায় । ইয়াৰ জলন্ত দৃষ্টান্ত হ'ল—ৰাছিয়াত বলছেভিক বিপ্লৱ হোৱাৰ ঠিক আগৰ কালছোৱাত সেই দেশৰ অভিজাত সম্প্ৰদায়ৰ সাহিত্যিক প্ৰতিভাৰ স্ফুৰণ ।

লগতে এইটোও লক্ষ্য কৰা যায় যে প্ৰায়ে সাংস্কৃতিক বিকাশ দুটা শিখৰত উপনীত হয়: (১) আদি যুগ, যেতিয়া এক প্ৰকাৰৰ সমন্বয়পূৰ্ণ সামাজিক বিকাশ সাধিত হয় আৰু (২) অন্তিম যুগ, যেতিয়া সম্প্ৰসাৰণ আৰু বাস্তৱ উন্নয়নৰ এছোৱা কাল যোৱাৰ পিচত শেহতীয়া ধৰণে অধিক ব্যক্তিকেন্দ্ৰী সাংস্কৃতিক বিকাশ সাধিত হয়, এনে সময়ত প্ৰায়ে আগৰ যুগৰ কাৰ্যাৱলীৰ বিশ্লেষণ কৰা হয় আৰু পতনমুখী সংস্কৃতিক ৰক্ষা কৰিবলৈ নাইবা অন্ততঃ সাধাৰণ সাংস্কৃতিক ধাৰাত ব্যক্তিত্বক থান-বান হোৱাৰপৰা উদ্ধাৰ কৰাৰ বাবে চেষ্টা চলোৱা হয়। "সংগঠনৰ"ৰ দ্বাৰা সাংস্কৃতিক বিকাশৰ চেষ্টা সাধাৰণতে সফল নহয়: সংস্কৃতি আপোনা-আপুনি বিকশি উঠে আৰু এই ক্ষেত্ৰত উদ্দেশ্য-প্ৰণোদিত নিৰ্দেশ প্ৰয়োগৰ দ্বাৰা অভীষ্ট লাভ কৰিব নোৱাৰি। এইদৰে নিৰ্দেশ প্ৰয়োগ কৰিলে তাৰ ফলত সাধাৰণতে পয়ঁালগা নিষ্প্ৰাণ কলাৰহে সৃষ্টি হয় আৰু এইদৰে মাথোন কৃত্ৰিম সাফল্যহে অৰ্জন কৰা যায়।

সৃজনধৰ্মী লোকে পোনপটীয়াভাৱে শ্ৰোতাৰ লগত আদান-প্ৰদান কৰে; সকলো সমাজতে গঢ়ি তোলা চৰকাৰী বাহিৰাৱৰণৰ যোগেদি সৃজনধৰ্মী লোক আৰু তেওঁৰ শ্ৰোতাসকলৰ মাজত যোগাযোগ স্থাপিত হ'ব নোৱাৰে। এই বাহিৰাৱৰণ মুখ্যতঃ সংস্কৃতিবিমুখী, কিয়নো অতীতৰ দলীয় অভিজ্ঞতাৰ ভেটিত যুক্তিসন্মত নিয়ন্ত্ৰণৰ মাধ্যমেৰে ই পৰিচালিত হয়।

যৌথ চৰকাৰবোৰৰ দ্বাৰা সৃজনী প্ৰতিভাৰ ওপৰত ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ প্ৰয়োগৰ চেষ্টাৰ পৰিণাম কি হৈছে তালৈ চালেই এই কথা ভালদৰে বুজিব পৰা যাব। আজি কিছুদিনৰ আগতে, কলাকাৰসকলে সমাজত বিশেষ সুবিধা ভোগ কৰাৰ সুবিধা পালেও নিজেই এনে ব্যৱস্থাৰ বিৰুদ্ধে প্ৰায়ে প্ৰতিবাদ কৰি আহিছে; আনকি পছিমীয়া দেশবোৰৰ কলাকাৰসকলৰ তুলনাত তেওঁলোকে অধিক সা-সুবিধা আৰু বাস্তৱ নিৰপত্তা ভোগ কৰিলেও এনে ব্যৱহাৰৰ বিৰুদ্ধে প্ৰতিবাদ নকৰি থকা নাই। এনে ব্যৱস্থাৰ ফলত সহজতে জানি শুনি কেতবোৰ নিৰ্দিষ্ট ধৰণৰ ৰচনা সৃষ্টি কৰা হয়, সমাজৰ সাধাৰণ থাপৰ বিষয়ববীয়াসকলে হয়তো এনে ৰচনা ভাল পাব পাৰে, কিন্তু সৃজনী প্ৰতিভা প্ৰকাশৰ একক আৰু অতুলনীয় প্ৰক্ৰিয়া সম্বন্ধে যি সকলে সুদৃঢ়ভাৱে মত পোষণ কৰে তেনে লোকে এনে ব্যৱস্থা সমূলি ভাল নাপায়।

তেনেই স্পষ্ট কথা যে আন সকলো সামাজিক প্ৰক্ৰিয়াৰ নিচিনাকৈয়ে সৃজনধৰ্মী কলাৰো নিজৰ এটা স্বকীয়া লয় আছে। অধিক ব্যক্তিকেন্দ্ৰী আৰু অধিক গোষ্ঠীকেন্দ্ৰী যুগত এই লয়ৰ তাৰতম্য ঘটে; কলাক কেন্দ্ৰ কৰি গোষ্ঠী, প্ৰৱণতা, শৈলী, সংৰক্ষিত স্বাৰ্থ আদিৰ সৃষ্টি হয়, কিন্তু অতন্তঃ আধুনিক সমাজত আন আন সামাজিক কাৰ্যকলাপৰ তুলনাত এনে প্ৰক্ৰিয়া কিছু কম হয়। কলাৰ ধাৰা সংগঠিত সামাজিক দল এটাৰ অব্যাহত ধাৰা নহয়, সমালোচক আৰু ঐতিহাসিকসকলৰ টীকা-টিপ্পনিৰ যোগে-দিহে এনে ধাৰা নিৰ্ণীত হয়। কলাকাৰে নিজেও কলাৰ এই অব্যাহত ধাৰাৰ গম নাপায়, কলাৰ বিশ্লেষণত প্ৰয়োগ কৰা শৃঙ্খলা, আৰু ইয়াৰ সামাজিক আৰু মানসিক উৎসৰ পম খেদি গৈহে এই অব্যাহত ধাৰাৰ অস্তিত্ব সাব্যস্ত কৰা হয়। যিবোৰ সমাজত কলা গতানুগতিক সমাজ গাঁঠনিৰ অঙ্গবিশেষ তাত পৰম্পৰাগত কলা আৰু হস্তশিল্প বিকশি উঠিব পাৰে, কিন্তু এনে সমাজত নতুন নতুন সৃজনধৰ্মী কলাব প্ৰকাশ-মাত্ৰা কম হ'ব।

তথাপি প্ৰত্যেক সমাজতে পৰম্পৰাগত আৰু সৃষ্টিধৰ্মী কলা একেলগে চলি থাকে আৰু এবিধে আনবিধৰ সাৰ-জীপ যোগায়। মাথোন অধিক গতিশীল সমাজতহে পৰম্পৰাগত কলাৰ তুলনাত নতুন নতুন কলা সৃষ্টিৰ মাত্ৰা অধিক দেখিবলৈ পোৱা যায়। কিন্তু ব্যৱসায় বা জীৱিকা হিচাপে আৰু বৃত্তি হিচাপে কলাক গ্ৰহণ কৰাটো একেলগে চলি থাকে, অৱশ্যে এনে এটা শ্ৰেণীৰ প্ৰতিনিধিয়ে আনটো শ্ৰেণীৰ প্ৰতিনিধিক ভাল নাপাব পাৰে। সংগঠিত দলবোৰে স্বতঃস্ফূৰ্ত খামখেয়ালি আৰু হঠাৎ উদ্ভাৱন কৰা অভিনৱ ধৰণৰ বস্তু ভাল নাপায় আৰু যিসকলে অভিনৱ পথৰ অনুসৰণ কৰাটোকে বাছি লয় তেওঁলোকে স্বেচ্ছাৰে বা বাধ্য হৈ জাতিভ্ৰষ্টৰ নিচিনাকৈ চলিবলৈ লয়। সৃজনধৰ্মী দলবোৰে নিজৰ এই গুণটো থকা বুলি দেখুৱাৰ প্ৰয়াস কৰে আৰু তাকে নিজৰ প্ৰতীক হিচাপে গ্ৰহণ কৰে, বোধহয় আনবোৰ দলৰ তুলনাত নিজৰ ধাৰাবাহিকতা আৰু নিৰাপত্তাৰ মাত্ৰা যে কম সেই কাথাৰ গুৰুত্ব আৰোপ কৰাৰ বাবেই এইটো কৰা হয়, কিন্তু প্ৰকৃততে ক'বলৈ গ'লে আনকি নিজৰ সহকৰ্মীৰ ক্ষেত্ৰতো যিসকলে অকলশৰীয়া বাট বাছি লয় তেনে লোকৰ ক্ষেত্ৰতহে এইটো প্ৰযোজ্য হোৱা উচিত।

এই ক্ষেত্ৰতো কলাকাৰে নিজৰ সৃষ্ট সামগ্ৰী যি বুলি প্ৰকাশ কৰে তাৰ স্বৰূপ বাস্তৱতে পৃথক হ'ব পাৰে। সৃজনধৰ্মী ৰচনাৰ স্বৰূপ সম্বন্ধে লেখকে নিজে বা তেওঁৰ জীৱনী লেখকে যি ধৰণৰ আভাস দিবলৈ বিচাৰে, সমাজতাত্ত্বিক বিশ্লেষণত সি পৃথক হৈ পৰে। লেখক আৰু তেওঁৰ জীৱনীকাৰে তেওঁৰ ৰচনা আনতকৈ সুকীয়া বুলি জোৰেৰে দাবী কৰিবলৈ বিচাৰিব পাৰে, কিন্তু এইটো সঙ্গত নহ'বও পাৰে। একোটা সামাজিক দলে সমাজৰ প্ৰতি নিজৰ বৰঙণি সম্বন্ধে বঢ়াই প্ৰচাৰ কৰিবলৈ বিচাৰে; "কটি আৰু মমবাতিৰ" প্ৰস্তুত কাৰকে যি দৰে এই ধৰণৰ প্ৰচাৰ কাৰ্য চলাবলৈ বিচাৰে কলাকাৰ আৰু বৈজ্ঞানিকেও অন্ততঃ তাকে কৰিবলৈ বিচৰাটো অকণো অস্বাভাৱিক নহয়।

এইটো স্পষ্ট কথা যে সৃজনধৰ্মী ৰচনা এটা অৱলম্বনধৰ্মী কাৰ্য; এনে কাৰ্য কৰিবলৈ হ'লে কলাক সমৰ্থন কৰা এখন সমাজ থাকিব লাগিব; অৱশ্যে এনে সমৰ্থনৰ মাত্ৰা কিমান আৰু সি কিদৰে নিয়ন্ত্ৰিত হয় সি তেনেই সুকীয়া কথা। লেখক আৰু তেওঁৰ সম্ভাব্য শ্ৰোতাসকলৰ মাজত সততে ভালেমান যোগসূত্ৰৰ প্ৰয়োজন, গতিকে ধাৰাবাহিক সংগঠনৰো প্ৰয়োজন আৰু এই ধাৰাবাহিকতাই কলাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। কলাসৃষ্টিক সমাজগত কৰি তোলাত প্ৰকাশক, বিতৰণকাৰী, পুথিভঁৰাল আৰু সমালোচকে অতিশয় প্ৰভাৱ বিস্তাৰ কৰে।

সমাজত শ্ৰম-বিভাজনৰ মাত্ৰা যিমানেই অধিক হয় তিমানেই এই সমাজৰ লোকে অধিক প্ৰভাৱ বিস্তাৰ কৰে। তেতিয়া কেতবোৰ নতুন নতুন ব্যৱসায়ী শ্ৰেণীৰ উদ্ভৱ হয়: লেখক আৰু প্ৰকাশকৰ মাজত দালালী কৰা সাহিত্যিক এজেণ্ট, বিশেষ গ্ৰন্থ প্ৰকাশক, অৰ্থ সাহায্যমূলক প্ৰকাশক, বিতৰণকাৰী এজেণ্ট, পুথিভঁৰাল উপদেষ্টা, বুক ক্লাব বা গ্ৰন্থ-চক্ৰ, বিশেষ পৰ্যালোচনাকাৰী আলোচনী অনুবাদক, সৰ্বস্বত্বসংৰক্ষণ বিশেষজ্ঞ, পৃষ্ঠপোষকতাসম্পন্ন নাট্যকাৰ, ৰঙ্গমঞ্চৰ এজেণ্ট, প্ৰয়োজক, প্ৰথম নিশাৰ ব্যৱস্থাপনা আদি। সাহিত্য ৰচনা কৰিবলৈ ইচ্ছা কৰিলে লেখকে নিজকে এই দুৰ্ভেদ্য বেহুৰ লগত যি কোনো উপায়ে খাপ খুৱাই ল'ব লগীয়া হয় আৰু নিজৰ ৰচনা অগ্ৰাহ্য হোৱাৰ সম্ভাৱনাৰ বাবেও নিজকে সুদৃঢ়-ভাৱে সাজু কৰি ৰাখিবলগীয়া হয়।

লেখকে নিজৰ মনত ভাবী পাঠকক আকৰ্ষণ কৰাৰ কল্পনা কৰি ল'ব পাৰে, কিয়নো একমাত্ৰ এই কথাত সংশ্লিষ্ট সকলো পক্ষৰে উমৈহতীয়া স্বাৰ্থ থাকে। এই স্বাৰ্থ গুণৰ ভেটিতো ব্যাখ্যা কৰিব পৰা যায়—বিশেষ ধৰণৰ গ্ৰন্থপ্ৰকাশ নাইবা অৰ্থ সাহায্যমূলক গ্ৰন্থ প্ৰকাশৰ ক্ষেত্ৰত এনে ধৰণৰ স্বাৰ্থ নিহিত থাকে—অন্নশ্যে ই থাকিবই লাগিব। গ্ৰন্থ ৰচনাৰ এইটোৱেই মূল কাৰণ আৰু এই হেতুকেই গ্ৰন্থ-ৰচনা সামাজিক কাৰ্যত পৰিণত হয়। আনকি মানুহৰ দৃষ্টি গোচৰ নোহোৱা ডায়েৰীখনো এই সম্বন্ধে "জনা-বুজা" কোনোবা ছদ্মনামা লোকে লিখে, লাগিলে তেওঁ নশ্বৰ মনিচেই হওক বা দেৱতাই হওক।

যোগাযোগ স্থাপনৰ বাবে, আগত নিজৰ ভাব প্ৰকাশৰ বাবে মানুহৰ প্ৰবৃত্তি যে কিমান প্ৰবল সেই সম্বন্ধে ভাবি চালেই বিচুৰ্তি খাব লাগে। এৰিষ্ট'টলৰ "ৰাজনৈতিক জীৱ"ৰপৰা কুৰি শতিকাত মানুহ "যোগাযোগ স্থাপনকাৰী" জীৱত পৰিণত হৈছে।

এই যোগাযোগ স্থাপনৰ তীব্ৰ ইচ্ছা অব্যাহতভাৱে চলি থাকিব নে নাথাকে সেইটোহে এটা আহুকলীয়া প্ৰশ্ন। সামাজিক পৰিৱৰ্তনৰ গতিৰ লগত নিঃসন্দেহে ইয়াৰ সম্পৰ্ক আছে। যি কোনো গাঁৱতো এই কথা লক্ষ্য কৰিব পৰা যায়, কিবা নতুন বা বেলেগ ধৰণৰ কথা হ'লেই আনকি তেনেই প্ৰাচীন পন্থী সমাজতো মানুহৰ মুখে মুখে তাকে লৈ কোৱা-মেলা চলিব। পৰিৱৰ্তনৰ ফলত উদ্বেগৰ সৃষ্টি হয় আৰু উদ্বেগ দেখা দিলেই তাক আনৰ আগত প্ৰকাশৰ ইচ্ছা হয়। কিন্তু অৰ্থনৈতিক আৰু কাৰিকৰী ক্ষেত্ৰত পৰিৱৰ্তনৰ একোটা সীমা আছে আৰু সোনকালেই হওক বা পলমকৈয়ে হওক মানৱ জাতিৰ মনত এই কথা উদয় হ'ব যে "বস্তুৰ যিমানেই পৰিৱৰ্তন হয়, সি তিমানেই একেদৰে থাকে," আৰু শেহান্তৰত ভাষ, প্ৰতীক আৰু কথাই অধিক মাত্ৰাত নিজৰ প্ৰভাৱ বিস্তাৰ কৰিব পাৰিব।

আধুনিক সমাজত বিশেষকৈ অপেক্ষাকৃত সমৃদ্ধিশালী দেশবোৰত প্ৰাচীন গ্ৰীচ আৰু ৰোম, নৱন্যাসৰ যুগ, সপ্তদশ আৰু অষ্টাদশ শতিকাৰ ৰাজ্যকেইখন, প্ৰাচীন ভাৰত, পাৰস্য চীন বা মুছলমান জগতৰ সমাজৰ তুলনাত কলাৰ প্ৰতি বিশেষ মনোযোগ দিয়া নহয়।

প্ৰাচীন সমাজৰ লোকে চালে-চকুৰোৱা আৰু স্মৃতিমূলক কলাসৃষ্টি ভাল পাইছিল, আৰু এইবোৰৰ বাবে থকা ইচ্ছা হয়তো এতিয়া ঢাক খাই পৰিছে, কিন্তু সম্পূৰ্ণভাৱে সি লোপ পাব নোৱাৰে।

এতিয়া সৃজনধৰ্মী কলাকাৰ আৰু তেওঁৰ প্ৰকৃত শ্ৰোতাসকলৰ মাজত ভালেমান যোগসূত্ৰৰ ব্যৱস্থা কৰা হৈছে; আমাৰ সমাজব্যৱস্থা জটিলহৈ পৰা হেতুকেই এই যোগসূত্ৰবোৰ সৰল কৰি লোৱাটো সম্ভৱপৰ হৈছে, বোধহয় যান্ত্ৰিক বস্তুৰ প্ৰতি আমাৰ আকৰ্ষণো ইয়াৰ কাৰণ। এনে ব্যৱস্থা মূলতেই ভ্ৰমাত্মক, কিয়নো সুদক্ষ যন্ত্ৰই উপকৰা ধৰণৰ কলাহে বিকীৰণ কৰে, তদুপৰি শেহত গৈ এনে ব্যৱস্থাৰ ফলত সৃজনধৰ্মী কামৰ পথ ৰুদ্ধ কৰা হয়। পাশ্চাত্য জগতৰ নিচিনা সমৃদ্ধিশালী সমাজবোৰে বৰ্তমানতকৈ অপেক্ষাকৃত অধিক ভাগ ধন কলাত্মক সৃষ্টিত নিয়োগ কৰিব পাৰে আৰু আটাইতকৈ কঠিন ধৰণৰ কলাসৃষ্টি সফল হ'লে তাক তুলনাত আৰু অধিক মৰ্যাদা দিব পাৰে : যি সমাজে জনসাধাৰণৰ সন্তুষ্টি বিধানৰ সহজ উপায়ত অধিক গুৰুত্ব দিয়ে তেনে সমাজে নিজৰ মান হ্ৰাস কৰে আৰু শেহত এনে সমাজ অধিক মাত্ৰাত সামঞ্জস্য ৰখা সমাজৰ তুলনাত কলাৰ ক্ষেত্ৰত পিছ পৰি থাকিব।

পলায়নবাদী বা পৰিপূৰক কলাই ব্যাপক ধৰণে ৰসামোদী সমাজ পাব নোৱাৰে, গতিকে তাৰ দ্বাৰা ইয়াৰ মূল্যাঙ্কন নহয়, সমতালৰ অভাৱেই ইয়াৰ অস্তিত্বৰ হেতু, সেই বুলি এনে কলাতো ৰস সৃষ্টি বা কলা-কৌশলৰ অভাৱ নহয়। ভাল কলাৰ প্ৰতি অধিক মাত্ৰাত ৰসামোদী আকৃষ্ট হ'ব পাৰে ; কিন্তু এই সম্পৰ্কৰ ওলট পালট কৰিবলৈ যোৱাটো তেনেই ভুল ধাৰণা।

সংস্কৃতি আৰু অৰ্থনীতিক যথাসম্ভৱ পৃথক কৰি ৰাখিব লাগে, কিয়নো উভয়ৰ মাজত অতিশয় ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰাটো কেতিয়াও সুখপ্ৰদ নহয় আৰু তাৰ দ্বাৰা কোনো পক্ষৰে লাভো নহয়। সৃজনধৰ্মী কলা অৰ্থনীতিৰ বিধানৰ দ্বাৰা পৰিচালিত নহয়, কলাৰ চৰম সাফল্যৰ মোল বুজিবলৈ বাইজে সুদীৰ্ঘ সময় লয় আৰু বাইজৰ অন্তৰত

কেতবোৰ গুণ থাকিলেহে সি সম্ভৱ হয়। কলা আৰু অৰ্থনীতিৰ মাজত সক্রিয় সম্পর্ক স্থাপন কৰাটো আৰু শেহত উভয়ৰ মাজত সমন্বয় সাধনৰ বাবে কিবা যাঁছু-মন্ত্ৰৰ উদ্ভাৱন কৰাটো সম্ভৱপৰ নহয়। অর্থ-নীতিয়ে নিজৰ উৎপাদনৰ এটা অংশ কলাক দিয়া উচিত আৰু কলাক নিজৰ পথেৰে স্বচ্ছন্দভাৱে যাবলৈ দিয়া উচিত; কলাৰ চৰম উৎকর্ষ সাধনৰ যুগবোৰত এই ব্যৱস্থাই চলি আহিছে।

বিজ্ঞানৰ পৰিস্থিতি সুকীয়া, কিয়নো বিজ্ঞানৰ মূল্য অনিচ্ছাকৃত-ভাৱে হ'লেও লাভাকাংক্ষীসকলে উপলব্ধি কৰে। কিন্তু সমাজত কলা আৰু দর্শনৰ মূল্য পৃথক হোৱা উচিত আৰু এনে ধৰণৰ সুকীয়া মূল্যবোধ থাকিলেহে কলাই বিকাশৰ বাবে অনুকূল ক্ষেত্ৰ লাভ কৰে।

গতিশীল সমাজে সৃষ্টি আৰু অভিনৱত্ব ভাল পায় সঁচা, কিন্তু শ্রম-বিভাজনৰ মাত্রা জটিলভাৱে বৃদ্ধি পাই গ'লে অপেক্ষাকৃত সুসং-হতভাৱে সংগঠিত নোহোৱা দলবোৰৰ কলাসৃষ্টিত অসুবিধা হয়। তদুপৰি নিখুঁতভাৱে অৰ্থনৈতিক বিকাশৰ ওপৰত অধিক গুৰুত্ব দিলে উচ্চ খাপৰ কলাসৃষ্টিৰ প্ৰতিভা ম্লান হয়, উচ্চ খাপৰ কলাসৃষ্টিৰ বাবে অৰ্থনৈতিক পৰিৱৰ্তনৰ গতি বৰ তীব্ৰ হোৱাটো উচিত নহয় যেন বোধ হয়। চোভিয়েট ইউনিয়নৰ সাম্প্ৰতিক পৰিস্থিতিৰপৰাই ইয়াৰ প্ৰমাণ পোৱা যায়, তাত বিপ্লৱৰ আগৰ সময়ছোৱাৰ তুলনাত সম্প্ৰতি ক'লাৰ বিকাশ সাধন হোৱা নাই।

বুদ্ধিগত আৰু কলাত্মক সৃষ্টিৰ সহায়ক পৰিবেশ জটিল ধৰণৰ: বোধহয় ইয়াৰ বাবে প্ৰয়োজন এটা হতাশাৰ ভাব, অধিক প্ৰত্যক্ষ কাম অৰ্থহীন বুলি এটা ধাৰণা, পাব নোৱাৰা বস্তুৰ বাবে এটা হেপাহ, প্ৰতিভা বিকাশৰ বাবে চলোৱা প্ৰয়াসৰ প্ৰতি সমাদৰ, আৰু এনে এটা জীৱনী শক্তি যি নিজৰ ইচ্ছা আৰু আকাংক্ষা পূৰণ হ'লেও নিঃশেষ হৈ যাব বুলি সাহ নকৰে। অথবা এনে এটা জীৱনী-শক্তি যি নানা প্ৰকাৰে সন্তুষ্টি লাভ কৰি পুনৰ নতুন ক্ষেত্ৰত সন্তুষ্টি বিচাৰে; আৰু এই ক্ষেত্ৰত দূৰৈৰপৰাই বাস্তৱ জগতৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰা হয়।

প্ৰত্যেক ব্যক্তিতে বাস্তৱৰ প্ৰতি থাউতি আৰু ইয়াৰপৰা আঁতৰি পলো-ৱাৰ মনোভাব সানমিহলি হৈ থাকে। আধুনিক সমাজত এইদৰে পলা-য়ন কৰাটো ক্ৰমে অধিক মাত্ৰাত কঠিন হৈ আহিছে ; ফলত আমাৰ অধিক ভাগে ছয়াময়াত উজুতিয়াই ফুৰোঁহক। মনস্তত্ত্বৰ ফালৰপৰা এই দুয়োটা ইচ্ছাই অতিশয় গুৰুত্বপূৰ্ণ বুলি ধাৰণা হয়, কিয়নো প্ৰকৃত কথা বিশ্লেষণ কৰিলে দেখা যাব যে মানুহে দুখন বিশ্বৰ মাজত ঘূৰি ফুৰে।

মানুহৰ মনৰ গঠন-বিন্যাসৰ লগত খাপ খোৱাকৈ বাস্তৱতাক ৰূপ দি ল'ব পাৰি বুলি আমি বৰ্তমানে যি বিশ্বাস কৰোঁহক সেইটো নিৰ্ভুল হয় নে নহয় সেই কথা ক'ব নোৱাৰি, কিন্তু আকৌ মানুহৰ মনৰ প্ৰয়োজনৰ ওপৰত যে অধিক গুৰুত্ব দিয়া হ'ব, সেই কথা নিঃসন্দেহে অনুমান কৰি লব পৰা যায়।

বৰ্তমান বিশ্বত সৃজনধৰ্মী লেখকৰ ভূমিকা অতিশয় অনিশ্চিত আৰু অস্পষ্ট হৈ পৰিছে। একমাত্ৰ সাহিত্যিক সম্প্ৰদায়ে ইয়াক নিৰ্ণয় নকৰে, ভালেমান প্ৰভাৱৰ ঘাত-প্ৰতিঘাতত ই নিৰ্ণীত হয় আৰু লেখকৰ নিজৰো সাধাৰণতে এই প্ৰভাৱবোৰৰ সম্বন্ধে সম্পূৰ্ণ জ্ঞান নাথাকে, তেওঁ মাথোন সেইবোৰৰ কিছুহে গম পায়। তেওঁ পাশা খেলৰ ঢালত চলাৰ নিচি-নাকৈ নিজৰ কাম কৰি যাবলগীয়া হয় আৰু প্ৰায়ে তেওঁ বিপৰ্যয়ৰ সম্মু-খীন হ'বলগীয়া হয়। এনে অনিশ্চিত অৱস্থাত বিশ্ববিদ্যালয় আৰু কলেজ বোৰতে ৰচনাই আশ্ৰয় বিচাৰিব লগীয়া হয়, কিয়নো স্বতন্ত্ৰভাৱে সাহিত্য ৰচনাৰ মৰ্যাদা ক্ৰমে হ্ৰাস পাই অহা যেন অনুমান হয়।

আধুনিক সমাজৰ সামাজিক গতি অধিক ক্ষিপ্ৰ হোৱাৰ লগত ইয়াৰ কিছু সম্পৰ্ক থাকিব পাৰে, কিয়নো সুপ্ৰতিষ্ঠিত অভিজাত তন্ত্ৰই প্ৰায়ে কলাৰ পৃষ্ঠপোষণ কৰে। এতিয়া প্ৰায় ভাগ সমাজতে এই শ্ৰেণী লোপ পাই আহিছে, তাৰ ঠাই অধিকাৰ কৰিছে এটা অস্পষ্ট ধৰণৰ কলামোদী দলে। কিন্তু এই দলৰ স্থায়িত্ব আৰু ধাৰাবাহিকতা নাই ; এই দলটো খাম-খেয়ালি ধৰণৰ আৰু ই লেখকক পুনৰ সঞ্জীৱিত কৰি তুলিব নোৱাৰে। কলামোদী দল আৰু সৃজনধৰ্মী ব্যক্তিৰ মাজত যোগসূত্ৰস্বৰূপ সমালোচকো সেই একেটা সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়, তেওঁ পাঠকৰ সাহিত্যিক বা সূক্ষ্ম

কলাৰ ৰসজ্ঞান আছে বুলি ধৰি ল'ব নোৱাৰে। তেওঁ প্ৰায়ে-সমনি-হোৱা এটা দলৰ বাবে লিখিব লগীয়া হয় আৰু এই দলৰ বিচাৰ ক্ষমতাও তেওঁ অনুমান কৰিব নোৱাৰে, অৱশ্যে কলামোদী দলৰ যি অংশ অৱশিষ্ট তেতিয়াও থাকে তেওঁলোকৰ বিচাৰ ক্ষমতাৰ কথা হ'লে তেওঁ গম পায়। কিন্তু আধুনিক সমাজত বৃত্তিধাৰী লোকৰ সংখ্যা বৃদ্ধি পালেও এই কলামোদী দলৰ বাবে নতুন অনুগামী লোকৰ সৃষ্টি নহয়; আধুনিক শিক্ষাই সংস্কৃতিবান ব্যক্তিত্বকৈ কাৰিকৰী লোকৰহে সৃষ্টি কৰে। আধুনিক সমাজত অধিক বয়স্ক লোকসকলকহে আৰ্থিক বিষয়ত স্বচ্ছল দেখা যায়, আনহাতে আকৌ তাৰে জীৱনটো ধৰি মানুহৰ মনত সাংস্কৃতিক ৰসবোধৰ বিকাশ সাধন হ'ব লাগে; জীৱনৰ শেহ ছোৱাত প্ৰায়ে এই ৰসবোধৰ বিকাশ সাধন নহয়।

আমাৰ সমাজ অধিক স্থায়ী ৰূপত গঢ়ি উঠিলে পৰিস্থিতিৰ পৰিৱৰ্তন হ'ব পাৰে বুলি আশা কৰিব পৰা যায়। অতিশয় গতিশীলতাই উদ্বেগৰ সৃষ্টি কৰে আৰু এই উদ্বেগৰ ফলত মানুহৰ মনত পৰিপূৰক আৰু পলায়নবাদী কলাৰ প্ৰতি আগ্ৰহ বাঢ়ে। এই ক্ৰিয়া গুৰুত্বপূৰ্ণ সঁচা, কিন্তু ইয়াৰ ফলত প্ৰকৃততে মহান কলাৰ সৃষ্টি হ'ব নোৱাৰে, কিয়নো এই অৱস্থাত পৰিপূৰ্ণ কলা চৈত্যনৰ বাবে প্ৰয়োজনীয় আন্তৰিক স্বাধীনতাৰ ভাব নাথাকে। কলাৰ বাধ্যতামূলক ৰূপ-প্ৰকাশ সামাজিক যন্ত্ৰৰ প্ৰয়োজনীয় অঙ্গ, কিন্তু এনে কলা প্ৰকাশৰ গতি বাধ্যতামূলক হোৱা হেতুকে তাত অপেক্ষাকৃত সমন্বয়মূলক কলাৰ প্ৰকাশৰ গুণবোৰ নাথাকে।

চলিত সাহিত্যিক পৰম্পৰাই প্ৰায়েই এই আৱশ্যকীয় দৃষ্টি-ভঙ্গী যোগায়; কিন্তু পৰম্পৰাবোৰৰ নিজৰে শক্তি আৰু কাৰ্যক্ষমতা লোপ হৈ আহিছে। কলা শৃঙ্খলাহীন হৈ পৰাৰ সম্ভাৱ্য বিপদৰপৰা মুক্ত কৰিবলৈ হ'লে ইয়াৰ অৰ্থনৈতিক স্থিতি সম্বন্ধে পুনৰ বিবেচনা কৰি চোৱাটো একান্ত প্ৰয়োজনীয়। ধৰ্ম্ম, কলা, বিজ্ঞান, অৰ্থনীতি আদি সামাজিক ক্ৰিয়াবোৰৰ নিজা নিজা গতি-বিন্যাস আৰু নিজৰ নিজৰ অন্তৰ্নিহিত গাঁথনিৰ বিধান আছে। যদিহে সমাজৰ এটা ক্ষেত্ৰই আন এটা ক্ষেত্ৰৰ ওপৰত নিজৰ গতি-বিন্যাস আৰু গাঁথনি বলেৰে জাপি দিবলৈ যায় তেন্তে অসাম্যৰ উদ্ভৱ হয়, তেহেলৈ তেনে প্ৰধান ক্ষেত্ৰ লাগিলে ধৰ্ম, ৰাজনীতি বা অৰ্থনীতিয়েই হওক।

যদিহে প্ৰত্যেক সামাজিক মুখ্য ক্ৰিয়াই নিজস্ব স্বকীয়া প্ৰাণ লাভ কৰিব পাৰে তেতিয়াহে সমন্বয়সম্পন্ন সমাজৰ উদ্ভৱ হব পাৰে। আনহাতে ধৰ্ম, কলা, সাহিত্য, বিজ্ঞান আৰু আনকি পাৰিবাৰিক ব্যৱস্থাতো কাৰিকৰী বিদ্যা আৰু অৰ্থনীতিৰ প্ৰভাৱ অতিশয় বাঢ়ি গৈছে। ফলত ভালেমান সামাজিক ক্ৰিয়াৰ অস্তিত্ব নাইকিয়া হৈ গৈছে: ধৰ্মই লৌকিক মুখ্য-স্বাচ্ছন্দ্যৰ লগত আপোচ কৰিছে; সমাজ সম্পৰ্কীয় চিন্তাধাৰাই নকল বিজ্ঞানৰ ঠাই লৈছে, আৰু এনে বিজ্ঞানে আকৌ সূক্ষ্ম বিজ্ঞানৰো অনু-কৰণ কৰে; প্ৰাকৃতিক বিধানৰ ভ্ৰমাত্মক ধাৰণাৰ আধাৰত উদ্ভৱ হোৱা যুক্তিবাদৰ আগত আইনক বলি দিয়া হৈছে, ইত্যাদি।

অৱশ্যে ক্ৰিয়াৰ লগত তাৰ প্ৰতিক্ৰিয়া থাকে, আৰু আমাৰ বৌদ্ধিক ব্যৱস্থা ইমান জটিল যে তাত এটা প্ৰৱণতাইহে আনবোৰৰ ওপৰত আধিপত্য বিস্তাৰ কৰিব পাৰে। কিন্তু ধৰ্ম, কলা, সাহিত্য আৰু কাব্যই অধিক দায়িত্ব পালন কৰা উচিত। সমাজৰ দাপোণ হোৱাটো ইয়াৰ এটা কাম হ'ব পাৰে, কিন্তু ইয়াৰ আন আন কামো আছে আৰু অৰ্থনীতি আৰু ৰাষ্ট্ৰৰ সংঘাতে আমাৰ আটাইবোৰ শক্তি আৰু সা-সম্বল ক্ষয় নকৰিলে অধিক স্বতন্ত্ৰ বাতাবৰণত গুৰুত্ব উপলব্ধি কৰিব পৰা যাব।

কোনো পক্ষই বুদ্ধিজীৱী বা কলাকাৰক স্বীকাৰ কৰি নলয়। তেওঁ এজন বাহিৰা লোক আৰু ৰাইজৰ অন্যতম নেতা হোৱাৰ সলনি তেওঁ ৰাইজৰ হতাশ ভাবৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি চলি থাকিব লাগে। দৰ্শন, সাহিত্য আৰু কবিতা পথ প্ৰদৰ্শনত সহায়ক হ'ব পাৰে, কিয়নো এইবোৰে আমাৰ কেতবোৰ অতিশয় মৌলিক ধৰণৰ মানসিক আৰু আধ্যাত্মিক প্ৰয়োজন পূৰণত সহায় কৰে। আনকি বৰ্তমান মুহূৰ্তত এইবোৰ ঢাক খাই থাকিলেও বিশেষ কথা নাই। কিন্তু প্ৰচাৰ পুস্তিকাৰ ৰচনা বা চৰকাৰৰ জনসম্পৰ্ক বিষয়ক পৰামৰ্শ দাতা হোৱাটো সৃজনধৰ্মী কলাকাৰৰ কাম নহয়।

নিঃসন্দেহে প্ৰকৃতিয়ে নিজেই ইয়াৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰিব, কিন্তু প্ৰকৃতিৰ ব্যৱস্থা প্ৰায়ে কঠোৰ আৰু নিষ্ঠুৰ হয়। মানুহে অকল ভাত মুঠিৰেই যে জীয়াই থাকিব নোৱাৰে সেই কথা উপলব্ধি কৰি আমাৰ

জীৱন সেই অনুৰূপে পৰিচালিত কৰাটো অধিক বিজ্ঞোচিত হ'ব। মানুহৰ যুক্তিবাদে অধিক প্ৰাধান্য লাভ কৰাত কলাৰ ওপৰত বিজ্ঞানৰ প্ৰভুত্ব প্ৰতিষ্ঠা হৈছে; কিন্তু কলাৰ তুলনাত বিজ্ঞান মানুহৰ বাবে অধিক গুৰুত্বপূৰ্ণ হয় নে নহয় সেই সম্বন্ধে সন্দেহ হয়। ইয়াৰ ফলত মানুহে নিজৰ অনুভূতি আৰু মতামত কেতবোৰ গতানুগতিক অবোধ্য ধ্বনিৰে ঢাকি ৰাখিব লগীয়া হৈছে কিয়নো, মানুহে মানৱীয় হোৱাতকৈ "যুক্তিবাদী" হোৱাটো অপৰিহাৰ্য বুলি অনুভৱ কৰিছে।

এইদৰে ভালেমান গ্ৰন্থৰ উৎপাদন কৰা হয়; দৃষ্টান্ত স্বৰূপে আন্তৰ্জাতিক বিষয় সম্বন্ধে ৰচিত গ্ৰন্থবোৰৰ বিষয়ে উল্লেখ কৰিব পৰা যায়। এইবোৰত মানুহৰ পৰ্যৱেক্ষণবোৰ যুক্তিসঙ্গত গাঁথনিৰ চানিবেৰৰ ভিতৰত অভিব্যক্ত কৰা হয় আৰু ইয়াত অৰ্থনীতি, ৰাজনীতি আৰু আন আন সংজ্ঞাবোৰৰ সংমিশ্ৰণ ঘটোৱা হয়। যি কোন উপায়ে প্ৰগতিৰ ব্যৱস্থা কৰিবই লাগিব, কিন্তু আজি প্ৰায় ২৪ শতিকাৰ আগতে চক্ৰেটিচে কৈ যোৱাৰ নিচিনাকৈ মানুহে কেৱল মানুহহে হব পাৰে।

কলাকাৰ অতিশয় জটিল অৰ্থনৈতিক যন্ত্ৰৰ হাতত নিঃসহায় হোৱাটোৱে নাইৰা চৰকাৰী আমোলাতান্ত্ৰিক যন্ত্ৰৰ লগত নিজকে খাপ খুৱাই লবলগীয়া হোৱাটোৱে তেওঁ আমাৰ সমাজ সংস্কাৰৰ বাবে প্ৰয়োজনীয় এটা গুৰুত্বপূৰ্ণ শক্তিত পৰিণত কৰিব পাৰে।

কিন্তু এই চিত্ৰৰ উজ্জ্বল ফালটো বৰ্ণনা কৰাৰো সময় উপস্থিত হৈছে। আধুনিক সমাজৰ অন্তৰ্গত দুটা মুখ্য দলৰ প্ৰতি গ্ৰন্থ ৰচনাৰ দায়িত্ব আৰু আছেঃ এফালে আমি দেখিবলৈ পাওঁ পুথিৰ বিস্তাৰ উৎপাদন আৰু আনফালে লক্ষ্য কৰোঁহঁক ব্যাপক আমোলাতন্ত্ৰ (mass bureaucracy)। এই দুটা দলৰ মাজত এক প্ৰকাৰৰ লাভজনক সমন্বয় সাধিত হয় আৰু ইয়াৰ ভেটি হ'ল এটা আপোচৰ মনোভাব।

সাধাৰণ ৰাইজৰ ক্ষেত্ৰত ৰাইজৰ অস্বস্তি, উদ্বেগ আৰু হতাশাৰ ভাৱ ফুটাই তোলাই হ'ল সৃজনধৰ্মী ৰচনাৰ গুৰুত্বপূৰ্ণ ভূমিকা। ব্যাপক আমোলাতন্ত্ৰৰ ক্ষেত্ৰত গ্ৰন্থ ৰচনাই প্ৰচাৰমূলক বা সমালোচনা-মূলক ভূমিকা গ্ৰহণ কৰিব পাৰে।

এনে এটা যুগত যেতিয়া ব্যাপক আমোলাতন্ত্ৰৰ শাসন যুক্তিবাদী দৃষ্টি-ভঙ্গীৰ আধাৰত পৰিচালিত হয়, তেতিয়া ভালেমান “বৈজ্ঞানিক” পুস্তক আধুনিকতম শাসন-ব্যৱস্থাৰ সপক্ষে ওকালতি কৰা পুস্তিকাত পৰিণত হৈ পৰে, কিন্তু প্ৰাচীন ঐতিহ্যসম্পন্ন দৰ্শন আদি চিন্তাধাৰাত অধিক সমালোচনাৰ দৃষ্টি-ভঙ্গী লক্ষ্য কৰা যায়।

এই ব্যাপক আমোলাতন্ত্ৰৰ প্ৰভাৱ সকলো ঠাইতে কম-বেছি পৰিমাণে জনসাধাৰণৰ ওপৰত বিস্তাৰ লাভ কৰিছে ; ইয়াৰ ফলত মানৱ জাতিৰ বাবে এটা ডাঙৰ বিপদ দেখা দিছে ; সেয়ে হ'ল স্বকীয়া বৈশিষ্ট্য আৰু ব্যক্তিত্বৰ লোপ সাধন আৰু এটা কৃত্ৰিম গতি-ছন্দৰ সৃষ্টি, যাক ব্যাপক উৎপাদনত প্ৰক্ৰিয়াৰ “সহজাত” গুণ বুলি সমৰ্থন কৰা হয় আৰু এই প্ৰক্ৰিয়াই মানৱতাৰ “কল্যাণ সাধন কৰা” বুলি ধৰি লোৱা হয়।

এই নিষ্প্ৰাণ আৰু গতানুগতিক সংস্কৃতিৰ উদ্ভৱ হ'বলৈ ধৰা হেতুকে বুদ্ধিজীৱী, সৃষ্টিধৰ্মী কলাকাৰ আৰু ধৰ্মীয় নেতাসকলৰ ওপৰত এটা ডাঙৰ দায়িত্ব আহি পৰিছে। ব্যাপক আমোলাতন্ত্ৰই আইন, বিধান, অনুশাসন, প্ৰতিবেদন, পৰিকল্পনা আদিৰ বন্যা প্ৰবাহত মানুহক বুৰাই দিয়াৰ উপক্ৰম কৰিছে আৰু এই প্ৰাণঘাতী পেষণৰ নিষ্ঠুৰ প্ৰভাৱৰপৰা উদ্ধাৰৰ বাবে আজি মানৱ জাতিয়ে তেওঁলোকৰ পিনে আকৌ আগ্ৰহেৰে চাই আছে।

এইদৰে বৰ্তমানে প্ৰতীক আৰু কলা সৃষ্টিৰ ক্ষেত্ৰত যথেষ্ট বিৰূপ প্ৰভাৱে দেখা দিলেও, তেনে সৃষ্টিয়েই অধিক সমন্বয়মূলক ভৱিষ্যত নিৰ্মাণৰ বাবে কাম কৰা বিকাশমুখী প্ৰভাৱ।

“জনবাদী হৈ নপৰা” লোকেহে এতিয়াও সমসাময়িক সমাজৰ সকলো কথা ফঁহিয়াই বিচাৰ কৰি চাব পাৰে আৰু প্ৰয়োজনীয় পৰিৱৰ্তনৰ ৰূপ সৃষ্টি কৰি দিব পাৰে। এই পৰিৱৰ্তন সংখ্যাবহুল আৰু সুদূৰ প্ৰসাৰী নহব পাৰে, কিন্তু এই পৰিৱৰ্তনবোৰে আমাৰ সমাজৰ বিভিন্ন কামৰ অধিক স্বাতন্ত্ৰ্য

আৰু অধিক বিকেন্দ্ৰীকৰণৰ পথৰ ইঙ্গিত দিয়া যেন দেখা যায়। আমি প্ৰয়োজনতকৈ অধিক সময় ধৰি কেন্দ্ৰীভূত হৈ ৰলোঁইক আৰু ইয়াৰ ফলত সাধাৰণ লোকৰ ওপৰত অসহনীয় আবেগিক বোজা জাপি দিয়া হৈছে।

বিকেন্দ্ৰীকৰণৰ ব্যৱস্থা কৰাৰ বাবে আমাৰ সমাজ যথেষ্ট সমৃদ্ধিশালী হৈছে; লগতে এই কথাও উপলব্ধি কৰা উচিত হ'ব যে অব্যাহতভাৱে আন্তৰ্জাতিক প্ৰতিদ্বন্দ্বীতা চলি থাকিলে তাৰ অৱশ্যম্ভাৱী পৰিণাম হ'ল সংঘৰ্ষ আৰু এনে সংঘৰ্ষ হ'লে সমগ্ৰ বিশ্বতে দৰিদ্ৰতা আৰু বুভুক্ষাৰ সৃষ্টি হব। সৃষ্টিধৰ্মী সাহিত্যিকে বিশ্ববাসীৰ আগত ইয়াৰ দাপোণ দাঙি ধৰাটো কৰ্তব্য আৰু সামাজিক প্ৰভাৱৰ অন্ধ সংঘাতৰ ওপৰতে এই দায়িত্ব পালনৰ ভাৰ নিদি, ইয়াৰ গুৰুত্ব উপলব্ধি কৰি সেই মতে কাম কৰা উচিত।

সৃজনধৰ্মী ৰচনাই ব্যক্তি, তেওঁৰ কাম আৰু তেওঁৰ বিচাৰ-বুদ্ধিৰ প্ৰতি মৰ্যাদা দিয়ে। এই গুণবোৰ যে আছে ব্যক্তিয়ে নিজে তাৰ প্ৰমাণ দিয়া উচিত, কিয়নো তেওঁৰ নিজৰ অস্তিত্বৰ বাবে এই গুণবোৰ থকাটো একান্ত প্ৰয়োজনীয়।

---

অষ্টম অধ্যায়

# পুথিভঁৰালৰ কাম

আগৰ অধ্যায় কেইটাত স্পষ্টভাৱে দেখা গৈছে যে কোনো সংশ্লিষ্ট কাম বা সংশ্লিষ্ট সংস্থাৰ কাৰ্যকলাপৰ ভূমিকা সহজ বুলি বিবেচনা কৰাটো সম্ভৱপৰ নহয়। সংশ্লিষ্ট সামাজিক দলৰ মূল্যবোধ ব্যৱস্থাৰ ওপৰতে এই ভূমিকা পৰ্যৱেক্ষণ কৰাটো নিৰ্ভৰ কৰে আৰু ইয়াক সাধাৰণ বিজ্ঞান বুলি ধৰি লল'লে নিৰপেক্ষ ধৰণৰ জোখ-মাখি প্ৰয়োগ কৰাটো অসম্ভৱ কথা। কিন্তু এনে বিজ্ঞান নাই আৰু এই ক্ষেত্ৰৰ প্ৰত্যেক সিদ্ধান্তৰ মাজত যথেষ্ট ব্যৱধান দেখা যায় আৰু সেই সিদ্ধান্ত ধৰ্মতত্ত্ব, নৈতিক দৰ্শন, প্ৰগতিৰ যুক্তিবাদী সংজ্ঞা, সমাজ-বিজ্ঞান, অৰ্থনীতি আদি কি দৃষ্টি-ভঙ্গীৰপৰা গ্ৰহণ কৰা হয় তাৰ ওপৰত তাৰ স্বৰূপ ভালেখিনি নিৰ্ভৰ কৰিব। সমসাময়িক সমাজ-বিজ্ঞান সম্বন্ধে অভিজ্ঞতাৰ প্ৰমাণ আটাইতকৈ উপযোগী বুলি ধৰি লল'লে এই ক্ষেত্ৰত সাধাৰণ জ্ঞানৰ অনুসৰণ কৰাটোৱেই আটাইতকৈ ভাল সমাধান হ'ব পাৰে। আনকি অভিজ্ঞতাৰ প্ৰমাণ লৈ সিদ্ধান্ত গ্ৰহণ কৰিলেও সৰ্ববাদী সিদ্ধান্তত উপনীত হ'ব পৰা নাযাব, কিয়নো প্ৰত্যেক সামাজিক দলৰ অভিজ্ঞতা বিভিন্ন ধৰণৰ হ'ব। ক নামৰ দেশত যিটো সঁচা হ'ব খ নামৰ দেশত সি ভুল হব আৰু এই ক্ষেত্ৰত তুলনাত অধিক বা কম উন্নত দেশৰ কথা কৈ সহজতে প্ৰকৃত সত্য ঢাকি ৰখাৰ উপায় অৱলম্বন কৰাটো সঙ্গত নহ'ব। এই দেশবোৰ অধিক উন্নত বা অনুন্নত হয় নে নহয় সেইটো কোনে নিৰ্ণয় কৰিব? কি কি ক্ষেত্ৰতেইবা এনে দেশ অধিক উন্নত বা অনুন্নত?

এইদৰে আমি আকৌ প্ৰগতি সম্বন্ধে ধৰ্মতাত্ত্বিক, নৈতিক, দাৰ্শনিক ভুদিজ্ঞানসম্পন্ন যুক্তিবাদী, সমাজতত্ত্বজ্ঞ, জীৱতাত্ত্বিক, সমাজ বিজ্ঞান বিশাৰদ আদিৰ মাজত থকা মতান্তৰবে সন্মুখীন হ'ব লাগিব।

এইবোৰ নানা কাৰণতে পুথিভঁৰালৰ কাম নিৰ্ণয় কৰোঁতে সাধাৰণ জ্ঞানৰ আশ্ৰয় লোৱাটো যুক্তিসঙ্গত হ'ব ; নহলে আন দৃষ্টি-ভঙ্গীৰপৰা এই কামৰ বিশ্লেষণ কৰি সন্তোষজনক সিদ্ধান্ত গ্ৰহণ কৰিবলৈ হ'লে তাৰ সংখ্যা ভালেমান হ'ব।

সাধাৰণ জ্ঞানৰ আশ্ৰয় লোৱাটো আনপক্ষেও সন্তোষজনক, কিয়নো ইয়াৰ ফলত আমি অস্পষ্ট সাধাৰণ সিদ্ধান্ত গ্ৰহণৰ হাত সাৰিব পাৰোঁ। জেনেৰেল জেকচনৰ উক্তিৰে অলপ সাল-সলনি কৰি ক'ব পাৰি যে, তেনেই কম সময়ৰ ভিতৰত আটাইতকৈ অধিক লোকক যি পুথিভঁৰালে আটাইতকৈ অধিক পুথি যোগায় সিয়ে আটাইতকৈ শ্ৰেষ্ঠ পুথিভঁৰাল। কেতবোৰ চৰ্ত সাপেক্ষে এইটোকে এই ক্ষেত্ৰত সাধাৰণ নীতি হিচাপে গ্ৰহণ কৰিব পৰা যায়, কিয়নো আমাৰ বাঞ্ছনীয় লক্ষ্য দাঙি ধৰাৰ বাবে এই নীতিৰ আধাৰত আমি পুথিভঁৰালে কি কৰে বা নকৰে সেই সম্বন্ধে পৰীক্ষা কৰি চাব পাৰোঁ।

অৱশ্যে বিশেষ পুথিভঁৰাল, ৰাষ্ট্ৰীয় পুথিভঁৰাল আৰু বিৰাট বিশ্ব-বিদ্যালয়ৰ পুথিভঁৰালৰ ক্ষেত্ৰত এই নীতিৰ যে কিছু তাৰতম্য ঘটিব সেইটো তেনেই ফটফটীয়া কথা। পিচৰ দুবিধ পুথিভঁৰালে "সমূহীয়া স্মৰণ"ৰ কাম কৰে, গতিকে এনে পুথিভঁৰালৰ ক্ষেত্ৰত 'এই সাধাৰণ নীতি সম্পূৰ্ণভাৱে প্ৰযোজ্য হ'ব নোৱাৰে ; কিয়নো সামাজিক দলৰ এক প্ৰকাৰে অৰ্দ্ধ-স্মৃতি বিলুপ্ত হোৱা বুলি ধৰি ল'ব লাগিব।

কিছুদিনৰ বাবে ঘৰলৈ আনি পুথি পঢ়িবলৈ দিয়া য'তে ত'তে থকা পুথিভঁৰালবোৰৰ ক্ষেত্ৰত এই নীতি বিশেষভাৱে প্ৰযোজ্য ; এইবোৰে স্থানীয় পঢ়ুৱৈ সমাজক দুঃসাহসিক কাহিনী, প্ৰেমৰ গল্প, ৰহস্য কাহিনী, আবেগমূলক ৰচনা আৰু কিছুদূৰ তথ্যজ্ঞানসম্পন্ন পুথি যোগায়। গ্ৰন্থপাঠ যে এটা সমষ্টিগত অভ্যাস আৰু মানুহে প্ৰায়ে ব্যক্তিগত বাছনিৰ প্ৰতি যে বিশেষ লক্ষ্য নকৰে, অথচ আমাৰ সামাজিক মাননিষ্ঠ নিৰাপক নীতিয়ে সেইটোকে সত্য বুলি কৰবলৈ বিচাৰে—এই কথা উপলব্ধি কৰি ললে পুথিভঁৰালৰ কাম উত্তম ৰূপে পৰিচালিত হ'ব পাৰে।

যদিহে এনে এখন কাৰ্ড দিয়া হয় য'ত তেওঁলোকক বহুবি এই শ্ৰেণীৰ ইমানখন পুথি পঢ়িবলৈ ইচ্ছা কৰে বুলি সূচনা দিবলৈ কোৱা হয় তেন্তে অধিকভাগেই পুথি নিৰ্বাচনৰ ভাৰ পুথিভঁৰালৰ পৰিচালক বা লাইব্ৰেৰীয়ানৰ ওপৰতে দিব, বিশেষকৈ যদিহে এনে পুথিভঁৰালৰ পঢ়ুৱৈক ঘৰত পুথি যোগোৱাৰ ব্যৱস্থা থাকে। ঘৰলৈ পুথি আনিবলৈ দিয়া পুথিভঁৰাললৈ এঘণ্টা খোজ কাঢ়ি গৈ প্ৰতিজনে এইমাৰ্ড বা ফেনিম'ৰ কুপাৰৰ ৰচনা আনিবলৈ ইচ্ছা নকৰে বা পাৰও নোৱাৰে।

অধিক ভাগ সামাজিক সংস্থাই মূলতে গ্ৰাহকক কেন্দ্ৰ কৰি পৰিচালিত হয়, কিয়নো শেহান্তৰত চাহিদাই উৎপাদন নিৰ্ণয় কৰে। গ্ৰাহকে কেতবোৰ শ্ৰেণীৰ সামগ্ৰী বাছি লয়ঃ যেনে খাদ্য, ঘৰ, বস্ত্ৰ ইত্যাদি; কিন্তু এনে শ্ৰেণীৰ সীমাৰ ভিতৰত নিৰ্বাচন কৰোতে তেওঁৰ দিহা পৰামৰ্শৰ প্ৰয়োজন হব পাৰে। মূল শ্ৰেণীৰ সীমা কোনো ৰকমে অচল ধৰণৰ নহয়, গতিকে গ্ৰাহকৰ ওপৰত কি ধৰণৰ প্ৰভাৱ পৰে তাৰ ওপৰত এই নিৰ্বাচন ভালেখিনি নিৰ্ভৰ কৰে। এতেকে সমাজৰ আন আন প্ৰতিষ্ঠান সক্ৰিয় হৈ থকা সত্ত্বেও পুথিভঁৰাল নিষ্ক্ৰিয় হৈ থাকিলে ইয়াৰ কাৰ্যকাৰিতা আনবোৰৰ তুলনাত কমি যাব পাৰে; অৱশ্যে কিছুমানৰ মতে আকৌ পুথিভঁৰালে পাঠকৰ গ্ৰন্থ নিৰ্বাচনত প্ৰভাৱ বিস্তাৰ নকৰিলেহে পাঠকৰ স্বতন্ত্ৰ ৰুচি গঢ়ি উঠাত সহায়ক হব।

সংশ্লিষ্ট সমাজৰ সাধাৰণ দৃষ্টি-ভঙ্গী আৰু মানসিক ভঙ্গীৰ ওপৰত পুথিভঁৰাল আৰু ইয়াৰ সম্ভাব্য পাঠকৰ সম্পৰ্ক ভালেখিনি নিৰ্ভৰ কৰে। সামাজিক ব্যৱস্থাৰ জটিলতা আৰু গ্ৰন্থপাঠৰ প্ৰয়োজনৰ মাজত পাৰস্পৰিক সম্পৰ্ক থাকিলেও আন আন কেতবোৰ কথাও আছে। পাঠক আৰু প্ৰকাশকৰ মাজত পুথিভঁৰালৰ মাধ্যমেৰে নগ'লেও সম্পৰ্ক গঢ়ি উঠিব পাৰে।

গ্ৰাফৰ সহায়েৰে এই পৰিস্থিতি তলত দিয়া ধৰণে দাঙি ধৰিব পাৰিঃ

স : সামাজিক দল　　ক : প্ৰকাশন বা গ্ৰন্থ
হ : পাঠক　　খ : পুথিভঁৰালত থকা গ্ৰন্থ

স-ক হ-তকৈ ডাঙৰ আৰু ক-ক খ-তকৈ ডাঙৰ বুলি কব পাৰি সঁচা, কিন্তু এই সম্পৰ্ক অধিক স্পষ্টভাৱে নিৰ্ণয় কৰাৰ উপায় আছেনে? গ্ৰন্থ প্ৰকাশন আৰু পুথিভঁৰালত কিমানখিনি ৰাষ্ট্ৰীয় আয় ব্যয় কৰা হয় আৰু ইয়াৰ মাত্ৰা কম-বেছি হয় বুলি অনুমান কৰাটো সঙ্গত হবনে আৰু যদিহে হয়, তেন্তে কি অৱস্থাত? যদিহে গ্ৰন্থপাঠ অব্যাহতভাৱে চলি থাকে আৰু পুথিভঁৰালত বা পুথিভঁৰালৰ যোগেদি গ্ৰন্থপাঠৰ মাত্ৰা বৃদ্ধি পায়, তেন্তে সামাজিক গাঁথনিৰ পৰিৱৰ্তন হয় আৰু এই পৰিৱৰ্তনৰ তাৎপৰ্য বিচাৰ কৰাৰ আগতে কি অৱস্থাত তেনে পৰিৱৰ্তন ঘটে সেই কথাৰ বিশ্লেষণ কৰিব লাগিব।

প্ৰথমতে আমি মুঠ লোক সংখ্যা আৰু পাঠকৰ সংখ্যাৰ মাজত থকা সম্পৰ্ক সম্বন্ধে বিবেচনা কৰি চাম। এই সংখ্যা যে প্ৰায় শতকৰা শূন্যৰপৰা শতকৰা ৯০ ভাগ সেইটো স্পষ্টভাৱে জনা যায় কিন্তু একমাত্ৰ নিৰক্ষৰ সমাজতে মুঠ লোকসংখ্যাৰ ভিতৰত পাঠকৰ সংখ্যা শতকৰা শূন্য বুলি ধৰি লোৱাটো সত্য হব। আন আটাইবোৰ সমাজত পাঠকৰ সংখ্যা মুঠ লোকসংখ্যাৰ শতকৰা শূন্যৰপৰা শতকৰা ৯০ ভাগৰ ভিতৰত বুলি ধৰি লোৱা উচিত হব আৰু মুখ্যতঃ শিক্ষা ব্যৱস্থাৰ ওপৰতে যে পাঠকৰ সংখ্যা নিৰ্ভৰ কৰে সেইটোও স্পষ্ট কথা। অপেক্ষাকৃত জটিল সভ্যতা সম্পন্ন সমাজৰ একমাত্ৰ গাঁও অঞ্চলৰ শিক্ষা ব্যৱস্থাৰহে গ্ৰন্থপাঠৰ শিক্ষা দান কৰা নহয়। ফলত গ্ৰন্থপাঠৰ তুলনাত শিক্ষা লাভ অধিক সাৰ্বজনীন হয়। কিন্তু সামাজিক ব্যৱস্থাই অপেক্ষাকৃত জটিল ৰূপ গ্ৰহণ কৰাৰ লগে লগে লিখা-পঢ়া আৰম্ভ হয়, অন্ততঃ এনে সভ্যতাৰ উচ্চ স্তৰৰ লোকসকলৰ মাজত। আদিম সভ্য সমাজবোৰত মানুহে লিখা-পঢ়া কৰিছিল বুলি যদি স্বীকাৰ কৰি লোৱা হয় তেন্তে কব লাগিব যে তেতিয়া তাৰ আগৰ নিৰক্ষৰ সভ্যতাসম্পন্ন সমাজৰ তুলনাত তেনে সমাজত লোকসংখ্যা আৰু সামাজিক ঘনত্বৰ মাত্ৰা অধিক আছিল। সামাজিক ঘনত্ব বৃদ্ধি পালেহে যোগা-

যোগৰ বা ভাব প্ৰকাশৰ প্ৰয়োজন বৃদ্ধি পায়। প্ৰাচীন নগৰবোৰত ইতিপূৰ্বেৰেপৰা যথেষ্ট সংখ্যক লোক বাস কৰিছিল আৰু এই কথাই উল্লিখিত সিদ্ধান্তৰ সত্যতা প্ৰমাণ কৰে। আন কথাত কবলৈ গ'লে সামাজিক ঘনত্বই কায়িক ঘনত্বৰ লগত পাৰস্পৰিক সম্পৰ্ক ৰক্ষা কৰি চলে। এঠাইত মানুহৰ বসতি ঘন হলে তাৰ ফলত য়োগাযোগৰ প্ৰয়োজন হ্ৰাস নাপায়, বৰং বৃদ্ধিহে পায়, কিয়নো অধিক সামাজিক জটিলতাৰ ফলত এই প্ৰয়োজনৰ উদ্ভৱ হয়।

গ্ৰন্থপাঠৰ বাবে মানুহ থূপ খোৱাটো প্ৰয়োজনীয়। এইদৰে একোখন সমাজ যিমানেই নগৰমুখী হয় তিমানেই তাত মুঠ জনসংখ্যাৰ ভিতৰত পাঠকৰ শতকৰা সংখ্যা বৃদ্ধি পায়। সামাজিক শ্ৰমৰ অধিক বিভাজনৰ ফলত অৰ্থাৎ বৃত্তি আদিৰ বিকেন্দ্ৰীকৰণৰ ফলত পুথিভঁৰালৰ বৃদ্ধিৰ লক্ষণ দেখা যায়, কিয়নো গাইগুটীয়া সংগ্ৰহৰ তুলনাত বিশেষ বিশেষ বিষয়ৰ অধ্যয়নৰ বাবে পুথিভঁৰাল অধিক উপযোগী। আনকথাত, আগেয়ে কৈ অহাৰ নিচিনাকৈ সংশ্লিষ্ট সমাজত সংঘাটৰ মাত্ৰায়ো গ্ৰন্থপাঠৰ অভ্যাসৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে।

গ্ৰন্থপাঠ এটা সমষ্টিগত অভ্যাস; এই কথাৰ দ্বাৰায়ো সামাজিক শ্ৰম বিভাজনৰ জটিলতাৰ লগত গ্ৰন্থপাঠৰ ওতঃপ্ৰোত সম্পৰ্ক থকাটো ভাল-দৰে প্ৰমাণিত হয়। সামাজিক প্ৰতিষ্ঠাৰ বাবে গ্ৰন্থপাঠৰ প্ৰয়োজন হয় যেতিয়া সেই সুনিৰ্দিষ্ট অভ্যাসৰ মাধ্যমেৰে আবেগিক মুক্তি আৰু আধ্যাত্মিক অভাৱ পূৰণ কৰিবলৈ বিচৰা হ'ব। যদিহে এজন লোকৰ কৰ্মব্যৱস্থাৰ লগত গ্ৰন্থপাঠৰ একো সম্পৰ্ক নাথাকে তেন্তে অকল ক্ষতিপূৰণ বা অৱসৰ বিনোদৰ বাবে তেওঁ গ্ৰন্থপাঠৰ অভ্যাস কৰিব বুলি ধৰি লোৱাটো বাস্তৱ-সম্মত নহব। সামাজিক বিকাশৰ মাত্ৰাই মানুহৰ সকলো কাৰ্যৰ ওপৰতে প্ৰভাৱ বিস্তাৰ কৰে, অৱশ্যে এনে প্ৰভাৱৰ মাত্ৰা কম-বেছি হব পাৰে।

আধুনিক সমাজত ক্ৰমে শ্ৰম বিভাজনৰ জটিলতা বৃদ্ধি পাই গৈছে, গতিকে গ্ৰন্থপাঠৰ প্ৰয়োজনো বৃদ্ধি পাই যাব বুলি ধৰি লব পাৰি; অৱশ্যে ইয়াৰ বিপৰীতে কাম কৰা প্ৰভাৱো তেনেই নোহোৱা নহয়। এনে এটা প্ৰভাৱ হ'ল—আধুনিক সমাজত সাধাৰণ লোকৰ মাজত

ব্যাপক প্ৰচাৰৰ ভাৱেমান ব্যৱস্থাৰ উদ্ভাৱন কৰা হৈছে আৰু গ্ৰন্থপাঠৰ ওপৰতো অনুৰূপ প্ৰভাৱ পৰিছে।

এইদৰে দুটা পৰস্পৰ বিৰোধী প্ৰভাৱ কাৰ্যতৎপৰ হৈ উঠিছে: বিশেষ বিশেষ বিষয়ৰ অনুশীলনৰ প্ৰয়োজন হোৱাত চিন্তাগধুৰ পাঠ্য সামগ্ৰীৰ চাহিদা দেখা দিছে, আনহাতে সাধাৰণ লোকৰো গ্ৰন্থপাঠৰ অভ্যাস হোৱাৰ ফলত কম আয়াসতে পাব পৰা ক্ষতিপূৰণ আৰু অৱসৰ বিনোদনৰ বাবে উপযোগী ৰচনাৰ চাহিদা বৃদ্ধি পাইছে।

ইয়াৰ ফলত পুথিভঁৰালৰ ভূমিকা দ্বৈতৰূপীয়া হৈ পৰিছে: এতিয়া পুথিভঁৰালে দুয়োটা প্ৰয়োজনকে পূৰণ কৰা উচিত নে? নে ই এটাৰ ওপৰত গুৰুত্ব দি আনটোক উপেক্ষা কৰাই উচিত হব?

দেখা-দেখি কথা যে কেৱল প্ৰয়োজনৰ বাবেই দুয়োটা চাহিদাই পুথিভঁৰালৰ বিকাশত ভূমিকা গ্ৰহণ কৰি আহিছে, অৱশ্যে বিভিন্ন সময়ত এটাৰ প্ৰভাৱ আনটোতকৈ কম-বেছি হৈ আহিছে। মধ্যযুগত গ্ৰন্থপাঠক আনন্দৰ কাম বুলি গণ্য কৰা নহৈছিল, ইয়াক ভক্তিমূলক কাম বুলিহে ভবা হৈছিল। মধ্যযুগৰ পিচৰ কালছোৱাত সাধুকথা, ট্ৰ'বাদৰ বা চাৰণসকলৰ গাঁথা আদি সাহিত্যৰ সৃষ্টিৰ ফলত এই ভাৱৰ পৰিৱৰ্তন হৈছিল। নৱ-যুগত গ্ৰন্থপাঠক এটা কৰ্তব্য বুলি গণ্য কৰা হৈছিল, আৰু ভাবগধুৰ বিষয়ৰ প্ৰতি মনোনিবেশ কৰি পুথিভঁৰালবোৰক নাগৰিক সুলভ গুণ আৰু জ্ঞান বিকশাই তোলাৰ বাবে চেষ্টা কৰিবলৈ প্ৰায়ে উপদেশ দিয়া হৈছিল।

মুখ্যতঃ সাহিত্য দ্ব্যৰ্থবোধক হোৱা হেতুকেই পুথিভঁৰালবোৰত এনে ৰচনাবোৰেও ঠাই পাবলৈ ললে যাক "ভাবগধুৰ" দুবুলি ক্ষতিপূৰক আৰু অৱসৰ বিনোদনমূলক বুলি অভিহিত কৰিব পৰা যায়। সাহিত্যৰ কলাত্মক প্ৰভাৱ নিঃসন্দেহে উপেক্ষণীয় নহয়, এই প্ৰভাৱ অতিশয় গুৰুত্বপূৰ্ণ; কিন্তু ক'ত সাহিত্যৰ কাম ওৰ পৰে আৰু অৱসৰ বিনোদনৰ কাম আৰম্ভ হয় তাৰ নিৰ্দিষ্ট সীমা বান্ধি দিয়াটো সম্ভৱপৰ নহয়। এই বিষয়ত সদায় তীব্ৰ মত-ভেদ দেখা যাব। এখন বাস্তৱধৰ্মী উপন্যাস ৰসজ্ঞৰ বাবে "কলা" হব পাৰে আৰু সমাজ সংস্কাৰকে তাকেই হুতাশমনৰ খোৰাক হিচাপে প্ৰয়োগ

কৰি নিজৰ লক্ষ্য সাধনৰ চেষ্টা কৰিব পাৰে। গতিকে পুথিভঁৰালৰ পৰিচালকৰ পক্ষে কলা আৰু অৰসৰ বিনোদৰ শ্ৰেণীত পৰা ৰচনাৰ শ্ৰেণীভেদ সুনিৰ্দিষ্ট কৰি লোৱাটো সম্ভৱপৰ নহয়। কেতবোৰ চোৰাংচোৱা কাহিনীক "সাহিত্য" বুলি স্বীকাৰ কৰা হয়, কেতবোৰক আকৌ কৰা নহয়; কিন্তু এই ক্ষেত্ৰত লাহে-ধীৰেহে মানুহৰ মতামত সুনিৰ্দিষ্ট হৈ উঠে। সমসাময়িক গ্ৰন্থৰ ক্ষেত্ৰত এনে মতামত তেনেই সাধাৰণভাৱেহে গ্ৰহণ কৰিব পৰা যায় আৰু পুথিভঁৰালবোৰে সমালোচনা আৰু সাহিত্যিক সংস্থাবোৰৰ প্ৰতিবেদনৰ আধাৰতহে এই বিষয়ত নিজৰ মতামত স্থিৰ কৰি লব পাৰে আৰু এনে ধৰণৰ সমালোচনা আৰু সময়ত নিৰ্ভৰযোগ্য নোহোৱাৰ প্ৰমাণ পোৱা যায়। গতিকে এই বিষয়ত সীমা বান্ধি লোৱাতকৈ যথাসম্ভৱ সীমা বহলাই লোৱাটোহে অধিক নিৰাপদজনক কথা।

বৰ্তমান শতিকাত ৰাজহুৱা পুথিভঁৰাল, বিশেষ পুথিভঁৰাল আৰু বিশ্ববিদ্যালয়ৰ পুথিভঁৰালৰ সংখ্যাই অধিক বৃদ্ধি পাইছে। তলত দিয়া পৰিসংখ্যাৰপৰা এইবোৰৰ পাৰস্পৰিক সম্পৰ্কৰ এটা আভাস পোৱা যাব:

| দেশ | বছৰ ১৯ | পুথিভঁৰালৰ শ্ৰেণী | মুঠ সংখ্যা | পুথিভঁৰালৰ গ্ৰন্থ সংখ্যা (হাজাৰৰ হিচাবত) | বছৰি পঢ়িবলৈ নিয়া পুথিৰ সংখ্যা (হাজাৰৰ হিচাবত) | পাঠকৰ সংখ্যা (হাজাৰৰ হিচাবত) |
|---|---|---|---|---|---|---|
| **আফ্ৰিকা** | | | | | | |
| এঙ্গোলা | ৫৭ | চৰকাৰী বিভাগ | ৫ | ৮ | — | — |
| (পৰ্টুগীজ) | ৫২ | সংগ্ৰহালয় | ১ | ৪ | — | — |
| | ৫২ | ৰাজহুৱা | ২ | ২০ | — | — |
| | ৫২ | স্কুল | ৩ | ৯ | — | — |
| মিছৰ | ৪৯ | ৰাষ্ট্ৰীয় | ১ | ৪২৮ | ১৮৫ | ১০১ |
| | ৪৯ | বিশ্ববিদ্যালয় আৰু আন আন উচ্চশিক্ষা-সংস্থা | ২৬ | ৬০১ | ২৪৫ | ১৭৪ |

| দেশ | বছৰ ১৯ | পুথিভঁৰালৰ শ্ৰেণী | মুঠ সংখ্যা | পুথিভঁৰালৰ গ্ৰন্থ সংখ্যা (হাজাৰ নিৰিখত) | বাহিৰে পঢ়িবলৈ নিয়া পুথিৰ সংখ্যা (হাজাৰৰ নিৰিখত) | পাঠকৰ সংখ্যা (হাজাৰৰ নিৰিখত) |
|---|---|---|---|---|---|---|
| | ৪৯ | বিশেষ | ২ | ৪৪ | ১ | ৮ |
| | ৪০ | পৌৰসভা | ৮ | ১৬৩ | ১৩৬ | ১১৪ |
| স্বৰ্ণোপকূল | ৫২ | বিশ্ববিদ্যালয় | ১ | ৪৭ | — | — |
| (এতিয়াৰ ঘানা) | ৫২ | উচ্চ শিক্ষাৰ অন্যান্য সংস্থা | ২ | ৬ | — | — |
| | ৫২ | চৰকাৰী বিভাগ | ২ | ৩ | | |
| | ৫২ | আন আন বিশেষ | ২ | ১ | — | — |
| | ৫২ | ৰাজহুৱা | ১ | ৬৫ | — | — |
| **দক্ষিণ আফ্ৰিকা** | | | | | | |
| ইউনিয়ন | ৫১ | ৰাষ্ট্ৰীয় | ১ | ১২০ | ২৩৪ | ৪ |
| | ৫১ | বিশ্ববিদ্যালয় | ১৭ | ৮৭৫ | ৩৭৫ | ১৮ |
| | ৫১ | উচ্চশিক্ষাৰ আন আন সংস্থা | ৭ | ১০০ | ৩৫ | ৪ |
| | ৫১ | বিশেষ | ৩৪ | ৯৫৭ | — | — |
| | ৫১ | ৰাজহুৱা | ২৪২ | ৩৬১৬ | ৯৯৪৭ | ৩২৪ |
| **উত্তৰ আমেৰিকা** | | | | | | |
| কানাডা | ৪৭ | বিশ্ববিদ্যালয় আৰু কলেজ | ১৬৯ | ৫৮০৩ | ২৫৫৬ | — |
| | ৪৭ | বিশেষ | ১৭৩ | ৩৫৪৪ | ৮৬১ | — |
| | ৪৭ | ৰাজহুৱা | ১১৪৪ | ৬৪৩১ | ১৯৭২১ | — |
| মেক্সিকো | ৫০ | ৰাষ্ট্ৰীয় | ১ | ৩০০ | ১৫৯ | — |
| | ৪৬ | বিশেষ | ৯ | ৩৭৮ | — | — |
| | ৪২ | ৰাজহুৱা | ২১৩ | ২৩৬১ | ২৭০৭ | ৩৪৩৬ |
| যুক্তৰাষ্ট্ৰ | ৫০ | কংগ্ৰেছৰ পুথিভঁৰাল | ১ | ৯০০০ | ২৩২৪ | ১৭৪০ |

| দেশ | বছৰ ১৯ | পুথিভঁৰালৰ শ্ৰেণী | মুঠ সংখ্যা | পুথিভঁৰালৰ মুঠ সংখ্যা (হাজাৰৰ হিচাবত) | বছৰি পঢ়িবলৈ নিয়া পুথিৰ সংখ্যা (হেজাৰৰ হিচাবত) | পাঠকৰ সংখ্যা (হেজাৰৰ হিচাবত) |
|---|---|---|---|---|---|---|
| | ৫০ | বিশ্ববিদ্যালয় | ১৩১ | ৬৬৪৭২ | — | ১২৫৩ |
| | ৫০ | উচ্চ শিক্ষ্যৰ অন্যান্য সংস্থা | ১৩৬২ | ৪৪৩১৪ | — | ১২৯২ |
| | ৫০ | বিশেষ | ১৬৩ | ১১৮৬৪ | — | — |
| | ৫০ | ৰাজহুৱা | ৬১০০ | ১৩৬২৩০ | ৩৪৮৮৪৫ | ২৫৫০৪ |
| | ৫০ | স্কুল | ৯৮৮০০ | ১০০০০০ | — | — |
| **দক্ষিণ আমেৰিকা** | | | | | | |
| আৰ্জেন্টিনা | ৪৮ | ৰাষ্ট্ৰীয় | ১ | ৫৩২ | — | ১২৮ |
| | ৪৮ | ৰাজহুৱা | ১৫৩২ | ৫৫৫৯ | — | — |
| | ৪৮ | স্কুলবোৰ্ড | ৬৪৪৩ | ৫৫৭ | — | ৫৬৯ |
| | ৪৮ | ছাত্ৰ | ৪ | — | ৪৯ | ৬৬ |
| | ৪৮ | প্ৰাথমিক স্কুল | ৫৭১১ | ১০৩৬ | — | ১০১১ |
| | ৪৮ | শিক্ষক | ৯ | — | ১২৯ | ৮৬ |
| | ৪৮ | চাবালক স্কুল | ১৬৩ | ৮০ | — | ৭৪ |
| ব্ৰাজিল | ৫১ | ৰাষ্ট্ৰীয় | ১ | — | ১৬১ | ৭৩ |
| | ৪৯ | ৰাজহুৱা আৰু অৰ্ধৰাজহুৱা | ৩৩৭৫ | ১১৫৬৮ | ৮৯০৫ | — |
| চিলি | ৫০ | ৰাজহুৱা | ১ | ২০ | ১২৭ | — |
| | ৫০ | ৰাষ্ট্ৰীয় | ১ | ২০০০ | — | ৭৫০ |
| | ৫০ | বিশ্ববিদ্যালয় | ১ | ৪১ | — | ৪৪ |
| | ৫০ | অন্যান্য শ্ৰেণীৰ ৰাজহুৱা | ৪৯ | ৬১৫ | — | ৬৩১ |
| | ৫০ | পৌৰসভা | ৩২ | ১১৭ | — | ১৯৪ |
| | ৫৯ | অৰ্ধ ৰাজহুৱা | ৪ | ২৪ | — | ৭, |
| | ৫০ | বিশেষ | ১৭ | ২৪২ | — | — |
| | ৫০ | স্কুল | ৯ | ৯ | ৫৩ | ১৮৫ |

| দেশ | বছৰ ১৯ | পুথিভঁৰালৰ শ্ৰেণী | মুঠ সংখ্যা | পুথিভঁৰালৰ গ্ৰন্থ সংখ্যা (হাজাৰৰ হিচাপত) | বছৰি পঢ়িবলৈ দিয়া পুথিৰ সংখ্যা (হেজাৰৰ হিচাপত) | পাঠকৰ সংখ্যা (হেজাৰৰ হিচাপত) |
|---|---|---|---|---|---|---|
| ইকুৱেডৰ | ৪২ | ৰাষ্ট্ৰীয় | ১ | ১৫০ | — | ১০৪ |
| | ৪২ | বিশেষ | ১৭ | ২১ | — | ২ |
| | ৪২ | মাধ্যমিক স্কুল | ২০ | ৫৯ | — | ১৫০ |
| | ৪২ | অন্যান্য ৰাজহুৱা | ৩২ | — | — | ১৮২ |
| এচিয়া | | | | | | |
| ভাৰত | ৫১ | ৰাষ্ট্ৰীয় | ১ | ৫৪১ | — | ৭ |
| | ৫১ | কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালয় | ৭২ | ১০৩৭ | — | — |
| | ৫১ | ৰাজ্য চৰকাৰৰ কাৰ্যালয় | ৩৩ | ৫০৬ | — | — |
| | ৫১ | সংগ্ৰহালয় | ৭ | ৯ | — | — |
| | ৫১ | বিশ্ববিদ্যালয় আৰু কলেজ | ৬১৫ | ৬৮১৩ | — | — |
| | ৫১ | উচ্চ শিক্ষাৰ অন্যান্য সংস্থা | ৫২ | ৬৫৮ | — | — |
| | ৫১ | ৰাজহুৱা | ১৯৮ | ২৭৭৬ | — | — |
| | ৫১ | পাব্লিক স্কুল | ১২ | ৬৯ | ৪৫ | ৩ |
| ইন্দোনেচিয়া | ৫০ | ৰাষ্ট্ৰীয় আৰু বিদ্যালয় | ১ | ৪০০ | — | — |
| | ৫০ | কেন্দ্ৰীয় | ১ | ৫০০ | — | — |
| | ৫০ | অন্যান্য বিশ্ববিদ্যালয় | ৮ | ৯৯ | — | — |

| দেশ | বছৰ ১৯ | পুথিভঁৰালৰ শ্ৰেণী | প্ৰান্ত সংখ্যা | পুথিভঁৰালৰ গ্ৰন্থ সংখ্যা (হাজাৰৰ নিৰিখত) | বছৰি পঢ়িবলৈ নিয়া পুথিৰ সংখ্যা (হাজাৰৰ নিৰিখত) | পাঠকৰ সংখ্যা (হেজাৰৰ নিৰিখত) |
|---|---|---|---|---|---|---|
| | ৫০ | প্ৰশাসনীয় | ৬ | ২৯৭ | — | — |
| | ৫০ | গৱেষণা | ৯ | ৪৪৯ | — | — |
| | ৫০ | সাধাৰণ | ৪ | ৬৬ | — | — |
| ইৰাণ | ৪৯ | ৰাষ্ট্ৰীয় | ২ | ৮২ | — | — |
| | ৪৯ | বিশ্ববিদ্যালয় | ৯ | ৭১ | — | — |
| | ৪৯ | বিশেষ | ১২ | ৪০ | — | — |
| | ৪৯ | ৰাজহুৱা | ১ | ১৪ | — | — |
| জাপান | ৫০ | বিশ্ববিদ্যালয় | ৩৩৪ | ১৭৮৪৫ | ৭২৩৭ | ৪৪৯৮ |
| | ৫০ | জুনিয়ৰ কলেজ | ৭৯ | ৬৫৭ | — | — |
| | ৫০ | ৰাজহুৱা | ৯৭২ | ৯০৯৩ | ১৬৩৯৫ | ১১৪৩৮ |
| তুৰস্ক | ৫০ | ৰাষ্ট্ৰীয় | ১ | ১৭৫ | — | ১৫ |
| | ৫০ | উচ্চশিক্ষাৰ সংস্থা | — | ৩৬৩ | — | — |
| | ৫০ | স্কুল | — | ১৩৮০ | — | — |
| | ৫০ | ৰাজহুৱা | ৮৬ | ৮৪৮ | — | ৮৩০ |
| | ৫০ | জনপ্ৰিয় | ৫০ | ৫ | — | ৬ |
| **ইউৰোপ** | | | | | | |
| অষ্ট্ৰিয়া | ৫১ | ৰাষ্ট্ৰীয় | ১ | ১৪০৯ | ২৪৪ | ৭৬ |
| | ৫১ | বিশ্ববিদ্যালয় | ৩ | ২১৫৭ | ২৬০ | ১১৪ |
| | ৫১ | অন্যান্য উচ্চশিক্ষা সংস্থা | ৯ | ১০২১ | ২৮৪ | ১৯৬ |
| | ৫১ | বিশেষ | ৭৮০ | ৮০০০ | — | — |
| | ৫১ | ৰাজহুৱা | ১৬০০ | ১২০০ | — | — |
| বেলজিয়াম | ৫০ | ৰাষ্ট্ৰীয় | ১ | ১২৪৩ | ১৪৬ | ১০৬ |
| | ৪৮ | ৰাজহুৱা | ২০৯২ | ৭৭০৩ | ১২১১৬ | ৬৭৬ |
| চেকোস্লোভিয়া | ৫০ | ৰাষ্ট্ৰীয় | ১ | ১৪৯৩ | ১৫৫ | — |
| | ৫০ | ,,(স্লোভিয়া) | ১ | ৬৪ | — | — |

| দেশ | বছৰ ১৯ | পুথিভঁৰালৰ শ্ৰেণী | মুঠ সংখ্যা | পুথিভঁৰালৰ গ্ৰন্থ সংখ্যা (হাজাৰৰ নিৰিখত) | বছৰি পঢ়িবলৈ দিয়া পুথিৰ সংখ্যা (হাজাৰৰ নিৰিখত) | পাঠকৰ সংখ্যা (হেজাৰৰ নিৰিখত) |
|---|---|---|---|---|---|---|
| | ৫০ | বিশ্ববিদ্যালয় | ৩ | ২১২৬ | ৩০৭ | — |
| | ৫০ | উচ্চ শিক্ষাৰ অন্যান্য সংস্থা | ৯ | ৫৮৫ | ২৩৫ | — |
| | ৫০ | সংগ্ৰহালয় | ৩ | ১৪৭৮ | ১৪৮ | — |
| | ৫০ | অন্যান্য বৈজ্ঞানিক | ৪ | ১৫১৫ | ৮১ | — |
| | ৫০ | জনপ্ৰিয় | ১৪৬৫০ | ১০৭৫০ | ২০৮৫৩ | ১১৪৮ |
| ডেনমাৰ্ক | ৫১ | ৰাষ্ট্ৰীয় | ১ | ১৬৪০ | ৬৭৬ | — |
| | ৫১ | বিশ্ববিদ্যালয় | ১ | ৫৮৩ | ১৬৬ | — |
| | ৫১ | অন্যান্য কাৰিকৰী আৰু বৈজ্ঞানিক | ১২ | ৭০৬ | ১৭৩ | — |
| | ৫১ | ৰাজহুৱা | ৮৩১১ | ৫০৬৭ | ১৪৯৪৬ | — |
| | ৫১ | শিশু | ২২৮ | ১১৫৫ | ৩২৭৫ | ৪৫৩ |
| ফ্ৰান্স | ৫১ | ৰাষ্ট্ৰীয় (পেৰিচ) | ৪ | ১০৬৪৫ | ৯৮৩ | ২৯২ |
| | ৫১ | ৰাষ্ট্ৰীয় আৰু বিশ্ববিদ্যালয় (ষ্ট্ৰেচ্‌বুৰ্গ) | ১ | ১৩৭৫ | ৫৬ | ২৩ |
| | ৫১ | বিশ্ববিদ্যালয় | ১৬ | ১১৮১৬ | ২৩০০ | ২৯৪৫ |
| | ৫১ | উচ্চ শিক্ষাৰ অন্যান্য সংস্থা | ৩ | ১০৬০ | ৬১ | ৫৩ |
| | ৫১ | বিশেষ | ২ | ১৮৮৫ | ৪১ | — |
| | ৫১ | পৌৰসভা (পেৰিচ) | ৭৬ | ৭৫০ | ২৭০৫ | — |
| | ৫১ | পৌৰসভা (চীন) | ৮০ | — | ১২৮৮ | — |

| দেশ | বছৰ ১৯ | পুথিভঁৰালৰ শ্ৰেণী | শাখা সংখ্যা | পুথিভঁৰালৰ গ্ৰন্থ সংখ্যা (হাজাৰৰ নিৰিখত) | বছৰি পঢ়িবলৈ নিয়া পুথিৰ সংখ্যা (হাজাৰৰ নিৰিখত) | পাঠকৰ সংখ্যা (হাজাৰৰ নিৰিখত) |
|---|---|---|---|---|---|---|
| | ৫১ | পৌৰসভা (চীন) : অন্যান্য | ১৪৯ | ১১৬৭৭ | ৬৬১৪ | ২১২৪ |
| | ৫১ | কেন্দ্ৰীয | ১৮ | ৫৬০ | ৯৮৮ | — |
| | ৫১ | পাঠক সংঘ | ১০ | ১১৩ | — | — |
| জাৰ্মানী | ৫০ | ৰাষ্ট্ৰ সমৰ্থিত | ১২৮৯ | ৩৮০১১ | — | — |
| | ৫০ | অন্যান্য ৰাজহুৱা | ১৭৩ | ৮০১৫ | — | — |
| | ৫০ | বিশ্ববিদ্যালয় | ১৪৬ | ৩৭১১ | — | — |
| | ৫০ | গৱেষণা | ১৯৫ | ৫১৭২ | — | — |
| নেডাৰলেণ্ড | ৫১ | ৰাষ্ট্ৰীয় | ১ | ৮০০ | ৭৩ | ৬৫ |
| | ৫১ | বিশ্ববিদ্যালয় | ৬ | ৪৫০০ | ২৫০ | — |
| | ৫১ | অন্যান্য উচ্চ-শিক্ষা সংস্থা | ৪ | ৫৬৫ | ৭৫ | ৩৫ |
| | ৫১ | চৰকাৰী বিভাগ | ৩৬ | ২২৭০ | ২৮০ | ১৮০ |
| | ৫১ | আন আন চৰকাৰী বিভাগ | ৭৬ | ১৫২০ | — | — |
| | ৫১ | গৱেষণা | ৪৭ | ৩২৫ | — | — |
| | ৫০ | ৰাজহুৱা | ৯৮ | ২৯৪০ | ৮৩৯৬ | ১১১২ |
| নৰৱে | ৫১ | বিশ্ববিদ্যালয় (ওচলো) | ১ | ১১৯১ | ৭৯ | ৭১ |
| | ৫১ | আন আন উচ্চশিক্ষা সংস্থা | ১৩৬ | ১৩৩৫ | — | — |
| | ৫১ | আন আন বৈজ্ঞানিক সংস্থা | ২৪ | ৬৫৯ | — | — |
| | ৫১ | চৰকাৰী কাৰ্যালয় | ২৮ | ৪৩৩ | — | — |
| | ৫১ | সংঘ | ৩৯ | ২৬০ | — | — |
| | ৫১ | ফাটক আৰু হাস্পাতাল | ৯ | ৪০ | — | — |

| দেশ | বছৰ ১৯ | পুথিভঁৰালৰ শ্ৰেণী | গ্ৰন্থ সংখ্যা | পুথিভঁৰালৰ গ্ৰন্থ সংখ্যা (হেজাৰৰ নিৰিখত) | বছৰি পঢ়িবলৈ নিয়া পুথিৰ সংখ্যা (হেজাৰৰ নিৰিখত) | পাঠকৰ সংখ্যা (হেজাৰৰ নিৰিখত) |
|---|---|---|---|---|---|---|
| | ৫১ | সামৰিক | ৬ | ১১৫ | — | — |
| | ৫০ | ৰাজহুৱা | ১১৩৬ | ২৬৬৩ | ৪৩৯৫ | — |
| | ৫০ | স্কুল | ৫২৫৯ | ৮৫৬ | ১৮১২ | — |
| চুইডেন | ৫০ | ৰাষ্ট্ৰীয় | ১ | ৭৫০ | ৩০ | — |
| | ৫০ | বিশ্ববিদ্যালয় | ৩ | ২৭০০ | ১২৯ | — |
| | ৫০ | অন্যান্য উচ্চ শিক্ষা সংস্থা | ২০ | ৯১৮ | — | — |
| | ৫০ | শিক্ষক-প্ৰশিক্ষণ কলেজ | ২৯ | ২৫৬ | ১৩২ | ১৯ |
| | ৫০ | গৱেষণা | ১৮ | ১৫৬৬ | — | — |
| | ৫১ | ষ্টেট কাউন্টি | ২ | ৩১৫ | ২১৬ | ১০ |
| | ৫১ | কমিউন | ১৬০৩ | ৬৪৭৪ | ১৫০৪০ | ৭৯১ |
| | ৫০ | অধ্যয়ন-চক্ৰ | ৩০৮২ | ১৮১৫ | ২১২৮ | ২৫৪ |
| | ৫০ | হাস্পতাল | ১৬৮ | ২৫৪ | ৭১৮ | ৬৬ |
| | ৫০ | সামৰিক | ৮৪ | ২৭৬ | ৫১৬ | ৪৬ |
| | ৫০ | অন্যান্য ৰাজহুৱা | ৫ | ৪ | ২ | ০.৪ |
| | ৫০ | মাধ্যমিক স্কুল | ২২১ | ২০৯৬ | ৫৪৭ | ৫০ |
| | ৫০ | কাৰিকৰী স্কুল | ১৫ | ৬০ | ৩ | ০.৮ |
| | ৫১ | প্ৰাথমিক স্কুল | ১৯৪১ | ৩৭৬২ | ৯৬২১ | ৫৬২ |
| | ৫১ | অন্যান্য স্কুল | ৩৩৯ | ৬৮৬ | ৪২৯ | ৪৮ |
| গ্ৰেট বৃটেইন | ৫০ | ৰাষ্ট্ৰীয় | ৮ | ৯০৫৩ | — | — |
| | ৫০ | বিশ্ববিদ্যালয় | ৬৮ | ১০৮২৬ | — | — |
| | ৫০ | অন্যান্য উচ্চশিক্ষা সংস্থা | ২৬৯ | ২৯৯২ | — | — |

| দেশ | বছৰ ১৯ | পুথিভঁৰাল শ্ৰেণী | মুঠ সংখ্যা | পুথিভঁৰালৰ গ্ৰন্থ সংখ্যা (হাজাৰৰ নিৰিখত) | বছৰি পঢ়িবলৈ নিয়া পুথিৰ সংখ্যা (হেজাৰৰ নিৰিখত) | পাঠকৰ সংখ্যা (হেজাৰৰ নিৰিখত) |
|---|---|---|---|---|---|---|
| | ৫০ | অন্যান্য গৱেষণা আৰু বৈজ্ঞানিক সংস্থা | ৩৩০ | ৭১৮৫ | — | — |
| | ৫০ | চৰকাৰী বিভাগ | ৮১ | ২৫৩৯ | — | — |
| | ৫০ | উদ্যোগ আৰু ব্যৱসায় | ৩৪ | ১৬১ | — | — |
| | ৫০ | কাউন্টি | ৮৭ | ১৫৫০০ | ৯৭৯৭৭ | ৪৭৩০ |
| | ৫০ | পৌৰ সভা | ৪২৭ | ২৬৯০০ | ২১৩৩৮৫ | ৭৬৫০ |
| **ওচেনিয়া** | | | | | | |
| নিউজীলেণ্ড | ৫১ | ৰাষ্ট্ৰীয় | ১ | ৩৯৮ | ৩২০ | — |
| | ৫১ | সাধাৰণ পৰিষদ | ১ | ২০৬ | ২৩ | ১ |
| | ৫১ | আন আন ৰাষ্ট্ৰীয় | ১ | ১০০ | — | ৪ |
| | ৫১ | বিশ্ববিদ্যালয় | ৬ | ৩৯৯ | ১৭৭ | — |
| | ৫১ | শিক্ষক-প্ৰশিক্ষণ কলেজ | ৫ | ৭০ | ৬৯ | — |
| | ৫১ | বিশেষ | ৬০ | ২০০ | — | — |
| | ৪৯ | ৰাজহুৱা | ১০৪ | ১৩৬০ | ৭৮৪৭ | ২৫০ |

এইবোৰ তথ্যৰপৰা স্পষ্টকৈ দেখা যাব যে বছৰি পুথিৰ আদান-প্ৰদান, পাঠকৰ সংখ্যা আৰু পুথি-সংগ্ৰহৰ ক্ষেত্ৰত ৰাজহুৱা আৰু স্কুলৰ পুথিভঁৰালবোৰে প্ৰথম স্থান পাব। তাৰ তুলনাত ৰাষ্ট্ৰীয় আৰু বিশ্ববিদ্যালয়ৰ পুথিভঁৰালবোৰৰ পুথি ব্যৱহাৰৰ মাত্ৰা ভালেখিনি কম আৰু বিশেষ পুথিভঁৰালবোৰক এই শাৰীত পেলাই বিবেচনা কৰিব নোৱাৰি।

ৰাষ্ট্ৰীয় আৰু বিশ্ববিদ্যালয়ৰ পুথিভঁৰালবোৰ আকাৰত বৃহৎ হোৱাৰ কাৰণত যে সন্মান আৰু মৰ্যাদা লাভ আদিৰ প্ৰশ্ন জড়িত থাকে সেইটো দেখা-দেখি কথা। বিশ্ববিদ্যালয়ৰ পুথিভঁৰালবোৰৰ ক্ষেত্ৰত নিঃসন্দেহে

সমন্বয়-সাধন আৰু বিশেষীকৰণ সম্ভৱপৰ, কিন্তু ভালেমান দেশতে বিশ্ববিদ্যালয়বোৰৰ মাজত প্ৰতিদ্বন্দ্বীতা চলা হেতুকে আৰু প্ৰতিখন বিশ্ববিদ্যালয়ৰ যথেষ্ট স্বতন্ত্ৰতা থকা হেতুকে এই ক্ষেত্ৰত সমন্বয়-সাধন কিছুদূৰ কঠিন। এইবোৰ যে ৰাষ্ট্ৰীয় বা আঞ্চলিক সমস্যা, আৰু সাধাৰণ সংজ্ঞাৰ আধাৰত যে এইবোৰৰ বিশ্লেষণ কৰিব নোৱাৰি সেইকথা আঙুলিয়াই দিয়াব প্ৰয়োজন নাই।

সামাজিক বিকাশক যদি ক্ৰমবৰ্ধমান গতিত চলা বুলি ধৰি লোৱা হয় তেন্তে ভৱিষ্যতলৈ ৰাজহুৱা পুথিভঁৰাল আৰু বিশেষ আৰু গৱেষণামূলক পুথিভঁৰালবেই উন্নয়নৰ মাত্ৰা আটাইতকৈ অধিক হব বুলি অনুমান কৰিব পৰা যায়। এই প্ৰসঙ্গতে আধুনিক সমাজত দেখা দিয়া এটা বিশেষ কথা লক্ষ্য কৰা যায়, যুক্তৰাষ্ট্ৰত এচাম ৰচনাক অতি সতৰ্কতাৱে "অনা-উপন্যাস" (non fiction) বুলি শ্ৰেণী ধাৰ্য কৰি দিয়া হয়, কিন্তু ইয়াত এনে ধৰণৰ ৰচনাও থাকে যাক বিশেষ অৰ্থত প্ৰকৃত বৈজ্ঞানিক বুলি গণ্য কৰিব নোৱাৰি; এইবোৰৰ দ্বাৰা বিশেষজ্ঞতকৈ আগ্ৰহশীল পাঠকক তথ্যাদি যোগাবলৈহে বিচৰা হয়।

বিভিন্ন শ্ৰেণীৰ বচনাৰ শ্ৰেণীভেদৰ সীমা ক্ৰমে অধিক অস্পষ্ট হৈ পৰিছে আৰু ইয়াৰ ফলত বিভিন্ন ধৰণৰ পুথিভঁৰালৰ মাজত সমন্বয়-সাধনৰ কাম অধিক কঠিন হৈ পৰিছে। শিক্ষা আৰু কাৰিকৰী দক্ষতাৰ সম্প্ৰসাৰণ হোৱাৰ ফলত "পঠনৰ দূৰত্ব" কমি গৈছে, আৰু আগৰ যুগৰ সীমাবদ্ধ ক্ষুদ্ৰ বিজ্ঞ সমাজ ক্ৰমে নাইকিয়া হবলৈ ধৰিছে।

ইয়াৰ ফলত বিশ্ববিদ্যালয় আৰু ৰাজহুৱা পুথিভঁৰালৰ মাজত ব্যৱধান হ্ৰাস পাবলৈ লৈছে। এতিয়া সম্ভৱপৰ প্ৰায় সকলো বিষয়তে "বৈজ্ঞানিক পদ্ধতি" প্ৰৱৰ্তন কৰাটো এটা ৰীতি হৈ পৰাৰ ফলত এনে এচাম "বিজ্ঞানবিষয়ক গ্ৰন্থ"ৰ প্ৰকাশ কৰা হৈছে যিবোৰ নৈৰ্ব্যক্তিক আৰু যুক্তিবাদী ধৰণেৰে ৰচিত হয়, এইবোৰ গ্ৰন্থপাঠৰ বাবে পাঠকৰ বিশেষ জ্ঞান থকাৰ প্ৰয়োজন আছে বুলি ধৰি লৈ এনে গ্ৰন্থবোৰ ৰচিত নহয়। আনহাতে এনে ধৰণৰ বিশেষ জ্ঞানৰ প্ৰয়োজন থকা গ্ৰন্থবোৰ ক্ৰমে অধিক সংখ্যাত বিশেষ পুথিভঁৰাল আৰু গৱেষণামূলক

পুথিভঁৰালবোৰত ৰখাৰ ব্যৱস্থা কৰা হৈছে। বিৰাট বিৰাট বিশ্ববিদ্যালয়ৰ পুথিভঁৰালবোৰ "সাধাৰণ বৈজ্ঞানিক" আৰু "বিশেষ ধৰণৰ বৈজ্ঞানিক" গ্ৰন্থ ৰাখিবলৈ বাধ্য হয়, ফলত এনে পুথিভঁৰাল আৰু অধিক বৃহৎ আয়তনৰ পুথিভঁৰালবোৰৰ মাজত পাৰ্থক্য নিচেই সামান্য হৈ পৰিছে। তদুপৰি এনে পৰিস্থিতিৰ ফলত দুয়োবিধ পুথিভঁৰালৰ আয়তন দিনক-দিনে অতিপাত বৃদ্ধি পাই যাবলৈ ধৰিছে আৰু সেই হেতুকে এই ক্ষেত্ৰতো শ্ৰমবিভাজনৰ প্ৰয়োজন ক্ৰমে বৃদ্ধি পাইছে।

পুথিভঁৰালক পৰিপূৰ্ণ কৰাৰ দায়িত্ব অতি সহজতে ৰাষ্ট্ৰীয় পুথি-ভঁৰাল আৰু বিশ্ববিদ্যালয়ৰ পুথিভঁৰালবোৰে ভগাই লব পাৰে। বৈজ্ঞানিক গ্ৰন্থাদি মজুত ৰখাৰ প্ৰয়োজন হলে বিশ্ববিদ্যালয়ৰ পুথি-ভঁৰালবোৰে এই সম্পৰ্কীয় বৈদেশিক সাহিত্যৰ বিশেষ বিশেষ শাখাৰ প্ৰতি মনোনিবেশ কৰিব পাৰে আৰু এনে ধৰণৰ প্ৰয়োজনীয় বাকীবোৰ গ্ৰন্থ বিশেষ আৰু গৱেষণামূলক পুথিভঁৰালবোৰত ৰাখিব পৰা যায় আৰু ইয়াৰ মাধ্যমেৰে পাঠ্য সামগ্ৰী আৰু পাঠকৰ মাজত গুণগত সামঞ্জস্য বিধানৰ দিহা কৰিব পৰা যায়। এনে ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ হলে এখন কেন্দ্ৰীয় তালিকা যুগুত কৰি লোৱাৰ প্ৰয়োজন হব, অৱশ্যে এই তালিকা অতি দীঘল হোৱাৰ হাত সাৰিবলৈ গুণাগুণ আৰু কামৰ ফালৰপৰা গ্ৰন্থ-সংখ্যাৰ সীমা বান্ধি লোৱাটো প্ৰয়োজনীয় হব পাৰে। বিশেষ বিশেষ সংস্থাবোৰত প্ৰয়োজনীয় ধৰণৰ তথ্যসম্বলিত বিজ্ঞান বিষয়ক কেন্দ্ৰীয় তালিকা ৰাখিব পৰা যায় আৰু ইতিপূৰ্বে সামৰি নোলোৱা আৰু বৈজ্ঞানিক গ্ৰন্থাদিৰ অৱৰক্ষণ বিধি অনুসাৰে ৰাষ্ট্ৰীয় পুথিভঁৰালত নৰখা গ্ৰন্থাদিতে সাধাৰণ কেন্দ্ৰীয় তালিকা আবদ্ধ ৰাখিব পৰা যায়।

আটাইতকৈ গুৰুত্বপূৰ্ণ শ্ৰেণীৰ পুথিভঁৰাল হ'ল ৰাজহুৱা পুথিভঁৰাল, বিশেষকৈ অধিক সমুন্নত দেশবোৰত। গ্ৰন্থপাঠ এটা সমষ্টিগত অভ্যাস বাবে ইয়াক ক্ৰমে অধিক আমোদদায়ক কৰি তুলিব পাৰিলেহে ইয়াৰ প্ৰসাৰ সাধন কৰিব পৰা যাব ; গ্ৰন্থপাঠ এটা দায়িত্ব বা কৰ্তব্য হিচাপে অনুসৰণ কৰাৰ অভিপ্ৰায় গৌণধৰণৰ। গতিকে এনে দৃষ্টি-ভঙ্গীৰ গুৰুত্বও ক্ৰমে হ্ৰাস কৰি অনা উচিত হ'ব। এই কাম ৰাষ্ট্ৰীয় বা বিশ্ব-

বিদ্যালয়ৰ পুথিভঁৰালবোৰে সম্পাদন কৰিব নোৱাৰে, কিয়নো এইবোৰৰ স্বৰূপ আৰু দৃষ্টি-ভঙ্গী হ'ল কেন্দ্ৰাভিমুখী আৰু গতানুগতিক ধৰণৰ; কিন্তু ৰাজহুৱা পুথিভঁৰালবোৰৰ স্বৰূপ সুকীয়া। ৰাজহুৱা পুথিভঁৰালবোৰে ইয়াৰ বিভিন্ন শাখা, পাঠকৰ লগত থকা সক্ৰিয় সম্পৰ্ক আৰু যোগান আৰু চাহিদাৰ মাজত ক্ৰিয়াত্মক সম্পৰ্ক স্থাপনৰ ক্ষমতা থকা হেতুকে এই কাম সম্পাদন কৰিব পাৰে।

অকল অৱসৰ বিনোদনৰ বাবে গ্ৰন্থপাঠেই নহয়, জ্ঞান আৰু তথ্যাদি আহৰণৰ বাবে পুথি পঢ়াটোও আনন্দদায়ক হব পাৰে। যদিহে এই ধৰণৰ পাঠ্য সামগ্ৰী পাণ্ডিত্যাভিমানী শৈলীত ৰচনা নকৰি ব্যক্তিগত শৈলীত ৰচনা কৰা হয় তেন্তে গ্ৰন্থপাঠ অধিক আনন্দদায়ক হৈ পৰিব। পাণ্ডিত্যাভিমানী শৈলী অপাঠ্য। এনে শৈলী বাক্যাড়ম্বৰপূৰ্ণ আৰু গতানুগতিক ধৰণৰ হয় হেতুকেই সি পাঠকক আকৰ্ষণ কৰিব নোৱাৰে। প্ৰকৃততে কঠিন বিষয়ৰ বৰ্ণনা শৈলী আৰু উপস্থাপন আপোনা-আপুনি কঠিন হয় আৰু সদায় তেনে বিষয়ৰ গ্ৰন্থ অলপীয়া সংখ্যক পাঠকে অধ্যয়ন কৰে। কিন্তু আধুনিক সমাজৰ বাবে ডাঙৰ বিপদৰ কাৰণ হৈছে নকল বিজ্ঞান আৰু নকল বিদ্যাভিমান। এনে ৰচনাৰ ফলত যিসকল লোক অতি সহজতে গ্ৰন্থৰ পাঠক হ'লহেঁতেন তেনে ভালেমান লোকে গ্ৰন্থপাঠ কৰিবলৈ ইচ্ছাকে নকৰে।

বিজ্ঞান আৰু অবোধ্য চৰকাৰী প্ৰচাৰধ্বনিৰ মাজত এই অবাঞ্ছনীয় ক্ৰিয়া আৰু প্ৰতিক্ৰিয়া উদ্ভৱ হোৱাৰ ফলত এইবোৰ সামগ্ৰী লৈ লেন-দেন কৰাসকলে ক্ষতিপূৰণৰ উপায় অৱলম্বন কৰিবলগীয়া হৈছে আৰু এইদৰে সাহিত্য আৰু ভাৱগধুৰ গ্ৰন্থ সৃষ্টিৰ বাবে বিপদৰ সম্ভৱনাই দেখা দিছে, আনহাতে পৰিপূৰক আৰু চাঞ্চল্যকৰ ৰচনাক প্ৰাধান্য দিবলৈ লোৱা হৈছে। কিয়নো ৰাজহুৱা পুথিভঁৰালৰ এনে অৱস্থা বোধ কৰাৰ ক্ষমতা আছে, কাৰণ এইবোৰে পাঠক আৰু পাঠ্য সামগ্ৰীৰ মাজত থকা সম্পৰ্ক সৃষ্টিধৰ্মী দৃষ্টি-ভঙ্গীৰে বিকাশ কৰাত সহায় কৰিব পাৰে আৰু "মৰ্যাদামূলক ৰচনা"ৰ প্ৰৱণতা বোধ কৰিব পাৰে।

আদৰ্শ পুথিভঁৰাল ব্যৱস্থাৰ কল্পনা তলত দিয়া ধৰণে কৰিব পৰা যায় ঃ

**ৰাষ্ট্ৰীয় পুথিভঁৰাল**

ক্ৰিয়াত্মক কেন্দ্ৰীয় তালিকা

বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল (বিশেষ বিশেষ শাখা সম্পন্ন) — বিশেষ আৰু গৱেষণামূলক পুথিভঁৰাল

বিশেষ কেন্দ্ৰীয় তালিকা

সংৰক্ষণ মূলক গ্ৰন্থাগাৰ — সংৰক্ষণমূলক গ্ৰন্থাগাৰ

**ৰাজহুৱা পুথিভঁৰালৰ ব্যৱস্থা**

স্কুলীয়া পুথিভঁৰাল
মুকলি ছেলফ্ ব্যৱস্থা
বাচনালয়
পাঠক সেৱা

বিশেষ বিষয়ক গ্ৰন্থ আৰু পাঠকৰ সম্পৰ্ক
(সময়ে সময়ে ইয়াৰ সৰ্বাধিক মাত্ৰাৰ নিৰাকৰণ)

শাখা পুথিভঁৰাল — শাখা পুথিভঁৰাল

বিতৰণ কেন্দ্ৰ
চলন্ত গ্ৰন্থাগাৰ আদি

এইটো তেনেই স্পষ্ট যে এই ধৰণৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ হলে সাধাৰণ লোক শিক্ষিত হব লাগিব, সাধাৰণ শিক্ষা ব্যৱস্থা উচ্চখাপৰ হব লাগিব, জাতিগত দলাদলিমুক্ত "মুকলি" সমাজ ব্যৱস্থা থাকিব লাগিব, জীৱন-যাত্ৰাৰ মান উচ্চ হব লাগিব, তীব্ৰ ধৰণৰ সামাজিক সংঘৰ্ষৰ ভাব থাকিব নালাগিব আৰু অসঙ্গত কেন্দ্ৰীকৰণ নকৰাকৈ চৰকাৰে এই বিষয়ত যথেষ্ট সাহায্য যোগাব লাগিব ।

যি সামাজিক দলবোৰৰ ভিতৰত একেটা মাথোন অগ্ৰণী দল শিক্ষিত তাত ৰাজহুৱা পুথিভঁৰালতকৈ ভাল ধৰণৰ বিশ্ববিদ্যালয়, কলেজ্ আৰু স্কুলৰ পুথিভঁৰালৰ অধিক প্ৰয়োজন হয়, কিয়নো ৰাজহুৱা পুথিভঁৰাল আনবোৰৰ তুলনাত তেনেই কম মানুহে ব্যৱহাৰ কৰিব । সমাজৰ অন্তৰৰপৰা, নিজকে উন্নত কৰাৰ ইচ্ছাৰপৰা ব্যাপক শিক্ষা বিস্তাৰৰ

প্রেৰণা আহিব লাগিব, এনে বিকাশ চক্রৰ প্রাথমিক বিকাশৰ স্তৰ অতিক্রম কৰাৰ পিচতহে পুথিভঁৰাল গুৰুত্বপূর্ণ হৈ উঠে।

অপেক্ষাকৃত অনগ্রসৰ দেশবোৰো যে বিকাশৰ ক্ষেত্রত অধিক সমুন্নত দেশবোৰে অতিক্রম কৰি যোৱা স্তৰবোৰ পাৰ হৈ যাব লাগিব সেইটো দেখাদেখি কথা, অৱশ্যে ইয়াৰ গতি অপেক্ষাকৃত ক্ষিপ্রতৰ হব পাৰে। এই স্তৰবোৰ অতিক্রম কৰোঁতে এনে আভাসকে পোৱা যাব যে প্রথমতে উচ্চ মধ্যবিত্ত আৰু মধ্যবিত্ত শ্রেণীত গ্রন্থপাঠ অভ্যাসত পৰিণত হয় আৰু তাৰ পিচত কার্যকৰী উন্নয়নৰ মাত্রা বৃদ্ধি পোৱাৰ লগে লগে নিম্ন মধ্যবিত্ত আৰু উচ্চ শ্রমিক শ্রেণীয়ে গ্রন্থপাঠ কৰিবলৈ লব; কিন্তু আনকি অৱস্থা অনুকূল হৈ পৰিলেও মধ্য আৰু নিম্ন শ্রমিক শ্রেণীৰ মাজত গ্রন্থপাঠ সীমাবদ্ধ হৈ থাকিব।

এই বিকাশ কেন্দ্রীয় নিয়ন্ত্রণ অথবা একতন্ত্রী ব্যৱস্থাৰ দ্বাৰা সাধন কৰিব পাৰি নে নোৱাৰি সেই সম্বন্ধে সন্দেহ হয়। প্রথম অৱস্থাত বল প্রয়োগ কার্যকৰী হব পাৰে, কিন্তু শেহান্তৰত সক্রিয় আবেগিক সঁহাৰি নাপালে গ্রন্থপাঠ সাধাৰণ অভ্যাসত পৰিণত হব নোৱাৰে; বাধ্যতামূলক ব্যৱস্থাৰ দ্বাৰা এইটো সাধন কৰিব নোৱাৰি। এইদৰে আবেগিক সঁহাৰি পাবলৈ বৈচিত্র্য আৰু স্বচ্ছন্দতাৰ প্রয়োজন, অপেক্ষাকৃত সীমাবদ্ধ কেইটামান সুনির্দিষ্ট বিশ্বাসৰ যোগেদি তাক সৃষ্টি কৰিব নোৱাৰি।

একোখন সমাজত শ্রমবিভাজনৰ জটিলতাৰ লগত গ্রন্থৰ উৎপাদন আৰু পুথিভঁৰালৰ উন্নয়নৰ সক্রিয় সম্পর্ক পৰিলক্ষিত হয়, গতিকে "ৰাষ্ট্রীয় আয়" আৰু এই দুবিধ কামত হোৱা ব্যয়ৰ মাজত এটা "স্বাভাৱিক" সম্পর্ক নির্ণয় কৰাটো সম্ভৱপৰ হোৱা উচিত। তাৰ পিচত আনুপাতিকভাৱে এই ব্যয় বৃদ্ধি কৰাটো সম্ভৱপৰ হয় নে নহয় আৰু যদি হয় তেন্তে কি কি কামৰ ব্যয়ৰ সলনি এই ব্যয় বৃদ্ধি কৰা সম্ভৱ সেই সম্বন্ধে বিবেচনা কৰি চাব পৰা যায়। যদিহে আমি এই বিকাশ অব্যাহত ৰাখিবলৈ ইচ্ছা কৰোঁ, তেন্তে এই আনুপাতিক ব্যয়ৰ মাত্রাও বৃদ্ধি পাই যাব, কিয়নো সমাজত শ্রমবিভাজন অধিক জটিল হৈ গ'লে বুদ্ধিগত প্রয়াসৰ মাত্রাৰো বৃদ্ধিৰ প্রয়োজন হয়।

বিশ্বসমাজ অধিক স্থায়ী ধৰণৰ হুবলৈ ধৰিলে এই আনুপাতিক ব্যয়ৰ মাত্ৰাও আপেক্ষিকভাৱে স্থায়ীধৰণে থাকিব, কিন্তু ভিন ভিন অঞ্চলত ইয়াৰ যথেষ্ট তাৰতম্য হব পাৰে—পৰম্পৰা, জলবায়ু আৰু আয় আদিৰ ওপৰতে সেইটো নিৰ্ভৰ কৰিব ।

গ্ৰন্থ-উৎপাদন আৰু পুথিভঁৰালত ব্যয়ৰ মাত্ৰা বৃদ্ধি কৰিব লাগে বুলি এনেয়ে মন্তব্য কৰাটো নিৰৰ্থক । ৰাষ্ট্ৰীয় আয়ৰ মাত্ৰা বৃদ্ধি পালে প্ৰায় আপোনা-আপুনিয়ে ই বৃদ্ধি পায় । কিন্তু গতিহীন অৱস্থাত এটা কামৰ ব্যয় আন এটা কামৰ ব্যয়ৰ তুলনাত বঢ়াব নোৱাৰি, অৱশ্যে আন কামৰ ব্যয় কমি গ'লে সুকীয়া কথা । গতিকে একমাত্ৰ সাহসী আৰু আদৰ্শবাদী লোকেহে হয়তো কব পাৰে যে ৰাষ্ট্ৰৰ আন আন কাম উপেক্ষা কৰি গ্ৰন্থৰ উৎপাদন আৰু পুথিভঁৰালৰ বিকাশৰ প্ৰতি মনোযোগ দিব লাগে, সমাজ বিজ্ঞানবিদে এনে মন্তব্য কৰিব নোৱাৰে । সহজ ভাষাত কবলৈ গ'লে যদিহে এই ব্যয় বৃদ্ধি পোৱা উচিত বুলি অনুভৱ কৰা হয় তেন্তে সি বৃদ্ধি পাবও ।

সমাজ-বিজ্ঞানৰ ফালৰপৰা অৱশ্যে প্ৰৱণতাবোৰ বিশ্লেষণ কৰি চোৱাটোহে সম্ভৱপৰ ; আৰু পৰিস্থিতি গতিহীন হৈ পৰিলেই প্ৰৱণতা বিশ্লেষণ কৰাটোও অসম্ভৱ হৈ পৰে । কিন্তু পুথিভঁৰালৰ সামাজিক লক্ষ্য পৰ্যৱেক্ষণ কৰি তাৰ বাবে প্ৰয়োজনীয় আঁচনি যুগুত কৰাটো আৰু বৰ্তমানৰ সা-সুবিধাবোৰ অধিক ভাল ধৰণে ব্যৱহাৰ কৰাটো সম্ভৱপৰ কথা ।

প্ৰথম কথাটোলৈ অৰ্থাৎ পুথিভঁৰালৰ গ্ৰন্থসংখ্যা বৃদ্ধিৰ লক্ষ্য সাধনলৈ আৰু ইয়াৰ যুক্তিযুক্ততা সম্বন্ধে ফঁহিয়াই চোৱাটো আৱশ্যক ; যোৱা ৬০ বা ৭০ বছৰৰ ভিতৰত এনে লক্ষ্য সাধনৰ ওপৰত অধিক গুৰুত্ব দি অহা হৈছে । এই সময় ছোৱাৰ চিন্তাধাৰাই আছিল পৰিমাণৰ ওপৰত গুৰুত্ব দিয়া ধৰণৰ, গতিকে পুথিভঁৰালৰ ক্ষেত্ৰতো কিছুদূৰ অযুক্তিসঙ্গতভাৱে এনে দৃষ্টি-ভঙ্গী প্ৰয়োগ কৰাত আচৰিত হবলগীয়া একো কথা নাই । কিন্তু বৰ্তমানে এই দৃষ্টি-ভঙ্গীৰ পৰিৱৰ্তন হৈছে আৰু এই ক্ষেত্ৰত যে আমাৰ চিন্তাধাৰা অধিক সামগ্ৰিক

ধৰণৰ হৈছে তাত সন্দেহ নাই। সম্প্ৰতি এই ক্ষেত্ৰত আমাৰ দৰ্শনত পৰিৱৰ্তনৰ আভাস দেখিবলৈ পোৱা গৈছে।

অকল যে প্ৰকাশিত ৰচনাৰ পৰিমাণ আৰু গুণাগুণৰ ক্ষেত্ৰতে কিছুদূৰ পাৰস্পৰিক সম্পৰ্ক দেখিবলৈ পোৱা গৈছে এনে নহয়, গ্ৰন্থ-পাঠতো তাৰ আভাস ফুটি ওলোৱাৰ লক্ষণ দেখা গৈছে। পৰিমাণ আৰু গুণাগুণৰ সম্পৰ্ক বিপৰীত ধৰ্মী বুলি যুক্তি দাঙি ধৰাটো সহজ সঁচা, কিন্তু বাস্তৱ ক্ষেত্ৰত এই কথা তিমান সহজ নহয়। পৰিমাণৰ ক্ষেত্ৰত অৱস্থা কিছুদূৰ তলত দিয়া ধৰণৰ হব:

যুক্তৰাষ্ট্ৰত বছৰি
বাতৰি কাকত আৰু আলোচনী
স্কুলীয়া কিতাপ

আটাইতকৈ অধিক বিক্ৰী হোৱা:
উপন্যাস আৰু
উপন্যাসৰ বাহিৰা পুথি
আন ধৰণৰ পুথি।

গুণাগুণৰ ক্ষেত্ৰত এই সম্পৰ্ক যে লুটিয়াব নোৱাৰি সেইটো স্পষ্ট কথা আৰু এই কথাৰপৰা প্ৰমাণ পোৱা যাব যে সকলোবোৰ প্ৰকাশিত ৰচনাকে সমান মূল্য দিব নোৱাৰি।

বিভিন্ন গ্ৰন্থৰ পাঠকৰ সংখ্যাও বিভিন্ন ধৰণৰ। ইয়াকেই গ্ৰন্থৰ গুণাগুণ নিৰ্ণয়ৰ জোখমাৰি হিচাপে ধৰা হবনে? যদিহে হয় বুলি কোৱা হয় তেন্তে বাতৰি কাকত আৰু আলোচনীকে আটাইতকৈ গুৰুত্বপূৰ্ণ ৰচনা বুলি কব লাগিব। এনে সমিধান দেখা-দেখি ত্ৰুটিপূৰ্ণ। একোখন ৰচনা কিমান সময় ধৰি পাঠ কৰা হয় তাৰ আধাৰত আমি হয়তো বিচাৰ কৰিব লাগিব, অথবা কব লাগিব যে ৰচনাবোৰে মানুহৰ বিভিন্ন প্ৰয়োজন পূৰণ কৰে। এইদৰেই এনেবোৰ প্ৰয়োজন পূৰণৰ ক্ষেত্ৰত পুথিভঁৰালৰ ভূমিকা ফঁহিয়াই চাব লাগিব।

পুথি-অধ্যয়ন কালকে জোখমাৰি হিচাপে ধৰাটো পুথি-ভঁৰালৰ ক্ষেত্ৰত বিশেষ একো উপযোগী নহব, কিয়নো মূল সংগ্ৰহৰ

ক্ষেত্ৰত ইয়াক প্ৰয়োগ কৰিব নোৱাৰি আৰু ৰচনা বৰ্জনৰ ক্ষেত্ৰত এই কাম প্ৰায় স্বতঃস্ফূৰ্তভাৱে চলে ।

এইদৰে মানুহৰ বিভিন্ন প্ৰয়োজন পূৰাব পৰা ৰচনাৰ ক্ষেত্ৰত আৰু কোন ধৰণৰ ৰচনা অব্যাহতভাৱে সংৰক্ষণ কৰা প্ৰয়োজন তাক নিৰ্ণয় কৰাত এই জোখমাৰি প্ৰয়োগ কৰাটো সম্ভৱপৰ ।

আমি সকলো কথাকে জানিবলৈ বিচাৰোঁহক । গতিকে সকলো ৰচনাকে সংৰক্ষণ কৰা উচিত বুলি যি যুক্তি দাঙি ধৰা হয় তাক ভ্ৰমাত্মক যেন লাগে । মানুহৰ মন স্বভাৱতে নিৰ্বাচনধৰ্মী ; তদুপৰি পাৰম্পৰিক সম্পৰ্কৰ ক্ষেত্ৰত ব্যতিক্ৰম থাকিলেও বৰ্তমান বা ভৱিষ্যতৰ সমানে অতীতৰ কেতিয়াও গুৰুত্ব নাথাকে ।

গ্ৰন্থপাঠৰ বিশ্লেষণৰ আধাৰত মুক্তি, সংস্কৃতি, সাফল্য আৰু পৰি-পূৰক গ্ৰন্থপাঠ হিচাপে শ্ৰেণীভেদ কৰা হৈছে । প্ৰথম দুবিধ গ্ৰন্থপাঠে দীৰ্ঘ মিয়াদী সামাজিক প্ৰয়োজন পূৰণ কৰে। গতিকে এনে শ্ৰেণীৰ গ্ৰন্থ সংৰক্ষণ কৰাটো যে প্ৰয়োজনীয় সেই বিষয়ে যুক্তি দেখুৱাৰ আৱশ্যক নকৰে ।

সাফল্যমূলক গ্ৰন্থপাঠৰ প্ৰশ্ন সম্বন্ধে আটাইতকৈ ডাঙৰ আহুকালে দেখা দিয়ে আৰু আধুনিক পুথিভঁৰালত এই শ্ৰেণীৰ পুথিৰে আটাইতকৈ অধিক প্ৰয়োজন হয় । জ্ঞান ক্ৰমবৰ্ধমানধৰ্মী আৰু ইয়াৰ অৰ্থ হ'ল এয়ে যে কোনো নিৰ্দিষ্ট বিষয়ত আমাৰ আগ্ৰহ বৰ্তমানৰ জ্ঞানতে প্ৰধানকৈ কেন্দ্ৰীভূত হয় । বিজ্ঞানৰ ইতিবৃত্তান্তৰ অধ্যয়ন আন এক প্ৰকাৰৰ অনুশীলন, আনহাতে আকৌ সামাজিক স্বীকৃতি আৰু অভ্যাসৰ দ্বাৰা একোটা বিষয়ৰ ক্লাছিক বা আধাৰমূলক গ্ৰন্থৰ মৰ্যাদা প্ৰতিষ্ঠিত হয় ।

এইদৰে সময়ে সময়ে একো একোটা বিষয়ৰ গ্ৰন্থৰাজি পৰ্যা-লোচনা কৰি চাই সেই বিষয়ৰ ঐতিহাসিক বিকাশৰ বাবে গুৰুত্বপূৰ্ণ আৰু ক্লাচিক বা আধাৰমূলক গ্ৰন্থত পৰিণত হব পৰা ৰচনাবোৰকহে ৰাখি বাকীবোৰ পৰিহাৰ কৰাটো সম্ভৱপৰ হব । উদাহৰণ স্বৰূপে, কেইটা-মান চিকিৎসাশাস্ত্ৰ সম্পৰ্কীয় পুথিভঁৰালে চিকিৎসা-শাস্ত্ৰৰ ইতিহাসৰ গ্ৰন্থ সংৰক্ষণৰ প্ৰতি মনোনিবেশ কৰিলেই যথেষ্ট হ'ব, কিন্তু যদিহে এই

ধৰণৰ আটাইবোৰ পুথিভঁৰালেই পুৰণি গ্ৰন্থবোৰ সংৰক্ষণ কৰিবলৈ যায় তেন্তে পুথিভঁৰালবোৰৰ কলেবৰ অযথা বৃদ্ধি পাই যাব ; ফলত কাৰ্যদক্ষতাও হ্ৰাস পাব।

এইদৰে পুথিভঁৰালবোৰৰ অধিক সংগ্ৰহৰ ইচ্ছা সংকুচিত কৰিব পৰা যায় আৰু লগতে পুথিভঁৰালত সংৰক্ষিত ৰচনা আৰু এইবোৰৰ পাঠকৰ মাজত এটা গ্ৰহণযোগ্য আনুপাতিক মাত্ৰা ধাৰ্য কৰি লব পৰা যায়। বিভিন্ন শ্ৰেণীৰ পুথিভঁৰালৰ কাৰণে এই সম্পৰ্ক স্থিৰ কৰি লোৱাটো সম্ভৱপৰ, কিন্তু এই পুথিত সেই প্ৰয়াস কৰা নহব।

পৰিপূৰক আৰু অৱসৰ-বিনোদনমূলক গ্ৰন্থপাঠৰ বাবে ৰচিত গ্ৰন্থসমূহ হ্ৰস্ব মিয়াদী ধৰণৰ আৰু তেনে ধৰণৰ বছা বছা ৰচনা কেতবোৰৰ বাহিৰে বাকীবোৰৰ সংৰক্ষণ কৰাটো নিৰৰ্থক যেন লাগে ; মাথোন একোটা সময় বা স্থানৰ বৈশিষ্ট্য প্ৰকাশৰ দৃষ্টান্ত হিচাপে এনে ধৰণৰ কেইখনমান পুথি ৰাখিলেই যথেষ্ট হ'ব। সকলো ধৰণৰ বিচিত্ৰ সামগ্ৰীৰে অৰ্থাৎ যিবোৰৰ দ্বাৰা সময় বা স্থানবিশেষৰ বৈশিষ্ট্য প্ৰকাশ পায় তেনে ধৰণৰ সকলো প্ৰকাৰৰ ৰচনাৰ বছা বছা কেতবোৰ সংৰক্ষণ কৰাটো যথেষ্ট উপযোগী হব।

কেতবোৰ চৰকাৰৰ দ্বাৰা প্ৰকাশিত ৰচনা, কিছুমান বৈজ্ঞানিক আৰু ৰাজনৈতিক গ্ৰন্থ আদিৰ ক্ষেত্ৰত এই দীৰ্ঘ আৰু হ্ৰস্ব মিয়াদী ব্যৱহাৰৰ প্ৰশ্নটোই তৰ্কসাপেক্ষ হৈ দেখা দিয়ে। অৱশ্যে একোখন সমিতিয়ে সময়ে সময়ে এনেবোৰ ৰচনাৰ পৰ্যালোচনা কৰি তাৰে কিছুমানক দীৰ্ঘ মিয়াদী আৰু বাকীবোৰৰ হ্ৰস্ব মিয়াদী বুলি ধাৰ্য কৰি দিয়াটো সম্ভৱপৰ। তেতিয়াও প্ৰত্যেক পুথিভঁৰালে নিজৰ প্ৰয়োজন মতে এনেবোৰ ৰচনা সম্বন্ধে বিধি-ব্যৱস্থা কৰি লব পাৰিব ; কিন্তু এই ক্ষেত্ৰতো এটা সাধাৰণতে স্বীকৃত মান থকাটো আৱশ্যকীয় কথা।

গ্ৰন্থ পাঠ কৰাৰ ফলত মানুহে কিছুদূৰ আবেগগত সন্তুষ্টি লাভ কৰে বুলি যদি বিবেচনা কৰা হয়, তেন্তে এই কথালৈকো মন কৰিব লাগিব যে "অতি বেছি" পুথিৰ ফলত মানুহৰ আগ্ৰহ সেৰেঙা পৰি যোৱাৰ আশঙ্কা

থাকে ; "অতি বেছি" তথা "তেনেই কম" পুথিৰ প্ৰতিক্ৰিয়াৰ নিচিনা সমানেই বেয়া। যিবোৰ পুথি কোনো দিনে ব্যৱহাৰ কৰা নহয় আৰু যিবোৰৰ বিষয়-বস্তু বা আকাৰে কোনো দিনে পাঠকৰ আগ্ৰহ আকৰ্ষণ কৰাৰ সম্ভাৱনা নাই তেনে পুথি শাৰী শাৰীয়ে পৰি থকা লক্ষ্য কৰাতকৈ আন একোৱেই পাঠকৰ বাবে অধিক নিৰুৎসাহদায়ক হব নোৱাৰে। তদুপৰি এনেবোৰ পুথিয়ে ভাল ভাল গ্ৰন্থবোৰ বুৰাই ৰাখে আৰু আমাৰ সমসাময়িক সমাজত "ক্লাছিক" সৃষ্টিৰ বিপদৰ সম্ভাৱনা উদ্ভৱ কৰে। একোটা সময়ক মনত ৰখা হয় ইয়াৰ "ক্লাছিক" গ্ৰন্থৰ সংখ্যাৰ দ্বাৰা, সংৰক্ষিত গ্ৰন্থবোৰৰ গুণাগুণৰ দ্বাৰা নহয়। তদুপৰি আমাৰ "সামাজিক যুগ"ত আমি একোটা বিষয়ৰ ভূমিকা সম্বন্ধে সমগ্ৰ সমাজৰ স্বাৰ্থৰ ফালৰপৰা বিবেচনা কৰি চোৱা উচিত ; মূলতে স্বাৰ্থ প্ৰণোদিত হৈ সমূহৰ লাভালাভৰ কথা উপেক্ষা কৰা উচিত নহয়।

প্ৰকাশিত গ্ৰন্থ আৰু ইয়াৰ সম্ভাব্য ব্যৱহাৰৰ মাজত সম্পৰ্ক ধাৰ্য কৰি লব পাৰিলেহে পুথিভঁৰালৰ আঁচনি ভালদৰে হাতত লব পৰা যায়। শিক্ষাৰ বিস্তাৰ, গণতন্ত্ৰীকৰণ আদি বাক্যাড়ম্বপূৰ্ণ অস্পষ্ট নীতিৰ আধাৰত এনে আঁচনি হাতত লোৱাটো সম্ভৱপৰ নহয়। গ্ৰন্থপাঠৰো এটা স্বৰূপ আছে, উপেক্ষা কৰিলেই এই স্বৰূপৰ সলনি কৰিব নোৱাৰি।

আটাইবোৰ সামাজিক প্ৰতিষ্ঠানৰ ভিতৰত পুথিভঁৰালৰেই গ্ৰন্থ আৰু ইয়াৰ পাঠকৰ মাজত থকা সম্পৰ্ক সম্বন্ধে আটাইতকৈ অধিক সুস্পষ্ট ধাৰণা থাকে আৰু পুথিভঁৰালেই বৰ্তমান অৱস্থা বিশ্লেষণ কৰি চাই ভৱিষ্যতৰ বাবে আঁচনি যুগুত কৰাৰ আশা কৰিব পাৰে। পুথিভঁৰালৰ উন্নয়নত মৰ্যদাবোধৰ প্ৰশ্নটো উপেক্ষা কৰা অবান্তৰ হব। আটাইতকৈ অধিক শক্তিশালী দেশবোৰে সদায় আটাইতকৈ বৃহৎ পুথিভঁৰাল গঢ়ি তুলিবলৈ চেষ্টা কৰি আহিছে ; কিন্তু আঁচনি যুগুত কৰোঁতে মৰ্যাদাৰ প্ৰশ্নকে আটাই-তকৈ অধিক গুৰুত্ব দিয়া উচিত নহব। পৰোক্ষভাৱে মৰ্যাদা লাভৰ চেষ্টাৰ ফলত পুথিভঁৰালৰ বিকাশত কিছু সহায় হয়। বিৰাট বিৰাট ৰাষ্ট্ৰীয় পুথি-ভঁৰালবোৰৰ মূল্য কেৱে অস্বীকাৰ কৰিব নোৱাৰে, কিন্তু এইবোৰ কাম বিশেষ ধৰণৰ যাক আন ধৰণৰ পুথিভঁৰালৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব নোৱাৰি।

কিন্তু ৰাষ্ট্ৰীয় পুথিভঁৰালৰ দৃষ্টান্ত অনুসৰণ কৰাৰ ফলত আন শ্ৰেণীৰ পুথিভঁৰালবোৰত গ্ৰন্থৰ সংখ্যা অযথা অতিপাত বৃদ্ধি পোৱাৰ লক্ষণ দেখিবলৈ পোৱা যায় ।

আমি এই অধ্যায়ৰ আৰম্ভণিতে উল্লেখ কৰি অহা কেতবোৰ মন্তব্যৰ লগত সম্প্ৰতি কৰা কেতবোৰ মন্তব্যৰ সামঞ্জস্য নথকা যেন লাগিব পাৰে সঁচা । কিন্তু ওপৰৰ পৰা চালেহে তেনে ধাৰণা হব পাৰে, কিয়নো আৰম্ভণিতে পাঠ্য সামগ্ৰী আৰু ব্যৱহাৰকাৰী সম্পৰ্কৰ ওপৰত গুৰুত্ব দি অহা হৈছে আৰু এইটোকে নীতি হিচাপে মনাৰ কথা কৈ অহা হৈছে । এই নীতি সহজ যদিও কেতবোৰ বিশেষ ক্ষেত্ৰত প্ৰয়োগ কৰিবলৈ হলে ই জটিল হৈ পৰে । ইয়াক স্বীকৃত সাধাৰণ দাৰ্শনিক নীতি এটাৰ প্ৰয়োগ বুলিহে ধৰি লোৱা উচিত হব । ইয়াৰ দ্বাৰা এনে আভাস দিবলৈকে চেষ্টা কৰা হৈছে যে বৰ্তমানৰ প্ৰৱণতাৰ দ্বাৰা ভৱিষ্যত বিকাশৰ ইঙ্গিত দেখা যায় । এই স্বৰূপৰ গাঁথনিত অকল সাম্প্ৰতিক বিকাশৰ পৰিণতিবোৰেই অন্তৰ্ভুক্ত হোৱা নাই, ইয়াত আগৰ ভালেখিনি কথাও সামৰি লোৱা হৈছে । ইয়াত সুপৰিকল্পিত সামাজিক উন্নয়নতকৈ সামাজিক বিকাশৰ আভাস পোৱা যাব । .বিকাশৰ সংজ্ঞা ঊৰ্ধগামী ৰেখা নহয়, বক্ৰৰেখাহে ; কিয়নো বিকাশৰ গতি আপেক্ষিক ধৰণৰ । আমি হয়তো এনে এটা সময়ত উপনীত হৈছোঁ যেতিয়া সমাজৰ বহিৰ্বিকাশৰ গতি ঊৰ্ধমুখী, কিন্তু অনিৰ্দিষ্টভাৱে এই বিকাশৰ গতি অব্যাহত থাকিব বুলি ধাৰণা কৰাটো মূলতে ভ্ৰমাত্মক হব ।

মানুহ সম্বন্ধে থকা আমাৰ ধাৰণাৰ ওপৰতে নিৰ্ভৰ কৰিহে আমি আটাইবোৰ সামাজিক প্ৰক্ৰিয়াৰ বিশ্লেষণ কৰিব পাৰোঁ, কিন্তু লাহে-ধীৰেহে মানুহৰ পৰিৱৰ্তন হয় । যদিহে মানুহৰ বুদ্ধিৰ ওপৰত অতি বেছি বোজা জাপি দিয়া হয় তেন্তে তেওঁৰ আবেগ আৰু কল্পনাই প্ৰতিবাদ কৰে আৰু শেহত গৈ মানুহে জীৱনৰপৰা লাভ কৰা সন্তোষৰ মাত্ৰা নিৰ্ভৰ কৰে একালে মানুহৰ আবেগ আৰু প্ৰেৰণা আৰু আনফালে বুদ্ধি আৰু কল্পনাৰ ওপৰত ।

আমি সহজতে পৰিৱৰ্তন লক্ষ্য কৰোঁ মানুহৰ সংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত। মানুহৰ সংখ্যা বৃদ্ধিৰ কাৰণ হ'ল প্ৰাকৃতিক আৰু সামাজিক পৰিৱেশৰ ওপৰত মানুহৰ নিয়ন্ত্ৰণৰ মাত্ৰা বৃদ্ধি, আৰু বোধহয় মানুহৰ সংখ্যা বৃদ্ধি হোৱাৰ ফলতো এইবোৰৰ ওপৰত মানুহৰ আধিপত্যৰ মাত্ৰা বৃদ্ধি পায়। এই সংখ্যা বৃদ্ধিৰ প্ৰশ্নৰ আধাৰত আমি আমাৰ সিদ্ধান্ত নিৰ্ণয় কৰিব পাৰোঁহঁক; কিন্তু লগতে এই কথাও মনত ৰখা উচিত হব যে সুদীৰ্ঘ সময় এছোৱাত এই বৃদ্ধিৰ মাত্ৰা সম্বন্ধে আগতেই নিৰ্ভৰ-যোগ্যভাৱে মতামত স্থিৰ কৰি লব নোৱাৰি আৰু এই বৃদ্ধি সদায় সমানে নাথাকে। কিন্তু দুটা কথাৰ ওপৰত ভেটি কৰি সামাজিক বিৱৰ্তন সম্বন্ধে বিশ্লেষণ কৰাটো সম্ভৱপৰ: সংখ্যা বৃদ্ধি আৰু সামাজিক গঠন-বিন্যাসৰ জটিলতা। এই দুয়োটাৰে ভিতৰতে পাৰস্পৰিক অন্ত-র্নিহিত সম্পৰ্ক থাকে, অৱশ্যে এক প্ৰকাৰে অভিজ্ঞতাৰ আধাৰতহে তাক নিৰ্ণয় কৰিব পৰা যায়।

গ্ৰন্থৰ প্ৰকাশ আৰু পুথিভঁৰালৰ কাম সম্বন্ধে ফঁহিয়াই চোৱাৰ বাবে এই দুটা কথাই যথেষ্ট আৰু এই সম্বন্ধে অভিজ্ঞতালব্ধ তথ্যৰ আধাৰত নিৰ্ভৰযোগ্য ভাৱে বৰ্তমানৰ পৰিস্থিতি পৰ্যবেক্ষণ কৰি ভৱিষ্যতৰ প্ৰৱণতা সম্বন্ধে অনুমান কৰি লব পৰা যায়। কল্পনাপ্ৰসূত নীতিতকৈ ই অধিক গ্ৰহণীয়, কিয়নো এই ক্ষেত্ৰত গৃহীত অমূৰ্ত ধৰণৰ নীতিবোৰত অৱচেতনৰ ইচ্ছাৰহে অভিব্যক্তি দেখা যায় আৰু আমি সম্মুখীন হব-লগীয়া বাস্তৱ পৰিস্থিতিৰ লগত তাৰ সঙ্গতি নাথাকে।

## নৱম অধ্যায়

# ভিন ভিন সাংস্কৃতিক স্তৰত পুথিভঁৰাল

সাধাৰণ মানৱ সমাজত পুথিভঁৰালৰ বিকাশ সম্বন্ধে যুক্তিসঙ্গত ধৰণে বৰ্ণনা দিয়াটো সম্ভৱপৰ নহয়, কিয়নো পৃথিৱীত এনে ধৰণৰ সাংস্কৃতিক অঞ্চল আছে যিবোৰে সমতুল্য বিকাশৰ স্তৰ অতিক্ৰম কৰি গৈছে আৰু এটা অঞ্চলে প্ৰায়ে আনটোৰ ওপৰত কম-বেছি মাত্ৰাত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। মানৱ সমাজে কোনোদিনে অভিন্ন ৰূপত বিকাশ লাভ কৰি অহা নাই; বৰং কেতবোৰ চকুত পৰা অঞ্চল আছে যিবোৰ অঞ্চলৰ বিকাশ দ্ৰুত গতিত সাধিত হৈছে, আন হাতে আকৌ পৃথিৱীৰ আন কিছুমান অংশ তাৰ তুলনাত অচল হৈ ৰৈ গৈছে। সংখ্যা বৃদ্ধিৰ লগত ইয়াৰ সামঞ্জস্য বিধান কৰাটোও সম্ভৱপৰ নহয়, কিয়নো প্ৰায়ে সৰুসুৰা দলে সাংস্কৃতিক বিকাশত উদ্যোগী হৈ নেতৃত্ব গ্ৰহণ কৰে, অৱশ্যে শেহতগৈ ফলপ্ৰদ সংস্কৃতিৰ ফলত সংখ্যা বৃদ্ধিৰ লক্ষণ দেখা যায়। কিন্তু সাংস্কৃতিক বিকাশৰ বিভিন্ন স্তৰ আছে। উচ্চতৰ স্তৰত সামাজিক আৰু প্ৰাকৃতিক পৰিবেশৰ ওপৰত তুলনামূলকভাৱে অধিক আধিপত্য বিস্তাৰ কৰা দেখা যায়; লগতে প্ৰায়েই দেখা যায় যে অপেক্ষাকৃত অনগ্ৰসৰ দেশৰ তুলনাত এনে দেশৰ অধিক ভাগ ৰাইজৰ জীৱন-যাত্ৰাৰ মান উন্নীত হয়, কিন্তু তাৰ অৰ্থ এয়ে নহয় যে অনগ্ৰসৰ দেশবোৰৰ তুলনাত এনে দেশবোৰৰ লোক সংখ্যাও বৃদ্ধি পাইছে। আনহাতে আকৌ লোকসংখ্যাৰ আধিক্যৰ দ্বাৰা অপেক্ষাকৃত অনগ্ৰসৰ দেশবোৰে অগ্ৰসৰ দেশবোৰৰ ওপৰত প্ৰায়ে হেঁচা দিয়াও লক্ষ্য কৰা যায়।

যদিহে আমি মানৱ সমাজক সামগ্ৰিকভাৱে বিবেচনা কৰোঁহক তেন্তে লোকসংখ্যা-বৃদ্ধিক মানৱ জাতিৰ জীৱনী-শক্তিৰ চিন বুলি ব্যাখ্যা কৰিব পাৰি। আৰু যদিহে বিশেষ সংস্কৃতি-ক্ষেত্ৰ আৰু

সংস্কৃতি-স্তৰ সম্বন্ধে বিবেচনা কৰোঁ তেনেহলে সাধাৰণতো সামাজিক আৰু প্ৰাকৃতিক পৰিবেশৰ ওপৰত আধিপত্য বিস্তাৰৰ ফলতে অধিক কাৰ্যকৰীভাৱে লোক-সংখ্যা বৃদ্ধি হোৱাটো লক্ষ্য কৰা যায় আৰু এনে ধৰণৰ সাধাৰণ যুগ একোটাকে এই বিষয়ৰ জোখমাৰি হিচাপে ব্যৱহাৰ কৰিব লাগিব ।

ইয়াকে কৰিলে আমি সামাজিক দলবোৰৰ সামাজিক অভিজ্ঞতাৰ সৰ্বমুঠ পৰিমাণৰ আধাৰত সাংস্কৃতিক স্তৰবোৰৰ প্ৰভেদ ধাৰ্য কৰি লব পাৰো । একোটা সামাজিক দল অতিশয় সফলভাৱে কাৰ্যতৎপৰ হব পৰাকৈ দলীয় জীৱনী শক্তি আৰু দলীয় অভিজ্ঞতা বিকশিত হলে সৰ্বোচ্চ পৰ্যায়ত উপনীত হোৱা দেখা যায় । এফালে অভিজ্ঞতাৰ বৃদ্ধি আৰু আনফালে জীৱনী-শক্তি হ্ৰাস পাই আহিলে আৰু দলৰ সমষ্টিগত মনে সুশৃঙ্খল বা উপযোগী ধৰণে নতুন অভিজ্ঞতাবোৰ ভালদৰে গ্ৰহণ কৰি লব নোৱাৰা হৈ পৰিলে অৱনতিৰ সূচনা হব পাৰে ।

এইটো দেখা-দেখি কথা যে সৰ্বমুঠ সামাজিক অভিজ্ঞতাৰ প্ৰভাৱ ক্ৰমবৰ্ধমান, আৰু এনে অভিজ্ঞতাই মানুহক অপেক্ষাকৃত বৃহৎ আৰু জটিল সামাজিক দল গঢ়ি তোলাৰ ক্ষমতা দান কৰে । এইদৰে পৰিয়াল, গোষ্ঠী বা ৰাষ্ট্ৰৰ নিচিনা কোনো সামাজিক সংস্থা বিশেষক সামাজিক ক্ৰিয়াৰ সাধাৰণ নিৰূপক কেন্দ্ৰ বুলি গণ্য কৰিব নোৱাৰি । কেতিয়াবা হয়তো পৰিয়ালে বা গোষ্ঠীয়ে, কেতিয়াবা আকৌ ৰাষ্ট্ৰ বা আঞ্চলিক দলে সামাজিক ক্ৰিয়াৰ আটাইতকৈ অধিক ভাগ নিয়ন্ত্ৰণ কৰে ।

ৰাষ্ট্ৰই মৌলিক সামাজিক গোট হিচাপে দেখা দিয়াৰ পিচতহে অপেক্ষকৃত অধিক জটিল সামাজিক ব্যৱস্থাৰ উদ্ভৱ হয় আৰু লিপিৰ মাধ্যমেৰে যোগাযোগ স্থাপন সম্বন্ধে বিবেচনা কৰিলে আদিম সাংস্কৃতিক স্তৰবোৰৰ সম্বন্ধে আলোচনা নকৰিলেও চলিব । বাস্তৱতে সভ্যতা বিকাশৰ সাধাৰণ বিৱৰ্তন-পদ্ধতিৰ লগত প্ৰায় সম্পূৰ্ণৰূপে সামঞ্জস্য ৰক্ষা কৰি লিখন আৰু পিচত মুদ্ৰণৰ বিকাশ হয় । প্ৰথমতে নিকট আৰু মধ্য প্ৰাচ্য-ভাৰত আৰু চীনৰ প্ৰাচীন সভ্য সমাজত লিখন আৰু মুদ্ৰণৰ আৱিষ্কাৰ হয় ; তাৰ পিচত গ্ৰীচ আৰু ৰোমে ইয়াক গ্ৰহণ কৰে ; পাশ্চাত্য সভ্যতাবোৰৰ

বিকাশৰ লগে লগে আতো লিখন-আৰু মুদ্ৰণৰ প্ৰৱৰ্তন হোৱা [illegible] বৰ্তমান সময়ত সমসাময়িক বিশ্বৰ সাধাৰণ ৰাষ্ট্ৰ-শক্তি বিন্যাসৰ সমান্তৰালভাৱে এই দুটাৰ বিকাশ চলি আছে। আন আন সাংস্কৃতিক অভিব্যক্তিৰ তুলনাত লিখন আৰু মুদ্ৰণৰ বিকাশৰ গতি মন্থৰ হব পাৰে, কিয়নো সামাজিক অৱস্থাৰ অভিনৱত্বৰ প্ৰত্যক্ষ প্ৰতিক্ৰিয়া স্বৰূপে আৰু ভালেমান ক্ষেত্ৰত নতুন নতুন কাৰিকৰী আৱিষ্কাৰৰ ফলত এইবোৰৰ বিকাশৰ গতি ক্ষিপ্ৰ হব পাৰে।

এইদৰে লিপি আদি আৰু সামাজিক জটিলতাৰ মাজত সক্ৰিয় ধৰণৰ পাৰস্পৰিক সম্পৰ্ক থকা হেতুকে আমি আমাৰ আলোচ্য বিষয় যোগাযোগ পদ্ধতিৰ বিকাশৰ কেতবোৰ স্তৰৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিব পাৰোঁহক। অকল পাশ্চাত্য সভ্যতাৰ বিভিন্ন স্তৰ অনুসৰণ কৰাৰ একো যুক্তি নাই, কিয়নো কেবাটাও প্ৰভাৱশালী সভ্যতাৰ যোগেদি এই বিকাশ সাধন হৈছে।

প্ৰত্যেক সভ্যতাৰ পৰিধিৰ ভিতৰত কেতবোৰ স্তৰৰ পাৰ্থক্য নিৰ্ণয় কৰিব পৰা যায় আৰু সভ্যতাৰ বিকাশতকৈ অধিক বিস্তৃত পৰিধিৰ বিকাশত অৰ্থাৎ বিশ্বসমাজৰ বিকাশত একেবাৰে অভিন্ন ধৰণে নহলেও প্ৰায় তেনে ধৰণেই এই স্তৰবোৰৰে পুনৰাবৃত্তি হোৱা দেখিবলৈ পোৱা যায়। একোটা সামাজিক দলৰ সামাজিক অভিজ্ঞতাৰ আধাৰত এই স্তৰবোৰৰ তাৎপৰ্য ব্যাখ্যা কৰিব পৰা যায়। এই অভিজ্ঞতাৰ মাত্ৰা তেনেই অল্পীয়া হৈ থাকিলে জীৱন-সংগ্ৰামৰ সমস্যাৱলী সম্বন্ধে দলৰ সাধাৰণ প্ৰতিক্ৰিয়া অনিশ্চয়তা, ভয় আৰু দ্বিধাগ্ৰস্ত হৈ থাকে আৰু দলগত মানসিক অভিব্যক্তিত কল্পনাই আপেক্ষিক অধিক মাত্ৰাত প্ৰভাৱ বিস্তাৰ কৰি থাকে। জ্ঞানৰ মৰ্ম হ'ল নিয়মিত আৰু সুশৃঙ্খল অভিজ্ঞতা যাৰ ফলত ভৱিষ্যৎ ঘটনাক্ৰমৰ ওপৰত নিয়ন্ত্ৰণ লাভৰ সম্ভাৱনা থকাটো অনুভৱ কৰা হয়। বিকাশৰ এনে স্তৰত সামাজিক সংগঠন ব্যৱস্থা অপেক্ষাকৃত সবল হৈ থাকে, কিয়নো জটিল সামাজিক যোগাযোগ ব্যৱস্থা গঢ়ি উঠাৰ বাবে তেতিয়াও কাৰিকৰী বিদ্যাৰ যথেষ্ট উন্নতি নহয়। যোগাযোগ ব্যৱস্থা সীমাবদ্ধ হৈ থাকিলে সামাজিক সংগঠনো সীমাবদ্ধ হৈ থাকে।

অকল যেতিয়া জ্ঞানৰ আধাৰত দলগত অভিজ্ঞতা বৃদ্ধি পায়, তেতিয়া সামাজিক আৰু প্ৰাকৃতিক পৰিবেশৰ ওপৰত অধিক নিয়ন্ত্ৰণৰ সম্ভাৱনাৰ ফলত সামাজিক জটিলতা বৃদ্ধি পায় আৰু ক্ৰমে যোগাযোগ পদ্ধতিও জটিল হৈ উঠে।

শেহান্তৰত চূড়ান্ত স্তৰ এটাই দেখা দিয়ে যেতিয়া জ্ঞান বৃদ্ধি নাপায়, কিয়নো দলগত মনৰ স্থিতিস্থাপকতা হ্ৰাস পায়। তেতিয়া জীৱনৰ সমুখত দেখা দিয়া নতুন নতুন প্ৰশ্নৰ সম্মুখীন হয় অনুভূতিসম্পন্ন আৰু কল্পনাপ্ৰৱণ ব্যক্তি বা সৰুসুৰা দলবোৰ, সামগ্ৰিকভাৱে দলে এনে পৰিস্থিতিত সমন্বয় ৰক্ষা কৰি প্ৰতিক্ৰিয়া ব্যক্ত নকৰে।

এই স্তৰবোৰৰ চমু আভাসহে দিয়া হৈছে, কিন্তু এইবোৰে যোগা-যোগৰ পদ্ধতি আৰু তীব্ৰতাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

সামাজিক দলৰ প্ৰতিক্ৰিয়া তীব্ৰভাৱে প্ৰতীকধৰ্মী আৰু কল্পনা-প্ৰৱণ হৈ থাকিলে যোগাযোগ পদ্ধতিও যুক্তিপূৰ্ণতকৈ অধিক কল্পনা-মূলক হয়। আদিম যোগাযোগ পদ্ধতি যে প্ৰত্যক্ষভাৱে অনুভূতিমূলক আছিল তাত সন্দেহ নাই, প্ৰাণী জগতত এই ব্যৱস্থাই চলে আৰু তেতিয়া ভাষাগত শব্দতকৈ ধ্বনিৰেহে অধিক মাত্ৰাত ভাব প্ৰকাশ কৰা হৈছিল, কিন্তু দীৰ্ঘ মিয়াদী প্ৰয়োগৰ কাৰণে হলে কল্পনা অৰ্থাৎ চিত্ৰৰ আশ্ৰয় লবলগীয়া হৈছিল। যোগাযোগৰ মাধ্যমক স্থায়ী ৰূপ দিয়াৰ তেনেই স্বাভাৱিক উপায় হ'ল তাৰ চিত্ৰ অঙ্কণ কৰা। সমসাময়িক পৰিপূৰকধৰ্মী যোগাযোগৰ ক্ষেত্ৰত আকৌ এই কল্পনামূলক পদ্ধতি অনুসৰণ কৰিবলৈ লোৱাটো বিশেষভাৱে লক্ষ্য কৰিবলগীয়া কথা। (ব্যঙ্গচিত্ৰ আৰু ব্যঙ্গ-আলেখ্য বা ষ্ট্ৰিপবোৰত এই ধৰণৰ যোগাযোগ-পদ্ধতি থাকে।)

ইয়াৰ লগতে ইয়াতকৈ অধিক যুক্তিপূৰ্ণ যোগাযোগ-পদ্ধতি আছিল খাঁজ কটা মাৰি। কটকীয়ে মাৰিৰ খাঁজৰ অৰ্থবোৰ মুখস্থ কৰি লৈ গৈছিল ; এই ধৰণৰে আন এবিধ পদ্ধতি আছিল পেৰুৰ কুইপাচ ব্যৱস্থা, ইয়াত খাঁজ কটা মাৰিৰ লগতে মাৰিত বিভিন্ন ৰঙৰ ৰচি লগাই

সি বাৰ্তাৰ আদান-প্ৰদান কৰা হৈছিল, যীশুৰ আমেৰিকাৰ ৰেড ইণ্ডিয়ানসকলৰ ৱাম্পাম্ মালাৰ লগত ইয়াৰ ভালেখিনি সাদৃশ্য আছে।

কিন্তু এইবোৰ যোগাযোগ-পদ্ধতি লিপিৰ বিকাশতকৈ পৃথক ধৰণৰ। বিভিন্ন স্তৰৰ চিত্ৰলিপি, শব্দলিপি আৰু বৰ্ণমালালিপি অতিক্ৰম কৰি বৰ্তমানৰ লিপিসমূহৰ বিকাশ হৈছে (চিত্ৰলিপিবোৰ হ'ল—একক চিত্ৰলিপি, ভাবদ্যোতক চিত্ৰলিপি আৰু প্ৰাচীন মিছৰৰ হাইৰো গ্লীফ্ আদি)।

যেতিয়া একোটা প্ৰতীকে একোটা ভাবৰ সলনি একোটা শব্দহে প্ৰকাশ কৰিবলৈ লোৱা হ'ল, তেতিয়া সি কল্পনাৰ সলনি বুদ্ধি আৰু স্মৰণ শক্তিৰ ওচৰত দাবী কৰিবলৈ আৰম্ভ কৰিলে। অধিক বিকাশৰ ফলত একেটা প্ৰতীককে একে ধৰণৰ ধ্বনিমূলক শব্দৰ বাবে প্ৰয়োগ কৰিবলৈ লোৱা হ'ল, ফলত যোগাযোগ-পদ্ধতি অধিক গতানুগতিক হৈ পৰিল, কিয়নো এতিয়া ব্যক্তিগত সুৰ আৰু ব্যক্তিগত স্বৰ আদিৰ প্ৰভাৱ হ্ৰাস পাই গ'ল। শেহত গৈ ফিনিচীয়সকলে বৰ্ণমালাৰ আৱিষ্কাৰ কৰিলে— এই কথা প্ৰায় আটায়ে জানে। বৰ্ণমালাৰ আৱিষ্কাৰক মানুহৰ আটাইতকৈ উল্লেখযোগ্য উদ্ভাৱন-শক্তিৰ পৰিচায়ক বুলি অভিহিত কৰা হৈছে আৰু মানুহৰ ভাষাক বৰ্ণমালাৰ যোগেদি আংশিকভাৱেহে প্ৰকাশ কৰিব পৰা যায়, তথাপি ই অপৰিৱৰ্তিতভাৱে আজি তিনি হেজাৰ বছৰ ধৰি চলি থকাটোহে আচৰিত কথা। তদুপৰি সাংস্কৃতিক নক্সা ক্ৰমে অধিক জটিল হৈ অহাৰ লগে লগে কথিত শব্দ আৰু লিখিত শব্দৰ মাজৰ সম্পৰ্কবো পৰিৱৰ্তন ঘটি আহিছে আৰু এতিয়া আমাৰ যুগত আকৌ টেলিফোন, ৰেডিঅ', কথাছবি আৰু টেলিভিচনৰ আৱিষ্কাৰৰ ফলত কথিত শব্দই অধিক প্ৰাধান্য লাভ কৰিছে। এইবোৰৰ পটভূমিত এতিয়াও বৰ্ণমালা অপৰিৱৰ্তিত হৈ থকাটো অতিশয় বিস্ময়জনক কথা।

প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে অনুভূতিৰ মাধ্যমেৰে সকলো প্ৰকাৰৰ যোগাযোগ হয়; কিন্তু কথা কোৱাত বা শুনাত স্বাভাৱিক গঠন-বিন্যাসৰ পাৰস্পৰিক সম্পৰ্ক ৰক্ষা কৰি অনুভূতিবোৰৰ কাম চলে; আনহাতে গ্ৰন্থপাঠৰ ফলত এই গঠন-বিন্যাসৰ সম্পৰ্ক ইয়াৰ "স্বাভাৱিক গতি-পথ"ৰপৰা কিছুদূৰ বিচ্যুত হব পাৰে, কিয়নো "চকু আৰু মগজুৰ" যোগা-

যোগ প্ৰকৃতিৰ অভিপ্ৰায়তকৈ কিছু সংক্ষিপ্তভাৱে ঘটিব পাৰে। অৱশ্যে এইটো নতুন নতুন যোগাযোগ-পদ্ধতি উদ্ভাৱনৰ এটা দিশ হিচাপে গণ্য কৰা উচিত হ'ব। আমাৰ মানসিক প্ৰয়োজন-সূচীৰ গুণাগুণ সম্বন্ধে আৰু অধিক তথ্য জানিব পাৰিলেহে এই বিষয়ে আৰু খৰচি মাৰি বিবেচনা কৰিব পৰা যাব।

লিখা-পঢ়াৰ মাধ্যমেৰে যোগাযোগ স্থাপনৰ ফলত নিঃসন্দেহে সামাজিক দলবোৰৰ যুক্তিপূৰ্ণ প্ৰতিক্ৰিয়াৰ মাত্ৰা বৃদ্ধি পাইছে আৰু প্ৰত্যক্ষ আবেগিক আৰু প্ৰতীকগত প্ৰতিক্ৰিয়াৰ মাত্ৰা হ্ৰাস পাইছে। উভয় প্ৰকাৰৰ লক্ষ্য সাধনৰ বাবে লিখিত ভাষাৰো প্ৰয়োগ কৰা হয় আৰু কৰা হৈ আহিছে, কিন্তু তাৰ মুঠ মাত্ৰা হ্ৰাস পাইছে, আৰু ক্ৰমে যুক্তিসম্মত আৰু স্বীকৃত মানৰ যোগাযোগৰ পদ্ধতিৰ অনুসৰণৰ মাত্ৰা দিনক দিনে অতিশয় বৃদ্ধি পাইছে।

প্ৰায় সকলো ঠাইতে এতিয়া ভাবব্যঞ্জক লিপিৰ সলনি ধ্বনিব্যঞ্জক লিপিৰ প্ৰৱৰ্তন হৈছে। অধিক জটিল ধৰণৰ মনোভাব প্ৰকাশৰ প্ৰয়োজন উপলব্ধি কৰা হেতুকেই এইটো হৈছে, সংশ্লিষ্ট সামাজিক দলৰ প্ৰয়োজন-সূচীৰ লগত মূলগত সম্পৰ্কবিহীন সংস্কৃতিৰ কিবা বিকীৰণৰ ফলত এনে হোৱা নাই।

দীৰ্ঘ মিয়াদী আৰু সুদূৰ প্ৰসাৰী যোগাযোগৰ প্ৰয়োজন অনুভৱ কৰা হেতুকেই লিপিবদ্ধ যোগাযোগৰ আৱিষ্কাৰ হয়, অৱশ্যে একোটা সামাজিক দলৰ সংহতিৰ মাত্ৰাৰ লগতো যোগাযোগ-পদ্ধতি প্ৰয়োগৰ সম্পৰ্ক থাকে। যোগাযোগ-পদ্ধতিৰ বিশ্লেষণ কৰোতে তৃতীয় আয়তনপৰিধি স্বৰূপ সামাজিক দূৰত্ব সম্বন্ধে অৱশ্যে বিবেচনা কৰিব লাগিব। সামাজিক দূৰত্বৰ মাত্ৰা বৃদ্ধি পালে যোগাযোগ অধিক প্ৰণালীবদ্ধ হৈ উঠে; কিন্তু যেতিয়া সমাজৰ স্তৰ-ব্যৱস্থাৰ পৰিৱৰ্তন হয় অথবা থানবান হৈ পৰে তেতিয়া অপেক্ষাকৃত কম প্ৰণালীবদ্ধ বা অধিক প্ৰত্যক্ষ যোগাযোগৰ প্ৰয়োজন পুনৰ অধিক মাত্ৰাত অনুভূত হয়। যদিও এই প্ৰক্ৰিয়া সাধাৰণভাৱে সামাজিক বিকাশৰ ইতিহাসত সচৰাচৰতে লক্ষ্য কৰা হয়, তথাপি আমাৰ এই কালছোৱাত ইয়াৰ প্ৰভাৱ যথেষ্ট পৰিলক্ষিত হৈছে। বৰ্তমান যুগত ভালেমান ক্ষেত্ৰতে সামাজিক ঐক্য প্ৰতিষ্ঠিত হৈছে

আৰু লগতে আগৰ সমাজবোৰৰ তুলনাত এতিয়া পৰিপূৰক যোগাযোগ-পদ্ধতিৰ প্ৰভাৱ অধিক বৃদ্ধি পাইছে। বৰ্তমান সমাজৰ চানেকী ধৰণৰ সকলো প্ৰকাৰৰ যোগাযোগ-পদ্ধতি যেনে, বাতৰি কাকত, আলোচনী, ৰেডিঅ', টেলিভিচন, পলায়নবাদী গ্ৰন্থপাঠ আদিক পৰিপূৰক শ্ৰেণীৰ বুলি কব পাৰি; কিন্তু এইবোৰ ব্যৱহাৰৰ একমাত্ৰ হেতু অধিক সামাজিক গতিপূৰ্ণতা আৰু অনবৰত সামাজিক স্তৰৰ পৰিৱৰ্তন বুলি হলে কব নোৱাৰি। লগতে এইটোও উপলব্ধি কৰাটো বিশেষ প্ৰয়োজনীয় যে নিয়ন্ত্ৰণকাৰী দল আৰু জনসাধাৰণৰ সম্পৰ্কও তাৎপৰ্যপূৰ্ণ, আৰু তাৰ ফলত যোগাযোগৰ বিষয়বস্তু আৰু গৃহীত যোগাযোগৰ মাত্ৰা কোনো ৰকমেই অসঙ্গতিপূৰ্ণ হব নোৱাৰে। মানুহে কি পঢ়িবলৈ বিচাৰে আৰু তেওঁলোকক যি পাঠ্য সামগ্ৰী যোগোৱা হয় তাক নিয়ন্ত্ৰণ কৰা প্ৰক্ৰিয়া বৰ খেলিমেলি লগা ধৰণৰ; পৰীক্ষা আৰু ভুলৰ মাধ্যমেৰে অধিক ক্ষেত্ৰত ইয়াৰ কাম চলে।

এই বিষয়ত স্বীকৃত সামাজিক ব্যৱধান আৰু অস্বীকৃত সামাজিক ব্যৱধানে যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে আৰু উপস্থিত পৰিস্থিতিৰ যোগেদিয়ে উভয়ৰ মাজত সমন্বয় সাধিত হয়। সহজ ভাষাত কবলৈ গ'লে উদ্যোক্তা, সামাজিক দল আৰু সম্ভাব্য শ্ৰোতাসকলৰ লক্ষ্য গৈ কোনো অৱস্থাত মিলি গ'লেহে উদ্দেশ্য-প্ৰণোদিত ৰচনাই পাঠক সমাজ লাভ কৰে। উভয় পক্ষৰ লক্ষ্যৰ মাজত মিল নাথাকিলে উদ্দেশ্যমূলক ৰচনা শূন্যতে সৃষ্টি কৰা হয়, তথাপি এনে ধৰণৰ ৰচনা প্ৰায়ে চলি থাকে, কিয়নো ই এটা "মৰ্যাদাসূচক আচৰণ"ত পৰিণত হয়। পাঠকৰ মনলৈ সহজতে এনে দৃষ্টান্ত আহি পৰিব।

সাধাৰণভাৱে যোগাযোগ-পদ্ধতি সম্বন্ধে আলোচনা কৰাটো কৌতূহলপূৰ্ণ হলেও লিপিবদ্ধ যোগাযোগ-পদ্ধতি আৰু এই ক্ষেত্ৰত পুথিভঁৰালৰ ভূমিকা সম্বন্ধে পুনৰ বিবেচনা কৰাটো প্ৰয়োজনীয় হব।

তিনি স্তৰপীয়া সম্প্ৰসাৰিত পৰিধিৰ কালৰপৰা যোগাযোগৰ প্ৰয়োজন অনুভৱ কৰাৰ ফলতে লিপিবদ্ধ ৰচনাৰ উৎপত্তি। এই গুণৰ বাবে, লিপি আৰু ইয়াৰ দ্বাৰা উৎপন্ন সামগ্ৰীয়ে সামাজিক মৰ্যাদা

লাভ কৰে আৰু এই মৰ্যাদা স্থান-কাল-পাত্ৰভেদৰ লগত খাপ খায়। তদুপৰি ইয়েই হ'ল সংৰক্ষণৰ ইচ্ছাৰ মূল ভেটি আৰু মানুহে স্মৃতিসৌধ, সংগ্ৰহালয় আৰু পুথিভঁৰাল স্থাপন কৰি এনে ইচ্ছাক বাস্তৱ ৰূপ দিয়ে। একোটা বিগ্ৰহ, একোজনা দৈৱীপুৰুষ বা ৰজাৰ নামত নিৰ্মিত স্মৃতিসৌধ একোটা সামাজিক দলৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ আটাইতকৈ আকৰ্ষণীয় স্থান। ইয়াৰ আকৰ্ষণ হ'ল ইয়াৰ গঠন-বিন্যাস বা নিৰ্মাণ কৌশল। ই আমাৰ আটাইবোৰ অনুভূতিৰে খোৰাক যোগায়, আনহাতে শিলালিপিৰ পাঠৰ দ্বাৰা আমাৰ একেটা মাথোন অনুভূতিয়ে সঁহাৰি পায়। প্ৰাচীনকালত এটা মুষ্টিমেয় দেশৰ বাবেহে শিলালিপি মূল্যৱান আছিল।

মন্দিৰ আৰু অট্টালিকাবোৰ আছিল দীৰ্ঘ মিয়াদী-প্ৰতীকী যোগাযোগৰ মাধ্যম, তদুপৰি এইবোৰ আন ধৰণৰ যোগাযোগ পদ্ধতিৰো আগাৰত পৰিণত হৈছিল আৰু অপেক্ষাকৃত ক্ষুদ্ৰতৰ দলৰ বাবে এইবোৰৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা অনুভূত হৈছিল। এইবোৰ ঐতিহাসিক আৰু ধৰ্মমূলক হোৱাতকৈ অধিক জ্ঞানমূলক আছিল। প্ৰতীকী ৰচনাই যি মৰ্যাদা লাভ কৰিছিল তাক পিচত বৈজ্ঞানিক ৰচনাৰ ওপৰত ন্যস্ত কৰা হয় আৰু বিষয়বস্তু আৰু প্ৰকাৰৰ ফালৰপৰা এইবিধ ৰচনা তেনেই পৃথক ধৰণৰ যোগাযোগৰ সূত্ৰ হলেও ইয়াকো অনুৰূপে "পৱিত্ৰ" বুলি গণ্য কৰা হৈছিল।

সামাজিক জটিলতা বৃদ্ধি পোৱাৰ লগে লগে ক্ৰমে বিভিন্ন কাম কৰিবলৈ লোৱা হ'ল; অৱশ্যে তাৰো ভালেমান দিনৰ পিচতহে সংগ্ৰহাগাৰ (archive) আৰু পুথিভঁৰালবোৰ আছুতীয়া কৰা হ'ল।

জ্ঞানৰ প্ৰয়োজনৰ ফলতে পুথিভঁৰালৰ উৎপত্তি, মুখ্যতঃ এই প্ৰয়োজনৰ প্ৰভাৱতে পুথিভঁৰাল বিকশিত আৰু সংগঠিত হয় আৰু সমাজত ই এটা বিশিষ্ট স্থান লাভ কৰে। কিন্তু সমাজৰ বিভিন্ন স্তৰত জ্ঞানৰ স্থানো বিভিন্ন ধৰণৰ; তেনেই ধৰ্মভাৱাপন্ন সামাজিক দল এটাত জ্ঞানে যি স্থান পায় সাধাৰণ সমাজ এখনত সি বেলেগ হব আৰু সামাজিক অৰ্থনৈতিক চেতনাৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত সমাজ এখনত জ্ঞানৰ

স্থান হব আন ধৰণৰ। এইদৰে জ্ঞানৰ মূল্যভেদ অনুসৰি একোটা সামাজিক দলত পুথিভঁৰালৰ মূল্যাঙ্কন হয়। প্ৰত্যেক সমাজৰে মূল্যবোধৰ দ্বাৰা জ্ঞানৰ সংজ্ঞা নিৰ্ণীত হয় আৰু প্ৰায়ে ৰাষ্ট্ৰীয় সমাজবোৰত সামাজিক দল-উপদলবোৰৰ মূল্যবোধৰ মাজত সমন্বয় সাধন কৰি জ্ঞানৰ মূল্য নিৰাকৰণ কৰা হয়। গতিকে প্ৰত্যেক বিধ পুথিভঁৰালৰ বুদ্ধিগত আৰু আদৰ্শগত পটভূমি বিশ্লেষণ কৰাটো সম্ভৱপৰ হোৱা উচিত, কিন্তু ইয়াত কেতবোৰ শ্ৰেণীৰ পুথিভঁৰালৰ এইবোৰ স্বৰূপ সম্বন্ধেহে বিবেচনা কৰা যাব পাৰে।

পুথিভঁৰালৰ সামাজিক আৰু আদৰ্শগত পৰিবেশ পৃথক হলেও বিভিন্ন সাংস্কৃতিক স্তৰত বিভিন্ন ধৰণৰ সমাজৰ লগত ইয়াৰ কামৰ সম্পৰ্ক থাকে। এই পুথিৰ আগৰ কেই অধ্যায়মানতে দেখুৱাই অহা হৈছে যে ভক্তিমূলক গ্ৰন্থপাঠৰ প্ৰেৰণাই পুথিভঁৰাল স্থাপনৰ অনুকূলে শক্তিশালী ধৰণৰ প্ৰভাৱ বিস্তাৰ নকৰে, কিয়নো ভক্তিৰ বাবে একে ধৰণৰ মূল্যবোধৰে পুনৰাবৃত্তি কৰা হয় আৰু ইয়াৰ ফলত বুদ্ধিগত কৌতূহলৰ সৃষ্টি নহয়; সংস্কৃতিমূলক অধ্যয়নৰ ফলত ব্যক্তিগত পুথিভঁৰালৰ সৃষ্টি হয় আৰু এনে পুথিভঁৰাল পিচত প্ৰায়ে সাধাৰণ বা পৌৰ পুথিভঁৰালৰ লগত চামিল হয়; সাফল্যমূলক গ্ৰন্থপাঠৰ প্ৰেৰণাৰ ফলত গৱেষণামূলক আৰু বিশেষ ধৰণৰ পুথিভঁৰাল স্থাপিত হৈছে আৰু পৰিপূৰক আৰু অৱসৰ বিনোদনমূলক গ্ৰন্থপাঠৰ প্ৰেৰণাই ৰাজহুৱা পুথিভঁৰালবোৰ গঢ়ি উঠাত বিশেষ বৰঙণি যোগাই আহিছে। সংস্কৃতি আৰু সাফল্যমূলক গ্ৰন্থপাঠৰ ফলত সামাজিক ব্যৱধান বৃদ্ধি পোৱাৰ প্ৰৱণতাই দেখা দিয়ে, আনহাতে আকৌ তথ্যাদি সংগ্ৰহ, পৰিপূৰক আৰু অৱসৰ বিনোদনমূলক গ্ৰন্থপাঠৰ যোগেদি সামাজিক সমতা স্থাপনত সহায় হয়। এনেবোৰ পুথিৰ শৈলী হয় জনপ্ৰিয় ধৰণৰ আৰু বিষয়বস্তুতো সমাজৰ আন অংশই কিদৰে জীৱন নিৰ্বাহ কৰে, বা কৰিছিল অথবা কৰা উচিত সেই কথা প্ৰায়ে দেখুৱাই দিয়া হয়। প্ৰমাণ কৰি দিব নোৱাৰিলেও অন্ততঃ এইদৰে যুক্তি দেখুৱাব পাৰি যে জ্ঞানলাভৰ উদ্দেশ্য নথকাহেঁতেন পিছৰ বিধ গ্ৰন্থপাঠৰ ঠাইত আন ধৰণৰ সামাজিক যোগাযোগ-পদ্ধতিৰ উদ্ভৱ হ'লহেঁতেন। সমাজৰ আগশাৰীৰ দলবোৰৰ

মনন্ত পুথি আৰু পুথিভঁৰালৰ যোগসূত্ৰ সম্বন্ধে এটা বদ্ধমূল ধাৰণা সৃষ্টি হোৱাৰ লগে লগে নতুন নতুন ধৰণৰ গ্ৰন্থপাঠৰ ক্ষেত্ৰতো তাক প্ৰয়োগ কৰা হ'ল। অৱশ্যে সমাজতাত্ত্বিক বিশ্লেষণৰ দ্বাৰা ইয়াৰ বিকল্প সমাধানৰো আভাস পোৱা যাব পাৰে।

এই সমস্যা লৈ অধিক স্পষ্টভাৱে বিবেচনা কৰি চোৱাৰ উদ্দেশ্যে ইয়াত ব্যৱহৃত যোগাযোগ-পদ্ধতিবোৰ বিভিন্ন শ্ৰেণীত ভাগ কৰি দেখুৱালে বুজাত অধিক সুবিধা হব পাৰে :

## যোগাযোগ-পদ্ধতি

| হ্ৰস্ব মিয়াদী<br>কাল, স্থান, পাত্ৰভেদে | মধ্যম মিয়াদী | দীৰ্ঘ মিয়াদী |
|---|---|---|
| দৈনন্দিন সম্পৰ্কত মৌখিক যোগাযোগ। | আলোচনী (সাধাৰণ প্ৰকাৰৰ) | ব্যাপকভাৱে পঠিত ধৰ্মগ্ৰন্থ। |
| টেলিফোনৰ যোগাযোগ। | বাতৰি কাকত (সৰ্বসাধাৰণ পাঠকৰ বাবে গল্প, সম্পাদকীয় মন্তব্য, সংবাদ বিশ্লেষণ)। | তুলনামূলক ধৰণৰ দৰ্শন। |
| অনাত্মীয়ৰ মাধ্যমেৰে যোগাযোগ। | | প্ৰাচীন সাহিত্য |
| তৎকালীন ঘটনা আৰু হ্ৰস্ব মিয়াদী বা বাতৰি থকা বাতৰি কাকত। | পৰিপূৰক ৰচনা। অল্পসৰ বিনোদমূলক ৰচনা। | বাছকবনীয়া বৈজ্ঞানিক ৰচনা। |
| অধিকভাগ চিঠি, পুস্তিকা, পোষ্টকাৰ্ড, বিজ্ঞাপন ইত্যাদি। | পাঠ্য পুথি (প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ)। | বুৰঞ্জী আদি সম্পৰ্কীয় সুপ্ৰসিদ্ধ ভাৱগম্ভীৰ ৰচনা। উচ্চ সঙ্গীতৰ ৰেকৰ্ড। |
| | পুৰণি শাস্ত্ৰৰ বাহিৰে আন আন সাহিত্য। | বিখ্যাত বক্তৃতাৰ ৰেকৰ্ড। |
| | চুটি আৰু মধ্যম ধৰণৰ বিজ্ঞানৰ পুথি। | তথ্য সামগ্ৰী : বিশ্বকোষ, গ্ৰন্থ-পঞ্জী |
| | হ্ৰস্ব মিয়াদী সমস্যা | জীৱন চৰিত্ৰ, |

## যোগাযোগ-পদ্ধতি

| হ্ৰস্ব মিয়াদী | মধ্যম মিয়াদী | দীৰ্ঘ মিয়াদী |
|---|---|---|
| কাল, স্থান, পাত্ৰভেদে | | |
| | সম্পৰ্কীয় চৰকাৰৰ দ্বাৰা প্ৰকাশিত পুথি। | মানচিত্ৰ ইত্যাদি। সংহিতা। |
| | বিশেষ বিশেষ সমস্যা সম্বন্ধে আন্তৰ্জাতিক সংস্থাৰ দ্বাৰা প্ৰকাশিত পুথি। | উৎকৃষ্ট আইনৰ পুথি আৰু গোচৰৰ সংগ্ৰহ দীৰ্ঘ মিয়াদী ধৰণৰ চৰকাৰী গ্ৰন্থ। |
| | কথাছবি আৰু তুলনামূলক বিষয়ৰ ৰেকৰ্ড সংগ্ৰহ। | আন্তৰ্জাতিক সংস্থা-বোৰৰ দ্বাৰা প্ৰকাশিত দীৰ্ঘ মিয়াদী নথি-পত্ৰ। |
| | | সংশ্লিষ্ট সময়ত প্ৰায়ে পঠিত ৰচনাৱলীৰ সংগ্ৰহ (পিচত বুৰঞ্জী আৰু সামাজিক বিজ্ঞান আদিত বিশ্লেষণ কৰাৰ বাবে)। "সাধাৰণ" কথোপকথন টেলিফোনৰ কথোপকথন, চিঠি, পোষ্টকাৰ্ড আদিৰ সংগ্ৰহ (সাংস্কৃতিক বিশ্লেষণৰ উদ্দেশ্যে)। |
| | | ৰাজনৈতিক সভা সমিতি, গণবিক্ষোভ, সংঘৰ্ষ অশান্তি আদিৰ ৰেকৰ্ড গ্ৰহণ। |
| | | তথ্যমূলক সা-সামগ্ৰী; তুলনামূলক বিষয়ৰ কথাছবিৰ সংগ্ৰহ। |

আদি সাংস্কৃতিক স্তৰত দীৰ্ঘ মিয়াদী যোগাযোগ-পদ্ধতিৰ ওপৰত অতিশয় গুৰুত্ব আৰোপ কৰা দেখা যায় আৰু একোটা সাংস্কৃতিক দলৰ অস্তিত্বৰ মাত্ৰা বৃদ্ধি পাই অহাৰ লগে লগে মধ্যম আৰু হ্ৰস্ব মিয়াদী যোগা-যোগ-পদ্ধতিয়ে অধিক গুৰুত্ব লাভ কৰে। আনহাতে আকৌ সামাজিক জটিলতা বৃদ্ধি পাই যোৱাৰ লগে লগে সামাজিক ব্যৱধানৰ মাত্ৰাও বৃদ্ধি পায়। এই ফালৰপৰা চাবলৈ গ'লে সাংস্কৃতিক পৰিপক্কতা লাভ কৰিলে দীৰ্ঘ মিয়াদী যোগাযোগৰ মাধ্যমৰ মাত্ৰা বৃদ্ধি পায়; ইযাৰ প্ৰসাৰতাৰ পৰি-সৰো বাঢ়ে আৰু এইদৰে ইয়াৰ পৰিধি আহল বহল হৈ পৰাৰ লক্ষণ দেখিবলৈ পোৱা যায়। এনেদৰে বাস্তৱতে সাংস্কৃতিক বিকাশৰ অৰ্থ হ'ল কৌতূহলৰ মাত্ৰা বৃদ্ধি—অৱশ্যে ইয়াৰ ফলত আবেগিক তীব্ৰতা হ্ৰাস পোৱাটো সম্ভৱপৰ—আৰু সেয়েহে বোধহয় এনে অৱস্থাত সততে উদ্দেশ্য প্ৰণোদিতভাৱে পুনৰ কেন্দ্ৰীকৰণ, সংহতি-সাধন আৰু সমন্বয় সৃষ্টি কৰাৰ প্ৰয়োজন অনুভূত হয়। সংস্কৃতিৰ বিকাশৰ লগে লগে ব্যক্তি সাধাৰণ আৰু অমূৰ্তভাৱে অধিক মাত্ৰাত সমাজৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিব পাৰে, কিন্তু ব্যক্তি আৰু অপেক্ষাকৃত সৰুসুৰা দলবোৰৰ লগত ব্যক্তিৰ প্ৰত্যক্ষ আনুগত্যৰ মাত্ৰা হ্ৰাস পাই যায়। পাৰ্থক্য বৃদ্ধিৰ এই স্তৰ-বোৰত আকৌ প্ৰায়ে বিৰোধী প্ৰভাৱে বাধা দি থাকে। সামাজিক বিকাশ এটা বৰ অক্ষম ধৰণৰ প্ৰক্ৰিয়া; তথাপি সাধাৰণভাৱে ইয়াৰ লক্ষণবোৰ নিৰ্ভুলভাৱে ধৰিব পাৰি।

পাৰ্থক্য বৃদ্ধিৰ প্ৰক্ৰিয়া যদি পুথিভঁৰালৰ ক্ষেত্ৰতো প্ৰযোজ্য বুলি ধৰি লোৱাটো যুক্তিসাপেক্ষ হয় তেন্তে এই সাধাৰণ নীতি আৰু সংজ্ঞা নিৰাকৰণৰ বাবে অধিক থল নোলাব আৰু মুখ্যতঃ কামৰ ফালৰপৰাহে পুথিভঁৰালৰ বিশ্লেষণ কৰিব লাগিব। আৰু সংস্কৃতিৰ বিকাশৰ লগে লগে পুথিভঁৰালৰ ভূমিকাও অধিক বিশেষ ধৰণৰ হৈ যায়। এইদৰে আদি সাংস্কৃতিক স্তৰত পুথিভঁৰালৰ লক্ষ্য সাধাৰণ ধৰণৰ, কিন্তু পৰৱৰ্তী স্তৰত ইয়াৰ উদ্দেশ্য বাস্তৱ পৰিস্থিতিৰ ফালৰপৰাহে নিৰ্ণয় কৰিব পৰা যায় আৰু ই নিৰ্ধাৰিত হয় পঠন-সামগ্ৰী আৰু পাঠকৰ সম্পৰ্কৰ আধাৰত।

প্ৰাচীন যুগত সংস্কৃতি-জ্ঞান আৰু বিজ্ঞানৰ ভাবধাৰা বিকশি উঠে, কিন্তু আদি মধ্যযুগত গ্ৰন্থপাঠক নৈতিক আৰু আধ্যাত্মিক উন্নয়নৰ সাধন হিচাপেহে গণ্য কৰা হৈছিল। চেণ্ট বেনেডিক্ট সম্প্ৰদায়ত আহাৰৰ সময়ত আৰু পিচত সামূহিকভাৱে গ্ৰন্থপাঠ কৰা হৈছিল। তেনেই দোক-মোকালিতে আৰু আবেলি জিৰণিৰ সময়ত ব্যক্তিগতভাৱে পুথি পঢ়াটো

নিৰ্দিষ্ট কৰা আছিল আৰু নিতৌ ৩।৪ ঘণ্টাকৈ পুথি পঢ়িব লাগিছিল। উপবাসৰ আৰম্ভণিতে আনুষ্ঠানিকভাৱে হাতেলিখা পুথিবোৰ বিলাই দিয়া হৈছিল। প্ৰতিজন সন্ন্যাসীকে আগৰপৰা গুৰিলৈ পঢ়াৰ বাবে গ্ৰন্থাগাৰিকে একোখন পুথি দিছিল। ইয়াত বিকৃত ৰুচিৰ পুথি যোগানৰ প্ৰশ্ন নাছিল। সন্ন্যাসীসকলক নিজাকৈ পুথি ৰাখিবলৈ দিয়া নহৈছিল, গতিকে গ্ৰন্থপাঠৰ একমাত্ৰ উপায় আছিল পুথিভঁৰাল। পুথিভঁৰালত কেইজনমান লেখকৰহে পুথি ৰখা হৈছিল। কিন্তু একোখন পুথিৰ ভালেমান প্ৰতিলিপি আছিল।

মধ্যযুগৰ পুথিভঁৰাল সম্বন্ধে চেৱিলাৰ বিখ্যাত ইচিড'ৰে "ডি লাইব্ৰিচ এট্ অফিছিছ্ এক্লেচিয়াষ্টিটিচ" শীৰ্ষক প্ৰথম গ্ৰন্থ ৰচনা কৰে। তেওঁ "গ্ৰন্থাগাৰ" (bibliotheca) শব্দৰ সংজ্ঞাৰ বিশ্লেষণেৰে পুথিখন আৰম্ভ কৰে আৰু বাইবেলৰ দিনৰেপৰা পুথিভঁৰালৰ ইতিবৃত্ত আলোচনা কৰে আৰু তাৰ পিচত বিভিন্ন প্ৰকাৰৰ গ্ৰন্থ আৰু সেইবোৰৰ নকল যুগুত কৰাৰ সমস্যা সম্বন্ধে ফঁহিয়াই বিবেচনা কৰে। চেৱিলাৰ পুথিভঁৰালৰ ১৫টা শাখা আছিল: ১-২, বাইবেল; ৩-৯, খৃষ্টীয় ধৰ্মগুৰুসকল; ১০, খৃষ্টান কৱিসকল; ১১, বুৰঞ্জীবিদসকল; ১২-১৩, সমসাময়িক লেখকসকল; ১৪, সংহিতাকাৰসকল। প্ৰাচীন যুগৰ একমাত্ৰ সংহিতাকাৰসকলকহে ঠাই দিয়া হৈছিল, কৱিসকলক সম্পূৰ্ণভাৱে বৰ্জন কৰা হৈছিল। ৰচনাবোৰৰ তালিকা যুগুত কৰা হৈছিল প্ৰকাৰভেদে, ব্যক্তিভেদে নহয়। চিকিৎসাশাস্ত্ৰ সম্পৰ্কীয় গ্ৰন্থবোৰ ঔষধালয়ত ৰখা হৈছিল আৰু এই কুঠৰীটো গেলেন আৰু হিপোক্ৰেটিচৰ ছবিৰে সজাই থোৱা হৈছিল।

১২৮৯ চনত পেৰিচৰ চৰবোনত পুথিভঁৰালৰ বিভাজন কৰা হয় আৰু ছপোৱা পুথি ওলোৱালৈকে এই বিভাজন চলি থাকে। সাধাৰণ পুথিভঁৰাল আৰু বিশেষ পুথিভঁৰাল হিচাপে ইয়াক শ্ৰেণীবদ্ধ কৰা হয়। সাধাৰণ পুথিভঁৰালত ৰখা পুথিবোৰ সাধাৰণতে পঢ়িবলৈ পোৱা গৈছিল আৰু এইবোৰক চিৰাচৰিত প্ৰথাৰে শিকলি লগাই ৰখা হৈছিল। বিশেষ পুথিভঁৰালৰ পৰা ঘৰলৈ নি পুথি পঢ়িবলৈ দিয়া হৈছিল; ইয়াত গ্ৰন্থবোৰৰ প্ৰতিলিপি ৰখা হৈছিল আৰু অপেক্ষাকৃত কম জনাজাত পুথিবোৰো ইয়াত সংৰক্ষণ

কৰা হৈছিল। ১৩৮৮ চনত চৰবোনৰ পুথিভঁৰালত ১৭২২ খন হাতেলিখা পুথি আছিল: তাৰে ৩৩০ খন আছিল সাধাৰণ পুথিভঁৰালত আৰু ১০৯০ খন বিশেষ পুথিভঁৰালত।

লাহে লাহে মৰ্যাদালাভৰ প্ৰশ্নটো গুৰুত্বপূৰ্ণ হৈ আহিল। জ্ঞানী পঞ্চম চাৰ্লচৰ (১৩৬৪-১৩৮০) ৰাজ কৰি খৃষ্টাইন ডি পিচানে "ৰজাৰ মনোমোহা পুথিভঁৰাল আৰু বহুমূলীয়া গ্ৰন্থৰাজিৰ গৌৰৱপূৰ্ণ সংগ্ৰহৰ" বৰ্ণনা লিখি থৈ গৈছে! "আটাইবোৰ ধুনীয়াকৈ লিখা আৰু বিচিত্ৰ ধৰণে সুসজ্জিত কৰা হৈছিল। ৰজাৰ বাবে সততে শ্ৰেষ্ঠ লিপিকাৰসকলে কাম কৰিছিল। পুথিভঁৰালপ্ৰকোষ্ঠ আছিল ভব্য আৰু সুদক্ষভাৱে সজ্জিত, কিয়নো ৰজাই সকলো বিষয়তে সৌন্দৰ্য আৰু শৃঙ্খলা ভাল পাইছিল।"

পেট্ৰাৰ্কা আৰু ৰিচাৰ্ড ডি বাৰীৰ (১২৮৯-১৩৪৫) চেষ্টাৰ ফলতো পুথিভঁৰাল গঢ়ি উঠাত যথেষ্ট প্ৰেৰণা পোৱা যায়। ৰিচাৰ্ড ডি বাৰী আছিল ফিলোবিব্লনৰ গ্ৰন্থকাৰ। এই দুজনা লোকৰ ব্যক্তিত্বত সেই যুগৰ দৃষ্টি-ভঙ্গীৰ পৰিৱৰ্তনৰ আভাস পোৱা যায়। ডি বাৰীৰ ব্যক্তিত্ব আছিল মধ্যযুগ আৰু ইয়াৰ কঠোৰ জ্ঞানৰ প্ৰতিনিধিস্বৰূপ, আনহাতে পেট্ৰাৰ্কা আছিল মানৱপ্ৰেমী আৰু তেওঁ সেই যুগৰ বিদ্যাবাগীশসকলৰ (School-men) বিদ্যাক ঘিণ কৰিছিল। ডি বাৰী আছিল গ্ৰন্থ-সংগ্ৰাহক; পেট্ৰাৰ্কা আছিল গ্ৰন্থপ্ৰেমী, তেওঁ পুথিৰ বিষয়বস্তু আৰু আকৃতিৰ দ্বাৰা প্ৰেৰণা লাভ কৰিছিল। কিন্তু সমাজত মৰ্যাদা উচ্চতৰ হোৱা হেতুকে ডি বাৰীৰ অধিক প্ৰভাৱ আছিল আৰু তেওঁ চাৰিওপিনে ইমানবোৰ গ্ৰন্থ থৈছিল যে মানুহে তেওঁৰ কোঠাত সোমাবলৈকে টান পাইছিল। এইদৰে তেওঁ গ্ৰন্থপাঠৰ প্ৰতি যথেষ্ট আগ্ৰহৰ সৃষ্টি কৰিছিল।

ৰিচাৰ্ড ডি বাৰীৰ গ্ৰন্থৰ প্ৰতি "অহৈতুক আকৰ্ষণ" থকা বুলি অভি-যোগ তোলা হৈছিল আৰু এই পাপৰ অভিযোগৰ বিৰুদ্ধে আত্মপক্ষ সমৰ্থন কৰি তেওঁ তেওঁৰ সুবিখ্যাত গ্ৰন্থখন ৰচনা কৰিছিল। অধ্যয়ন আৰু ভক্তি-ভাব বৃদ্ধি কৰাৰ উদ্দেশ্যে তেওঁ অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ বাবে এটা পুথি-ভঁৰাল গঢ়ি তোলাৰ কথা ভাবিছিল। কিন্তু এই কল্পনা বাস্তৱত পৰিণত নহ'ল আৰু তেওঁৰ ১৫০০ খন গ্ৰন্থ নানা প্ৰকাৰে নাইকিয়া হ'ল।

চতুৰ্দশ শতিকাত ডা-ডাঙৰীয়া আৰু সংহিতাকাৰসকলে পুথিভঁৰাল স্থাপন কৰিবলৈ লৈছিল, কিন্তু এই পুথিভঁৰালবোৰৰ আকাৰ সৰু আছিল।

গ্ৰন্থই মানুহৰ অন্তৰত কিদৰে আবেগিক কৌতূহল সৃষ্টি কৰিব পাৰে তাৰে দৃষ্টান্ত হ'ল পেট্ৰাৰ্কা। তেওঁ নিজে গ্ৰীক ভাষা নাজানিছিল, কিন্তু হোমাৰৰ গ্ৰন্থসংগ্ৰহ তেওঁৰ জীৱনৰ বাবে এটা ডাঙৰ আনন্দৰ প্ৰেৰণা আছিল। এইবোৰ গ্ৰন্থ দেখিলেই তেওঁৰ অন্তৰ আনন্দত উৰুলিকৃত হৈ উঠিছিল ; গ্ৰন্থৰ দাতালৈ দিয়া চিঠিত তেওঁ জনাইছিল যে তেওঁ সদায় হোমাৰৰ গ্ৰন্থ হাতত তুলি লয় আৰু একোবাৰ হুমুনিয়াহ কাঢ়ি কয়, "হে মহান্ গ্ৰন্থ, মই যদি তোমাক পাঠ কৰিব পাৰিলোঁহেতেন।"

ইউৰোপৰ আন আন দেশতো নৱন্যাস আৰু মানৱপ্ৰেমৰ আন্দোলনৰ ফলত পুথিভঁৰাল গঢ়ি উঠিছিল। হাঙ্গেৰীৰ বিখ্যাত ৰজা মেথিয়াচ কৰ্ভিনুচে (১৪৫০-১৪৯০) তেওঁৰ স্বদেশক দ্বিতীয় ইটালীত পৰিণত কৰিবলৈ ইচ্ছা কৰিছিল আৰু বুডাত এখন বিশ্ববিদ্যালয়ৰ উপৰিও সেই সময়ৰ এটা বিখ্যাত পুথিভঁৰাল স্থাপন কৰিছিল। পোলেণ্ডত চেমোকৰ গ্ৰেগৰে ক্ৰেকো বিশ্ববিদ্যালয়ত এটা পুথিভঁৰাল গঢ়ি তুলিছিল; আজিকোপতি এই পুথিভঁৰাল সুপৰিচিত হৈ চলি আছে। ৰিফৰ্মেশ্যন বা ধৰ্মসংস্কাৰ-আন্দোলন হোৱা দেশবোৰত পৌৰ পুথিভঁৰালবোৰে প্ৰায়ে মঠ-মন্দিৰৰ গ্ৰন্থসংগ্ৰহবোৰ নিজৰ হাতলৈ নিছিল। সেইহেতুকে জাৰ্মানজাতি-অধ্যুষিত দেশবোৰত আগতিয়াকৈ পৌৰ পুথিভঁৰালবোৰ গঢ়ি উঠাটো লক্ষ্য কৰা যায়। আন আন ক্ষেত্ৰত মঠ-মন্দিৰৰ পুথিভঁৰালবোৰৰ কলেৱৰ হ্ৰাস পোৱাৰ ফলত ৰাজকোঁৱৰ আৰু ডা-ডাঙৰীয়াসকলৰ পুথিভঁৰাল গঢ়ি উঠাত সাহায্য হয়।

"সাৰ্বজনীন পুথিভঁৰাল"ৰ আদৰ্শই প্ৰভাৱ বিস্তাৰ কৰাৰ লগে লগে পুথিভঁৰাল সংগঠনৰ প্ৰতি অধিক দৃষ্টি দিবলৈ লোৱা হয়। আধুনিক গ্ৰন্থ-পঞ্জীৰ প্ৰৱৰ্তক কনৰাড গেচনাৰে তিনি ভাগত পুথিৰ তালিকা যুগুত কৰাৰ পৰামৰ্শ আগবঢ়ায় : (১) বৰ্ণানুক্ৰমিক—লগতে গ্ৰন্থকাৰৰ চমু পৰিচয়মূলক টোকা থাকিব লাগে ; (২) শ্ৰেণীবদ্ধীকৰণ—ইয়াত ২১ টা মুখ্য শাখা থাকিব লাগে আৰু (৩) বিষয়ানুক্ৰমিক—ই হব লাগে শ্ৰেণীবদ্ধ তালিকাৰ সংক্ষিপ্ত ৰূপ।

গেব্রিয়েল নডেৰ "এড্‌ভিচ্‌ পউৰ ড্ৰেচাৰ উন বিব্‌লিওথেক" (১৬২৭) শীৰ্ষক গ্ৰন্থখনে বিশেষ প্ৰসিদ্ধি লাভ কৰে। নডেৰ আদৰ্শত পুথিভঁৰালত অৱসৰ-বিনোদনমূলক পুথিকো সামৰি লবলৈ কোৱা হয় আৰু বাইজৰ বাবে অবাধে পুথিভঁৰাললৈ গৈ গ্ৰন্থপাঠৰ সুযোগ দিবলৈ পৰামৰ্শ আগবঢ়োৱা হয়। সেইদৰে জোহানা হেনৰিখ হটিঙ্গাৰেও "বিৱলিওথেকেৰিউচ কোৱাড্ৰিপাৰ্টিউচ" (১৬৬৪) শীৰ্ষক পুথিখনত এইদৰে যুক্তি দেখুৱায় যে পুথিভঁৰালবোৰ বৰ বেছি ধৰণৰ নিৰ্বাচনমূলক হব নালাগে, বৰং ৰৌ-বৰালি হাত সাৰি যোৱাতকৈ পুঠি-খলিহাৰ টোপেৰে প্ৰথম চিট মাছ ধৰিবলৈ চেষ্টা কৰাই ভাল।

ওঠৰ শতিকাত যুক্তিবাদ আৰু শিক্ষাপ্ৰাপ্তিৰ আদৰ্শ চৰম পৰ্যায়লৈ যাবলৈ ধৰাৰ লগে লগে সাৰ্বজনীনতাৰ আদৰ্শৰো গুৰুত্ব অধিক বৃদ্ধি পাই যায়। জ্ঞানলাভৰ লক্ষ্য অধিক বহুমুখী ধৰণৰ হয় আৰু সেই হেতুকে বিভিন্ন প্ৰকাৰৰ তথ্য-পাতি সংগ্ৰহ কৰাটো প্ৰয়োজনীয় হৈ উঠে। তথাপি ৰাজকীয় আৰু পৌৰ পুথিভঁৰালবোৰৰ সলনি এই কাৰ্যতৎপৰতা বিশ্ববিদ্যালয়ৰ পুথিভঁৰালবোৰলৈ স্থানান্তৰিত হোৱাৰ পিচতো এইদৰে যুক্তি-তৰ্ক উঠা দেখা গ'ল যে বিশ্ববিদ্যালয়ৰ পুথিভঁৰালৰ প্ৰয়োজন কি, নিৰ্দিষ্ট পাঠ্য পুথিবোৰ অধ্যয়ন কৰাই অধিক বাঞ্ছনীয় নহয় জানো? একমাত্ৰ বিশ্ববিদ্যালয়বোৰতে বিদ্যা কেন্দ্ৰীভূত হোৱা নাছিল : ভাল ধৰণৰ পুথিভঁৰাল থকা একোজন পণ্ডিতলোকে বিদ্যা বিস্তাৰত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল, বৰ্তমান সময়লৈকে এইটো চলি আছে। ওঠৰ শতিকাত জাৰ্মানীত ২০০ ৰো অধিক ব্যক্তিগত পুথিভঁৰাল আছিল আৰু সেইবোৰত থকা মুঠ গ্ৰন্থৰ সংখ্যা ২০ হেজাৰৰ পৰা ৩০ হেজাৰলৈকে আছিল।

এই সময়ছোৱাতে গ্ৰন্থৰ সংগ্ৰহৰ প্ৰতি মানুহৰ মাজত দিনক দিনে অধিক আগ্ৰহ বৃদ্ধি পায়; পাণ্ডিত্যই সামাজিক মৰ্যাদা প্ৰতিষ্ঠাত সহায় কৰে আৰু এটা ভাল ধৰণৰ পুথিভঁৰাল থকাটো সামাজিক প্ৰতিষ্ঠাৰ ফালৰপৰা বিশেষ গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হৈছিল। এই বিষয়ত সফল খনিকৰ, বণিক আৰু আন আন ব্যৱসায়ৰ লোকসকলে

ৰাজকোঁৱৰ আৰু ডা-ডাঙৰীয়াসকলৰ দৃষ্টান্ত অনুকৰণ কৰিছিল। পুথিভঁৰাল অপৰিহাৰ্য বুলি বিবেচনা কৰা হৈছিল, কিন্তু অকল এনে এটা পুথিভঁৰালৰ গৰাকী হোৱাটোকে যথেষ্ট বুলি ভবা নহৈছিল, সংগৃহীত পুথিবোৰৰ প্ৰতি আন্তৰিক ৰাপ থকাটো একান্ত প্ৰয়োজনীয় বুলি বিবেচনা কৰা হৈছিল। কথা-বতৰাত বুদ্ধিৰ চিনাকি দিয়াটো আৱশ্যকীয় আছিল আৰু এইদৰে বুদ্ধিৰ পৰিচয় দিব পৰা লোকে প্ৰশংসা লাভ কৰিছিল। এইদৰে তেতিয়াও পুথিভঁৰাল নিৰ্বাচন-মূলকেই আছিল, অৱশ্যে লগে লগে সাৰ্বজনীন ভাবধাৰাও ধীৰে ধীৰে প্ৰবেশ কৰিছিল।

গটফ্ৰাইড্ উইলহেল্ম্ লিবনিজে পুথিভঁৰাল সাৰ্বজনীন কৰি তোলাৰ সপক্ষে প্ৰবলভাৱে যুক্তি দেখুৱাইছিল; তেওঁ প্ৰায়ে বছৰি গ্ৰন্থসংগ্ৰহ কৰিব লাগে বুলি অভিমত প্ৰকাশ কৰিছিল আৰু তেওঁৰ মতে এনে তালিকা "গ্ৰন্থত সন্নিৱিষ্ট মানৱ জ্ঞানৰ সংৰক্ষণভঁৰাল" হোৱা উচিত। ১৬৭৬ চনত লিবনিজক হেনোভাৰ গ্ৰন্থাগাৰিক আৰু চৰকাৰী বুৰঞ্জীবিদ হিচাপে নিযুক্ত কৰা হয়। পিচত তেওঁ উলফেনবুটেল পুথিভঁৰালৰ সঞ্চালক হয় আৰু ইয়াতে তেওঁ বৰ্ণানুক্ৰমিক গ্ৰন্থ-সূচীৰ সৃষ্টি কৰে। সাৰ্বজনীন আদৰ্শৰ সমৰ্থক হলেও লিবনিজে সংখ্যাতকৈ পুথিৰ গুণাগুণৰ ওপৰত অধিক গুৰুত্ব দিহে পুথিভঁৰালৰ মূল্যাঙ্কন কৰিছিল। দেখাত পাণ্ডিত্যৰ ঢোল কোবালেও যিবোৰ পুথিৰ সাৰমৰ্ম একো নাছিল তেনে পুথি তেওঁ সমূলি ভাল নাপাইছিল। তেওঁৰ মতে পুথিভঁৰালৰ শ্ৰেণীভেদ হব লাগে বিষয় (বিশ্ববিদ্যালয়ৰ) আৰু বৃত্তিভেদৰ আধাৰত, ইয়াৰ উপৰি তেওঁ বৰ্ণানুক্ৰমিক গ্ৰন্থ-সূচীত গ্ৰন্থ প্ৰকাশৰ চন আৰু বিষয়বস্তুক্ৰমে পুথিবোৰ জুকিয়াই দেখুৱাটো বিচাৰিছিল।

লিবনিজৰ আদৰ্শ অনুসৰি গ'টিঙ্গেনৰ বিশ্ববিদ্যালয় পুথিভঁৰালটো সংগঠন কৰা হৈছিল; এই পুথিভঁৰাল সেই সময়ৰ এটা আগশাৰীৰ সংস্থা আছিল আৰু জাৰ্মানীৰ বিদ্বান সমাজৰ ওপৰত ই যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছিল।

১৭৮৯ চনত ফৰাচী বিপ্লৱৰ ফলত গীৰ্জাৰ পুথিভঁৰালবোৰ বাজেয়াপ্ত কৰা হয় আৰু দেশত্যাগী লোকসকলৰ গ্ৰন্থাগাৰবোৰো চৰকাৰী সম্পত্তি হয়। ইয়াৰ ফলত নতুনকৈ স্থাপিত ৰাষ্ট্ৰীয় পুথিভঁৰাল আৰু পৌৰ পুথিভঁৰালবোৰৰ কলেৱৰ বৃদ্ধি পায়। এইদৰে আৰ্চেনেল, মেজাৰিন পুথিভঁৰাল আৰু বিব্লিওথেক নেশ্যনেলে ৩00,000 গ্ৰন্থ লাভ কৰে আৰু চেণ্ট জাৰ্মাইন—দেচ-প্ৰেচ, চৰবোন আদি সংস্থাৰ-পৰাও ভালেমান বহুমূলীয়া হাতেলিখা গ্ৰন্থ পোৱা যায়। জাৰ্মানীতো গীৰ্জা আৰু মঠবোৰৰ পুথিভঁৰালবোৰ বাজেয়াপ্ত কৰাৰ ফলত ৰাষ্ট্ৰীয় আৰু পৌৰ পুথিভঁৰালবোবৰ কলেৱৰ বৃদ্ধি পায়।

পুথিভঁৰালৰ কলেৱৰ বৃদ্ধিৰ লগে লগে এইবোৰৰ পৰিচালনা লৈ ভালেমান সমস্যাৰ উদ্ভৱ হয়। জাৰ্মান গ্ৰন্থাগাৰিক শ্ৰেটিঙ্গাৰে তেওঁৰ এখন পুথিত এইদৰে উল্লেখ কৰিছে, "বিস্তৃত পদ্ধতিৰ ভয়াবহ আউল ভাঙি দিব পাৰিলেহে প্ৰকৃত গ্ৰন্থাগাৰ বিজ্ঞানৰ ভেটিত স্থাপন কৰিব পৰা যাব।"

গ্ৰন্থাগাৰৰ ইতিহাসৰ ফালৰপৰা চাবলৈ গ'লে ঊনবিংশ শতিকাৰ দ্বিতীয় ভাগ আৰু কুৰি শতিকাৰ আগ ভাগতে সাধাৰণতে পুথিভঁৰালত সংখ্যা বৃদ্ধিৰ প্ৰৱণতা আটাইতকৈ অধিক পৰিলক্ষিত হয় বুলি কব পাৰি। আংশিকভাৱে ইয়াৰ কাৰণ হ'ল লোকসংখ্যাৰ বৃদ্ধি আৰু আন এটা কাৰণ হ'ল কেন্দ্ৰীকৰণৰ ওপৰত বৰ্ধিত বিশ্বাস।

দৃষ্টান্তস্বৰূপে যুক্তৰাষ্ট্ৰৰ কংগ্ৰেছৰ পুথিভঁৰালত ১৮৯৭ চনত পুথিৰ সংখ্যা আছিল ৮00,000; ১৯৩৯ চনত ইয়াৰ সংখ্যা হয়গৈ ৬,000,000 বো অধিক আৰু বৰ্তমানে ১0,000,000 বো অধিক। কলেৱৰ বৃদ্ধিৰ লগে লগে বিশেষ বিশেষ সংগ্ৰহৰ ব্যৱস্থা কৰিব-লগীয়া হয়, যেনে শ্লাভিক আৰু প্ৰাচ্য ভাষাৰ সংগ্ৰহ, সঙ্গীত, মানচিত্ৰ আৰু মুদ্ৰণ, হাতেলিখা পুথি আৰু দুষ্প্ৰাপ্য গ্ৰন্থ, আৰু হিস্পানী ফাউণ্ডেচন সংগ্ৰহ। তদুপৰি আলোচনা আৰু গ্ৰন্থপঞ্জীৰ ক্ষেত্ৰত পাঠকৰ সাহায্যৰ বাবে নতুন নতুন ব্যৱস্থা কৰিবলগীয়া হয়, ইউনিয়ন তালিকা

আৰু আলোকচিত্ৰৰ. সহায়ত প্ৰতিলিপি যুগুত কৰাবো দিহা কৰিব লগীয়া হয়। যোৱা শতিকাত যুক্তৰাষ্ট্ৰত দহ লাখৰো অধিক গ্ৰন্থবিশিষ্ট ভালেমান পুথিভঁৰাল গঢ়ি উঠে।

আন আন দেশতো সেই একে প্ৰৱণতাকে লক্ষ্য কৰা যায়। যুদ্ধপূৰ্ব জাৰ্মানীত বাৰ্লিনৰ ৰাষ্ট্ৰীয় পুথিভঁৰালত ৩,000,000-ৰো অধিক গ্ৰন্থ আছিল, বাৰ্লিনৰ আন আন পুথিভঁৰালত থকা মুঠ গ্ৰন্থৰ সংখ্যা আছিল ৮,000,000-ৰো অধিক। মিউনিকৰ বেভেৰিয়া ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰত পুথিৰ সংখ্যা ২,000,000-ৰো অধিক হৈছিল, আনহাতে ভিয়েনাৰ জাতীয় পুথিভঁৰাল আৰু ভিয়েনাৰ বিশ্ববিদ্যালয় পুথিভঁৰালৰ প্ৰত্যেকতে দহলাখৰো অধিককৈ পুথি আছিল।

ফ্ৰান্সৰ বিৰলিওথেক নেশ্যনেল পৃথিৱীৰ ভিতৰতে এটা বৃহত্তম গ্ৰন্থাগাৰ; পেৰিচৰ আন আন পুথিভঁৰালৰ মুঠ গ্ৰন্থ-সংখ্যা ৮,000,000-ৰো অধিক হ'ব।

ফ্লোৰেন্স আৰু ৰোমৰ জাতীয় গ্ৰন্থাগাৰ, মিলানৰ এম্ব্ৰ'চিয়ান পুথিভঁৰাল আৰু ভেটিকানৰ গ্ৰন্থাগাৰৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। সেইদৰে স্কেণ্ডিনেভিয়াৰ দেশকেইখন, চুইজাৰলেণ্ড আৰু নেদাৰলেণ্ড আদিৰ পুথিভঁৰালবোৰৰ কলেৱৰো তদনুৰূপে বৃদ্ধি পায়। চোভিয়েট ইউনিয়নত লেলিনগ্ৰেড ৰাজহুৱা পুথিভঁৰাল আৰু লেলিন স্মাৰক গ্ৰন্থাগাৰৰ কলেৱৰ অভাৱনীয়ৰূপে বৃদ্ধি পাইছে আৰু গ্ৰন্থসংখ্যাত এই পুথিভঁৰাল দুটায়ো পছিমীয়া দেশবোৰৰ বৃহত্তম পুথিভঁৰালৰ সমকক্ষ বুলি দাবী কৰে। চীন, ভাৰত আদি দেশতো বিৰাট বিৰাট পুথিভঁৰাল গঢ়ি উঠিবলৈ লৈছে।

এহাতে জাতীয়তাবাদ আৰু আনহাতে গণতান্ত্ৰিক ব্যৱস্থামতে সাধাৰণ ৰাইজৰ মাজতো জ্ঞান বিস্তাৰৰ আৱশ্যক অনুভূত হোৱা হেতুকে পুথিভঁৰালৰ কলেৱৰ এইদৰে বৃদ্ধি পায়। এইদৰে জাতীয় আৰু ৰাজহুৱা পুথিভঁৰালবোৰৰ আটাইতকৈ অধিক বিকাশ হয়, তাৰ পিচতে বিশ্ববিদ্যালয় আৰু বিশেষ গ্ৰন্থাগাৰবোৰৰো উন্নয়ন ঘটে।

এনে ধৰণৰ প্ৰৱণতাবোৰৰ সম্বন্ধে আগতে কেবাবাৰো আলোচনা কৰি অহা হৈছে, গতিকে কুৰি শতিকাৰ মাজ ভাগতো এইবোৰ কিমান দূৰ প্ৰযোজ্য সেই সম্বন্ধে বিবেচনা কৰি চোৱাটো উচিত হব। লগতে ইতিমধ্যে আৰু কিবা প্ৰৱণতা উদ্ভৱ হৈছে নে নাই আৰু তাৰ দ্বাৰাই পুথিভঁৰালৰ ভৱিষ্যৎ বিকাশত সহায় হব পাৰে নে নোৱাৰে সেই সম্বন্ধে বিবেচনা কৰি কোৱাটোও লাভদায়ক হব।

আদিতে পুথিভঁৰাল বিকাশৰ নীতি বৰং সুস্পষ্ট ধৰণৰ আছিল, সাংস্কৃতিক মূল্যবোধ ব্যৱস্থাৰ পৰিধিৰ ভিতৰত যিবোৰ সামগ্ৰী মূল্যবান বুলি বিবেচনা কৰা হৈছিল সেইবোৰ সংৰক্ষণ কৰাই আছিল পুথিভঁৰালৰ লক্ষ্য। এতিয়া অকল দীৰ্ঘ-মিয়াদী যোগাযোগৰ অভিপ্ৰায়েৰে যুগুত কৰা ৰচনাবোৰকে ছপোৱা নহয়, "সম্প্ৰসাৰিত পৰিধি"ৰ সাধাৰণ যোগাযোগৰ সামগ্ৰীবোৰো ছপোৱা হয়, ফলত কিছুদূৰ খেলিমেলিৰ সৃষ্টি হৈছে। পুথি সংৰক্ষিত কৰা উচিত আৰু যি ছপোৱা হয় সি প্ৰয়োজনীয় বুলি আগতে যি এটা ধাৰণা আছিল সি ঊনবিংশ শতিকাৰ দ্বিতীয় ভাগত আৰু কুৰিশতিকাৰ আৰম্ভণিত অচল হৈ গ'ল।

এই সময়ছোৱাৰ আগতে কিছুদূৰ নিৰ্বাচনমূলক ব্যৱস্থা স্বাভাৱিকতে গ্ৰহণ কৰিবলগীয়া হৈছিল, কিয়নো পুথিভঁৰালে যোগান ধৰিছিল শিক্ষিত শ্ৰেণীৰ আৰু শিক্ষিত শ্ৰেণীৰ ছপোৱা পুথিৰ গুণাগুণ আৰু সংৰক্ষণৰ প্ৰয়োজন সম্বন্ধে সুনিশ্চিত অভিমত আছিল। ব্যাপকভাৱে শিক্ষাবিস্তাৰ আৰু মুদ্ৰিত সামগ্ৰীৰ অতিপাত বৃদ্ধিৰ ফলত সংৰক্ষণৰ প্ৰয়োজনৰ সমস্যা সম্পূৰ্ণভাৱে বেলেগ হৈ পৰিছে।

প্ৰয়োজনীয় যোগাযোগৰ সা-সামগ্ৰীবোৰহে ছপোৱা হয় বুলি মানুহৰ মনত যি ধাৰণাৰ সৃষ্টি হৈছিল সি আৰু অচল হৈ পৰিছে আৰু সেইহেতুকে এইবোৰ সামগ্ৰীৰ ক্ষেত্ৰত পুথিভঁৰালৰ কৰ্তব্য সম্বন্ধে পুনৰ বিবেচনা কৰি চোৱাটো প্ৰয়োজনীয় হৈ পৰিছে। তদুপৰি এতিয়া আৰু মানৱ জীৱনৰ কেইটামান কথাতে বৈজ্ঞানিক পদ্ধতি সীমাবদ্ধ কৰি ৰখা নহয়, বাস্তৱতে সম্ভৱপৰ সকলো ক্ষেত্ৰতে ইয়াক প্ৰয়োগ কৰা হয়। গতিকে এনে এটা ধাৰণাৰ সৃষ্টি হৈছে যে প্ৰায়

সকলোবোৰ সা-সামগ্ৰীকে সংৰক্ষণ কৰা উচিত কিয়নো সেইবোৰ সম্বন্ধে বৈজ্ঞানিক অনুসন্ধান চলোৱা যাব পাৰে। এই ধাৰণা আমাৰ সমাজৰ গৃহীত মূল্যবোধ ব্যৱস্থাৰ অঙ্গস্বৰূপ হলেও এই কথাও উপেক্ষা কৰিব নোৱাৰি যে কেতবোৰ ক্ষেত্ৰত বৈজ্ঞানিক দৃষ্টিভঙ্গীতো বাস্তৱৰূপৰ আঁতৰি যাবলগীয়া হয়। ইয়াৰ বাবে আটাইবোৰ সামগ্ৰীৰ সলনি দৃষ্টান্তমূলক সামগ্ৰীবোৰহে প্ৰয়োজন হয়, কিন্তু কোনবোৰ সামগ্ৰীনো প্ৰকৃততে দৃষ্টান্তমূলক আৰু সংৰক্ষণৰ যোগ্য তাক নিৰ্ণয় কৰাটোহে টান কাম।

এই সমস্যা সমাধানৰ এটা উপায় হ'ল দীৰ্ঘ-মিয়াদী, মধ্যম-মিয়াদী আৰু হ্ৰস্ব-মিয়াদী সা-সামগ্ৰীবোৰৰ বিভাজন কৰা। বিভিন্ন প্ৰকাৰৰ পুথিভঁৰালৰ বাবে এইবোৰ সামগ্ৰীৰ গুৰুত্বও বিভিন্ন ধৰণৰ হৈ পৰে, অৱশ্যে এই সম্বন্ধে সাধাৰণ নীতি ধাৰ্য কৰি লোৱাটো একো লাভদায়ক নহব পাৰে, কিন্তু প্ৰত্যেক বিশেষ ধৰণৰ পুথিভঁৰালৰ বাবে এইটো বিশেষ প্ৰয়োজনীয় বুলি অনুভৱ কৰা যাব। এই ধৰণৰ শ্ৰেণীভেদৰ আধাৰত প্ৰত্যেক পুথিভঁৰালে নিজৰ কৰ্তব্য সম্বন্ধে পুনৰ বিবেচনা কৰি চাব পাৰে আৰু বিভিন্ন ধৰণৰ সামগ্ৰী কিমান দিনলৈ সংৰক্ষণ কৰা উচিত সেই সম্বন্ধে সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে। ইয়াৰ ফলত পঠন সামগ্ৰী আৰু পাঠকৰ সম্পৰ্ক অধিক কাৰ্যকৰী ধৰণৰ হব, কিন্তু পাঠকৰ প্ৰয়োজন হলে প্ৰভাৱ কৰিব নোৱাৰিব। গতিকে এই বিষয়ত আন কিবা বাস্তৱ ধৰণৰ জোখমাখি গ্ৰহণ কৰাটো আৱশ্যক হব, কিয়নো দীৰ্ঘ-মিয়াদী দৃষ্টিকোণৰপৰা পাঠকৰ প্ৰয়োজনলৈ বিশেষ মনোযোগ দিবলগীয়া হব পাৰে।

কিন্তু সাৰ্বজনীনতা আৰু নিৰ্বাচনমূলকতাৰ মাজত কিবা সমন্বয় ঘটাবই লাগিব। দীৰ্ঘকালৰ বাবে তাৎপৰ্যমূলক দীৰ্ঘ-মিয়াদী সা-সামগ্ৰী-বোৰ সংৰক্ষণ কৰাই হ'ল পুথিভঁৰালৰ কৰ্তব্য, লাগিলে স্থান-কাল-পাত্ৰ-ভেদৰ ফালৰপৰাই এই তাৎপৰ্য যিয়েই নহওক—এনে এটা অনুভূতিৰ আধাৰতহে এই ক্ষেত্ৰত সমন্বয় সাধন কৰাটো সম্ভৱপৰ। আনবোৰ দৃষ্টা-ন্তমূলক হিচাপেহে সংৰক্ষণৰ যোগ্য: যেনে, ওঁচৰ পত্ৰিকাৰ পদাৰ্থ

বিজ্ঞানৰ পাঠ্যপুথি সংৰক্ষণ কৰা উচিত, কিন্তু আটাইবোৰ পাঠ্যপুথিৰে সংৰক্ষণৰ প্ৰয়োজন নাই। বিশেষ ধৰণৰ পুথিভঁৰালৰ বাবে এনে দৃষ্টান্তমূলক সামগ্ৰী নিৰ্ণয় কৰাটো কঠিন নহয়, আৰু পুথিভঁৰালত নিতৌ এনে জোখমাৰি প্ৰয়োগ কৰা হয়, অৱশ্যে সি সৰ্বসম্মতিক্ৰমে স্বীকৃতি লাভ কৰা নাই।

ততুপৰি এনে এটা নীতি অনুসৰণ কৰিলে অনগ্ৰসৰ দেশবোৰক সাহায্য যোগোৱাত বিশেষ কামত আহিব পাৰে। সমুন্নত দেশবোৰৰ পুথিভঁৰালবোৰে দীৰ্ঘ-মিয়াদী সংৰক্ষণৰ বাবে প্ৰয়োজন বোধ নকৰা পুথিবোৰ ক্ষিপ্ৰতাৰে বাছি উলিয়ালে তেনে পুথিবোৰ বিকাশৰ আদি স্তৰত থকা পুথিভঁৰালবোৰে ব্যৱহাৰ কৰিব পাৰে। আজি পাঁচ বছৰৰ আগতে প্ৰকাশিত এখন পাঠ্যপুথি ক-দেশত এতিয়া আৰু ব্যৱহাৰ কৰা নহব পাৰে, কিন্তু সি খ-দেশৰ বাবে এতিয়াও যথেষ্ট মূল্যৱান হব পাৰে।

এইদৰে সমগ্ৰ বিশ্বৰ বাবে পুথিভঁৰালৰ আঁচনি যুগুত কৰাটো প্ৰয়োজনীয় হব আৰু গঠন-বিন্যাসৰ ফালৰপৰা চাবলৈ গ'লে তেতিয়া অপেক্ষাকৃত কম সময়তে যথেষ্ট সাফল্য অৰ্জন কৰিব পৰা যাব। সাৰ্বজনীনতা লাভৰ বাবে জাতীয় বা আঞ্চলিক প্ৰতিযোগিতা চলি থাকিলে প্ৰকৃত প্ৰয়োজন পূৰণৰ ক্ষেত্ৰত বোধহয় ভালেখিনি পিচ পৰিহে থকা হব, কিয়নো ইয়াৰ ফলত গ্ৰন্থৰ "প্ৰচাৰতকৈ" "দ'ম"হে অধিক বৃদ্ধি পাব। যেতিয়ালৈকে ৰাষ্ট্ৰীয় মৰ্যাদা বৃদ্ধিৰ আকাংক্ষাৰ অঙ্গ হিচাপে পুথিভঁৰাল গঢ়ি তুলিবলৈ চেষ্টা চলাই থকা হয়, তেতিয়ালৈকে পুথিভঁৰালৰ প্ৰকৃত ভূমিকাৰ অৰ্থৰ ফালৰপৰা "উন্নত" হোৱাতকৈ ই অতি উন্নত বা অনুন্নত হৈয়ে থাকিব। পুথিভঁৰালৰ কৰ্তব্য হোৱা উচিত পাঠকৰ প্ৰয়োজন পূৰোৱাৰ উদ্দেশ্যে দীৰ্ঘ-মিয়াদী আৰু মধ্যম-মিয়াদী সামগ্ৰীবোৰ সংৰক্ষণ কৰা, লগতে এই কথালৈকো লক্ষ্য ৰাখিব লাগিব যে ভৱিষ্যৎ বংশধৰসকলৰ প্ৰয়োজন বিভিন্ন ধৰণৰ হব পাৰে, সেইহেতুকে সকলো প্ৰকাৰৰ প্ৰতিনিধিমূলক সা-সামগ্ৰী সংৰক্ষণ কৰাটো আৱশ্যক, কিন্তু আটাইবোৰ সামগ্ৰীকে ৰাখি থোৱাৰ হলে আৱশ্যক নকৰে।

ইয়াৰ অৰ্থ হ'ল এয়ে যে পুথিৰ সংগ্ৰহ বঢ়োৱাতকৈ আয়ৰ প্ৰতি ক্ৰমে অধিক দৃষ্টি দিয়াটো প্ৰয়োজন। বিৰাট বিৰাট ৰাষ্ট্ৰীয় আৰু বিশ্ববিদ্যালয়ৰ পুথিভঁৰালৰ বাবে এই প্ৰশ্নটো কঠিন ধৰণৰ, কিন্তু সততে অধিক ধন মঞ্জুৰী নোপোৱা মজলীয়া ধৰণৰ পুথিভঁৰালৰ বাবে এইটো আৱশ্যকীয় কথা। পুথিভঁৰালত থকা সা-সামগ্ৰীবোৰ অধিক ব্যৱহাৰ কৰিলে তাৰ পৰিচালনা আৰু আন আন আনুষঙ্গিক বিষয়ত কৰা ব্যয়ৰপৰা অধিক আয় হোৱা দেখা যায়, আনহাতে পুথিভঁৰালত পাঠকে অধিক ব্যৱহাৰ নকৰা সা-সামগ্ৰী থুপ খাই পৰিলে আয়ৰ মাত্ৰা কমি যোৱা দেখা যায়।

আনকি গ্ৰন্থপঞ্জী অতিশয় বাহুল্য হৈ পৰাত বাধা দিয়াৰ বাবে দীৰ্ঘ-মিয়াদী আৰু হ্ৰস্ব-মিয়াদী গ্ৰন্থৰ বিভাজন কৰাটো লাভদায়ক হব পাৰে। গ্ৰন্থৰ পৰিচয় সম্বন্ধে প্ৰয়োজনীয় তথ্যাদি জুকিয়াই লৈ সাধাৰণ গ্ৰন্থ-পঞ্জী যুগুত কৰাৰ সলনি বছা বছা গ্ৰন্থৰ পঞ্জী যুগুত কৰি উলিয়াব পৰা যাব।

এইদৰে পুথিভঁৰাল সম্বন্ধে ধাৰণাৰ পৰিৱৰ্তন কৰাটো সম্ভৱপৰ যেন লাগে। বিভিন্ন সাংস্কৃতিক স্তৰত পুথিভঁৰালৰ ভূমিকা আৰু প্ৰভাৱ বিভিন্ন হৈ আহিছে। গতিকে উনবিংশ শতিকাৰ ধাৰণাই স্থায়ী হৈ থাকিব বুলি ভবাৰ একো হেতু নাই। উনবিংশ শতিকাত যুক্তিবাদী দৰ্শনৰ অতিপাত প্ৰভাৱৰ ফলতে পুথিভঁৰাল সম্বন্ধে এনে এটা ধাৰণা বদ্ধমূল হয়, কিন্তু এতিয়া আৰু এই দৰ্শনৰ প্ৰভাৱ নাইকিয়া হৈ গৈছে। এই দৰ্শনে জ্ঞানৰ সামাজিক ভূমিকা অতিৰঞ্জিত কৰি দেখুৱাইছে আৰু এতিয়া ক্ৰমে মানুহে উপলব্ধি কৰি আহিছে যে শেহান্তৰত জ্ঞানৰ বিকাশতকৈ ইয়াৰ সমন্বয় ঘটোৱাৰ বাবেহে আমি অধিক প্ৰয়াস কৰা উচিত। সামাজিক সমন্বয় স্থাপনৰ দৰ্শনে যুক্তিবাদী জ্ঞানৰ ওপৰত অত্যধিক গুৰুত্ব আৰোপ নকৰে, বৰং আমাৰ আবেগিক আৰু আধ্যাত্মিক প্ৰয়োজনৰ প্ৰতিহে ই অধিক সচেতন। আমাক জটিল-তৰ বিশ্ব এখনৰ সলনি এখন সবল বিশ্বৰ হে প্ৰয়োজন।

---

দশম অধ্যায়

# সমসাময়িক সাংস্কৃতিক ব্যৱস্থাত পুথি আৰু পুথিভঁৰালৰ ভূমিকা

সমসাময়িক সাংস্কৃতিক ব্যৱস্থাৰ তালিকা সম্বন্ধে নানা মুনিৰ নানা মত। সমগ্র বিশ্বক পাশ্চাত্য আৰু প্ৰাচ্য মণ্ডল হিচাপে বিভক্ত কৰাটো সহজ হব পাৰে, কিন্তু নিৰ্ভুল নহব। আমাৰ বিশ্বখনৰ বিভিন্ন কালৰ সাংস্কৃতিক আধাৰ নিৰ্ণয় কৰি বিভক্ত কৰিবলৈ বিচাৰিলে আমেৰিকান সভ্যতা, ইউৰোপীয় সভ্যতা, কমিউনিষ্ট সভ্যতা ভাৰতৰ সভ্যতা, মুচলিম সভ্যতা আৰু লেটিন আমেৰিকাৰ সভ্যতাৰ অস্তিত্ব স্বীকাৰ কৰি লব লাগিব। এই ক্ষেত্ৰত চীনক আছুতীয়া ঠাই দিয়া উচিত হব নে নহয় সেই প্ৰশ্ন বৰ্তমান অৱস্থাত নিৰ্ণয় কৰিব নোৱাৰি। ভালেমান বিষয়ত জাপানী সভ্যতাৰ স্বকীয়া বৈশিষ্ট্য আছে, কিন্তু আমাৰ অনুশীলনৰ ফালৰপৰা ইয়াক পছিমীয়া প্ৰভাৱৰ সভ্যতা বুলি গণ্য কৰিব পৰা যায়।

যোৱা তিনি বা চাৰি শতিকা ধৰি পছিমীয়া সভ্যতাৰ বিকাশৰ ফলতে নিঃসন্দেহে গ্ৰন্থ আৰু গ্ৰন্থাগাৰৰ ওপৰত বিশেষকৈ সাফল্যমূলক গ্ৰন্থপাঠৰ ওপৰত ইমান অধিক গুৰুত্ব আৰোপ কৰিবলৈ লোৱা হৈছে। কাৰিকৰী বিদ্যা আৰু বিজ্ঞানৰ বিকাশৰ কাৰণে অকল এটা বিশেষ অধিকাৰ সম্পন্ন নেতৃস্থানীয় দলৰ সলনি সমগ্ৰ জাতিৰ লোকে গ্ৰন্থপাঠ কৰাটো এটা প্ৰয়োজনীয় গুণ বুলি গণ্য কৰা হৈছে। এইটোও স্পষ্ট যে বিভিন্ন প্ৰভাৱৰ সংমিশ্ৰণত এনে বিৱৰ্তণ ঘটিছে; উনবিংশ শতিকাৰ মাজ ভাগৰপৰাই গ্ৰন্থপাঠ প্ৰয়োজনীয় বুলি অনুভূত হৈ আহিছে, গতিকে ক্ষেত্ৰবিশেষতকৈ সাধাৰণভাৱেই ই গুৰুত্বপূৰ্ণ হৈ উঠিছে। পাশ্চাত্য জগতৰ মানুহৰ বাবে ই এটা অভ্যাসত পৰিণত হৈছে, আৰু ইয়াৰ গঠন-বিন্যাসো স্বকীয়া ধৰণৰ; এই ফালৰপৰা চাবলৈ গ'লে আন আন সভ্যতাত

ই অনুৰূপে বিকশি উঠা নাই। সূক্ষ্ম বিজ্ঞান আৰু কাৰিকৰী বিদ্যা সম্বন্ধে জ্ঞানৰ মাত্ৰা বৃদ্ধি পাই অহাৰ লগে লগে অপেক্ষাকৃত মন্থৰ গতিত এই অভ্যাস পাশ্চাত্য দেশবোৰত গঢ়ি উঠে; তাৰ তুলনাত কম সময়ৰ ভিতৰতে অনুৰূপ সাফল্য লাভৰ বাবে চেষ্টা চলোৱা দেশবোৰত এই অভ্যাস ক্ষিপ্ৰ গতিৰে গঢ়ি তুলিবলৈ প্ৰয়াস কৰা হৈছে, কিয়নো এনে দেশবোৰত বলেৰে বা বিশ্বাসেৰে অথবা বিভিন্ন সামাজিক ব্যৱস্থাত উভয় বিধৰ সমন্বয়ৰ দ্বাৰা এনে অভ্যাস গঢ়ি তুলিবলৈ চেষ্টা চলোৱা হৈছে।

পশ্চিম ইউৰোপত ক্ৰমবিকাশ বৰ লাহে-ধীৰে সংঘটিত হয় আৰু জ্ঞানৰ ভূমিকা সম্বন্ধে সকলো কালৰপৰা মূল্যাঙ্কন চলি আহিছে। মধ্যযুগৰ ভক্তিমূলক মনোভাৱৰ ফলত সাত্ত্বিক ভাৱ বিকশি উঠে, আৰু এই দৃষ্টি-ভঙ্গী পশ্চিম ইউৰোপত কোনো সময়তে লোপ পোৱা নাই। গতিকে জ্ঞানৰ মূল্যাঙ্কণ কৰা হয় আহল বহল পৰিপ্ৰেক্ষিতৰ পৰা আৰু এইদৰে তেনেই বাস্তৱধৰণৰ সাফল্যৰ তুলনাত কলাত্মক আৰু বৌদ্ধিক বিকাশক অপেক্ষাকৃত উচ্চ স্তৰত স্থাপন কৰা হয়। কাৰিকৰী দৃষ্টিকোণৰপৰা সামাজিক বিকাশ "ক্ষিপ্ৰ-গামী" হৈ পৰা বৰ্ত্তমানৰ যুগত এনে ধৰণৰ অধিক সমন্বয়মূলক মনোভঙ্গী পশ্চিম ইউৰোপৰ বাবে ক্ষতিকৰ হব পাৰে, কিন্তু আনহাতে অপেক্ষাকৃত আধুনিক সভ্যতাৰ অনুগামীসকলৰ তুলনাত ইউৰোপীয় লোকৰ অন্তৰত জ্ঞানৰ বহুমুখী সম্পৰ্ক আৰু প্ৰভাৱ অধিক বদ্ধমূল হৈ আছে আৰু ইয়াৰ ফলত দীৰ্ঘ-মিয়াদী বিকাশৰ বাবে ই অধিক লাভজনক হোৱাৰ সম্ভাৱনা আছে। ইউৰোপীয় লোকৰ মনত জ্ঞান এটা উপকৰা বস্তু নহয়, ই অন্তৰ্নিহিত গুণ আৰু এইহেতুকেই কলা আৰু দৰ্শনক বিজ্ঞান আৰু কাৰিকৰী বিদ্যাৰ তলতীয়া নকৰাকৈয়ে জ্ঞানৰ লগতে কলা আৰু দৰ্শনৰ বিকাশকো উচিত স্থান দিয়াটো তেওঁলোকৰ পক্ষে সম্ভৱপৰ হৈছে। যুক্তিবাদী মনোভঙ্গীৰ সাফল্যৰ ফলত হয়তো কেন্দ্ৰীভূত সংগঠনৰ সামাজিক প্ৰভাৱৰ ওপৰত অত্যধিক গুৰুত্ব আৰোপ কৰা হৈছে, কিন্তু যোৱা আঢ়ৈ কুৰি বছৰৰ দৰ্শন আৰু সমাজ বিজ্ঞানত কেবাগৰাকীও পাশ্চাত্য পণ্ডিতে যুক্তিবাদ আৰু ইয়াৰ সামাজিক

প্ৰভাৱৰ সীমাবদ্ধতা সুস্পষ্টভাৱে দেখুৱাই দিছে। লগতে এইটোও উল্লেখযোগ্য যে পাশ্চাত্য জগতত ৰাজনৈতিক বিকাশৰ আগতে আৰ্থিক বিকাশ সংঘটিত হয়, আনহাতে আন ভালেমান সভ্যতাতে তাৰ ওলোটাটোহে ঘটিবলৈ লৈছে।

ভিন ভিন দেশত দৰ্শন, সমাজ বিজ্ঞান, ফলিত বিজ্ঞান, সাহিত্য আৰু কলাৰ পাৰস্পৰিক সম্পৰ্ক বিভিন্ন ধৰণৰ, কিন্তু মুঠৰ ওপৰত পশ্চিম ইউৰোপৰ সভ্যতাৰ ক্ষেত্ৰত এই বুলি কব পৰা যায় যে এই সভ্যতাই এইবোৰ বিষয়ৰ আপেক্ষিক স্বতন্ত্ৰতা যথাসম্ভৱ অটুট ৰাখিবলৈ চেষ্টা কৰি আহিছে আৰু অৰ্থনৈতিক অথবা ৰাজনৈতিক প্ৰভাৱৰ আতিশয্যৰপৰা ৰক্ষা কৰিবলৈকো চেষ্টা কৰি আহিছে। অৰ্থনৈতিক প্ৰভাৱবোৰ গুৰুত্বপূৰ্ণ হৈ আহিছে সঁচা, কিন্তু চৰকাৰবোৰে অন্ততঃ নীতিৰ ফালৰপৰা বৌদ্ধিক আৰু কলাত্মক বিকাশৰ অভিব্যক্তি বা প্ৰকাশত বাধ্য বাধকতা আৰোপ নকৰি ক্ৰমবৰ্ধমান আৰ্থিক প্ৰভাৱৰ দ্বাৰা তাত সাহায্য কৰিবলৈহে চেষ্টা কৰি আহিছে।

সভ্যতাৰ ইউৰোপীয় পদ্ধতি হৈছে আটাইতকৈ বহুমুখী, গতিকে গ্ৰন্থউৎপাদন, গ্ৰন্থপাঠ আৰু গ্ৰন্থাগাৰৰ মাজত পাৰস্পৰিক সম্পৰ্ক পৰ্য্যবেক্ষণ কৰাৰ বাবে ইয়েই আটাইতকৈ প্ৰশস্ত গৱেষণাগাৰস্বৰূপ। পশ্চিম ইউৰোপত সকলো প্ৰকাৰৰ ৰচনা, সকলো ধৰণৰ গ্ৰন্থপাঠ আৰু সকলোবকমৰ পুথিভঁৰাল দেখিবলৈ পোৱা যায় আৰু আগৰ অধ্যায়বোৰত সন্নিবিষ্ট তথ্যাদি যদি নিৰ্ভৰযোগ্য বুলি ধৰি লোৱা হয় তেন্তে এইবোৰ ক্ষেত্ৰত ইয়াৰ গুৰুত্ব অতি বেছি।

ইউৰোপৰ ভালেমান চহৰতে কিতাপৰ দোকানৰ সংখ্যা দেখিলে আচৰিত হব লাগে আৰু অনাতাঁৰ, টেলিভিচন, কথাছবি, ভ্ৰমণ আৰু মুকলি পথাৰৰ খেল-ধেমালিৰ প্ৰতিদ্বন্দ্বিতা সত্ত্বেও এইবোৰ দেশৰ মানুহৰ মাজত গ্ৰন্থপাঠৰ অভ্যাস কিমান দকৈ খিতাপি লৈছে ইয়াৰ দ্বাৰা তাৰে প্ৰমাণ পোৱা যায়। দৰাচলতে প্ৰতিবিধ নতুন ধৰণৰ কাৰ্য-তৎপৰতাৰ প্ৰতিধ্বনি গ্ৰন্থ ৰচনা আৰু পাঠৰ ক্ষেত্ৰত প্ৰতিফলিত হয় আৰু বোধহয় এনে কাৰ্য-তৎপৰতাৰ ফলত গ্ৰন্থ-ৰচনাৰ সংখ্যা কমাতকৈ অধিক বৃদ্ধিহে

হয়। বিভিন্ন সভ্যতাত ব্যক্তিৰ কাৰ্য-তৎপৰতাৰ আনুপাতিক গঢ় বিভিন্ন ধৰণৰ হয় আৰু যিবোৰ সভ্যতাত সংস্কৃতি যথেষ্ট বহুমুখী আৰু জীৱন-যাত্ৰাৰ মান সন্তোষজনক তেনে সভ্যতাতে গ্ৰন্থ ৰচনা আৰু গ্ৰন্থপাঠৰ ওপৰত অপেক্ষাকৃত অধিক গুৰুত্ব দিয়া যেন দেখা যায়। সংস্কৃতিয়ে নিজৰ ওপৰুৱা ক্ষমতাৰ কাল অতিক্ৰম কৰাৰ পিচত বোধহয় ইয়াৰ বহুমুখী গুণ বৃদ্ধি পায়, কিয়নো সামাজিক আৰু অৰ্থনৈতিক ক্ষমতা বৃদ্ধিৰ বাবে একাণপতীয়াকৈ চেষ্টা চলালে জীৱনৰ সম্ভৱপৰ সকলো দিশৰ প্ৰতি দৃষ্টি নিবদ্ধ নকৰি কেইটামান দিশৰ ওপৰতহে কেন্দ্ৰীভূত কৰিবলগীয়া হয়। আনহাতে আকৌ সামাজিক জটিলতা বৃদ্ধিৰ ফলত সাফল্যমূলক জ্ঞান সম্পৰ্কীয় ৰচনাৰ মাত্ৰা যে বৃদ্ধি পায় তাত সন্দেহ নাই, কিন্তু এনে অৱস্থাত সাধাৰণ লোক এজনৰ গ্ৰন্থপাঠৰ বাবে আৱশ্যকীয় সময় সীমাবদ্ধ হৈ পৰিব পাৰে।

ইচ্‌ডেলৰ "নেশ্যনেল লাইব্ৰেৰিজ অৱ দি ৱৰ্ল্ড" বা "পৃথিৱীৰ ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰ" শীৰ্ষক পুথিখনত ২১টা অধ্যায় আছে, তাৰে ১৪টা পশ্চিম ইউৰোপৰ গ্ৰন্থাগাৰৰ বিৱৰণ দিয়া হৈছে; এটাত দিয়া হৈছে যুক্ত-ৰাষ্ট্ৰৰ; দুটাত চোভিয়েট ইউনিয়ন আৰু ইয়াৰ প্ৰভৱাধীন দেশবোৰৰ; তিনিটাত লেটিন আমেৰিকাৰ; এটাত চীনৰ আৰু আন এটাত জাপানৰ। তেওঁৰ "ফেমাচ লাইব্ৰেৰিজ অৱ দি ৱৰ্ল্ড" বা "বিশ্বৰ বিখ্যাত গ্ৰন্থাগাৰ" শীৰ্ষক পুথিখনৰ দ্বিতীয় খণ্ডত ইংলেণ্ডৰ তিনিটা, আয়াৰ লেণ্ডৰ এটা, ফ্ৰান্সৰ ৭টা, জাৰ্মানীৰ ৪টা, গ্ৰীচৰ ১টা, ইটালীৰ ৪টা, স্পেইন আৰু পৰ্টুগালৰ ৩টা পুথিভঁৰালৰ বৰ্ণনা দিয়া হৈছে। এইদৰে তেওঁ পশ্চিম ইউৰোপৰ মুঠ ২৩টা পুথিভঁৰালৰ চিনাকি দিছে, আনহাতে তেওঁ কানাডা, অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডৰ ৩টা, পোলেণ্ডৰ ১টা; চোভিয়েট ইউনিয়নৰ ১টা, যুক্তৰাষ্ট্ৰৰ ৬টা অৰ্থাৎ মুঠতে ১১টা পুথিভঁৰালৰ বিৱৰণ সন্নিবিষ্ট কৰিছে।

মধ্যযুগৰপৰা এতিয়ালৈকে চলি থকা পুথিভঁৰালৰ সংখ্যা ক্ৰমঃ পেৰিচৰ চেষ্ট জেনেভিভ, ক্ৰেক'ৰ জেগিয়েল্লস্কা আৰু কেম্ব্ৰিজৰ বিশ্ববিদ্যালয় পুথিভঁৰাল। ফ্লোৰেন্সৰ লৰেণ্‌জিয়ানা পুথিভঁৰাল নৱন্যাস যুগত মেডি-

চিয়ে গঢ়ি তোলে। নব্যযুগত বিৰাট বিৰাট জাতীয় আৰু বিশ্ববিদ্যালয় পুথিভঁৰালবোৰ গঢ়ি উঠে আৰু এইবোৰৰ স্থাপনত ধৰ্ম যাজক আৰু ৰজাসকলে প্ৰায়ে আগভাগ গ্ৰহণ কৰে। উনবিংশ আৰু বিংশ শতিকাত চহকী লোকৰ উদ্যোগত ভালেমান পুথিভঁৰাল স্থাপন কৰা হয়, যেনে মানচেষ্টাৰৰ জন ৰাইলেণ্ডচ্ লাইব্ৰেৰী, এথেনচৰ গেনা ডেঅন আদি আৰু এনড্ৰু কাৰ্ণেগীৰ চেষ্টাতো আন ভালেমান পুথিভঁৰাল গঢ়ি উঠে।

ইউৰোপৰ পুথিভঁৰালবোৰৰ গঢ় অতিশয় বৈচিত্ৰ্যপূৰ্ণ আৰু সুসমৃদ্ধ। ইয়াত আচৰিত হবলগীয়া একো কথা নাই, কিয়নো ইউ-ৰোপীয় সংস্কৃতিৰ চৰম বিকাশৰ সময়তে মুদ্ৰণ-শিল্প আৰু জাতীয় বিজ্ঞান সমূহ বিকশি উঠে আৰু এইদৰে সাফল্যমূলক জ্ঞানৰ অভূতপূৰ্ব বিকাশ সাধন হয়।

যুক্তৰাষ্ট্ৰৰ আৰু চোভিয়েট ইউনিয়নৰ বৃহত্তম গ্ৰন্থাগাৰৰ তুলনাত ইউৰোপৰ বৃহত্তম গ্ৰন্থাগাৰৰ কলেৱৰ সৰু হব পাৰে, তথাপি পশ্চিম ইউ-ৰোপৰ পুথিভঁৰালবোৰে মুঠ গ্ৰন্থসংখ্যা আৰু এইবোৰ দেশত গ্ৰন্থ উৎপাদন আৰু পাঠকৰ সংখ্যাই সুদীৰ্ঘ কাল ধৰি সৃজনধৰ্মী বিকাশৰ সুযোগ প্ৰাপ্ত পৰিপক্ক সংস্কৃতিৰ পৰিচয় দিয়ে।

যুক্তৰাষ্ট্ৰত ইউৰোপীয় সংস্কৃতিৰ দুটা প্ৰভাৱ প্ৰতিফলিত হোৱা নাছিল: তাৰে এটা হ'ল মধ্যযুগৰ ঐতিহ্য আৰু আনটো হ'ল নৱন্যাস আৰু মানৱ প্ৰেম আন্দোলনৰ পৰম্পৰা; এই দুটা প্ৰভাৱে পশ্চিম ইউ-ৰোপৰ সাংস্কৃতিক আদৰ্শৰ গঢ় লোৱাত যথেষ্ট বৰঙণি যোগায়। তথাপি এই কথা মনত ৰখা উচিত হব যে হাৰভাৰ্ড গ্ৰন্থাগাৰ অক্সফোৰ্ডৰ বডে-লিয়ান গ্ৰন্থাগাৰতকৈ বৰ বেছি দিন পিচত স্থাপন কৰা হোৱা নাই। আন-হাতে বৃটিছ মিউজিয়াম স্থাপন কৰাৰ আগতে ইয়েল গ্ৰন্থাগাৰ স্থাপিত হয়। যুক্তৰাষ্ট্ৰত প্ৰথমতে প্ৰধানকৈ ধৰ্মভাৱৰ প্ৰভাৱত পুথিভঁৰাল স্থাপন কৰা হয়: ১৬৩৮ চনত ৰেভাৰেণ্ড জন হাৰভাৰ্ডৰ উদ্যোগ আৰু বদান্যতাৰ ফলত হাৰভাৰ্ড গ্ৰন্থাগাৰৰ সূচনা হয়, তেতিয়া তাত আছিল মুঠতে ৪০০ গ্ৰন্থ আৰু সেইবোৰৰ অধিক ভাগেই আছিল বাইবেলৰ টীকা-টিপ্পনি, পিউৰিটান সম্প্ৰদায়ৰ ধৰ্মোপদেশ আৰু জেচুইট লেখকৰ ৰচনা। অষ্টাদশ

শতিকাৰ শেহলৈকে এই পুথিভঁৰালত মুঠ গ্ৰন্থ-সংখ্যা ১৩,০০০-ৰ অধিক নাছিল আৰু তাৰে প্ৰায় চাৰি ভাগৰ এভাগ আছিল ধৰ্মমূলক। উনবিংশ শতিকাত গ্ৰন্থ-সংখ্যা ক্ষিপ্ৰ গতিৰে বাঢ়িবলৈ আৰম্ভ কৰে আৰু প্ৰায় প্ৰতি কুৰি বছৰে এই সংখ্যা আগৰ দুগুণ হৈ যায়।

১৭০১ চনত ইয়েল বিশ্ববিদ্যালয় পুথিভঁৰাল স্থাপন কৰা হয়। ই বৰ লাহে ধীৰে বাঢ়িবলৈ লয়। ১৭৫৫ চনত ইয়াৰ গ্ৰন্থ-সংখ্যা মুঠতে ৩,০০০ হে আছিল। তাৰে এঘাৰ বছৰৰ পিচত প্ৰেচিডেণ্টে এইদৰে লিখিছিল "আমাৰ এটা ভাল পুথিভঁৰাল আছে, ইয়াত থকা পুথিৰ মুঠ সংখ্যা হ'ব প্ৰায় ৪,০০০। প্ৰাচীন ধৰ্মগুৰু, বুৰঞ্জীবিদ আৰু শাস্ত্ৰকাৰসকলৰ গ্ৰন্থ আৰু ধৰ্ম, ইতিহাস, দৰ্শন আৰু গণিত শাস্ত্ৰ সম্পৰ্কীয় আধুনিক লেখকৰ ভালেমান বাছকবনীয়া ৰচনাৰে এই পুথিভঁৰাল সুসমৃদ্ধ, কিন্তু যোৱা ৩০ বছৰৰ ভিতৰত উৎপাদন হোৱা গ্ৰন্থবোৰৰ বৰ বেছি ইয়াত সংগ্ৰহ কৰা হোৱা নাই।" উনবিংশ শতিকাৰ শেহত এই পুথিভঁৰালৰ গ্ৰন্থ-সংখ্যা ১০০,০০০ হোৱাগৈ নাছিল। কিন্তু কুৰি শতিকাৰ আৰম্ভণিৰ লগে লগে আজিলৈকে ইয়াৰ গ্ৰন্থ-সংখ্যা প্ৰায় ১০০,০০০-ৰপৰা প্ৰায় ২,৫০০,০০০-লৈ বৃদ্ধি পায় আৰু এই সংখ্যা বৃদ্ধিতে যুক্তৰাষ্ট্ৰত গ্ৰন্থাগাৰ আন্দোলনৰ ক্ৰম বিৱৰ্তনৰ সুস্পষ্ট দৃষ্টান্ত দেখিবলৈ পোৱা যায়। ইয়াৰপৰা দেখা যায় যে আৰম্ভণিতে ইউৰোপৰ পুথিভঁৰালৰ তুলনাত যুক্তৰাষ্ট্ৰৰ পুথিভঁৰালবোৰৰ গ্ৰন্থ-সংখ্যা নিচেই কম আছিল কিন্তু শেহত গৈ এই সংখ্যা অতুলনীয় আৰু অধিকো হয়। আন কথাত কবলৈ গলে যোৱা ৫০ বছৰৰ ভিতৰত পশ্চিম ইউৰোপৰ তুলনাত যুক্তৰাষ্ট্ৰত পুথিভঁৰালৰ অগ্ৰগতি প্ৰায়ে অধিক ক্ষিপ্ৰ হৈছে। এইদৰে পুথিভঁৰালৰ বিকাশ আৰু সামগ্ৰিকতাৰে সামাজিক বিকাশৰ মাজত পাৰস্পৰিক সম্পৰ্ক নিৰ্ণয় কৰাটোও সম্ভৱপৰ হৈ উঠিব।

বৰ্ত্তমান বাজহুৱা পুথিভঁৰালৰ ক্ষেত্ৰতো অনুৰূপ বিৱৰ্তনৰ পৰিচয় পোৱা যায়। ১৯০০ চনত ইয়াৰ গ্ৰন্থ-সংখ্যা আছিল প্ৰায় ৬০০,০০০, কিন্তু ১৯৩৫ চনত এই সংখ্যা বাঢ়ি ১,৭০০,০০০ হয়গৈ। ১৯৯৬

চনত নিউয়ৰ্ক ৰাজহুৱা পুথিভঁৰালত সংগৃহীত গ্ৰন্থ-সংখ্যা আছিল ৪৬১,০৫০ আৰু বৰ্তমানে এই সংখ্যা প্ৰায় ৫০ লাখ হৈছেগৈ। বিৰাট বিৰাট মাৰ্কিন পুথিভঁৰালবোৰত ভালেমান বিশেষ বিশেষ সংগ্ৰহ গঢ়ি তোলা হৈছে আৰু প্ৰায়ে এইবোৰে বৰ্তমান যুগৰ ইউৰোপীয় পুথিভঁৰালক চেৰ পেলাব পাৰে।

যুক্তৰাষ্ট্ৰত ক্ৰমে অধিক মাত্ৰাত প্ৰাচীন আৰু দুষ্প্ৰাপ্য সা-সামগ্ৰীবো সংগ্ৰহ কৰিবলৈ লোৱা হৈছে। তাৰে এটা ভাল উদাহৰণ হ'ল— কেলিফৰ্ণিয়াৰ হেনৰী ই. হাটিংটন লাইব্ৰেৰী; ই প্ৰাচীন মুদ্ৰিত গ্ৰন্থ আৰু হস্তলিপিৰ ক্ষেত্ৰত ইউৰোপীয় পুথিভঁৰালবোৰৰ সমকক্ষ।

পুথিভঁৰালক জনপ্ৰিয় আৰু গণতান্ত্ৰিক কৰি তোলাটোৱেই হ'ল এই আন্দোলনত যুক্তৰাষ্ট্ৰৰ আটাইতকৈ উল্লেখযোগ্য বৰঙণি; এতিয়া পুথিভঁৰাল যুক্তৰাষ্ট্ৰত অপৰিহাৰ্য ৰাজহুৱা সংস্থা হৈ উঠিছে আৰু ইয়াক ৰাইজৰ প্ৰয়োজন পূৰণৰ উদ্দেশ্যে সংগঠিত কৰা হৈছে। সাধাৰণ শিক্ষা আৰু জ্ঞান আহৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হেতুকেই যোৱা ৬০-৮০ বছৰৰ ভিতৰত যুক্তৰাষ্ট্ৰৰ পুথিভঁৰালবোৰ ক্ষিপ্ৰ গতিৰে বিকশি উঠিছে। ইউৰোপৰ তুলনাত যুক্তৰাষ্ট্ৰত এই লক্ষ্যবোৰ বোধহয় অধিক প্ৰবল, কিয়নো নানা গোষ্ঠীৰ লোকেৰে গঠীত সমাজৰ বাবে সংহতি-সাধিকা-শক্তি হিচাপে এইবোৰৰ প্ৰয়োজন অধিক অনুভূত হয়। শিক্ষাই এজন মাৰ্কিন লোকক নাগৰিকত পৰিণত কৰে বুলি ভবা হয় আৰু জ্ঞানে আনি দিয়ে উদ্যোগ-প্ৰধান সমাজত "প্ৰতিষ্ঠা" লাভৰ সঁচাৰ কাঠি। মাৰ্কিন সমাজৰ সাধাৰণ বিশ্বাসমতে শিক্ষা আৰু জ্ঞান লাভ "ভাল" কথা, আৰু কেইটামান ধৰ্মসম্প্ৰদায়ৰ বাহিৰে যুক্তৰাষ্ট্ৰত এনে ধাৰণাৰ বিৰুদ্ধে গঢ়ি উঠা আদৰ্শবাদ বা দৰ্শনৰ সংখ্যা তেনেই নগণ্য। তদুপৰি "জ্ঞান" লাভৰ বাবেই ইয়াৰ অনুশীলন কৰা উচিত—এই ধাৰণাও মাৰ্কিন লোকৰ মাজত বদ্ধমূল হৈ পৰিছে। ইয়াতো অৱশ্যে ব্যতিক্ৰমলৈ আঙুলিয়াই দিব পৰা যায়। দৃষ্টান্তস্বৰূপে মাৰ্কিন সাহিত্যই তীব্ৰ প্ৰবৃত্তি আৰু আবেগৰ চিত্ৰ দাঙি ধৰিবলৈ ভাল পায় আৰু সাধাৰণতে চৰিত্ৰ-বোৰক জ্ঞানৰ সংযত প্ৰভাৱেৰে ভাবাক্ৰান্ত নকৰে। এইবোৰ হ'ল পৰি-

পূৰক প্ৰক্ৰিয়াৰ অভিব্যক্তি আৰু ইয়াৰ দ্বাৰা সামাজিক আৰু অৰ্থনৈতিক উন্নতি সম্বন্ধে সাধাৰণ বিশ্বাসৰ একো সালসলনি নঘটে আৰু লগতে এইদৰেও ধাৰণা কৰা হয় যে এনে উন্নতিৰ ফলত আপোনা-আপুনি আবেগৰ ফালৰ অধিক সন্তুষ্টি সাধিত হয়। সামাজিক জটিলতা বৃদ্ধিৰ ফলত ব্যক্তিৰ মাজত সংঘৰ্ষৰ মাত্ৰা বৃদ্ধি পায়; গতিকে এনে ধাৰণা সম্পূৰ্ণভাৱে যুক্তিসঙ্গত নহয় আৰু সেয়েহে তাৰ প্ৰতিকাৰৰ বাবে অগণন পৰিপূৰক কাৰ্যকলাপৰ অনুষ্ঠান কৰা হয় আৰু এইবোৰৰ দ্বাৰা সংঘৰ্ষৰ মাত্ৰা হ্ৰাস পায় বুলি বিশ্বাস কৰা হয়। ইউৰোপৰ তুলনাত যুক্তৰাষ্ট্ৰত এনে কাৰ্যকলাপৰ মাত্ৰা ভালেখিনি বেছি।

সামাজিক শ্ৰেণীভেদ আৰু স্থানভেদৰ আধাৰত যুক্তৰাষ্ট্ৰৰ গতিপ্ৰৱণতাৰ ফলত গ্ৰন্থপাঠৰ অনুকূল পৰিবেশ সৃষ্টি হয় নে নহয় সেইটো ঠাৱৰ কৰা টান। এফালে অপেক্ষাকৃত অধিক সামাজিক গতিশীলতা আৰু সামাজিক সমতাৰ ধাৰণা আৰু আনহাতে তাৰ বিপৰীতে বাস্তৱ ক্ষেত্ৰত সামাজিক শ্ৰেণীভেদৰ জটিলতাৰ ফলত আন আন লোকৰ কাৰ্যকলাপ সম্বন্ধে জনাৰ বাবে সক্ৰিয় কৌতূহল দেখা দিয়ে কিন্তু ইয়াৰ ফলত গ্ৰন্থপাঠৰ সলনি অধিক পৰিমাণে বাতৰি কাকত আৰু আলোচনী পাঠৰ প্ৰয়োজনহে অধিক অনুভূত হয়। শিক্ষাৰ প্ৰতি ধাউতি সুকীয়া ধৰণৰ, কিন্তু শিক্ষাই প্ৰতিফলিত কৰে দেশখনৰ বাস্তৱ প্ৰয়োজনৰ মনোভঙ্গী। ইয়াৰ ফলত পঠনৰ অনুকূল পৰিবেশ সৃষ্টি হয় সঁচা, কিন্তু ভাৰগধুৰ গ্ৰন্থ অধ্যয়নৰ ওপৰত হ'লে তিমান গুৰুত্ব দিয়া নহয়।

প্ৰতিষ্ঠা লাভৰ প্ৰতিযোগিতাৰ প্ৰভাৱত মানুহে বিশেষ ধৰণৰ গ্ৰন্থপাঠ কৰে, আৰু সেয়ে বোধহয় ইউৰোপৰ ৰাজহুৱা পুথিভঁৰালবোৰৰ তুলনাত যুক্তৰাষ্ট্ৰৰ ৰাজহুৱা পুথিভঁৰালবোৰত প্ৰায়ে অধিক ভাৰগধুৰ গ্ৰন্থৰ সংগ্ৰহ কৰা হয়। বাস্তৱ প্ৰয়োজনৰ মনোভঙ্গীৰে গ্ৰন্থপাঠ কৰাৰ এটা সুফল হ'ল এয়ে যে গ্ৰন্থপাঠক এটা সাধাৰণ অভ্যাস স্বৰূপে গণ্য কৰা হয় আৰু শিশু কালৰেপৰা পুথি পঢ়াত উদগনি দিয়া হয়। লগতে আকৌ ব্যক্তি স্বাতন্ত্ৰ্যৰ ওপৰত অধিক গুৰুত্ব দিয়া হেতুকে নিয়ন্ত্ৰণৰ

ৰুচিৰ যোগান ধৰাব উদ্দেশ্যে নানা প্ৰকাৰৰ পুথি প্ৰকাশিত হব পাৰে আৰু দিনক দিনে এনে স্তৰৰ পুথি প্ৰকাশৰ মাত্ৰা অধিক হৈ যাব ধৰিছে ।

কাৰিকৰী বিদ্যাৰ প্ৰতি আগ্ৰহ বৃদ্ধি পোৱাৰ ফলত শোধন প্ৰক্ৰিয়া, প্ৰশাসনীয় সংগঠন আৰু গঠন-বিন্যাসৰ পৰিকল্পনা আদি ব্যৱস্থাৰ উন্নত্ব হৈছে ; এইবোৰে যুক্তৰাষ্ট্ৰৰ গ্ৰন্থাগাৰসমূহত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে আৰু গ্ৰন্থাগাৰ সম্পৰ্কীয় শিক্ষাক্ৰমতো এইবোৰৰ প্ৰভাৱ পৰিলক্ষিত হৈছে । এতিয়া গ্ৰন্থাগাৰিক এজন বিদ্বান লোকতকৈ ক্ৰমে জ্ঞানৰ যন্ত্ৰপাতি সংগঠন-কাৰী কাৰিকৰত পৰিণত হবলৈ লৈছে। আনহাতে, বিশেষীকৰণৰ প্ৰভাৱে এই প্ৰৱণতাৰ বিৰুদ্ধে কাম কৰিছে আৰু বিশেষজ্ঞই এই ক্ষেত্ৰত উপদেষ্টা বা পৰামৰ্শদাতাৰ কাম কৰিছে । কিন্তু এই ক্ষেত্ৰত নৱন্যাস যুগৰ গ্ৰন্থ-প্ৰেমী আৰু সাধাৰণ অৰ্থত জ্ঞানৰ তীব্ৰ সমৰ্থক যুক্তৰাষ্ট্ৰ আৰু ইউৰোপৰ পৰা ক্ৰমে নাইকিয়া হৈ গৈছে ।

অতিশয় জটিল সমাজত সম্মতিৰ প্ৰয়োজন হোৱাত কি পৰিমাণৰ গ্ৰন্থপাঠ কৰা হয় তাতকৈ কেনে ধৰণৰ গ্ৰন্থ পঢ়া হয় তাৰ ওপৰতহে অধিক প্ৰভাৱ বিস্তাৰ কৰে । ইয়াৰ ফলত অতিশয় আবেগপূৰ্ণ ব্যক্তিত্বৰ চিত্ৰ অঙ্কনৰ বাবে পৰিপূৰক প্ৰতিক্ৰিয়া অভিব্যক্ত হোৱাৰ অনুকূল পৰিবেশৰ সৃষ্টি হয় ; ইয়াৰ ফলত মাজে সময়ে তেনেই ব্যক্তিগত আৰু আনকি অস্পষ্ট ধৰণৰ শৈলী সৃষ্টি হোৱাটোও সম্ভৱপৰ হব পাৰে । কিন্তু এনে ক্ষেত্ৰতো এই ধৰণৰ প্ৰতিক্ৰিয়া একে জাতীয় ৰচনাৰ বাহুল্যৰ মাজত লোপ পোৱাৰ বিপদ আছে ; কিন্তু পাঠকৰ কৌতূহল ক্ৰমে হ্ৰাস পাই অহা প্ৰক্ৰিয়াৰ দ্বাৰা এনে বিপদ সীমায়িত হয় । সমাজক আপোনা-আপুনি চলিবলৈ দিলে নিজে নিজৰ সমন্বয় সাধন কৰি লয় । আনহাতে আমি সমাজৰ গতি পৰিচালিত কৰিবলৈ গ'লে অপেক্ষাকৃত অধিক ব্যক্তিত্বৰ প্ৰকাশ আৰু বিকেন্দ্ৰীকৰণৰ বাবে আমি চেষ্টা চলোৱা উচিত হব । এনেয়ে সমাজত প্ৰবল কেন্দ্ৰীকৰণৰ শক্তি নিহিত থাকে আৰু উদ্দেশ্যমূলকভাৱে তাৰ বিপৰীতে প্ৰতিকাৰৰ ব্যৱস্থা লোৱাৰ প্ৰয়োজন হয় । ইয়াৰ তাৎপৰ্য হ'ল এয়ে যে সাহিত্যিক ৰচনা, ব্যক্তিগত পুথিভঁৰাল আৰু সৰুসুৰা সামূহিক কেন্দ্ৰবোৰ গঢ়ি উঠাত উদগনি দিয়াতো আৱশ্যকীয় ক্ৰিয়নো বিৰাট

বিৰাট প্ৰকাশন সংস্থা অথবা বিৰাট কলেৱৰৰ পুথিভঁৰালবোৰৰ দ্বাৰা আমাৰ সামাজিক সমস্যাবোৰৰ সমাধান কৰিব পৰা নহব। বিৰাট বিৰাট পুথিভঁৰালবোৰতো বিকেন্দ্ৰীকৰণৰ প্ৰৱণতা ক্ৰমে অধিক দেখিবলৈ পোৱা গৈছে আৰু আনকি শেহত বিভিন্ন শ্ৰেণীৰ গ্ৰন্থপাঠে গ্ৰন্থাগাৰ সংগঠনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব বুলিও অনুমান কৰিব পৰা অৱস্থা দেখা দিছে।

গ্ৰন্থাগাৰ নীতিৰ ভূমিকা নিৰ্ণয় কৰোতে যদি গুণকে জোখমাৰি হিচাপে ধৰা হয় তেন্তে ১৯৩০ চনত ৰামচে মেকড'নেলেও পুথিভঁৰালৰ লক্ষণৰ বিষয়ে কৰা উক্তি এতিয়াও যথাৰ্থ হব: "আপোনালোকে পুথিভঁৰাল একোটাক কেতবোৰ গ্ৰন্থ সংগ্ৰহ বুলি বিবেচনা কৰাটো মই ইচ্ছা নকৰোঁ। একোটা পুথিভঁৰাল হ'ল বিৰাট মনীষা আৰু প্ৰভাৱশালী মন আৰু প্ৰেৰণাৰ নিবাস স্থল। এটা পুথিভঁৰালত সোমাই পৰকচোন....তাৰ্লৈ গ'লে কিবা নহয় কিবা এটা আবেগ আপোনাৰ মনত উদয় হব..আপোনাৰ জোতাযোৰ সোলোকাই থবলৈ মন যাব, কিয়নো আপুনি খোজ দিয়া ভূমি খিনি পৱিত্ৰ....তাৰ পিচত আপোনাৰ ৰুচিমতে পুথিখন উলিয়াই লওক। আপুনি জ্ঞানৰ সন্ধানত বাহিৰ হৈছেনেকি? তেন্তে আপুনি তাকেই পাব। আপোনাৰ নিষ্কলুষ কল্পনাৰ প্ৰয়োজন হৈছে নেকি? পুথিভঁৰালত বিচাৰিলেই আপুনি তাক পাব পাৰিব। আপোনালোকৰ অধিক ভাগেই অতিশয় স্থূল আৰু আবৰ্জনাময় পৰিবেশত জীৱন কটাবলগীয়া হয়, তেনে পৰিস্থিতিৰপৰা সাময়িক পৰিত্ৰাণ পোৱাৰ বাবে কল্পনা ৰাজ্যত বিচৰণৰ বাবে আপোনালোকৰ ডেউকাৰ আৱশ্যক হৈছে নেকি? যদিহে হৈছে পুথিভঁৰালতে তাক পাব। যেতিয়া সমগ্ৰ বিশ্বজগতকে ঘোৰ তমসাচ্ছন্ন বুলি অনুভূত হয়, যেতিয়া বজ্ৰ কঠোৰ নিয়তিৰ একমাত্ৰ অচঞ্চল পাঞ্জাৰ বিৰুদ্ধে সংগ্ৰাম চলাবলগীয়া হয় তেতিয়া যদি আপোনাৰ বিশ্বাস নৱপ্ৰেৰণাৰে সঞ্জীৱিত কৰাৰ প্ৰয়োজন অনুভৱ কৰে, তেন্তে আহক আৰু নিষ্ঠাৱান মনীষীসকলৰ সঙ্গসুখ লাভ কৰি তেনে প্ৰেৰণা লাভ কৰক; এই মনীষীসকলৰ মাজত আপুনি পাব এনে লোক যি সপোন দেখিছিল, অনুধাৱন কৰিছিল, অজেয় ৰচনাৰ সৃষ্টি কৰিছিল

আৰু মৃত্যুবৰণ কৰিও মন আৰু চিন্তাৰ স্থায়ী আৰু সনাতন ঐশ্বৰ্যশ্ৰীৰ দ্বাৰা নতুন সত্যৰ সন্ধেদ পাইছিল আৰু তেনে মনীষীসকলে তেওঁলোকৰ ওচৰ চাপোতাসকলৰ কাৰণে সুমহান ঐতিহ্য ৰাখি থৈ গৈছে।"

এইদৰে ইয়াত স্পষ্টভাৱে কোৱা হৈছে যে ৰচনাৰ স্থায়ী গুণ হ'ল আন ব্যক্তিৰ অনুকূল আবেগ অভিভূত কৰি তুলিব পৰা শক্তি আৰু সেইটো সম্ভৱ হয় ৰচনা প্ৰধানকৈ ব্যক্তিগত অভিব্যঞ্জনামূলক হলেহে। কিন্তু দিনক দিনে মুঠ ৰচনাৰ ফালৰপৰা চাবলৈ গ'লে এনে গুণবিশিষ্ট ৰচনাৰ সংখ্যা কমি আহিছে। পুথিভঁৰালবোৰে নিজৰ ক্ৰয়নীতিৰ মাধ্যমেৰে গতানুগতিক আৰু একেজাতীয় ৰচনাক নিৰুৎসাহিত কৰাত যথেষ্ট সাফল্য লাভ কৰিব পাৰে।

দৰাচলতে কমিউনিজমৰ প্ৰভাৱত পৰা পছিমীয়া দেশকেইখনত এনে বিপদৰ সম্ভাৱনা দেখা দিছে; কিয়নো এইবোৰ দেশত ব্যক্তিৰ পৰিধি যথাসম্ভৱ সংকীৰ্ণ সামাজিক সীমাত আবদ্ধ ৰখা হৈছে। অৱশ্যে জনসাধাৰণৰ ওপৰত নিয়ন্ত্ৰণকাৰী দলৰ প্ৰভাৱ বিস্তাৰৰো এটা সীমা নোহোৱা নহয় আৰু অৱশেষত আমাৰ সমাজৰ অন্তৰ্নিহিত নীতিৰ গতি নিৰূপণ কৰিব মানুহৰ প্ৰয়োজন-সূচীয়ে, নেতাসকলৰ বিধিবদ্ধ ইচ্ছাই ইয়াক কৰিব নোৱাৰিব।

সামাজিকভাৱে গ্ৰহণৰ সীমা অতিক্ৰম কৰি প্ৰভাৱ বিস্তাৰ কৰিবলৈ গ'লে প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় আৰু প্ৰতিটো বাস্তৱ সামাজিক অৱস্থা হ'ল নিয়ন্ত্ৰণকাৰী দলৰ প্ৰয়াস আৰু তেওঁলোকে জনসাধাৰণৰপৰা লাভ কৰা সঁহাৰিৰ পৰিমাণ বিশেষ। কিন্তু "সামাজিকভাৱে গ্ৰহণযোগ্য" কথাটো স্থায়ী ধৰণৰ নহয়, সাধাৰণভাৱে সাংস্কৃতিক অৱস্থাৰ ওপৰত এইটো নিৰ্ভৰ কৰে।

এটা শক্তিশালী কেন্দ্ৰীকৃত নিয়ন্ত্ৰণ-ব্যৱস্থাসম্পন্ন গতিশীল দলে পৰিবৰ্তনতকৈ সংৰক্ষণ কৰাত অধিক মনোনিবেশ কৰা এটা গতিহীন দলৰ তুলনাত জনসাধাৰণৰপৰা অধিক সঁহাৰি লাভ কৰে। ক্ষমতা তথা আৰ্থিক ব্যৱস্থা গঢ়ি তোলাৰ বাবে কমিউনিজমৰ আদৰ্শ হ'ল সম্পূৰ্ণভাৱে

কেন্দ্ৰীকৰণ; গতিকে স্বতঃসিদ্ধভাৱে এই আদৰ্শবাদে "জ্ঞান"ৰ মূল্যৰ ওপৰত আটাইতকৈ অধিক গুৰুত্ব আৰোপ কৰে ; আনহাতে আকৌ আবেগিক আৰু আধ্যাত্মিক মূল্যৰ গুৰুত্ব লাঘৱ কৰাৰ বাবে চেষ্টা চলায়। এইটো বাধ্যতামূলক ধৰণৰ হৈ পৰে, ফলত আপোনা-আপুনিয়ে তাৰ ক্ষতিপূৰণৰ বাবে চেষ্টা চলাবলগীয়া হয় আৰু নিয়ন্ত্ৰণকাৰী দলেও এই কথা লক্ষ্য নকৰি নোৱাৰে।

চোভিয়েট ইউনিয়নৰ গ্ৰন্থাগাৰৰ বিকাশৰ কেতবোৰ দিশত এই বাদ-প্ৰতিবাদৰ প্ৰত্যক্ষ প্ৰমাণ লক্ষ্য কৰা যায়। পছিমীয়া দেশবোৰৰ তুলনাত চোভিয়েট ইউনিয়নৰ পুথিভঁৰালবোৰত প্ৰাকৃতিক বিজ্ঞান আৰু ৰাজনৈতিক ৰচনাৰ সংগ্ৰহৰ মাত্ৰা অধিক হলেও, সাংস্কৃতিক আৰু পৰিপূৰক গ্ৰন্থপাঠৰ প্ৰয়োজনো তীব্ৰভাৱে অনুভৱ কৰা হয়।

ৰুছ সাহিত্যৰ ডষ্টয়ভস্কি আদি কেইগৰাকীমান আগশাৰীৰ সাহিত্যিকৰ ৰচনা ইতিপূৰ্বে নিষিদ্ধ কৰা হৈছিল, কিন্তু এতিয়া আকৌ তেওঁলোকৰ ৰচনাৰ সমাদৰ হৈছে আৰু পোলেণ্ড আদি দেশত এই ক্ষেত্ৰত অনুসৃত নীতি কিছু উদাৰ কৰি দিয়া হেতুকে তাত চোৰাংচোৱা কাহিনী আৰু উপন্যাস আদিৰ নিচিনা পৰিপূৰক ৰচনাৰ বাবে তীব্ৰ আগ্ৰহ দেখিবলৈ পোৱা গৈছে ; কিন্তু সাধাৰণতে এইবোৰক পছিমীয়া বিকাৰৰ চিন হিচাপেহে গণ্য কৰা হয়।

কিন্তু উপেক্ষা কৰিলেও সামাজিক প্ৰক্ৰিয়াৰ কাম চলি থাকে আৰু সন্দেহ নাই যে একোখন সমাজৰ আদৰ্শবাদ নিকপকপীয়া কৰি তুলিলে বৈচিত্ৰ্যৰ প্ৰয়োজনৰ ওপৰত বিপৰীত ক্ৰিয়াই দেখা দিয়ে ; আনহাতে আকৌ যান্ত্ৰিক আৰু শিল্পপ্ৰধান সমাজত বৈচিত্ৰ্যৰ প্ৰয়োজন আপোনা-আপুনিয়ে অনুভূত হয়। এইদৰে কমিউনিষ্ট দেশবোৰত কলাৰ পৰিপূৰক প্ৰভাৱৰ প্ৰয়োজন নিন্দিত হলেও আদৰ্শবাদৰ সীমাতে কলাক আৱদ্ধ ৰাখিবলৈ চলোৱা চেষ্টাৰ পৰাও একো বিৰাট সাফল্য লাভ কৰিব পৰা হোৱা নাই। মানুহৰ বাবে যে ক্ষতিপূৰণৰ প্ৰয়োজন অন্তৰ্নিহিত সেই কথাটো

উপেক্ষা কৰা হেতুকেই এনে পৰিস্থিতিৰ উদ্ভৱ হয়। সমাজ যিমানেই কঠোৰভাৱে নিয়ন্ত্রিত আৰু কেন্দ্রীভূত হয়, তিমানেই এই প্রয়োজন তীব্র হৈ পৰে।

এই দুটা কথাই অর্থাৎ এহাতে চৰকাৰী আৰু আদর্শগতভাৱে জ্ঞানৰ ওপৰত দিয়া গুৰুত্ব আৰু আনহাতে অনিচ্ছাসত্ত্বেও পৰিপূৰক আৰু সংস্কৃতিমূলক গ্রন্থপাঠৰ প্রয়োজন স্বীকাৰ কৰি লোৱাটোৱে গ্রন্থাগাৰৰ বিকাশত সহায় কৰে, আৰু "জাতীয়মর্যাদাৰ" প্রশ্নও এই বিষয়ত সহায়ক হয়। চোভিয়েট ইউনিয়নৰ পুথিভঁৰালবোৰে বিশ্বৰ ভিতৰতে আটাইতকৈ ডাঙৰ হবলৈ চেষ্টা চলাই আছে, অন্ততঃ এই বিষয়ত উদ্দেশ্যৰ সমন্বয়ৰ প্রভাৱত সুফল লাভ কৰা যাব; কিন্তু উদ্দেশ্য-প্রণোদিতভাৱে ক্ষিপ্রগতিত বিকাশ সাধন কৰিবলৈ লোৱা হেতুকে নিঃসন্দেহে পুথিভঁৰালৰ বিকাশ একপক্ষীয় ধৰণৰ হব, কেতবোৰ পছিমীয়া দেশতো খৰতকীয়াভাৱে বিকাশ সাধনৰ ফলত এনে অৱস্থা পৰিলক্ষিত হৈছে। পঠন-সামগ্রী আৰু পাঠকৰ মাজত সন্তোষজনক সক্রিয় সম্পর্ক স্থাপনৰ প্রশ্নটো খুটিনাটি ধৰণৰ; পুথিভঁৰালত গ্রন্থ-সংগ্রহৰ মাত্রা এটা নির্দিষ্ট সীমাত উপনীত হলে এই সম্পর্কৰ প্রশ্নৰ গুৰুত্ব লক্ষ্য কৰা যাব। কিন্তু এই বিকাশ আজি কিছুদিনৰপৰাহে আৰম্ভ হৈছে, গতিকে এই ক্ষেত্রত আন আন দেশৰ অভিজ্ঞতাৰপৰা লাভবান হোৱাৰ সুবিধা আছে।

লগতে এই কথাও মনত ৰখা উচিত হ'ব যে কমিউনিজম প্রৱর্তনৰ আগতেও এই দেশবোৰত ভালেমান বহুমূলীয়া পুথিভঁৰাল আছিল আৰু ভিন ভিন দেশত এই পুথিভঁৰালবোৰৰ গুৰুত্বও বিভিন্ন ধৰণৰ আছিল।

বিপ্লৱৰ আগতে ৰাছিয়াত পাঠকৰ সংখ্যা আছিল কম, (১৮৯৭ চনত এই দেশৰ শতকৰা ৭০ ভাগ মুনিহ আৰু শতকৰা ৮৭ ভাগ তিৰোতা নিৰক্ষৰ আছিল) গতিকে পুথিভঁৰালৰ বিকাশৰ গতিও আছিল মন্থৰ, আৰু অষ্টাদশ শতিকালৈকে পুথিভঁৰাল আন্দোলনে বাস্তৱতে একো গাকে কৰিব পৰা নাছিল। এই সময়ত স্থাপিত দুটা পুথিভঁৰাল পিচত

জনাজাত হৈ পৰে। তাৰে এটা হ'ল পিটাৰচ্‌বুর্গৰ বিজ্ঞান একাডেমী আৰু আনটো হ'ল পিটাৰচ্‌বুর্গৰ ৰাজহুৱা পুথিভঁৰাল। প্ৰথমটোত ১৯১৪ চনত প্ৰায় ৫০০,০০০ খন আৰু দ্বিতীয়টোত প্ৰায় দহলাখ পুথি আছিল। মস্কোৰ ৰুমিয়ানকভ সংগ্ৰহালয়ৰ পুথিভঁৰালত প্ৰথম মহাসমৰৰ আগতে প্ৰায় পাঁচলাখ পুথি আছিল। পিচত ইয়াকে লেনিন গ্ৰন্থাগাৰ নাম দি জাতীয় পুথিভঁৰাল হিচাপে গঢ়ি তোলা হয়।

বিপ্লৱৰ ফলত অভূতপূৰ্ব ক্ষিপ্ৰতাৰে গ্ৰন্থ-উৎপাদনৰ সংখ্যা বৃদ্ধি পায়, পুথিভঁৰালৰ সংখ্যা আৰু আকাৰ, কৰ্মচাৰী আৰু পাঠকৰ সংখ্যা আদি বৃদ্ধি পায়। বিপ্লৱৰ পিচৰ সময় ছোৱাৰ প্ৰথমতে ৰাজনৈতিক পুস্তিকা উৎপাদনৰ সংখ্যা আছিল বেছি। প্ৰতিখন পুথিৰে ৪৫ প্ৰতিলিপি আইন মতে জমা দিবলগীয়া হোৱা হেতুকে পুথিভঁৰালৰ কলেৱৰ ক্ষিপ্ৰ-গতিৰে বাঢ়িবলৈ লয়। মস্কোৰ গ্ৰন্থ-কেন্দ্ৰই নতুনকৈ প্ৰকাশিত সকলো পুথিৰ তালিকা (নিজনাইআ লেটোপিচ) আৰু সাময়িক পত্ৰৰ প্ৰবন্ধ, পৰ্যালোচনা, সঙ্গীত, মানচিত্ৰ আদিৰ অতিৰিক্ত তালিকা প্ৰকাশ কৰে।

চৰকাৰী পৰিসংখ্যা মতে ১৯৩৪ চনত ৩৪,০০০ পুথিভঁৰাল আছিল। সেই সময়ত বৈজ্ঞানিক আৰু গৱেষণামূলক পুথিভঁৰালৰ সংখ্যা ১৬,০০০ আছিল বুলি অনুমান কৰা হৈছিল। প্ৰতিটো কাৰখানা, প্ৰত্যেক ইউনিয়ন, বহুৱা দল, যুৱাদল, সেনাদলৰ নিজা নিজা পুথিভঁৰাল আছিল, কিন্তু লগতে এই কথাও উল্লেখ কৰা উচিত হব যে এই পুথিভঁৰালবোৰত প্ৰায়ে একোখন পুথিৰে ভালেমান প্ৰতিলিপি আছিল। মস্কোৰ লেনিন পুথিভঁৰাল আৰু বিজ্ঞান একাডেমীৰ পুথিভঁৰাল পৃথিৱীৰ ভিতৰতে দুটা বৃহত্তম গ্ৰন্থাগাৰ।

গ্ৰন্থৰ শ্ৰেণীবদ্ধীকৰণৰ এটা কমিউনিষ্ট পদ্ধতি উদ্ভাৱন কৰা হৈছে, আৰু কাৰ্ড ছপোৱাটো কেন্দ্ৰীভূত কৰা হৈছে। বিভিন্ন স্তৰত পুথিভঁৰাল সম্বন্ধে শিক্ষাদানৰ সংগঠন কৰা হৈছে আৰু মস্কো, চাৰকভ আৰু লেনিন-গ্ৰেডত উচ্চখাপৰ পুথিভঁৰাল সম্পৰ্কীয় শিক্ষাদান কৰা হয়। বিশ্ববিদ্যালয় আৰু বিশেষ পুথিভঁৰালবোৰ সুসংগঠিত। বিশেষ পুথিভঁৰালবোৰৰ ভিত-ৰত কমিউনিষ্ট একাডেমীৰ গ্ৰন্থাগাৰ (১৯১৮ চনত ১ নিযুত গ্ৰন্থ); ৰাষ্ট্ৰীয়

ঐতিহাসিক সংগ্ৰহালয়ৰ গ্ৰন্থাগাৰ (গ্ৰন্থসংখ্যা ১'২নিযুত), মাৰ্ক্স-এঞ্জেলচ্ প্ৰতিষ্ঠানৰ গ্ৰন্থাগাৰ (গ্ৰন্থসংখ্যা ৭০০,০০০) আৰু কেন্দ্ৰীয় মেডিকেল গ্ৰন্থাগাৰ (গ্ৰন্থসংখ্যা ৫১৬,০০০)ৰ নাম উল্লেখযোগ্য । এই আটাইকেইটা পুথিভঁৰালেই মস্কোত অৱস্থিত ।

ইউক্ৰেইন আৰু হোৱাইট ৰাছিয়াতো ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰ গঢ়ি তোলা হৈছে, হোৱাইট ৰাছিয়াৰ মিন্‌স্কত আৰু ইউক্ৰেইনৰ কিয়েভত এনে পুথি-ভঁৰাল স্থাপন কৰা হৈছে । ১৯৩০ চনত মিন্‌স্কৰ ৰাষ্ট্ৰীয় পুথিভঁৰালত প্ৰায় ১'৫ নিযুত পুথি আছিল আৰু ১৯৩৩ চনত ইউক্ৰেইনৰ জাতীয় পুথিভঁৰালৰ গ্ৰন্থ-সংখ্যা আছিল ২'৫ নিযুত । ওদেচ্ছা (গ্ৰন্থসংখ্যা ১,২৫৮,০০০), চাৰকভ (গ্ৰন্থসংখ্যা ৭৪০,০০০) আৰু কিয়েভ (গ্ৰন্থসংখ্যা ৭০০,০০০) বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰসমূহ ভালদৰে গঢ়ি উঠিছে । জাৰ্জিয়াৰ বাবে টিফ্‌লিচত, চোভিয়েট আৰ্মেনিয়াৰ বাবে এৰিচানত আৰু আজাৰ বাইজানৰ বাবে বাকুত ৰাষ্ট্ৰীয় পুথিভঁৰাল বিকশাই তোলা হৈছে । ককেচাচ অঞ্চলৰ এটচ্‌মিয়াদ্‌চিনৰ সুবিখ্যাত মঠৰ গ্ৰন্থাগাৰক ৰাষ্ট্ৰীয় সম্পত্তি কৰা হৈছে । এচ্চ্‌চাবোদত এটা তুৰ্কমেনিয়ান গ্ৰন্থাগাৰ আৰু আল্‌মা-আটাত এটা ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰ আছে । টাছখণ্ডত প্ৰাচীন গ্ৰন্থাগাৰসমূহ আছে, সেইদৰে চাইবেৰিয়াত টম্‌স্ক আৰু ইৰ্কুটস্কত ডাঙৰ ডাঙৰ বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল আছে । প্ৰশান্ত মহাসাগৰ অঞ্চলৰ গ্ৰন্থ-কেন্দ্ৰ হ'ল চাবাভস্ক' ।

চোভিয়েট বিশ্বকোষত মুদ্ৰিত সামগ্ৰীৰ উৎপাদন সম্বন্ধে এইধৰণে তথ্য দিয়া হৈছেঃ ১৯১৩ চনত ২,৭২৯ নিযুত কপিৰ দৈনিক সংখ্যা প্ৰকাশ কৰা বাতৰি কাকত আছিল ৮৫৯ খন ; ১৯৪৬ চনত ২৬'৬ নিযুত কপিৰ ৭,০০০ বা অধিক বাতৰি কাকত আছিল । চোভিয়েট ইউনিয়নৰ সমগ্ৰ অঞ্চলৰ বাবে ২৬ খন সাধাৰণ বাতৰি কাকত আছিল । পৌৰ আৰু গাঁও অঞ্চলত প্ৰচাৰিত বাতৰি কাকতৰ তালিকাত ৪,২৮৩ খনৰ নাম দিয়া হৈছে । ১৯৪৬ চনত বুলেটিন আৰু বাৰ্ষিক সংখ্যাৰে সৈতে ৯৬০ খন সাময়িক পত্ৰ প্ৰকাশ কৰা হৈছিল আৰু ইয়াৰ কপিৰ সংখ্যা আছিল ১০৪'৫ নিযুত । মুঠ মুদ্ৰিত পৃষ্ঠাৰ শতকৰা ৩৮'৭ ভাগ ৰাজনৈতিক আৰু অৰ্থনৈতিক আলোচনীয়ে, ৪'৪ ভাগ কাৰিকৰী আৰু ২৫'৩ ভাগ সাহিত্যিক আলোচনীয়ে ব্যৱহাৰ কৰিছিল ।

১৯১৩ চনত জনমূৰি ০.৭ খন পুথি প্ৰকাশ কৰা হৈছিল; ১৯৩৯ চনত এই সংখ্যা আছিল ৪.১। ১৯১৮ চনৰপৰা ১৯৪৬ চনলৈ ৮৫৯,০০১ পুস্তক আৰু পুস্তিকা প্ৰকাশ কৰা হৈছিল আৰু তাৰ কপিৰ সংখ্যা আছিল এশ সাত কোটি। ১১৯ টা বিভিন্ন ভাষাত এই পুথিবোৰ ৰচনা কৰা হৈছিল।

"ৰাজনৈতিক আৰু অৰ্থনৈতিক বিষয়ৰ পুথিৰ সংখ্যাই আছিল আটাইতকৈ অধিক। ১৯৪৬ চনত মুঠ প্ৰকাশিত গ্ৰন্থৰ মুঠতে প্ৰায় শতকৰা ৩৮ ভাগ এই শ্ৰেণীৰ আছিল।

কিন্তু গড় সংখ্যাৰ দ্বাৰা বৃহত্তম সংস্কৰণবোৰৰ প্ৰকৃত সংখ্যা সম্বন্ধে ধাৰণা কৰিব নোৱাৰি। এইফালৰপৰা চাবলৈ গ'লে ১৯৪৭ চনলৈকে মাৰ্ক্স, এঞ্জেলচ, লেনিন আৰু ষ্টেলিনৰ ৰচনাৰ সংস্কৰণত ৭১৬ কপি প্ৰকাশ কৰা হয় আৰু ইয়াৰে ৫৮৯.৪ নিযুত ৰুছ ভাষাত আৰু ১২৬.৬ নিযুতৰো অধিক চোভিয়েট ইউনিয়নৰ আন আন ভাষাত আৰু চোভিয়েট ইউনিয়নৰ বাহিৰা আন আন ভাষাত ১২ নিযুতৰো অধিক কপি প্ৰকাশ কৰা হৈছিল।"

চোভিয়েট ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ বুৰঞ্জী ৬১ টা ভাষাত প্ৰকাশ কৰা হয়, ইযাৰ সংক্ষিপ্ত তাঙৰণৰ ১১৭ নিযুতৰো অধিক কপি প্ৰকাশ কৰা হয়। লেনিন আৰু ষ্টেলিনৰ ৰচনাৱলীৰ সংগ্ৰহ ৫০০,০০০ৰো অধিক কপি প্ৰকাশ কৰা হয়।

ৰুছভাষাৰ বাহিৰে আন আন ভাষাৰ প্ৰাচীন গ্ৰন্থৰ পুনৰ প্ৰকাশ সম্বন্ধে ১৯১৮—১৯৪৭ চনৰ সময়ছোৱাৰ বিৱৰণ ইয়াত উল্লেখ কৰাটো উচিত হব: এই সময়ছোৱাত এৰিষ্টটলৰ ৯১,৩০০ কপি; হেগেলৰ ১৩০,৫০০; ভল্টেয়াৰৰ ২৩০,৬০০; ডেকাৰ্টৰ ২১৩,৬০০; স্পিনোজাৰ ২৫,২০০; ডাৰউইনৰ ২৮১,৭০০; নিউটনৰ ৫৪,০০০; লিবনিজৰ ১১,০০০; পেষ্টু্যৰৰ ২৭,০০০ আৰু আইনষ্টাইনৰ ৪৮,০০০; কপি প্ৰকাশ কৰা হয়। বিৰাট চোভিয়েট বিশ্বকোষ প্ৰকাশ কৰা হয় ৬৬ খণ্ডত আৰু তাৰ কপিৰ সংখ্যা আছিল ৪৫,০০০; ইয়াৰ সংক্ষিপ্ত সংস্কৰণৰ দুটা তাঙৰণৰ প্ৰত্যেকৰে ১০০,০০০ কপিকৈ প্ৰকাশ কৰা হয়।

১৯১৩--৪৫ চনৰ সময়ছোৱাত “স্থায়ী পাঠ্য পুথি” বিধি অনুসৰি ১'১১৬ বিলিয়ন পাঠ্য পুথি প্ৰকাশ কৰা হয়।

ৰুছভাষাৰ বাহিৰে আন ভাষাৰ সাহিত্যৰ ক্ষেত্ৰত তলত দিয়া লেখকসকলৰ গ্ৰন্থৰ অসংখ্য কপিকৈ প্ৰকাশ কৰা হয়; লণ্ডাক, বাৰবাচ, বাইৰণ, কাভেণ্টিচ, ডিকেন্স, ফ্ৰান্স, গ্যেটে, হাইন (Heine) হিউগো, মোপাছাঁ, ৰোলাঁ চিলাৰ, চেক্সপিয়েৰ, ষ্টেন্ধাল আৰু জোলা। ইয়াৰ ভিতৰত আটাইতকৈ অধিক কপি প্ৰকাশ কৰা লেখকসকল হ'ল: ভিক্টৰ হিউগো (৪,১৩৯,০০০; ৪১ টা ভাষাত), গায় ডে' মোপাছাঁ (৩,৯৭৬,০০৩; ১৬ টা ভাষাত) এমিলজোলা (২,৫৭৩,০০০; ১৩ টা ভাষাত), ডিকেন্স (২,২৮৭,০০০; ১৫ টা ভাষাত), ৰোমা ৰোলাঁ (২,১০৭,০০০; ১৬ টা ভাষাত) ২০ টা ভাষাত চেক্সপিয়েৰৰ ৰচনাৱলীৰ ১,৬১১,০০০ কপি আৰু তাৰ পিচতে ৮ টা ভাষাত বাইৰণৰ ৰচনাৱলীৰ ৪৯৯,০০০ কপি প্ৰকাশ কৰা হয়।

প্ৰকাশন সংস্থাবোৰৰ নামৰপৰাই দেখা যাব যে গ্ৰন্থ প্ৰকাশন বিষয় অনুক্ৰমে আছুতীয়া ধৰণৰ হৈ পৰে (যেনে গচ্পলিচ্দাত, গচ্-লিটিচ্দাত, চেল্চঁ'চ্গিচ্ ইত্যাদি)। অকল মস্কোতে ৫৪৫ টা প্ৰকাশন সংস্থা আৰু ১৯৩৯ এইবোৰে ৩,৭৯৭ বিভিন্ন পুথি অৰ্থাৎ প্ৰত্যেক সংস্থাই প্ৰায় ৭ খনকৈ পুথি প্ৰকাশ কৰিছিল।

চোভিয়েট বিশ্বকোষত সন্নিবিষ্ট ওপৰত উল্লিখিত তথ্যাদিৰপৰা আগৰ অধ্যায়ত কৰি অহা মন্তব্যৰে প্ৰমাণ পোৱা যায়; অৰ্থাৎ “সুনিৰ্দিষ্ট” ৰচনাৰ আধিক্য; উদ্দেশ্যমূলকভাৱে পাঠকৰ বাছনিৰ নিয়ন্ত্ৰণ; পাঠকৰ অভ্যাসৰ ওপৰত পুথিভঁৰালৰ অপেক্ষাকৃত অধিক প্ৰভাৱ বিস্তাৰ; গ্ৰন্থ-ক্ৰয়ৰ অতিৰিক্ত পৰিপূৰক প্ৰক্ৰিয়াতকৈ পুথিভঁৰালে নিয়ন্ত্ৰিত ধৰণৰ সাধাৰণ গ্ৰন্থপাঠৰ মাধ্যম হিচাপে ভূমিকা গ্ৰহণ কৰা। ইয়াত সন্নিবিষ্ট তথ্যবোৰ নিৰ্ভৰযোগ্য হয়নে নহয়, সেইকথা নিৰ্ণয় কৰা কঠিন, কিন্তু এই তথ্যবোৰ তুলনামূলক অনুশীলনৰ বাবে প্ৰয়োজনীয় সামগ্ৰী হিচাপে ব্যৱহাৰ কৰা যায়।

ইয়াৰ পিচত ১৯৫৪ চনত প্ৰকাশিত ইউনেস্কোৰ গ্ৰন্থাগাৰ সম্পৰ্কীয় বুলেটিনত (অষ্টম খণ্ড, সংখ্যা ৫।৬) চোভিয়েট ইউনিয়নৰ পুথিভঁৰাল সম্বন্ধে তলত দিয়া তথ্যবোৰ সন্নিবিষ্ট কৰা হৈছে ঃ

কেন্দ্ৰীয় পৰিসংখ্যা কাৰ্যালয়ৰ বিৱৰণমতে ১৯৩৯ চনত ২৪০,৭৫৬ টা পুথিভঁৰাল আছিল আৰু এইবোৰৰ গ্ৰন্থ-সংখ্যা আছিল ৪৪২ নিযুত ; ১৯৫৩ চনৰ শেহৰ ফালে পুথিভঁৰালৰ সংখ্যা হয় ৩৮০,০০০ টা আৰু তাৰ গ্ৰন্থ-সংখ্যা হয় ১,০০০ নিযুত । ইয়াৰ ভিতৰত ২৮৫,০০০ টা গাঁৱলীয়া পুথিভঁৰাল আছিল । পুথিভঁৰালৰ উন্নয়নৰ বাবে ১৯৫০-৫৫ চনত যুগুত কৰা পৰিকল্পনাত এই সংখ্যা শতকৰা ৩০ ভাগ বঢ়াবলৈ বিচৰা হৈছে ।

পুথিভঁৰালবোৰক তলত দিয়াধৰণে ছটা শ্ৰেণীত বিভক্ত কৰা হৈছে ঃ ৰাষ্ট্ৰীয় ৰাজহুৱা পুথিভঁৰাল, বিজ্ঞান একাডেমীৰ পুথিভঁৰাল, স্বতন্ত্ৰীয়া বিশেষ পুথিভঁৰাল, বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল, সৰ্বসাধাৰণ পুথিভঁৰাল ( স্কুলীয়া আৰু ল'ৰা-ছোৱালীৰ পুথিভঁৰাল, গাঁৱলীয়া পুথিভঁৰাল, সৈনিকৰ পুথিভঁৰাল, মটৰেৰে চালিত পুথিভঁৰাল ইত্যাদি ) আৰু ট্ৰেড ইউনিয়নৰ পুথিভঁৰাল ।

ৰাষ্ট্ৰীয় ৰাজহুৱা পুথিভঁৰালবোৰত আছে জাতীয়, প্ৰাদেশিক, আঞ্চলিক বা পৌৰ পুথিভঁৰালবোৰ আৰু সৰ্বস্বত্ব সংৰক্ষণ বিধি অনুসৰি এইবোৰ পুথিভঁৰালক প্ৰকাশিত প্ৰতিখন গ্ৰন্থৰে কপি যোগাব লাগে। এইবোৰৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ মস্কোৰ লেনিন গ্ৰন্থাগাৰত ১৯৫২ চনত ১০ নিযুতবো অধিক পুথি আছিল আৰু বছৰি এই সংখ্যা ৬০০,০০০ কৈ বৃদ্ধি পাই গৈছিল । লেনিনগ্ৰাডৰ চল্টিকভ-চেরদ্ৰিয়া জাতীয় গ্ৰন্থাগাৰে ৰুছ গ্ৰন্থৰ সাধাৰণ তালিকা প্ৰকাশ কৰে আৰু ইয়াৰ বুৰঞ্জীমূলক তথ্যাদিৰ সংগ্ৰহৰ কথা সুবিদিত ।

মস্কো, লেনিনগ্ৰাড, খাৰকভৰ বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল আৰু আন আন প্ৰতিষ্ঠানত যোগ্য গ্ৰন্থাগাৰিকৰ প্ৰশিক্ষণৰ বাবে স্কুল আছে। এই প্ৰশিক্ষণ-ক্ৰম চাৰি বছৰৰ আৰু ইয়াৰ যোগেদি গ্ৰন্থাগাৰিকক সম্পূৰ্ণ বিশ্ববিদ্যালয় মহলাৰ বাবে সাজু কৰি দিয়া হয় । বক্তৃতা দিয়াটো এটা

প্ৰয়োজনীয় অৰ্হতা বুলি গণ্য কৰা হয়, কিয়নো গ্ৰন্থাগাৰিকে সাহিত্যিক আৰু সাংস্কৃতিক সন্মিয়াৰ বৈঠকত ভাষণ দিবলগীয়া হয়। এই অধ্যয়নৰ অধিকভাগ বিভিন্ন প্ৰতিষ্ঠানত কৰিব লাগে যাতে প্ৰশিক্ষাৰ্থীয়ে দেশৰ বিভিন্ন অঞ্চলৰ লগত চা-চিনাকি হোৱাৰ সুবিধা পায়। ১৯৪৯-৫০ চনৰ পাঠ্য বছৰত এইবোৰ প্ৰতিষ্ঠানত বিদ্যাৰ্থীৰ সংখ্যা আছিল ১৫,০০০।

আনবোৰ সাংস্কৃতিক মণ্ডলৰ ক্ষেত্ৰত বাস্তৱ পৰিস্থিতিৰ তুলনাত উচ্চাকাংক্ষাৰ প্ৰেৰণাৰ তাগিদত প্ৰায়ে অধিক আগবাঢ়ি যোৱা হয় আৰু ফলত প্ৰায়ে পুথিভঁৰালৰ বিকাশ সামঞ্জস্যবিহীন হৈ পৰে। স্বাধীনতা অৰ্জনৰ আগতে ভাৰতত কেইটামান ভাল পুথিভঁৰাল আছিল। দৃষ্টান্ত স্বৰূপে, কলিকতাত ৰাজকীয় গ্ৰন্থাগাৰ স্বৰূপে ৰাষ্ট্ৰীয় পুথিভঁৰাল আছিল আৰু কলিকতা, এলাহাবাদ, লাহোৰ, বোম্বাই আৰু মাদ্ৰাজত বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল আছিল। উল্লেখযোগ্য বিশেষ পুথিভঁৰাল আছিল পুণাৰ প্ৰাচ্য গৱেষণা প্ৰতিষ্ঠান আৰু মহীশূৰৰ চৰকাৰী প্ৰাচ্য গ্ৰন্থাগাৰ। তদুপৰি মঠ-মন্দিৰবোৰত প্ৰায়ে ধৰ্মগ্ৰন্থৰ সুন্দৰ সুন্দৰ সংগ্ৰহ আছিল। বৰোদাত ৰাজহুৱা পুথিভঁৰাল আন্দোলনৰ সূচনা কৰা হয় আৰু নতুন দিল্লীত ইউনেস্কোৰ উদ্যোগত স্থাপিত ৰাজহুৱা পুথিভঁৰালে এই আন্দোলনত প্ৰেৰণা যোগায়। সম্প্ৰতি ভাৰতত বিশেষ উদ্যমেৰে সকলো প্ৰকাৰৰ পুথিভঁৰাল গঢ়ি তুলিবলৈ চেষ্টা কৰা হৈছে, কিন্তু ভাষা বাহুল্যৰ জটিলতাই ভালেমান আহুকালৰ সৃষ্টি কৰিছে।

সম্প্ৰতি পাকিস্থানতো জাতীয় পুথিভঁৰাল আন্দোলনৰ সূচনা কৰা হৈছে। কেন্দ্ৰীয়ভাৱে তাত এটা ৰাষ্ট্ৰীয় পুথিভঁৰাল আছে আৰু ইয়াৰ লগত সম্পৰ্ক থকা (কিন্তু এই সম্পৰ্ক ভালদৰে নিৰ্ণয় কৰা হোৱা নাই) এটা কেন্দ্ৰীয় সচিবালয় পুথিভঁৰাল আছে আৰু বিভিন্ন বিভাগীয় পুথিভঁৰালবোৰৰ লগত ই কম-বেছি পৰিমাণে সম্পৰ্ক ৰক্ষা কৰি চলে। বিভাগীয় পুথিভঁৰালবোৰতকৈ অধিক বিকশিত আৰু আনবোৰৰ তুলনাত ভাল ধৰণে সংগঠিত পুথিভঁৰাল হ'ল সংবিধান সভাৰ গ্ৰন্থাগাৰ।

ৰাষ্ট্ৰীয় পুথিভঁৰালত অবাধে পাব পৰাকৈ ২০,০০০ পুথি আছে। কৰাচীৰ উপকণ্ঠত এখন বিৰাট চৰকাৰী আৰু বিশ্ববিদ্যালয় নগৰী গঢ়ি তোলাৰ আঁচনি যুগুত কৰা হৈছে আৰু তাত এটা বিৰাট জাতীয় গ্ৰন্থাগাৰ স্থাপন কৰা হব। ৰাজহুৱা আৰু শিক্ষা প্ৰতিষ্ঠানৰ পুথিভঁৰালকে ধৰি সকলো প্ৰকাৰৰ পুথিভঁৰালৰ আঁচনি প্ৰণয়ন আৰু সমন্বয় সাধন কৰিব জাতীয় পুথিভঁৰাল বিভাগে। এই আঁচনিত গ্ৰন্থাগাৰ সম্পৰ্কীয় এখন বিদ্যালয় স্থাপনৰ কাৰ্যসূচীও সামৰি লোৱা হৈছে।

ব্ৰহ্মদেশতো এটা বিৰাট সাংস্কৃতিক কেন্দ্ৰ গঢ়ি তোলাৰ আঁচনি যুগুত কৰা হৈছে। তাতো ৮,০০০ বা ১০,০০০ গ্ৰন্থৰ এটা ৰাষ্ট্ৰীয় পুথিভঁৰালৰ সূচনা কৰা হৈছে।

১৯১১ চনত জাতীয় অভ্যুত্থানৰ ফলত চীনত পুথিভঁৰাল আন্দোলনে প্ৰেৰণা লাভ কৰে। অধিক ভাগ পুথিভঁৰালতে চীনা আৰু পাশ্চাত্য গ্ৰন্থৰ বাবে বিশেষ বিভাগ ৰখা হৈছিল; অৱশ্যে পাশ্চাত্য গ্ৰন্থৰ সংগ্ৰহ সাধাৰণতে অলপীয়া আছিল। পুথিভঁৰাল সম্পৰ্কীয় ইউনেস্কোৰ বুলেটিনৰ ৩৭৫ সংখ্যক টোকা অনুসৰি চীন লোকতন্ত্ৰত আটাইতকৈ ডাঙৰ গ্ৰন্থাগাৰ হ'ল পেকিং ৰাষ্ট্ৰীয় পুথিভঁৰাল আৰু ইয়াত ১৯৫৪ চনৰ জুলাই মাহত ২'৫ নিযুতৰো অধিক চীনা আৰু আন আন বিদেশী ভাষাৰ পুথি আছিল। সিং (১৩৬৮-১৬৪৪) আৰু চিং (মাঞ্চু, ১৬৪৪-১৯১১) ৰাজবংশৰ ৰাজকীয় গ্ৰন্থাগাৰৰ ভেটিত ইয়াক প্ৰতিষ্ঠা কৰা হয় আৰু ১৯১২ চনত ইয়াক আনুষ্ঠানিকভাৱে মুকলি কৰা হয়।

ইউৰোপ, এচিয়া আৰু আমেৰিকাৰ ১৪ খন দেশৰ লগত আদান-প্ৰদান কৰি ভালেমান পুথি সংগ্ৰহ কৰা হয় আৰু চোভিয়েট পুথিভঁৰালবোৰৰ লগতে আটাইতকৈ অধিক আদান-প্ৰদান চলে। এই পুথিভঁৰালত ভালেমান আপুৰুগীয়া গ্ৰন্থ আছে, তাৰ ভিতৰত পঞ্চম শতিকাৰ প্ৰাচীন গ্ৰন্থ আৰু নৱম শতিকাৰ কাঠৰ ব্লকেৰে ছপোৱা পুথিবোৰ বিশেষ উল্লেখযোগ্য।

এই পুথিভঁৰালৰপৰা নিতৌ প্ৰায় এহেজাৰ পাঠকক পুথি যোগোৱা হয়, আৰু পুথিভঁৰালৰ তৰফৰপৰা নিয়মিতভাৱে ভাষণ আৰু প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হয়। তদুপৰি এই পুথিভঁৰালে ৭৩৩ টা প্ৰতিষ্ঠানক, খনি আৰু শিল্পউদ্যোগক, সৈনিক সংস্থাক, স্কুলক আৰু পিকিঙৰ ভিতৰৰ চুবুৰীয়া অঞ্চলৰ আন আন পুথিভঁৰালক পুথি যোগোৱাৰ দিহা কৰে। চহৰৰ উপকণ্ঠ অঞ্চলৰ ৰাইজৰ বাবে চলন্ত পুথিভঁৰালৰ সংগঠন কৰা হয়।

প্ৰাদেশিক গ্ৰন্থাগাৰবোৰ প্ৰাচীন চীনাসাহিত্যৰ সংগ্ৰহৰ বাবে বিখ্যাত আৰু বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰবোৰত পাশ্চাত্য গ্ৰন্থ পোৱা যায়। বৰ্তমানে চোভিয়েট ইউনিয়নৰ আহিত ক্ষিপ্ৰগতিৰে পুথিভঁৰাল-বোৰ বিকশাই তুলিবলৈ লোৱা হৈছে আৰু যথাসম্ভৱ ব্যাপকধৰণে গ্ৰন্থৰ সংগ্ৰহ কৰাৰ লক্ষ্য লৈ কামত আগবঢ়া হৈছে।

নিকট আৰু মধ্যপ্ৰাচ্যত (অৰ্থাৎ পশ্চিম এচিয়াত) মেদচেদৰ ইমাম ৰিদা মন্দিৰৰ নিচিনা লেখত লবলগীয়া প্ৰাচীন গ্ৰন্থাগাৰ আছে ; তুৰস্ক, পেলেষ্টাইন আৰু মিছৰত আধুনিক গ্ৰন্থাগাৰ বিকশাই তুলিবলৈ চেষ্টা কৰা হৈছে।

লেটিন আমেৰিকাত ৰাষ্ট্ৰীয় আৰু বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিয়া হৈছে ; কিন্তু আৰ্জেন্টিনা, ব্ৰাজিল, কলম্বিয়া আৰু মেক্সিকোত ৰাজহুৱা পুথিভঁৰাল গঢ়ি উঠিব ধৰিছে।

ৰাষ্ট্ৰগত বিকাশতকৈও এই ক্ষেত্ৰত আঞ্চলিক বিকাশ অধিক আকৰ্ষণীয়। ১৯৫৪ চনৰ এপ্ৰিল মাহত ইউনেস্কোই যুগুত কৰা "মৌলিক তত্ত্ব আৰু তথ্য"ৰপৰা তলত দিয়া বিৱৰণ পোৱা যায় ঃ

| | লোকসংখ্যা (নিযুত অনুসৰি) | পুথিভঁৰালৰ গ্ৰন্থ-সংখ্যা (নিযুতৰ হিচাপত) | লোকসংখ্যা জনমূৰি অনুপাতত |
|---|---|---|---|
| আফ্ৰিকা | ২০৩ | ৮ | ০·০৪ |
| আমেৰিকা (উত্তৰ) | ২২৫ | ৩৮৮ | ১·৭ |

| | লোকসংখ্যা (নিযুত অনুসৰি) | পুথিভঁৰালৰ গ্ৰন্থ-সংখ্যা (নিযুতৰ হিচাপত) | লোকসংখ্যা জনমূৰি অনুপাতত |
|---|---|---|---|
| আমেৰিকা (দক্ষিণ) | ১১৫ | ২৪ | ০·২ |
| এচিয়া (চোভিয়েট ইউনিয়ন অঞ্চলক এৰি) | ১৩০০ | ৫০ | ০·০৩৭ |
| ইউৰোপ (চোভিয়েট ইউনিয়ন অঞ্চলক এৰি) | ৪০০ | ৩৪১ | ০·৯ |
| ওচেনিয়া | ১৪ | ৮ | ০·৬ |
| চোভিয়েট ইউনিয়ন (চোভিয়েট বিশ্বকোষ অনুসৰি) | ২০৮ | ৪০০ | ২·০ |

এইবোৰ তথ্যাদিৰপৰা বিভিন্ন অঞ্চলৰ মাজত যথেষ্ট ব্যৱধান লক্ষ্য কৰা যায় ; অৰ্থাৎ অনগ্ৰসৰ অঞ্চলবোৰৰ তুলনাত সমুন্নত অঞ্চলবোৰত ৫০ ভাগ অধিক গ্ৰন্থৰ উৎপাদন আৰু ব্যৱহাৰ হয়। লগতে এই কথাও মন কৰিবলগীয়া যে পৃথিৱীৰ লোকসংখ্যা ২,৫০০ নিযুত বুলি ধৰি ললে তাৰ তুলনাত পুথিভঁৰালবোৰত সংগৃহীত মুঠ গ্ৰন্থৰ সংখ্যা তাৰ আধাখিনিও নহব, আৰু তাৰো চাৰিভাগৰ এভাগ পুথিহে বছৰি প্ৰকাশ কৰা হয়। ইয়াৰ অৰ্থ হব এয়ে যে যদিহে পুথিভঁৰালৰ বৃদ্ধি শতকৰা ৫ ভাগ বুলি ধৰি লোৱা হয় এই নিৰিখ হয়তো অতি বেছিহে হব, তেন্তে প্ৰকাশিত গ্ৰন্থৰ প্ৰায় শতকৰা দহভাগে পুথিভঁৰালত ঠাই পায় আৰু বাকীখিনি আন ধৰণে ব্যৱহাৰ কৰা হয়।

লগতে এই কথাও লক্ষ্য কৰিবলগীয়া যে সামাজিক অৰ্থনৈতিক শক্তি গাঁথনিৰ লগত পুথিভঁৰালৰ গাঁথনিৰ সামঞ্জস্য আছে :

এই ক্ষেত্রত প্ৰথম ঠাই লাভ কৰিছে যুক্তৰাষ্ট্ৰ আৰু চোভিয়েট ইউনিয়নে, তাৰ পিচত ইউৰোপ আৰু দক্ষিণ আমেৰিকাই স্থান লাভ কৰিছে। গ্ৰন্থাগাৰ সম্পৰ্কীয় তথ্যাদিয়ে সহজতে ভুল ধাৰণাৰ সৃষ্টি কৰিব পাৰে। বৃটেইনত অন্ততঃ ছয় পেনি বেচৰ মুদ্ৰিত সামগ্ৰিক পুথি বুলি গণ্য কৰা হয়; আয়াৰলেণ্ড আৰু ইটালীত পুথি বুলি গণ্য হবলৈ হলে অন্ততঃ এশ পৃষ্ঠা থাকিব লাগিব; আইচলেণ্ডত ১৭ পৃষ্ঠা হলেই তাক পুথি বুলি ধৰা হয়; হাঙ্গেৰীত অন্ততঃ ৬৪ পৃষ্ঠা হলেহে পুথি বুলি গণ্য কৰা হয়। ভাৰত, ইণ্ডোনেচিয়া আৰু চোভিয়েট ইউনিয়নত পুস্তিকা আৰু পুস্তকৰ মাজত পাৰ্থক্য ৰক্ষা কৰা নহয়। যুক্তৰাষ্ট্ৰত ব্যৱসায়িক ভেটিত বিক্ৰী নকৰা পুস্তিকা আৰু চৰকাৰীভাৱে প্ৰকাশিত লিখাবোৰক পুথিৰ হিচাপত সামৰি লোৱা নহয়। তদুপৰি সামাজিক বিকাশ যে নানা প্ৰকাৰৰ প্ৰভাৱৰ পৰিণাম এই তথ্যবোৰৰপৰা তাৰে প্ৰমাণ পোৱা যাব; যুক্তৰাষ্ট্ৰত বৃদ্ধিৰ মাত্ৰা আটাইতকৈ অধিক আৰু সদ্যহতে চোভিয়েট ইউনিয়নত এনে অৱস্থা দেখিবলৈ পোৱা গৈছে। এইদৰে দেখা যাব যে আন অঞ্চলত আন বৃদ্ধি হলেও বিশ্বৰ বিভিন্ন অঞ্চলৰ মাজত সামাজিক ব্যৱধান হ্ৰাস পোৱাতকৈ বাঢ়িহে গৈছে; অন্ততঃ এই পুথিত কৰি অহা বিশ্লেষণৰপৰা তাৰে প্ৰমাণ পোৱা গৈছে। অকল মাত্ৰাৰ ফালৰপৰা বিবেচনা কৰাটো সন্তোষজনক নহয়, আন হাতে আকৌ যি কোনো মূল্যবোধ সম্বন্ধে বিবেচনা কৰিবলৈ গ'লেও সহজতে ভুল ধাৰণাৰ সৃষ্টি হব পাৰে। ১৯৫৭ চনৰ ফেব্ৰুৱাৰী মাহৰ "ইউনেস্কো-কেৰিয়াৰত" আটাইতকৈ অধিক ভাষালৈ ভাঙনি কৰা ৰচনাৰ লেখকসকলৰ যি তালিকা দিয়া হৈছে তাকো মন কৰিব লগীয়া। এই তালিকাত বৃটেইনৰ ২৫ জন, যুক্তৰাষ্ট্ৰৰ ২১ জন, ফ্ৰান্সৰ ১৬ জন আৰু চোভিয়েট ইউনিয়নৰ ১৩ জন লেখকৰ নাম দিয়া হৈছে। অনুবাদৰ সংখ্যাৰ ফালৰপৰা ৰুচ লেখকে প্ৰথম আসন লাভ কৰিছে আৰু প্ৰথম দুখন আসন লাভ কৰিছে যথাক্ৰমে লেনিন আৰু ষ্টেলিনে; লেনিনৰ গ্ৰন্থৰ অনুবাদৰ সংখ্যা আনকি বাইবেলতকৈও অধিক।

পুথিৰ প্ৰকাশন-সংখ্যা আৰু পুথিভঁৰালত থকা পুথিৰ সংখ্যা তুলনা কৰি চালে দেখা যাব যে চোভিয়েট ইউনিয়ন আৰু যুক্তৰাষ্ট্ৰৰ পুথিভঁৰালবোৰতে আনবোৰ দেশৰ পুথিভঁৰালৰ তুলনাত অধিক পুথি ৰখা হয়। এইদৰে এই কথাৰে প্ৰমাণ পোৱা যায় যে আটাইতকৈ অধিক সামাজিক আৰু অৰ্থনৈতিক বিকাশ হোৱা দেশবোৰতে তুলনাত পুথিভঁৰালৰ বিকাশো অধিক খৰতকীয়াভাৱে সাধিত হয়।

আন এটা লক্ষ্য কৰিবলগীয়া সামাজিক বিৱৰ্তন হ'ল এয়ে যে গ্ৰন্থৰ উৎপাদন আৰু পুথিভঁৰালৰ উন্নয়ন এটা স্বতঃস্ফূৰ্ত ৰাষ্ট্ৰীয় দলৰ সামাজিক বিকাশ আৰু তাৰ তুলনাত সমগ্ৰ বিশ্বত নিয়ন্ত্ৰিত ধৰণে ইয়াৰ উন্নয়ন সাধনৰ বাবে চলোৱা চেষ্টা বিশেষ ফলপ্ৰসূ হোৱা নাই।

য'ত ৰাষ্ট্ৰীয় দল আৰু সাংস্কৃতিক দলৰ মাজত মিল আছে, তাতে এই বিকাশ অতিশয় ক্ষিপ্ৰগতিত সম্পাদিত হৈছে; দৃষ্টান্ত স্বৰূপে জাপানৰ কথা উল্লেখ কৰিব পৰা যায়। এনেয়ে সাংস্কৃতিক এলেকাবোৰত সাধাৰণতে কম মাত্ৰাত বিকাশৰ প্ৰৱণতা লক্ষ্য কৰা যায়। কিন্তু ৰাষ্ট্ৰগতভাৱে সংগঠিত সাংস্কৃতিক দলৰ হাতলৈ এটা আহল-বহল এলেকা আহি গ'লে তাত এই বিকাশ অতিশয় ক্ষিপ্ৰ হয়, কিয়নো এনে ক্ষেত্ৰত প্ৰভাৱ-বৃদ্ধিৰ ইচ্ছাই বিকাশৰ বাবে অতিৰিক্ত প্ৰেৰণা যোগায়।

বৰ্তমানৰ পৰিস্থিতিৰ ফালৰপৰা চাবলৈ গলে দুটা সিদ্ধান্তত উপনীত হব পাৰি: আজি সদৌ বিশ্বতে যথেষ্টভাৱে গ্ৰন্থৰ উৎপাদন, পুথিভঁৰালৰ বিকাশ আৰু গ্ৰন্থপাঠৰ মাত্ৰা বৃদ্ধি পাইছে। কিন্তু এই বিকাশ সমানভাৱে সাধিত হোৱা নাই। ইয়াৰ ফলত সামাজিক ব্যৱধান কমাতকৈ বঢ়াৰহে লক্ষণ দেখিবলৈ পোৱা গৈছে। এইদৰে মুঠতে বিকাশৰ ফালৰপৰা চাবলৈ গ'লে হয়তো সুখৰ কথা হব, কিন্তু সাম্প্ৰতিক বিকাশৰ ফলত সামাজিক সংঘৰ্ষ হ্ৰাস পোৱাত বিশেষ সহায় হোৱাৰ লক্ষণ হলে দেখা নাযায়। সামাজিক বিকাশ অধিক সমপৰ্যায়ৰ কৰি তুলিবলৈ কেতবোৰ

আন্তৰ্জাতিক সংস্থাই প্ৰশংসনীয়ভাৱে চেষ্টা চলাই আছে, কিন্তু এইবোৰৰ প্ৰভাৱ এতিয়াও তেনেই নগণ্য হৈয়ে আছে। ভাৰত আৰু চীনৰ নিচিনা দেশবোৰে আগশাৰীত ঠাই লবলৈ আগবাঢ়ি আহিব বুলি অনুমান কৰাৰ সঙ্গত হেতু আছে, কিয়নো আগতে উল্লেখ কৰি অহা প্ৰভাৱবোৰ এই দেশবোৰত আছে। তেতিয়া বিশ্বত আপেক্ষিকভাৱে তুলনীয় সামাজিক শক্তিসম্পন্ন কেবাটাও মণ্ডল দেখা দিব পাৰে, আৰু পশ্চিম ইউৰোপৰ দেশবোৰৰ মাজত সংহতি সাধনৰ চেষ্টাত এই প্ৰৱণতাকে দেখিবলৈ পোৱা গৈছে। এনে পৰিস্থিতিৰ উদ্ভৱ হলে সামাজিক ক্ষমতাৰ অপেক্ষাকৃত অধিক সমবিতৰণ হব পাৰে; কিন্তু যদিহে কেতবোৰ অঞ্চলৰ সামাজিক বিকাশ আনবোৰ অঞ্চলৰ তুলনাত অধিক মাত্ৰাত বৃদ্ধি পায়, তেতিয়া নতুন নতুন উত্তেজনাৰহে সৃষ্টি হব।

কিন্তু এইটো হলে স্পষ্ট যে গ্ৰন্থৰ উৎপাদন, পুথিভঁৰালৰ বিকাশ আদি সামাজিক বিকাশৰে অভিব্যক্তি, ইয়াৰ হেতু নহয়। ইয়াৰ হেতু বিচাৰিবলৈ হলে অধিক দকৈ আৰু ব্যাপকভাৱে অনুসন্ধান চলাব লাগিব।

## একাদশ অধ্যায়

# কম অগ্ৰসৰ অঞ্চলত পুথিভঁৰালৰ ভুমিকা

আগৰ অধ্যায় কেইটাত এই কথাকে দেখুৱাবলৈ চেষ্টা কৰা হৈছে যে গাঁথনি বিশিষ্ট সমাজ বিজ্ঞানৰ পৰিধিৰ ভিতৰত পুথি আৰু পুথিভঁৰালৰ কাম সম্বন্ধে সমাজ তাত্ত্বিক দৃষ্টিকোণৰপৰা আটাইতকৈ ভালদৰে বিবেচনা কৰি চাব পৰা যায়। এনে দৃষ্টিভঙ্গী অৱলম্বন কৰিবলৈ হলে এই কথাও স্বীকাৰ কৰি লব লাগিব যে সামাজিক স্তৰত প্ৰতিজন সামাজিক চৰিত্ৰই নিজৰ বাবে একক আৰু অতুলনীয় ধৰণৰ স্থান পায় আৰু সামাজিক আৰু প্ৰাকৃতিক পৰিৱেশৰ লগত হোৱা নিজৰ নিজৰ সুকীয়া প্ৰতিক্ৰিয়াৰ প্ৰভাৱত নিজৰ নিজৰ মনস্তাত্ত্বিক আৰু মানসিক প্ৰতিক্ৰিয়াই ৰূপ লয়।

ব্যক্তিৰ মনত আকাঙ্ক্ষাৰ উদয় সম্বন্ধে দুই ফালৰপৰা বিবেচনা কৰি চাব পৰা যায়ঃ এনে আকাঙ্ক্ষা সহজাত জৈৱিক প্ৰবৃত্তিৰ পৰা দেখা দিয়ে আৰু নিজ দলৰ আনলোকৰ তুলনাত কিছুদূৰ প্ৰতিষ্ঠা লাভৰ বাবেও ইচ্ছা হোৱা হেতুকে মানুহৰ অন্তৰত আকাঙ্ক্ষাৰ সৃষ্টি হয়। দুয়োটা কথাই ওতঃপ্ৰোতভাৱে জড়িত, আৰু অধিকভাগ সমাজতে অপেক্ষাকৃত অধিক প্ৰতিষ্ঠা লাভৰ বাবে অধিক কৰ্ম প্ৰয়াস চলালে তাৰ সুফল হিচাপে অধিক পৰ্যাপ্ত পৰিমাণে বা অপেক্ষাকৃত জটিল ধৰণৰ প্ৰয়োজন পূৰণ কৰা হয়। কিন্তু ইয়াৰ বাবে কৰ্ম শক্তিৰ ব্যয়ৰ মাত্ৰা বাঢ়ি গলে আকাঙ্ক্ষাৰ প্ৰবলতা হ্ৰাস পাই আহে, আৰু ক্ৰমে ব্যক্তি এনে অৱস্থাত উপনীত হয় যেতিয়া শক্তিৰ ব্যয় আৰু শক্তি গ্ৰহণৰ মাত্ৰা নিজৰ ব্যক্তিগত সামৰ্থৰ লগত খাপ খাই পৰে আৰু সি নিজৰ সমাজৰ লগতো সামঞ্জস্যপূৰ্ণ হৈ উঠে। সামাজিক পদ্ধতিয়ে ব্যক্তিৰ ওপৰত বিভিন্ন প্ৰকাৰৰ দাবী কৰে,

কিন্তু সেইবোৰ সততে এনেধৰণৰ হব লাগিব যাতে সংশ্লিষ্ট সমাজৰ অন্ততঃ এটা অংশৰ মানসিক আৰু মনস্তাত্ত্বিক গাঁথনিৰ লগত সেইবোৰ খাপ খাব পাৰে ।

এইদৰে প্ৰত্যেক সমাজতে কিছুদুৰ সামাজিক শ্ৰম-বিভাজন পৰিলক্ষিত হয়, আনহাতে আকৌ তাৰ ফলত ব্যক্তিৰ মানসিক প্ৰতি-ক্ৰিয়াৰ অৱস্থাই গঢ় লয় । সমাজৰ কৰ্ম্মতৎপৰতা তুলনাত কম জটিল হলে প্ৰতিক্ৰিয়াৰ ৰূপো তাৰ তুলনাত কম জটিল হয় ; অধিক জটিল হলে প্ৰতিক্ৰিয়াৰ ৰূপো অপেক্ষাকৃতভাৱে অধিক জটিল হয় । লগতে ইয়াকো কব পৰা যায় যে অপেক্ষাকৃত সৰল সমাজৰ তুলনাত জটিলতাৰ সমাজত যোগাযোগৰ প্ৰয়োজন অধিক অনুভূত হয় । সামাজিক গাঁথনিৰ জটিলতাৰ অনুপাতত যোগাযোগৰ মাত্ৰাৰ প্ৰয়োজনৰ হ্ৰাসবৃদ্ধি ঘটে । সেইদৰে ইয়াৰ বিপৰীত অৱস্থাও সত্য ।

আমি সমাজক অচল হিচাপে ধৰিলে দেখিবলৈ পাম যে ইয়াত যি মাত্ৰা আৰু ৰূপত যোগাযোগ চলে সেইবোৰ প্ৰত্যক্ষ-ভাৱে সামাজিক গঠন-বিন্যাসৰ লগত খাপ খায় । কিন্তু সকলো সমা-জতে জীৱন্ত মানুহ থাকে আৰু এই মানুহবোৰ সততে সক্ৰিয় আৰু সামাজিক দলৰ বিস্তাৰৰ প্ৰৱণতা কিবা স্বৰূপে দলীয় মনত প্ৰবেশ কৰে । সামাজিক দলবোৰে নিজকে গণ্য নকৰে, গতিশীল বুলিহে ধাৰণা কৰে ; আৰু নিজৰ নিজৰ বিকাশৰ গতিবেগৰ দ্বাৰা ই নিয়ন্ত্ৰিত হয় ।

সি যিয়েই নহওক, এই দলবোৰে যিটো হয় তাক প্ৰকাশ নকৰি যিটো হবলৈ ওলাইছে তাকহে দাঙি ধৰে (অৱশ্যে আন কিবা কাৰণত সামাজিক দলৰ বিকাশত বাধা জন্মিলে সুকীয়া কথা ।) ।

যদিহে আমি যোগাযোগৰ ক্ষেত্ৰত এইকথা প্ৰয়োগ কৰোহঁক তেন্তে আমাৰ ধাৰণা হব যে যোগাযোগৰ মাত্ৰা বৃদ্ধি পোৱাৰ লক্ষণ দেখা যায় আৰু আটাইতকৈ জটিল সামাজিক দলৰ যোগাযোগ ব্যৱস্থাৰ পটভূমিত এই বৃদ্ধি সম্বন্ধে বিবেচনা কৰিবলৈ আমাৰ স্বাভাৱিকতে ইচ্ছা হব । এনে ধাৰণাত অৱশ্যে ভুলো নোহোৱা নহয়, কিয়নো সামাজিক

বিকাশৰ ফলত অপেক্ষাকৃত সৰল ধৰণৰ সামাজিক ৰূপৰ সৃষ্টি নহয়, অধিক জটিল ৰূপহে সৃষ্টি হয়। অধিক জটিল ধৰণৰ সামাজিক ৰূপ সৃষ্টি হোৱাৰ অৰ্থ হ'ল অধিক জটিল সামাজিক শ্ৰম বিভাজন আৰু অপেক্ষাকৃত অধিক বিভিন্ন ধৰণৰ ব্যক্তিগত প্ৰতিক্ৰিয়াৰ নক্সা। তদুপৰি অপেক্ষাকৃত জটিল সমাজত অধিক ধৰণৰ মানসিক ক্ৰিয়া উদ্ভৱ হোৱাৰ ফলত দেখা দিয়া ঘাত প্ৰতিঘাতৰ গধুৰ বোজা পাতলোৱাৰ উদ্দেশ্যে ব্যাপকধৰণৰ পৰিপূৰক ব্যৱস্থাৰ উদ্ভাৱন কৰা হয়। আবেগিক, কায়িক, সাংস্কৃতিক অথবা প্ৰতীকৰ ক্ষেত্ৰত চলোৱা এই ধৰণৰ কাৰ্যকলাপৰ ফলত সংঘৰ্ষৰ ভাৱ হ্ৰাস পায়, নহলে অন্ততঃ তাক গতানুগতিক দিশৰপৰা আনপিনলৈ বোৱাই দিয়ে। অৱশ্যে লগতে এইকথাৰ ওপৰতো গুৰুত্ব দিব লাগিব যে এনেধৰণৰ অপেক্ষাকৃত পৰিপূৰক ব্যৱস্থা তেনেবোৰ সমাজতহে বিকশি উঠিব পাৰে য'ত সামাজিক-অৰ্থনৈতিক ক্ষমতাই তথাকথিত "আনুষঙ্গিক" কাৰ্যাৱলীক সমৰ্থন কৰাত অনুমতি দিয়ে শেহান্তৰত এনে পৰিপূৰক ব্যৱস্থা গঢ়ি উঠিবই লাগিব। ফলত "প্ৰাথমিক" আৰু "আনুষঙ্গিক" যোগাযোগৰ পদ্ধতি একেটা মুদ্ৰাৰে ইপিঠি আৰু সিপিঠি হৈ পৰে। যদিহে অপেক্ষাকৃত কম জটিল সমাজে অধিকতৰ জটিল সমাজৰ "আনুষঙ্গিক" যোগাযোগৰ পদ্ধতি গ্ৰহণ কৰিবলৈ যায়, তেন্তে তেনে সমাজে আনবোৰ কাৰ্যকলাপৰ ক্ষতি সাধন কৰি অৰ্থনৈতিক বোজাহে গ্ৰহণ কৰিব লগীয়াত পৰিব।

সমাজৰ কোনো সংশ্লিষ্ট শাখাত সামাজিক বিকাশ আৰম্ভ হব পাৰে, আৰু সংজ্ঞাৰ ফালৰপৰা তেতিয়া তাত গ্ৰন্থৰ উৎপাদন, পুথিভঁৰালৰ বিকাশ আদি বৃদ্ধি পাব বুলি ধৰি লব পৰা যায়।

এনে ধৰণৰ প্ৰতিক্ৰিয়া সম্ভৱপৰ হোৱাৰ অৰ্থ এয়ে নহয় যে সি আপোনা আপুনি সামাজিক পৰিকল্পনাৰ অঙ্গ হৈ পৰিব। সংশ্লিষ্ট সামাজিক দলৰ সামাজিক বিকাশ প্ৰৱণতাৰ লগত থাপ খালেহে সামাজিক পৰিকল্পনাৰ মূল্য থাকে। এনে প্ৰৱণতা নাথাকিলে প্ৰতিষ্ঠাৰ অনুকৰণ হিচাপে অথবা অপেক্ষাকৃত ক্ষমতাসম্পন্ন সামাজিক দল এটাই বলেৰে জাপি দিয়া হেতুকে পৰিকল্পনা হাতত লোৱা হব পাৰে।

কিন্তু এনে ক্ষেত্ৰত সামাজিক বিকাশৰ প্ৰৱণতা আৰু উদ্দেশ্য-প্ৰণোদিত পৰিকল্পনাৰ মাজত সামঞ্জস্য থাকিলেহে সুফল আশা কৰিব পৰা যায়। আনকি তেতিয়াও বাস্তৱ পৰিকল্পনা সততে অন্তৰ্নিহিত বিকাশ প্ৰৱণতাৰ অভিব্যক্তি নহব পাৰে। ইয়াৰ দ্বাৰা এনে সিদ্ধান্তত উপনীত হব পাৰি যে শেহান্তৰত যিটো দল উপকৃত হব তেনে দলেহে আটাইতকৈ অধিক গঠনমূলক পৰিকল্পনা যুগুত কৰে।

কিন্তু সমাজত ভালেমান দল থাকে আৰু এদলৰ পৰিকল্পনা সহজতে আন এটা দলৰ বাবে ক্ষতিকৰ হব পাৰে। বিভিন্ন সামাজিক দলৰ পৰিকল্পনাৰ মাত্ৰা নিৰ্ভৰ কৰে সেই দলবোৰৰ দখলত থকা ক্ষমতাৰ ওপৰত, আৰু এইদৰে আমাৰ সমাজত সকলো পৰিকল্পনাৰ শতকৰা ৯৯ ভাগ ৰাষ্ট্ৰ বা ৰাষ্ট্ৰৰ দলে যুগুত কৰে।

ইউনেস্কোৰ বছৰেকীয়া বাজেট সম্বন্ধে বিবেচনা কৰি চালে দেখা যাব যে বিশ্বৰ লোক সংখ্যাৰ প্ৰতিজনৰ বাবে এই বাজেটত মাৰ্কিন মুদ্ৰাৰ হিচাপত আধা চেণ্টকৈহে ধৰা হয়, গতিকে বিশ্বৰ বাবে যুগুত কৰা পৰিকল্পনাৰ প্ৰভাৱ যে তীব্ৰ ধৰণৰ হব নোৱাৰে, সেইটো তেনেই স্পষ্ট কথা। তথাপি যিখিনি সা-সম্বল পোৱা গৈছে তাৰ দ্বাৰাই আচৰিত ধৰণে কাম সম্পাদন কৰা হৈছে। তদুপৰি আন্তৰ্জাতিক সংস্থাবোৰৰ বৈঠকত অতিশয় দলগত ব্যৱধান দেখিবলৈ পোৱা যায়, গতিকে এনেবোৰ বৈঠকৰ যোগেদি যি ধৰণৰ পৰিকল্পনা যুগুত কৰা হয় সি একমাত্ৰ প্ৰকৃত কাম সম্পাদনৰ পৰিকল্পনা হব বুলি সন্দেহ হয়।

আনৰ লগত মৈত্ৰী চুক্তিত সংযুক্ত নহলে প্ৰতিখন ৰাষ্ট্ৰই একো একোটা স্বকীয়া গোট আৰু নিজৰ উন্নয়ন আৰু বিকাশৰ বাবেই প্ৰত্যেকে প্ৰথমতে আৰু প্ৰধানকৈ মনোনিবেশ কৰে। এখন ৰাষ্ট্ৰৰ বিকাশৰ ফলত আন এখন ৰাষ্ট্ৰৰ ক্ষতি হোৱাৰ বিপদ দেখা দিলে আন্তৰ্জাতিক নৈতিকতা বা আন্তৰ্জাতিক আইনে তাত বাধা দিব পাৰে। বুৰঞ্জীয়ে প্ৰায়ে দেখুৱাই আহিছে যে কিছুদূৰ ভাৱসাম্য অটুট থাকিলেহে

এনে ধৰণৰ বাধা নিষেধৰ প্ৰভাৱ পৰিব পাৰে। এনে ভাবসাম্য খানখান হৈ গলে এনে ধৰণৰ বাধা দানৰ প্ৰভাৱো তেনেই হ্ৰাস পাই যোৱাৰ লক্ষণ দেখিবলৈ পোৱা যায়।

গতিকে বিশ্বসমাজৰ বিকাশ সম্বন্ধে বিবেচনা কৰিবলৈ হলে আমি ভিন ভিন ৰাষ্ট্ৰৰ আধাৰত বিবেচনা কৰিব লাগিব। আমি আগতে লক্ষ্য কৰি আহিছো যে অধিক পৰ্যাপ্তধৰণে প্ৰয়োজন পূৰণৰ প্ৰেৰণাত আৰু অধিক গুৰুত্ব আৰু প্ৰতিষ্ঠা লাভৰ প্ৰেৰণাত অধিক মাত্ৰাত সামাজিক বিকাশৰ কাম চলে। অপেক্ষাকৃত বৃহত্তৰ ৰাষ্ট্ৰত দ্বিতীয় প্ৰেৰণা অধিক তীব্ৰভাৱে সক্ৰিয় হয় আৰু তুলনাত সৰু ৰাষ্ট্ৰ—পৰ্যাপ্ত পৰিমাণে প্ৰয়োজন পূৰণ কৰিব পাৰিলে আৰু কিছুদূৰ "প্ৰতিষ্ঠা"ৰ কাম চলিলে—তাতে সন্তুষ্ট থাকে।

অপেক্ষাকৃত ডাঙৰ ৰাষ্ট্ৰবোৰে নিজৰ এই লক্ষ্যসাধনৰ সুফলবোৰ যথাসম্ভৱ অধিক মাত্ৰাত বিয়পাই দিবলৈ চেষ্টা কৰে, আৰু এইদৰে নিজৰ এলেকা আৰু তলতীয়া অঞ্চলবোৰত কিছু পৰিমাণে প্ৰস্থমান-ভাৱে horizontal বিস্তৃতি ঘটে। এই ক্ষেত্ৰত সৰুসুৰা ৰাষ্ট্ৰৰ তুলনাত বৃহত্তৰ ৰাষ্ট্ৰৰ তলতীয়া অঞ্চলবোৰৰ অধিক লাভ হব পাৰে। কিন্তু ডাঙৰ ডাঙৰ ৰাষ্ট্ৰবোৰৰ মাজত প্ৰতিযোগিতা চলাৰ ফলত এইদৰে বিস্তৃতি ঘটাত বাধাৰ সৃষ্টি হব পাৰে আৰু সাধাৰণতে আমি ইয়াকো লক্ষ্য কৰো যে ডাঙৰ ডাঙৰ ৰাষ্ট্ৰবোৰত অধিক মাত্ৰাত নগৰ অঞ্চলৰ উন্নয়ন হয় আৰু এইদৰে প্ৰস্থমান বিস্তৃতিৰ ফলত তেনেই আওহতীয়া গাঁও অঞ্চল আৰু আনুষঙ্গিক কামৰ বাবে গঢ়ি উঠা চহৰ অঞ্চলৰ বিশেষ একো লাভ নহয়। এই প্ৰৱণতাৰ ফলত উদ্ভৱ হোৱা ক্ষমতাৰ সমাৱেশ ব্যক্তিগততকৈ অধিক সংঘগত ধৰণৰ হব পাৰে। দৃষ্টান্ত স্বৰূপে, বৰ্তমানে আমাৰ যুগত চৰকাৰী আৰু উদ্যোগসমূহৰ আমোলাতন্ত্ৰৰ হাতত বিস্তৰ পৰিমাণে সামাজিক আৰু অৰ্থনৈতিক ক্ষমতাৰ সমাৱেশ ঘটিছে। এইদৰে ক্ষমতাৰ সমাৱেশ-প্ৰৱণতা চলি থাকে, কিন্তু এনে ক্ষমতাৰ কেন্দ্ৰীকৰণ উদ্দেশ্য সিদ্ধিৰ সীমাত উপনীত হলে বাৰে বাৰে তাৰ বিৰুদ্ধে প্ৰতিকাৰমূলক ব্যৱস্থা লোৱা হয়। তথাপি প্ৰৱণতা অব্যাহত থাকে।

কোনো ৰাষ্ট্ৰগোষ্ঠীৰ অন্তৰ্গত নোহোৱা আৰু অপেক্ষাকৃত কম অগ্ৰসৰ সকৰাষ্ট্ৰই উন্নয়নৰ বাবে হাতত লোৱা পৰিকল্পনাই হ'ল আটাইতকৈ সৰল ধৰণৰ পৰিকল্পনা। এনে ৰাষ্ট্ৰৰ বাবে ইয়াৰ নাগৰিক-সকলৰ আকাঙ্ক্ষা সূচীৰ লগত যি মাত্ৰাত খাপ খাব সেই মাত্ৰাতহে সামাজিক বিকাশ আকৰ্ষণীয় হব। আন কথাত কবলৈ গলে অসন্তুষ্ট দল বা ব্যক্তিৰ মাজতে প্ৰথমতে ইয়াৰ কাম আৰম্ভ কৰিব লাগিব। অসন্তুষ্টি নাথাকিলে কৰ্মপ্ৰেৰণাও দেখা নাযাব।

সামাজিক বিকাশ সংঘটিত হবলৈ হলে অন্তৰ্নিহিত ৰূপেৰে অসন্তুষ্টিৰ ভাব ব্যাপকধৰণে থাকিব লাগিব; অন্নশ্চে অপেক্ষাকৃত সৰু সৰু দলতহে এই ভাব তীব্ৰভাৱে থাকে, অধিকভাগ বিপ্লৱতে এই অৱস্থা দেখিবলৈ পোৱা যায়। এই অসন্তুষ্টিৰ বিস্তৃতি সীমায়িত ধৰণতকৈ ব্যাপক-ধৰণৰ হব লাগিব ঃ সামগ্ৰিকভাৱে নতুন সাংস্কৃতিক পৰ্যায় উদয় হোৱাৰ সম্ভাৱনা দেখা দিব লাগিব। লগতে এই কথালৈকো লক্ষ্য ৰখা উচিত হব যে যিবোৰ সামাজিক দল নতুন সাংস্কৃতিক পৰ্যায়ৰ বাহক হৈ পৰে, সেইদলবোৰে সততে ক্ষমতা লাভৰ বাবেও লক্ষ্য ৰাখে। যিবোৰ বিপ্লৱৰ ফলত নতুন সাংস্কৃতিক পৰ্যায়ৰ সূচনা হৈছে, সেইবোৰৰ ফলত লগতে আন্তঃদলীয় ক্ষমতাৰ গাঁথনিতো উল্লেখযোগ্য পৰিৱৰ্তন সাধিত হৈ আছিছে।

ইয়াৰ তাৎপৰ্য ইয়াকে ধৰিব লাগিব নে যে অনুকৰণৰ দ্বাৰা সাংস্কৃতিক পৰিৱৰ্তন সম্ভৱপৰ নহয়? এটা জাতিয়ে আৰম্ভ কৰা ·অভিনৱ সাংস্কৃতিক অভ্যুত্থান আন আন জাতিয়ে গ্ৰহণ কৰাৰ ভালেমান দৃষ্টান্ত দেখিবলৈ পোৱা যাব, কিন্তু এইবোৰ ক্ষেত্ৰত পৰিৱৰ্তন আপেক্ষিকভাৱে কম ব্যাপক আৰু কম সুদূৰ প্ৰসাৰী ধৰণৰ হয়। যদিহে আমি বৰ্তমান যুগৰ অপেক্ষাকৃত কম অগ্ৰসৰ অঞ্চলবোৰৰ ক্ষেত্ৰত এই কথা প্ৰয়োগ কৰি চাওঁ, তেন্তে আমি কেতবোৰ কৌতূহলপূৰ্ণ সিদ্ধান্তত উপনীত হব পাৰোহঁক। সাংস্কৃতিক পৰিৱৰ্তনৰ বাবে প্ৰেৰণা যোগোৱা প্ৰভাৱ আন দুই প্ৰকাৰ প্ৰভাৱৰ পৰিণাম স্বৰূপঃ ক—সংশ্লিষ্ট সামাজিক দলত উদ্ভৱ হোৱা অসন্তুষ্টি; খ—বাহিৰৰ পৰা এই দলৰ ওপৰত পৰা প্ৰভাৱ।

গ্ৰন্থৰ উৎপাদন আৰু পুথিভঁৰালৰ বিকাশত এই দুটা প্ৰভাৱৰ ক্ৰিয়া কেনে ধৰণৰ হয় সেইকথা বিবেচনা কৰাটো কৌতূহলপূৰ্ণ হব।

১। স্বাভাৱিক বিকাশৰ ক্ষেত্ৰত

ক—উদাহৰণ স্বৰূপে যদি লোকসংখ্যা বৃদ্ধিৰ ফলত কোনো এখন দেশত সামাজিক বিকাশৰ প্ৰৱণতা দেখা দিয়ে তেন্তে তেনে দেশে সামাজিক আৰু প্ৰাকৃতিক পৰিৱেশৰ ওপৰত অধিক আধিপত্য লাভৰ বাবে চেষ্টা কৰিব লাগিব। এনে অৱস্থাৰ উদ্ভৱ হলে স্বাভাৱিকতে গ্ৰন্থ-পাঠৰ ইচ্ছা আদিত উৎসাহ দিয়া হব।

খ—বাহিৰৰ প্ৰভাৱ, ইয়াৰ অৰ্থ হ'ল অধিক ক্ষমতাশালী ৰাষ্ট্ৰৰ প্ৰভাৱ। এনে প্ৰভাৱৰ ফলতো অনুৰূপ অৱস্থাৰ উদ্ভৱ হব, কিন্তু তেতিয়া কেতবোৰ ক্ষেত্ৰৰ ক্ষতি সাধন কৰি কেতবোৰ ক্ষেত্ৰৰ বিকাশ সাধিত হব পাৰে। দৃষ্টান্ত স্বৰূপে, যদিহে ক ৰাষ্ট্ৰই খ ৰাষ্ট্ৰৰ ওপৰত দৈনন্দিন প্ৰয়োজনীয় বয়-বস্তু নিৰ্মাণৰ উদ্যোগৰ সলনি প্ৰতিৰক্ষাৰ বাবে বিৰাট বিৰাট উদ্যোগ গঢ়ি তোলাৰ কাৰণে প্ৰভাৱ বিস্তাৰ কৰে, তেন্তে তাৰ-ফলত কাৰিকৰী জ্ঞানৰ প্ৰয়োজন অধিক অনুভূত হব আৰু ইয়াৰ ফলত কেতবোৰ বিশেষ ধৰণৰ গ্ৰন্থপাঠ আৰু পুথিভঁৰালৰ বিকাশ সাধিত হব পাৰে। কিন্তু জীৱন যাত্ৰাৰ মান অপেক্ষাকৃতভাৱে তলখাপৰ হৈ থকা হেতুকে গ্ৰন্থপাঠৰ ইচ্ছা সাধাৰণ ধৰণৰ নহব পাৰে।

২। স্বাভাৱিক বিকাশৰ আকাঙ্ক্ষা নথকা ক্ষেত্ৰত

ক—একোটা গতিহীন সামাজিক দলত সামাজিক জটিলতা বৃদ্ধিৰ আকাঙ্ক্ষা নাথাকে। এনে সমাজত বাস্তৱভাৱপৰা আঁতৰি যোৱাৰ উদ্দেশ্যে গ্ৰন্থপাঠৰ আৰু মুক্তি লাভৰ বাবে গ্ৰন্থপাঠৰ মাত্ৰা বৃদ্ধি পাব পাৰে সঁচা, কিন্তু সাফল্যমূলক' গ্ৰন্থপাঠৰ মাত্ৰা হলে কমি যাব। যদিহে সংশ্লিষ্ট সামাজিক দল আধুনিক হয়—য'ত সাফল্যমূলক গ্ৰন্থপাঠেই মুখ্য-বিধৰ গ্ৰন্থপাঠ—তাতো গ্ৰন্থৰ উৎপাদন আৰু পুথিভঁৰালৰ বিকাশৰ মাত্ৰা হ্ৰাস পাব।

খ—বাহিৰৰ প্ৰভাৱৰ ফলত সমাজত নৱজাগৰণৰ সৃষ্টি হব পাৰে, যুৱতীত প্ৰায়ে ইয়াৰ দৃষ্টান্ত পাবলৈ আছে। এনে ক্ষেত্ৰত অতিৰিক্ত প্ৰেৰণা সৃষ্টি হোৱা হেতুকে অধিক সামাজিক জটিলতা আৰু ইয়াৰ আনুষঙ্গিক প্ৰক্ৰিয়াবোৰ দেখিবলৈ পোৱা যাব। ইয়াৰ উদাহৰণ স্বৰূপে, এখন কৃষিপ্ৰধান সমাজ যদি ইয়াৰ চুবুৰীয়া ৰাষ্ট্ৰৰ ক্ৰম বৰ্ধমান শক্তি সম্বন্ধে সচেতন হৈ উঠে, তেন্তে তেনে সমাজেও নিজৰ সামাজিক ব্যৱস্থা সম্বন্ধে পৰ্যালোচনা কৰি চাবলৈ আৰম্ভ কৰে।

বাহিৰৰ প্ৰভাৱ যদি অতিশয় প্ৰবল হয় আৰু তাৰ ফলত নতুন ধৰণৰ সঁহাৰিৰ সৃষ্টি নহয় (টয়নবীৰ সংজ্ঞামতে চৰম প্ৰত্যাহ্বান), তেন্তে সংশ্লিষ্ট সামাজিক দল তলপৰি যোৱাৰ আৰু অধিক শক্তিশালী সমাজৰ উপদলত পৰিণত হোৱাৰ লক্ষণ দেখিবলৈ পোৱা যাব। তেতিয়া উপদল হিচাপে হয়তো ই অধিক প্ৰতিপত্তিশালী দলৰ সাংস্কৃতিক অৱস্থা গ্ৰহণ কৰিব, নহলে পাৰ্শ্বৱৰ্তী এটা দল হিচাপে কোনোৰকমে প্ৰভাৱশালী দলৰ অনুগ্ৰহত নিজৰ সাংস্কৃতিক অৱস্থা ৰক্ষা কৰি চলি থাকিব; ইয়াৰ দৃষ্টান্ত হ'ল—উত্তৰ আমেৰিকাৰ ৰেড ইণ্ডিয়ানসকল।

আমাৰ বৰ্তমানৰ বিশ্লেষণৰ বাবে প্ৰথম সংখ্যক প্ৰভাৱহে গুৰুত্বপূৰ্ণ। ইয়াৰপৰা দেখা যায় যে অপেক্ষাকৃত কম জটিল অঞ্চলবোৰৰ বিকাশ অতিশয় কঠিন সমস্যা যাক সৰলভাৱে বিশ্লেষণ কৰি চোৱাৰ উপায় নাই। লোকসংখ্যা বৃদ্ধিৰ প্ৰশ্নটোও গুৰুত্বপূৰ্ণ, কিয়নো ইয়াৰ ফলত সামাজিক বিকাশৰ "জৈৱিক" কৰ্ম প্ৰেৰণাৰ উদ্ভৱ হয়।

বৰ্তমানে গ্ৰন্থৰ উৎপাদন বৃদ্ধি আৰু পুথিভঁৰালৰ বিকাশ অধিক মাত্ৰাত জনশিক্ষাৰ লগত ওতঃপ্ৰোতভাৱে কাৰ্যসূচীৰ অঙ্গ হৈ থকা দেখিবলৈ পোৱা যায়। আনহাতে আকৌ সমাজত উপযুক্ত অনুকূল প্ৰেৰণা থাকিলেহে এনে কাৰ্যসূচী সফল হব পাৰে।

"আফ্ৰিকাত ৰাজহুৱা পুথিভঁৰালৰ বিকাশ: ইবাদন আলোচনা চক্ৰ।" শীৰ্ষক ইউনেস্কোৰ পুস্তিকাৰপৰা ইয়াৰ কেতবোৰ উদাহৰণ দাঙি ধৰিব পৰা যায়।

"মোৰ নিজা মত হ'ল এয়ে যে আফ্ৰিকাত ৰাজহুৱা পুথিভঁৰালৰ এটা লক্ষ্য হোৱা উচিত সকলো প্ৰকাৰে পুথিৰ যোগান ধৰি জনশিক্ষা অভিযানত সহায় কৰা, যাতে প্ৰাপ্তবয়স্ক শিক্ষা কেন্দ্ৰবোৰত মানুহে যিখিনি শিকে তাক পিচত পাঠ্য সামগ্ৰীৰ অভাৱত ভতালিকে পাহৰি নাযায়। আজি আফ্ৰিকাত শিক্ষাৰ প্ৰতি অতিশয় আগ্ৰহৰ সৃষ্টি হৈছে, কিন্তু শিক্ষা আৰু যাক আমি গ্ৰন্থপাঠৰ অভ্যাস বোলোঁ তাৰ লগত যে সম্পৰ্ক আছে সেইকথা ভালেমান আফ্ৰিকানে উপলব্ধি নকৰে। স্কুল আৰু সাবালক শিক্ষা কেন্দ্ৰবোৰত এই অভ্যাস যথেষ্ট মাত্ৰাত গঢ়ি তোলা নহয় হেতুকেই এনে হবলৈ পায়। আফ্ৰিকানসকলক পঢ়িবলৈ শিকোৱা হয় কিন্তু তেওঁলোকৰ এই নতুন যোগ্যতা অনুশীলনৰ দ্বাৰা কিমান বিৰাট লাভ আৰু আনন্দ পোৱা যাব পাৰে সেই কথা হলে বুজাই দিয়া নহয়, আৰু অধিক ক্ষেত্ৰতে তাৰ বাবে পুথিও পাবলৈ নাই। কিন্তু ইয়াত হতাশ হোৱাৰ একো কাৰণ নাই। কিয়নো, সম্প্ৰতি শিক্ষক, প্ৰশিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকল, ভাল ৰাজহুৱা পুথিভঁৰালবোৰ, প্ৰয়োজন সম্বন্ধে সচেতন হৈ উঠাৰ লক্ষণ দেখিবলৈ পোৱা গৈছে। তদুপৰি য'তেই ভাল পুথিৰ সংগ্ৰহ কৰা হৈছে তাতেই তাক ব্যৱহাৰ কৰাৰো বাবে বাবে প্ৰমাণ পোৱা গৈছে।" (১)

এই ক্ষেত্ৰত পুথিভঁৰালৰ বিকাশ সাধনত প্ৰতিষ্ঠা লাভৰ প্ৰশ্নটো গুৰুত্বপূৰ্ণ হৈ উঠে বুলি যুক্তি দেখুৱাব পৰা যায়, কিন্তু ই এটা বিকাশৰ বিশেষ স্তৰ যেতিয়া পুথিভঁৰালৰ বিকাশৰ প্ৰয়োজন অনুভূত হয়।

"সংশ্লিষ্ট যিকোনো জন সমষ্টিৰ বিকাশত এনে এটা সময় উপস্থিত হয় যেতিয়া পুথিভঁৰালৰ প্ৰয়োজন উপলব্ধি কৰা হয়। ইয়াৰ লগত সংশ্লিষ্ট সকলো কথাবোৰলৈ লক্ষ্য ৰাখি ঠিক সময় নিৰ্ণয় কৰি লোৱাটো হ'ল প্ৰথম সমস্যা, তাৰ পিচত আৱশ্যকীয় খিনি যোগোৱাৰ বাবে কিছুমান বাস্তৱ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াৰ বাবে আটাইতকৈ

(১) বাৰবাৰা মুলেনৰ 'আফ্ৰিকাত ৰাজহুৱা পুথিভঁৰালৰ বিকাশ' ইউনেস্কো, ১৯৫৪।

গুৰুত্বপূৰ্ণ চৰ্ত হ'ল—মানুহৰ মাজত দিনক দিনে লিখাপঢ়া জনা লোকৰ সংখ্যা বৃদ্ধি, আৰু অকল প্ৰাথমিক শিক্ষাতকৈ অধিক শিক্ষালাভ কৰা লোকো কিছুসংখ্যক থাকিব লাগিব; তেনে ৰাইজৰ মাজত নিজৰ আৰ্থিক আৰু সামাজিক উন্নয়নৰ ইচ্ছা থাকিব লাগিব ; ভাষা, বিষয় বস্তু আৰু শৈলীৰ ফালৰপৰা এনে কেতবোৰ পুথি থাকিব লাগিব যিবোৰ পঢ়ি ৰাইজে ৰস গ্ৰহণ কৰিব পাৰে ; পুথিভঁৰালবোৰৰ পৰিচালনা আৰু বিকাশৰ বাবে সেই অঞ্চলৰ যথেষ্ট আৰ্থিক সঙ্গতি থাকিব লাগিব। এই প্ৰসঙ্গতে এটা কথা মনত ৰখা উচিত হব যে প্ৰথমতে যিকোনো সংস্থাই এনে পুথিভঁৰালৰ দিহা কৰি দিব পাৰে সঁচা, কিন্তু শেহান্তৰত সংশ্লিষ্ট অঞ্চলেহে তাৰ সংৰক্ষণ কৰিব লাগিব।

পুথিভঁৰাল কৰি দিয়াৰ প্ৰয়োজন কেবা প্ৰকাৰে দেখা দিব পাৰে, যেনে ঃ শিক্ষাবিদ সকলে উপলব্ধি কৰিব পাৰে যে ৰাইজক বুনিয়াদী শিক্ষাদান কৰি তেওঁলোকৰ বিকাশৰ বাবে প্ৰয়োজনীয় প্ৰাথমিক প্ৰেৰণা যোগোৱাৰ চেষ্টা অথলে যাব, যদিহে স্কুলৰ শিক্ষা সমাপ্ত কৰি যোৱা বয়সৰ ল'ৰাছোৱালীহঁতৰ বাবে বৌদ্ধিক, সামাজিক আৰু অৰ্থ-নৈতিক বিকাশ অব্যাহত ৰখাৰ বাবে প্ৰয়োজনীয় উপায়ৰ দিহা কৰি দিয়া নহয়। স্থানীয় ৰাইজে নিজৰ সীমাবদ্ধ শিক্ষাৰ কথা উপলব্ধি কৰি তাৰ উন্নতিৰ কিবা উপায় নিজেই বিচাৰিব পাৰে। আনহাতে আকৌ কৰ্তৃপক্ষয়ো ৰাইজৰ গতানুগতিক শিক্ষাৰ সীমাৱদ্ধতালৈ লক্ষ্য কৰি এইক্ষেত্ৰত ৰাইজৰ সহায়ক হব পৰা কিবা উপায়ৰ দিহা কৰি দিবলৈ ইচ্ছা কৰিব পাৰে। এনে ক্ষেত্ৰত সুসংগঠিত গ্ৰন্থাগাৰ ব্যৱস্থাই স্পষ্টভাৱে যথেষ্ট বৰঙণি যোগাব পাৰে।” (২)

এই উদ্ধৃতিত সমস্যাৰ জটিলতা সম্বন্ধে এটা অতিশয় স্পষ্ট আভাস দিয়া হৈছে ঃ পূৰ্বতে অগ্ৰগতিৰ বাবে এটা সামাজিক গতিশীলতা থাকিব লাগিব, যাতে শেষত পাব পৰা সা-সম্বলৰ যোগেদি কিছুদূৰ আৰ্থিক ভাৰসাম্য প্ৰতিষ্ঠিত হব পাৰে। এনে বিৱৰ্তনত কোনোৰা এটা

(২) জি. এনিচ্‌লীৰ 'ষ্টেপচ্‌ ইন প্লেনিং পাব্‌লিক্ লাইব্ৰেৰী ইন্ এন্ এফ্ৰিকান চৈবিটৰী'; পৃষ্ঠা ৩৯—৪০।

যোগসূত্ৰ নাইকিয়া হলে সমগ্ৰ প্ৰক্ৰিয়াই বিপন্ন হৈ পৰাৰ অৱস্থা দেখা দিয়ে।

অপেক্ষাকৃত কম অগ্ৰসৰ দেশবোৰৰ আৰু এটা বিশেষ সমস্যা হ'ল এয়ে যে পুথিভঁৰালৰ বিকাশৰ লগে লগে উপযুক্ত সা-সামগ্ৰী যোগানৰ কামো চলি থাকে। সাহিত্য-সংস্থা এটা নতুন সামাজিক প্ৰতিষ্ঠান হিচাপে অতিশয় গুৰুত্বপূৰ্ণ হৈ পৰে, কিয়নো এনে সংস্থাই পাঠকৰ প্ৰয়োজন অনুসৰি পাঠ্য সামগ্ৰী যোগানত সহায় কৰে। অধিক সমুন্নত দেশত এই পক্ৰিয়া প্ৰায়ে অসংলগ্ন ধৰণৰ দেখা যায়।

"....আফ্ৰিকান এজনে প্ৰথমতে আৰু মুখ্যতঃ শিকিবলৈ আৰু নিজৰ উন্নতি সাধিবলৈ পুথি পঢ়ে। আজি তেওঁ ক্ষিপ্ৰ বিকাশৰ গতিত খোজ দিবলগীয়া হৈছে, গতিকে তেওঁ ইয়াৰ লগতে তাল ৰাখি চলিবলৈ আৰু নিজৰ দেশত ক্ৰমে বাঢ়ি অহা বহুমুখী দায়িত্ববোৰ পালনৰ বাবে নিজকে উপযুক্তভাৱে গঢ়ি তুলিবলৈ উদগ্ৰীৱ হৈ উঠিছে; গতিকে তেওঁৰ মনত আজি শিকাৰ হেপাহ অফুৰন্ত হৈ উঠিছে। জলবায়ু, জীৱন নিৰ্বাহৰ পৰিৱেশ, একাগ্ৰচিত্তে কৰা গ্ৰন্থপাঠৰ ফলত দেখা দিয়া ক্লান্তিৰ বাবেও তেওঁৰ অন্তৰত বিশ্ৰাম মূলক গ্ৰন্থপাঠৰ অভ্যাস গঢ়ি উঠাৰ অনুকূলে প্ৰেৰণাৰ সৃষ্টি নহয়।" (৩) পাশ্চাত্য সভ্যতাৰো আদি অৱস্থাত—যেতিয়া নিজৰ উন্নতি সাধনৰ প্ৰেৰণাই সৰ্বাধিক গুৰুত্ব লাভ কৰিছিল—তেতিয়াও ইয়াৰ দৃষ্টান্ত পোৱা গৈছিল। প্ৰথমতে সাফল্যমূলক জ্ঞানৰ বিকাশ সাধনতকৈ আধ্যাত্মিক বিকাশৰ ওপৰতহে অধিক গুৰুত্ব দিয়া হৈছিল। কিন্তু অপেক্ষাকৃত অনগ্ৰসৰ দেশবোৰ আজি এনে পৰ্যায়ত উপনীত হৈছে যেতিয়া সাফল্যমূলক জ্ঞান লাভৰ প্ৰতি প্ৰায় ভক্তিমূলক গ্ৰন্থ-পাঠৰ মনোভঙ্গী অৱলম্বন কৰা হৈছে। বোধহয় ইয়াৰ অন্তৰ্নিহিত উদ্দেশ্য নৈতিক ধৰণৰঃ বিশ্বৰ বিভিন্ন ৰাইজৰ মাজত ভেদাভেদৰ সৃষ্টি কৰা ব্যৱধান সংকুচিত কৰা"

---

(৩) জি, এনিচজীৰ 'ষ্টেপচ্ ইন্ প্লেনিং পাব্লিক্ লাইব্ৰেৰী ইন্ এক্ "এক্ৰিকান টেৰিটৰী'; পৃষ্ঠা ৫৭।

আৰু অধিক স্বতন্ত্ৰতা অৰ্জন কৰা ; সামাজিক আৰু অৰ্থনৈতিক ভেটি নহলে আজিকালি এনে কৰাটো সম্ভৱপৰ নহয়। এনে এটা সামাজিক আৰু অৰ্থনৈতিক ভেটি গঢ়ি তুলিব পাৰিলেহে আধুনিক ধৰণৰ সৰ্বব্যাপক গাঁথনি এটা নিৰ্মাণ কৰি লব পৰা যায়। আটাইবোৰ বিকাশৰ আঁচনিৰপৰা এটা ডাঙৰ বিপদৰ আশঙ্কা থাকে। সেয়ে হ'ল—চলিত সাংস্কৃতিক পদ্ধতিবোৰৰ ধ্বংস সাধন কিন্তু লগতে নতুন আৰু প্ৰাচীন পদ্ধতিৰ মাজত প্ৰকৃত সমন্বয় সাধনত ব্যৰ্থতা। অৱশ্যে লগতে এইটোও মনত ৰখা উচিত হব যে ক্ষমতাশালী সামাজিক দলে আন সংস্কৃতিক অনুকৰণ কৰিলে তাৰ ফলত নতুন সাংস্কৃতিক পদ্ধতিৰ সৃষ্টি হয় ; আনবোৰ অধিক ক্ষেত্ৰতে "মিশ্ৰ পদ্ধতিৰ" উদ্ভৱ হয়, কিন্তু বুৰঞ্জীৰ ক্ৰম বিকাশত এই প্ৰক্ৰিয়া সততে ঘটি অহা যেন ধাৰণা হয়।

একমাত্ৰ শক্তিশালী জাতিবোৰেও তথাকথিত "পূৰ্ণাঙ্গ সাংস্কৃতিক পদ্ধতি" সৃষ্টি কৰিব পাৰে, আনকি এই ক্ষেত্ৰতো ই আংশিকভাৱেহে সত্য। সকলো দৃষ্টান্ততে আন আন প্ৰভাৱ আঙুলিয়াই দেখুৱাব পৰা যায়, কিন্তু অপেক্ষাকৃত সৰুসুৰা দলত এনেবোৰ প্ৰভাৱ অধিক শক্তিশালী হৈ থাকে। লগতে এই কথাও উল্লেখ কৰা উচিত হব যে জৈৱিক কাৰণত আৰু প্ৰতিষ্ঠালাভৰ প্ৰয়োজনত প্ৰতিকাৰৰ কৰ্মপ্ৰেৰণা নিহিত থাকে আৰু দুয়োটা প্ৰেৰণা তীব্ৰভাৱে সক্ৰিয় হৈ উঠিলেহে সক্ৰিয়ভাৱে বিকাশৰ প্ৰৱণতা দেখা দিয়ে।

"আনৰ" প্ৰতি তীব্ৰ কৌতূহল দেখা দিলে সাধাৰণতে বিকাশৰ প্ৰথম সূচনা হয়। আদি গ্ৰন্থপাঠ প্ৰত্যক্ষভাৱে উন্নতিমূলক সাহিত্য আৰু মানৱীয় কৌতূহলপূৰ্ণ বাতৰিকাকত আৰু সচিত্ৰ আলোচনী আদি পঠন-সামগ্ৰীক কেন্দ্ৰ কৰি বিকশি উঠে।

"....কঙ্গোবাসীসকলৰ মাজত পুথিতকৈ আলোচনীৰ চাহিদা অধিক ; ছবি নথকা আলোচনীৰ তুলনাত 'সচিত্ৰ আলোচনীৰ' চাহিদা অধিক ; পুথিৰ ভিতৰত ভ্ৰমণ কাহিনী আৰু সহজ ভাষাত লিখা কাৰিকৰী পুস্তিকা অতিশয় জনপ্ৰিয় ; আফ্ৰিকাৰ জীৱজন্তুৰ বিষয়ে লিখা কাহিনীৰ চাহিদা

বৰ বেছি, কিন্তু আগৰ তুলনাত এতিয়া এইবোৰৰ চাহিদা কমি গৈছে ; কঙ্গোৰ বুৰঞ্জী আৰু ভূগোল সম্পৰ্কীয় পুথিৰ চাহিদা দিনক দিনে বাঢ়ি গৈছে ; সাধাৰণতে উপন্যাস পাঠকৰ মাজত সৰবৰহী নহয় । ” (৪)

ব্যক্তিৰ আবেগৰ গঠন বিন্যাসত গ্ৰন্থপাঠৰ প্ৰয়োজন নিহিত থাকে । যদিহে সাংস্কৃতিক উন্নয়ন এনে এটা পৰ্যায়ত উপনীত হয়, যেতিয়া তীব্ৰগতিত পৰিবৰ্তন বিচৰা হয়, তেতিয়া পৰিপূৰক গ্ৰন্থপাঠৰ বাবে অতি অধিক প্ৰয়োজন অনুভূত নহয়, কিয়নো অপেক্ষাকৃত জটিলতৰ সভ্যতাতহে এনে প্ৰয়োজন উপলব্ধি কৰা হয় ।

“এজন আফ্ৰিকানে সময় কটাবলৈ পুথি নপঢ়ে । তেওঁ অকল পুথি পঢ়ি আনন্দলাভৰ অভিপ্ৰায় লৈ গ্ৰন্থপাঠ নকৰে । তেওঁ এটা উদ্দেশ্য সাধনৰ অভিপ্ৰায়েৰে পুথি পঢ়ে । এজন পাঠকে মোৰ আগত এইদৰে মন্তব্য কৰিছিল, “মই একো উদ্দেশ্য নোহোৱাকৈ অথবা মই কি পঢ়িছোঁ সেই কথা চিন্তা কৰি নোচোৱাকৈ পুথি পঢ়াৰ কথা কল্পনাকে কৰিব নোৱাৰোঁ । লগতে কিন্তু এইদৰেও যুক্তি দেখুৱাব পৰা যায় যে সময় কটোৱাৰ বাবে পুথিপঢ়াটোও উদ্দেশ্যমূলক গ্ৰন্থপাঠ । পুথিভঁৰালৰ হেলকৰপৰা পাশ্চাত্য সাহিত্য আৰু ব্যঙ্গচিত্ৰৰ কাকত পঢ়িবলৈ লিয়া আফ্ৰিকানেও ইয়াৰ উত্তৰত কব পাৰে—‘ময়ো, ময়ো এটা উদ্দেশ্য লৈ পুথি পঢ়িছোঁ ।’ এজন আফ্ৰিকানে নিজৰ উন্নতি আৰু বিকাশ সাধনৰ উদ্দেশ্যে গ্ৰন্থপাঠ কৰে । বিশ্বৰ আন যিকোনো অঞ্চলৰ তুলনাত নাইজেৰিয়াত বাজহুৱা পুথিভঁৰালক ‘বাইজৰ বিশ্ববিদ্যালয়’ বুলি অভিহিত কৰিব পৰা যায় কিন্তু দুখৰ কথা, উপযুক্ত শিক্ষানুষ্ঠানৰ অভাৱ পূৰণ কৰা এনে অতি সাধাৰণ আহিলা বাজহুৱা পুথিভঁৰালো প্ৰয়োজন থকা লোকসকলে সহজতে পোৱাৰ উপায় নাই ।” (৫)

(৪) জি, এলিচনীৰ ‘ষ্টেপচ্ ইন্ গ্ৰোৱিং পাব্লিক্ লাইব্ৰেৰী ইন্ এন্ এফ্ৰিকান টেৰিটৰী’ ; পৃষ্ঠা ৮০ । (৫) জি, এলিচনীৰ ‘ষ্টেপচ্ ইন গ্ৰোৱিং পাব্লিক্ লাইব্ৰেৰী ইন্ এন্ এফ্ৰিকান টেৰিটৰী’ ; পৃষ্ঠা ৭১ ।

উন্নয়নমূলক আঁচনিত ৰাজহুৱা পুথিভঁৰাল অতিশয় গুৰুত্বপূৰ্ণ হলেও আন আন প্ৰকাৰৰ পুথিভঁৰালৰ লগত ইয়াৰ সম্পৰ্কৰ পটভূমিত এই সম্বন্ধে বিবেচনা কৰি চাব লাগিব। ইয়াৰ ভিতৰত বিশ্ববিদ্যালয় বা কলেজৰ পুথিভঁৰাল লৈ বিশেষ সমস্যাই দেখা নিদিয়ে, কিন্তু "চৰকাৰী" আৰু "ৰাষ্ট্ৰীয়" পুথিভঁৰালৰ মাজত পাৰ্থক্য দেখুৱাই দিয়াটো সম্ভৱপৰ। অপেক্ষাকৃত পুৰণি দেশবোৰৰ ৰাষ্ট্ৰীয় পুথিভঁৰালবোৰ প্ৰায়ে "প্ৰতিষ্ঠা সূচক" গ্ৰন্থাগাৰ, এইবোৰৰ আকাৰ এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন হৈ দেখা দিয়ে। ক্ৰম-বৰ্দ্ধমান অঞ্চলৰ চৰকাৰী পুথিভঁৰালৰ উদ্দেশ্য পৃথক ধৰণৰ আৰু এইবোৰক গৱেষণামূলক বা বিশেষ ধৰণৰ পুথিভঁৰালৰ লগত তুলনা কৰিব পৰা যায়। ৰাষ্ট্ৰীয় পুথিভঁৰাল সাধাৰণ ৰাইজৰ চাহিদা পূৰণৰ উদ্দেশ্য লৈ গঢ়ি তোলা হয়, কিন্তু সাক্ষৰৰ মাত্ৰা অপেক্ষাকৃত কম অঞ্চলত স্থাপিত চৰকাৰী পুথিভঁৰাল ইয়াৰ ব্যৱহাৰ কৰোঁতাসকলৰ বিশেষ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি গঢ়ি তুলিব লাগিব। বোধহয় উন্নয়নমূলক আঁচনিত ক্ৰমে অধিক মাত্ৰাত এনে ধৰণৰ পুথিভঁৰাল গঢ়ি তোলাৰ ওপৰত মনোযোগ দিব লাগিব; অপেক্ষাকৃত অধিক উন্নত দেশবোৰৰ সাহায্য আঁচনিৰ বাবেও এই প্ৰকাৰৰ পুথিভঁৰাল অধিক খাপখোৱা, কিয়নো ৰাজহুৱা পুথিভঁৰালৰ তুলনাত এনে পুথিভঁৰালৰ ভাষাৰ প্ৰশ্নটো অপেক্ষাকৃত কম জটিল ধৰণৰ।

যিবোৰ দেশত পুথিভঁৰাল ব্যৱস্থা এতিয়াও চালুকীয়া হৈ আছে তাত তথ্যাদি যোগোৱা পুথিভঁৰালেও উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব পাৰে। কিন্তু এনে তথ্যাদি জাতীয় প্ৰচাৰমূলক নহৈ সভ্যতাৰ বা-বাতৰি যোগোৱা ধৰণৰ হব লাগিব। উদাহৰণ স্বৰূপে ইউৰোপীয় সংহতিৰ যোগেদি "ইউৰোপীয় সভ্যতাৰ তথ্য গ্ৰন্থাগাৰ" গঢ়ি তুলিব পৰা যায় আৰু এনে পুথিভঁৰাল অনগ্ৰসৰ দেশবোৰৰ বাবে যথেষ্ট উপযোগী হব পাৰে। এই প্ৰসঙ্গতে দিল্লীৰ ৰাজহুৱা পুথিভঁৰালৰ বিষয়ে উল্লেখ কৰাটো বিশেষ প্ৰাসঙ্গিক হব, এয়ে হ'ল ইউনেস্কোৰ প্ৰথম আৰ্হিমূলক গ্ৰন্থাগাৰ আঁচনি। (৬)

---

(৬) ফ্ৰেঙ্ক এম. গাৰ্ডেনাৰৰ 'দি দেল্হী পাব্লিক লাইব্ৰেৰী'। ইউনেস্কো পাব্লিক্ লাইব্ৰেৰী মেনুৱেলচ্ ৮, পেৰিছ।

এই পুথিভঁৰালৰ কাম চাৰিবছৰ ধৰি চলাৰ পিচত ১৯৫৫ চনৰ অক্টোবৰ মাহত দিল্লীত ৰাজহুৱা পুথিভঁৰালৰ বিকাশ সম্বন্ধে ইউনেস্কোৰ তৰফৰপৰা এটা আলোচনা চক্ৰ পতা হয়। এই আলোচনা চক্ৰত দিল্লী ৰাজহুৱা পুথিভঁৰালৰ সাফল্য নিৰ্ণয় কৰাৰ প্ৰশ্ন লৈ পৰ্য্যালোচনা কৰা হয়।

"প্ৰথমতে, আমি দিল্লী ৰাজহুৱা পুথিভঁৰালৰ দ্বাৰা এই নগৰৰ সামাজিক প্ৰয়োজন কিমানদূৰ পূৰণ কৰা হৈছে সেই কথা নিৰ্ণয় কৰিব পাৰিম বুলি আশা কৰিছিলোঁ। দ্বিতীয়তে ইয়াৰ সদস্যভুক্ত লোকসকলৰ শিক্ষাগত আৰু বৃত্তিগত পটভূমি আৰু সাধাৰণতে সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকসকলৰ তেওঁলোকে কিমানখিনি প্ৰতিনিধিত্ব কৰে সেইকথা জানিবলৈ ইচ্ছা কৰিছিলোঁ। তৃতীয়তে, পুথিভঁৰালৰ কিমানখিনি পুথি ব্যৱহাৰ কৰা হয় আৰু কি ধৰণৰ পুথি পঢ়া হয় সেই সম্বন্ধেও কিছুদূৰ তথ্য সংগ্ৰহ কৰাৰ প্ৰয়োজন আছিল। চতুৰ্থতে, পাঠকৰ ওপৰত পুথিভঁৰালৰ প্ৰতিক্ৰিয়া কেনে ধৰণৰ আৰু ইয়াৰ দ্বাৰা তেওঁলোকৰ শিক্ষাগত আৰু অৱসৰ বিনোদনৰ প্ৰয়োজন পূৰণ হৈছেনে সেই সম্বন্ধে তথ্যাদি সংগ্ৰহ কৰাটোও আৱশ্যকীয় আছিল। শেহান্তৰত, এতিয়াও ৰাজহুৱা পুথিভঁৰাল পৰিচালনা কৰোঁতে প্ৰশাসন আৰু সংগঠনৰ ফালৰ পৰা কেনেধৰণৰ সমস্যাৰ সম্মুখীন হবলগীয়া হয়, সেই সম্বন্ধেও কিছুদূৰ আলোকপাত হব বুলি আমি আশা কৰিছিলোঁহঁক।" (৭)

১৯৫১ চনত দিল্লীৰ অধিবাসীৰ সংখ্যা আছিল ১,৭৪৪,০৪২ আৰু তাৰে ৬২৩,১৭২ জন বা শতকৰা ৩৯ জন শিক্ষিত আছিল। দিল্লীত কেবাটাও ৰাজহুৱা পুথিভঁৰাল আছিল, কিন্তু সেইবোৰৰ অধিক ভাগকে বাচনালয় হিচাপে চলোৱা হৈছিল, কিন্তু সেইবোৰৰ মাজত একো সমন্বয় নাছিল। নগৰত ভালেমান কিতাপৰ দোকান আৰু বাতৰি কাকতৰ দোকান আছে আৰু ১৭খন মুখ্য মুখ্য দৈনিক বাতৰি কাকত

(৭) ফ্ৰেঙ্ক এম. গাৰ্ডেনাৰৰ 'দি দেল্হী পাব্লিক লাইব্ৰেৰী'—ইউনেস্কো পাব্লিক্ লাইব্ৰেৰী মেন্নুৱেলচ্, ৮, পেৰিচ, ১৯৫৭; পৃষ্ঠা ৯।

আছে (৪খন হিন্দী, ৫খন ইংৰাজী ৮খন উৰ্দ্দু)। বাতৰিকাকতবোৰত চাঞ্চল্যকৰ কথা প্ৰকাশ কৰা নহয়।

চিৰাচৰিত ইংৰাজী পুথিভঁৰালৰ পদ্ধতিৰে দিল্লী ৰাজহুৱা পুথিভঁৰালো পুথিভঁৰাল বোৰ্ড এখনৰ অধীনত পৰিচালিত হয়। পুথিভঁৰালত মুঠ পুথিৰ সংখ্যা আছিল—৬২,৬৯০ (৩২,২৮৮খন হিন্দী; ১৭,৯০২খন ইংৰাজী; ১২,৫০০খন উৰ্দ্দু)। ১৯৫৪-৫৫ চনত আটাইবোৰ বিভাগৰ যোগেদি (কেন্দ্ৰীয় প্ৰাপ্তবয়স্ক বিভাগ; শিশু গ্ৰন্থালয়; চলন্ত পুথিভঁৰাল; গচ্ছিত শাখা) মুঠতে ৩৮৬,২৩৬খন পুথি পঢ়িবলৈ দিয়া হয়। মুঠ পাঠকৰ সংখ্যা আছিল—সাবালক ১৬,৮৯৭ আৰু ল'ৰা ছোৱালী ৪,০৭৯ অৰ্থাৎ ২০,৯৭৬ জন।

সচৰাচৰ পুথিভঁৰাল ব্যৱহাৰ কৰোতাজনক তলত এনে ধৰণে বৰ্ণনা কৰা হৈছে: "তেওঁ তৰুণ, বোধহয় তেওঁৰ বয়স ৩০ বছৰৰ কম হব আৰু যদিহে তেওঁ স্কুল বা কলেজৰ ছাত্ৰ নহয় তেন্তে কোনোবা অফিচৰ কেৰাণীয়েই হব। তেওঁ কিছুদূৰ আহুকাল অতিক্ৰম কৰিও পুথিভঁৰাললৈ যাবলৈ সাজু, আৰু দূৰত্ব বা যাতায়াতৰ অসুবিধাই তেওঁক পুথিভঁৰাললৈ যোৱাত বাধা দিব নোৱাৰে। পুথিভঁৰাল তেওঁৰ বাবে এটা নতুন সুযোগ আৰু তেওঁ সম্পূৰ্ণভাৱে তাৰ সদ্ব্যৱহাৰ কৰিছে, কিয়নো পুথিভঁৰালৰ সদস্য ভুক্ত হোৱাৰ আগতে তেওঁ তেনেই কম পুথি পঢ়াৰহে সুবিধা পাইছিল।

"পুথিভঁৰালৰ সদস্যভুক্ত নোহোৱা উল্লেখযোগ্য শ্ৰেণী হ'ল, প্ৰথমতে তিৰোতাসকল, দ্বিতীয়তে অধিক বয়সীয়াল লোকসকল আৰু তৃতীয়তে কাৰিকৰী কৰ্মীসকল। উদাহৰণ স্বৰূপে, কুৰি হেজাৰবো ওপৰ মুঠ সদস্যৰ ভিতৰত মহিলাৰ সংখ্যা আছিল মাথোন ১,৩৬০, ৩০ বছৰৰ অধিক বয়সৰ লোকৰ সংখ্যা আছিল ২,৫০০ আৰু কাৰিকৰী কৰ্মী আছিল মাথোন ৯৫ জন। দেখা যায় যে পুথিভঁৰালে এই কেইটা শ্ৰেণীৰ লোকক আকৰ্ষণ কৰিব পৰা নাই, হয়তো তাৰ কাৰণ পুথিভঁৰালত তেওঁলোকৰ উপযোগী পুথিও নাথাকিব পাৰে, নহলে আন কিবাও হব পাৰে, কিন্তু সেইটোৰ হলে নিৰাকৰণ কৰা হোৱা নাই। পুথি

পঢ়াৰ অভ্যাস সম্বন্ধে এটা উল্লেখযোগ্য পাৰ্শ্বজ্যোতি পোৱা গৈছে ; সেয়ে হ'ল প্ৰশ্নকৰা ৫৩ জন পাঠকে বা শতকৰা ১৩ জন পাঠকে নিজৰ নিজৰ পৰিয়ালবৰ্গৰ আগত ডাঙৰ ডাঙৰকৈ পুথি পঢ়ে, এনে অভ্যাস পাশ্চাত্য দেশবোৰত প্ৰায় লোপ পাইছে, কিন্তু এতিয়াও অধিকভাগ লোক নিৰক্ষৰ হৈ থকা এখন দেশৰ বাবে পুথিপঢ়াৰ এনে অভ্যাসৰ অতিশয় সামাজিক মূল্য আছে।" (৮)

পুথিভঁৰালত গ্ৰন্থপাঠ নিয়মিত অভ্যাসত পৰিণত হোৱাৰ লক্ষণ দেখিবলৈ পোৱা যায়ঃ অধিকভাগ পাঠকে অন্ততঃ পষেকত এবাৰকৈ পুথিভঁৰাললৈ আহে। দিল্লী ৰাজহুৱা পুথিভঁৰালত আনবোৰ সামগ্ৰীতকৈ পাঠকে পুথিহে অধিক পৰিমাণে পঢ়িবলৈ ভাল পায়। "পাঠকৰ তিনিভাগৰ এভাগৰ একোটা নিৰ্দিষ্ট লক্ষ্য থকা দেখা যায়, কাৰোবাৰ হয়তো স্কুল বা কলেজৰ পাঠ্যত সহায় হয়, কাৰোবাৰ বা চাকৰি পোৱাত অথবা গ্ৰন্থপাঠৰ দক্ষতা বৃদ্ধিত সহায় হয়।" (৯)

লগতে এটা লক্ষ্য কৰিবলগীয়া কথা হ'ল এয়ে যে ভাৰতত বাতৰি কাকত বা আলোচনীতকৈ পাঠকে অধিক পৰিমাণে পুথি পঢ়িবলৈহে ভাল পায়, আনহাতে আফ্ৰিকাত ইয়াৰ ওলোটাটো দেখিবলৈ পোৱা যায়। ভাৰতৰ অপেক্ষাকৃত অধিক জটিল সাংস্কৃতিক পদ্ধতি আৰু এই দেশত সুদীৰ্ঘ কাল ধৰি চলি অহা ধৰ্ম, দৰ্শন আৰু সাহিত্যৰ ঐতিহ্যই হয়তো ইয়াত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে ; অৱশ্যে ইয়াক নিশ্চিত সিদ্ধান্ত হিচাপে নধৰি এটা সম্ভাৱনা হিচাপেহে গণ্য কৰা উচিত হব।

পঠন সামগ্ৰীৰ ক্ষেত্ৰত হলে সাবালক আৰু ল'ৰা-ছোৱালী উভয়ে হিন্দী পুথি অধিক ভাল পায়। "অৱসৰ বিনোদনৰ উদ্দেশ্যে হিন্দী পুথি পঢ়া হয়, উপন্যাসৰ বাবে আটাইতকৈ অধিক চাহিদা দেখা যায়, হিন্দীভাষাৰ আন শ্ৰেণীৰ পুথিবো চাহিদা নোহোৱা নহয়, কিন্তু তথ্যপূৰ্ণ পুথিতকৈ কল্পনামূলক পুথিহে অধিক পচন্দ কৰা হয়।" (১০)

(৮) ফ্ৰেঙ্ক এম. গাৰ্ডেনাৰৰ 'দি দেল্‌হী পাব্‌লিক্‌ লাইব্ৰেৰী' ইউনেস্কো পাবলিক্‌ লাইব্ৰেৰী মেনুৱেলচ্‌, ৮, পেৰিচ ১৯৫৭; পৃষ্ঠা ৩৩। (৯), (১০), 'দি দেল্‌হী পাব্‌লিক্‌ লাইব্ৰেৰী' পৃষ্ঠা—৪২, ৪৮।

মুঠ পাঠ্য সামগ্ৰীৰ শতকৰা ৭২ ভাগ উপন্যাস, অৱশ্যে বিভিন্ন ভাষাৰ উপন্যাসৰ চাহিদাও বিভিন্ন প্ৰকাৰৰ দেখা যায় (হিন্দী ৭৭% ইংৰাজী ৩৮%; উৰ্দ্দু ৯০%)। কিন্তু লগতে এই কথা উল্লেখ কৰাটো উচিত হব যে পাশ্চাত্য সাহিত্যৰ সমান হিন্দীভাষাত পৰিপূৰক সাহিত্য পাবলৈ নাই, তথাপি প্ৰেমৰ গল্পকে মানুহে পঢ়িবলৈ ভাল পায়। পঢ়িবলৈ নিয়া বিভিন্ন শ্ৰেণীৰ গ্ৰন্থৰ সংখ্যা আছিল এনে ধৰণৰ: 'সাহিত্য ১৭,২০০ ; সমাজ বিজ্ঞান ১০,৬৭৪ ; কাৰিকৰী বিদ্যা ৯,৫৬৮ ; বুৰঞ্জী ৮,০৫৬ ; ৭,৫৬১ ; জীৱনী ৫,৯৭৩।' (১১)

"এইদৰে পচন্দ অপচন্দৰ ওপৰত অত্যধিক গুৰুত্ব আৰোপ কৰাটো উচিত নহব। পাশ্চাত্য দেশৰ পুথিভঁৰালৰ তুলনাতে ইয়াত পাঠকৰ ৰুচি তেনেই ভিন্ন ধৰণৰ ; পছিমীয়া পুথিভঁৰালবোৰত সাহিত্য, দৰ্শন আৰু বিশেষকৈ সমাজ বিজ্ঞান বিষয়ক গ্ৰন্থৰ সলনি পাঠকে কাৰিকৰী বিদ্যা, অৱসৰ বিনোদন, ললিত কলা আৰু ভ্ৰমণ কাহিনী সম্পৰ্কীয় গ্ৰন্থহে অধিক পচন্দ কৰা দেখা যায়। কিন্তু পুথি পোৱাৰ ওপৰতো কিছুদূৰ পাঠকৰ পচন্দ নিৰ্ভৰ কৰে আৰু এইটোও সঁচা যে বৰ্তমানে কেতবোৰ বিষয়ত হিন্দী ভাষাত ৰচিত পুথিৰ সংখ্যা নিচেই কম আৰু সেইবোৰৰ মূল্যও নিকৃষ্ট ধৰণৰ।" (১২)

তথাপি স্পষ্টভাৱে লক্ষ্য কৰা যায় যে পাঠকে সততে পচন্দ কৰা বিষয় সম্পৰ্কীয় পুথি পঢ়িবলৈ নাপায়। পাঠকৰ পচন্দৰ ক্ষেত্ৰত জীৱনী সাহিত্যই আগ ভাগ পাইছিল, অৱশ্যে ঘৰলৈ পঢ়িবলৈ নিয়া তালিকাত এই শ্ৰেণীৰ পুথিয়ে প্ৰথম স্থান লাভ কৰা নাই। পাঠকে আটাইতকৈ কম ৰুচি দেখুৱা বিষয়বোৰ হ'ল— ১। ৰাজনীতি; ২। মনস্তত্ত্ব ; ৩। কাৰিকৰী বিষয় ; ৪। অৰ্থনীতি ; ৫। বিশ্ব-বুৰঞ্জী। (১৩)

পুথিভঁৰালৰ তৰফৰপৰা আয়োজন কৰা সামাজিক শিক্ষামূলক কাৰ্যসূচীৰ ক্ষেত্ৰত অধ্যয়ন চক্ৰ বা ভাষণৰ সলনি কথাছবি আৰু প্ৰদৰ্শনীত অধিক লোকৰ সমাগম হৈছিল।

(১১), (১২), (১৩) 'দি দেল্হী পাব্লিক্ লাইব্ৰেৰী' পৃষ্ঠা—৪৪, ৪৫।

এই বিশ্লেষণৰপৰা উপনীত হোৱা সাধাৰণ সিদ্ধান্তসমূহ বিশেষ লক্ষ্য কৰিব লগীয়া।

পুথিভঁৰাল প্ৰধানকৈ তৰুণ আৰু অধিক শিক্ষিত শ্ৰেণীৰ লোকে আৰু অধিক মাত্ৰাত পুৰুষে ব্যৱহাৰ কৰে। যদিহে পুথিভঁৰাল সমাজৰ সাধাৰণ ব্যৱহাৰৰ সংস্থা হিচাপে গঢ়ি তুলিবলৈ বিচৰা হয় তেন্তে এই পুথিভঁৰালত তিৰোতা, আদহীয়া লোক আৰু কম শিক্ষিত শ্ৰেণীৰ লোকৰ অনুপস্থিতিৰ ফলত এটা বিশেষ সমস্যাৰ উদ্ভৱ হৈছে। তদুপৰি পুথিভঁৰাল বোৰ্ডে পাঠ্যপুথিৰ ব্যৱস্থা নকৰিলেও আৰু পৰীক্ষাৰ বিষয় অধ্যয়নৰ বাবে পুথিভঁৰালৰ ব্যাপক ব্যৱহাৰ কৰাৰ প্ৰমাণ নাথাকিলেও পাঠকৰ অধিক ভাগ হ'ল ছাত্ৰ। সদস্যসংখ্যা সীমাবদ্ধ হলেও দিল্লী ৰাজহুৱা পুথিভঁৰালে মানুহৰ অন্তৰত থকা গ্ৰন্থপাঠৰ ধাউতি পূৰণত যথেষ্ট সহায় কৰিছে, আৰু চাৰি বছৰৰ ভিতৰত এই পুথিভঁৰালত এনেধৰণৰ সদস্য ভুক্ত কৰা হৈছে যিসকলে ইয়াক নিয়মিতভাৱে ব্যৱহাৰ কৰে, পুথিভঁৰালৰ সা-সুবিধাৰ মৰ্ম উপলব্ধি কৰে আৰু ইয়াক নিয়মিতভাৱে ব্যৱহাৰ কৰিবলৈ দূৰৰপৰা আহিবলৈকো সাজু থাকে।

তদুপৰি এনে ধাৰণাও হয় যে কেন্দ্ৰীয় পুথিভঁৰালৰ তুলনাত চলন্ত পুথিভঁৰাল আৰু গচ্ছিত শাখাৰ সদস্য-সমাজৰ বিভিন্ন শ্ৰেণীৰ অধিক প্ৰতিনিধিমূলক আৰু ইয়াৰ তুলনাত মহিলা আৰু কায়িক বয়সুৱা পাঠকৰ সংখ্যা সৰহ আৰু ছাত্ৰৰ সংখ্যা কম, গতিকে এনে ব্যৱস্থা অধিক সম্প্ৰসাৰিত কৰাটো বা শাখা পুথিভঁৰালৰ সংখ্যা বৃদ্ধি কৰাটো পুথিভঁৰালৰ সদস্যসংখ্যা বৃদ্ধিৰ অন্যতম উপায় যেন দেখিবলৈ পোৱা যায়।".

এফালৰপৰা চাবলৈ গলে, বৰ্তমানে যিবোৰ দেশত খৰতকীয়াভাৱে উন্নয়নৰ কাম চলিবলৈ ধৰিছে তাত পাঠক আৰু পঠন-সামগ্ৰীৰ সম্পৰ্ক অধিক কাৰ্যকৰী আৰু উপযোগী ধৰণৰ কৰি তোলাত বৰ সুবিধা আছে ; অপেক্ষাকৃত সমুন্নত দেশবোৰত পুথিভঁৰালবোৰ আপেক্ষিক স্বতন্ত্ৰভাৱে গঢ়ি উঠা হেতুকে তাত এই সুবিধা তিমান অধিক মাত্ৰাত পোৱা নাযায়। এনেবোৰ দেশত গ্ৰন্থাগাৰ এটা সুপ্ৰতিষ্ঠিত সামাজিক প্ৰতিষ্ঠান হৈ উঠিছে, আৰু সমাজত ইয়াৰ কামো নিৰ্দিষ্ট হৈ পৰিছে আৰু এই

কাম সম্বন্ধে বাৰে বাৰে পৰ্যালোচনা কৰি চোৱাৰ প্ৰয়োজন হৈ পৰিছে। অপেক্ষাকৃত কম অগ্ৰসৰ দেশবোৰৰ তুলনাত কম জটিল পৰিৱেশত পুথিভঁৰালৰ কাম ততালিকে লক্ষ্য কৰা যায় আৰু ইউনেস্কোৱে চলোৱা এইধৰণৰ অনুশীলনৰ ফলত অধিক উন্নত দেশবোৰৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰা যাব পাৰে। তদুপৰি পাঠকৰ প্ৰয়োজনলৈ চাই গ্ৰন্থৰ উৎপাদন কৰা সম্বন্ধে বিবেচনা কৰি চোৱাটোও গুৰুত্বপূৰ্ণ কথা। কিছুদিনৰ আগতে স্বাধীনতা লাভ কৰা দেশবোৰত নিজ নিজ জাতীয় ভাষাত অধিক গ্ৰন্থাদি উৎপাদন কৰাটো প্ৰয়োজন বুলি জাতীয় গৌৰৱৰ ফালৰপৰা যে চেষ্টা কৰা হব, সেইটো স্পষ্ট কথা। তদুপৰি নিজ নিজ দেশৰ বাইজৰ অভিৰুচিৰ লগত খাপখোৱাকৈ এইবোৰ দেশৰ বাবে কাৰিকৰী বিদ্যাৰ পুথিবো আৱশ্যক আৰু এনেবোৰ দেশৰ বাবে দৃষ্টিৰ সহায়েৰে জ্ঞান লাভৰ আহিলা অধিক প্ৰযোজনীয় হব বুলিও ধাৰণা হয়।

সাধাৰণ সংজ্ঞা নিৰ্ণয় কৰাটো সম্ভৱপৰ নহয়, বা তাৰ মূল্যও বৰ বেছি নহব। প্ৰত্যেক অঞ্চলৰে সমস্যা সুকীয়া ধৰণৰ আৰু সাধাৰণ উন্নয়নৰ আঁচনিৰ ফলত লাভতকৈ ক্ষতিৰ মাত্ৰাহে অধিক হোৱাৰ বিপদ থাকে। ৰাইজৰ ওপৰত মূল ভিত্তি স্থাপন কৰি সামাজিক পৰিৱৰ্তন সাধন কৰিব লাগিব, আৰু কৃত্ৰিমভাৱে ইয়াক কৰিবলৈ গলে তাৰপৰা বিশেষ একো সুফল পোৱা নাযায়।

হাৰ্বাৰ্ট স্পেন্সাৰে আঙুলিয়াই দিয়াৰ নিচিনাকৈ সামাজিক বিকাশৰ ফলত বিভিন্নতা আৰু ব্যৱধানৰ মাত্ৰা বৃদ্ধি পায়, কিন্তু একৰূপতাৰ মাত্ৰা হলে বৃদ্ধি নাপায়। আমাৰ সমুখত যিমানেই বহুমুখী ধৰণৰ সমস্যাৰ উদ্ভৱ হয়, তিমানেই সেইবোৰ প্ৰেৰণা দায়ক হব।

মানৱ জাতিয়ে সামগ্ৰিকভাৱে অভিজ্ঞতা বৃদ্ধি পাই অহাৰ ফলত সম্ভৱতঃ আৰু বোধহয় স্বাভাৱিকতে অধিক পৰিপক্কতা লাভ কৰি আহিছে। এই পৰিপক্কতাৰ ফলত ব্যক্তিয়ে অধিক স্বাধীনতা ভোগ কৰে আৰু যদিহে মানুহে নিজৰ মূল প্ৰয়োজনৰ লগত আটাইতকৈ অধিক খাপখোৱা সামগ্ৰী পঢ়িবলৈ বিচাৰে তেন্তে পুথিভঁৰালৰ বিকাশৰ নীতি নিৰ্ধাৰিত কৰি লব লাগিব আৰু ইয়াক লাহে লাহে কৰিব পৰা যাব আৰু তাৰবাবে ঐকান্তিক নিষ্ঠা আৰু যত্নৰ প্ৰয়োজন হব। মানুহৰ প্ৰকৃত স্বৰূপ নিৰ্ণয় কৰাটো কঠিন হব পাৰে, কিন্তু এই কাম হাতত লোৱাটো অতিশয় ফলপ্ৰসূ হব।

## দ্বাদশ অধ্যায়

# সামাজিক সংস্থা হিচাপে পুথিভঁৰাল

অলপতে পিটাৰ কাৰষ্টেটৰ "ষ্টাডিয়েন জুৰ ছছিঅ'লজি দ্যৰ বিব্লিঅ'থেক" শীৰ্ষক এখন গ্ৰন্থ প্ৰকাশিত হৈছে ; সমাজ তত্ত্বৰ ফালৰপৰা পুথিভঁৰাল সম্বন্ধে আলোচনা কৰা ভাল গ্ৰন্থ কেইখনমানৰ ভিতৰত ইও এখন। এই গ্ৰন্থত লেখকে ইয়াকে দেখুৱাবলৈ চেষ্টা কৰিছে যে সমাজৰ বিভিন্ন স্তৰৰ সৃষ্টি হোৱাৰ আগতে যি "মই ভাৱ" বৰ্তমান থাকে তাৰ ঠাইত যদি সামাজিক দলত কিছুদূৰ "আমি ভাৱ" দেখা দিয়ে তেন্তে সামাজিক সংস্থা হিচাপে পুথিভঁৰাল গঢ়ি উঠে। এই ফালৰপৰা দেখা যায় যে বৰ লাহে-ধীৰেহে অপেক্ষাকৃত বৃহৎ সামাজিক দলত সামাজিক চেতনা জাগ্ৰত হয় আৰু অপেক্ষাকৃত সৰু দলে পুথিভঁৰালৰ সৃষ্টি নকৰে।

মধ্য যুগত পুথিভঁৰাল ৰাজহুৱা সংস্থা হিচাপে গঢ়ি উঠিব নোৱাৰাৰ কাৰণ হ'ল তেতিয়াও ৰাজনৈতিক ক্ষমতা মুখ্যতঃ ব্যক্তিগত ক্ষমতাৰ নিচিনাই হৈ আছিল আৰু ইয়াক নৈৰ্ব্যক্তিক, ব্যক্তিমুক্ত সংস্থা বুলি গণ্য কৰা নহৈছিল। ততুপৰি শ্ৰেণী, সংঘ আদি বৃত্তিমূলক দলবোৰৰ যথেষ্ট মাত্ৰাত সংগঠিত হোৱা নাছিল আৰু সেইহেতুকে এইবোৰেও পুথিভঁৰালৰ সৃষ্টিত সহায় কৰিব পৰা নাছিল।

অকল ৰাজনৈতিক ক্ষেত্ৰতহে সংগঠন শক্তিশালী আৰু গভীৰ হৈ উঠিছিল আৰু ফলত ধৰ্মক ইয়াৰ বাহকসকলৰপৰা পৃথক বুলি গণ্য কৰিব পৰা গৈছিল। এইদৰে আমি গীৰ্জাবোৰত পবিত্ৰ মন্ত্ৰ আৰু উপাসনামূলক ৰচনা ; বিছপৰ ধৰ্মস্থানত বিধানমূলক ৰচনা আৰু মঠ বা কনভেণ্টবোৰত জ্ঞানমূলক ৰচনাৰ সংগ্ৰহ দেখিবলৈ পাওঁহক। গ্ৰন্থ ৰচনাৰ প্ৰতি ধৰ্মীয় দৃষ্টিভঙ্গী সীমাবদ্ধ ধৰণৰ আছিল হেতুকে স্বাভাৱিকতে পুথিভঁৰালৰ ক্ষেত্ৰতো এই দৃষ্টিভঙ্গীৰ প্ৰভাৱ পৰিছিল।

মাথোন একাদশ শতিকাতহে ধৰ্মীয় আইনৰ বিধিগত স্বতন্ত্ৰ সভাৰ অমূৰ্ত ৰূপ স্বীকৃত হয় আৰু সংঘগত সংস্থাবোৰৰ স্বকীয়া অস্তিত্ব স্বীকৃত হবলৈ ধৰে। কিন্তু লৌকিক ক্ষেত্ৰত নৈৰ্ব্যক্তিক ৰূপ পৰিগ্ৰহৰ অনুৰূপ প্ৰক্ৰিয়া তেতিয়াও সম্ভৱপৰ হৈ উঠা নাছিল, কিয়নো সেই যুগৰ সামাজিক চেতনাত তেতিয়ালৈকে লৌকিক সংস্থাবোৰে দকৈ শিপাই উঠা নাছিল। তেতিয়াও সমাজতাত্ত্বিক অৰ্থত লৌকিক সংস্থাবোৰ "সামাজিক" সংস্থা হৈ উঠা নাছিল। সেয়ে বোধহয় পোপৰ পুথিভঁৰালবোৰ ৰাজন্য আৰু ৰজাসকলৰ ব্যক্তিগত পুথিভঁৰাল-বোৰৰ তুলনাত অধিক ভালদৰে তিষ্ঠি আছিল।

এই ধৰণৰ সংগঠন প্ৰৱণতাৰ ফলত ধৰ্ম সম্প্ৰদায়বোৰৰো লাভ হৈছিল; অৱশ্যে ফ্ৰান্সিস্কান সম্প্ৰদায় আদিৰ অপৰিগ্ৰহ আদৰ্শৰ ফলত সময়ে সময়ে গ্ৰন্থাগাৰ গঠনৰ ইচ্ছাত বাধাৰো সৃষ্টি নোহোৱাকৈ থকা নাছিল।

কিন্তু পুথিভঁৰালক সন্ন্যাসীসকলৰ "সম্পত্তি" হিচাপে বিবেচনা নকৰি ধৰ্ম সংহতিৰ অঙ্গ হিচাপে গণ্য কৰা হৈছিল। এই সংজ্ঞাৰ পৰা চাবলৈ গলে ইয়াৰ পিচত এটা নতুন সামাজিক দলৰ মাজত যথেষ্ট মাত্ৰাত "আমি ভাৱ"ৰ উদয় হলে গ্ৰন্থাগাৰৰ বিকাশ হব বুলি আশা কৰাটো সঙ্গত হব। কাৰষ্টেটৰ মতে জাৰ্মানীৰ নগৰবোৰত পৰিষদ-সভাবোৰ সংগঠিত হোৱাত তাত এই প্ৰক্ৰিয়া দেখিবলৈ পোৱা গৈছিল। দ্বাদশ শতিকাত উপনিৱেশিক মৰ্যাদাসম্পন্ন পূব জাৰ্মানীত নতুনকৈ স্থাপিত মিউনিচিপেলিটী বা নগৰ পালিকাবোৰত এনে সভাবোৰ সংগঠিত হৈছিল। জাৰ্মানীৰ আন আন অঞ্চলত তেতিয়াও সামন্ত প্ৰথাই চলি আছিল, কিন্তু পূব অঞ্চলত অধিক স্বতন্ত্ৰ পৰিৱেশত নগৰবোৰ গঢ়ি উঠিছিল। দৃষ্টান্ত স্বৰূপে ল্যুবেকত এদল বণিকৰ ওপৰত নগৰ পালিকাৰ ক্ষমতা ন্যস্ত কৰা হৈছিল আৰু তেওঁলোকে ক্ষতিপূৰণ হিচাপে নগৰৰ বজাৰৰ ওপৰত একচেতীয়া অধিকাৰ লাভ কৰিছিল। এই যৌথ সংস্থা ক্ৰমে নগৰ পালিকা পৰিষদত পৰিণত হয় আৰু এইদৰে বণিকসকলৰ ব্যক্তিগত সা-সম্পত্তিৰ উপৰিও ৰাজহুৱাভাৱে পৰিচালিত সা-সম্পত্তিৰ সৃষ্টি হয়।

নগৰ পালিকা-পৰিষদ দলীয় সংহতিৰ অভিব্যক্তি হৈ পৰে আৰু পৰিষদৰ সদস্যপদ বংশগত হৈ পৰাত সেই সেই পৰিয়ালৰ মাজত এই সংহতিৰ ভাব ধাৰাবাহিক ৰূপে চলিবলৈ ধৰে। এই শাসন ব্যৱস্থা গণতান্ত্ৰিকতকৈ অধিক মাত্ৰাত আমোলাতান্ত্ৰিক আছিল ; কিন্তু তথাপিও পৰিষদে স্থায়ী ধৰণৰ যৌথ প্ৰতিষ্ঠানৰ ৰূপ গ্ৰহণ কৰে আৰু ইয়াৰ সদস্যসকলৰ স্বাৰ্থৰপৰা ই পৃথক হৈ পৰে।

কাৰষ্টেটৰ মতে এনে ধৰণৰ সংগঠনৰ ফলতে পৰিষদ গ্ৰন্থাগাৰবোৰৰ সৃষ্টি হয়, আৰু এইবোৰত পৰিষদৰ সদস্যসকলৰ কাৰণে অধিক মাত্ৰাত আইনমূলক গ্ৰন্থ সংগ্ৰহ কৰা হয়। নগৰবোৰ বিস্তৃত হৈ যোৱাৰ লগে লগে কিছুদূৰ গণতান্ত্ৰিকীকৰণ হয় আৰু ফলত নগৰ পালিকা পৰিষদবোৰৰ নৈৰ্ব্যক্তিক সভাৰ পৰিধি আৰু অমূৰ্ত স্বৰূপৰ মাত্ৰা বৃদ্ধি পায়।

যেতিয়া আৰু মাথোন কেইটামান পৰিয়ালৰ পৰাই পৰিষদৰ সদস্য গ্ৰহণৰ প্ৰথা নোহোৱা হ'ল আৰু সামাজিক গতিশীলতা বৃদ্ধি পাই গ'ল, তেতিয়া পৰিষদৰ পুথিভঁৰালবোৰ ক্ৰমে পৌৰ গ্ৰন্থাগাৰ হিচাপে গঢ়ি উঠিবলৈ ধৰিলে। এই পুথিভঁৰালবোৰে উত্তৰাধিকাৰ সূত্ৰে গ্ৰন্থলাভ কৰা হেতুকে এইবোৰ বিশেষ ধৰণৰ গ্ৰন্থাগাৰ হৈ থাকিব নোৱাৰিলে। প্ৰটেষ্টাণ্ট দেশবোৰত মঠ, ধৰ্ম সম্প্ৰদায় আৰু গীৰ্জা আদিৰ সংগৃহীত গ্ৰন্থ বাজেয়াপ্ত কৰাৰ ফলত এই প্ৰৱণতা আৰু অধিক বৃদ্ধি পালে।

ৰোমীয় বিধি গ্ৰহণ আৰু "আইনৰ ব্যক্তিত্বৰ" ভাৱধাৰা প্ৰৱৰ্তন কৰাৰ ফলত এই প্ৰক্ৰিয়াত যথেষ্ট সাহায্য কৰা হ'ল তদুপৰি ৰিফৰ্মেশ্যন বা ধৰ্মসংস্কাৰৰ আন্দোলনে মধ্যযুগৰ সাৰ্বজনীন মতবাদৰ তুলনাত জ্ঞানৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হেতুকেও অধিক সাধাৰণ ধৰণৰ পুথিভঁৰাল গঠনৰ বাবে নতুন প্ৰেৰণা পোৱা যায়। লুথাৰে নিজেও নগৰ গ্ৰন্থাগাৰবোৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। লগতে এই কথাও কব পৰা যায় যে ধৰ্মৰ ক্ষেত্ৰত ব্যক্তি-প্ৰৱণতাৰ ভাব বৃদ্ধি পোৱা হেতুকে তাৰ পৰিপূৰক [illegible]

নগৰপালিকা আৰু চৰকাৰী ক্ষেত্ৰত সংঘ-প্ৰৱণতাৰ ভাব বৃদ্ধি পায়। আনকি ৰাজঘৰা পুথিভঁৰাল পিচলৈ বিকশিত হলেও তাৰ আগতে ইয়াৰ প্ৰথম সমৰ্থকসকলৰ উদ্ভৱ হৈছিল আৰু সেই সময়ত সংঘগত আধ্যাত্মিক সম্পৰ্কৰ মাত্ৰা হ্ৰাস পোৱাটো তেওঁলোকে ব্যক্তিৰ পক্ষে বিপজ্জনক বুলি বিবেচনা কৰিছিল। হিউমেনিজম্ বা মানবীয় মতবাদ মূলতঃ অভিজাত আন্দোলনতে আৰম্ভ হৈ থাকিলেও ৰিফৰ্মেশ্যন বা সংস্কাৰ-আন্দোলনৰ আধ্যাত্মিক ব্যক্তিবাদতে আধুনিক গণতন্ত্ৰৰ বীজ নিহিত আছিল আৰু সি অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত বিয়পি পৰোতে কেবা শতিকাৰো প্ৰয়োজন হৈছিল।

অকল এই সাধাৰণ অনুকূল পৰিবেশৰ ফলতে পৌৰ পুথিভঁৰাল স্থাপনত যে সাহায্য হৈছিল, এনে নহয়। আনকি আকস্মিক ঘটনাও ইয়াৰ সহায়ক হৈছিল। ১৫৯৬ চনত ইটালীৰ পণ্ডিত জিওভেনী ড'অ'ৰিয়াৰ গ্ৰন্থাগাৰৰ সৈতে যোৱা জাহাজখন ডানজিগত ধ্বংসপ্ৰাপ্ত হৈছিল আৰু পিচত এই গ্ৰন্থসমূহকে ভেটি কৰি সেই নগৰৰ পৌৰ পুথিভঁৰাল গঢ়ি উঠে।

নগৰপালিকাৰপৰা গৈ ৰাষ্ট্ৰীয়ভাৱে সংঘপ্ৰৱণতাৰ ভাব বৃদ্ধি পোৱাত কিছু সময় লয়। স্পেয়াৰৰ জাৰ্মান "ৰাইখ" গ্ৰন্থাগাৰ বা ৰাষ্ট্ৰীয় পুথিভঁৰালৰ কল্পনা বাস্তৱত সফল হোৱা নাছিল, কিয়নো তেতিয়ালৈকে যুগৰ চেতনা "ৰাইখে" এটা বাস্তৱ ৰূপ গ্ৰহণ কৰিব পৰা নাছিল। এইটো আছিল তেনে যুগ যেতিয়া সেক্সপীয়েৰৰ উল্লেখিত ষ্টেট বা ৰাষ্ট্ৰৰ অৰ্থ আছিল এটা অমূৰ্ত সংঘৰ সলনি ৰজাৰ ব্যক্তিগত অনুচৰ আৰু পাত্ৰ-মন্ত্ৰীসকল।

ইতিপূৰ্বে নগৰপালিকা যিদৰে পৰ্যায়ক্ৰমে বিকশি উঠে সেইদৰে ৰাষ্ট্ৰয়ো অনুৰূপে স্তৰ অতিক্ৰম কৰি বিকশি উঠিবলগীয়া হয়: প্ৰথমতে ৰজা আৰু ৰাজকোঁৱৰসকলৰ ব্যক্তিগত শাসনেই আছিল ৰাজ্য বা ৰাষ্ট্ৰ, ৰোমান সম্ৰাটসকলৰ একছত্ৰী শাসনৰ লগত ইয়াক তুলনা কৰিব পৰা যায়। আইন আছিল ৰাষ্ট্ৰৰ সৃষ্টি, কিন্তু একছত্ৰিতাৰ যুগত ৰাষ্ট্ৰক ইয়াৰ সীমাৰ বাহিৰত বুলি গণ্য কৰা হৈছিল। ফ্ৰান্সত ৰজা, ৰাজ্যৰ

আদিয়ে আৰম্ভ কৰা পুথিভঁৰালবোৰ আছিল সম্পূৰ্ণ গাইগুটীয়া ধৰণৰ আৰু পুথিভঁৰালবোৰৰ পৃষ্ঠপোষকসকলৰ ঐশ্বৰ্য বা অৱনতি অনুসৰি এইবোৰৰ উন্নতি বা অৱনতি ঘটিছিল। ৰাজকীয় গ্ৰন্থাগাৰৰ উন্নয়নো নিৰ্ভৰ কৰিছিল ৰজাৰ ব্যক্তিত্বৰ ওপৰত: যদিহে ৰজাৰ সংস্কৃতিৰ প্ৰতি অনুৰাগ আছিল, তেন্তে তেনে ৰজাৰ পৃষ্ঠপোষকতাত লেখত লবলগীয়া ধৰণে গ্ৰন্থৰ সংগ্ৰহ কৰা হৈছিল; কিন্তু সংস্কৃতিৰ প্ৰতি ৰজাৰ ৰুচি নাথাকিলে কোনো পুথিৰে সংগ্ৰহ কৰা নহৈছিল।

লাহে লাহে ৰাজকীয় গ্ৰন্থাগাৰবোৰ বাঢ়ি অহাৰ লগে লগে ৰজাৰ ব্যক্তিগত পুথিভঁৰাল আৰু অধিক সাধাৰণ ধৰণৰ ৰাজকীয় পুথি-ভঁৰালৰ মাজত পাৰ্থক্য সৃষ্টি হবলৈ ধৰিলে, গ্ৰন্থাগাৰিক বিগ্‌ননৰ প্ৰভাৱৰ ফলত "বিব্লিঅ'থেক ড্যু ৰই" ১৭২১ চনত ৰাজহুৱা পুথিভঁৰালত পৰিণত হয়; ৱুৰ্টেম্‌ব্যৰ্গৰ পুথিভঁৰালটো ১৭৭৬ চনত ৰাজহুৱা পুথিভঁৰাল হৈ পৰে। আনহাতে ৰাজবংশ আনৰ তলতীয়া হলে তেনে ৰজাৰ গ্ৰন্থা-গাৰো আনৰ হাতলৈ গৈছিল।

একছত্ৰিতাৰ ভাৱধাৰাৰ সলনি হৈ ৰাষ্ট্ৰীয়ই সাৰ্বভৌমত্বত পৰিণত হলত ৰাজকীয় গ্ৰন্থাগাৰৰ সলনি ৰাষ্ট্ৰীয় পুথিভঁৰাল স্থাপনৰ প্ৰৱণতা দেখিবলৈ পোৱা গ'ল। ফৰাচী বিপ্লৱে অতিশয় উল্লেখযোগ্যভাৱে হঠাৎ এই পৰিৱৰ্তন সাধন কৰি দিলে আৰু "বিব্লিঅ'থেক ড্যু ৰই" "বিব্লিঅ'থেক নেশ্যনেল"ত পৰিণত হ'ল।

জাতীয় চেতনাই প্ৰয়োজনীয় সংঘপ্ৰৱণতাৰ শক্তি আহৰণ কৰি-লত আৰু যথেষ্ট কৰ্মপ্ৰেৰণা অধিকাৰ কৰিলত জাতীয় পুথিভঁৰাল গঢ়ি উঠে। এই প্ৰক্ৰিয়া বৈপ্লৱিক ধৰণেনে বিকাশমূলকভাৱে সংঘটিত হয় তাক সঠিককৈ কব নোৱাৰি, অৱশ্যে ইউৰোপৰ দেশবোৰত ফৰাচী বিপ্লৱে ইয়াৰ বাবে যথেষ্ট প্ৰেৰণা যোগায়। জাতীয়তাবাদ আৰু দেশাত্মবোধৰ ভাৱধাৰাই সকলো প্ৰকাৰৰ সাংস্কৃতিক মূল্যবোধৰ ৰূপান্তৰ ঘটাই দিয়াৰ ফলত জাতীয় পুথিভঁৰাল এটা বিশেষ ধৰণৰ মৰ্যাদাসূচক প্ৰতীক হৈ পৰে। আগতে ব্যক্তিৰ তুলনাত ৰাষ্ট্ৰৰ ওপৰত অধিক দৃষ্টি দিয়া হৈছিল। জগতে এই কথা উদুকিয়াই দিয়াটো উচিত হব

যে ৰাষ্ট্ৰৰ ভেটিত এনেদৰে কেন্দ্ৰীকৰণৰ পৰিণাম বৰ বেদনাদায়ক হৈছিল আৰু ফলত আন্তৰ্জাতিক প্ৰতিদ্বন্দ্বিতা আৰু সাম্ৰাজ্যবাদৰ সৃষ্টি হৈছিল। তাৰ ফলতে কিছুদিনৰ আগতে হিংসাত্মক সংঘৰ্ষবোৰ দেখিবলৈ পোৱা গৈছিল। জাতীয় পুথিভঁৰাল এটা মৰ্যাদাৰ চিনাকি বুলি গণ্য কৰা হৈছিল কাৰণে ইয়াৰ কাম আন আন প্ৰকাৰৰ পুথিভঁৰালৰ কামৰ তুলনাত বৰ স্পষ্টভাৱে বিশ্লেষণ হোৱা নাছিল।

ৰাইজৰ সাৰ্বভৌম অধিকাৰৰ ভাৱধাৰা আটাইতকৈ প্ৰবলভাৱে দেখা দিয়াত জাতীয় পুথিভঁৰালবোৰ ঠন ধৰি উঠাৰ বাবে প্ৰয়োজনীয় আদৰ্শ পৰিৱেশৰ সৃষ্টি হৈছিল। পুথিভঁৰাল সম্পূৰ্ণ ধৰণৰ হ'ব লাগে আৰু আটায়ে ইয়াক ব্যৱহাৰ কৰাৰ সুবিধা পাব লাগে—এয়ে হ'ল তাৰ স্বাভাৱিক পৰিণাম ; কিন্তু সমূহ ৰাইজে জাতীয় মূল্যবোধ ব্যৱস্থাৰ অংশ গ্ৰহণ কৰিবলৈ লোৱাৰ লগে লগেহে জাতীয় পুথিভঁৰালৰ দ্বিতীয়বিধ গুণৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ লোৱা হ'ল।

এই প্ৰক্ৰিয়াৰ দৃষ্টান্ত স্বৰূপে নৰৱে'ৰ কথা উল্লেখ কৰিব পৰা যায় ; নৰৱে'ত জাতীয় চেতনা বৰ শক্তিশালী নোহোৱা হেতুকে তাত জাতীয় পুথিভঁৰাল গঢ়ি উঠা নাছিল। জাৰ্মানীত ফেডাৰেল বা সংঘ গঠনৰ ভাৱ যথেষ্ট শক্তিশালী হৈ নুঠা হেতুকে তাতো জাতীয় পুথিভঁৰাল বিকশি উঠা নাছিল। এনে বিকাশৰ বাবে জাৰ্মান 'বুণ্ড'ৰ যথেষ্ট অন্তৰ্নিহিত শক্তি নাছিল। ১৮৭০ চনত জাৰ্মানীৰ একীকৰণ হ'লেও পৰিস্থিতিৰ যথেষ্ট পৰিৱৰ্তন হোৱা নাছিল, কিয়নো এই একীকৰণ, কেন্দ্ৰীভূত সংস্থা গঠনতকৈ একেজন সম্ৰাটৰ অধীনস্থ কৰাৰ ব্যৱস্থা বুলিহে অধিক ধাৰণা কৰা হৈছিল। ফেডাৰেল আদালত, সংসদ আৰু বৈদেশিক কাৰ্যালয়ৰ বাবে পুথিভঁৰাল স্থাপন কৰা হৈছিল সঁচা, কিন্তু "ৰাইখ"ৰ সাংস্কৃতিক কাৰ্যকলাপৰ বাবে বৰ বেছি প্ৰয়োজন অনুভূত হোৱা নাছিল আৰু সেইহেতুকে সাধাৰণ পুথিভঁৰাল গঢ়ি তোলাটো সম্ভৱপৰ হৈ উঠা নাছিল। অৱশেষত গাইগুটীয়া চেষ্টাৰ ফলত এই ত্ৰুটি পূৰণ কৰা হৈছিল ; এইদৰে ১৯১১ চনত "ডিউৎচ, বুকেৰেই" স্থাপন কৰা হয়।

ইংলণ্ডত সংঘবদ্ধ জাতীয় চেতনাৰ বিকাশ কোনোদিনে শক্তিশালী নাছিল, আৰু গাইগুটীয়া উদ্যোগৰ ফলতে তাত পুথিভঁৰাল গঢ়ি উঠিছিল, আৰু এই কামত ইংলণ্ডৰ ৰাজপৰিয়ালতকৈ পাৰ্লামেণ্টেহে অধিক প্ৰেৰণা যোগাইছিল। ইংলণ্ডত অপেক্ষাকৃত ধীৰ গতিত যিদৰে সামাজিক বিকাশ হৈছিল তাৰ লগত ন্যায়বোৰ্ড অধিক খাপখোৱা ধৰণৰ ব্যৱস্থা। ইউৰোপৰ মূল ভূখণ্ডত “ৰাষ্ট্ৰৰ” অৰ্থ যিদৰে কৰা হয়, সি ইংলণ্ডবাসীৰ চিন্তাধাৰাত ঠাই পোৱা নাই ; আৰু এই দেশত আটাইতকৈ সক্ৰিয় দল হ'ল ক্ৰিয়াশীল সংহতি, ব্যক্তিবিশেষৰ এনে দল যি কেতবোৰ কাৰ্যাৱলীত আগ্ৰহ প্ৰকাশ কৰে।

এইদৰে ইংলণ্ডত মূল ইউৰোপৰ তুলনাত জুৰী আদি আইনজ্ঞ-সকলকে ধৰি বৃত্তিধাৰীদলৰ বিশেষ পুথিভঁৰাল অধিক সুদৃঢ়ভাৱে গঢ়ি উঠে। এই কথাৰ দ্বাৰা ইয়াৰে প্ৰমাণ পোৱা যায় যে পুথিভঁৰালৰ বিকাশৰ বাবে সংঘচেতনা প্ৰয়োজনীয়।

ফ্ৰান্সতো সমাজত সামন্তযুগীয় সম্পৰ্ক চলি থকা হেতুকে স্বাধীন হেনচিয়েটিক চহৰবোৰত দেখা দিয়া প্ৰক্ৰিয়াৰ অনুৰূপ প্ৰক্ৰিয়া উদ্ভৱ হোৱাত বাধাৰ সৃষ্টি হয়। ইয়াৰ একমাত্ৰ ব্যতিক্ৰম আছিল লা ৰছেল, কিয়নো ই আছিল ফৰাচী প্ৰটেষ্টান্ত মতবাদ আৰু ব্যক্তি স্বাতন্ত্ৰ্যৰ কেন্দ্ৰ। অকল লা ৰছেলত এখন নগৰ পালিকা পৰিষদ আৰু এটা পৌৰ পুথিভঁৰাল আছিল।

আনহাতে আকৌ পৰৱৰ্তী কালৰ ফৰাচী ৰজাসকলৰ প্ৰবল একছত্ৰী ক্ষমতাৰ ফলত “বিব্লিঅ'থেক ড্যুৰই” বা ৰাজকীয় পুথিভঁৰাল গঢ়ি উঠাত সুবিধা হয়, আৰু একছত্ৰী শাসনৰ অন্ত পৰাৰ লগে লগে, প্ৰায় স্বতঃস্ফূৰ্তভাৱে জাতীয় পুথিভঁৰাল গঢ়ি উঠে। ফৰাচী বুৰ্জোৱা শ্ৰেণীয়ে ফৰাচী বিপ্লৱৰ পৰিচালনা কৰে, আৰু তেওঁলোকৰ জ্ঞান আৰু উন্নতি লাভৰ আকাঙ্ক্ষাৰ লগত জাতীয় পুথিভঁৰাল খাপখোৱা ধৰণৰ আছিল। উনবিংশ শতিকাত মধ্যবিত্ত শ্ৰেণী “পৰিপক্ক” হৈ উঠাৰ ফলত জাতীয় পুথিভঁৰাল চানেকী-বিশেষ হৈ পৰে। কুৰি শতিকাত

বহুৱা শ্ৰেণী আৰু ক্ষুদ্ৰ বুৰ্জোৱা শ্ৰেণীৰ মৰ্যাদা বৃদ্ধিৰ ফলস্বৰূপে ৰাজহুৱা পুথিভঁৰাল গঢ়ি উঠে। এই পিচৰ শ্ৰেণীয়ে উচ্চ শ্ৰেণীৰ কেইজনমান দূৰদৰ্শী প্ৰতিনিধিৰ দিহা পৰামৰ্শ অনুসৰি এইক্ষেত্ৰত উদ্যোগী হৈ কাম চলায়। ইয়াতো সামূহিক মনৰ প্ৰভাৱ প্ৰতিফলিত হয়ঃ বহুৱা শ্ৰেণীৰ মাজত শ্ৰেণী চেতনা জাগ্ৰত নোহোৱালৈকে ইয়াৰ বাবে অনুকূল পৰিৱেশৰ সৃষ্টি নহয়।

ডঃ কাৰষ্টেটৰ যুক্তিৰ সূত্ৰ ধৰি এই কথাও উনুকিয়াই দিব পাৰি যে অপেক্ষাকৃত কম অগ্ৰসৰ দেশ আৰু অপেক্ষাকৃত কম সুবিধা পোৱা দলবোৰৰ ক্ষেত্ৰতো এই সংঘচেতনা জাগ্ৰত হোৱাটো গুৰুত্বপূৰ্ণ কথা হব। সংঘচেতনাৰ বিকাশৰ ফলতে পুথিভঁৰাল গঢ়ি উঠে আৰু পুথিভঁৰালেও সংঘচেতনা গঢ়ি উঠাত প্ৰেৰণা যোগায়। গতিকে আমাৰ সমসাময়িক বিশ্বত স্থানীয় ভাষাৰ পুথিভঁৰাল বা বিশেষ বিশেষ সাংস্কৃতিক দলৰ পুথিভঁৰাল ক্ৰমে অধিক গুৰুত্বপূৰ্ণ হৈ উঠাৰ সম্ভাৱনা আছে। তদুপৰি সাংস্কৃতিক পদ্ধতি ধ্বংস কৰি তাৰ ঠাইত উপযুক্ত সাংস্কৃতিক সম্বলৰ ব্যৱস্থা নকৰা প্ৰক্ৰিয়াতো বাধা দিয়াত পুথিভঁৰালে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। যদিহে পুথিভঁৰাল গঢ়ি উঠাত সংঘচেতনা গুৰুত্বপূৰ্ণ বুলি স্বীকাৰ কৰা হয় তেন্তে তেনে চেতনাৰ পৰিৱৰ্তন সাধন কৰাতকৈ তাৰ লগত যোগসূত্ৰ স্থাপন কৰাটোহে সংশ্লিষ্ট সামাজিক দলৰ বিকাশৰ বাবে আটাইতকৈ সম্ভাৱনাপূৰ্ণ হব। পুথিভঁৰাল গঢ়ি উঠাৰ আগতে সংঘচেতনা জাগ্ৰত হয় আৰু পুথিভঁৰালে তাক সৃষ্টি কৰি দিব নোৱাৰে।

তদুপৰি সংঘচেতনা আন এটা কাৰণৰ বাবেও গুৰুত্বপূৰ্ণ। কিয়নো দেখা যায় যে কেতবোৰ ক্ষেত্ৰত ওপৰবপৰা চলি থকা সংস্কৃতিৰ ওপৰত বিদেশী সাংস্কৃতিক পদ্ধতি জাপি দিবলৈ চেষ্টা কৰাৰ সলনি নিৰক্ষৰ সংস্কৃতিকো লিপিবদ্ধত পৰিণত কৰাটো অধিক বাঞ্ছনীয় হব পাৰে।

এই প্ৰসঙ্গতে এটা কথা লক্ষ্য কৰিবলগীয়া যে ফ্ৰান্সত ৰাজহুৱা সাৰ্বভৌমত্বৰ কল্পনাৰ প্ৰভাৱত জাতীয় আৰু পৌৰ পুথিভঁৰালবোৰ স্থাপিত হয় আৰু বাস্তৱতে সংঘবদ্ধতা ভালদৰে প্ৰৱৰ্তিত হোৱাৰ আগতে

এইবোৰ সাধাৰণতে সকলো মানুহে ব্যৱহাৰ কৰাৰ সুবিধা কৰি দিয়া হয়। পিচৰ ৰাজহুৱা পুথিভঁৰাল আন্দোলনে ফ্ৰান্সত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰিলে, কিয়নো ইতিপূৰ্বেই এই দেশত ৰাইজৰ বাবে তেনে ব্যৱস্থা অন্ততঃ নীতিগতভাৱে হলেও গ্ৰহণ কৰা হৈ আছিল। কিন্তু যুক্তৰাষ্ট্ৰ গঢ়ি উঠাৰ লগে লগে বাস্তৱতে শিক্ষা আৰু জ্ঞানে জনপ্ৰিয়তা লাভ কৰে। এই ক্ষেত্ৰত মধ্যবিত্ত শ্ৰেণীত—অপেক্ষাকৃত এটা বিৰাট মধ্যবিত্ত শ্ৰেণীত ক্ৰমবিকাশৰ গতি অচল হৈ পৰে আৰু বিৰাট উদ্যোগ আৰু পামৰ বনুৱা শ্ৰেণীৰ মাজত ই যথেষ্টভাৱে নিজৰ প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। এই শ্ৰেণীৰ গ্ৰন্থাগাৰ হয় বাতৰি কাকত আৰু আলোচনীবোৰ, তাৰ দ্বাৰা সামগ্ৰিকভাৱে নহয়, আংশিক-ভাৱেহে সাফল্যৰ সূচনা লক্ষ্য কৰা যায়।

চোভিয়েট ইউনিয়নত চিন্তাগধুৰ গ্ৰন্থাদি অধ্যয়নৰ অভ্যাস সকলো মানুহৰ মাজতে সৃষ্টি কৰাৰ বাবে প্ৰয়াস চলোৱা হৈছে, কিন্তু ক্ষিপ্ৰ পৰিৱৰ্তনৰ সময়ত এই প্ৰয়াস সাফল্যমণ্ডিত হলেও পিচত গৈ ইয়াৰ কেতবোৰ অঙ্গাঙ্গীভাৱে জড়িত সীমা দেখা দিব পাৰে। আমাৰ সমাজৰ গাঁথনি দিনক দিনে জটিল হৈ যোৱাৰ ফলত গ্ৰন্থপাঠৰ বাবে প্ৰেৰণা পাই থকা যাব পাৰে, কিন্তু লগতে সমতাৰ তুলনাত অসমতাৰ মাত্ৰাহে বৃদ্ধি পাই যাব পাৰে।

সংঘচেতনাৰ প্ৰভাৱ এই হেতুকেই গুৰুত্বপূৰ্ণ, কিয়নো ইয়াৰ যোগেদি অধিক বৈষম্য সৃষ্টিৰ প্ৰৱণতা ব্যাখ্যা কৰিব পৰা যায়। সমাজৰ গাঁথনি অধিক জটিল হৈ যোৱাৰ লগে লগে ক্ৰমে অধিক সংখ্যক উপদল দেখা দিয়ে আৰু এইবোৰৰ নিজা নিজা দলীয় চেতনাৰ সৃষ্টি হয়।

ধৰ্মীয় দল, বৃত্তিধাৰী দল, ইউনিয়ন আৰু কোম্পানী, অৱসৰ বিনোদনকাৰী দল, ভাষাবিদ দলৰ পুথিভঁৰাল উপসাংস্কৃতিক আৰু আনকি জনজাতীয় আৰু গোষ্ঠীগত দলো এই শ্ৰেণীত পৰে। এইদল-বোৰে গুৰুত্ব গ্ৰহণ কৰা বা নকৰাটো ভালেখিনি নিৰ্ভৰ কৰে সামাজিক

পৰিৱৰ্তনৰ গতিৰ ওপৰত : যদিহে এই গতি তীব্ৰ ধৰণৰ হয় তেন্তে অপেক্ষাকৃত বৃহত্তৰ সামাজিক দলবোৰৰ মাজত কেন্দ্ৰীভূত হোৱাৰ প্ৰৱণতা পৰিলক্ষিত হয় আৰু এনে দলে উপদলবোৰৰ অভ্যুত্থান সীমায়িত কৰে। কিন্তু পৰিৱৰ্তনৰ গতি নিৰ্দিষ্ট মাত্ৰাতকৈ হ্ৰাস পালে আপোনা-আপুনি বিকেন্দ্ৰীকৰণৰ সৃষ্টি হয়।

দৃষ্টান্ত স্বৰূপে, যেতিয়া ইউৰোপত সামাজিক পৰিৱৰ্তনৰ গতি হ্ৰাস পাই গৈছিল তেতিয়া জাতীয় উপদলবোৰৰ গুৰুত্ব বৃদ্ধি পোৱাৰ লক্ষণ দেখিবলৈ পোৱা গৈছিল। চোভিয়েট ইউনিয়নৰ নিচিনাকৈ কেন্দ্ৰীকৰণ শক্তিশালী হৈ উঠিলে, নীতিগতভাৱে সাংস্কৃতিক উপদলবোৰক উৎসাহ যোগোৱা হব পাৰে ; কিন্তু বাস্তৱ পক্ষত বিকেন্দ্ৰীকৰণত বাধাহে দিয়া হয়, কিয়নো কেন্দ্ৰীকৰণৰ বাবে বিশেষ বিশেষ ধৰণৰ যোগাযোগৰ পদ্ধতিতকৈ সাধাৰণ ধৰণৰ যোগাযোগ ব্যৱস্থাহে অধিক প্ৰয়োজনীয় হয়।

এই দলীয় চেতনাৰ প্ৰশ্নটো বিবেচনা কৰি চালে কুৰি শতিকাত "আদৰ্শগত গ্ৰন্থাগাৰ" স্থাপিত হোৱাৰ কাৰণ স্পষ্টভাৱে বুজিব পৰা যায়। ক্ষিপ্ৰ সামাজিক পৰিৱৰ্তনৰ কাৰণে কুৰি শতিকাত আটাইবোৰ সামাজিক মূল্যবোধৰ পৰ্যালোচনা কৰি চাবলগীয়া হয় আৰু ইয়াকে কৰাৰ আটাইতকৈ কাৰ্যকৰী ব্যৱস্থা হ'ল প্ৰত্যক্ষভাৱে সামাজিক দলগত চেতনা পুনৰ গঠনৰ চেষ্টা। ইয়াৰ ফলত সাম্যবাদী মনোভাব এটা গঢ়ি তুলিবলৈ চেষ্টা কৰা হ'ল, তাৰে প্ৰতিকাৰ হিচাপে পাশ্চাত্য দেশবোৰৰ চিৰাচৰিত আধ্যাত্মিক শক্তি পুনৰ গঠন কৰি লোৱা হয়। ইয়াৰ প্ৰভাৱতে ইচলাম ধৰ্মাৱলম্বী দেশবোৰৰ মনোভঙ্গী আধুনিক ধৰণৰ হৈ পৰিল, ভাৰতে "তৃতীয় পথ" অনুকৰণ কৰাৰ দৃষ্টান্ত দাঙি ধৰিলে আৰু বিশ্বৰ আন আন অঞ্চলত বৰ্তমানৰ বিভিন্ন আদৰ্শবাদৰ পদ্ধতি দেখা দিবলৈ ললে। ইউৰোপৰ পুব মণ্ডলৰ দেশবোৰৰ বাবে বিশেষ প্ৰতীক হৈ পৰিছে কমিউনিষ্ট গ্ৰন্থাগাৰ, আনহাতে ইউৰোপৰ পশ্চিম অঞ্চলৰ দেশবোৰত নিজ নিজ সাংস্কৃতিক পদ্ধতিৰ বিশ্লেষণমূলক ভালেমান পুথি প্ৰকাশ কৰা দেখিবলৈ পোৱা গৈছে। আঞ্চলিক সন্থাবোৰেও গ্ৰন্থাগাৰ গঢ়ি তোলে আৰু এইবোৰতো আদৰ্শবাদৰ স্পৰ্শ পৰিলক্ষিত হয়; কিন্তু এইবোৰৰ

অধিকখিনি কাম হ'ল কাৰিকৰী ধৰণৰ। আধুনিক চৰকাৰী তথ্যমূলক গ্ৰন্থাগাৰতো আদৰ্শবাদৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। কিন্তু ইয়াৰ লগতে ভালেখিনি কাৰিকৰী উদ্দেশ্য সাধনো সামৰি লোৱা হয়।

যদিহে আদৰ্শগত গ্ৰন্থাগাৰক জাতীয় পুথিভঁৰালৰ পিচৰ পৰ্যায় হিচাপে গণ্য কৰিব পৰা যায় তেন্তে এই বিৱৰ্তন সৃজনীমূলক বুলি ধৰি লব পাৰি, কিয়নো জাতীয় দলৰ তুলনাত আদৰ্শগত দল বৃহত্তৰ। জাতীয় দলে বহিৰ্দলৰ সম্পৰ্কৰ ক্ষেত্ৰত কেতবোৰ আচৰণ বিধি গঢ়ি তুলিছে, কিন্তু আদৰ্শগত দলে ইয়াৰ আদৰ্শ বহিৰ্দলৰ লগত থাকিব-লগীয়া সম্পৰ্ক সম্বন্ধে এতিয়ালৈকে একো কল্পনাকে কৰি লব পৰা নাই। ভৱিষ্যতলৈ এনে বিধি-বিধান গঢ়ি উঠিব বুলি ধৰি লোৱাটো যুক্তিসঙ্গত হব; এনে বিধি-বিধান বৰ্তমানে ৰাষ্ট্ৰবোৰৰ সম্পৰ্ক নিয়ন্ত্ৰণ কৰা আইনগত বিধানবোৰৰ সম্পূৰ্ণ পৃথক ধৰণৰ হব পাৰে বা হোৱাটো উচিত হব। অৱশ্যে এইবোৰ যুগুত কৰোতে আন্তৰ্জাতিক আইনৰ দৃষ্টান্ত অনুসৰণ কৰা যাব পাৰে। যেতিয়ালৈকে আদৰ্শগত দলৰ সলনি জাতীয় দলবোৰৰ আধাৰত আন্তৰ্জাতিক সংস্থাবোৰ গঠন কৰা হয়, তেতিয়ালৈকে সেইবোৰৰপৰা উন্নয়নৰ ক্ষেত্ৰত বিশেষ সুফল লাভ কৰাত ভালেখিনি সন্দেহৰ থল থাকিব। এনে বিকাশত আদৰ্শগত গ্ৰন্থাগাৰে সহায় কৰিব পাৰে, কিন্তু লগতে এই কথাও উনুকিয়াই দিয়া উচিত হব যে পাশ্চাত্য দেশবোৰ এনে ধৰণৰ গ্ৰন্থাগাৰ গঢ়ি তোলাত ভালেখিনি পিচ পৰি আছে। বোধহয় তাৰ কাৰণ হ'ল এই দেশবোৰৰ আদৰ্শবাদ অতিশয় বহুমুখীধৰণৰ আৰু এই আদৰ্শৰ সংজ্ঞাবোৰৰ ভালে-খিনি খৃষ্টান ধৰ্মাধিকাৰী সংস্থাই ধাৰ্য কৰি দিয়ে। আনহাতে এইবাবেই এইবোৰ দেশৰ সাংস্কৃতিক পদ্ধতি নতুনকৈ কৰি লোৱাটো অধিক প্ৰয়োজনীয়।

যদিহে সংঘচেতনাৰ ফালৰপৰা গ্ৰন্থাগাৰ সম্বন্ধে বিবেচনা কৰা হয়, তেন্তে বৰ্তমান পৰিস্থিতিত দেখা যাব যে ইউৰোপৰ পশ্চিম মণ্ডলত সুনিৰ্দিষ্ট সংঘচেতনাৰ মাত্ৰা তুলনাত কম আৰু ইয়াৰ বৰ্তমানৰ সাংস্কৃতিক পদ্ধতি জাতীয় ধৰণৰ। জাতীয় আৰু আদৰ্শগত চেতনাৰ মাত্ৰা [illegible]

মিহলি ঘটিলে সামাজিক ক্ষমতা উল্লেখযোগ্যভাৱে বৃদ্ধি পাব পাৰে; মাৰ্কিন যুক্তৰাষ্ট্ৰত আৰু বোধহয় চীনত এই পৰিস্থিতিৰ উদ্ভৱ হৈছে, কিন্তু অন্ততঃ কুৰি শতিকাত অপেক্ষাকৃত সৰু সৰু দেশবোৰত এনে পৰিস্থিতি উদ্ভৱ হোৱাৰ সম্ভাৱনা নাই।

আদৰ্শগত পুথিভঁৰালৰ স্বৰূপেই হ'ল এনে যে ইয়াৰ লক্ষ্য জাতীয় পুথিভঁৰালৰ তুলনাত কম মাত্ৰাত সাৰ্বজনীন ধৰণৰ; অৱশ্যে এনে আদৰ্শবাদত জ্ঞান লাভৰ ওপৰত কিমানখিনি গুৰুত্ব আৰোপ কৰা হয় তাৰ ওপৰতো এই কথা নিৰ্ভৰ কৰে। কমিউনিষ্ট আদৰ্শবাদৰ নিচিনাকৈ জ্ঞান আহৰণৰ ওপৰত অত্যধিক গুৰুত্ব আৰোপ কৰিলে আদৰ্শত দীক্ষিত সকলৰ বাবে সম্পূৰ্ণ জ্ঞান আহৰণৰ লক্ষ্য উদয় হয়, কিন্তু সম্পূৰ্ণতা নিজেই এটা লক্ষ্য হব নোৱাৰে।

যদিহে পুথিভঁৰাল সম্বন্ধে ইয়াৰ সামাজিক বাহকসকলৰপৰা বিবেচনা কৰি চোৱা হয়, তেন্তে সেই বাহকসকলৰ সাংস্কৃতিক আৰু মানসিক অৱস্থা সম্বন্ধেও অনুধাৱন কৰি চাব লাগিব। ধৰ্মীয় গ্ৰন্থাগাৰ, পৌৰ গ্ৰন্থাগাৰ, জাতীয় পুথিভঁৰাল আৰু বিশ্ববিদ্যালয় পুথিভঁৰাল, বিশেষ পুথিভঁৰাল আৰু আদৰ্শগত পুথিভঁৰালৰ ক্ৰমবিকাশৰ ধাৰা বিশেষ কৌতূহলপূৰ্ণ। ইয়াৰপৰা এনে এটা আভাস পোৱা যায় যে সংঘ-চেতনা কিছুদূৰ প্ৰবল হৈ উঠিলে প্ৰথমতে ধৰ্ম, দৰ্শন বা আদৰ্শগতভাৱে দলীয় চেতনা জাগ্ৰত হৈ উঠে। তাৰ পিচত দলীয় মন কিছুদূৰ স্থায়িত্ব আৰু স্থিতিস্থাপকতা লাভ কৰিলে ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ অপেক্ষাকৃত বাস্তৱ সমস্যাবোৰে গুৰুত্ব লাভ কৰে, ফলত প্ৰাকৃতিক আৰু সামাজিক বিজ্ঞানবোৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। তাৰ পিচত লাহেকৈ আৰু কেতিয়াবা তীব্ৰ গতিত সাধাৰণ আৰু বিশেষ লক্ষ্য চামিল হৈ যায় আৰু অবিলম্বে নহলেও অপেক্ষাকৃত খৰতকীয়াভাৱে পুথিভঁৰালৰ আকাৰ আৰু পৰিমাণ গুৰুত্বপূৰ্ণ হৈ উঠে।

এই সমগ্ৰ প্ৰক্ৰিয়াতে সামাজিক দলবোৰ গাঁথনিবদ্ধ হোৱাটো অভিব্যক্ত হয় আৰু এই প্ৰক্ৰিয়া ক্ৰমে অধিক মাত্ৰাত চলিলেও ইয়াৰ

কেতবোৰ তুলনীয় পৰ্যায় থাকে। এই প্ৰক্ৰিয়াৰ কোন স্তৰত পুথিভঁৰাল গঢ়ি উঠে সেইটো নিৰ্ভৰ কৰে দলীয় মন গঢ়ি উঠাৰ ওপৰত, সামাজিক জটিলতা বৃদ্ধিৰ ওপৰত আৰু সাংস্কৃতিক পদ্ধতিৰ অন্তৰ্নিহিত গুণবোৰৰ ওপৰত। এই স্তৰ নিৰ্ণয়ৰ বাবে এটা সংজ্ঞা ধাৰ্য কৰি দিয়াটো সম্ভৱপৰ নহয়, কিন্তু স্থলবিশেষে ভৱিষ্যতৰ বিকাশৰ বাবে লক্ষণ নিৰূপণ কৰাত ইতিপূৰ্বে উল্লেখ কৰি অহা কথাবোৰৰপৰা সহায় পোৱা যাব। একোটা সামাজিক দলৰ ওপৰত বাহিৰৰপৰা প্ৰয়োগ কৰা হেঁচাও এই বিষয়ত আন এটা প্ৰভাৱ হব পাৰে, কিন্তু আনহাতে সংশ্লিষ্ট সামাজিক দলৰ মূল্যবোধত এনে হেঁচা প্ৰতিফলিত হয় আৰু যিবোৰ প্ৰভাৱৰ দ্বাৰা মূল্যবোধ নিৰূপণ কৰিব পাৰি সেইবোৰক বাদ দি ললে এনে প্ৰভাৱৰ কথা নিবাকৰণ কৰিব পৰা যাব।

এটা নিৰ্দিষ্ট সামাজিক দলত পুথিভঁৰাল গঢ়ি উঠাৰ সম্ভাৱনা সম্বন্ধে এটা ধাৰণা কৰি লবলৈ হলে তলত দিয়া তথ্যবোৰ গোটাই লোৱাৰ আৱশ্যক হবঃ লোকসংখ্যা বৃদ্ধিৰ হাৰ; সামাজিক ঘনত্ব বৃদ্ধিৰ হাৰ (আন্তঃ যোগাযোগৰ মাত্ৰা); প্ৰাকৃতিক পৰিবেশৰ স্বৰূপ (সা-সম্বল আদি); মূল্যবোধ ব্যৱস্থা; আন আন দলৰ লগত থকা সম্পৰ্কৰ ক্ষেত্ৰত সংশ্লিষ্ট দলৰ পৰিস্থিতি আৰু এইবোৰ দলে প্ৰয়োগ কৰা প্ৰভাৱৰ মাত্ৰাৰ হীনডেঢ়িৰ সম্ভাৱনা। এইবোৰ তথ্যাদিৰ আধাৰত তেনেদলৰ উপযোগী যোগাযোগ অৱস্থা সম্বন্ধে এটা সম্ভাব্য ধাৰণা কৰি লব পৰা যাব; এনে যোগাযোগৰ বাবেই মুদ্ৰিত গ্ৰন্থৰ উৎপাদন আৰু সংৰক্ষণৰ প্ৰয়োজন হয়। যোগাযোগৰ ব্যৱস্থাৰ বিকাশ ৰেখাৰ লগত সামাজিক বিকাশৰ সাধাৰণ ৰেখাৰ সামঞ্জস্য থাকিব বুলি ধাৰণা কৰাটো যুক্তিসঙ্গত হব।

সামাজিক পৰিকল্পনা যুগুত কৰোতে উন্নয়নৰ পদ্ধতি এটা প্ৰয়োজনীয় বস্তু, কিয়নো ইয়াৰ বাস্তৱ তথ্যৰ আধাৰত পৰিকল্পনা যুগুত কৰি লব পৰা যায়। আন আন সামাজিক দলৰ বিকাশৰ উদাহৰণ অনুসৰণ কৰি পৰিকল্পনা যুগুত কৰি লব পৰা যায়। আন আন সামাজিক

দলৰ বিকাশৰ উদাহৰণ অনুসৰণ কৰি পৰিকল্পনা যুগুত কৰাটো বৰ সন্তোষজনক নহয়, কিয়নো প্ৰত্যেক দলৰ তথ্য-পাতিৰ মাজত ব্যৱধান থাকে।

সামাজিক প্ৰতিষ্ঠান হিচাপে পুথিভঁৰাল সামাজিক বিকাশৰ এটা আচুতীয়া দৃষ্টান্ত নহয়, অৱশ্যে ফঁহিয়াই চোৱাৰ বাবে ইয়াক আচুতীয়া কৰি লব পৰা যায়। কিন্তু পুথিভঁৰাল হ'ল সামাজিক বিকাশৰ সামগ্ৰিক প্ৰক্ৰিয়াৰ এটা অঙ্গবিশেষ, ইয়াত এনে বিকাশৰ একোটা বিশেষ স্তৰ আৰু বিশেষ কামৰ দায়িত্ব প্ৰতিফলিত হয়। এই দায়িত্ব সম্বন্ধে বাস্তৱধৰ্মী দৃষ্টিভঙ্গী গ্ৰহণ কৰিবলৈ হলে গ্ৰন্থাগাৰিকে নিজৰ বাসকৰা সমাজৰ বাবে নিজৰ চকু আৰু মন মুকলি কৰি ৰাখিব লাগিব আৰু সমাজত মানসিক প্ৰয়োজনৰ বিচিত্ৰ গুণবোৰ সম্বন্ধে প্ৰায় সহজাত ধৰণৰ উপলব্ধি অৰ্জন কৰি লব লাগিব।

কাৰিকৰী আৱিষ্কাৰৰ ফলত নতুন নতুন যোগাযোগ ব্যৱস্থাৰ উদ্ভাৱন হয়, আৰু সেইবোৰক পুথিভঁৰালত সামৰিলোৱাটো উচিত হব নে নহয় সেই কথা থিৰাং কৰাটো টান। গ্ৰন্থপাঠ সাধাৰণ অভ্যাসেই নহয়, যোগাযোগৰ প্ৰয়োজনৰ অঙ্গ হিচাপেও গ্ৰন্থ-পাঠ কৰা হয়। যোগাযোগৰ আন আন পদ্ধতিয়েও গ্ৰন্থ-পাঠত প্ৰেৰণা যোগায় কিন্তু এই ক্ষেত্ৰত সংশ্লিষ্ট "সামাজিক দলৰ কামৰ বাবে কি কি যোগাযোগৰ ·পদ্ধতি প্ৰয়োজনীয়"তকৈ "কিমানখিনি যোগাযোগৰ প্ৰয়োজন" সেই প্ৰশ্ন স্থিৰ কৰাটোহে আটাইতকৈ গুৰুত্বপূৰ্ণ কথা। কেতবোৰ যোগাযোগৰ বাবে মাথোন নিৰ্দিষ্ট কেইবিধমান ব্যৱস্থাহে গ্ৰহণ কৰিব পৰা যায়, কিন্তু আনবোৰৰ ক্ষেত্ৰত হলে ব্যৱস্থা বাছি লব পৰা যায়। এনেদৰে বাছি লব পৰাটো বাঞ্ছনীয় ব্যৱস্থা, কিয়নো ইয়াৰ যোগেদি ব্যক্তিয়ে নিজ ক্ষমতাৰ বহুমুখী আৰু সেই হেতুকে ব্যাপক ধৰণৰ প্ৰয়োগ কৰিব পাৰে।

নিতৌ চিঠি-পত্ৰ, টাইপকৰা প্ৰতিবেদন আৰু আন আন নথি-পত্ৰ যি মাত্ৰাত পঢ়া হয় তাৰ তুলনাত মুদ্ৰিত সামগ্ৰী পাঠৰ মাত্ৰা

বোধহয় নিচেই কম হব। লক্ষ্য কৰিবলগীয়া কথা হ'ল এয়ে যে সামাজিক বিকাশৰ লগে লগে সামাজিক যোগাযোগৰ মাত্ৰা বৃদ্ধি পায় আৰু এইদৰে নানা ধৰণৰ প্ৰয়োজন বৃদ্ধি পোৱাত যোগাযোগৰ নতুন পদ্ধতি উদ্ভাৱন কৰা হয়। এইবোৰ একেলগে চলি থাকে আৰু এইবোৰৰ দ্বাৰা বিশেষ বিশেষ প্ৰয়োজন পূৰণ হোৱাৰ উপৰিও এবিধে আন বিধৰ বিকাশত প্ৰেৰণা যোগায়।

এই বিভিন্ন প্ৰকাৰৰ প্ৰৱণতাবোৰলৈ চাই পুথিভঁৰালৰ ভৱিষ্যৎ বিকাশৰ পথত কামৰ পাৰ্থক্যৰ প্ৰতি লক্ষ্য ৰাখি আগ বাঢ়িব লাগিব, আৰু সেইটো নিৰ্ভৰ কৰিব সংশ্লিষ্ট সামাজিক দলৰ গাইগুটীয়া ৰুচি আদিৰ ওপৰত। কিন্তু জীৱন্ত মানুহক লৈহে সামাজিক দল গঠিত হয়, গতিকে যি সকলে বিশেষ দায়িত্ব গ্ৰহণ কৰে তেওঁলোক সুশিক্ষিত, আগ্ৰহশীল আৰু জাগ্ৰত হব লাগিব। জীৱনৰ অনন্ত নতুনত্বই আটাইতকৈ অধিক কৌতূহলৰ সৃষ্টি কৰে।

পুথিভঁৰাল অকল এইটো বা অকল সেইটো বুলিলেই নহয়, ই হ'ল মানুহে মানুহৰ সেৱাৰ বাবে সৃষ্টি কৰা এটা জীৱন্ত সংস্থা। ইয়াৰ বাবে মৌলিক প্ৰতিভা আৰু উদ্যমৰ প্ৰয়োজন আৰু ইয়াক নিৰ্দিষ্ট ৰূপ আৰু নিৰ্দিষ্ট লক্ষ্যতে আৱদ্ধ কৰি ৰাখিব পৰা নাযায়। পৰিৱৰ্তনৰ যুগত ইয়াৰো পৰিৱৰ্তন ঘটিব, কিদৰে পৰিৱৰ্তন ঘটে সেই সম্বন্ধে আমি অনুমান আৰু বিবেচনাহে কৰি চাব পাৰোঁ, কিন্তু সুনিৰ্দিষ্টভাৱে জানিব নোৱাৰোঁ।

## ত্ৰয়োদশ অধ্যায়

# গ্ৰন্থপাঠ আৰু ব্যক্তিত্বৰ বিকাশ

সম্প্ৰতি গ্ৰন্থপাঠৰ ভূমিকা বৰ্ণনা কৰি ভালেমান পুথি প্ৰকাশ কৰা হৈছে, আৰু "সুদক্ষ গ্ৰন্থপাঠ" আৰু "গ্ৰন্থপাঠৰ পৰিপক্কতা" আদি কথা সাধাৰণ হৈ পৰিছে। জ্ঞানদাতা আৰু গ্ৰহীতাৰ ফালৰপৰা যদি গ্ৰন্থপাঠ সম্বন্ধে বিবেচনা কৰি চোৱা হয় তেন্তে এই সম্পৰ্কৰ আধাৰত গ্ৰন্থপাঠৰ দক্ষতা বিশ্লেষণ কৰি চাব লাগিব। এই প্ৰশ্নৰ বিবেচনা কৰিবলৈ গলেই বৰ আহুকালত পৰিবলগীয়া হয়, কিয়নো সুদক্ষ পাঠকক আনন্দ যোগাব পৰা জনেই ভাল লিখক অথবা ভাল লিখকৰপৰা আটাইতকৈ অধিক লাভ আদায় কৰিব পৰা জনেই সুদক্ষ পাঠক বুলি কোৱাটো অতিশয় কঠিন। ইয়াৰ ফলত আমি পোনছাটেই যুক্তিচক্ৰৰ উৰাদিহ নোপোৱা হাবিত সোমাবলগীয়া হয় আৰু মূল্যবোধ নিৰাকৰণ কৰিবলগীয়া হয়। তদুপৰি আমি আপোনা-আপুনি এনে এটা ধাৰণা কৰি লবলগীয়া হয় যে গ্ৰন্থপাঠৰ মাধ্যমেৰে সামাজিক যোগাযোগৰ মাত্ৰা বৃদ্ধি পোৱাটো "ভাল" আৰু মাত্ৰা হ্ৰাস পোৱাটো "বেয়া"। ইয়াৰ ফলত মূল্যবোধৰ বিচাৰ কৰি কবলগীয়া হয় যে অধিক জটিল সমাজ তুলনাত কম জটিল সমাজতকৈ "ভাল" আৰু এইদৰে অতৰ্কিতে আমি সামাজিক বিকাশৰ এটা স্তৰক আন এটা স্তৰতকৈ প্ৰশংসা কৰিবলগীয়াত পৰে। ইয়াৰ বাবে গ্ৰহণযোগ্য একো জোখমাৰি নাই। সমাজতাত্ত্বিক অনুসন্ধান চলাওঁতে মূল্যাঙ্কণৰ বিচাৰৰপৰা মুক্ত থাকিবলৈ চেষ্টা কৰিব লাগে। এজন খেতিয়কৰ সামাজিক যোগাযোগৰ মাত্ৰা এজন উকীলৰ তুলনাত কম হলে, খেতিয়কজনে নিজৰ যোগাযোগ ব্যৱস্থা বৃদ্ধি কৰিবলৈ চেষ্টা কৰা উচিত বুলি ধৰি লোৱাৰ একো সঙ্গত হেতু নাই। একোজন ব্যক্তিৰ সামাজিক কামৰ ওপৰত তেওঁৰ যোগাযোগ ব্যৱস্থা নিৰ্ভৰ কৰে, ইয়াৰ বিপৰীত অৱস্থাই পৰিৱৰ্তনৰ লক্ষণ বা ইচ্ছাৰ সূচনা দিব পাৰে, কিন্তু তাৰ দ্বাৰা বাস্তৱ পৰিস্থিতি প্ৰতিফলিত নহয়।

এখন অপেক্ষাকৃত জটিল সমাজত স্বাভাৱিকতে আন্তঃযোগা-যোগৰ মাত্ৰা বৃদ্ধি পৰিলক্ষিত হয়, কিন্তু অকল তেনে সমাজৰ যোগাযোগ পদ্ধতিবোৰ অনুকৰণ কৰিলেই আমি তেনে জটিল পৰ্যায়ৰ সামাজিক বিকাশ সাধন কৰিব নোৱাৰোঁহঁক। গ্ৰন্থপাঠৰ কাৰ্যকাৰিতা কঁহিয়াই চাবলৈ হলে ইয়াক সামাজিক পৰিবেশত ৰাখি বিচাৰ কৰাটো আৱশ্যকীয় কথা। কোনো কোনো ক্ষেত্ৰত ততাতৈয়াকৈ আধা দজন চিন্তাশীলৰ আলোচনী পঢ়াতকৈ লাহে লাহে ধৈহিয়াই ধৈহিয়াই ধৰ্ম গ্ৰন্থ পঢ়াটো অধিক গুৰুত্বপূৰ্ণ হব পাৰে; একোজন লোকৰ বাবে সমগ্ৰ গ্ৰন্থাৱলীৰ তুলনাত এটা কৰিতাৰ এশাৰী কথাই অধিক তাৎপৰ্যপূৰ্ণ হব পাৰে; দহ ঘণ্টা ধৰি গ্ৰন্থপাঠ কৰাতকৈ এঘণ্টা ধ্যান কৰাটো অধিক মূল্যবান হব পাৰে। ধৰ্মবিশ্বাস-বিৰোধী এখনি ৰচনাৰ তুলনাত কথিত শব্দৰ ধ্বনিয়ে একোজন লোকৰ মনত আলোড়নৰ সৃষ্টি কৰি দিব পাৰে। দৰাচলতে মানুহৰ মনৰ গঠনবিন্যাস ইমান জটিল আৰু ইমান বিচিত্ৰ যে সেই সম্বন্ধে মূল্যৰ ফালৰপৰা সাধাৰণ সংজ্ঞা ধাৰ্য কৰাটো অতি কঠিন।

যদিহে আমি অকল জ্ঞান আহৰণৰ জোখমাৰি প্ৰয়োগ কৰোঁহঁক তেন্তে হয়তো সুদক্ষ গ্ৰন্থপাঠৰ বিষয়ে কোৱাটো সম্ভৱ, কিন্তু ভক্তিমূলক বা সংস্কৃতিমূলক গ্ৰন্থপাঠৰ ক্ষেত্ৰত এনে ধাৰণা একো কামত নাহে। এজন সুসংস্কৃত লোক হ'ল এনে ব্যক্তি যি নিজৰ মনক এইভাৱে গঢ়ি তুলিছে যাৰ সহায়ত তেওঁ কিছুদূৰ নিৰাপত্তা, স্থৈৰ্য আৰু সুখ পাব পাৰে। কেতিয়াও এটা শব্দ নপঢ়াকৈও তেওঁ এইখিনি লাভ কৰিব পাৰে।

আমি এনেকৈ কব নোৱাৰোঁ যে এজন লোকে নিতৌ দহলাখকৈ শব্দ "পঢ়ে", কিয়নো এনে ধৰণৰ প্ৰয়োগত "গ্ৰন্থপাঠৰ" অৰ্থ সম্পূৰ্ণ সুকীয়া হৈ পৰে, আনহাতে কোনোবাই ছেক্সপীয়েৰৰ বিয়োগান্ত নাটবোৰ পাঠ কৰিছে বুলি কলে তাৰ অৰ্থ তেনেই বেলেগ হব। ততাতৈয়াকৈ পঢ়াটোৱেই স্বাভাৱিকতে "ভাল" গ্ৰন্থপাঠ হব নোৱাৰে, কিন্তু পাঠকে কি ধৰণৰ সন্তোষ লাভৰ বাবে প্ৰয়াস কৰিছে সেই কথা নাজানিলে "ভাল" গ্ৰন্থপাঠৰ একো অৰ্থ হব নোৱাৰে। আবেগৰ আৰ্হিয়েহে

সকলো প্ৰকাৰৰ সন্তুষ্টি নিৰূপণ কৰিব পৰা যায়, কিন্তু এই আবেগবোৰ প্ৰত্যক্ষ, বুদ্ধিগত আৰু আধ্যাত্মিক হব পাৰে। এইবোৰৰ গভীৰতা নিৰ্ণয়ৰ বাবে একো সাধাৰণ জোখমাৰি নাই, আৰু গ্ৰন্থপাঠৰ ফলত ব্যক্তিত্বৰ বিকাশ হৈছে নে নাই সেই কথা কোৱাটোও টান।

যদিহে কোনো লোকৰ গ্ৰাহিকা শক্তি প্ৰবল হয় তেন্তে গ্ৰন্থপাঠ তেওঁৰ বাবে স্বাভাৱিক আৰু সহজ হৈ পৰিব। গ্ৰাহিকা শক্তি যথেষ্ট নাথাকিলে কেতবোৰ গ্ৰন্থ পঢ়াটো তেনেলোকৰ বাবে ক্ষতিকৰ হব পাৰে আৰু ইয়াৰ ফলত তেওঁৰ মানসিক সংঘৰ্ষৰ সৃষ্টি হব পাৰে।

"আৰু এইবোৰৰ দ্বাৰা, মোৰ বাচা, অনুশাসিত হবা: গ্ৰন্থ ৰচনাৰ সংখ্যাৰ অন্ত নাই; আৰু অতিপাত অধ্যয়নৰ ফলত শৰীৰত ক্লান্তি জন্মে।"

—এক্লেছিয়াষ্টেচ: ১২. ১২.

ইয়াৰ দ্বাৰা স্পষ্টভাৱে কোৱা হৈছে, অকল বিদ্যা লাভৰ বাবেই বিদ্যা আহৰণ কৰাটো লক্ষ্য নহয়, কিন্তু ই আবেগৰ আধাৰত প্ৰতিষ্ঠিত হৈ নীতি আৰু বিশ্বাসৰ বহিৰাৱৰণ ভেদ কৰি অভিব্যক্ত হব লাগে। জ্ঞান বিদ্যালাভতকৈ প্ৰশস্ত কিয়নো জ্ঞানে জানিবলগীয়া কথা জনাটোকো নিজৰ ভিতৰত সামৰি লয়।

ব্যক্তিত্বৰ বিকাশৰ ফালৰপৰা গ্ৰন্থপাঠ সম্বন্ধে আলোচনা কৰিবলৈ হলে আবেগিক, বৌদ্ধিক আৰু আধ্যাত্মিক—এই তিনি তৰপীয়া সঁহাৰিৰ ফালৰপৰা এই বিশ্লেষণ চলাব লাগিব। এই তিনিবিধ সঁহাৰিৰ যি কোনো এটাৰ ভেটিত গ্ৰন্থপাঠ কৰা হব পাৰে আৰু প্ৰত্যেক বিধৰে মান সুকীয়া ধৰণৰ হব। পৰিবেশৰপৰা আঁতৰি যোৱাৰ অভিপ্ৰায়েৰে বা পৰিপূৰণৰ অভিপ্ৰায়েৰে গ্ৰন্থপাঠ কৰিলে এনে প্ৰয়োজনবোৰ পূৰণৰ বাহিৰে তাৰ আৰু আন একো মানদণ্ড থাকিব নোৱাৰে। তেনে পঠিত সামগ্ৰী মনত ৰাখি যোৱাৰ হেতু নাই আৰু যদিহে কোনো-লোকে সেইবোৰ নিৰ্ভুলভাৱে মনত ৰাখে তেন্তে তেওঁৰ মন অধিক মাত্ৰাত অধিক আসন্ন আবেগবোৰতে আবদ্ধ হৈ থকা বুলি সন্দেহ কৰিবলৈ যথেষ্ট থল থাকিব। এনেবোৰ সা-সামগ্ৰী পাঠৰ গতিবেগ কি ধৰণৰ হোৱা উচিত, সেই সম্বন্ধেও বৰ বেছি একো কব নোৱাৰি:

পাঠকৰ মানসিক আৰু আবেগিক অৱস্থাৰ দ্বাৰাই সি নিয়ন্ত্ৰিত হয়, আৰু এটা চোৰাংচোৱা কাহিনী ততাতৈয়াকৈ নপঢ়ি লাহে ধীৰে পাঠ কৰাৰপৰা বৰ বেছি কিবা লাভ হব বুলি কব পৰা নাযায়। যি সকলে অধিক পুথি পঢ়ে তেনে লোকে এনে গল্প ততাতৈয়াকৈ পঢ়িবলৈ লব কিন্তু অধিক অৱসৰ লাভৰ অভিপ্ৰায়েৰে হয়তো তেওঁ তেওঁৰ পঢ়াৰ স্বাভাৱিক গতি মন্থৰ কৰি লবও পাৰে।

বাতৰি কাকত আৰু আলোচনী পাঠৰ ক্ষেত্ৰত আমি প্ৰায়ে পঢ়া আৰু "ওপৰে ওপৰে চকু ফুৰোৱা" ব্যৱস্থাৰ সীমাৰেখা ধৰি চলোহঁক আৰু এইক্ষেত্ৰতো এবিধ আনবিধতকৈ ভাল বুলি কব নোৱাৰি। ৰাজনীতি বা আন্তৰ্জাতিক সমস্যাৰ প্ৰতি বৰ বেছি ধাউতি নাথাকিলে এজন সঙ্গীত শিল্পীয়ে হয়তো সঙ্গীত ৰচনা কৰিব পাৰে। ইয়াৰ বিপৰীতেও সঁচা হব পাৰে। বাহিৰৰ যোগাযোগৰ ঘাত-প্ৰতিঘাত গ্ৰহণৰ বাবে এটা জটিল ব্যৱস্থা গঢ়ি উঠাটো মূলতে নিৰ্ভৰ কৰে ব্যক্তিত্বৰ গঠন-বিন্যাসৰ ওপৰত। দৃষ্টান্ত স্বৰূপে, দাৰ্শনিক কমৃটেই সিদ্ধান্ত কৰিছিল যে একমাত্ৰ প্ৰাচীন শাস্ত্ৰবোৰৰ অধ্যয়নহে তেওঁৰ মনৰ বাবে হিতপ্ৰদ, আৰু বাতৰি কাকত আদি আনবোৰ সামগ্ৰী পঢ়াটো ক্ষতিকৰ। এইবোৰ ৰচিত হয় এনে এবিধ "মানসিক স্নুৰত" যি ভালেমান লোকৰপৰা সঁহাৰি আদায় কৰিব পাৰে, কিন্তু আটাইৰে পৰা হলে নোৱাৰে। এই ক্ষেত্ৰতো এটা মনোভঙ্গী আনটোতকৈ ভাল বুলি কব নোৱাৰি।

"জ্ঞানমূলক" গ্ৰন্থপাঠৰ বিষয়ে বিবেচনা কৰিবলৈ গলে পৰিস্থিতি সুকীয়া হৈ পৰে। প্ৰথমতে, অধিক জটিল সমাজ গঢ়ি উঠাৰ বাবে জ্ঞানৰ বিকাশ প্ৰয়োজনীয়, আৰু দ্বিতীয়তে এনেবিধ গ্ৰন্থপাঠৰ ক্ষেত্ৰত সুদক্ষ গ্ৰন্থপাঠ আৰু গ্ৰন্থপাঠত পৰিপক্কতা আদি মন্তব্য কৰাটো সম্ভৱপৰ ; তদুপৰি এই ক্ষেত্ৰত পঠিত বিষয় মনত ৰখা নৰখা নিৰূপণ কৰাটো সম্ভৱপৰ আৰু সাৰ্থকো। "জ্ঞান-পাঠকে" অপেক্ষাকৃত প্ৰত্যক্ষ লক্ষ্য সাধনৰ বাবে গ্ৰন্থপাঠ কৰে আৰু এই লক্ষ্যৰ আধাৰত এই বিষয়ত তেওঁৰ সাফল্য বা ব্যৰ্থতা নিৰূপণ কৰিব পৰা যায়। এই

লক্ষ্যৰ দ্বাৰা একে সময়তে তেওঁৰ “ব্যক্তিত্ব বিকাশ”ত সহায় হয়নে নহয়, সেই কথা কব পৰা নাযায়।

প্ৰতিজন ব্যক্তিয়ে কিবা প্ৰকাৰে সমাজত এখন স্থান লাভ কৰে আৰু যদিহে এই স্থান তেওঁৰ মৌলিক ব্যক্তিত্বৰ লগত খাপ খায় তেন্তে তেওঁ কিছুদূৰ ভাৱসাম্য লাভ কৰে। যদিহে তেওঁ সমাজত ভালদৰে খাপ খাই নপৰে তেন্তে জ্ঞান বৃদ্ধিৰ ফলত এই ক্ষেত্ৰত তেওঁৰ লাভ হব পাৰে আৰু ক্ষতিও হব পাৰে। ইয়াৰ ফলত যদি নিজৰ অৱস্থা আৰু স্পষ্টভাৱে লক্ষ্য কৰাত তেওঁৰ সাহায্য হয়, নাইবা তেওঁ যদি নিজৰ পৰিস্থিতি সলনি কৰি লব পাৰে তেন্তে জ্ঞান বৃদ্ধিৰপৰা তেওঁৰ লাভ হব। আনহাতে আকৌ জ্ঞান বৃদ্ধিৰ ফলত সামাজিক মৰ্যাদা আৰু ব্যক্তিত্বৰ বিস্তৃতিৰ মাজত ব্যৱধানৰ সৃষ্টি হব পাৰে আৰু এনে অৱস্থাত আনকি মানুহৰ সামাজিক সহাঁৰিৰ মাত্ৰা হ্ৰাস পাইহে যাব পাৰে।

এটা আহুকাল হ’ল এয়ে যে আমি সংশ্লিষ্ট পৰিস্থিতি একোটাৰ গতিশীল আৰু অচল ফালৰ মাজত প্ৰায়ে খেলিমেলি লগাওঁ। যদিহে আমি এটা সামাজিক দলক গতিহীন বুলি ধৰি লওঁ তেন্তে ব্যক্তিৰ সামাজিক মৰ্যাদাৰ আধাৰত যোগাযোগৰ “উপযুক্ত” মাত্ৰা আৰু স্বৰূপ নিৰ্ণয় কৰিব পৰা যায়। ইয়াৰ লগত ব্যক্তিত্ব গাঁথনিৰ সামঞ্জস্য থাকিব লাগিব, অৱশ্যে ভিন ভিন ব্যক্তিৰ ক্ষেত্ৰত ই বিভিন্ন ধৰণৰ হব। কিন্তু সমাজে সততে গতি কৰি আছে আৰু আমাৰ ধাৰণা মতে ই অধিক জটিল পৰ্যায়ৰ পিনলৈ আগবাঢ়ি গৈ আছে। সম্ভাৱ্যতাই এই ধাৰণা সমৰ্থন কৰে, আৰু আমি সামাজিক উন্নয়নৰ পৰিকল্পনা যুগুত কৰোতে সমাজৰ জটিলতা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখিহে কামত আগ বাঢ়োহঁক।

ব্যক্তিয়ে অপেক্ষাকৃত জটিল পৰিস্থিতিৰ লগত খাপ খুৱাই লব পাৰে হেতুকেই এইদৰে জটিলতা বৃদ্ধি পাই যোৱাটো সম্ভৱপৰ হৈছে। গতিশীল ব্যক্তিৰ বাবে আবেগৰ ফালৰপৰাও এই “প্ৰগতি” লাভদায়ক, কিন্তু লগতে এই কথাও উপলব্ধি কৰা উচিত হব যে ইয়াৰ বাবে নেতা-

সকলে যি গতিৰ মাত্ৰা ধাৰ্য কৰি দিয়ে সি প্ৰায়ে সাধাৰণ ৰাইজৰ বাবে উৎপীড়নমূলক হয় আৰু তেতিয়া আপোচ ব্যৱস্থা উদ্ভাৱন কৰিবলগীয়া হয় আৰু তাৰ ফলত "সামাজিক গতি"ৰ মাত্ৰা ব্যক্তিৰ ক্ষমতাৰ লগত খাপ খুৱাই লোৱা হয়। মুঠৰ ওপৰত ব্যক্তিৰ আবেগিক গঠন বিন্যাসৰ ওপৰতহে সামাজিক গতিৰ বাঞ্ছনীয়তকৈ সম্ভাব্য মাত্ৰা নিৰ্ভৰ কৰে। ব্যক্তি পিচ পৰি থকাটো ইচ্ছা শক্তিৰ ওপৰত নিৰ্ভৰ কৰে বুলি ধৰি লোৱাটো তেনেই ভ্ৰমাত্মক কথা। একোজন ব্যক্তিৰ ওজঃশক্তিৰ গঠন বিন্যাসৰ ওপৰত তেওঁ কিমানখিনি গতিৰ লগত নিজকে খাপ খুৱাই লব পাৰে সেইটো নিৰ্ভৰ কৰে আৰু যদিহে এইক্ষেত্ৰত তেওঁৰ ওপৰত বৰ বেছি বোজা জাপি দিয়া হয় তাৰ ফলত গুৰুতৰ ধৰণৰ অৱনতি আৰু পতন ঘটিব পাৰে। এনেধৰণৰ সতৰ্ক-সংকেত কোনো সমাজেই উপেক্ষা কৰিব নোৱাৰে, আৰু সমাজে এনে অৱস্থাৰ সমন্বয় সাধন কৰি সামঞ্জস্য বিধান কৰি লয়। অৱশ্যে বাহিৰৰ দলৰপৰা প্ৰবল ধৰণৰ ভাবুকিৰ সন্মুখীন হবলগীয়া হলে ত্যাগ স্বীকাৰ কৰিও লোৱা হয়। কিন্তু এনে ত্যাগ স্বীকাৰৰো সীমা থাকে আৰু প্ৰত্যেক সমাজে ইয়াৰ অঙ্গীভূত ব্যক্তি-সকলৰ ক্ষমতাৰ লগত সামঞ্জস্য ৰক্ষা কৰি নিজৰ বাবে প্ৰয়োজনীয় পদ্ধতি যুগুত কৰি লয়।

অগ্ৰগামী সামাজিক দলবোৰৰ গতিশীলতা আন দলবোৰে "অনুকৰণ" কৰিব নোৱাৰে, কিয়নো তেওঁলোকৰ পৰিবেশ সম্পূৰ্ণ পৃথক ধৰণৰ। অনুৰূপ পৰিবেশ দেখা নিদিয়ালৈকে একে বা সমজাতীয় সহঁাৰি আশা কৰিব নোৱাৰি, আনকি এনে সহঁাৰিব বাবে শাৰীৰিক ক্ষমতা থাকিলেও সি সম্ভৱপৰ নহয়। এইদৰে এইবোৰ কথাত যুক্তিবাদৰ আশ্ৰয় লৈ ভুলত পৰিবলৈ নগলে আমাৰ মত গঠনবিন্যাস-মূলক হোৱা উচিত হব; অৰ্থাৎ যুক্তিবাদৰ আশ্ৰয় ললে আমি মানৱ প্ৰকৃতি স্থায়ী ধৰণৰ বুলি গণ্য কৰিব লাগিব আৰু প্ৰতিজন ব্যক্তিৰ বাবে সামাজিক আৰু নৈসৰ্গিক পৰিবেশ যে বিভিন্ন ধৰণৰ হয় সেই কথা উপেক্ষা কৰিব লাগিব।

ব্যক্তিৰ গুণ আৰু ক্ষমতা আৰু তেওঁ সম্মুখীন হবলগীয়া ঘাত-প্ৰতিঘাত আদি উভয়েই বিভিন্ন ধৰণৰ ব্যক্তিৰ ওপৰত কেতবোৰ কাৰ্যাৱলীৰ প্ৰতিক্ৰিয়া সম্বন্ধে বিবেচনা কৰোঁতে এই কথালৈ মন কৰা উচিত হব।

প্ৰত্যেক সামাজিক পদ্ধতিতে ব্যক্তিয়ে সম্মুখীন হবলগীয়া সামাজিক ঘাত-প্ৰতিঘাতৰ স্বৰূপ বিভিন্ন ধৰণৰ, আৰু এই বিষয়ৰ একমাত্ৰ এনে এটা সাধাৰণ সূত্ৰ গ্ৰহণ কৰাটো সঙ্গত যেন বোধহয় যে সামাজিক জটিলতা বৃদ্ধিৰ লগে লগে আবেগিক বা প্ৰতীকী প্ৰতিক্ৰিয়াৰ তুলনাত যুক্তিবাদী প্ৰতিক্ৰিয়াৰ মাত্ৰা বৃদ্ধি পায়। তিনিও ক্ষেত্ৰত গ্ৰন্থপাঠৰ নিচিনা প্ৰক্ৰিয়া চলে, কিন্তু আমি সম্ভাব্য বিশ্লেষণৰ সুবিধাৰ বাবে এটাতকৈ আনটোৰ প্ৰভাৱৰ আধিক্যৰ কথা উলুকিয়াই দিব পাৰোঁ।

আধুনিক সমাজত ব্যক্তিত্ব বিকাশৰ বাবে প্ৰয়োজনীয় জ্ঞানৰ মাত্ৰা বৃদ্ধি পাইছে, তদুপৰি আগৰ তুলনাত অধিক শ্ৰেণীৰ মানুহৰ মাজত ই বিস্তাৰ লাভ কৰিছে। তদুপৰি সামাজিক গতিশীলতাৰ মাত্ৰাও যথেষ্ট বৃদ্ধি পাইছে। যদিহে ইয়াৰ ফলত গ্ৰন্থপাঠ বৃদ্ধিৰ বাবে মুখ্য প্ৰেৰণা পোৱা যায়, তেন্তে তাৰ ফলত হতাশ ভাৱবো সৃষ্টি হব। তাৰ কাৰণ হ'ল—উচ্চ-নীচ স্তৰভেদে সমাজ ব্যৱস্থা চলি আছে আৰু উচ্চস্তৰৰ অধিক ভাগ লোকৰ বৰ বেছি পৰিৱৰ্তন হব নোৱাৰে। কোনো দেশৰ আদৰ্শগত পৰিৱেশ সামাজিক সমতা স্থাপনৰ অনুকূল হলে, ইয়াৰ ফলত ব্যক্তিত্বৰ বিকাশত সহায় হব পাৰে; কিন্তু এনে ক্ষেত্ৰত আবেগিক সন্তুষ্টি দিব পৰা ধৰণৰ গ্ৰন্থ পাঠতহে আগ্ৰহৰ সৃষ্টি হব।

বাতৰি কাকত আৰু আলোচনী পঢ়াটো মুখ্য ধৰণৰ গ্ৰন্থপাঠ হৈ পৰাৰো কাৰণ বোধহয় এয়েই। ইয়াৰ দ্বাৰা কৌতূহল, অস্বাভাৱিক কথা জনাৰ প্ৰতি আগ্ৰহ, ভৱিষ্যতৰ বাবে উৎকণ্ঠা আদি আবেগ-বোৰৰ সন্তুষ্টি সাধন হয়, তদুপৰি এইবোৰত থকা বিজ্ঞাপনবিলাকে বয়-বস্তু কিনাটো এটা গতানুগতিক কামৰ সলনি এটা ধেমালিত পৰিণত কৰি দিয়ে।

যদিহে সমাজৰ যোগেদি ইয়াৰ অঙ্গীভূত লোকসকলৰ ক্ষমতাৰ অভিব্যক্ত হয় বুলি বিবেচনা কৰা হয়, তেন্তে তাৰ ফলত এটা আপোচৰ সৃষ্টি হয় আৰু ইয়াৰ জৰিয়তে ভালেমান সমাজৰ যোগেদি কিছু প্ৰতিদানমূলক বঁটা লাভ কৰে কিন্তু কোনেও আটাইবোৰ লাভ কৰিব নোৱাৰে। ইয়াৰ ফলত সততে সংঘৰ্ষ, অসন্তুষ্টি আদিৰ সৃষ্টি হয় আৰু এইবোৰ গুণে আকৌ গতিৰ বাবে এবিধ প্ৰক্ৰিয়াৰ সৃষ্টি কৰে।

জনসংযোগৰ আন আন ব্যৱস্থাৰ তুলনাত ৰচনাৰ যোগেদি এই সংঘৰ্ষ আৰু অসন্তুষ্টিৰ ভাব অধিক ভালদৰে ফুটাই তুলিব পৰা যায় আৰু ইয়াৰ ফলত লেখক আৰু পাঠক অনুগত সমৰ্থক অংশ গ্ৰহণকাৰীতকৈ অধিক মাত্ৰাত স্বতন্ত্ৰ ব্যক্তি হিচাপে দেখা দিয়ে। এই ভূমিকা গ্ৰহণত যে বিপদ আছে সেই কথা পি. এটচ্. ডিংচ্ফিল্ডৰ "বুকছ ফেটেল টু দেয়াৰ অথৰছ্" অৰ্থাৎ "লেখকৰ বাবে মাৰাত্মক গ্ৰন্থসমূহ" শীৰ্ষক আকৰ্ষণীয় পুথিখনত ভালদৰে বৰ্ণনা কৰা হৈছে। ইয়াত আদৰ্শবাদৰ বাবে নিৰ্যাতন ভোগকৰা লেখকসকলৰে অকল বৰ্ণনা দিয়া হোৱা নাই, যিসকলে নিজৰ ৰচনাৰ বাবে দৈহিক আৰু আৰ্থিক ধ্বংসৰ সন্মুখীন হবলগীয়া হৈছিল, আনকি কেতিয়াবা এনে গ্ৰন্থৰ প্ৰকাশকসকলেও কিদৰে কষ্ট ভোগ কৰিবলগীয়া হৈছিল তাৰো লেখ লোৱা হৈছে।

"আদি ইংৰাজী শব্দাৱলীৰ আটাইতকৈ বহুমুলীয়া অভিধানৰ সংকলনকৰ্তা ৰেগুল কটগ্ৰেভে অতিশয় পৰিশ্ৰম সহকাৰে জ্ঞান আৰোহণৰ বাবে প্ৰাচীন হাতেলিখা পুথিবোৰ অধ্যয়ন কৰোঁতে নিজৰ দৃষ্টি শক্তি হেৰুৱায়। ইংৰাজী সাহিত্যৰ লেম্বেথ গ্ৰন্থাগাৰত হেনৰী হোৱাৰ্টন যি ষোলখণ্ডৰ হাতেলিখা ৰচনা সংৰক্ষিত হৈছে, সেইবোৰৰ ৰচনাত শ্ৰম কৰোতে ত্ৰিশ বছৰ বয়সত ভৰি দিয়াৰ আগতে লেখকৰ মৃত্যু ঘটে। বেচেৰা ৰবাৰ্ট হেৰণে অলপো ভ্ৰূক্ষেপ নকৰাকৈ অনবৰত নিজৰ মন সাহিত্য সাধনাত লগাই থকাৰ ফলত তেওঁৰ স্বাস্থ্য ভাগি পৰে আৰু ভালেমান বছৰ পৰিশ্ৰম কৰি তেওঁ নানা বিষয়ৰ অসংখ্য গ্ৰন্থ ৰচনা কৰে, কিন্তু ভাবিলে বিচুৰ্তি খাব লাগে

যে এই সাহিত্যিক গৰাকীয়ে জীৱনৰ অন্তিম দিন কেইটা নিউ গেটত কটাবলগীয়া হয়। সাহিত্য নিধিলৈ সহায় বিচাৰি তেওঁ করুণ ভাষাৰে কৰা আবেদন পত্ৰত নিজৰ জীৱনৰ শ্ৰমৰ বিৱৰণ দি হেৰণে এইদৰে লিখিছিল, 'আদৰ্শ পূৰণ কৰিবলৈ যাওঁতে ধ্বংস পাম বুলি কল্পনা কৰিবলৈকে মোৰ ভয় লাগে।' কিন্তু তেওঁৰ ভাগ্যত সেয়ে আছিল, হেৰণৰ নিচিনা এগৰাকী অতিশয় পৰিশ্ৰমী, সুবিজ্ঞ আৰু সুযোগ্য লোক সাহিত্যৰ বাবে আত্মোৎসৰ্গ কৰি শ্বহীদ হৈ গ'ল।"

আগৰ যুগত আনকি গ্ৰন্থৰ ৰচনা আৰু পাঠ অধিকতৰ কষ্ট সাধ্য আৰু গুৰুতৰ ধৰণৰ আছিল। উদাহৰণ স্বৰূপে চেভোনাৰোলাই নিজৰ ৰচনাৰ মূল্য হিচাপে নিজৰ প্ৰাণকে শোধাবলগীয়া হৈছিল।

"ফ্ৰান্সৰ অষ্টম চাৰ্লচ্‌ ফ্লোৰেন্সৰপৰা আঁতৰি যোৱাৰ লগে লগে তেওঁৰ শত্ৰুহঁতে সুযোগ পালে। সিহঁতে চেভোনাৰোলাৰ বিৰুদ্ধে সকলো প্ৰকাৰৰ দুষ্ট চৰিত্ৰৰ অভিযোগ আনিলে। তেওঁক ফাটেকত বন্দী কৰি থোৱা হ'ল, তেওঁৰ ওপৰত উৎপীড়ন চলোৱা হ'ল আৰু প্ৰচলিত ধৰ্মৰ বিৰোধী বুলি তেওঁক মৃত্যু দণ্ড বিহা হ'ল। কিন্তু কি কথাতনো তেওঁ প্ৰচলিত ধৰ্মৰ বিপৰীতাচৰণ কৰিছিল তাক বিচাৰি উলিওৱাটো টান কথা। এইটো অৱশ্যে সঁচা যে তেওঁৰ দুৰ্বল, সংবেদনশীল মন আৰু শৰীৰৰ ওপৰত সকলোপ্ৰকাৰৰ নিৰ্যাতন আৰু অত্যাচাৰ চলোৱাত তেওঁৰ উৎপীড়কসকলে তেওঁৰপৰা স্বীকাৰোক্তি দাবী কৰা ভালেমান কথাতে তেওঁ বাধ্য হৈ সন্মতি দিছিল। কিন্তু তেওঁৰ গ্ৰন্থ আৰু ধৰ্মোপদেশবোৰৰ বিৰুদ্ধে ধৰ্ম অৱমাননা কৰাৰ যিবোৰ অভিযোগ তোলা হৈছিল সিয়ে তেওঁক ধ্বংসৰ কৰাৰ আচল কাৰণ নাছিল, প্ৰকৃত কাৰণ হ'ল এয়ে যে তেওঁ পোপ ষষ্ঠ আলেকজেণ্ডাৰৰ বাবে আহুকলীয়া লোক আছিল। ১৪৯৮ চনৰ ২৩ মে'ৰ দিনা ফ্লোৰেন্সৰ বিৰাট মুকলি উদ্যান পিয়াজাত তেওঁক হত্যা কৰা হয়; আগতে ভাগ্যদেৱী সুপ্ৰসন্ন থকাত এই ঠাইতে তেওঁৰ ওজস্বিনী বাগ্মিতাত হেজাৰ বিজাৰ লোক মুগ্ধ হৈ ভেবা লাগি তেওঁলৈ চাই থাকিছিল। তাতে তেওঁৰ ওপৰত দণ্ডাদেশ জাৰী কৰা হয়। তেওঁৰ গাৰপৰা ডমিনিকান সম্প্ৰদায়ৰ কলা

সাজ আৰু বগা দীঘল চোলা গুচাই পোলোৱা হয় আৰু এগছ কাঁচ লগা জৰীৰে কাঁচী কাঠত ডিঙি ওলোমাই মাৰি পেলোৱা হয়; তেওঁৰ মৃতদেহটো জুইত পুৰি ছাইবোৰ আৰ্ণো নৈত পেলাই দিয়া হয়। এইদৰে ক্ৰোবেলৰ সুমহান ধৰ্মপ্ৰচাৰকজনাৰ অন্ত ঘটে, যাৰ বিচিত্ৰ আৰু জটিল চৰিত্ৰ সম্বন্ধে অতবোৰ আলোচনা সমালোচনা চলি আছে আৰু যাৰ অদ্ভুত জীৱনে কবি আৰু কথা সাহিত্যিকৰ ৰচনাৰ বাবে ইমানবোৰ অমূল্য সমল যোগাই আছিল। আধুনিক যুগৰ এখন অতিশয় সফল আৰু প্ৰভাৱশালী উপন্যাস তেওঁৰ জীৱনক কেন্দ্ৰ কৰি ৰচনা কৰা হৈছে।”

আজিকালিৰ লেখকে নানা ধৰণৰ ভাব বা বিচাৰধাৰা ব্যক্ত কৰিলেও তাৰ বিৰূপ পৰিণাম ভোগ কৰিবলগীয়া নহয়, কিন্তু আগৰ দিনত এনে ভাৱ বা বিচাৰ ধাৰা প্ৰকট কৰিলে সি গ্ৰন্থকাৰৰ বাবে মাৰাত্মক হৈ পৰিছিল ।

“১৬৮৯ চনত পোলেণ্ডত কাজিমিৰ লিচজিনস্কিক পুৰি মৰা হয়; তেওঁৰ ছাইবোৰ কামানৰ মুখত ৰাখি থৈ আকাশৰ পিনে নিক্ষেপ কৰা হয়। পটচ্‌ডামৰ বিছপে এই পোলিছ ভদ্ৰলোক গৰাকীৰ ওপৰত নাস্তিক বুলি অভিযোগ উত্থাপন কৰে। মানুহজনৰ হাতত কেতবোৰ নাস্তিক মতবাদী হাতেলিখা পুথি পোৱা হেতুকে তাৰ আধাৰতে তেওঁৰ বিৰুদ্ধে অভিযোগ তোলা হয়; এই গ্ৰন্থবোৰত কেতবোৰ অভিনৱ মত প্ৰকাশ কৰা হৈছিল যথা, ‘ঈশ্বৰ মানুহৰ স্ৰষ্টা নহয়; মানুহেহে শূন্যতাৰ পঁৰা বুটলি আনি ঈশ্বৰক সৃষ্টি কৰি লৈছে।’ তেওঁৰ ৰচনাৱলীত এনে অদ্ভুত ধৰণৰ আৰু ভালেমান মত থকা লক্ষ্য কৰা যায়।”

তলত দিয়া দৃষ্টান্তৰূপৰাই কি অদ্ভুত যুক্তিৰে গ্ৰন্থকাৰসকলক অভিযুক্ত কৰা হৈছিল তাৰ প্ৰমান পোৱা যাব:

“হবেচৰ বীৰ-বীৰাঙ্গনাসকলতকৈ অসীম সাহসী লোক আছিল তেওঁলোক যিসকলে প্ৰথমতে সেই ভয়াবহ ‘ইনকুইজিশ্যন’ বা মধ্যযুগৰ খৃষ্টান ধৰ্মবিচাৰালয়ৰ বিৰুদ্ধে প্ৰথমতে মত প্ৰকাশ কৰিবলৈ মৰসাহ কৰিছিল আৰু স্বেচ্ছাৰে এই ভয়ঙ্কৰ আদালতৰ ক্ৰোধভাজন হৈছিল। এনে এজন

লোক আছিল এণ্টেনিয়াচ পেলিৰিয়াচ, আৰু তেওঁক ধৰ্ম আদালত বিৰোধী বুলি অভিহিত কৰা হৈছিল। তাৰ পৰিণাম স্বৰূপে ১৫৭০ চনত কোনো কোনোৰ মতে তেওঁৰ শিৰচ্ছেদ কৰা হয়, নহলে ১৫৬৬ চনত ৰোমত তেওঁক ফাঁচী দি, টেটু চেপি বা পুৰি মৰা হয়। এই গ্ৰন্থকাৰজনা আছিল চিয়েনা আৰু মিলানত গ্ৰীক আৰু লেটিনৰ অধ্যাপক, তাতে তেওঁক পোপ পঞ্চম পাইয়াচৰ আদেশক্ৰমে গ্ৰেপ্তাৰ কৰা হয় আৰু ৰোমলৈ লৈ যোৱা হয়। তেওঁ অতিশয় স্পষ্ট ভাষাৰে সঁচা কথা স্বীকাৰ কৰি কয় যে 'ইনকুইজিশ্যন' হ'ল সাহিত্যিকসকলক ভীতি প্ৰদৰ্শন কৰাৰ বাবে টোৱাই ৰখা ছুৰীৰ নিচিনা। অভিযুক্ত লোকৰ অপৰাধৰ প্ৰমাণ আবিষ্কাৰৰ বাবে যি অবোধ আৰু অসঙ্গত পদ্ধতি অৱলম্বন কৰা হৈছিল তাৰ দৃষ্টান্ত স্বৰূপে আমি এই ক্ষেত্ৰত দেখিবলৈ পাওঁ যে পেলিৰিয়াচক এই হেতুকেই নাস্তিক বুলি সাব্যস্ত কৰা হৈছিল যে তেওঁ এণ্টনিয়াচ (Antonius)ৰ সলনি নিজৰ নাম এঅ'নিয়াচ (Aonius) বুলি চহী কৰিবলৈ ভাল পাইছিল। তেওঁৰ অভিযোগকাৰীসকলে এই বুলি অভিযোগ কৰিছিল যে এণ্টনিয়াচ (Antonius) শব্দৰ 't' কাটি ক্ৰছ চিন দিব লাগে কাৰণেই তেওঁ নিজৰ সেই নাম নিলিখি তাক চমু কৰি লৈছে। এই ধৰণৰ অদ্ভুত যুক্তি দি মানুহক প্ৰাণদণ্ড দিয়া হৈছিল।"

কেতিয়াবা কেতিয়াবা ভাগ্যদেৱীয়েও অদ্ভুত ঘুণ্ট খেলা খেলিছিল, এছাটি বতাহে এজন কৱিৰ বাবে মৃত্যু দণ্ডৰ বাতৰি লৈ অহাৰপৰাই ইয়াৰ প্ৰমাণ পোৱা যাব :

"এদিনাখন শোৱনি কোঠা এৰি থৈ তেওঁ পঢ়া কুঠৰীৰ খিৰিকীখন মেলিলে ; এনেতে দুৰ্ভাগ্যবশতঃ এছাটি প্ৰবল বতাহে তেওঁৰ মেজত পৰি থকা হাতেলিখা পুথি এখনৰ কেইখিলামান পাত ৰাজ আলিলৈ উৰুৱাই লৈ গ'ল। এনেতে সেই আলিয়েদি যাওক এজন পুৰোহিত। পুৰোহিতজনে বতাহে কোবাই নিয়া পাত কেইখিলাত থকা এটানে দুটা কৱিতা পঢ়ি চালে আৰু সেই কৱিতা ধৰ্মবিৰোধী বুলি লক্ষ্য কৰি পেটিটৰ বিৰুদ্ধে কৰ্তৃপক্ষৰ ওচৰত অভিযোগ কৰিলে। তাৰ পিচত তেওঁৰ কোঠালিত তালাচী চলাই এনে ধৰণৰ ভালেমান ৰচনা পোৱা

গ'ল আৰু আমি আগেয়ে কৈ অহাৰ নিচিনাকৈ কৰিয়ে ফাঁচীকাঠত উঠি নিজৰ উদ্ধতালিৰ মূল্য শোধাবলগীয়া হ'ল।"

সেইদৰে জাৰ্মান মুদ্ৰক এজনৰ বিধৱা গৰাকীৰ কাহিনীও এই প্ৰসঙ্গতে উল্লেখযোগ্য ; এই বিধৱা গৰাকী আছিল গিৰিয়েকে তিৰোতাৰ ওপৰত চলোৱা আধিপত্যৰ ঘোৰ বিৰোধী। পত্নীৰ পৰাধীন অৱস্থাৰ কথা বৰ্ণাই বাইবেলত সন্নিবিষ্ট এফাকি বাক্যৰ সংশোধন কৰিবলৈ তেওঁৰ ঐকান্তিক ইচ্ছা হৈছিল। মূলপাঠ হ'ল—"তেওঁ তোমাৰ গৰাকী হব।" তেওঁ বাইবেলৰ জাৰ্মান সংস্কৰণত থকা হেৰ (Herr-গৰাকী) শব্দৰ সলনি ন্যৰ (Narr) শব্দ বহুৱাই দিলে আৰু এইদৰে এইফাকি বাক্যৰ অৰ্থ কৰিলে "তেওঁ তোমাৰ মূৰ্খ হব।" জনশ্ৰুতিমতে এনে অদ্ভুত পদ্ধতিৰে "তিৰোতাৰ অধিকাৰ" সাব্যস্ত কৰিবলৈ গৈ তেওঁ হেনো তাৰ শাস্তি হিচাপে প্ৰাণ দিবলগীয়া হৈছিল।"

শেহান্তৰত কেইজনমান এনে লেখকৰো নাম উল্লেখ কৰাটো উচিত হব যিসকলে মাজে সময়ে তেওঁলোকৰ দুৰ্ভাগ্যৰ অংশীদাৰ হবলগীয়া হোৱা প্ৰকাশকসকলৰ প্ৰতি পুতৌ অনুভৱ কৰিছিল :

"মহীজীৱীহঁতে মানুহৰ মৰ্মস্থলবপৰা ৰক্তস্ৰৱণ কৰিব, সিহঁতে এনে আবৰ্জনা ৰচনা কৰি উলিয়াব যে কোনো জীৱন্ত মানুহে সেইবোৰ নপঢ়ে, তথাপি সিহঁতে সেই সোপাকে প্ৰকাশ কৰিব, কিয়নো সিহঁতক লাগে নাম, খ্যাতি গতিকে লেখকসকলক বিখ্যাত কৰি দিবলৈ গৈ প্ৰকাশকহঁতে নাথাই মৰিব লাগিব।"

আধুনিক সমাজতো একতন্ত্ৰী সমাজ ব্যৱস্থাত গ্ৰন্থকাৰসকলে ইতিপূৰ্বে সন্মুখীন হৈ অহা বিপদবোৰ এতিয়াও অব্যাহত আছে, আন হাতে ইউৰোপৰ পছিমীয়া দেশবোৰত সাফল্যৰ সম্ভাৱনা থকা পদ্ধতি অনুসৰি পুথি ৰচনা নকৰি নিজৰ অকল মনৰ ভাব প্ৰকাশৰ বাবে পুথি ৰচনা কৰিলে অনবৰত দৰিদ্ৰতাৰ সন্মুখীন হোৱাৰ বিপদ চপাই লবলগীয়া হয়। সমাজে ব্যক্তিৰ ওপৰত কি পৰিমিতে সীমা আৰোপ কৰে সেইকথা লেখক আৰু পাঠক উভয়ে অনুভৱ কৰে আৰু সি

এটা গুৰুত্বপূৰ্ণ প্ৰভাৱবিশেষ, গতিকে এই বিপদৰ হাত সৰাৰ উপায় নাই যেন লাগে। সমাজৰ বিভিন্নতা দিনক দিনে বাঢ়ি যোৱাৰ ফলত হয়তো সৃজনধৰ্মী লেখকে অধিক স্বাভাৱিক ধৰণৰ স্থান লাভ কৰিব পাৰে; আনহাতে পাঠকৰ অধিক বাছনি কৰাৰ আৰু স্বাধীনতা লাভৰ সুযোগ ওলোৱাৰ ফলত গ্ৰন্থপাঠৰ অনুকূলে অধিক প্ৰেৰণা পোৱা যাব পাৰে ।

এই প্ৰসঙ্গতে এটা মনকৰিবলগীয়া কথা হ'ল এয়ে যে বিখ্যাত কাহিনীকাৰ আৰু সৃজনধৰ্মী চিন্তানায়কসকলৰ গ্ৰন্থৰাজিকে অধিক ভাগ লোকে পঢ়ে। গ্ৰন্থপাঠৰ আনুষঙ্গিক লক্ষ্যতকৈ গ্ৰন্থপাঠৰ বাবে, আৰু গ্ৰন্থ ৰচনাৰ ভৱিষ্যতৰ কাৰণে এইটো এটা শুভ লক্ষণ। আৰু এটা মন কৰিবলগীয়া কথা হ'ল—হেজাৰ বিজাৰ তল খাপৰ আৰু নিকৃষ্ট পুথি ৰচনাৰ পিচতহে প্ৰকৃততে সুমহান গ্ৰন্থ ৰচনাৰ অনুকূলে পৰিৱেশৰ সৃষ্টি হয়; গতিকে ইয়াৰ অৰ্থ হব এয়ে যে দিনক দিনে আমাৰ গ্ৰন্থ উৎপাদনৰ সংখ্যা বাঢ়ি গলেহে তাৰ মাজত কেইখনমান গ্ৰন্থ সঁচাকৈয়ে উৎকৃষ্ট ধৰণৰ হব। আন আন কলাৰ ক্ষেত্ৰতো দেখা যায় যে উৎপাদনৰ মাত্ৰা অতিপাত বৃদ্ধি পালেহে উৎকৃষ্ট ধৰণৰ কলা সামগ্ৰীৰ সৃষ্টি হয়। আধুনিক সমাজত অপেক্ষাকৃত অধিক ক্ষিপ্ৰতাৰে পঠন সামগ্ৰীৰ উৎপাদনৰ ফলত ইয়াৰ বাবে বাধা জন্মিব পাৰে, কিয়নো "ভাল" গ্ৰন্থ প্ৰকৃততে ভাল বুলি মানুহে বাছি উলিয়াৰ আগতে তাৰ অস্তিত্ব লোপ পাব পাৰে। গ্ৰন্থ উৎপাদনৰ বাবে বৰ বেছি ব্যয় কৰিবলগীয়া হোৱা হেতুকেও সৃজনধৰ্মী ৰচনাতকৈ গতানুগতিক ৰচনাৰ বাবে অনুকূল পৰিবেশ সৃষ্টি হয়, কিন্তু চৰকাৰ বা আন আন নিধিৰপৰা ধনৰ মঞ্জুৰী আদি পালে এনে প্ৰৱণতাত বাধা দিব পৰা যায়। তদুপৰি এই প্ৰসঙ্গতে অংশ-কালীন চাকৰি আদিৰ কথাও উল্লেখ কৰিব পৰা যায়, এনে এটা চাকৰিৰ যোগেদি সৃজনী প্ৰতিভাসম্পন্ন ব্যক্তিয়ে নিজৰ প্ৰতিভা ক্ষুণ্ণ নকৰাকৈ জীৱিকা অৰ্জন কৰে আৰু এইদৰে তেওঁৰ সৃজনী প্ৰতিভা অক্ষুণ্ণ হৈ থাকে আৰু তেওঁ জীৱিকাৰ বাবে আপোচ কৰি লবলগীয়া

নহয়। সমসাময়িক পছিমীয়া সমাজৰ নিচিনা চহকী সমাজে নিঃসন্দেহে বৰ্তমানৰ তুলনাত আৰু যথেষ্ট পৰিমাণে এনে সুবিধা কৰি দিব পাৰে। এনে ব্যৱস্থাৰ এটা ডাঙৰ সুবিধা হ'ল এয়ে যে যিসকল লোকৰ বাবে আৰ্থিক লাভৰ প্ৰশ্ন গৌণ ধৰণৰ তেনে লোকেহে এই ব্যৱস্থাৰ সুযোগ লবলৈ চেষ্টা কৰিব। তেওঁলোকেও খাই জীৱন ধাৰণ কৰিব লগীয়া হয়।

লেখক আৰু পাঠকৰ মাজত হোৱা পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ফলত এনে অৱস্থাৰ উদ্ভৱ হব বুলি ধাৰণা কৰাটো যুক্তিসঙ্গত হব। আটাইতকৈ অধিক পঠিত গ্ৰন্থৰ পৰিসংখ্যাৰপৰা দেখা যায় যে আধুনিক পাঠকে প্ৰধানকৈ আবেগিক সন্তুষ্টিৰ বাবে গ্ৰন্থ পঢ়ে আৰু সাধাৰণ দাৰ্শনিক আৰু সামাজিক তথা আৰ্থিক নীতি সম্পৰ্কীয় আলোচনাও ভাল পায়। এইবোৰ কৌতূহল চৰিতাৰ্থ কৰিব পাৰে স্বাধীন লেখকে আৰু তেওঁৰ ৰচনাতহে এনেবোৰ সামগ্ৰীৰ সমাৱেশ কৰিব পৰা যায়।

এই প্ৰয়োজনৰ মূল উৎস বৰং স্পষ্টভাৱে লক্ষ্য কৰা যায়ঃ আধুনিক সমাজে প্ৰায় প্ৰতিজন ব্যক্তিৰ কান্ধতে যুক্তিৰ দায়িত্ব জাপি দিয়ে, ফলত ব্যক্তিয়ে নিজৰ আবেগিক আৰু দাৰ্শনিক প্ৰয়োজন পূৰণ কৰি সন্তোষ লাভৰ বাবে চেষ্টা কৰিবলগীয়া হয়। অকল গ্ৰন্থপাঠেই এই প্ৰয়োজন পূৰণৰ একমাত্ৰ উপায় নহয়। "আহল বহল সমাজৰ" ত্ৰুটি-বিচ্যুতিবোৰ পৰিয়াল, বন্ধুবৰ্গ, ধৰ্মস্থান, আনকি "গুপ্ত দলেও" পূৰণ কৰিবলৈ চেষ্টা কৰে, কিন্তু ইয়াৰ বাবে গ্ৰন্থপাঠ অতিশয় গুৰুত্বপূৰ্ণ কিয়নো ইয়াৰ যোগেদি আবেগে প্ৰেৰণা লাভ কৰে। একোজন লেখকে কেতিয়াবা কেতিয়াবা একোখন পুথি ৰচনা কৰিবলৈ গৈ নিজৰ জীৱন, স্বাস্থ্য বা সা-সম্পত্তি ত্যাগ কৰে আৰু পাঠকেও নিজৰ বাবে অতিশয় গুৰুত্বপূৰ্ণ বুলি অনুভৱ কৰা আদৰ্শৰ বিবৰণ সম্বলিত ৰচনা সংগ্ৰহৰ বাবে অনুৰূপ কষ্ট বৰণ কৰিবলৈ প্ৰস্তুত থাকে। আগতে উল্লেখ কৰি অহা কাৰণৰ বাবেই বোধহয় আংশিকভাৱে এনে অৱস্থা হবলৈ পায়।

সমাজত কি ধৰণৰ পৰিৱৰ্তন হবলৈ লৈছে সি প্ৰতিফলিত হয় গ্ৰন্থপাঠৰ যোগেদি :

"দ্বিতীয় উল্লেখযোগ্য কথা হ'ল সময়ে সময়ে আমেৰিকাবাসী ৰাইজৰ পৰিৱৰ্তনশীল প্ৰয়োজন, আদৰ্শ আৰু আকাঙ্ক্ষাৰ লগত সঙ্গতিপূৰ্ণভাৱে গ্ৰন্থপাঠো বিভিন্ন ধৰণৰ হৈ আহিছে। ঔপনিৱেশিকতাৰ দিনৰপৰা এতিয়ালৈকে এই ক্ষেত্ৰত হোৱা ক্ৰম বিৱৰ্তনৰ কেইটামান দৃষ্টান্ত দাঙি ধৰিলেই এই কথাৰ প্ৰমাণ পোৱা যাব। বিপ্লৱৰ সময় ছোৱাত প্ৰকাশিত অধিক ভাগ কিতাপ-পত্ৰৰে মূল অভিপ্ৰায় আছিল মূল ভূখণ্ড অৰ্থাৎ গ্ৰেটবৃটেইনৰপৰা মাৰ্কিন যুক্তৰাষ্ট্ৰ কিয় আছুতীয়া হবলগীয়া হ'ল তাৰ কাৰণ ব্যাখ্যা কৰা আৰু নতুন ৰাষ্ট্ৰখনৰ প্ৰতি মানুহৰ আনুগত্য বিকশাই তোলা।

১৮২৫ চনৰপৰা ১৮৭৫ চনলৈ দেশৰ বিয়পি যোৱা সীমা, আমাৰ ক্ৰমবৰ্ধমান ৰাষ্ট্ৰৰ সমুখত দেখা দিয়া মুখ্য সমস্যাৱলী আৰু ভাল নাগৰিকৰ কৰ্তব্য আৰু দায়িত্ব ভালদৰে উপলব্ধি কৰাৰ বাবে প্ৰয়োজনীয় তথ্যাদি সম্বলিত পুথিকে তৰুণ আৰু বয়সিয়াল লোকসকলে অধিক ব্যাপকভাৱে পাঠ কৰিছিল। এই শতিকাৰ শেহৰ ফালে পুথিভঁৰাল আৰু সৰ্ববাদী সন্মত সাহিত্যিক মূল্যসম্পন্ন পঠন সামগ্ৰীৰ বৃদ্ধিৰ যোগেদি আমাৰ দেশৰ সাংস্কৃতিক মান উন্নীত কৰাৰ বাবে মানুহৰ মাজত গভীৰ আগ্ৰহ দেখা দিয়ে। ১৯০০ চনৰপৰা ১৯২৫ চনৰ ভিতৰত বালকসকলৰ মাজতে আচৰিত ক্ষিপ্ৰতাৰে গ্ৰন্থপাঠৰ মাত্ৰা বৃদ্ধি পায়। দেশ আৰু বিদেশত সেই সময়ত উদ্ভৱ হোৱা পৰিস্থিতিৰ বাবে অধিক মাত্ৰাত কাৰ্যকৰী বিষয়ৰ গ্ৰন্থহে পাঠ কৰা দেখিবলৈ পোৱা যায়।

১৯২৫ চনৰ পিচৰ সময়ছোৱা আমাৰ বুৰঞ্জীৰ ভিতৰতে বৰ জটিল সময় হিচাপে দেখা দি আহিছে। অপেক্ষাকৃত কম সময়ৰ ভিতৰত আমি এনে কেতবোৰ আৰ্থিক, সামাজিক আৰু ৰাজনৈতিক সংকটৰ সন্মুখীন হবলগীয়া হয় যাৰ ফলত আমি কেতবোৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন কৰিবলগীয়া হয় আৰু কঠোৰ ব্যৱস্থা গ্ৰহণ

কৰিব লগাত পৰে। এই সমস্যাবোৰ উপলব্ধি কৰাৰ বাবে আৰু সেইবোৰৰ সন্মুখীন হোৱাৰ বাবে পাঠকসকলে কঠোৰ শ্ৰম কৰিবলগীয়া হয়।

উদাহৰণ স্বৰূপে ১৯২৯ চনৰ মন্দাৰ ফলত অধিক ভাগ লোকৰে আৰ্থিক নিৰাপত্তা বিপন্ন হৈ পৰে। ফলত নিজৰ বৃত্তিগত যোগ্যতা বৃদ্ধিৰ বাবে বা নতুন ধৰণৰ দায়িত্ব গ্ৰহণৰ কাৰণে নিজকে অৰ্হতাসম্পন্ন কৰি তোলাৰ বাবে তৰুণ আৰু বয়সিয়াল লোকসকলে ব্যাপকভাৱে গ্ৰন্থপাঠ কৰিবলৈ লয়। ১৯৩৫ চনৰপৰা আমেৰিকাৰ ৰাইজৰ মনত ৰাষ্ট্ৰীয় আদৰ্শই থিতাপি লবলৈ আৰম্ভ কৰে, আৰু যোৱা দ্বিতীয় মহাসমৰৰ পিচত আন্তৰ্জাতিক সম্পৰ্কৰ প্ৰশ্ন গুৰুত্বপূৰ্ণ হৈ দেখা দিয়ে। আজি কিছুদিনৰপৰা মানসিক সংঘৰ্ষৰ ভাব বৃদ্ধি পোৱা হেতুকে মনোবিকলন, মনস্তত্ত্ব আৰু সাংস্কৃতিক নৃতত্ত্বৰ ক্ষেত্ৰত মানুহৰ আগ্ৰহ যথেষ্ট বৃদ্ধি পোৱা দেখিবলৈ পোৱা গৈছে।”

ইয়াত আমেৰিকাৰ সমাজত সামাজিক পৰিৱৰ্তন আৰু পাঠকৰ মাজত থকা পাৰস্পৰিক সম্পৰ্ক সম্বন্ধে তুলনামূলকভাৱে যি চমু আভাস দিয়া হ’ল, আন সমাজৰো তেনে আভাস দিব পৰা যায়। এই সম্পৰ্ক দুতৰপীয়া : যি ক্ষেত্ৰত সামাজিক পৰিৱৰ্তন আটাইতকৈ অধিক মাত্ৰাত সাধিত হয়, গ্ৰন্থ ৰচনাত তাৰ অভিব্যক্তি হয় আৰু আনহাতে একালে সংশ্লিষ্ট সমাজৰ সংঘাতৰ মাত্ৰা আৰু আনফালে গ্ৰন্থপাঠ আৰু ৰচনাৰ মাজতো পাৰস্পৰিক সম্পৰ্ক থকাটো দেখিবলৈ পোৱা যায়। সংঘাতৰ মাত্ৰা অতিপাত বৃদ্ধি পালে পৰিপূৰক, পৰিত্ৰাণ আৰু প্ৰতিকাৰমূলক গ্ৰন্থপাঠৰ মাত্ৰাও বৃদ্ধি পায়। এইদৰে পৰিৱৰ্তনৰ স্বৰূপ আৰু পৰিৱৰ্তনৰ মাত্ৰাৰ মাজত এটা সক্ৰিয় ধৰণৰ পাৰস্পৰিক সম্পৰ্ক থকা যেন অনুমান হয়।

ব্যক্তিত্বৰ বিকাশত গ্ৰন্থপাঠৰ প্ৰভাৱৰ ক্ষেত্ৰতো এই কথা লক্ষ্য কৰিবলগীয়া। আটাইতকৈ অধিক পৰিৱৰ্তন ঘটা ক্ষেত্ৰই প্ৰত্যক্ষ বা পৰোক্ষভাৱে ব্যক্তিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। এই পৰিৱৰ্তনবোৰ সুস্পষ্ট হৈ দেখা দিলে আৰু জ্ঞানৰ দীপ-চকুৰে লক্ষ্য কৰিলে

এইবোৰৰ সম্বন্ধে তথ্যাদি সংগ্ৰহৰ বাবে ব্যক্তিৰ আগ্ৰহৰ মাত্ৰা হ্ৰাস পায়। অজ্ঞাত বিপদৰ তুলনাত পৰিচিত বিপদ কম ভীতিপ্ৰদ ; অৱশ্যে অন্ততঃ সাময়িকভাৱে হলেও কেতবোৰ লোকৰ বাবে ঘিকোনো সামাজিক পৰিৱৰ্তন যথাৰ্থ নহৈ নোৱাৰে।

তদুপৰি আমি এই কথাও লক্ষ্য কৰিব পাৰোঁহঁক যে যিবোৰ বিষয়ত সামাজিক পৰিৱৰ্তন ঘটে তেনে বিষয়ৰ "সমৰ্থনকাৰী" আৰু সমালোচনামূলক ৰচনা একেলগে চলি থাকে। যদিহে এখন সমাজৰ লোকে ধৰ্ম বিষয়ত আটাইতকৈ বেছি আগ্ৰহ প্ৰকাশ কৰে তেন্তে তেনে সমাজৰ অধিক ভাগ ৰচনাত সেই মুখ্য সাংস্কৃতিক পদ্ধতি সমৰ্থন কৰা হব, নহলে অন্ততঃ সেই বিষয়ে গঠনমূলক দৃষ্টিভঙ্গীৰে আলোচনা কৰা হব, কিন্তু লগতে আকৌ কিছুমাত্ৰাত নাস্তিক মত সমৰ্থন কৰিও গ্ৰন্থ ৰচনা কৰা হব। যদিহে পৰিৱৰ্তন মুখ্যতঃ অৰ্থনৈতিক ধৰণৰ হয় তেন্তে সমাজৰ তেনে প্ৰধান সাংস্কৃতিক পদ্ধতি অস্বীকাৰ কৰি ধৰ্মীয় বা দাৰ্শনিক গ্ৰন্থ ৰচিত হব বুলি আমি খাটাংভাৱে ধৰি লব পাৰোঁ। আন কথাত কবলৈ গ'লে পৰিৱৰ্তনৰ ক্ষেত্ৰই মানুহৰ মন সেইপিনলৈ বৰ বেছি ৰকমে আকৃষ্ট কৰে আৰু ফলত তাৰ প্ৰতিক্ৰিয়াও দেখা দিয়ে। বোধহয় মানুহৰ আটাইতকৈ দূৰদৃষ্টিৰ অভাৱ সম্বন্ধে এই কথাৰ দ্বাৰাই প্ৰমাণ পোৱা যায়ঃ এইদৰে মন আকৰ্ষিত হোৱাত বাধা দি আনফালে ঢাল খুৰাই দিয়াটো সমাজৰ বাবে আটাইতকৈ প্ৰয়োজনীয় কথা, কিন্তু যিসকলে তাকে কৰিবলৈ যায় সেইসকলক প্ৰায়ে শাস্তি দিয়া হয়। বাস্তৱতে ই এটা গুৰুত্বপূৰ্ণ সামাজিক কাম নোহোৱাহেতেন এনে কাৰ্যতৎপৰতাৰ উদ্ভৱেই নহ'ল-হেতেন। কিয়নো স্বাভাৱিক সুস্থ মস্তিষ্কৰ লোক এজন কেতিয়াও এনে কাৰ্য-কলাপত লিপ্ত হবলৈ নগ'লহেঁতেন যাৰ ফলত তেওঁৰ মূৰ কটা যাব পাৰে।

নিজৰ সমাজৰ আতিশয্যৰ বিৰুদ্ধে যিসকল ব্যক্তিৰ অন্তৰত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় তেনে লোকৰ বাবে এনে কাৰ্যতৎপৰতা বাধ্যতামূলক ধৰণৰ, কিন্তু এনে কাৰ্যকলাপ "স্বেচ্ছা প্ৰণোদিত" বুলি ধৰি লোৱাটো যুক্তিসঙ্গত নহব।

এনে সৰ্বপ্ৰধান সাংস্কৃতিক পদ্ধতিৰ হাত সাৰিবলৈ লোৱা কূট কৌশলবোৰ কেতিয়াবা কেতিয়াবা অদ্ভুত ধৰণৰ হোৱাও দেখিবলৈ পোৱা যায়। ১৫৮৫ চনত ইটালীৰ লুচিলিত ভেনিনীৰ জন্ম হয়; তেওঁ নাস্তিকতাবাদৰ বিৰুদ্ধে প্ৰচাৰ কাৰ্য চলোৱাৰ ভাও জুৰি কিদৰে আচলতে নাস্তিক মতবাদকে প্ৰচাৰ কৰিছিল, পি, এইচ, ডিট্ৰচলিফিল্ডে তাৰ বৰ্ণনা দিছে ঃ

"এই গ্ৰন্থতো ("দি এড্‌মিৰাণ্ডিচ নেচুৰে ৰেজিনে ডেয়েক মৰ্টালিয়াম আৰ্কানিচ," পেৰিচ, ১৬১৬) তেওঁ আগৰ বুদ্ধিকে অনুসৰণ কৰে অৰ্থাৎ ধৰ্মৰ বিৰুদ্ধে দিয়া যুক্তিবোৰ খণ্ডন কৰাৰ মিছা ভাও ধৰে, কিন্তু গোপনে হলে তেওঁ ধৰ্মৰ বিৰোধী যুক্তিবোৰকে প্ৰতিপন্ন কৰিবলৈ বিচাৰে। তেওঁ কয় যে য'তে নাস্তিকক লগ পোৱা যায় ত'তে তেনে লোকৰ বিৰুদ্ধে সংগ্ৰাম চলোৱাৰ বাবে তেওঁ ইউৰোপৰ বিভিন্ন ঠাইত ঘূৰি ফুৰে। তেওঁ নাস্তিকসকলৰ লগত হোৱা তৰ্কবাদৰ একোটা বিৱৰণ দি যায় আৰু নাস্তিকসকলে দিয়া যুক্তিবোৰ অতিশয় যত্নেৰে লিপিবদ্ধ কৰি যায়; শেহান্তৰত প্ৰতিটো তৰ্কবাদৰ বিৱৰণ দিয়াৰ পিচত তেওঁ কয় যে তেওঁ নাস্তিকসকলক মাতিব নোৱাৰা কৰি দিয়ে, কিন্তু কি যুক্তিৰ দ্বাৰানো এনে কৰিলে সেই কথা বিনম্ৰভাৱে তেওঁ হলে উল্লেখকে নকৰে। আৰু এইদৰে বাস্তৱতে যত্ন সহকাৰে জুকিয়াই দেখুৱা নাস্তিক মতবাদৰ একো সমিধানকে দিয়া নহয়। নাস্তিকতাবাদ প্ৰচাৰৰ এই কূট-কৌশল ইনকুইজিশ্যন বা ধৰ্মআদালতৰ মনঃপুত নহ'ল, আদালতে তেওঁক ফাটেকত বন্দী কৰি ৰাখিবলৈ নিৰ্দেশ দিয়ে আৰু পিচত তেওঁক জীয়াই জীয়াই পুৰি পেলাবলৈ নিৰ্দেশ দিয়া হয়।"

আমাৰ যুগতো একনায়কত্ববাদী আমোলত এইদৰে প্ৰচলিত মতবাদৰ দেখাত প্ৰশংসা কৰি আচলতে নিন্দা কৰাৰ কৌশল অৱলম্বন কৰা হৈ আহিছে। ইয়াৰ দ্বাৰা এই কথাৰে প্ৰমাণ পোৱা যায় যে হেঁচা দিলে তাৰ প্ৰতিক্ৰিয়া হিচাপে ওলোটা হেঁচাৰ সৃষ্টি হয়, গতিকে অতি বেছি হেঁচা দিবলৈ যোৱাটো বিজ্ঞোচিত ব্যৱস্থা প্ৰতিপন্ন হোৱা সম্বন্ধে যথেষ্ট সন্দেহ হয়; কিন্তু প্ৰায়ে এনে হেঁচা দিয়াৰ দৃষ্টান্ত বুৰঞ্জীত পাবলৈ

আছে। সামাজিক বিকাশৰ বিভিন্ন স্তৰ সম্বন্ধে লেখ লোৱাটোও এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ কথা, কিয়নো সংস্কৃতিৰ পৰিপক্ক স্তৰৰ তুলনাত আদি অৱস্থাত প্ৰভাৱ বিস্তাৰৰ মাত্ৰা অধিক দেখিবলৈ পোৱা যায়।

আধুনিক জনসমাজ প্ৰত্যক্ষ হেঁচাতকৈ অধিক মাত্ৰাত দিহা পৰামৰ্শৰ ইঙ্গিতেৰে নিয়ন্ত্ৰিত হয়। এই পদ্ধতিৰ দ্বাৰা ব্যক্তিক এনে সম্পূৰ্ণভাৱে ব্যস্ত কৰি ৰখা হয় যে তাৰ ফলত সমাজৰ গঠন-বিন্যাস থানবান কৰি দিয়াত প্ৰয়োগ কৰিব পৰাকৈ যথেষ্ট "অনিয়ন্ত্ৰিত সামাজিক শক্তি" থুপ খাব নোৱাৰে। "শক্তি সংগ্ৰহৰ লগে লগে তাৰ ব্যৱহাৰ কৰি শেষ কৰা" এনে এটা অৱস্থাৰ ফলত গ্ৰন্থপাঠৰ প্ৰতি আগ্ৰহ সৃষ্টি হোৱাটো নিৰ্ভৰ কৰে অনবৰত অভিনৱ পদ্ধতিৰ যোগেদি আকৰ্ষণ কৰিব পৰা ক্ষমতাৰ ওপৰত। অবিৰাম অভিনৱত্বৰ উদ্ভাৱনৰ অভিব্যঞ্জনা শক্তি নাইকিয়া হৈ গলে প্ৰায়ে ব্যক্তিৰ অন্তৰত এটা অকলশৰীয়া আৰু হতাশাৰ ভাব দেখা দিয়ে। এই হতাশাপূৰ্ণ সময়খিনি অতিক্ৰম কৰিবলৈ অধিক চিন্তাগধুৰ গ্ৰন্থপাঠৰ বাবে প্ৰেৰণাৰ সৃষ্টি হব পাৰে, কিন্তু ইয়াৰ ফলত এটা "উদাসীন" মনোভাৱো দেখা দিব পাৰে আৰু আধুনিক সমাজত এইটো হ'ল আন এটা ডাঙৰ বিপদৰ কথা। অভিনৱত্বৰ অতিপাত আধিক্য হলে তাৰ প্ৰতি ব্যক্তিৰ সঁহাৰিৰ মাত্ৰা তেনেই কমি যায় আৰু "অধিকন্তু ন দোষায়, বৰং ভালহে" মতবাদৰ যে প্ৰায়ে বিৰোধিতা কৰা নহয় আৰু কৰিলেও অধিক কাৰ্যকৰীভাৱে কৰা নহয় সেই কথা বিশেষভাৱে লক্ষ্য কৰিবলগীয়া।

গ্ৰন্থপাঠৰ ফালৰপৰা বিবেচনা কৰি চাবলৈ গ'লে "বেছি পৰিমানে পুথি পঢ়াৰ" সপক্ষে কবলগীয়া বাস্তৱতে বিশেষ একো নাই। এনেদৰে অতি বেছি গ্ৰন্থপাঠৰ ফলত নানা বিষয়ে ওপৰে ওপৰে কিছু কথা জনা যাব পাৰে বা মৌখিক জ্ঞান বৃদ্ধি পাব পাৰে কিন্তু এনেবিধ জ্ঞানৰ গুৰুত্ব দিনক দিনে হ্ৰাস পাই গৈছে; এনে দৃষ্টান্তই সম্ৰাটৰ সাজপাৰ সম্বন্ধে থকা এণ্ডাৰচনৰ সাধুকথাৰ কথা মনত পেলাই দিয়ে। ব্যক্তিৰ মনত সোমাই নপৰা ধৰণৰ তেনেই মৌখিক জ্ঞান নহলে বাস্তৱ তথ্যাদি সম্বন্ধে যথেষ্ট জ্ঞান থাকিলে সি বৰ উপযোগী সাব্যস্ত হব পাৰে।

আনুষঙ্গিক গ্ৰন্থপাঠে ব্যক্তিত্বৰ গঠন-বিন্যাসৰ ওপৰত প্ৰভাৱ বিস্তাৰ নকৰে, কিন্তু আনুষঙ্গিক গ্ৰন্থপাঠৰ অভিপ্ৰায়ে হলে কৰে। কিন্তু যি ধৰণৰ গ্ৰন্থপাঠ ব্যক্তিত্ব বিকাশৰ বাবে গুৰুত্বপূৰ্ণ সি হ'ল অকল গ্ৰন্থপাঠৰ উদ্দেশ্যেৰে গ্ৰন্থপাঠ কৰা আৰু এনে লোকক "আপুনি কিয় পুথি পঢ়ে" বুলি প্ৰশ্ন কৰিলে তাৰ একমাত্ৰ গঠনমূলক সমিধান হব "কাৰণ মই ইয়াকে কৰিবলৈ ভাল পাওঁ।" ইয়াৰ মৰ্ম হ'ল এয়ে যে আন প্ৰয়োজন পূৰণতকৈ সহজাত আৱশ্যকতা পূৰণৰ বাবেই গ্ৰন্থপাঠ কৰাটো গুৰুত্বপূৰ্ণ কথা। তদুপৰি ই এটা সহজাত প্ৰয়োজন, কিয়নো মানুহৰ এটা মৌলিক আৱশ্যকতা হ'ল যোগাযোগ স্থাপন। প্ৰয়োজনীয়তাৰ উপৰিও মনৰ খোৰাকিৰ ফালৰপৰাও ই গুৰুত্বপূৰ্ণ, কিয়নো ইয়াৰ দ্বাৰা বুদ্ধি আৰু উন্নত হব পৰা পৰিস্থিতিৰ বাবে কল্পনা শক্তি প্ৰশিক্ষিত হয়।

এইদৰে সমাজে যি মাত্ৰাত সঙ্গতিপূৰ্ণভাৱে স্বতন্ত্ৰতাৰ ব্যৱস্থা কৰিব পাৰে তিমানেই এনে সমাজত গ্ৰন্থ ৰচনা আৰু পাঠৰ বাবে অধিক উৎসাহৰ সৃষ্টি হব আৰু ইয়াৰ ফলত সমাজৰ লোকৰ মননশীলতা আৰু অনুধাৱন শক্তি বৃদ্ধি পাব। অৱশ্যে সকলো প্ৰকাৰৰ কাৰ্যতৎপৰতাৰে এটা পৰ্যায়ত কিছুদূৰ বল প্ৰয়োগৰ প্ৰয়োজন হয় আৰু অলপ কষ্ট কৰি আয়ত্ত কৰাৰ পিচতহে গ্ৰন্থপাঠ আনন্দদায়ক হয়। শিক্ষাৰ প্ৰক্ৰিয়াত সফল গ্ৰন্থপাঠৰ বাবে প্ৰয়োজন হয় বিশেষকৈ ভাষা সম্বন্ধে সম্যক জ্ঞান আৰু প্ৰশিক্ষণ। পাঠকে বিষয়বস্তুতকৈ প্ৰকাশভঙ্গীৰ বাবে গ্ৰন্থপাঠ কৰাৰ পৰ্যায়ত উপনীত নোহোৱালৈকে ভাল ৰচনাৰ মৰ্ম উপলব্ধি কৰিব নোৱাৰে।

এইফালৰপৰা আমাৰ তথ্যমূলক ৰচনাৰ প্ৰতি থকা আগ্ৰহ ভাল ৰচনাৰ বাবে অনিষ্টকৰ হয়, অৱশ্যে সামাজিক দলৰ পৰিধি বিস্তাৰৰ যুগত তথ্যাদি সংগ্ৰহ কৰাটো প্ৰয়োজনীয় হব পাৰে। যিসকলৰ "বিশেষজ্ঞৰ জ্ঞান" থাকে তেনেলোকক আমি প্ৰশংসা কৰাৰপৰাই এই প্ৰয়োজন উপলব্ধিৰ প্ৰমাণ পোৱা যায়, লগতে কিন্তু এইদৰেও যুক্তি দেখুৱাব পৰা যায় যে অকল যুক্তিপূৰ্ণ আধাৰত বৰ কম সংখ্যক সিদ্ধান্তহে গ্ৰহণ কৰা হয়।

তথাপি দ্ৰুত পৰিৱৰ্তন আৰু যোগাযোগৰ মাত্ৰা বৃদ্ধি পাই যোৱা সত্বেও আমাৰ সমাজৰ অকল লিখাৰ উদ্দেশ্যেৰে লিখাটো নাইকয়া হোৱা নাই আৰু আমাৰ আটাইতকৈ সাহিত্যিক সৃষ্টিবোৰ এই শ্ৰেণীত পৰে, অন্ততঃ সেইবোৰ সমাজত—য'ত পাঠকৰ ওপৰত অত্যধিক হেঁচা দিয়া নহয়।

এই কথা ভাবিলেই মনলৈ স্বস্তিৰ ভাব আহে যে আটাইতকৈ সামাজিক কাৰ্যাৱলী হ'ল সেইবোৰ যি ব্যক্তিৰ আগ্ৰহত অতিশয় সুদৃঢ় আৰু প্ৰত্যক্ষভাৱে জড়িত। ইয়াৰ ফলত আমাৰ সমাজে শিলৰ নিচিনা সুদৃঢ় গুণ অধিকাৰ কৰি লৈছে আৰু সামাজিক ক্ষমতাৰ পৰিৱৰ্তনশীল ৰূপৰ দ্বাৰা ইয়াৰ মূলোচ্ছেদ কৰিব নোৱাৰি। পৰিৱৰ্তনশীল ৰূপবোৰৰ দ্বাৰা এই আগ্ৰহবোৰ প্ৰতিবিম্বিত হয়, এইবোৰৰ ওপৰত হলে নিষ্কণ্টক প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰো। কিন্তু এই আগ্ৰহ আৰু ৰুচিবোৰৰ সম্বন্ধে আমি অতিশয় যত্ন সহকাৰে পৰ্যালোচনা কৰি চোৱা উচিত আৰু যাতে আমি এনে ধাৰণা কৰি লবলগীয়া নহয় যে অনবৰত "যত পায়, তত খায়" এই সাংস্কৃতিক পদ্ধতিহে প্ৰকৃততে ব্যক্তিৰ আগ্ৰহৰ লগত খাপ খায়। আমাৰ প্ৰয়োজন-সূচীৰ আধাৰত শক্তিক্ষয়ৰ মাত্ৰা সাৰ্থক হব লাগিব, আৰু এই আন্তঃসম্পৰ্ক গঠন-বিন্যাসৰ পৰিধি অতিক্ৰম কৰি বিস্তৃত কৰিবলৈ গলে তাৰ প্ৰতিক্ৰিয়া দেখা দিয়াৰ সম্ভাৱনা থাকিব।

গ্ৰন্থপাঠৰ ফালৰপৰা চাবলৈ গ'লে ইয়াৰ অৰ্থ হব এয়ে যে কোনো এখন পুথি বা কিবা এটা প্ৰবন্ধ পঢ়ি উঠাৰ পিচত ব্যক্তিৰ মনত এনে এটা উপলব্ধি হব লাগিব যে তেওঁৰ এটা প্ৰয়োজন পূৰণ কৰা হ'ল। এনে এটা অনুভূতি নহলে পঢ়াতকৈ নপঢ়াকৈ থকাই ভাল। তদুপৰি যিসকলে গ্ৰন্থপাঠৰ ওপৰত বিশেষ গুৰুত্ব দিয়ে তেওঁলোকৰ বাবে কিছুসময় গ্ৰন্থপাঠৰপৰা বিৰত থকাৰ ব্যৱস্থা দিয়াটোও উচিত হব। অনুধাৱন শক্তি বঢ়াবলৈ আৰু যি পাঠ কৰা হ'ল তাৰ প্ৰভাৱ অনুভৱ কৰি চোৱাৰ বাবে মাজে মাজে এনে ব্যৱস্থা কৰাটো প্ৰয়োজনীয়। যদিহে গ্ৰন্থপাঠৰ পিচত মনত একো নাথাকে

তেন্তে তেনে গ্ৰন্থপাঠ সম্পূৰ্ণ পৰিপূৰক আৰু অৱসৰ বিনোদনমূলক আৰু ইয়াৰ দ্বাৰা ব্যক্তিত্বৰ বিকাশত সহায় নহয়। নিৰ্বিচাৰে যদি কোনো পুথি পঢ়াৰ মনোভাৱ অৱলম্বন কৰিলে এনে অৱস্থা হোৱাৰ সম্পূৰ্ণ সম্ভাৱনা থাকে, আৰু যি ব্যক্তিয়ে ভালদৰে বাছি লৈ নিজৰ ৰুচি অনুসৰি পুথি পঢ়ে তেওঁৰ ক্ষেত্ৰত এনে হোৱাৰ সম্ভাৱনা নাথাকে। এই বাছনিতে তেওঁৰ ব্যক্তিত্বৰ প্ৰয়োজন প্ৰতিফলিত হয়। সেইবুলি ইয়াৰ অৰ্থ এয়ে নহয় যে সাধাৰণ বৌদ্ধিক কৌতূহলৰ একো মূল্য নাই, কিন্তু বাধ্যতামূলক অনুভূতিৰ বশৱৰ্তী হৈ যিহকে তিহকে পঢ়াৰ ওপৰত একো গুৰুত্ব আৰোপ কৰিব নোৱাৰি। এনে ক্ষেত্ৰত বৌদ্ধিক কৌতূহলতকৈ স্নায়বিক সংঘাতৰহে চিনাকি পোৱা যায়।

সৃজনধৰ্মী সাহিত্য আৰু সাধাৰণভাৱে সৃজনধৰ্মী কলাৰ আকৰ্ষণীয় কালটো হ'ল এয়ে যে এতিয়া সহজাত মেধাৱী লোকসকলৰ বাবে বাস্তৱপক্ষত একমাত্ৰ এই শ্ৰেণীৰ সাহিত্য আৰু কলাৰ অনুশীলন কৰাটোহে সম্ভৱপৰ। আধুনিক সমাজৰ উচ্চস্তৰৰ মেধাৱী লোকসকল বৰ বেছি মাত্ৰাত সংঘবদ্ধ হৈ পৰিছে। ব্যৱসায়ী সংঘ, ৰাজনৈতিক নিয়ন্ত্ৰণকাৰী দল আৰু সামৰিক নেতা স্বৰূপে তেওঁলোকৰ কাৰ্য তৎপৰতা সুনিয়ন্ত্ৰিত হৈ গৈছে আৰু আজিৰ দিনত প্ৰধানকৈ এই লোক আৰু সংস্থাবোৰেই শিক্ষা, ধৰ্ম, বিজ্ঞান আদিৰ নিয়ন্ত্ৰণ আৰু সংগঠন কৰে।

সৃজনধৰ্মী লেখক আৰু তেওঁৰ শ্ৰোতাৰ মাজত থকা সম্পৰ্কৰ ক্ষেত্ৰত এতিয়াও এই ধৰণৰ সংগঠনৰ মাত্ৰা নিচেই কম হৈয়ে আছে। স্বাধীন প্ৰেৰণাৰে উদ্বুদ্ধ লোকসকল একমাত্ৰ এই ক্ষেত্ৰলৈকে পলাই আহিবলগীয়া হয়; আৰু সাধাৰণ বাইজে তেওঁলোকে অতিশয় গুৰুত্বপূৰ্ণ বুলি ধাৰণা কৰা সমালোচনা আৰু সমীক্ষা এই স্বাধীন চিন্তা নায়কসকলেই কৰি দিব বুলি আশাৰে চাই থাকে। এনে ধৰণৰ ভালেমান ৰচনা খুটি-নাটিৰ ফালৰপৰা সমাজতত্ত্ব, মনস্তত্ত্ব, মনোসমীক্ষণ বা নৃতত্ত্বৰ শ্ৰেণীত পৰিব পাৰে, তাৰ অৰ্থ হ'ল এয়ে যে আধুনিক সমালোচকসকলে সাংগঠনিক ক্ষেত্ৰৰ কোনো বিন্দুৰপৰা

প্ৰায়ে নিজৰ কাম আৰম্ভ কৰিবলগীয়াত পৰে, সেইবুলি তেওঁৰ ৰচনা গৃহীত যিকোনো শ্ৰেণীৰ "বিজ্ঞান" ৰূপে উপস্থাপিত কৰা বুলি গণ্য কৰিব নোৱাৰি। বৰং সেইবোৰ হ'ল সমাজৰ ভুল-চুক সম্বন্ধে তেওঁৰ ব্যক্তিগত অভিব্যঞ্জনা আৰু তেওঁ সেইবোৰ প্ৰকাশ কৰে সংঘবদ্ধ মেধাৰী শ্ৰেণীয়ে জনপ্ৰিয় কৰি তোলা আধুনিক নৈৰ্ব্যক্তিক শৈলীত। শাসকদলৰ বাচনিক ৰূপৰ লগত এই শেষ আপোচ ভঙ্গ কৰিলে অৰ্থাৎ সৰ্বজন গ্ৰাহ্য শৈলী পৰিহাৰ কৰি নিজৰ ব্যক্তিগত শৈলীৰে ৰচনাৰ সৃষ্টি কৰিলে তাৰ আকৰ্ষণ আৰু বৃদ্ধিহে পায়; প্ৰখ্যাত উপন্যাস ৰচোঁতা আৰু নাট্যকাৰসকলৰ ৰচনাৱলীয়ে এই কথাৰ সাক্ষ্য দিয়ে। তেওঁলোকে আকৌ পোনপটীয়া ধৰণৰ আবেগপূৰ্ণ ভাষা প্ৰয়োগ কৰে, বোধহয় বাস্তৱ জীৱনত কেতিয়াও এনে ভাষা ব্যৱহাৰ কৰা নহয়। তাৰ ফলত তেওঁলোক সংঘবদ্ধ উচ্চশ্ৰেণীৰ নৈৰ্ব্যক্তিক বাক্যজালৰপৰা মুক্ত হয় আৰু এইদৰে এতিয়াও প্ৰয়োজনীয় ক্ষতিপূৰণৰ সুবিধা কৰি দিয়ে।

এই শ্ৰেণীৰ ৰচনাইহে প্ৰকৃততে ব্যক্তিক স্পৰ্শ কৰে। ই এটা বিৰাট দায়িত্ব বহন কৰে, কিয়নো সাধাৰণ ৰাইজে ইয়াত এনে এটা আন্তৰিকতা নিহিত থকা বুলি ধৰি লয় যাক তেওঁলোকে মাজে সময়ে উচ্চস্তৰৰ মেধাৰী দলবোৰৰ মাজত দেখিবলৈ নাপায়। এই পিচৰ শ্ৰেণীৰ লোকসকলক প্ৰায়ে ভুৱা আদৰ্শবাদী বুলি গণ্য কৰা হয় আৰু সাধাৰণ ৰাইজৰ মঙ্গলৰ কথা তেওঁলোকে প্ৰকৃততে নাভাবে বুলি মানুহৰ মনত ধাৰণা হয় আৰু ফলত সাধাৰণ ৰাইজৰ আগ্ৰহ এই শ্ৰেণীৰ ৰচনালৈ আকৰ্ষিত হয়।

পাঠকৰ ওপৰত ৰচনাৰ প্ৰভাৱ নিৰ্ভৰ কৰে প্ৰত্যক্ষ আবেগিক সম্পৰ্ক স্থাপনৰ ওপৰত; তাৰ একমাত্ৰ কাৰণ হ'ল—আন আন শ্ৰেণীৰ বুদ্ধিজীৱীসকলৰ তুলনাত লেখকসকলৰ সৰ্বসাধাৰণৰ আবেগৰ লগত ঘনিষ্ঠ সম্পৰ্ক থাকে, কিয়নো আন শ্ৰেণীৰ বুদ্ধিজীৱীসকলে এলানি বিশ্বাস আৰু নীতিৰ মাধ্যমেৰে নিজৰ ভূমিকা সঙ্গতিপূৰ্ণ কৰি লয়। এই বিশ্বাস আৰু নীতিবোৰ বাস্তৱ বৰ্জিত, কিন্তু এনে বাস্তৱত প্ৰয়োজনেই আটাইতকৈ অধিক অনুভূত হয়। এই বাস্তৱভাৱ ৰূপ

দিব পাৰে লেখকে আৰু এইদৰে তেওঁ মানৱ জাতিৰ মানসিক আৰু আধ্যাত্মিক অচ্ছেদ্য সূত্ৰৰ যোগান ধৰিব পাৰে। তেওঁ এনে এটা আদৰ্শবাদী দলৰ লোক যাৰ নিষ্ঠাৰ বাহিৰে আন একো আনুগত্য নাই আৰু বোধহয় অজানিতে তেওঁ নিজৰ অনুভূতি আৰু আবেগকো ব্যাখ্যা কৰে।

চতুৰ্দশ অধ্যায়

# গ্ৰন্থ ৰচনা, গ্ৰন্থপাঠ আৰু গ্ৰন্থাগাৰৰ সাম্ভাব্য ভূমিকা

সমাজ বিজ্ঞানৰ সাধাৰণভাৱে গৃহীত কেইটামান উপপাদ্যৰ ভিতৰত এটা হ'ল সমাজৰ বিকাশৰ ফলত ব্যৱধানৰ মাত্ৰা বৃদ্ধি পায় আৰু লগে লগে আন্তঃসম্পৰ্কৰ মাত্ৰাও বাঢ়ি যায়। উনবিংশ শতিকাত হাৰ্বাৰ্ট স্পেন্সাৰে এই সিদ্ধান্ত বহলাই আলোচনা কৰিছিল আৰু এৰিষ্ট'টলৰ ৰচনাৱলীতো অনুৰূপ সিদ্ধান্ত পোৱা যায়।

আজি কিছুদিনৰপৰা প্ৰায়ে এনে এটা বিশ্বাসৰ ভাৱ ব্যক্ত কৰি অহা হৈছে যে মানৱ জাতিৰ বুৰঞ্জী হঠাৎ অন্ত পৰি যাব পাৰে; কিন্তু এনে বিশ্বাসৰ বাবে বিজ্ঞানসম্মত একো ভেটি নাই। প্ৰায় যিকোনো সময়তে কাৰিকৰী বিদ্যাই মানুহক আত্ম-নিধনৰ সজুলি যোগাই আহিছে, কিন্তু সামাজিক দলবোৰে কাৰিকৰী জ্ঞানক উদ্দেশ্য সিদ্ধিৰ সাধন হিচাপে ব্যৱহাৰ কৰি আহিছে আৰু যদিও এই উদ্দেশ্য ক্ষমতা লাভত থাকিব পাৰে তথাপি সততে শেহান্তৰত সি মানুহৰ ক্ষমতাত পৰিণত হয়।

এই দুয়োটা মন্তব্য একেলগ কৰি আমি কব পাৰোহঁক যে সামাজিক বিকাশ এটা অব্যাহত প্ৰক্ৰিয়া, অৱশ্যে এনে বিকাশৰ মাত্ৰা নিৰ্ণয় কৰাৰ বাবে কোনো বিজ্ঞানসম্মত আধাৰ ধাৰ্য কৰি লব নোৱাৰি। গঠন-বিন্যাসৰ সীমাবদ্ধতাৰ ফলত এই মাত্ৰা সমান হৈ যাব পাৰে।

বৰ্তমানে আমি এনে এটা সময়ত বাস কৰিছোহঁক যেতিয়া আটাইতকৈ গুৰুত্বপূৰ্ণ সামাজিক দল উনবিংশ শতিকাৰ জাতীয় ৰাষ্ট্ৰৰ ঠাইত বিংশ শতিকাৰ অধিৰাষ্ট্ৰলৈ আৰু সৰু সৰু ৰাষ্ট্ৰৰ দল বা আঞ্চলিক ৰাষ্ট্ৰমণ্ডললৈ পৰিৱৰ্তিত হৈছে। উনবিংশ শতিকাৰ ৰাষ্ট্ৰৰ প্ৰধান ভেটি

আছিল সাংস্কৃতিক আৰু বৈধানিক, কিন্তু কৃষি শতিকাৰ আটাইতকৈ প্ৰভাৱশালী দলৰ মুখ্য আধাৰ হ'ল আদৰ্শবাদ।

তিনি শতিকা ধৰি চলা ক্ৰমবিৱৰ্তনৰ ফলত আন্তঃদলীয় আচৰণৰ কেতবোৰ বিধান আইনত পৰিণত হয় আৰু এইবোৰৰ ফলত আন্তঃ-ৰাষ্ট্ৰীয় আইন গঢ়ি উঠে। আন্তঃৰাষ্ট্ৰীয় আদান প্ৰদানৰ মাত্ৰা দিনক দিনে বৃদ্ধি পোৱাৰ ফলত, আনকি সংঘৰ্ষৰ সময়ত কৰা আচৰণকো আচৰণ বিধিৰ দ্বাৰা নিয়ন্ত্ৰিত কৰিবলৈ চেষ্টা চলোৱা হয়।

কৃষি শতিকাত আন্তঃদলীয় সম্পৰ্কৰ ফলত অৰ্থাৎ আদৰ্শ-বাদী দলবোৰৰ মাজত চলা সম্পৰ্কৰ ফলত এতিয়াও নতুন ধৰণৰ আচৰণ বিধি ভালদৰে গঢ়ি উঠা নাই, আৰু আন্তৰ্জাতিক আইনেও এই দায়িত্ব সম্পূৰ্ণভাৱে পালন কৰিব নোৱাৰে, কিয়নো ভিন ভিন আদৰ্শ-বাদী দলে ইয়াৰ ভিন ভিন প্ৰকাৰৰ ব্যাখ্যা দিয়ে আৰু ইয়াক নিজৰ আদৰ্শ বা ক্ষমতালাভৰ নীতিৰ বহতীয়া কৰি লয়। পশ্চিম ইউৰোপৰ প্ৰভাৱশালী দলবোৰৰ মাজত আচৰণৰ কাৰ্যকৰী ধৰণৰ বিধি গঢ়ি উঠাৰ পিচত পাশ্চাত্য জগতত আন্তৰ্জাতিক আইনৰ বিকাশ হয়। লাহে লাহে এই বিধিবোৰে প্ৰধানকৈ আইনৰ ৰূপ লয়, কিয়নো মানুহৰ মাজত চলা পাৰস্পৰিক সম্পৰ্ক নিয়ন্ত্ৰণ কৰাত আইনৰ অনুশাসন অভিব্যক্ত হবলৈ ধৰে। লগতে এই কথাও লক্ষ্য কৰা উচিত হব যে ব্যাপকভাৱে আৰ্থিক সম্পৰ্কৰ মাত্ৰা বৃদ্ধি পোৱাৰ পিচতহে এনে অৱস্থাৰ সৃষ্টি হয়।

আন কথাত কবলৈ গ'লে, অতিশয় মন্থৰ গতিতহে আন্তঃদলীয় আচৰণ সঙ্গতিপূৰ্ণ হয় আৰু কৃষি শতিকাৰ আদৰ্শবাদী দলবোৰৰ সম্পৰ্কৰ ফালৰপৰা চাবলৈ গ'লে এই বিষয়ত বিশ্ববাসী আকৌ আৰম্ভণিৰ পৰ্যায়তে থকা যেন দেখা যায়; তাৰ বিশেষ কাৰণ হ'ল এয়ে য়ে জাতীয় ৰাষ্ট্ৰবোৰে যেতিয়া আন্তৰ্জাতিক আইন গঢ়ি তুলিছিল তেতিয়া আজিকালিৰ অধিৰাষ্ট্ৰ কেইখনৰ প্ৰতিপত্তি ইমান অধিক নাছিল। কৃষি শতিকাৰ অধিৰাষ্ট্ৰ কেইখন এক নতুন ধৰণৰ সভ্যতাৰ বাহক, এই ৰাষ্ট্ৰ কেইখনে কিদৰে নতুন ধৰণৰ আন্তঃদলীয় আচৰণ বিধি মুগুত কৰি লব পাৰে সেই সম্বন্ধে একমাত্ৰ আগৰ দৃষ্টান্ত আৰু

ঐতিহ্যলৈ লক্ষ্য কৰিছে আমি কেতবোৰ মতামতত উপনীত হব পাৰোহঁক। এই ক্ষেত্ৰতো আবৰণ বিধিবিলাকৰ বেলিকা অনুৰূপ দৃষ্টান্ত অনুসৰণ কৰাটো যুক্তিসম্মত হব, যেনে—আৰ্থিক সম্পৰ্ক আৰু শাসন ক্ষমতাত অধিষ্ঠিত প্ৰভাৱশালী দলবোৰৰ মাজত আদান-প্ৰদান। যদিহে অধিৰাষ্ট্ৰবোৰে সংঘৰ্ষত লিপ্ত হোৱাতকৈ সহ-অৱস্থান কৰাটো অধিক বাঞ্ছনীয় বুলি স্থিৰ কৰে, তেতিয়াহে এনে অৱস্থা সম্ভৱপৰ হব আৰু বৰ্তমানে এই পৰ্যায় উপস্থিত হৈছে বুলি কোনোমতে দাবী কৰিব পৰা নাযায়। সাধাৰণতে মানুহৰ মাজত এনে এটা বিশ্বাস চলি আছে যে আকৌ যদি সংঘৰ্ষৰ সৃষ্টি হয় তেন্তে তাত জয়লাভ কৰা দলৰ আদৰ্শ অনুসৰি বিশ্বখন নতুনকৈ সংগঠিত হব। কিন্তু এনে ধাৰণা তেনেই ভ্ৰমাত্মক প্ৰতিপন্ন হব পাৰে, কিয়নো আকৌ বিশ্বগ্ৰাসী সংঘৰ্ষৰ সৃষ্টি হলে তাৰ ফলত কোনো বিজয়ী দলেই ওলাব নোৱাৰিব পাৰে। তদুপৰি ৰাষ্ট্ৰৰ সামৰ্থ এনেভাৱে হ্ৰাস পাই যাব পাৰে যে তাৰ পৰিণাম স্বৰূপে অধিক পুৰণি ধৰণৰ সামাজিক অৱস্থাৰহে উদ্ভৱ হব পাৰে। ইয়াৰ বাহিৰেও এনে সংঘৰ্ষৰ ফলত যদি একেটা মাথোন ক্ষমতাশালী আদৰ্শবাদী দলৰ অভ্যুদয় হয়, তেন্তে বিকেন্দ্ৰীকৰণৰ প্ৰৱণতা দেখা দিয়াৰ যথেষ্ট সম্ভাৱনা থাকিব, কিয়নো তেতিয়া কেন্দ্ৰীকৰণৰ অন্যতম মুখ্য কাৰণ অৰ্থাৎ বাহিৰৰপৰা বিপদ অহাৰ সম্ভাৱনা আৰু নাথাকিব।

এই ক্ৰমবিৱৰ্তনে যি পিনেই ঢাল ললওক লাগিলে এটা কথা হলে নিশ্চিত যে সামাজিক বিকাশ চলি থাকিলে আন্তঃদলীয় আৰু আন্তঃমানবীয় যোগাযোগৰ মাত্ৰাও বৃদ্ধি পাই যাব। সামাজিক বিকাশৰ প্ৰক্ৰিয়া ক্ৰমবিৱৰ্তনমূলকেই নহওক, নাইবা সংঘৰ্ষৰ মাধ্যমেৰেই ই সাধিত নহওক লাগিলে যোগাযোগৰ মাত্ৰা বৃদ্ধি পোৱাটো সুনিশ্চিত যেন লাগে।

যদিহে আমি সামাজিক পৰিকল্পনাক বিকাশমূলক উন্নয়নৰ বাবে সচেতন প্ৰয়াস বুলি গণ্য কৰো তেন্তে এনে পৰিকল্পনাৰ দ্বাৰা যে আন্তঃদলীয় যোগাযোগৰ মাত্ৰা বৃদ্ধিৰ বাবে চেষ্টা কৰিব লাগিব সেইটো

তেনেই স্পষ্ট কথা। বৰ্তমানে প্ৰভাৱশালী আদৰ্শবাদী দলবোৰৰ মাজত এই প্ৰক্ৰিয়া আৰম্ভ হলেও ই আন্তঃ-আদৰ্শবাদী দলৰ স্তৰ পোৱাগৈ নাই। তদুপৰি অৰ্থনৈতিক বৈষম্য দূৰ কৰাৰ লক্ষ্য থকাৰ ফলত আদৰ্শবাদী দলবোৰৰ ভিতৰতো যোগাযোগৰ মাত্ৰা বৃদ্ধিত যে বাধা জন্মিছে সেই কথাও লক্ষ্য কৰিবলগীয়া। এইদৰে এনে এটা ধাৰণাত উপনীত হোৱা যায় যে সম্প্ৰতি বিশ্বৰ সমুখত দেখা দিয়া আটাইতকৈ মুখ্য সমস্যা হ'ল বিশ্বব্যাপক শ্ৰম-বিভাজনৰ প্ৰশ্ন আৰু ই আন্তঃ-আদৰ্শবাদী দলবোৰৰ মাজত চলা প্ৰতিদ্বন্দ্বিতাৰ ঠাই অধিকাৰ কৰিব। তদুপৰি সপ্তদশ আৰু অষ্টদশ শতিকাত পাশ্চাত্য জগতৰ বিকাশৰ নিচিনাকৈ এই "বিশ্বব্যাপী উন্নয়নৰ পৰিকল্পনা" তেতিয়াহে সম্ভৱ হব যেতিয়া আদৰ্শবাদী দলবোৰৰ ক্ষমতাত অধিষ্ঠিত প্ৰভাৱশালী শ্ৰেণী এই বিষয়ত একমতত উপনীত হয় আৰু লাহে লাহে এই চুক্তিক আটাইৰে গ্ৰহণযোগ্য ধৰণৰ আচৰণ বিধিত পৰিণত কৰি লয়। অপেক্ষাকৃত সৰু-সুৰা সামাজিক দলৰ দৃষ্টান্ত প্ৰায়ে বৃহত্তৰ সামাজিক দলে অনুকৰণ কৰা দেখা যায়, গতিকে সম্প্ৰতি পাশ্চাত্য জগতত এৰাধৰাৰ যি এটা আপোচমূলক ব্যৱস্থাৰ উদ্ভৱ হবলৈ লৈছে, সেই দৃষ্টান্ত আটাইৰে গ্ৰহণযোগ্য হৈ উঠাৰ সম্ভাৱনা আছে। এই আপোচমূলক পদ্ধতি হ'ল চলি থকা অৱস্থাৰে কিবা এটা বিন্দুৰপৰা কাম আৰম্ভ কৰা, তাৰ পিচত সম্ভাব্য উন্নয়নৰ গতি সম্বন্ধে আঁচনি যুগুত কৰা আৰু আঁচনিমতে কাম সম্পূৰ্ণ কৰি লোৱাৰ পিচত সামাজিক তথা অৰ্থনৈতিক ক্ষমতা লাভ সম্বন্ধে দৰ-দস্তুৰ কৰি সিদ্ধান্তত উপনীত হোৱা। এই আপোচ ব্যৱস্থাৰ কথা হ'ল হঠাৎ পৰিৱৰ্তন হবলৈ নিদিয়াকৈ সংশ্লিষ্ট সকলো পক্ষৰে যুক্তিসন্মত স্বাৰ্থ স্বীকাৰ কৰি লোৱা। এই মূল ভেটি স্থাপিত হবলৈ হলে সামাজিক বিকাশৰ মাত্ৰাও অনুৰূপ হব লাগিব, কিয়নো বিভিন্ন পক্ষৰ সামাজিক বিকাশৰ মাজত অত্যন্ত ব্যৱধান থাকিলে আপোচৰ সম্ভাৱনা তেনেই কম হয়। এতিয়া আমি সুনিয়ন্ত্ৰিতভাৱে সামাজিক বিকাশ সাধনৰ উপায় নিজৰ হাতৰ মুঠিলৈ আনিব পাৰিছো, ইয়াকে আন্তঃ-আদৰ্শবাদী দলৰ আচৰণ বিধিৰ মূলাধাৰ কৰি নোলোৱাৰ একো যুক্তিসন্মত হেতু নাই।

যদিহে আন্তঃ-আদর্শবাদী দলৰ সম্পৰ্কত হঠাৎ বিপৰ্যয় দেখা দিয়াৰ সম্ভাৱনাক যুক্তিসম্মত বিশ্লেষণৰ বাবে বিবেচ্য নহয় বুলি লোৱা হয় তেন্তে সামাজিক বিকাশ অব্যাহত থাকিব বুলি আৰু সামাজিক যোগাযোগৰ মাত্ৰা বৃদ্ধি পাই যাব বুলি ধাৰণা কৰাটো যুক্তিসঙ্গত হব। সামাজিক কাৰ্যতৎপৰতা বৃদ্ধিৰ ফলত ইয়াৰ বহুমুখী ৰূপৰ মাত্ৰা আৰু বাঢ়ি যাব, গতিকে আমাৰ বিবেচ্য বিষয়ৰ ক্ষেত্ৰতো এই প্ৰৱণতা বৃদ্ধি পাব বুলি আমি নিঃসন্দেহে ধৰি লব পাৰোহঁক।

আগতে আমাৰ আলোচনাত পাঁচ প্ৰকাৰৰ ৰচনাৰ শ্ৰেণী ভেদ দেখুৱাই অহা হৈছে: এইবোৰ হ'ল যথাক্ৰমে ভক্তিমূলক ৰচনা; সাংস্কৃতিক ৰচনা; সাফল্যমূলক ৰচনা; পৰিপূৰক ৰচনা আৰু তথ্যমূলক ৰচনা। এই প্ৰত্যেক শ্ৰেণীকে আকৌ উপশাখাত বা ৰচনাৰ প্ৰকাৰৰ সলনি বিষয় অনুসৰি ভাগ কৰিব পৰা যায়।

এই বুলি যুক্তি দেখুৱাই অহা হৈছে যে ক্ষিপ্ৰ সামাজিক পৰিৱৰ্তনৰ সময়ত সাফল্যমূলক গ্ৰন্থৰ ৰচনাই প্ৰাধান্য লাভ কৰে, কিন্তু সকলো প্ৰকাৰৰ ৰচনাৰে মানুহৰ মৌলিক প্ৰয়োজনৰ লগত সামঞ্জস্য আছে। গতিকে সমাজ অধিক সমতাৰ ভেটিত বিকশি উঠিলে ভক্তিমূলক আৰু সাংস্কৃতিক ৰচনাৰ প্ৰতি আগ্ৰহ বৃদ্ধি পাব বুলি অনুমান কৰাটো যুক্তি-সম্মত হব।

কাৰিকৰী আৱিষ্কাৰৰ ফলত নতুন নতুন পদ্ধতিৰ ৰচনাৰ সৃষ্টি হৈছে, যেনে কথাছবি, অনাতাঁৰ আৰু টেলিভিচনৰ বাবে উপযোগী কৰি যুগুত কৰা ৰচনা। বিজ্ঞাপন ৰচনাৰ শৈলীও এটা স্বকীয়া শ্ৰেণী হৈ পৰিছে আৰু ৰচনাৰ সকলো ফাল বিবেচনা কৰিবলৈ ইয়াৰো লেখ লব লাগিব। চিঠিপত্ৰ, প্ৰতিবেদন, বিশ্লেষণমূলক বিৱৰণ আদিৰ বিস্তৰ ৰচনা সম্বন্ধে চমুকৈ উল্লেখ কৰি অহা হৈছে, কিন্তু বৰ্তমানে আমাৰ এই আলোচনাত গ্ৰন্থ ৰচনাৰ বিষয়হে প্ৰধানকৈ বিবেচনা কৰা হৈছে।

আধুনিক সমাজত দুটা মুখ্য কথাই গ্ৰন্থপাঠৰ ওপৰত প্ৰভাৱ পেলায়: ব্যৱধানৰ মাত্ৰাধিক্য আৰু জীৱনৰ গতিবেগ বৃদ্ধি। প্ৰথমটো প্ৰভাৱে গ্ৰন্থপাঠৰ প্ৰেৰণা যোগায় আৰু দ্বিতীয়টোৱে তাত বাধা দিয়ে।

যুক্তৰাষ্ট্ৰত লক্ষ্য কৰা যায় “উচ্চস্তৰৰ দলবোৰে” বৰ বেছি পুথি নপঢ়ে, তাৰ কাৰণ হ'ল তেওঁলোক নিজৰ সিদ্ধান্ত গ্ৰহণৰ কামৰ বাবে প্ৰয়োজনীয় প্ৰত্যক্ষ যোগাযোগৰ পদ্ধতিৰ লগত অধিক মাত্ৰাত সংশ্লিষ্ট থাকে। পশ্চিম ইউৰোপৰ উচ্চতৰ শ্ৰেণী আৰু যুক্তৰাষ্ট্ৰৰ এই শ্ৰেণীৰ মাজত থকা এই ব্যৱধান বিশেষ লক্ষ্য কৰিবলগীয়া। পশ্চিম ইউৰোপৰ উচ্চতৰ শ্ৰেণীৰ বাবে “সংস্কৃতি” এটা আৱশ্যকীয় গুণ বুলি গণ্য কৰা হয়। নতুন যুগৰ উচ্চ শ্ৰেণীৰ লোকসকলৰ নিজৰ আচৰণ নিয়ন্ত্ৰণৰ বাবে এটা দৰ্শন থকা বুলি ধাৰণা কৰা হৈছিল আৰু ইয়াক সমাজৰ আন আন দলৰ বোধগম্য কৰি তোলা হৈছিল, নহলে অন্ততঃ বৃত্তিমূলক আৰু মধ্যবিত্ত শ্ৰেণীৰ বোধগম্য কৰা হৈছিল আৰু এইদলবোৰেও অনুৰূপ সাংস্কৃতিক পদ্ধতি উদ্ভাৱন কৰি লবলৈ চেষ্টা কৰিছিল।

যদিহে আধুনিক সমাজক ব্যক্তি আৰু দলৰ জীৱনী-শক্তিৰ পদ্ধতিৰ সমন্বয় হিচাপে গণ্য কৰা হয় তেন্তে তাৰ দ্বাৰা এটা অযুক্তিকৰ কথা সামৰি লোৱা হব আৰু তাৰপৰা বিপদৰ সম্ভাৱনা নোহোৱাকৈও নাথাকে। সুদীৰ্ঘকাল ধৰি চলা আচৰণৰ সংজ্ঞা নিৰাকৰণৰ ফলতে বোধহয় দৰ্শনৰ উৎপত্তি। যদিহে সুনিৰ্দিষ্ট দৰ্শন উদ্ভাৱন হোৱাটো দেখা নাযায় তেন্তে ধৰি লব লাগিব যে দীৰ্ঘমিয়াদী স্বাৰ্থৰ বাবে এই হ্ৰস্বমিয়াদী স্বাৰ্থবোৰ ত্যাগ কৰা হৈছে। আনহাতে আকৌ এইদৰেও যুক্তি দেখুৱাব পৰা যায় যে “যি ৰূপতে বাস্তৱতা বৰ্তমান” তাৰে বিধি ব্যৱস্থা কৰা মনোভাৱত আমাৰ সমাজক অধিক স্থায়ী ৰূপ দিবলৈ কৰা চেষ্টাৰে আভাস পোৱা যায়। যদিহে ই এটা মৌলিক অন্তৰ্নিহিত ইচ্ছা তেন্তে তেতিয়াও সমাজৰ কোনটো ৰূপক স্থায়ী কৰা উচিত হয় সেই সম্বন্ধে অনুসন্ধান চলোৱাৰ প্ৰয়োজন হব; এই ৰূপ অকল নেতৃস্থানীয় দলবোৰৰ বাবেই নহয় সমগ্ৰ সমাজৰ বাবে প্ৰযোজ্য হব লাগিব। এইবোৰ সমস্যা লৈ লিখা অধিকভাগ ৰচনাৰে পৰিসীমা মধ্যৱৰ্তী ধৰণৰ আৰু তাত চূড়ান্ত নীতি আৰু লক্ষ্য সম্বন্ধে বিবেচনা কৰা নহয়। প্ৰধানকৈ মধ্যবিত্ত শ্ৰেণীৰ মাজত গ্ৰন্থপাঠৰ মাত্ৰা অধিক হৈ পৰা হেতুকে ৰচনায়ো এই প্ৰয়োজন পূৰণৰ বাবে নিজকে খাপ খুৱাই লৈছে আৰু ইয়াৰ ফলত অসলতভাৱে ইয়াৰ পৰিধি সঙ্কুচিত কৰা হব পাৰে।

আগশাৰী অধিকাৰ কৰা সমাজ্ এখনে সদায় নিজৰ দৰ্শন আৰু নীতি ব্যক্ত কৰিব বুলি আশা কৰিব পৰা যায়। ই "জীৱন যাত্ৰাৰ পদ্ধতি"ৰ কথা উল্লেখ কৰিব নোৱাৰে, কিয়নো এনে জীৱন যাত্ৰাৰ পদ্ধতিয়ে অনুৰূপ কাৰ্যকৰী মনোভঙ্গীৰ প্ৰতি আগ্ৰহ নথকা বাহিৰা লোকৰ বাবে ভৱিষ্যতৰ আঁচনি যুগুত কৰিবলৈ গ্ৰহণযোগ্য আহিলা যোগাব নোৱাৰে। যদিও প্ৰয়োজন দেখা দিলেই সদায় সিদ্ধান্ত লোৱা হয় তথাপি অধীনস্থ দলবোৰৰ নিৰাপত্তা দাবী পূৰণ কৰাৰ উদ্দেশ্যে দৰ্শনৰ অনুসন্ধান চলোৱা হয়। এনে দৰ্শন নাথাকিলে অনিশ্চয়তাৰ ভাব দেখা দিয়ে আৰু পৰিপূৰক গ্ৰন্থপাঠৰ দ্বাৰা তাৰ প্ৰতিকাৰ কৰিব নোৱাৰি। আধুনিক সমাজৰ উচ্চস্তৰৰ দলবোৰৰ আদৰ্শবাদী ৰচনা সৃষ্টিৰ ক্ষেত্ৰত তেনেই অসমান: এহাতে কেতবোৰ দলে বিস্তৰ পৰিমাণে এনে ৰচনাৰ সৃষ্টি কৰে, আনকি কেতিয়াবা কেতিয়াবা এইবোৰ উভৈনদী হৈ পৰে, আনহাতে আকৌ কেতবোৰ দলে এনে ৰচনা সমূলি সৃষ্টি নকৰে আৰু শূন্যতাৰ ফলত বিশ্বত উদ্বেগৰ সৃষ্টি হয়। যুক্তৰাষ্ট্ৰ আৰু ইউৰোপৰ মাজত আদান-প্ৰদানৰ মাত্ৰা বাঢ়ি যোৱাৰ ফলত এই শূন্যতা পূৰ হব পাৰে, কিন্তু সদ্যহতে হলে এনে লক্ষণত বিশেষ একো দেখিবলৈ পোৱা নাযায়। ইয়াৰ পৰিণাম স্বৰূপে আধুনিক ৰচনাৰ উচ্চ পৰ্যায়ত এক প্ৰকাৰৰ শূন্যতা বিৰাজ কৰিছে; উদ্দেশ্য আৰু বিশ্বাস সম্বন্ধে চিন্তাৰ অভাৱ পৰিলক্ষিত হৈছে, আৰু বোধহয় এইটো প্ৰয়োজনীয় নহয়—এনে এটা অস্পষ্ট ধাৰণা হৈছে।

নীতি অথবা বিশ্বাস নোহোৱাকৈ জীয়াই থাকিব পৰাকৈ মানুহৰ এতিয়াও তিমান পৰিৱৰ্তন হোৱা নাই আৰু সাধনৰ ক্ষেত্ৰত যোগাযোগৰ যিমানেই উন্নতি নহওক লাগিলে এই মৌলিক প্ৰয়োজনৰ অস্তিত্ব অস্বীকাৰ কৰিব নোৱাৰি। বৰঞ্চ প্ৰায়ে দেখিবলৈ পোৱা যায় যে সাধনমূলক যোগাযোগৰ পৰিমাণৰ ভেটিত উচ্চথাপৰ যোগাযোগ ব্যৱস্থাৰ উদ্ভাৱন হৈ আহিছে, কিন্তু সামগ্ৰিকভাৱে পাশ্চাত্য সমাজলৈ লক্ষ্য কৰিলে এটা ধাৰণা হয় যে অধিক জটিল ধৰণৰ যোগাযোগ ব্যৱস্থা সাধনমূলক ব্যৱস্থাবোৰৰ বাহুল্যৰ মাজত সোমাই চামিল হৈ পৰাৰ উপক্ৰম হৈছে; বোধহয় উচ্চ স্তৰৰ দলবোৰৰ আগ্ৰহৰ অভাৱতে এনে হবলৈ পাইছে।

ইয়াৰ তাৎপৰ্য হ'ল এয়ে যে আধুনিক সমাজৰ গতিবেগে [illegible] জটিল ধৰণৰ যোগাযোগ ব্যৱস্থা গঢ়ি উঠাত বাধা দিয়ে। [illegible] যোগাযোগৰ ক্ষেত্ৰতো অৰ্থনীতিৰ গ্ৰেছাম বিধি প্ৰয়োগ কৰিব পৰা যায়; অৰ্থাৎ অপেক্ষাকৃত নিম্ন আৰু মজলীয়া থাপৰ যোগাযোগ [illegible] উচ্চতৰ থাপৰ যোগাযোগ ব্যৱস্থা ৰহিত কৰে। কাৰিকৰী পৰি[illegible] মাত্ৰাধিক্যৰ ফলত এই পৰিস্থিতিৰ উদ্ভৱ হলে তাৰ প্ৰতিকাৰৰ ব্যৱস্থা দিয়াটো কঠিন হব। এই অভিনৱত্ব জন-সমাজৰ সহজাত অংশ [illegible] দেখিবলৈ পোৱা যায়। বৃহৎ মণ্ডলত উচ্চস্তৰৰ যোগাযোগ ব্যৱস্থাৰ অভাৱ অনুভূত হলে কিবা পৰিৱৰ্তনৰ সূচনা হব পাৰে, কিন্তু উচ্চ-স্তৰৰ দলবোৰৰ মনোভঙ্গীৰ ওপৰতে এই কথা ভালেখিনি নিৰ্ভৰ কৰিব। যদিহে এই দলবোৰে আকৌ পৰম্পৰাকে জীৱন পদ্ধতিৰ অংশ কৰি লয়, তেন্তে ক্ৰমে এই মনোভঙ্গী আধুনিক সমাজৰ আন আন স্তৰবোৰতো বিয়পি পৰিব। আকৌ শাস্ত্ৰীয় পদ্ধতিৰ প্ৰাচীন শিক্ষা ব্যৱস্থা প্ৰৱৰ্তনৰ ব্যৱস্থা কৰাটো আধুনিক সময়ৰ লগত খাপ নোখোৱা ধৰণৰ কথা যেন লাগিব পাৰে, কিন্তু লগতে ভালদৰে চিন্তা কৰি চালে দেখা যাব যে প্ৰাচীন শিক্ষাৰপৰা ভালেখিনি লাভো আছে। পুৰণি শাস্ত্ৰবোৰ অধ্যয়নৰ ফলত তৰুণ সম্প্ৰদায় নিজৰ বিশ্বখনৰপৰা—যি বিশ্বত তেওঁলোকে জীৱনৰ বাকী ছোৱা কটাব লাগিব—তাৰপৰা ওলাই এনে এখন বিশ্বত প্ৰৱেশ কৰাৰ সুযোগ পাইছিল য'ত আছে বৰ্ণাঢ্যতা, চৰিত্ৰ আৰু কল্পনা।

বৰ্তমানে আমাৰ বিশ্বাসত এনে এটা ধাৰণা সোমাই গৈছে যে আধুনিক সমাজৰ উচ্চ পৰ্যায়ৰ কামবোৰ ইমান "কষ্টসাধ্য" যে প্ৰত্যেক [illegible] বাবে সম্পূৰ্ণ যোগ্যতা অৰ্জন কৰিবলৈ হলে একেটা [illegible] সম্বন্ধে কেবাবছৰো ধৰি প্ৰশিক্ষণ লাভ কৰাটো আৱশ্যক। [illegible] এই কষ্টসাধ্যতা কি ধৰণৰ তাক হলে কোনেও ভালদৰে বুজাই [illegible] নাই। ফলত সুদীৰ্ঘ কাল ধৰি অনুশীলন চলোৱাৰ পৰিণাম [illegible] মূল্যতঃ মৌখিক ধৰণৰ আচৰণৰ পদ্ধতি গঢ়ি উঠিছে আৰু; [illegible] অধিক সহজ কৰি ললেও এইবোৰৰ প্ৰকৃত মূল্য হ্ৰাস নাপায়। [illegible]

বিজ্ঞানৰ কাম মধ্যবৰ্তী স্তৰৰ যোগাযোগ ব্যৱস্থাৰে চলে আৰু ই সূক্ষ্ম বিজ্ঞান আৰু কাৰিকৰী বিদ্যাৰ শব্দাড়ম্বৰৰ দ্বাৰা প্ৰভাৱিত হয়; সেইহেতুকেই বোধহয় আংশিকভাৱে এনে জটিলতাৰ সৃষ্টি হৈছে। কিন্তু মানুহে মানুহৰ প্ৰতি কৰা আচৰণৰ প্ৰশ্ন বৈজ্ঞানিকতকৈ এটা নীতিৰ প্ৰশ্ন, অৱশ্যে প্ৰতিজন লোকেই সকলো প্ৰকাৰৰ আচৰণৰ ৰূপ জনাটো আৱশ্যক বুলি ধৰিলে সি সুকীয়া কথা। তেতিয়া ইয়াক নীতিৰ সমস্যা হিচাপে বাছি লোৱাটো স্থগিত ৰাখিব লাগিব, কিন্তু সেই বুলি ইয়াৰ ঠাই আনে অধিকাৰ কৰিব নোৱাৰে অথবা ইয়াক নিশ্চিহ্ন কৰিও দিব নোৱাৰে। নৈতিক মূল্যৰ অভাৱ হ'ল সহজ কথাত কবলৈ গলে আন্তৰিকতাৰ অভাৱ: মূল প্ৰশ্নৰ সন্মুখীন হোৱাটো এৰাই আন আন আনুষঙ্গিক প্ৰশ্নত ব্যস্ত হোৱাৰ মনোভঙ্গী।

এনে আচৰণৰ ৰূপে অধিক প্ৰাধান্য লাভ কৰিলে আধুনিক সমাজৰ সমন্বয় সাধনৰ বাবে গুৰুতৰ বিপদ দেখা দিব আৰু সমন্বয় সাধনৰ অৰ্থ হ'ল লম্বমানতকৈ (Verticol) বক্ষমান (horizontal) ভাৱে সামাজিক যোগাযোগৰ মাত্ৰা বৃদ্ধি লম্বমানভাৱে যোগাযোগৰ মাত্ৰা যে যথেষ্ট বৃদ্ধি পাইছে তাত সন্দেহ নাই, কিন্তু ইয়াৰ ফলত বক্ষমান যোগাযোগ বৃদ্ধিৰ প্ৰশ্নটো তল পৰি আছে। তদুপৰি যোগাযোগৰ পৰিমাণ বৃদ্ধিৰ সম্বন্ধে যথেষ্ট কোৱা-মেলা চলিছে কিন্তু ইয়াৰ অনুপ্ৰৱেশিকা শক্তি আৰু "গভীৰত্ব সৃষ্টিৰ প্ৰয়াস"ৰ ক্ষেত্ৰত বিশ্লেষণৰ মাত্ৰা শোচনীয়ভাৱে তেনেই কম হৈ আছে।

মানুহৰ স্বৰূপ অতি সহজভাৱে ধাৰণা কৰি আধুনিক সমাজ চলে আৰু উনবিংশ শতিকাৰ যুক্তিবাদৰ ঐতিহ্য অনুসৰণ কৰি এই ভাৱধাৰা গ্ৰহণ কৰা হৈছে। এই হেতুকেই বোধহয় এনে অৱস্থাৰ সৃষ্টি হৈছে। এই দৃষ্টিভঙ্গীৰ দ্বাৰা এনে ধাৰণা কৰা হয় যে ব্যক্তিৰ প্ৰয়োজন-বিন্যাস হ'ল মানৱ সমাজৰ মূল ভেটি, কিন্তু এই প্ৰয়োজন-বিন্যাস সম্বন্ধে তেনেই সৰল ধৰণৰ ব্যাখ্যা দিয়া হয়। প্ৰত্যক্ষ দৈহিক প্ৰয়োজনবোধৰ ওপৰত অতিশয় অধিক গুৰুত্ব আৰোপ কৰা হয়, কিন্তু অধিক জটিল ধৰণৰ বুদ্ধিগত, ৰসগত, কলা-কুশল, আবেগগত আৰু আধ্যাত্মিক প্ৰয়োজনবোধ অধিক ক্ষেত্ৰতে উপেক্ষা কৰা হয়, কিন্তু সেইবোৰেই হয়তো আমাৰ সমাজ অটুট থকাৰ বাবে অধিক গুৰুত্বপূৰ্ণ।

বৈষম্য বৃদ্ধিৰ অৰ্থ অকল লম্বমানেই নহয়, মুখ্যতঃ বক্ষমান বৈষম্যৰ মাত্ৰা বৃদ্ধি আৰু এই কথা আমাৰ মনোভঙ্গীৰ ক্ষেত্ৰতো প্ৰযোজ্য। চেলাৰে (Scheler) মুক্তি, সংস্কৃতি আৰু সাফল্যমূলক জ্ঞানৰ পাৰ্থক্য বিচাৰ কৰিবলৈ যাওঁতে এই সমস্যা সম্বন্ধে বিবেচনা কৰাৰ চেষ্টা কৰিছে। মুক্তিমূলক জ্ঞানক বোধহয় মানুহৰ সুদূৰপ্ৰসাৰী স্বাৰ্থ আৰু মানুহৰ মৌলিক উদ্বেগ আৰু ভৱিষ্যত সম্পৰ্কীয় অনিশ্চয়তা অভিব্যক্ত কৰাৰ প্ৰয়োজন স্বৰূপে গণ্য কৰাটো যুগুত হব। মনৰ এই প্ৰয়োজন লোপ পোৱা নাই আৰু সি নাইকিয়া হৈ যাব নোৱাৰে। আধুনিক সমাজৰ প্ৰবল গতিবেগে ইয়াক নিষ্ক্ৰিয় কৰি ৰখাত সহায় কৰিব পাৰে, কিন্তু এই গতিবেগে ইয়াক তল পেলাই ৰখাৰ পৰা একো লাভ নহয়। আমাৰ এনে প্ৰেৰণা আছেই যেতিয়া সি পুনৰ প্ৰকাশৰ বাবে চেষ্টা কৰিবই।

সংস্কৃতিমূলক জ্ঞান হ'ল সুবিকশিত ব্যক্তিত্ব আৰু নিজৰ অভিনৱত্বৰ বিষয়ে দৃঢ়বিশ্বাস জন্মা মনৰ অভিব্যক্তি। এই অভিনৱত্বৰ বাবেই ব্যক্তিৰ বাবে সি মূল্যবান। তদুপৰি ই এটা মৌলিক আৰু চিৰস্থায়ী মানৱীয় প্ৰয়োজন। এটা বিৰাট কলৰ গজাল বা বল্টুত পৰিণত হৈ মানুহে কেতিয়াও সুখ পাব নোৱাৰে, আৰু তেওঁৰ মন অকল এই কামৰ বাবেই উপযোগী হিচাপে গঢ়ি উঠা নাই। বৈষম্যবহুল সমাজত অকল একোটা কামেই ব্যক্তিৰ আত্মপ্ৰকাশৰ বাবে যথেষ্ট নহয়; আৰু তেওঁ পৰিপূৰক কামৰ দ্বাৰা এই উভয়সংকটৰ হাত সৰা উচিত। তদুপৰি ব্যক্তিয়ে কাৰ্যতৎপৰতাত সক্ৰিয় আৰু নিষ্ক্ৰিয়ভাৱে অংশ গ্ৰহণৰ আনুপাতিক মাত্ৰাও নিৰূপণ কৰি লোৱা উচিত। একমাত্ৰ উৎপাদক হোৱাৰ নিচিনাকৈয়ে মাথোন গ্ৰাহকৰ ভূমিকা গ্ৰহণ কৰাটোও ফলপ্ৰদ আৰু আনন্দদায়ক হব নোৱাৰে। মানুহে উভয় প্ৰকাৰৰ ভূমিকা লব লাগিব আৰু এই ধৰণৰ বিপৰীতধৰ্মী দুয়োৰ গতিত চলিবলৈ হলে নিষ্ক্ৰিয়তা আৰু অংশ গ্ৰহণ নকৰাটো আৰু প্ৰয়োজন আছে।

এক্ষেত্ৰতে যোগাযোগৰ মাত্ৰাধিক্য গঠনমূলক নহয়, আমনি দায়কহে। আনকি সম্পূৰ্ণভাৱে বিভক্ত কৰি লোৱা যোগাযোগৰো নিজা সীমা আছে; তদুপৰি মানুহৰ মনক এনে এখন সুকীয়া ক্ষেত্ৰৰ প্ৰয়োজন, য'ত অকল সপোন দেখিব পাৰি আৰু ধ্যানত মগ্ন হব পাৰি। ইয়াৰ বাবে এনে এখন সুকীয়া জগতৰ প্ৰয়োজন, য'ত যোগাযোগৰ আৱশ্যক নহয়। ব্যক্তিৰ বাবে ই আৱশ্যকীয়, কিয়নো প্ৰত্যেকৰে জীৱনৰ অভিজ্ঞতাৰ একোটা অপ্ৰকাশ্য অংশ থাকে। ইয়াৰ এটা নিজা লয়, গতি আৰু ছন্দ আছে আৰু তাক "আন সকলৰ" প্ৰয়োজনৰ লগত সম্পূৰ্ণভাৱে খাপ খুৱাই লব নোৱাৰি।

সংস্কৃতিমূলক জ্ঞানৰ অৰ্থ হ'ল ব্যক্তিৰ গোপন জগতৰ যোগাযোগৰ যোগ্য অংশৰ স্বীকৃতি। ইয়াৰ দ্বাৰা তেওঁ এই জগতৰ ওপৰত বাৰে বাৰে গুৰুত্ব আৰোপ কৰাতকৈ এই জগতখনক গতিশীল কৰি তোলাত, ইয়াৰ আভাস আৰু ইঙ্গিত দিয়াত সাহায্য হয়। ই হ'ল বুদ্ধিগতভাৱে বিকশিত ব্যক্তিত্বৰ অভিব্যক্তি।

সাকল্যমূলক জ্ঞানৰ বিষয়ে বিশেষ কোৱাৰ প্ৰয়োজন নাই। ইয়াৰ গুৰুত্ব, ইয়াৰ ক্ৰমবৰ্ধমান বহুমুখীতা আৰু ইয়াৰ লম্বমান আৰু বক্ষমান বিস্তৃতি সাধাৰণতে স্বীকাৰ কৰা হয় আৰু এইবোৰ লক্ষ্য সাধনৰ কাৰ্যকৰী উপায় সম্বন্ধে অনবৰত অনুশীলন আৰু অনুসন্ধান চলোৱা হৈছে। এইদৰেও আঙুলিয়াই দিয়া হৈছে যে জ্ঞান বিস্তাৰৰ এনে প্ৰক্ৰিয়াৰ কেতবোৰ গাঁথনিগত সীমা আছে আৰু বৰ্তমানৰ প্ৰয়োজন সূচীৰ সীমাতকৈ অতি বেছি আগবাঢ়ি যোৱা বিৰাট সাধাৰণ আঁচনিতকৈ বাস্তৱ ক্ষেত্ৰত সুফল পাব পৰা লক্ষ্য সাধনৰ বাবে চেষ্টা কৰাটো অধিক বাঞ্ছনীয়। অনুকৰণ হ'ল সামাজিক শক্তিবোৰৰ ভিতৰত অন্যতম অতিশয় গুৰুত্বপূৰ্ণ শক্তি, আৰু সন্দেহ নাই যে কাৰিকৰী বিদ্যা আৰু ইয়াৰ ফলত উদ্ভৱ হোৱা জ্ঞানৰ পদ্ধতিত এনে বিস্তাৰৰ কথা প্ৰতিফলিত হব যি সামাজিক দলৰ প্ৰকৃত ক্ষমতাৰ লগত সামঞ্জস্যপূৰ্ণ। তদুপৰি এনে প্ৰক্ৰিয়াত ভাবেদেখিনি মূল্য নাইকিয়া হব। বহিছে; বিকাশৰ গতি অৱধাৰিতভাৱে খৰতকীয়া নহয় তেন্তে বৰ্তমানৰ চলিত:

সাংস্কৃতিক পদ্ধতিবোৰ থানবান নোহোৱাকৈ ক্ৰমবিকাশৰ প্ৰক্ৰিয়াৰে আগবাঢ়ি যাব বুলি আশা কৰিব পৰা যায়। একমাত্ৰ অন্তৰ্নিহিত প্ৰেৰণাৰ ফলত উদ্ভৱ হোৱা সামাজিক বিকাশৰ যোগেদি সাংস্কৃতিক পৰম্পৰা অটুট থাকিব পাৰে।

সমাজৰ অব্যাহত গতিৰ বাবে সাংস্কৃতিক পদ্ধতিক যদি আটাইতকৈ অধিক গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হয়, তেন্তে সাংস্কৃতিক বহুমুখীতাক অৰ্থনৈতিক উন্নতিতকৈ অগ্ৰাধিকাৰ দিব লাগিব। আৰু ই হ'ল এনে এটা কথা যি নিৰ্ভৰ কৰে বিশ্বৰ উচ্চশ্ৰেণীৰ দৰ্শনৰ ওপৰত। সংস্কৃতি আৰু জ্ঞানৰ মাজত থকা সম্পৰ্ক সম্বন্ধে কিছুদূৰ স্পষ্ট ধাৰণা নহলে মধ্যবৰ্তী স্তৰত এই বিষয়ে একো কৰিব নোৱাৰি। এই দুটা পৰম্পৰা পৰিপূৰক ধৰণৰ আৰু সাংস্কৃতিক অৰ্থনৈতিক ব্যৱস্থাৰ বহতীয়া কৰি ললে ইয়াৰ অন্তৰ্নিহিত গুণবোৰ নাইকিয়া হৈ যাব আৰু আধুনিক সমাজত মানসিক শূন্যতাই যি বিপদৰ সম্ভাৱনা সৃষ্টি কৰিছে সি আৰু সুবিস্তীৰ্ণ অঞ্চলত বিয়পি পৰিব।

পাঠকে এতিয়া অৱশ্যে প্ৰশ্ন কৰিব পাৰে আৰু বোধহয় কিছু অতীষ্ঠ হৈ সুধিব পাৰে—পুথিভঁৰালৰ সমস্যাৰ লগত এইবোৰ পৰ্যালোচনাৰ সম্পৰ্ক কি ?

সমাজতাত্ত্বিক বিশ্লেষণ দুই প্ৰকাৰে কৰা যাব পাৰে: ই চলিত সামাজিক পদ্ধতিবোৰৰ বৰ্ণনা কৰিব পাৰে আৰু এই বাস্তৱতাৰ আধাৰত প্ৰৱণতাবোৰৰ বিশ্লেষণ কৰিব পাৰে। যদিহে ইয়াক একমাত্ৰ [illegible] ভেটিত কৰা হয় তেন্তে প্ৰৱণতা বিশ্লেষণৰ আধাৰ মাত্ৰাৰ [illegible] মুখ্য কাৰণবোৰেই হৈ পৰে। কিন্তু সমাজতাত্ত্বিক বিশ্লেষণৰ যোগেদি কেতবোৰ মূল্যবোধৰো আভাস দিব পাৰি আৰু বিশ্লেষণৰ পিচত [illegible] এটা দৰ্শনো থাকিব পাৰে।

ইয়াত এই দ্বিতীয় দৃষ্টিভঙ্গীকে গ্ৰহণ কৰা হৈছে [illegible] লেখকে ভালদৰে জানে যে প্ৰথমটো দৃষ্টিভঙ্গীৰ সমৰ্থকসকলে [illegible] বিষয়ে বিৰূপ মন্তব্য কৰে। কিন্তু এই পাৰ্থক্য সম্পূৰ্ণ [illegible]

ভেদহে : অপেক্ষাকৃত দাৰ্শনিক দৃষ্টিভঙ্গীৰ দ্বাৰা সুদূৰপ্ৰসাৰী দিশবোৰৰ সম্বন্ধেও বিবেচনা কৰিবলৈ চেষ্টা কৰা হয়, এইবোৰ অস্পষ্ট আৰু এই-বোৰৰ সংজ্ঞাও নিৰ্ধাৰণ কৰি দিব নোৱাৰি, কিন্তু এইবোৰক বাদ দি গলে প্ৰথমতে চিত্ৰটো বিশ্বাসযোগ্য যেন দেখা গলেও পিচত আকৌ ভালদৰে দৃষ্টি দিলে এই চিত্ৰ বিশ্বাসৰ অযোগ্য হৈ পৰাৰ বিপদ দেখা দিয়ে। যদিহে মানুহৰ মানসিক জীৱনৰ দিশবোৰ লৈ বিশ্লেষণ কৰা হয়, তেন্তে একমাত্ৰ তথ্য আৰু পৰিসংখ্যাতে নিজকে আৱদ্ধ ৰখাতকৈ কাল্পনিক কথা লৈ ব্যস্ত থকা বুলি অভিযোগৰ সন্মুখীন হোৱাটোও শ্ৰেয়। এই তথ্যাদিয়ে প্ৰকৃত চিত্ৰ দাঙি নধৰে, আৰু এই চিত্ৰ পাঠকৰ বাবে আকৰ্ষণ হব পাৰে ; অন্ততঃ বৰ্তমান লেখকে তাকে আশা কৰে। অৱশ্যে ইয়াৰ বাবে তেওঁক অধিক কঠোৰ পন্থী সমসাময়িক লেখকসকলৰ শাৰীত ঠাই দিয়া নহব পাৰে আৰু তেওঁক হয়তো সপ্তদশ আৰু অষ্টাদশ শতিকাৰ লেখকসকলৰ লগত আসন দিয়া হব পাৰে।

বিভিন্ন প্ৰকাৰৰ ৰচনাৰ মাজত থকা ব্যৱধানৰ ফলত পুথিভঁৰালৰ ভূমিকাৰ পটভূমি বিভিন্ন ধৰণৰ হৈ পৰে। সকলো আধুনিক সামাজিক সংস্থাৰ নিচিনাকৈ পুথিভঁৰালো কামৰ বিভিন্নতা, মাত্ৰাধিক্য, চাহিদাৰ বিভিন্নতা, আটায়ে সহজে পাব পৰাৰ ব্যৱস্থা কৰা, ইয়াৰ সা-সামগ্ৰীবোৰৰ লম্বমান আৰু বৰ্দ্ধমান বিস্তাৰ আৰু এইবোৰ সা-সামগ্ৰীয়ে সৃষ্টি কৰা গভীৰত্বৰ মাত্ৰাৰ সমস্যাবোৰৰ সন্মুখীন হবলগীয়া হয়, ইয়াৰে কেতবোৰ সমস্যা লৈ ব্যাপকভাৱে অনুসন্ধান চলোৱা হৈছে ; কিন্তু কেতবোৰ সম্বন্ধে হলে উপযুক্তভাৱে মনোনিৱেশ কৰা হোৱা নাই।

পুথিভঁৰালৰ মুখ্য কাম সাফল্যমূলক, পৰিপূৰক আৰু তথ্যলাভমূলক গ্ৰন্থপাঠৰ লগত আটাইতকৈ অধিক সংশ্লিষ্ট। ইয়াৰ বাবে মাত্ৰাধিক্য ঘটে, পুথিভঁৰালৰ সা-সামগ্ৰী ব্যৱহাৰৰ বাবে সুবিধা কৰি দিবলগীয়া হয়, গ্ৰন্থপঞ্জী আৰু সূচী আদি যুগুত কৰিবলগীয়া হয়। যি লোকৰ এনে জ্ঞানৰ প্ৰয়োজন হয় তেওঁলোকক তেনে মাত্ৰাত সেই জ্ঞান লাভৰ বাবে অতিশয় সুদক্ষভাৱে সা-সুবিধা কৰি দিয়াই হ'ল এই কাৰ্যতৎপৰতাৰ সমস্যা।

এই কামৰ বাবে পুথিভঁৰাল আমাৰ সমাজত মুখ্যতঃ মধ্যবৰ্তী জন পৰ্যায়ত কাম চলোৱা সামাজিক সংস্থাৰূপে পৰিগণিত হয়। আমাৰ সমাজৰ বাবে প্ৰয়োজনীয় আৰু জীৱন নিৰ্বাহ কৰা জ্ঞানৰ পদ্ধতি আৰু চিত্ৰৰ সৃষ্টি কৰাটো আৱশ্যকীয়। অতীত বা ভৱিষ্যতকৈ বৰ্তমানৰ লগত ইয়াৰ ভালৰ অধিক মিল থাকে।

পুথিভঁৰালৰ সা-সামগ্ৰী পাঠকে কিমানখিনি গ্ৰহণ কৰিলে আৰু এইবোৰৰ ফলত তেওঁৰ মনৰ ওপৰত কিমান গভীৰ প্ৰভাৱ পৰিল আদি সমস্যা লৈ পুথিভঁৰাল বৰ বেছি ব্যস্ত নহলেও চলে। গ্ৰন্থপাঠ এটা সাধাৰণ অভ্যাস, গতিকে পুথিভঁৰালে সাধাৰণভাৱে গ্ৰন্থপাঠৰ আগ্ৰহৰ সৃষ্টি কৰিব পাৰে আৰু এই বিষয়ত সাধাৰণ পাঠকৰ কথা বিবেচনা কৰি আৰু তেওঁৰ মানসিক গঠন-বিন্যাস সম্বন্ধে হোৱা ধাৰণাৰ আধাৰত পুথিভঁৰালে নিজৰ কাম চলোৱা উচিত।

এইদৰেও যুক্তি দেখুৱা হৈছে যে এই মানসিক গঠন-বিন্যাস সম্বন্ধে আমাৰ ধাৰণা তেনেই একপক্ষীয় ধৰণৰ হব পাৰে আৰু সামাজিক পৰিৱৰ্তনৰ আধাৰতে গ্ৰন্থপাঠৰ ওপৰত অনাহক অধিক গুৰুত্ব আৰোপ কৰা হৈছে আৰু ব্যক্তিত্বৰ বিকাশ অথবা ইয়াৰ ফলত ব্যক্তিয়ে সমাজত লাভ কৰা মৰ্যাদা সম্বন্ধে যথেষ্ট মনোযোগ দিয়া হোৱা নাই। গ্ৰন্থপাঠৰ ফলত মানুহৰ মনৰ উন্নতি হব পাৰে, আনহাতে ইয়াৰ দ্বাৰা তেওঁৰ ব্যক্তিত্বৰ বিকাশ হয়, গতিকে এই কালৰপৰা অন্ততঃ দুয়োটাৰে মূল্য সমান। কিন্তু দুয়োটা কথাৰ সমন্বয় নঘটে।

মানুহৰ মনোভঙ্গীৰ যি অংশ সমাজে সক্ৰিয় কৰি তোলে তাৰ সীমা সংশ্লিষ্ট সমাজৰ ব্যৱস্থাৰ দ্বাৰা নিৰূপিত হয়। এটা সামাজিক দলে আধ্যাত্মিক মূল্যবোধ, সংস্কৃতিমূলক জ্ঞান, সাফল্যমূলক জ্ঞান আদিৰ ওপৰত গুৰুত্ব দিব পাৰে, কিন্তু যি মাত্ৰাত ব্যক্তিৰ মানসিক স্বাস্থ্যৰ বাবে আটাইতকৈ হিতকৰ হব সেই মাত্ৰাত ইয়াৰ ব্যৱস্থা প্ৰায় কেতিয়াও কৰি নিদিয়ে। মানসিক স্থিৰতা লাভৰ বাবে ব্যক্তিয়ে নিজে সাধন আৰু উপায় বিচাৰি উলিয়াব লাগে, আৰু ইয়াকে কৰোঁতে

তেওঁ পৰোক্ষভাৱে তেওঁৰ সমাজৰ উপকাৰো সাধন কৰি দিয়ে। ব্যক্তিত্বৰ বিকাশ গঠনমূলক সামাজিক বিকাশৰ ভেটি আৰু এই ফালৰপৰা চাবলৈ গলে ইয়াক সামাজিক বিকাশৰ প্ৰশ্নৰ আগতে ঠাই দিয়া উচিত।

ইয়াৰ মৰ্ম এয়ে যে জটিল সমাজত যি পাৰ্থক্যৰ সৃষ্টি হয় শেহান্তৰত আকৌ ব্যক্তিৰ পিনলৈকে তাৰ যোগেদি উভতি যাবলগীয়া হয়। সামাজিক পাৰ্থক্য সৃষ্টিৰ দ্বাৰা আংশিকভাৱে ব্যক্তিত্ব আৰু ব্যক্তিৰ মানসিক গঠন-বিন্যাসৰ পুনৰ প্ৰতিষ্ঠা কৰা হয়।

এইদৰে কিহৰ বাবে পুথি পঢ়া হয় সেই প্ৰশ্নৰ উত্তৰ দিয়াটো তুলনাত উজু হৈ পৰে, কিয়নো ইয়াৰ দ্বাৰা আমি আকৌ ব্যক্তিৰ প্ৰয়োজন সূচীলৈ উভতি যাবলগীয়া হয়। যদিহে আমি ব্যক্তিৰ মনোভঙ্গী তেওঁৰ ব্যক্তিত্বৰ গঠন-বিন্যাস আৰু সামাজিক তথা প্ৰাকৃতিক পৰিবেশৰ ফলত উদ্ভৱ হোৱা ঘাত-প্ৰতিঘাতৰ ফল বুলি বিবেচনা কৰোহঁক তেন্তে এই মনোভঙ্গীৰ বৈচিত্ৰ্যময় এককত্ব ভালদৰে উপলব্ধি কৰিব পৰা যায়। আমি সাধাৰণ সংজ্ঞাৰ আধাৰত চিন্তা কৰোহঁক, কিয়নো জীৱনৰ জটিলতাই এনে কৰিবলৈ বাধ্য কৰে আৰু তাৰ আন এটা কাৰণ হ'ল সমাজৰ প্ৰভাৱবোৰ সাধাৰণ সংজ্ঞাত প্ৰকাশ কৰা হয়। বাস্তৱতে জীৱন হ'ল মানৱ প্ৰাণীৰ মাজত দেখা দিয়া প্ৰক্ৰিয়া আৰু যিমানেই আমি আমাৰ সাধাৰণ সংজ্ঞাবোৰ মানবীয় সংজ্ঞাত পৰিণত কৰিবলৈ চেষ্টা কৰো তিমানেই আমি সমাধান সূত্ৰৰ ওচৰ চাপি যাব পাৰিম।

পুথিভঁৰালৰ কাম জ্ঞানৰ বিস্তাৰসাধন নহয়; মানৱৰ ব্যক্তিত্বৰ বিকাশসাধনহে। এই ফালৰপৰা আমি পুথিভঁৰাল সম্বন্ধে বিবেচনা কৰিলে দেখিবলৈ পাম যে প্ৰয়োজনীয় সকলো উপাদানেই ইয়াত আছে: ব্যক্তিগত পুথিভঁৰাল, ঘৰলৈ নি পঢ়িবলৈ দিয়া পুথিভঁৰাল, জাতীয় পুথিভঁৰাল, ধৰ্মস্থানৰ পুথিভঁৰাল, বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল, স্কুলীয়া পুথিভঁৰাল, ৰাষ্ট্ৰীয় পুথিভঁৰাল, পৌৰ পুথিভঁৰাল, গৱেষণামূলক

পুথিভঁৰাল, কোম্পানীৰ পুথিভঁৰাল; চৰকাৰী পুথিভঁৰাল, আন্তৰ্জাতিক পুথিভঁৰাল, থলুৱা ভাষাৰ পুথিভঁৰাল ইত্যাদি। ব্যক্তিৰ নিজৰ বিকাশৰ বাবে ইয়াতকৈ আৰু সৰহ কি লাগে ?

ইয়াৰ উত্তৰত আমি ক'ব পাৰোঁ "যথোপযুক্ত সময়ৰ আৱশ্যক আৰু এই সমিধান বোধহয় সত্যবপৰা বৰ বেছি আঁতৰত নাথাকিব। গ্ৰন্থপাঠৰপৰা আনন্দ লাভ কৰিবলৈ হলে সময় আৰু ইয়াৰ বাবে আনৰ চিন্তাধাৰা সম্বন্ধে অনুধাৱন কৰা ক্ষমতাৰ আৱশ্যক। গ্ৰন্থপাঠৰ অৰ্থ কেৱল কোনোবাই কিবা অধিক ভালকৈ জনা বিষয় সম্বন্ধে কিছু কথা কৈ শুনোৱাটোৱেই নহয়।" ইয়াৰ কামৰ ই এটা তেনেই সামান্য অংশহে আৰু সি কেতিয়াও আটাইতকৈ গুৰুত্বপূৰ্ণ হব নোৱাৰে।

গ্ৰন্থপাঠৰ অৰ্থ হ'ল নিজৰ মানসিক গঠন-বিন্যাসৰ প্ৰয়োজন অনুসৰি ভাৱধাৰা গ্ৰহণ কৰি লোৱা আৰু এই প্ৰক্ৰিয়াৰ বাবে গতি বা ক্ষমতাৰ সাধাৰণ বিধি একো নাই।

বোধহয় পুথিভঁৰালৰ মাত্ৰা, পাঠকৰ শ্ৰেণী আদিৰ আধাৰতে পাৰ্থক্য নিৰূপণ কৰাটো উচিত নহব। বোধহয় ই বিভিন্ন শ্ৰেণীৰ গ্ৰন্থপাঠ সম্বন্ধেও মনোযোগ দিয়া উচিত হব। বোধহয় পুথিভঁৰালত "ভক্তিমূলক গ্ৰন্থৰ" বাবে এটা কোঠালি আছুতীয়াকৈ ৰখা উচিত হব, এনে কোঠালিত শান্তি আৰু নীৰৱতা ৰক্ষা কৰিব লাগে আৰু অসংখ্য গ্ৰন্থৰ সংগ্ৰহ কৰি পাঠকৰ মনত সন্ত্ৰাসৰ ভাব সৃষ্টি কৰিব নালাগে, নাইবা পুথিভঁৰালত একোটা সাহিত্যৰ গ্ৰন্থাগাৰ ৰাখিব পৰা যায় আৰু এনে গ্ৰন্থাগাৰত একমাত্ৰ স্থায়ী মূল্য থকা বাছকবনীয়া গ্ৰন্থসমূহ ৰখাবহে ব্যৱস্থা কৰিব লাগে।

গ্ৰন্থপাঠৰ উত্তৰ হব পৰা গাম্ভীৰ্যমূলক প্ৰভাৱ সম্বন্ধে আৰু অধ্যয়ন আৰু অনুশীলন চলাব লাগিব; বৰ্তমানে এই বিষয়ে বিশেষ একো কৰ পৰা নাযায়।

প্ৰতিজন ব্যক্তিৰে নিজে ভালপোৱা পুথিৰ একোটা পুথিভঁৰাল থকা উচিত, লাগিলে সেই পুথিভঁৰালত এখন বা কেইখন হেজাৰো

পুথি নাথাকক-। অকল কেইখনমান গ্ৰন্থহে আমাৰ অন্তৰ্নিহিত ব্যক্তিত্বৰ অংশ স্বৰূপে আৱশ্যক।

গ্ৰন্থ আৰু গ্ৰন্থ অধ্যয়ন সম্পৰ্কীয় যিকোনো কথাৰ ভিতৰতে মন কৰিবলগীয়া এটা বিষয় আছে ; ই হ'ল ব্যক্তিৰ সু-উচ্চ মনোভাব। এই মনোভাবেই মানুহক লিখা-পঢ়াৰ প্ৰতি আগ্ৰহ জন্মায়।